জীৱন অন্বেষণৰ বাটত

যোগেশ চন্দ্র কলিতা

সেউজীবন প্রকাশ
গুৱাহাটী-২৫

JIWAN ANNESANOR BATAT
A Spiritual Novel Composed by Jogesh Chandra Kalita,
Published by Mrs. Gauri Kalita, Fatashil, Ambari, Guwahati-25.
Price Rupees Two Hundred Only

প্ৰথম প্ৰকাশ
এপ্ৰিল, ২০১০
প্ৰকাশিকা
শ্ৰীমতী গৌৰী কলিতা
সেউজীবন প্ৰকাশ
ফটাশিল, আমবাৰী, গুৱাহাটী-২৫

মূল্য ঃ ২০০.০০ টকা
বেটুপাত
ভাস্কৰজ্যোতি গগৈ
ডি টি পি
সেউজীবন প্ৰকাশ, ফটাশিল, আমবাৰী, গুৱাহাটী-২৫
মুদ্ৰণ
ভৱানী অফছেট এণ্ড ইমেইজিং ছিষ্টেমছ্ প্ৰাঃ লিঃ
৭ লাচিত লেন, ৰাজগড় ৰোড, গুৱাহাটী-৭৮১০০৭

উৎসৰ্গা

মোক শৈশৱৰ পৰা সততা, নৈতিক সাহস,
ধৈৰ্য্য, উদ্যম আৰু জন কল্যাণৰ
বাট দেখুওৱা
প্ৰয়াত পিতৃ দেৱতা আৰু মাতৃ দেৱীৰ
কৰকমলত

লেখক

উন্মেষ

উন্মেষ বোলোতে মনত উদ্ভাসিত হয় এক ধাৰণা। ধাৰণা বুলিলেই আকৌ জড়িত হৈ পৰে স্মৃতিৰ (Recollection) কথা। স্মৃতিৰ কথা কওঁতে লগতে মনলৈ আহে নষ্টালজিয়া সাপেক্ষে প্ৰণালীবদ্ধ মনৰ গতি। অৰ্থাৎ ধাৰাবাহিক ৰোমন্থন (Continuous remembrance, i.e. relationship, friendship or love and remembrance)। এই ৰোমন্থন নিৰ্ভৰ কৰে মনত থিতাপি লৈ থকা মনৰে সহচৰ পঞ্চেন্দ্ৰিয়ৰ আসক্তিৰ ওপৰত। এই আসক্তিৰ ক্ৰিয়া হ'ল ভোগ-দুৰ্ভোগ আৰু ইয়াৰ ফচল জীৱনৰ সুখ-দুখ, বিষ-বেদনা, যাতনা-পীড়া আদি। এনে সন্দৰ্ভতে জীৱন বাটত আহি পৰে ঘৰুৱা আৰু সামাজিক জীৱনৰ ব্যৱস্থাসমূহ। লগতে ইয়াত জড়িত হৈ পৰে প্ৰধানকৈ ধৰ্মীয় বিধি-বিধান। এই প্ৰথা (Custom) স্বৰূপ ব্যৱস্থা আৰু ধৰ্মীয় বিধি-বিধান সমূহৰ পোহৰত পৰিদৃষ্টি (Clearly visible) হয় মানৱ শান্তি, সম্প্ৰতি আৰু ঐক্যতাৰ বান্ধোন। কিন্তু এই বান্ধোনৰে মেৰপাক লাগি সময় সোঁতত হোৱা আবদ্ধ পোহৰৰ ছাঁত, একে মানুহেই একে সহোদৰ ভাতৃ তুল্য মানুহক কৰা— প্ৰৱঞ্চনা, প্ৰতাৰণা, শোষণ, নিৰ্যাতন আৰু জাতি-বৰ্ণৰ নামত হোৱা ব্যৱহাৰ আচৰণৰ বৈষম্যৰ তিক্ত মানসিকতাও সমান্তৰালভাৱে পোহৰলৈ আহে। এনে জীৱন অন্তৰায় স্বৰূপ দু-জাতীয় ব্যৱস্থাৰ শিকলিয়ে বান্ধি ৰখা উৰণীয়া মন প্ৰেৰণা দায়ক (Uplifting) দেউকা ভাগি সমাজ জীৱনৰ গাঁতত পৰি কক্‌বক্‌াই থাকিবলগীয়া হয় আৰু সোণালী জীৱন সপোনবোৰ ইয়াতে মষিমূৰ হয় বহুতৰ।

এনে প্ৰতিবন্ধকৰ পৰিপ্ৰেক্ষিততে আকৌ জন্ম অধিকাৰ সাপেক্ষে হিয়াত খোপনি পুতি থকা জন্ম প্ৰতিভা (Inborn tendency) বিকাশ কৰিবলৈ মন উদ্বাউল হৈ পৰে আন বহুতৰ। তেনেস্থলত জীৱন বাটত দেখা দিয়া এনে অন্তৰায়ে বহুতক হাত-ভৰি ভাগি কোঙা কৰিলেও, আন বহুতে সবল স্থিতিৰে

দুৰ্দমনীয়ভাৱে সকলো বাধা-বিঘিনি নেওচি অহৰহ গতি লৈ থাকিবলৈ বুকুত আশা পুহি ৰাখে। কিয়নো এই সকলে বুজে যে জন্মসূত্ৰে হিয়াত যি শক্তি আৰোপ সাপেক্ষে ৰোপিত হৈছে, সেই মৰ্মে বিধাতাই যিটো জীৱন মিছন পূৰ্ণ কৰাৰ কাৰণে হাত বাউলি দি থাকে, তাক আধবাটতে কোনো অপশক্তিয়ে ৰোধ বা পৰাভূত কৰিব নোৱাৰে। সৎ আৰু নিষ্ঠা কৰ্মৰ এই গতি অপ্ৰতিহত আৰু ইয়াত মনটোও এক নিপুণ জীৱন খনিকৰ। সেয়ে এনে নিখুত কৰ্মৰ মাজেৰে প্ৰকৃত জীৱন বিকাশ অৱধাৰিত। নিজ ইচ্ছা মতে আনে দিব যেনেকৈ নোৱাৰে কাঢ়ি নিব বিচৰাজনো শেষত নিৰুপায়তে পৰে। কিয়নো সৎ আৰু নিষ্ঠা কৰ্ম বিজয়ৰে প্ৰতীক। এনে সন্দৰ্ভতে মনলৈ আহে যে কংসৰ কৰ্ম সাপেক্ষে মৃত্যুৱেহে ভগৱান শ্ৰীকৃষ্ণৰ জন্মক আদৰি আনিছে। প্ৰকৃততে, ইয়ে সূচায় হৃদয়ে কি বিচাৰে আৰু কেনে কৰ্মত কাৰ কি মতি গতি থাকে। এনে আত্মদৰ্শনকে দেৱৰ্ষি ব্যাসদেৱে শ্ৰীমদ্ভাগৱত গীতাত দাঙি ধৰিছে আৰু আধ্যাত্মিক বাদ যে এক সূক্ষ্ম অনুভূতিৰ কলা প্ৰতীয়মান কৰাইছে। লগতে কৌৰৱ-পাণ্ডৱৰ ভিন্ন চৰিত্ৰৰ দ্বাৰা মানুহৰ আশা-নিৰাশা, আকাঙ্খা-দুৰাকাঙ্খা, পুৰুষালি-কাপুৰুষালি আৰু মানৱীয়-অমানৱীয় আদি বিচিত্ৰ চাৰিত্ৰিক দিশ অৱগত কৰিছে। আধ্যাত্মিক চিন্তাৰ অভাৱেই আজিৰ এনে মানসিক অধঃপতনৰ কাৰণ। সেয়ে দেহত বল থাকিলে দুৰ্বলীক মাৰিব পাৰে, বন্দুক থাকিলে গুলী কৰিবলৈ ভাবিব নালাগে।

এনে পৰিপ্ৰেক্ষিততে স্মৰ্তব্য যে জন্ম অধিকাৰ সমাজত প্ৰতিষ্ঠিত কৰাৰ বাবে তথা মনৰ স্ব-গতিক পোনাই মেলি দিয়াৰ কাৰণে বিভিন্ন জাতি আৰু ধৰ্মৰ উৎসৰ সম্যক জ্ঞান আহৰণ কৰাৰ হেঁপাহে সৰুৰে পৰা মোৰ মনত ক্ৰিয়া কৰি আহিছিল সচিতে সপোনে সংগোপনে। এনে উচ্ছসিত (Upwelling) ধাৰণা পুহি ৰাখিয়েই শৈক্ষিক জীৱনৰ বাট গচকি আহিলো। লগতে চাকৰি জীৱনৰ দেওনাও পাৰ হলোঁ। কিন্তু সামাজিক দৃষ্টিভংগী মনত উদয় হোৱাৰে পৰা নৈতিক মানৱীয় নিচানখন কঢ়িয়াই আহি আহি শেষত বুজিলো অসম তথা পৃথিৱীৰ গৰীব-নিচলাৰ জীৱন ইতিহাস এক চিৰকলীয়া বঞ্চনাৰ ইতিহাস; খিলঞ্জীয়ৰ প্ৰতি কৰা অৱহেলা, অন্যায় আৰু প্ৰতাৰণাৰ ইতিহাস। ন্যায় আৰু সাম্যবাদক আন্ধাৰতে ৰাখি নিজৰ সুখ-সম্ভোগ জীৱন চৰিতাৰ্থ কৰাৰ ইতিহাস। মানুহক মানুহ হিচাপে চাব নজনা এচাম অমানুহৰ ইতিহাস। লগতে বিভিন্ন জাতি-জনজাতিৰ আন্তঃগাঁথনিক আঘাত কৰা শোষণ আৰু আগ্ৰাসনো ইতিহাসৰ

এক অন্যতম কাৰণ হিচাপে পৰিগণিত হৈ আহিছে। ইতিহাসৰ এনে নির্মমতাই জন্ম দিয়া আৰু কেঁচা মাটিৰ গোন্ধ লৈ জন্ম হোৱা সংগ্রামী সত্বাৰো সময়ত হৈ পৰে এক অভাৱনীয় পৰিণতি; তথাপি ইয়ো কঢ়িয়াই আছে আশাৰে বতৰা। দৰাচলতে, নৈতিক অধিকাৰেই সাৰ্বভৌমত্বৰ অধিকাৰ। নৈতিক অধিকাৰ নাথাকিলে সাৰ্বভৌমত্বৰ অধিকাৰ হয় অন্তঃসাৰশূন্য। সেয়ে বিশ্বায়নত আত্মাধীনভাৱ যিদিনা (আগ্রাসন আৰু শোষণ মুক্ত হৈ) বজাই ৰাখিব পাৰিব সেইদিনাহে ক্ষোভ আৰু সন্ত্রাস উদগীৰণ শূন্য হ'ব; লগতে পৃথিৱীয়ে হাঁহিৰ মুখ দেখিব। কিয়নো, এই প্ৰকৃত সত্যতে নিহিত থাকে নৈতিকতা; এই নৈতিকতাতেই বিৰাজ কৰে ব্ৰহ্মসত্য। এই ব্ৰহ্মসত্যই ওঁম শান্তি। (অ-উ-ম; ব্ৰহ্মা, বিষ্ণু, ৰুদ্ৰ)।

এই নৈতিক ধাৰণা সাৰোগত কৰি শেষত অনুভৱ হ'ল যে জীৱন মনৰ মুকলি পোহৰৰ বাটটো বিচাৰি উলিয়াব নোৱাৰি হাহাকাৰৰ ভাৰখনহে বিমৰিষ মনে বৈ ফুৰিলো ওৰেটো জীৱন। আনহাতে, সমাজ আৰু ধৰ্মৰ বাটত বৈ থকা স্বাৱলম্বী হোৱাৰ উপায় প্ৰদৰ্শন কৰাত বাৰো আত্মসন্তুষ্টিয়ে আন কাৰো মন জয় কৰা নেদিখিলো। সুবিধা হেৰুওৱাৰ ভয়ত বা জীৱনটো নিৰাপদে যাপন কৰাৰ লালসাত সঁচাক গুপুতে ৰাখি জীৱন যুদ্ধখন অহৰহ চলাই যোৱাহে পৰিলক্ষিত হ'ল। সঁচাটো মৃত্যু অভিজ্ঞতাৰ দৰে হৈছে। সপোন বা দিঠক যিয়ে নহওক যাক ৰোমন্থন কৰিব নোৱাৰি, সেয়া জীৱন অভিজ্ঞতা নহয়। তেনেকৈ মিছাক সজাই পৰাই তুলিলেও নষ্টালজিয়া হৈ মনত ধৰা নপৰে। মৃত্যুৰ সময়ত দেহৰ সৰ্বাংগ যন্ত্ৰ বিকল হৈ পঞ্চেন্দ্ৰিয়ক অচল কৰি নিৰ্জীৱ অচেতন দেহটো অন্ত্যেষ্টিক্ৰিয়াৰ বাবে বৈ থকাৰ দৰে, মিছাই দপ্‌দপ্‌াই থাকি অৱশেষত পৰাজয়ৰ গ্লানিৰে মুখ ঠেকেচা খাই। সেয়েহে, দেখা যায় মিছাই ঠগিবলৈহে সদায় প্ৰস্তুত হৈ থাকে। তৎসত্বেও, সঁচাৰ সাৰথি হ'বলৈ বা সত্যক সাৱটি বুকু দাঠি ওলাই আহিবলৈ সাহস যে নকৰে সেয়া নিজক নুবুজাৰ বাবে। গতিকে কোনেও কাকো মুক্ত কথা, মুক্ত মনে বা হৃদয়ৰ মুক্ত বতৰা পোনছাটে সদৰী কৰিব নোৱাৰে, দ্বিতীয়জনক নিজৰ মনৰ মতে নুবুজাকৈ। কোনোজনে মুক্ত বতৰা দিব বিচাৰিলেও প্ৰতীয়মান কৰাব নোৱাৰে। কাৰণ ব্যৱসায়, বাণিজ্য, লেন-দেন আদি অৰ্থনৈতিক দিশকে সামৰি সকলোতে বিয়পি পৰা ঠগ, প্ৰৱঞ্চনাৰ প্ৰভাৱত সকলোৰে সকলোতে সন্দেহ ওপজিছে। কথাৰ ভিতৰত কথা লুকাই

ৰখাৰ সন্দিহান। সকলোৱে সকলো জানে; প্ৰকৃতাৰ্থত নিজকহে চিনিব নোৱাৰে। সেয়েহে, নিজে নিজক বিচাৰি ভাগৰি পৰিছে; সুখ ক'ত থাকে টলকিব নোৱাৰে। আনহাতে, নিজক নাজানি নিজে নিজে ডাঙৰ মানুহ বুলি সমাজত জাহিৰ কৰিবলৈ কঁকালত টঙালি বান্ধি থাকে অনবৰতে। কিন্তু, কোনেও কাৰো কথাত কাৰো জ্ঞানক বিশ্বাসত ল'ব নোৱাৰে। অৰ্থাৎ দাৰ্শনিক চক্ৰেটিছে কোৱাৰ দৰে, 'মই যে নাজানো' সেইটো নজনাৰ কাৰণে এনে মানৱীয় মূলবোধৰ অৱক্ষয়ৰে ভৰা এই জীৱন দুৰ্গতি।

বৰ্তমানৰ এনে সামাজিক অপচয়ৰ পৰা সহজে অনুমেয় হয় যে আত্মিক সমল জ্ঞাত হোৱাৰ অভাৱত নিৰ্ভীক হ'ব নোৱাৰাৰ দৰে, বিভিন্ন জাতি-জনজাতি মানুহৰ মানৱীয় সমন্বয় আৰু সংহতি আৰু প্ৰকৃত ধৰ্মৰ উৎস সামাজিক অন্যায়ৰ বা-মাৰলীত নিমজ্জিত হোৱাত উৰাদিহ উলিয়াব নোৱাৰি চকৰি ঘূৰাদি ঘূৰি আছে খেৰ-কুটা, ধূলি-বালি আদি আৱৰ্জনাৰ লগত। ফলত যি ধৰ্মীয় খেলে যি ধৰণে মন্তব্য দাঙি ধৰে বিতৰ্কত নগৈ তাকেই মানি ভগৱানৰ নাম লওঁতেই আৱদ্ধ মনৰ সকলো কথাৰ ওৰ পৰে। সেয়েহে, দিনে দিনে অতিচাৰ হৈ অহা ঘৰ আৰু সমাজৰ ব্যাভিচাৰ ৰোধ কৰাৰ উপায় কোনোৱে অনুধাৱন কৰিব পৰা নাই। কিন্তু মনৰ খুদুৱনিয়েও জীৱনটোক মুকলি হ'বলৈ এৰি দিয়া নাই। তথাপি এক মানৱ জাতি আৰু এক মানৱ ধৰ্মৰ সন্নিহিত পোহৰৰ ৰেখাডাল দুৰ্নীতি, ভ্ৰষ্টাচাৰ আৰু অনাচাৰৰ ভিৰৰ মাজতো মানৱ হৃদয়ৰ সন্ধান বিচাৰি ন্যায়, সমতা আৰু সত্যৰ পথেৰে ফল্গু ধাৰা হৈ বৈ আছে।

এনে আকাঙ্খিত আত্মিক সমল জ্ঞাত হোৱাৰ মানসেৰে প্ৰাক্‌বৈষ্ণৱ যুগৰ কাব্যত (Early Assamese Narrative Poetry) গৱেষণা আৰম্ভ কৰিছিলো। কিন্তু কি হ'ব? শিক্ষা বিস্তাৰৰ সন্দৰ্ভত স্কুল, কলেজ গঢ়াৰ পাৰিপাৰ্শ্বিক তাড়নাৰ শিকলিয়ে মনটো আটি ধৰাত অপৰিপুষ্ট অধ্যয়নে Guide ৰ সহায়ৰ হাত চুব নিদিলে। ফলত মনৰ প্ৰক্ৰিয়াই গতি ল'ব নোৱাৰি দুই নাৱত দুই ভৰি দি উপায়ন্তৰ হৈ থাকিল অনিশ্চয়তাৰ সাগৰত ডুবি।

অৱশেষত দেখিলো অনুভৱ, উপলব্ধি আৰু ধ্যান-ধাৰণাই যেন অজানিতে স্ব-প্ৰকাশ বিচাৰি নিজেই থিয় দিলেহি মনৰ পদূলিত। হাবিয়াসৰ মৰ্ম পীড়াই হিয়াৰ মৰ্মগ্ৰাহীৰ লগত সন্নিবদ্ধ হ'ল মনৰ এই আশাৰ পদূলিতে। লগে লগে স্বাবলম্বী মন জাগ্ৰত হৈ উঠি স্ব-বিকাশৰ তাড়নাৰ গলত গল দিলেহি এই

বাটতে। ফলত ‘জীৱন অন্বেষণৰ বাটত’ নামৰ আধ্যাত্মিক উপন্যাস (Spiriual Novel) খনৰ জৰিয়তে মনে আত্মপ্ৰকাশ কৰিবলৈ নিজে নিজে সুবিধা উলিয়াই লোৱাৰ সম্ভেদ লাভ কৰিব পাৰিলে। এই স্ব-বিকশিত স্বাচ্ছন্দ্য মনৰ স্বতঃস্ফূৰ্ত গতিয়ে বৰ্তমানৰ ৰাজনৈতিক আৰু সমাজ জীৱনৰ আঁৰত, চুম্বকৰ সহায়ত গৰীব-নিচলাই ৰাস্তা-ঘাট, নলি-নৰ্দমাত পৰি থকা কুটা-মাটি, লো আদি টানি আনি পিঠিৰ বস্তাত সোমাই লৈ পেটৰ ভোকক সৈমান কৰাৰ দৰে, বিশ্বভাৱ ভাণ্ডাৰৰ পৰা অভিজ্ঞতাৰ টুকুৰা বুটলি এই গ্ৰন্থখনৰ বুকুত ভৰাই মনৰ হাবিয়াসক জিৰণি দিলোঁ।

এই পৰিপ্ৰেক্ষিততে উল্লেখযোগ্য যে ঘৰ আৰু সমাজ পৰিয়াল সদস্যৰ মাজৰ শালীনতাৰ অভাৱ, সামাজিক আৰু ৰাজনৈতিক অনুশাসনহীনতা আৰু নৈতিকতাহীন প্ৰতিযোগিতাৰ ওপৰত নিৰ্ভৰশীল শৈক্ষিক বাতাৱৰণে হিয়াত শান্তিৰে জিৰাই থকা সৎ, সমতা আৰু ন্যায়ক উদ্বেলিত কৰি তুলিছে। কাৰণ, আইনে যেনেকৈ ন্যায়ৰ ভাষাহে জানে, হিয়াও এক জীৱাত্ম সাপেক্ষে হিয়াকহে বুজে। সেয়ে, প্ৰকৃতিৰ আঁৰে আঁৰে থকা সমতাৰ প্ৰৱণতাৰ দণ্ডডালৰ লগত মানৱ জন্ম সমতাৰ প্ৰৱণতাৰ দণ্ডডালৰ সমন্বয় ঘটাবলৈ মনেও অহৰহ জীৱন অনুসন্ধানৰ বাটত অবাৰিত ইচ্ছাক উচাহ যোগাই থাকে। অন্ধজনে মনেৰে অনুভৱ কৰি চাক্ষুস অনুভূতি জগায় তোলাৰ দৰে এই উচাহ। প্ৰকৃতি জগত আৰু জীৱ জগত, উভয়ৰ সৃষ্টি তত্ত্বতে নিহিত হৈ থাকে এক ঐশ্বৰিক স্থিতি, যাৰ পৰশত স্থূল আৰু সূক্ষ্মৰ সমন্বয় ঘটে। এনে ধাৰণাৰ বোকোচাত উঠি জীৱন অন্বেষণৰ বাটত খোজ দি গৈ থাকোতে হঠাতে দুৰন্ত নন্‌ষ্টপ ৰেলত উঠি লক্ষ্য স্থানত উপনীত হোৱাৰ দৰে, অন্তনিৰ্হিত সমতাৰ দণ্ডদুডালৰ সংযোগ স্থিতি স্পৰ্ষ কৰিব পৰা যেন অনুভৱ কৰি খেপিয়াই চাবলৈ হাত মেলিব বিচাৰোতে জীৱাত্মা-পৰমাত্মা স্বৰূপ পিতা-পুত্ৰৰ স্নেহ মিলন প্ৰীতিতে স্তম্ভিত মতত উপনীত হ'লো। আৰু আত্মিক প্ৰীতি স্বৰূপ জীৱাত্মাৰ মিলন প্ৰীতিতে একাত্ম হৈ পৰি জীৱন অন্বেষণৰ বাটৰ মোখানি মাৰিলো। সেয়েহে, জীৱন অন্বেষণৰ বাটত যি দেখিছোঁ, শুনিছোঁ, পৰ্যবেক্ষণ কৰিছোঁ আৰু ভাবিছোঁ, তাকে মনৰ সাৰথি কৰি স্মৃতিৰ পটত মূৰ্ত্ত কৰিবলৈ প্ৰয়াস কৰিছোঁ। মনৰ অতিদৰ্শী স্বচ্ছল প্ৰচেষ্টাত জীৱনটো যেন নিজে নিজে আন্ধাৰ ফালি পোহৰলৈ অহাত সহায়ক হৈছে।

ইয়াত ভুল-ভ্ৰান্তি, দোষ-ত্ৰুতি, চ্যুতি-বিচ্যুতি, অতিৰুক্তি-পুনৰুক্তি আৰু

সংলগ্ন-অসংলগ্ন প্ৰকাশ হোৱাটো তেনেই স্বাভাৱিক। অজানিতে হোৱা এনে সকলো দোষাদোষ হৃদয়ৰ দৃষ্টিভংগীৰে মৰিষণ কৰি জাতি-ধৰ্মৰ বেহু ভাঙি এক মানৱ প্ৰেমত নিজক বিলাই দি এই গ্ৰন্থখনৰ বিচাৰ কৰিলে লিখক কৃতাৰ্থ হ'ব। লগতে প্ৰেম-কলহ আৰু হিংসাৰ কবলত দপদপাই জ্বলি উঠা হিয়াৰ দাবানল নিৰ্বাপিত কৰাৰ বাবে মনৰ দৰৱ হিচাপে এই গ্ৰন্থখনৰ বিষয় বস্তুখিনি আদৰি ল'লে, পৰিশ্ৰম আৰু চিন্তাৰ শুভফল লাভ কৰি, লিখক অতি আনন্দিত হ'ব। এনে আশা বুকুত সাবটি আৰু ভুল-ত্ৰুটিৰ মাৰ্জনা বিচাৰি পাতনি সামৰিলোঁ।

ডি টি পিৰ কামখিনি নিয়াৰিকৈ সমাপন কৰাৰ বাবে স্বপন ডেকা, ধীৰাজ লহকৰ আৰু ৰমেন দত্তৰ শলাগ ল'লো। লগতে অতি কষ্টৰে ভুল শুধৰণি চাইচিতি দিয়াৰ বাবে ভোলা কলিতালৈ মোৰ হিয়া ভৰা ওলগ যাচিলো।

ইতি

যোগেশ চন্দ্ৰ কলিতা

এক

নতুনকৈ গঢ়ি উঠা চহৰখন। নগৰৰ পৰা পৰিৱৰ্তন হৈ চহৰৰ ৰূপ লোৱাৰ দুই-তিনি দশকৰ কথা। নগৰ থাকোঁতে পৰিসৰ কম আছিল। ৰাস্তা ঘাট, আলি-পদূলি, স্কুল-কলেজ, অফিচ-কাছাৰি, অনুষ্ঠান-প্ৰতিষ্ঠান কম আছিল। কেইবা মাহৰ মূৰত বৰষুণ হৈ ব'হাগ মাহত গছে-বনে, লতাই-বিৰিণাই কুঁহিপাত মেলাৰ দৰে বাছ গাড়ী, ট্ৰাক-ট্ৰেকাৰ, ঘৰুৱা কাৰ বাঢ়িল। পকা ৰাস্তাই পুৰণি আলি-পদূলি চিকুনাই দিলে; স্কুল, কলেজ, অফিচ, মঠ, মন্দিৰ, নামঘৰ, অনুষ্ঠান প্ৰতিষ্ঠান, মাল্টিনেচনেল কোম্পানী, নানা উদ্যোগ, ইংৰাজী মাধ্যমৰ বিদ্যালয়, নাৰ্ছিংহোম, দোকান-পহাৰ আদি ভাবিব নোৱাৰাকৈ থিয় দিবলৈ ল'লে। ফুলে-ফলে, ডালে-পাতে, গছে-লতাই, বননি-বিৰিণাই জেঠ-আহাৰ মাহত জাতিষ্কাৰ হৈ উঠাৰ দৰে কেইবামহলীয়া অট্টালিকা, ফ্লেট, বোম্বে টাইপ ঘৰ আৰু ইয়াৰ বাৰে-বৰণীয়া ৰঙৰ সাজ-পোচাকে চহৰখন নতুনকৈ সজাই-পৰাই তুলিলে। ৰাতি হৈ অহাৰ আগে-ভাগে লতা গুটিবোৰে ভৰপক লৈ গোটেইখন চহৰ আলোক সজ্জাৰে আলোকিত কৰি তুলিলে। সদায় ঘূৰি-পকি থকা ঠাইখিনিও হঠাৎ অচিনাকি হৈ পৰে। তাতে আকৌ চডিয়াম লাইটবোৰে কি চিকমিকাই তোলে ভাবিবই নোৱাৰি। বাছ-ট্ৰেকাৰ আদিৰে মিলিজুলি নতুনকৈ গঢ়া উৰণীয়া সেতুৱেও এচমক লগায়। কাষেৰে বৈ যোৱা বহল নদীখনকো তুলিছে জিলিকাই, লগতে উদ্যানবোৰৰ চলাচলে অতীত ঐতিহ্যকে সোঁৱৰাই দিছে।

তাহানি ব'হাগ মাহত মেঘৰ গৰ্জনৰ ভয়ত সৰিপৰা ডবাপিটা বৰষুণৰ ফলত মাছৰ উজান উঠিছিল বিলৰ পাৰত। উজনিমুৱা কণী পাৰিবলৈ বিচৰা মাছৰ উজান ধৰিবলৈ বিলখনৰ চাৰিও দিশৰ গাঁৱৰ মানুহবোৰ আহি একে সময়তে বিলৰ পাৰ ভৰি পৰিছিল। মেঘৰ গৰ্জনি শুনি পানী পোৱাৰ আশা বুকুত বান্ধি মাছবোৰ যেনি-তেনি পাৰত উঠি যায়। পানী নেপালে শেতা পৰি ৰয়। মানুহে আনন্দ মনেৰে কোক-খালৈ ভৰাই মনৰ হেঁপাহ পলুৱায়। তেনেকৈয়ে ঠাইখনিৰ চাৰিওপিনৰ তথা দূৰ-দুৰনিৰ ঠাইৰ পৰা টকাৰ উজান ধৰিবলৈ মানুহ

আহি নগৰখন ভৰি পৰি চহৰ সজালে। চহৰৰে সৰু সৰু ঠাই বা ডাঙৰ গাঁৱৰ চুবুৰিৰ দৰে সৰু ঠাইবোৰত নগৰ বুলি ক'বলৈ লৈ ঘৰৰ আৰু নিজৰ পৰিচয় দিয়াৰ সুবিধা কৰি ল'লে। এইখন চহৰৰে তেনেকুৱা এখন ঠাই 'ৰত্নগিৰি'। ইয়াৰে বাসিন্দা গিৰীন চৌধুৰী আৰু প্ৰণৱ বৰুৱা। উভয়ৰে বয়স ষাঠিৰ ঊৰ্ধত।

চহৰৰ এটা বিশেষত্ব আছে। কাষৰ মানুহ ঘৰৰ খা-খবৰ নাপাই নতুনকৈ মাটি কিনি ঘৰ বান্ধি বসতি কৰিবলৈহে লয়। সেয়ে পৰাপক্ষত উপাধিটোৱে কাণ চুই যায়। গাঁৱত হ'লে জন্মৰে বাসিন্দা হিচাপে সকলোৰে নামটো মুখে মুখে। কাৰোবাৰ আকৌ অঙ্গি-ভঙ্গি, চাল-চলন, কথা-বতৰাৰ লক্ষণ অনুযায়ী দুই নম্বৰী নামটোৱে জনাজাত হৈ পৰে। আন্তৰিকতাই স্পৰ্শ কৰা হিয়াখনে বন্ধু-বান্ধৱী, ভাই-ভনী সকলোকে মনৰ আপোন কৰি লয়।

চহৰত হ'লে বিয়াই-সবাহে, পূজা-পাৰ্বণে, বিহুই-উৎসৱে, তিথি-পৰ্বই, সভা-সমিতিয়ে লগালগি হ'লেহে চা-চিনাকি হয় আৰু তেনেকৈয়ে আত্মীয়তাই পোখা মেলে। তাৰোপৰি চৰ, বড়ি, বননি, পিটনি আৰু জলাহ আদিত পৰ্যায়ক্ৰমে প্ৰব্ৰজন হোৱা মানুহখিনিয়ে ভৰি পৰে আৰু কঠোৰ পৰিশ্ৰমেৰে উৎপাদিত শাক-পাচলি আদি বিভিন্ন মালৰ যোগান ধৰে এই চহৰত।

আগতে গাঁৱৰ মানুহৰ শোৱনি ঘৰত বাৰাণ্ডা, মাজতে চোতাল, চাৰিওপিনে ঘৰ সাজি এটা মানুহ বহা চ'ৰাঘৰ, পিচপিনে তামোল-পাণৰ বাৰী, আৰু সন্মুখত শাক-পাচলি কৰা এডৰা মাটি যোগাৰ কৰি মনঃপুত শাক-পাচলি উৎপাদন কৰাৰ হেঁপাহ আছিল। আজিকালি পৰিশ্ৰম কৰাৰ অৱহেলাতে প্ৰায় ভাগৰে এই মাটি ছনবড়ি হ'বলৈ লৈছে। সেয়েহে, কি নগৰ-চহৰ, কি গাঁও-ভূঁই সকলোতে এই শ্ৰমজীৱীৰ ফচল, শাক-পাচলি আদিৰে ভৰি পৰিছে। ৰাতিপুৱা পাঁচ বজাৰে পৰা সন্ধিয়া ছয়-সাত বজালৈ বেপাৰীবোৰে এটাৰ পিচত এটাকৈ লানি নিছিগা হৈ পৰে। ঘৰৰ দুৱাৰ মুখতে যেন বজাৰ-সমাৰ হৈ যায়; আনকি মাছ-পুঠিও। অকল সময়ে সময়ে মাংসখিনি লোৱাৰ বাবেহে বজাৰত যাব লগা হয় বহুতৰ।

লগতে সময়ৰো এটা বিশেষত্ব হ'ল দালালি, ধনী ব্যৱসায়ী আৰু উদ্যোগপতিৰ শোষণৰ কুঁহিয়াৰ চেপাত এপিনে দেহ অৱশ আনপিনে খাওঁ বুলিলেও মাছ-মঙহ এটুকুৰা হাতেৰে চুব নোৱাৰে। এই ৰত্নগিৰি নগৰৰ মানুহখিনি গোটেই চিনা-জনা, অথচ তাতেই অচিন-অজানা। চাকৰি বা ব্যৱসায় সূত্ৰে বহু

দূৰ-দূৰণিৰ মানুহৰ লগত অতি চিনা-জনা, অতি মধুৰ সম্পৰ্কই গঢ় লয়। কাষৰ ঘৰৰ পূজাই-পাৰ্বণে, বিয়াই-সবাহে নিমন্ত্ৰণ নাপায়, কিন্তু দূৰ-দূৰণিৰ বন্ধু-বান্ধৱ, আলহী-অতিথিৰ নিমন্ত্ৰণ পায়; আনকি কোনো ক্ষেত্ৰত অতি আত্মীয়তাও গঢ় লৈ উঠে, আহ-যাহ চলে আৰু সাদৰ-সম্ভাষণ ভোগ কৰে।

যা হওক, এই চিনাকি-অচিনাকিৰ মাজতে মিলি-জুলি সম্প্ৰীতিৰ সমন্বয় ক্ষেত্ৰ হিচাপে মানুহখিনিয়ে সাজি লৈছে এখন বিহুতলী ৰত্নগিৰি নগৰৰ মাজমজিয়াতে। এই আহল-বহল মুকলি পথাৰখনেই হৈ পৰিছে সংস্কৃতিৰ সমন্বয়স্থল। আগৰ নীৰৱ-নিজম ছনবড়ি এতিয়া হ'ল উৎসৱমুখৰ বিহুতলী। এনেকৈয়ে ইতিহাসে সাঁচি ৰাখে সময়ৰ বাতৰি আলফুলে বুকুত সাবটি। ইয়াৰ তিনিটা দিশতে নাতিদূৰত সেউজীয়া পাহাৰ। ৰঙালী বিহু উদযাপনৰ উদ্দেশ্যৰ পৰিপ্ৰেক্ষিততেই এই বিহুতলী উৎসৱমুখৰ হৈ পৰাই নহয় আনকি খেলা-ধূলা আদি কৰি সকলো উমৈহতীয়া কামৰ জৰিয়তে বিভিন্ন জাতি-উপজাতি, জনজাতি মানুহৰ মাজত সু-সমন্বয়ে প্ৰাণ পাই উঠিছে। পুৱা-গধূলি ফুটবল, ভলীবল, বেডমিণ্টন আৰু ক্ৰিকেট খেল খেলা যেন এটা নিয়মত পৰিণত হৈছে। স্কুল-কলেজ, ঘৰৰ পঢ়া-শুনা আদিৰ পৰা সকাহ পালেই দৌৰ মাৰি আহি এই বিহুতলীত নানা ধৰণৰ ৰং-ধেমালি কৰে।

ইয়াৰ আশে-পাশে চাৰি-পাঁচজনীয়া ল'ৰা-ছোৱালীৰ দলে অ'ত-ত'ত বিহু গীত, বন গীত, আধুনিক গীত, জ্যোতি সংগীত, বিহু হুঁচৰি আদিৰ আখৰা কৰে। গোটেইখিনি মিলি এক আনন্দৰ পৰিৱেশে চৌদিশৰে গা-মন নচুৱাই তোলে। তাতে আকৌ ৰঙালী বিহুত বিভিন্ন গীত-মাতে আকাশ ৰজনজনাই থাকে। প্ৰকৃতিৰ নতুন সাজত বৰদৈচিলাৰ ডেউকাৰ বা-লাগি গছ-লতা, বন-বননিয়ে কঁকাল ভাগি হালি-জালি নাচে। আকাশৰ মেঘে ঢোল-পেঁপা-গগনা বজাই থাকে। প্ৰকৃতিৰ নাচোনৰ সাবলীল গতিতেই যেন একাত্ম হৈ পৰে সকলোৰে মন-প্ৰাণ। গাভৰু যৌৱনে বিহুৰ নাচতে নাচে, যুৱক-যুৱতীৰ যৌৱন প্ৰেমৰ বাট বিচাৰি মন হয় চঞ্চল। ৰং-ৰহইচ ভৰা নানা জাতিৰ সাংস্কৃতিক মিলনেৰে চৌপাশ হৈ পৰে মুখৰিত।

এয়া মানুহ প্ৰকৃতিৰে সন্তান, প্ৰকৃতিৰ বুকুতেই নিমজ্জিত হৈ থাকে মন-প্ৰাণ। প্ৰকৃতিৰ আত্মা সাপেক্ষে প্ৰকৃতিৰ শিক্ষা আৰু প্ৰাকৃতিক সৌন্দৰ্যবোধৰ ওপৰতে নিৰ্ভৰ কৰে শিশুৰ সম্ভাৱনাপূৰ্ণ মানসিক বিকাশ। মানুহখিনি যেন এই

কথাৰ প্ৰতি অতি সচেতন। প্ৰকৃতিৰ মুকলি আকাশৰ তলত মুক্তমনে শিশুৱে সমনীয়া ল'ৰা-ছোৱালীৰ লগত নাচি-বাগি, খেলা-ধূলা কৰি উঠিলেহে প্ৰতিভা বিকাশৰ কোমলপাহি মেল খায়।

সেয়েহে, ইয়াত ল'ৰা-ছোৱালীয়ে যেন এপাক মাৰিহে হিয়া জুৰ কৰে, বা-বতাহ লয়, প্ৰাকৃতিক সৌন্দৰ্য উপভোগ কৰে। বহুতে সুখৰ-দুখৰ ভৱিষ্যৎ জীৱন গঢ়াৰ দুষাৰ কথা পাতে। তাৰোপৰি ইয়াতেই পুৱা-গধূলি ব্যায়াম কৰে, যোগ প্ৰশিক্ষণ কৰে। আবাল-বৃদ্ধা-বনিতাৰো ইয়াৰ অন্যথা নহয়।

গিৰীন চৌধুৰী আৰু প্ৰণৱ বৰুৱাইয়ো এদিন আবেলি বা-বতাহ লওঁ বুলিয়েই বিহুতলীত বহিছে ওচৰা-ওচৰিকৈ। হঠাতে এজনী বয়সীয়াল ভদ্ৰ মহিলাই আন এগৰাকী ভদ্ৰ মহিলাক কোৱা কথা এষাৰ দুয়োৰে কাণত বাজি গ'ল, "কি ক'বহে পতি-পত্নী, ল'ৰা-ছোৱালীৰ মাজত খুঁত-খাত, ইটো-সিটো মাজে-সময়ে লাগিবই। খোৱা-লোৱা, পঢ়া-শুনা, পিন্ধা-উৰা, খৰচ-পাতি আদি বহুত কথা। এনেয়ে বস্তুৰ জুই-ছাই দাম, তাতে আকৌ ল'ৰা-ছোৱালীৰ ভিন ভিন ৰুচি। কাৰো লগত কাৰো নিমিলে। খৰচ কম কৰাৰ উপায় উলিয়াব বিচাৰিলে দুগুণহে বাঢ়ি যায়। আমাৰ দিনত 'মা'ৰ কথাতে সকলোৰে ৰুচি মিলাই লোৱা হৈছিল, আজি যেন মাকেহে প্ৰতিজন ল'ৰা-ছোৱালীৰ ৰুচিৰ মৰ্মে মিলাব লাগে। বুজাপৰা, মানা-মানি আজিকালি বহুত কমি গৈছে। নিজা-নিজি ভাব গাঢ় হৈছে, কোনেও আন কাকো সমীহ নকৰা হৈছে।" আনজনীয়ে উত্তৰ দিলে, "সেই কাৰণে কথাবিলাক সৰু ল'ৰা-ছোৱালীৰ ৰং-খেলৰ কাজিয়াৰ দৰে ল'ব লাগে। খং কৰি ধৰি লৈ শিকাব লাগে আৰু মৰম কৰি বুজাই খুঁটি-নাটি উনুকিয়াই দিব লাগে। এই খুঁটি-নাটিবিলাক যে ধৰি থাকিব নালাগে পৰাপক্ষত ভালদৰে বুজাই দিব লাগে।" চৌধুৰীয়ে বৰুৱাৰ ফালে আৰু বৰুৱাই চৌধুৰীৰ ফালে মূৰ ঘূৰালে, উভয়ে উভয়ক বুজিলে 'ৰত্নগিৰি' নগৰৰ বাসিন্দাৰ ধাৰণাৰে, একে ঠাইৰে বাসিন্দা হিচাপে চিনাকি ভাবত চৌধুৰীয়ে বৰুৱাক ক'লে, "শুনিলেনে এই যে শিক্ষনীয় দিশৰ কথাখিনি দাঙি ধৰিলে।" "এনে সহনশীলতাৰ অভাৱ আৰু শিকাৰ মনোভাবৰ প্ৰতি পিঠি দিয়া স্বভাৱৰ কাৰণে কি ঘৰ, কি সমাজ, কি ৰাজ্য আৰু কি দেশ সকলোতে অনৰ্থ" — বৰুৱাই উত্তৰ দিলে।

এই কথাৰ প্ৰসংগতে দুয়োৰো মাজত এটা বুজাপৰা অৱস্থাই মনত আত্মীয়তাৰ সন্ধান দিলে।

চৌধুৰী : বৰ্তমানৰ কৃত্ৰিমতাৰে ভৰা নাগৰিক জীৱন, পিতৃ-মাতৃ, ভাই-বন্ধু, ইষ্ট-কুটুম্ব, শিক্ষক-ছাত্ৰৰ সম্পৰ্ক আৰু মানসিকতা প্ৰত্যক্ষ কৰি চিন্তাশীল ব্যক্তিৰ অন্তৰাত্মা কঁপি উঠিছে। তাতে আকৌ সমাজ সচেতন ব্যক্তিৰ অভাৱ লক্ষণীয় দিশ হৈ ধৰা পৰিছে। আনপিনে জাত-পাতৰ খোপনি এৰিব নোখোজা সংকীৰ্ণ চিন্তাধাৰাই মানুহক আজিৰ এই বিজ্ঞানৰ যুগতো পিচুৱাই নিয়াৰহে যেন নিজে নিজে ব্যৱস্থা কৰিবলৈ উঠি-পৰি লাগিছে। আজিৰ মহাকাশ যাত্ৰা, চন্দ্ৰ অভিযান, আণৱিক গৱেষণা আৰু অৰ্থনৈতিক প্ৰগতিৰ যুগতো এনে মনোভাৱ মুঠেই উৎসাহজনক নহয়। সমাজ সংস্কাৰৰ পৰিপ্ৰেক্ষিতত এনে দোষবোৰ উনুকিয়াই দিয়াৰ ইচ্ছা যায়। কিন্তু মনৰ মিল থকা লগ-বন্ধু পোৱা নাযায়। আপোনাক আজি লগ পালো, ভালেই।

বৰুৱা : আগতে মোৰো বহুত ব্যস্ততাত গ'ল। টিভি চাই সময় কটোৱা দুৰ্ভাগ্যও নহ'ল। সময় পালে দুই-এখন কিতাপ হাতত লওঁ, কিন্তু সম্পূৰ্ণ পঢ়া হৈ নুঠেগৈ; ঘৰুৱা ব্যস্ততাই মনটো মুকলিকৈ এৰি দিব নোখোজে। বাৰু কওকচোন মোক লগ পোৱা কাৰণে কি ভাল লাগিছে আৰু কি কথা ক'বলৈ মন গৈছে।

চৌধুৰী : শুনিলেই নহয়, ঘৰবোৰ কি নিস্তেজ, নিশকতীয়া অনুজ্জ্বল হৈ পৰিছে আগৰ দিনৰ পঁয়ালগা বেমাৰীৰ দৰে— পেটৰ সম্প্ৰসাৰণ আৰু হাত-ভৰিৰ সংকোচন। যিপিনে চায় দেখিব পৰিয়ালবোৰৰ পৰা সুখবোৰ হিয়া আঁচুৰি নিবলৈ লৈছে কৃত্ৰিমতাই। পৰিয়ালৰ সদস্যৰ মাজত সংঘাত, সংকোচ আৰু সংশয়ৰ ৰাজত্ব। বাহিৰে ৰং-চং ভিতৰে কোৱাভাতুৰি।

বৰুৱা : নিজক নিজে চিনি নাপালে, বুজি নাপালে, নিজৰ কথা নিজে নাভাবিলে অসূয়া অনৰ্থই আত্ম ধ্বংস কৰিবই। আগৰ দিনৰ দৰেই আজিকালি নহয় যে ভাই-ককাইৰ কাজিয়া ভাঙিবলৈ গৈ নিজে পিছল খাই মাৰটো গা-পাতি ল'ব বা নিজৰ কাম-বন ক্ষতি কৰি আনৰ পৰিয়ালৰ দুখৰ বোজাটো নিজে মূৰপাতি ল'ব। সুখ-দুখ দিন-ৰাতিৰ দৰে, ইপিঠি-সিপিঠি; এটাৰে দুই পিঠি, সুখ বিচাৰিলে নাপায়,

নিজে ল'বও জানিব লাগিব।

প্ৰত্যেকজন মানুহে এটা কথা ভবা দৰকাৰ যে তেওঁৰ ওপৰত যিয়ে যি ধৰণে আশা-প্ৰত্যাশা কৰে, সেই আশা-প্ৰত্যাশাক যাতে তেওঁ চুই যাব পাৰে সেই কথালৈ গভীৰভাৱে মনোনিৱেশ কৰিব লাগে। যি কামত তেওঁ গভীৰভাৱে মনোনিৱেশ কৰিব সেইটোৱে এটা কলা হিচাপে তেওঁৰ মনত ধৰা পৰি যাব। এনেদৰেই যিটো কাম বা মনৰ স্থিৰতাত সুখ নিৰ্ভৰ কৰে সিয়ো এটা কলা। আনক হস্তক্ষেপ নকৰাকৈ নিজে নিজৰ পথত থাকি সাধনা কৰিলেহে ই সম্ভৱ হৈ উঠে। ধৰক, পৰিয়ালৰ আন সদস্যৰ দুখবোৰ চপাই লৈ যদি আনক সুখী কৰিব পাৰে তাতো এটা সুখ আছে।

সুখটো ইয়াৰ অভাৱত কেনেকৈ দুখ হৈ আহে চাওক— এজন ডেকা ল'ৰাই সৰু ছোৱালী এজনীক মৰমতে জোকাই আছে, তাইৰ খং নুঠে মানে তাৰ আনন্দও পূৰা নহয়। কিছুসময় পাচত তাইৰ খং উঠিল আৰু খঙে চুলিৰ আগ লম্ভিলেগৈ, তাৰ আনন্দও বাঁহৰ আগ বানপানীত তল যাওক, কাউৰীৰ ৰং চাওঁ হ'ল। পৰিৱেশ বিষম যেন দেখি ডেকা ল'ৰাজনে তাইক এটা চকলেট দিলে। তাই চকলেটটো মুখত ভৰাই কাগজখিলা সোঁহাতৰ তিনি আঙুলিৰে লাৰু কৰি আছে। ল'ৰাজনে যেতিয়া ছোৱালীজনীৰ মাকক লগাই হাস্য-ব্যংগ ৰসপান কৰিবলৈ ল'লে, তাই হাতৰ লাৰুটো মুখত দলি মাৰি ঘৰ সোমাল। কাগজৰ লাৰুটো তাৰ চকুত পৰি খুন্দা খালে আৰু লগে লগে চকুটো ৰঙা পৰি গ'ল। চাওক, এই দোষৰ দোষী কোন?

চৌধুৰী : দোষবোৰ এনেকৈ জমা হৈয়ো বহুতৰ সুখক আলাই-আথানি কৰে। বস্তুবাদে সমাজ জীৱন বিকাৰগ্ৰস্ত কৰাৰ ফলত মানুহৰ সুখ নাইকিয়া হৈ পৰিছে। পিতৃ-মাতৃ, ভাই-বন্ধু, ইষ্ট-কুটুম্ব, অঙহী-বঙহীৰ সম্পৰ্কৰ মাজত ফাট মেলিবলৈ লৈছে। মোৰ হ'লে অকলশৰীয়া তথা নিসংগতাৰ দুখ। অৱশ্যে মূৰৰ ওকণীৰ দৰে নিসংগতাক খুঁটিয়াই খুঁটিয়াই স্মৃতিবোৰে কিলবিলাই থাকে মনত। ওকণীৰ কামোৰত মূৰ খজুৱাই ভাল লগাৰ দৰে স্মৃতিবোৰে সময়বোৰ কুটি কুটি খায়।

বৰুৱা : পৰিৱেশ চণ্ডালি লোৱাৰ মৰ্মে হাঁহি-হাঁহি-হাঁহিয়েই থাকক; দেখিব

এমোকোৰা মুক্ত হাঁহিয়ে আনি দিব এবুকু সুখ। মানুহবিলাকে কিয় সুখ বিচাৰি হাবাথুৰি খাই মই নাজানোঁ। সুখ দেখোন নিজৰ মনতেই আছে। অৱশ্যে ইয়াতো এক অনুশীলনৰ ব্যৱস্থা আছে। বুজিছে ! মোৰো দুখ আছে; মানুহবিলাকে মোক দেখিলেই কয়, 'আপোনাৰটো ভালেই', মইহে জানো, মোৰ কিমান ভাল আৰু সেই ভালখিনি উলিয়াই আনোতে মোৰ কিমান স্বাধীনতা বিলোপ হয়। দোষবোৰ সহজভাৱে নিজে মূৰপাতি লোৱাই নহয়, নিজৰ কামৰ সফলতাৰ সুখখিনিও এৰি দিবলগা হয় ঘৰখনৰ শান্তি-সম্প্ৰীতিৰ বাবে।

বেলিটো কোনো সময়ত মেঘে আগুৰি ধৰাৰ দৰে দুখবোৰ আহে আৰু যায়। কেতিয়াবা আকৌ সমস্যাবিলাকে মাৰবান্ধি আহি দুখ দুগুণে ওপচায়। দুখৰ ভাৰ নিজেই বওঁ। সফলতাখিনি ঘৰৰ আন সদস্যক দিওঁ। জানেই নহয়, জাৰ-জহখিনিৰ ভাৰ কোনেও নলয়, ভালখিনিৰ বাবে আগবাঢ়ি আহি আগভাগ লয়। দুখৰ দৰে সুখৰো উভৈনদী নোহোৱাকৈ নাথাকে। সুখ-দুখ জন্ম-মৃত্যুৰ দৰে। জন্মৰ অচিন দুৱাৰেদি দেখা দিয়ে আৰু মৃত্যুৰ একে দুৱাৰেদি নেদেখা হৈ পৰে। সুখ-দুখৰ জীৱন ভাৰখন বৈ থাকোঁতে বাটতহে সকলো লগালগি আৰু এৰাএৰি হৈ যায়। কৰ্মৰ বাটত এয়া সুখ-দুখৰ লুকা-ভাকু খেল। মৃত্যুৰ পিচত কৰ্মৰ সুনামেহে ৰিঙিয়াই যায় আলিবাটত।

চৌধুৰী ঃ আপুনি ক'ব বিচাৰিছে যে সুখ-দুখ জীৱন বাটৰ খন্তেকীয়া লগ সংগ, ভাই-বন্ধুৰ দৰে। কৰ্মই জীৱনৰ সুখ আৰু কৰ্মইহে জীৱনৰ মূলধন। কৰ্ম মনৰো বাহন, মৃত্যুৰ পিচতো লয় কৃতীৰ খতিয়ান।

বৰুৱা ঃ কৰ্মটো প্ৰকৃততে জীৱন সংস্কাৰ সাপেক্ষ। আনন্দতো বিহু, দুৰ্গোৎসৱ পৰ্ব আদি আয়োজন কৰা আনন্দৰ দৰে। উৎসৱটো অহাৰ, লগে-ভাগে আয়োজন কৰাটো ভাল লাগে আৰু যোৱাৰ পিচত বেয়া লাগে; সুনামটো কিন্তু বৈ থাকে। যেনেকৈ ৰান্ধনীয়ে সোৱাদলগাকৈ ৰান্ধি, খুৱাই ভাল পায়, নিজে খোৱাটো গৌণ কৰি লয় আৰু সুনামৰ টোপোলাটো সযতনে সাঁচি থয় পিচৰ বাবে।

চৌধুৰী ঃ ৰ'ব! সুখ-দুখ বোলোতে এই যে কাৰোবাৰ বহুত টকা-গাড়ী আদি আৰু আন কাৰোবাৰ একোৱেই নাই। এনে ক্ষেত্ৰত আপোনাৰ মনৰ

ধাৰণা কেনেদৰে চম্ভালিব খোজে?

বৰুৱা ঃ এনেক্ষেত্ৰত মোৰ অৱস্থাতকৈ ভালখিনিকো ঈৰ্ষা নকৰো। মোৰ তলৰখিনিকো অৱজ্ঞা নকৰো, বয়সৰ কথা নাভাবোঁ, টকাৰ কথা চিন্তা নকৰো। উপকাৰ কৰিব নোৱাৰিলেও কাৰোবাক অপকাৰ কৰাৰ কথাত মন নিদিওঁ। যি কথা কোৱা বাদেই শুনও বেয়া তাক চোৰাতৰ পাতৰ দৰে নিলগতে ৰাখো।

কিন্তু এটা কথা, ল'ৰালিৰ মধুৰ স্মৃতিবোৰে মনত বৰ আনন্দ দিয়ে। শৈশৱৰ সেই মিঠা মিঠা স্মৃতিবোৰৰ মাজত নিজৰ জীৱনটো বিচাৰি পাওঁ। সেয়েহে, অতীতৰ কথাবোৰ ক'বলৈ বৰ মন যায়, মনটোৱে বৰ আমনি কৰি থাকে, ক'ব নোৱাৰিলে গা নুজুৰায়। লুকাই থকা জীৱনটোক বিচাৰি উলিয়াই ভাল পাওঁ।

কথাটো কি জানে; এনে মন স্থিৰ কৰিবলগা পৰিৱেশত পৰিলে মোৰ অতীত জীৱন অভিজ্ঞতাৰ মনে লগা টুকুৰা এটা মনৰ সাঁচতীয়া ভঁৰালৰ পৰা নিৰ্জন সময়ত আলফুলে উলিয়াই আনো। নিৰ্জন ঠাইত নীৰৱে-নিৰলে বহি লওঁ। এয়া ধৰক বাৰাণ্ডাৰ আৰামী চকীখনত, সন্মুখত থকা ফুলদানিটোত চকুক জিৰণি দি লওঁ। লগে লগে পেকেটৰ টুকুৰাটো খুলি লৈ জুতিলগা চানাচুৰ খোৱাদি মৰমৰ কৰি চোবাই খাওঁ স্মৃতিৰ এই টুকুৰাটো। কিমান যে মনটো ভাল পাওঁ : কোনেও নেদেখে, কোনেও নুশুনে, নিজৰ জিভাৰ জুতি নিজেই লওঁ আৰু নিজৰ মনৰ ৰুচি নিজেই পলাওঁ।

কিমান যে মনত আনন্দ পাওঁ কাকো বুজাই ক'বৰ ভাষা বিচাৰি নাপাওঁ। অতীত আৰু বৰ্তমান অভিজ্ঞতাৰ সাঁকোখন যেন বৰ খমখমীয়া; পাৰ হওঁতে মন বা ভৰি পিছলি যোৱাৰ অলপো ভয় নাই। দপদপাই যাওঁ, খিলখিলাই হাঁহো, আনন্দ কৰো আৰু ঘৰটো সময় সুবিধা বুজি সুখ বিলাই দিওঁ। কিন্তু কি ক'ব, ল'ৰা-ছোৱালীয়ে ইবোৰ নোহোৱা-নোপোজা কথা বুলি ভাবে, এৰাই চলিব খোজে; টানি-আঁজুৰি মই শুনাব বিচাৰো, কামত হ'লে নাহে।

কেতিয়াবা আকৌ চোবাই থাকোঁতে মা-দেউতাৰ কথা, কামৰ বিশাল স্মৃতি, দুখৰ অনুভূতি মনত ভাহি উঠি চকুলো ওলায়; দুগালেদি

বৈ যায় সুখৰ-দুখৰ বহুত কাহিনী কৈ আৰু অভিজ্ঞতাও ওপচায়। ৰাতিপুৱা স্মৃতিৰ এই টোপালবোৰ নিয়ৰ-মুকুতা হৈ মোৰ পদূলি মুখত দূবৰি বনৰ ওপৰত সূৰুযৰ ৰশ্মি পৰি জিলমিলাই উঠে। অনুপ্রেৰণা যোগায়; আছিলোঁ ক'ত বোকাত পৰি, পালোহি কি পকা আলি, পাবলৈ বা আছে আৰু কিমান বাকী?

কিন্তু মোৰ এটা বদনাম আছে, মই বৰ কথাচহকী (Talkative)। ঘৰত দুই এটা কথা অভিজ্ঞতা সাপেক্ষে শিকাব বিচাৰো, কিন্তু কথা চহকী বুলি কৈ এৰাই চলিব খোজে। আপুনি যদি বেয়া নাপায় কথা এটা ক'বলৈ ইচ্ছা কৰো।

চৌধুৰী ঃ কওক, শুনিলে ভালহে পাম। পিচে এটা কথা, বদনামে মোকো খেদি নুফুৰা নহয়। কয়, দেখাত বয়সীয়াল; কথাই-কামে ডেকা তৰুণ ভদ্রলোক। বাৰু, মোৰ কথা বাদ দিয়ক, আমি ইয়াত জিৰণিহে লৈছো, আমাৰ কোনো কামৰ তাগিদা নাই। পঢ়া ল'ৰাৰ দৰে পঢ়া ক্ষতি কৰি আড্ডা মৰা নাই বা কথাচোবাই কামত গা এৰা দিব বিচৰা নাই। আমি কৰিছোঁ গাঁৱৰ বুঢ়ীৰ কাম, যেনে— 'এক বুঢ়ী দুই কাম ধান বানে চোহে আম'। আৰু আজিকালি ধান বানিবৰো ঢেঁকী নাই, চুহি-শুহি খাবলৈ সেই মৌ মিঠা আমো নাই। যিবোৰ থলুৱা আম আছে পকি'বলৈ নাপায়; পকিলেও পোকলগা। চালানি আম বজাৰ ভৰা। গেছ দিয়া আম মুখত দিলে জিভা কোঁচ খাই যায়। তথাপিও ক্ষুদ্র ব্যবসায়ীৰ স্বাৰ্থ জড়িত প্ৰকল্প হিচাপে আদৰণীয়। জনসাধাৰণৰ স্বাৰ্থ বিঘ্নিত কৰিব পৰা কোনো ব্যবসায়ীয়ে গণতান্ত্রিক দেশত গ্রহণযোগ্য নহয়।

অ' আৰু এটা কথা ক'বলৈ বৈ গ'ল। নক'লে আধৰুৱা হ'ব। কিছুমান মানুহে মোক আত্মগৌৰৱত ফুলি থাকোঁ বুলি কয়। মোৰ নিজৰ দেখোন নিজকে অতি সহজ-সৰল বুলি ধাৰণা হয়।

বৰুৱা ঃ আত্মগৌৰৱী কোৱা মানে আপোনাৰ আত্মস্বভাৱত পৰিবেশৰ প্ৰভাৱে ক্রিয়া কৰিব পৰা নাই। সেই আত্মস্বভাৱত প্ৰভাৱিত হৈ থকা কাৰণে কোনো জটিলতাই আপোনাক চুই যাব পৰা নাই। বাৰু! মইতো কথা ক'ব পালে ভালেই পাম। অতীতৰ খিৰিকীখন খুলি দি চাওঁচোন কি

দেখা যায়।

মোৰ বয়স তেতিয়া কিমান মনত নাই। এল পি স্কুলত পঢ়ো। কোন শ্ৰেণীত পঢ়ো তাকো মনত নপৰে। আমাৰ ঘৰখন সৰু নাছিল, চাকৰ-নাকৰো আছিল; তথাপিও স্কুলৰ পৰা আহি গাঁৱৰ গৰখীয়াবোৰৰ লগত চৰণীয়া পথাৰত গৰু চৰাবলৈ যোৱাটো সচৰাচৰ কথা হৈ আছিল। আজিৰ ল'ৰাৰ দৰে প্ৰতিটো কথা, প্ৰতিটো কামতে প্ৰশ্ন কৰাৰ বাতাৱৰণ নাছিল। পিতৃ-মাতৃৰ যেনে আদেশ তেনেই কাম, পালন কৰাটো এক কৰ্তব্য আৰু দায়িত্ব।

সেইদিনাও দুপৰীয়া ডেৰ-দুইমান বজাত ঘাঁহনি পথাৰত গৰু চৰাব ওলালোঁ। চোতালত পৰা ঘৰৰ ছাঁ আছিল ঘড়ী। পিতাৰ এখন বিলাতী বাইচাইকেল আছিল আৰু হাতত এটা ঘড়ী। কিন্তু সেইসময়ত ঘড়ীৰ লগত সময়ৰ ব্যৱহাৰ যেন সঠিকভাৱে হোৱা নাছিল। চোতালৰ ছাঁ আৰু চিন দি লোৱা বাঁহ বা আন গছৰ ছাঁই ঘড়ীৰ কাঁটা। কোনোবা দিন সূৰ্যটো মেঘে ঢাকি ৰাখিলে সময়ৰ অগা-পিচা হৈছিল।

ঘাঁহনি পথাৰৰ মাজত এডাল প্ৰকাণ্ড আঁহত গছ আছিল। ইয়াৰ ঠাল-ঠেঙুলি বাঢ়ি গৈ জোপোহা হৈ মূল গছডালতকৈ বৃহৎ আকাৰ লৈছিল। দুপৰীয়া সূৰ্য মূৰৰ ওপৰৰ পৰা হালি পৰাৰ লগে লগে ক্ৰমশঃ ইয়াৰ ছাঁ দীঘল আৰু বিশাল হৈ গৈ থাকে, সূৰ্য পশ্চিম আকাশত মাৰ যায় গোটেই ছাঁ সন্ধিয়াৰ পাতল আন্ধাৰত একাকাৰ নোহোৱালৈ। এই ছাঁ বৰ উদাৰ, বৰ মৰমৰ; সকলোৰে দেহ-মন জুৰ কৰে, বা-বতাহে সকলোৰে হিয়াখন শাঁত পেলায়।

গোহালিভৰা গৰুবোৰ এই গোচৰণীয়া পথাৰত (Grazing Field) এৰি দি গৰখীয়া আন ল'ৰাবোৰৰ লগত গছৰ ছাঁত দেহটো মিলাই দি মুকলি মনে খেলিবলৈ লৈছিলোঁ। দুই-চাৰিজনে হাঁহিৰে বতাহৰ ঢৌ তুলি বাঁহীৰ সুৰ এৰি দিছিল। আন এচামে আকৌ বিহুগীত, বিহু হুঁচৰি গাই আনন্দ কৰিছিল। দূৰে দূৰে ম'হৰ শিঙৰ পেঁপা বজাই ম'হ ৰখীয়াই গোটেই পৰিৱেশতে এটা মনোমুগ্ধকৰ মাত্ৰা প্ৰদান কৰিছিল।

খেলৰ ভিতৰত ধৰা হাউ, বুন্দিয়া হাউ, ফটিকটিকৰা, চকুত

কাপোৰ বান্ধি টিনত কোবোৱা (Blind Hit) আৰু গাতাঘাই আদি। খেলত গাৰ পিন্ধা কাপোৰ চিৰাচিৰ হয়, দেহত বালি-বোকা আৰু মূৰৰ চুলি ভৰি পৰে; কাৰোবাৰ আঙুলি মোচকা খায়, কাৰোবাৰ ভৰিত, আঁঠুত ছাল যায়, তেজ ওলায়। তথাপিও একোলৈকে কাৰো ভ্ৰূক্ষেপ নাই, খেলা আৰু খেলা, অন্তৰ চুই যোৱা যেন আনন্দৰহে মেলা। খেলিছে আৰু হিয়াত মনপৰশা আনন্দ ভৰাইছে পিচদিনাৰ বাবে উছাহ যোগাবলৈ।

বেলি ডুব যোৱাৰ লগে লগে গৰুবোৰ চপাই ঘৰলৈ খোজ দিছিলোঁ গৰুৰ পালৰ পিচে পিচে। যিমানে ঘৰৰ ওচৰ পাইছিলোঁ এন্ধাৰ ডাঠ হৈ আহি ঘৰৰ চৌপাশ গোহালিৰ গোবৰৰ ধোঁৱা-ছাঁইৰে অন্ধকাৰ সন্ধিয়া হৈছিল। পঘাৰে বান্ধিবৰ সময়ত দেখিলোঁ এটা গৰু নাই। পিতাই কেনেকৈ গম পালে বুজি পোৱা নগ'ল। খণ্ডত অগ্নিশৰ্মা হৈ মোক কোবাবলৈ হাতত চিকনি এডাল লৈ কোৱা শুনিলোঁ-- কি তোক খেলিবলৈ পঠাইছিলো? মই দৌৰি বাহিৰলৈ ওলালোঁ। এনেয়ো ধোঁৱা-ছাঁই কালছায়া এন্ধাৰ, তাতে আকৌ এটা গড় খাবৈত পৰি নেদেখা হলোঁ। পিতা উভতি আহিল। মই পিতাক অনুসৰণ কৰি আহি থাকোঁতে কথা এষাৰ কাণত বাজিল। অমুকৰ গৰু এটাই মোৰ ধাননি খাই তহিলং কৰি পেলালে, কৈ দিছো টানকৈ বাপেকক; যি খং আছিল ল'ৰাক ঠিকছে কোবাব। মোৰ বুজিবলৈ বাকী থকা কথাখিনি বুজি পোৱাত সহজ হ'ল।

মা'ৰ ওচৰত গৈ কোৱা শুনিলোঁ, 'ল'ৰা ক'ত মৰিল; এতিয়া ল'ৰাও নাই আৰু গৰুও নাহিল'। মা'ই পিতাক খং কৰি কিবা কোৱা যেন শুনা পালোঁ কিন্তু বুজি হ'লে নাপালো। পিচৰখিনি কাণত বাজিল, 'চাকৰ ৰাখিছে নামত গৰু চৰাব যাব লাগে সি।' কথাষাৰ কৈ মা'ই কান্দিবলৈ ধৰিলে, কন্দাৰ মাজতে আকৌ ক'লে, 'মোৰ যায় এমখা মানুহৰ দিনে-ৰাতি ভাত ৰান্ধোতে, তাৰ যায় গৰু চৰোৱা, আলহী-অতিথিৰ যোগান ধৰা আৰু ৰাতি পঢ়াৰ সময়ত কঠীয়াতলীত চাহ-পানী দিয়া কামত। এয়া আমাৰ কপাল। স্কুলত পঢ়াইছে নামত। দিন-ৰাতি যায় চাকৰ-নাকৰ আৰু আলহী-অতিথিৰ যোগান ধৰা

কামত। বুজিছে! মা'ৰ কান্দোনৰ ধুমুহাত মোৰ বুকুৰ কলিজাৰ বৰঘৰটো চুৰ্চুমৈ হৈ গ'ল। খন্তেকতে বিৰাজ কৰিলে শান্ত-শীতল নিজম পৰিৱেশ; কাৰো ক'তো মাতবোল নাই। এটা সময়ত আটাইয়ে খোৱা-বোৱা শেষ কৰি শুই পৰিল। মইয়ো সন্তৰ্পণে আহি মা'ৰ লগত শুই পৰিলোঁ। মাই মোৰ গাত হাত বুলাই থাকোঁতে কেতিয়া টোপনি গ'লোঁ ক'ব নোৱাৰিলোঁ। কিন্তু মা'ৰ হাতৰ পৰশত উজাৰি দিয়া হিয়াৰ মৰমৰ প্ৰবাহত যেন কাণত বাজিছিল পিতাই বিছনাত শুই গাই থকা দেহবিচাৰৰ গীত এটি—

'মৰিবৰে বেলা সকলো এৰি থৈ যাবিগৈ,
বাৰীৰে এচুকৰ জাতিবাঁহ এজুপি,
সিও যায় এলাগী হৈ।'

পিতালৈ মোৰ কিমান শ্ৰদ্ধা ওপজিছিল ভাষাৰে বুজাই ক'ব নোৱাৰোঁ। যেন বৰফ গলাদি মোৰ খঙাল হিয়াখন গলি গৈছিল। এনেদৰে অতীত স্মৃতিয়ে জীৱন ইতিহাসৰ বহুত সোণালী অধ্যায় সজীৱ কৰি তুলিলে। পিচত গৈ বুজিবলৈও সক্ষম হলোঁ যে পিতাৰ শাসনে মোক কৰ্তব্যৰ প্ৰতি জীৱন সচেতন কৰি দিয়াই নহয়; জীৱনবোধৰ প্ৰতিও সজাগতা বঢ়াইছিল। লগতে সময় বালিত প্ৰত্যুৎপন্নমতিৰে খোজ দি জীৱন গঢ়াৰ বাট পোনাই দেখুৱাই দিছিল। পৰ্যায়ক্ৰমে এইটোও নুবুজাকৈ নাথাকিলো যে ল'ৰালিৰ উচ্ছৃংখলতা দূৰ কৰি সকলো কামতে যত্নপৰ হোৱা আৰু শিক্ষা অৰ্জন কৰাৰ প্ৰতি মন ধাৱমান হোৱাৰ গুৰিতে আছিল পিতাৰ মৰমৰ শাসন। যেনে লগৰ দুই-এজনে কোৱা শুনিছিলোঁ; 'সি হাল-কোৰ মাৰি প্ৰখৰ ৰ'দত কাম কৰি কেনেকৈ খাব।' ইয়ে মোৰ মনত উছাহ বৃদ্ধি কৰিছিল। মোৰ জীৱন প্ৰবাহত এই ঘটনাটো যেন এটা টাৰ্নিং পইণ্টহে আছিল, লগতে ঘৰখনৰো। ইয়ে ঘৰখনলৈও এটা শৃংখলাৰ পৰিৱেশ ওপচায় দিছিল। এয়াই নহয়, তাহানিৰ পিতাৰ এই অনুশাসনে মোক আজিৰ সত আৰু মানসিক প্ৰস্তুতিত উপনীত হোৱাত সাৰ্বিক সহায় কৰিছে।

চৌধুৰীয়ে কথাখিনি মনোযোগেৰে শুনি গৈছিল। মাজতে মাত এষাৰ দি কিবা সুধিবলৈ মনটোত যেন খালী ঠাই নাছিল।

চাওক, অলপ সূক্ষ্মভাৱে চালে বুজিব জীৱন যুদ্ধত শ্রমৰ কলিয়ে অনুশাসনৰ বোকাচোত কেনেকৈ কোনো এক নির্দিষ্ট সময়ত সুখ হৈ মনৰ বাগিচাত জক্মক্কৈ ফুলে, আকাশে-বতাহে সুগন্ধি বিলায়। যেনেকৈ শিল-বতাহ ধুমুহাত মেঘৰ গির্জনিয়ে আকাশ-পৃথিৱীৰ নির্জনতা ভাঙি দিয়ে, বুকু কঁপাই তোলে মানুহৰ। আনপিনে লগতে অহা ধাৰাসাৰ বৰষাই মাটিৰ বুকুত নমাই দিয়ে সোণালী শস্য ভৰা জীৱন সুৰভি। এনেদৰেই প্রত্যেকজন নিষ্ঠাৱান আৰু সুস্থ মানসিকতাপূর্ণ ব্যক্তিয়ে নিজক বিচাৰি পোৱাকৈ পৃথিৱীখন সজাব বিচাৰে। এনে প্রচেষ্টাত অশুভ শক্তিয়ে প্রাচীৰ হৈ পৰে। তথাপিও আত্মাৰ হেঁপাহ পলুৱাৰ প্রয়াস থাকে কর্মত, অনুশাসনত। আত্মাৰ এই সত্য আৰু সুন্দৰৰ ৰূপটোক বিচৰাৰ তাড়না অনবৰতে থাকে মনত। ইয়াক জীয়াই ৰখাৰ কাৰণে অশুভ শক্তিৰ বিৰুদ্ধে যুঁজি থাকোঁতে সোণালী জীৱনৰ সপোন হেৰাই গ'লেও যেন ৰৈ থাকে হেঁপাহ পূৰণৰ প্রয়াস।

দেখিছে, সংসাৰ বাগিচাত বিভিন্ন সুগন্ধি-গন্ধহীন, অমূল্য, মূল্যৱান, মূল্যহীন ফুলৰ গছেৰে আৰু ইয়াৰ নানা ৰঙৰ সাজেৰে সুশোভিত হৈ চৌপাশ আমোলমোলাই থাকে। ইয়াত প্রত্যেকৰে আৱশ্যকতা আছে আৰু কোনো এটিৰ অস্তিত্ব নুই কৰিব নোৱাৰি। আনকি মদাৰ ফুলৰ গছৰ পাণ সোৱাদ লগাৰ দৰে এয়া বিশ্বজনীনতাৰ (Universal) মাজত ব্যক্তিত্বতো (Particular) সোমাই থকাৰ স্থিতি স্বৰূপ।

কিন্তু সফল জীৱন গঢ়াৰ ক্ষেত্রত জন্মগত প্রতিভা (Inborn Tendency) বিকাশৰ বাবে জীৱনৰ স্থিৰ লক্ষ্য, দৃঢ় মনোবল, প্রবল ইচ্ছাশক্তি আৰু অদম্য কর্মস্পৃহা থাকিব লাগিব। এনে সুগন্ধি জীৱন ফুল ফুলাবলৈ হ'লে সংসাৰ বাগিচাৰ কামত সচেষ্ট হ'ব লাগিব। এনে সদগুণ অর্জনৰ উৎস হ'ল সুস্থিৰ চিন্তা, সত্য আৰু সুন্দৰৰ সাধনা। চঞ্চলতা, অস্থিৰ চিন্তা আৰু হেয় ভাব প্রতিভা বিকাশৰ প্রধান অন্তৰায়। সু-কর্মৰ অনুশীলন আৰু সুচিন্তা-চর্চাই প্রতিভা বিকাশৰ বাট পোনাই দি লৈ গৈ থাকিব। এদিন সত্য আৰু সুন্দৰৰ সাধনাই

বিশ্ব মানৱৰ কল্যাণৰ পথটো পোহৰাই তুলিব। এই বাটেৰে গৈ থাকোঁতে আকৌ সন্ধান পাব আত্মাৰ। এই পথটো সহজে আলোকিত হৈ পৰিব যিদিনা, এই সত্য আৰু সুন্দৰৰ সাধনাৰে গৈ আত্মসন্ধান কৰিবলৈ সহজে শিকিবও সিদিনা।

চিটি বাছত উঠাৰ কাৰণে গেটত কোনো সুৰুঙা উলিয়াব নোৱাৰাৰ দৰে অৱস্থা চৌধুৰীৰ। এখন ভৰি উঠাই দিয়ো বিফল হৈ উভতি আহি আকৌ সৰ্বশক্তি প্ৰয়োগ কৰি বৰুৱাৰ চিন্তাৰ কোঁহত মূৰটো গুজি ফাঁক এটা উলিয়াই ভিতৰত সোমোৱাৰ চেষ্টা চলালে।

চৌধুৰী ঃ ৰ'ব, বিভিন্ন ৰঙৰ ফুলৰ গোন্ধ আৰু ৰঙে আবৰা বাগিচাৰ সৌন্দৰ্য বঢ়ায় আৰু মন মোহিত কৰাৰ লগতে মানুহৰ মনত আনন্দ অনুভূতিও যোগায়। পৃথিৱীৰ সংসাৰ বাগিচাত তেনেকৈ বিভিন্নজনৰ লক্ষ্য, উদ্দেশ্য আৰু সেই অনুসাৰে প্ৰতিভা বিকাশে পৃথিৱীৰ সুখ-স্বাস্বন্দ্য আৰু সৌন্দৰ্য বঢ়ায়। যেন এখন ডাঙৰ, সুন্দৰ, সৌষ্ঠৱপূৰ্ণ আৰু সফল অনুকৰণীয় সভা। ইয়াত বক্তা, সঞ্চালক, গায়ন-বায়ন, দৰ্শক-শ্ৰোতা বেলেগ-বেলেগ। কিন্তু প্ৰত্যেকৰে জীৱন অন্বেষণৰ বাটতে গঢ় লৈ উঠে সভ্যতা-সংস্কৃতিৰ ইতিহাস। লগতে মানৱ কল্যাণাৰ্থে সমাজৰ শৃংখলতা সাপেক্ষে আইনো তৈয়াৰ কৰে। এই আইন প্ৰয়োগৰ পৰিপ্ৰেক্ষিতত আপুনি কি ভাবে?

বৰুৱা ঃ প্ৰকৃতপক্ষে আইন হাকিম, উকীল আৰু পুলিচৰ হাতত নাই; সামাজিক বিচাৰ দ্বন্দ্বতহে। ১৪৪ ধাৰা আইন জাৰিৰ সময়তো দৰা-কইনাৰ গাড়ীখন বা বাছখন বেনপাৰ্টি বজাই সুকলমে পাৰ হৈ যায়। সামাজিক বিচাৰহীন পুলিচজনে কিন্তু আইন বাহাল ৰখাৰ নামত বাছখন বন্ধ কৰি বিশৃংখলাৰে সূচনা কৰে। সেয়ে, আইন বাহাল থাকে কাৰ্যকৰীকৰণৰ বাবে পুলিচ, ট্ৰেফিক আৰু হাকিমৰ আত্মসন্ধান সাপেক্ষে বিবেক-বিচাৰ দ্বন্দ্বত। যেনেকৈ সংশয়, সংঘাত আৰু সংকোচৰ মাজতো পতি-পত্নী প্ৰমূখ্যে জীৱন জীয়াই থাকে প্ৰেম আৰু ভালপোৱাত।

তেনেকৈ চাওক, লাইছেন্সখন পাহৰি অহা গাড়ী চালকজনৰ গাড়ীখন বন্ধ হয় ট্ৰেফিক পুলিচৰ হাতত; চাহ একাপৰ খৰচ দি

মনজয় কৰাৰ অসমৰ্থতাত। আনহাতে ভুৱা চালকজনে মোটা খৰচ দি মন জয় কৰি মিছাকে সঁচা বুলি কাৰণ দাঙি ধৰি গাড়ীখন পাৰ কৰি লৈ যায়।

এনে পৰিপ্ৰেক্ষিততে আকৌ চাওক, এজন মানুহৰ মৃত্যুৰ একো কাৰণ নাই, ডাক্তৰী চাৰ্টিফিকেট আছে। কিন্তু মৃত্যু হৈ যায় সাধাৰণ কাৰণত। যেনে ভাত বা পানী বুকুত বজি শ্বাস-প্ৰশ্বাস বন্ধ হয়। এনেদৰেই আইন হৈ পৰে পৰমাত্মাৰ সংযোগ সাপেক্ষে আত্মা বিবেকৰ বিচাৰাধীন। এনে দিশতে আগবাঢ়ি গৈ থাকিলে বুজিব যে ব্ৰহ্মাণ্ড পৰিচালনাৰ একক ক্ষমতাৰ জ্ঞানেই হ'ল ব্ৰহ্ম জ্ঞান। এই ব্ৰহ্ম জ্ঞানীৰ হাতিয়াৰ হ'ল বিবেক। এক কথাত মগজুৰ-ব্ৰাহ্মণ সংযোগিত আত্মন। বিবেকৰ হাতিয়াৰ আকৌ দেহটো। সেয়ে বিবেকৰ বিচাৰেৰে নিজক, আনক আৰু সমাজক ৰক্ষা কৰে সৌহাতে— এয়া ক্ষত্ৰিয়; ব্যৱসায়-বাণিজ্য হ'ল বৈশ্য। আৰু শস্য উৎপাদন মৰ্মে নিম্নাংশৰ ৰূপ শূদ্ৰ। এয়া সকলো আত্মজ।

এয়া জীৱনটো এক আত্মিক অভিৰুচি সাপেক্ষ প্ৰবাহ। সেইমৰ্মে লক্ষ্য আৰু উদ্দেশ্য পৰিচালিত। জীৱনৰ সুখ-দুখৰো এয়ে উৎস। যেনে— কিতাপ মানুহৰ বন্ধু; বন্ধুৰ বুকুত বন্ধুৰ হিয়া জুৰায়। এনেদৰে পত্নীৰ মায়াত পতি আৰু পতিৰ মৰমত পত্নী। এনেদৰেই আকৌ বন্ধুৰ বুকুৰ পাতখিলাত আৰোপিত হৈ থাকে জ্ঞান। মনৰ মিলন বন্ধু তথা সুহৃদজন পত্নী হেৰোৱা পতি বা পতি হেৰোৱা পত্নীৰ সংগী। এনে সন্দৰ্ভতে পঢ়া কাম হৈ পৰে নিসংগতাৰ পাৰিতোষিক। এই পাৰিতোষিক হ'ল জ্ঞান লাভৰ আনন্দ। পৰিশ্ৰমৰ মাজত জীয়াই থকাৰ আনন্দ লাভ কৰা জনে নিসংগতাৰ দুখ কি নাজানে; এক কথাত এয়া হ'ল The movement of body and mind together is life.

চৌধুৰী : ব্ৰহ্মাণ্ডৰ চিন্তা-চৰ্চাৰ বাটেৰে আপুনি যি খোজ দিছে মই লগত যোৱাই বৰ কষ্টকৰ হৈ আছে। তৎসত্ত্বেও সফল জীৱন সাপেক্ষে সুখৰ স্থিতিৰ পৰিপ্ৰেক্ষিতত এটা কথা মনলৈ আহিল দেখোন।

বৰুৱা : কি কথা? চাব আৰু সফল জীৱন বোলোতে ভাবিব নিজতে নিজে

ইতিমধ্যে হৈ থকা মানুহজনৰ কথা। অৰ্থাৎ মানুহজনে নিজকে নিজে জনা নিজৰ চৰিত্ৰটো। ইয়াত আত্ম বিচাৰে সত্য আৰু সুন্দৰৰ বাটটো পোহৰাই থাকিব। আনহাতে দেখিব সত্য আৰু সুন্দৰৰ সাধনাই এই বাটতে আত্মাৰ সন্ধান দিব। জানিব, সত্যই সুন্দৰ আৰু সুন্দৰৰ সাধনাই বিশ্বৰূপ প্ৰকট কৰি তুলিব আৰু মনমোহিত হ'ব ইয়াৰ মোহনীয় প্ৰাকৃতিক সৌন্দৰ্যত। সেই কাৰণেই কয় এই সুন্দৰেই সত্য যি চিৰ প্ৰবাহিত। এনে সত্যৰ পৰা বিচলিত ধুনীয়া মানুহজনো কুৰূপ হৈ পৰে। সেয়েহে এই সুন্দৰৰ সাধনাই আত্মাৰ সন্ধান দিব পাৰে সহজে।

চৌধুৰী ঃ তাৰমানে আপুনি এটা ধাৰণাৰ (Concept) বিশ্লেষণ (Analysis) আৰু সংশ্লেষণ (Synthesis) ৰ কথা ক'ব বিচাৰিছে। যেনে গছডাল জীয়াই থাকিল গছ বা গুটিত আৰু বীজটো পোহৰলৈ আহিল বায়ু, পানী, তাপ তথা পৰিৱেশৰ প্ৰভাৱত। অংকুৰণৰ আগৰ আৰু পিচৰ অৱস্থাৰ এয়া এক সুকীয়া স্থিতি। এটাই আনটো চিনায়, যেনেকৈ ভাল মানুহজন নিজেই এখন আইন। আইনখন তেৰেই চিনায়।

বৰুৱা ঃ মই ঠিকেই বুজিছো। মোৰ লগত খোজকাঢ়ি আপুনি কষ্ট নাখায়; মইহে খোজ ঢিলাই দিব লাগিব যেন পাইছোঁ।

বাৰু চাওক, সঁচাক লুকাই মিছা কথা ক'বখোজা মানুহজনৰ অন্তঃস্বভাৱ মনাত্মাত ইতিমধ্যে ৰোপিত হৈ যায়। কিন্তু জন্মৰ সত্য আৰু প্ৰকৃতিগত বাস্তৱহে ধৰা পৰে সত্য আৰু সুন্দৰৰ সাধনাত। মিছা বা অসত্য ধৰা নপৰে। সংশ্লেষণ আৰু বিশ্লেষণ কোনো পদ্ধতিয়ে মিছা বা অসত্যক প্ৰমাণ কৰাৰ সহায়ক হ'ব নোৱাৰে। এই দুই ৰূপৰ মাজতে দেহত আত্মাৰ স্বৰূপ বিকশিত হয় পৰিৱেশ সাপেক্ষে। আমাৰ নিজৰ সামাজিক আন্তঃগাঁথনিৰ কথাই ভাবক। জানেই নহয়, আমি অসমীয়া মানুহ সহজ-সৰল, মূৰত জাপি, গলত গামোচা, দুহাতৰ মুঠিত শৰাই, ওপৰত কীৰ্তন-ভাগৱত শংকৰী কলা-কৃষ্টিৰ বাহন; এয়ে পৰিচয়। পুৱা-গধূলি মন্দিৰ তুলসীৰ তলত চাকি, ওপৰত আকাশ বন্তি, সত্ৰীয়া তথা শংকৰী নৃত্য, বিহুৰ কৃষ্টি সকলো বাপতি সাহোন। অতীত ঐতিহ্যত দিবলৈ লৈছো পিঠি, নিজক নিচিনি হৈ আছোঁ নিজেই লটিঘটি। কম পানীৰ যেন পুঠি মাছ, জাকৈ এছাৰিৰে চপাই কোক-খালৈত ভৰাই

ল'বলৈ আগ্ৰাসনে চেষ্টা আছে চলায়। হাজো-সৰ্থেবাৰীৰ কাঁহ্-পিতলৰ বাচন আছিল এদিন সকলোৰে পচন, আজি তাত নাই কাৰো মন। স্বাৱলম্বী হোৱাৰ মন নাই, হাতৰ কাম গৈছে হেৰাই। তথাপি মুৰকোণীয়া জাপি, শুৱালকুছিৰ পাটৰ কাপোৰ, গামোচাৰ পাৰিয়ে হাতৰ কাম ৰাখিছে জীয়াই। সেয়ে মনোযোগ দিয়া ভাল যে হেৰাই যাব ধৰা সংকটাপন্ন অস্তিত্বক সুস্থ গতি দিব পাৰে দুই হাতৰ কৰ্মই। হিয়াখন আনন্দত তোলপাৰ লাগে শংকৰদেৱৰ অনুপম সৃষ্টি বৃন্দাবনী বস্ত্ৰৰ কৃষ্টিৰ কথা যেতিয়া 'ভাহি আহে লণ্ডন-পৰিচিত থকা অংশৰ পৰা আৰু কৰ্মসংস্কৃতি যে জীৱন প্ৰেমৰ ফচল সেই ধাৰণাই বাৰে বাৰে সোঁৱৰায়। লগতে মনত ৰেখাপাত কৰে যে ই আত্মাৰ স্ব-প্ৰকাশ ক্ৰিয়া।

চৌধুৰী ঃ ৰ'ব' কৰ্ম বোলোতে আৰু এই কৰ্মসংস্কৃতি যে প্ৰেমৰো কৃষ্টি তেনে ধাৰণাতে মোৰ চাকৰি জীৱনৰ কথা এটা মনত খেলাইছে। কথাটো বৰ সৰু। এই যে কয় কথাত কথা ওলায় ইঞ্জিন সক্ৰিয় হ'লে চকাই বাগৰ সলায়, গাড়ীৰ গতি লয় তেনেকুৱা; সফল জীৱন সাপেক্ষে সুখৰ স্মৃতিত প্ৰেমৰো এক বিষাদ আহি মিলি গ'ল জীৱন প্ৰৱাহত। কৰ্মৰ অৱসাদত এয়া যেন প্ৰেম ধৰ্মৰ প্ৰসাদ।

বৰুৱা ঃ কওকচোন কি বিষাদ, কি প্ৰসাদ। কামৰ সৰু-বৰ নাই, কথাৰ সৰু-বৰ নাই। কৰিব জানিলে, সজাব পাৰিলে সৰু কাম, কথাও বৰ হয়; নাজানিলে ডাঙৰ কাম, কথাও অৰ্থহীন হয়।

চৌধুৰী ঃ শুনক, অফিচ ছুটীৰ পিচত ফাইলৰ আধৰুৱা কাম কৰিবলগা হ'ল। মোৰ দৰে অফিচৰ আন এগৰাকী যুৱতীৰো একে কৰ্ম ব্যস্ততা। এই কৰ্মব্যস্ততাই দুয়োকো দুয়োৰে ওচৰ চপাই আনিলে। ইয়াতে জন্ম হ'ল এক অবুজ প্ৰেমৰ।

বৰুৱা ঃ অ' আপোনাৰ কথাটো বুজিম বাৰু পিচত, মোৰ আজি ঘৰত এটা সকাম আছে। আজিলৈ এৰিলোঁ, কাইলৈ বাৰু আকৌ কথা হ'ম এই ফিল্ডতে। আপুনি আহিব, দুয়ো লগালগি হ'ম।

দুই

আগদিনাৰ কথামৰ্মে দুয়ো আবেলি লগালগি হ'ল বিহু ফিল্ডত। লগতে আগদিনাৰ আধৰুৱা কথাৰে খুঁটখুঁটাই থকা মনটোক সকাহ দিবলৈ আৰম্ভ কৰিলে।

বৰুৱা : দিয়ক, কওকচোন আপোনাৰ কৰ্ম ব্যস্ততাৰ কাহিনী, প্ৰেমৰ বিষাদৰ মৰ্মে হোৱা বেদনাৰ কথা। প্ৰেম ধৰ্মৰ কি প্ৰসাদনো লাভ হ'ল।

চৌধুৰী : অফিচৰ পৰা ওলাই আহোঁতে দুয়োৰো একে অৱসাদ। তথাপিও গেটত লগালগি হ'ওঁতে সাঁতুৰি সাগৰ পাৰ হ'ব পৰা মনৰ বল। আমি গেট পাৰ হোৱাৰ লগে লগে অফিচৰ মূল দুৱাৰখন বন্ধ হৈ যায়। হঠাৎ যুৱতীগৰাকীৰ মুখৰ পৰা বাগৰি আহিল, 'ইচ্ ইচ্'। ময়ো কথা সোধাৰ সুবিধা এটা পাই ক'লো, 'কি হ'ল', উত্তৰ দিলে, 'নক'ব দিয়ক'। মই বুজিলোঁ কিবা দৰ্কাৰী বস্তু এৰি আহিল অফিচত। চকুলৈ চালোঁ। দুয়োৰো চকু এডাল সৰল প্ৰেম ৰেখাত মিলি গ'ল। ভাবিলোঁ যেন মোৰ ছাঁতো হৈ সোমাই ৰ'ল মনত। পিচত বুজিলোঁ অফিচত এৰি অহা কোনো বস্তু নহয়। মোৰ দৰে মুখামুখি হোৱাৰ এটি সুযোগ লোৱাৰ চেষ্টা।

বৰুৱা : ৰ'ব, কৰ্মব্যস্ততাৰ বাগৰ সলাই গেটত আহি প্ৰেমৰ এনাজৰীৰে বান্ধ খালে? হেৰি; ভেটি পোৱা কাম নাথাকিলে অফিচ ছুটীৰ পিচত ফাইল কোনে খুচৰি থাকে। উৎকোচ লৈ কাম কৰাটেও এটা প্ৰেম। প্ৰেয়সীৰ গালৰ দৰে ফাইলটোৰ গাত সাতবাৰ চুমা খাবৰ মন। কিন্তু এই প্ৰেম আত্মা প্ৰতাৰক। এই উছাহত হাঁহি নাই, পোহৰ নাই আৰু কাম কৰাৰ যিটো উলাহ সিয়ো ক্ষন্তেকীয়া। পকেট ভৰাৰ লগে লগে প্ৰেমৰো বিদায়; এই প্ৰেমে যেতিয়া আত্মপ্ৰতাৰক হিচাপে আহি মনত জুই লগাই, বাৰ-তাৰিখ নাচায়। বেয়া টকা অপচয় হয়। এই টকাৰে ভাল কামো নহয়। এই টকাই আত্মাভিমানী হোৱাৰ অৰ্হতা যোগায়।

আৰু চাওক, মানৱ সেৱাত যদি ব্যস্ততা আৰোপ কৰে তাত যি প্ৰেম জাগে সেই প্ৰেমৰ বা লাগি হাঁহিও থাকিব পাৰে আৰু আত্মবশীও হ'ব পাৰে। মানৱ সেৱাত ৰত মানুহজন বিশ্বৰ এজন শক্তিশালী মানুহ হৈ উছাহ আৰু উলাহ দুয়োটাৰে প্ৰাণ ভৰাই তুলিব পাৰে। হেনৰি ইবচেনৰ নাটকৰ হাঁহিৰ প্ৰবাহত চিন্তা গধুৰ শিল খুন্দা খাই পাহাৰৰ পৰা সৰি পৰে। বাগৰি বাগৰি মিহি হয় নদীৰ সোঁতত শিলৰ ঘঁহনিত। হাঁহিয়ে স্বাস্থ্যৰ উন্নতি সাধন কৰাই নহয় আয়ুসো বঢ়ায়। মানসিক চাপ সৃষ্টিকাৰী হৰমন ধ্বংস কৰে; লগতে হৃদৰোগ, কৰ্কট ৰোগ আদিৰ পৰা উদ্ধাৰ পোৱাত সহায় কৰে।

চৌধুৰী : বৰ কথা ক'লেহে। বাৰু জানেনে? ভাল কামত সদনাম আছে কিন্তু বদনামেও নেখেদা নহয়। তথাপি ভালকামত শান্তি আছে আৰু 'ওম' শান্তিৰ প্ৰবাহ ইয়াত থাকে। যিয়েই নহওক কেতিয়াবা আকৌ সেই কৰ্ম ব্যস্ততাতে হালধীয়া আবেলিৰ পাতে পাতে নুবুজা প্ৰণয়ৰ কাহিনী লৈ ডাকোৱাল গেটত থিয় হয়। ময়ো দুচকুত চকু থৈ সেই নিলিখা প্ৰেমৰ কাহিনীতে নিজক হেৰাই দিলোঁ। এতিয়া আকৌ নিজক বিচাৰি যায় সেইখিনি পাওঁতে বাট বন্ধ হয়।

বৰুৱা : অ' প্ৰেমিকা যুৱতীৰ লগত একাকাৰ হৈ গ'ল নেকি মনাত্মা?

চৌধুৰী : শুনক, কৰ্মসূত্ৰে কেইবাদিনো লগালগি হ'ল যুৱতীগৰাকীৰ স'তে। ডেকা বয়সৰ ভৰ যৌৱনা। তাইৰ ধুনীয়া চকুযুৰিয়ে মোৰ মনত সিঁচি দিলে যৌৱন উদ্দীপ্ত হিয়াৰ উষ্ম বাতৰি। আশাৰ ৰছীৰে বান্ধিলে হিয়া। এয়া উতলা যৌৱনৰ মায়া।

বৰুৱা : অ' তাৰমানে আপুনি ডেকা বয়সত ভাল প্ৰেম কৰিছিল দেই।

চৌধুৰী : হয় কৰিছিলোঁ। প্ৰেম কোনে নকৰে এনে পৰিৱেশ পালে। গাৰ ঘঁহনিত প্ৰেমৰ ঘঁহনি খাই গা জগাই তোলে। ৰুক্মিণীক দেখি শ্ৰীকৃষ্ণৰ প্ৰেম আৰু শ্ৰীকৃষ্ণক দেখি ৰুক্মিণীৰ প্ৰেম জাগে। অৱশ্যে এয়া স্বৰ্গীয়।

বৰুৱা : সেইটো ঠিকেই, স্বৰ্গীয় প্ৰেমতো বাস্তৱতে ধৰা পৰে।

চৌধুৰী : হেৰি কি কয়? কল্পনাত বাস্তৱ থকাৰ দৰে স্বৰ্গীয় প্ৰেমতে লুকাই বাস্তৱ প্ৰেমৰ অংকুৰণ। বাৰু যিয়েই নহওক প্ৰেম কৰিলোঁ আৰু

শ্বেক্সপীয়েৰৰ নাটকৰ কথাও মানি ল'লোঁ।

বৰুৱা : কি কথা?

চৌধুৰী : এই যে, 'It is better to have love and lost'.

বৰুৱা : তেনেহ'লে আপুনি দুয়োটা ভাল কামেই কৰিছিল। দুয়োটা কামেই চকুৰে কৰিলে। প্ৰেম কৰিলেও আৰু ভাঙিলেও। কিন্তু অভিজ্ঞতাখিনি জীৱনৰ সাৰথি কৰি প্ৰেম এৰাদি গ'ল। সুখৰ লগত দুখ নাথাকিলে এনেদৰেই জীৱনটো পূৰ্ণাংগ নহয়। প্ৰকৃততে সুখতকৈ দুখেহে জ্ঞানৰ বেছি সঞ্চাৰ কৰে। এনেকৈয়ে চকুত চকু নপৰালৈকে উভয়ৰে প্ৰেমৰ সংযোগ নহয়। আৰু চকুৰ আঁতৰ হ'লে মনৰো আঁতৰ হয়।

জানে! যিমানে চকুক চকুৰে লাইন থাকে, সিমানে ওপজা প্ৰেমৰ প্ৰবাহ চলে। কাৰোবাৰ জীৱন গঢ়ে আৰু আন কাৰোবাৰ মনত জুই লাগে। আপোনাৰ এই পৰ্যায় কেনেকৈ ঢুকি পালে। সুখ-দুখ, হৰ্ষ-বিষাদ, আনন্দ-নিৰানন্দৰ অস্থায়ী ইন্দ্ৰিয় অনুভূতি; পূৰ্ণাংগ ৰূপত জীৱন অভিজ্ঞতাৰ এক সবল স্থিতি। ইয়ে কদৰ্যৰ পৰা সৌন্দৰ্যলৈ, কুশ্ৰীৰ পৰা সুশ্ৰীলৈ, বন্দুকৰ ধ্বনিৰ পৰা সংগীতৰ সুৰলৈ আৰু অমানৱৰ পৰা মানৱলৈ কঢ়িয়াই লৈ যায়।

চৌধুৰী : চাওক, কি ৰহস্য! মই যেতিয়া কামৰ অজুহাতত তেওঁক বিচাৰি যাওঁ লগ নাপাওঁ, হয় অফিচত অহা নাই; নহয় অলপ আগতে ক'ৰবাত গ'ল। মোক যেতিয়া, 'মই বিচাৰি লগ নোপোৱাৰ অজুহাতত', বিচাৰি আহে লগ নাপায়। বেদনা দুয়োৰো একেটাই। অফিচত বু-বা চলাৰ পৰ্যায় অৱশ্যে নাপালে গৈ। সেয়ে, কওঁ কওঁ বুলি ভাবি থকা বহু কথাই বৈ গ'ল ক'বলৈ। আজিৰ দৰে ফোনত ফুঁচুৰ ফুঁচুৰ কথা ক'ব পৰা হ'লে! কিজানি সামাজিক বাধাবোৰ আঁতৰ কৰি দিব পৰা গ'লহেঁতেন। স্মৃতিয়ে কাষ চপাই, হাতমেলি লগ নাপাওঁ। জাত-পাতৰ বাধাই দুয়োকো দুয়োফালে টানি আছিল। মিলন সিদ্ধ নাছিল। যেতিয়া দুয়োৰো দেখাদেখি হ'ল তেওঁৰ শিৰত সেন্দুৰীয়া বাট, মোৰ শ্ৰীমতী কাষত। উত্তপ্ত মনৰ গতিত কাৰো ভাষাই প্ৰকাশৰ বাট বিচাৰি নাপালে। বোবা হৈ শুই থাকিল অব্যক্ত প্ৰেমৰ ভাষা।

বৰুৱা : বাৰু, প্ৰেমৰ বিফলতাই আপোনাক প্ৰেৰণা ওপচাই দিলেনে? ডাণ্টৰ

'ডিভাইন কমেডি'ৰ দৰে বিয়েট্রিচৰ প্রেম জীয়াই নাৰাখিলে? আচলতে প্রেম কৰাও এটা কলা; বিষাদ অহালৈকে সুখটো ধৰি ৰাখে। আশাবোৰ বান্ধি ৰাখে ভালপোৱাৰ ৰছীৰে। জীৱনটো কর্মপ্রেৰণাৰ বাহন হিচাপে ধৰি লওঁতাজনৰ কাৰণে সুখ বা পবিত্র প্রেমৰ উৎস এক অন্তহীন সফল প্রক্রিয়া।

চৌধুৰী ঃ আমাৰ প্রেমে প্রচাৰৰ পর্যায় চুব নোৱাৰিলে। দুয়োৰো চকুত প্রেমৰ স্মৃতিৰ নীলা আভা সজীৱ হৈ থাকিল। আমাৰ প্রেমক হেয় কৰিব পৰাকৈ বৰ বৰ মানুহে সুবিধা ল'ব নোৱাৰিলে।

বৰুৱা ঃ আপুনি প্রেম কৰিছিল নে গাভৰুজনীৰ লগত সহকর্মী হিচাপে তাইৰ চকুৰ সৌন্দর্যৰ লগত গেম খেলিছিল? আপোনাৰ শ্রীমতীয়ে গেমৰ ভূ-ভা পায়নে? জানে! প্রেমৰ লগত গেমৰ মিল আছে। দুয়োটাই জন্মগত আনন্দ আৰু ৰুচি সাপেক্ষ। ভালপোৱাই দুয়োটাতে উদ্যম যোগায়। ৰং-ধেমালিৰ পৰিপ্রেক্ষিতত Play way এটা আধুনিক শিক্ষা পদ্ধতি।

চৌধুৰী ঃ মোৰ কোনো দুর্বলতাই পত্নীক এই বিষয়ে ভাবিবলৈ ইন্ধন দিয়া নাই। কিন্তু লগালগি হোৱাত চকুৰ ওপৰত চকু থৈ কৰা মৌন বিষাদৰ বতৰা অনুভৱ কৰিলেও ই খন্তেকীয়া হৈ গ'ল। মোৰ নিজৰ ক্ষেত্রতো বুজিলোঁ মুক্ত প্রেমৰ মুখামুখি হোৱাৰ বিফলতাই হর্ষ-বিষাদ কোনোটোৰে গভীৰ অনুভূতি নজগালে। তথাপিও ভাব হয় প্রকাশৰ বাতাৱৰণৰ অভাৱে বিষাদকহে হাতবাউলি দিলে। এয়ে মোৰ মনৰ অসুখ।

বৰুৱা ঃ কর্ম প্রেৰণাৰ উৎস প্রেমো এটা। আৰম্ভণি কৰি কর্ম প্রেৰণাৰ এই উদ্যম ল'ব নোৱাৰাটোও ঠিকেই এটা অসুখ। ভালপোৱাৰে গঢ়া যুগ্ম প্রেমৰ সুখটো (Love of better half) সূক্ষ্ম হৈ জীয়াই থাকিল স্মৃতিৰ পটত? বাৰু শুনক, মোৰো দুখ এটা কেনেকৈ সুখ হৈ বিষাদৰ ভাৰ বৈ জীয়াই থাকিল শুনিলে হয়তো ভাল পাব।

মোৰ এজন কলেজীয়া বন্ধু নলে-গলে লগা, ডাঙৰ বিষয়াৰ আসন অলংকৃত কৰিলে। তেওঁৰ হাতত বহুত চাকৰি। শিক্ষিত নিবনুৱাৰ কাৰণে তেওঁৰ মুখৰ এষাৰ কথা মৃত সঞ্জীৱনীৰ দৰব। শ্রীমতীৰ আগত বৰ লম্ফ-জম্ফ মাৰিবলৈ সুযোগ লাভ কৰিলোঁ। ল'ৰা-

ছোৱালীয়ে এইবাৰ চাকৰিৰ মুখ দেখিব নিশ্চয়। বাহিৰত বৈ বৈ এটা সময়ত ঘৰৰ ভিতৰত সোমোৱাৰ বাট মোকলাই ল'লো। আশাৰ বাট জিল্‌মিলাই উঠা দেখিলোঁ। মিঠাই চাহ খালো। নিজকে গৌৰৱ অনুভৱ কৰিলোঁ। বুকুখন একেছাতে পাতল পৰি গ'ল।

সময়ত দেখিলোঁ আশাই পৰম দুখ হৈ মনৰ স্থিৰতাখিনিকো হেৰুৱাই দিলে। চাকৰি হোৱাৰ পথটো চাই চাই থাকোঁতে গাল-মুখ শুকাল। সেপ্‌ ঢুকিবৰো সজীৱতা নাইকিয়া হ'ল।

গ'ল কথা গ'ল। নিৰাশাই বন্ধ কৰা আশাৰ বাট প্ৰবঞ্চিত ক্ষোভৰ জুয়ে পোহৰাই দিলে। শেষত শুনিলোঁ আকাশে ক'লে, বতাহে জনালে বহুত কিবাকিবি দুৰ্নীতি। সুকৰ্মৰ সলনি দুষ্কৰ্মৰ মেলানি। অৱশেষত শুনিবলৈ বাকীথকা খিনিও অৱগত হ'ল। আৰক্ষীৰ হাতত বন্ধু গ্ৰেপ্তাৰ হোৱাত চকুৰ তৃপ্তি আহিল। মনত দুখ থাকিল। মোক উপহাস কৰাৰ বাবে; বন্ধুৰ সহায় নিবিচৰাহেঁতেন? দুখৰ বোজা নিজেই দুহাতেৰে মূৰত জাপি ল'লোঁ। আনহাতে, তেওঁলৈ এটা পুতৌ ভাব জাগিল। মানুহজনে নৈতিক কৰ্মৰ উদ্যমৰ পৰাও আঁতৰি আহিল আৰু মানৱীয় গুণেৰে বলিয়ান হোৱাৰ সাহস তথা মানসিক স্থিৰতাকো চুই যাব নোৱাৰিলে। জীৱনটো উপহাসৰ পাত্ৰ হৈ বৈ গ'ল।

চৌধুৰী ঃ আপোনাৰ ভাল লাগিল, কাৰণ আপোনাক উপহাস কৰি তেওঁ নিজেও নিজক ঠগিলে।

বৰুৱা ঃ ভাল লাগিল ঠিকেই, দুখো এৰাই চলিব নোৱাৰিলোঁ। বেচেৰাই (Poor man) জীৱনটোকে অৰ্থৰ লোভত বিক্ৰী কৰি দিলে। সেয়ে, নোপোৱাতকৈ পাই হেৰোৱাৰ দুখ বেছি। মৃত্যুৰ লগে লগে মানুহে পৃথিৱীৰ সকলো সৌন্দৰ্যৰ সুখ হেৰোৱাৰ দৰে তেওঁ মানুহৰ পৰা অমানুহ হোৱাৰ লগে লগে সকলো থাকিও নিজৰ চৰিত্ৰ হেৰাই হাত শুদা কৰি কোনেও নেদেখাকৈ গৈ থাকিব লগা হ'ল। কলংকৰ ঘোৰ এন্ধাৰত জীৱনটো পোতখাই বৈ গ'ল। বোকাত পদুম ফুল ফুলে, তেওঁক বোকাইহে পুতি থ'লে।

তেওঁ থকা দিনকেইটা কোনো ফালেই চাব নোৱাৰিব। ৰত্নাকৰ

দস্যুই পাপৰ ভাগ পৰিয়ালক দিব নোৱাৰাৰ দৰে অনুৰ্কলহেও তেওঁক বিচলিত কৰিব। যি কালে চাই মানুহে তেওঁক হাঁহিব। তেওঁতো হাঁহিব নোৱাৰে। নিজক লুকাই হাঁহিবলৈ চালেও আত্মাৰ শুদ্ধ হাঁহি কোনোদিনে ফুটি নুঠিব।

চাওক, হাঁহিটো পানী তোলা মটৰ পাম্প; পানী হ'ল পাম্প দেহৰ প্ৰাণ। পানী পালে মটৰ চলে, মাটিৰ বহুতলিৰ পানী টানিও আনে। তাতে আকৌ চাওক, যদি বালিৰ স'তে পানী থাকে নিৰ্মল পানী আহে; লেতেৰা বোকামাটি-পানী থাকিলে ঘোলা পানী উঠি আহে। সেয়ে শুদ্ধ আত্মাৰ খোলা হাঁহি, অশুদ্ধ আত্মাৰ বেঁকা হাঁহি। বন্ধুৰ কপট কেৰা হাঁহিৰ দৰে। অলসতাৰ বোজা বৈ তিক্ততাৰ হাঁহিৰে বৈ থাকিল মৃতুলৈ। কাবৌ কৰিলে মৃত্যু নাহে। কৰ্মীয়ে মৃতুলৈ বৈ নাথাকে; বৈ থাকে পৰিপূৰ্ণভাৱে জীয়াই থকাৰ কামৰ তাড়না বুকুত সাবটি লৈ।

চৌধুৰী : আপোনাৰ তুলনাতো মই ঠিক বুজি পোৱা নাই।

বক্তা : বুজি পোৱা নাই? শুনক, 'মহাভাৰত'ৰ ধৰ্ম নায়ক যুধিষ্ঠিৰৰ সমতা শক্তিৰ কথা আপোনাৰ জ্ঞাত; ন্যায় আৰু সত্যৰ প্ৰতীক হিচাপে ধৰ্মধ্বজ বুলি খ্যাত। এই সততাত যে কূট নীতিৰ প্ৰহসন হৈছে সেইটো আপোনাৰ নিশ্চয় অৱগত। এই কূট নীতিতেই কপটতাৰ চেকা, যাৰ বাবে স্বৰ্গত যাওঁতেও উজুটি খাব লগা হ'ল।

চৌধুৰী : সামাজিক সৰু কথাৰ পৰা মোট সলালে ডাঙৰ ধৰ্মীয় ধাৰণাত? মই একো বুজি পোৱা নাই। আৰম্ভণি হ'ল হাঁহিৰ উৎপত্তিৰ উৎসত, বাগৰ সলালে যুধিষ্ঠিৰৰ সততাত অসততাৰ খুঁতত। বোলো ইয়াতে মাৰিলো টিপা গড়গাওঁ পালেগৈ শিপা।

বক্তা : সেইটোৱেইটো কথা। বুজিবলৈ চেষ্টা কৰক। যুধিষ্ঠিৰে যে কৈছিল কুৰুক্ষেত্ৰৰ যুদ্ধত 'অশ্বত্থামা হত', কপট নিদ্ৰামাৰি আকৌ জনালে, 'ইতি গজ'। এনেদৰে আহে হাঁহিৰ উজ্জ্বলতাত কপটতাৰ তাণ্ডৱ নৃত্য।

চৌধুৰী : ৰ'ব, সুখ বিচাৰি যায় কটু সমালোচনাৰহে পাতনি মেলে দেখোন।

বক্তা : নহয়, জানিব সুখৰ বাটত দুখৰ কাঁইট, গোলাপফুলত থাকে নিজ

অভিৰুচি মতে নিজ ইচ্ছাৰে স্বকৰ্মত ব্ৰতী হ'লে সেন্দূৰীয়া আলিত পদাৰ্পণ কৰে। ইয়ো এক সৃষ্টিশীল কৰ্মপ্ৰক্ৰিয়া।

চৌধুৰী ঃ আপুনি কবিতা লিখে নেকিহে? স্বভাৱ কবিৰ দৰে দেখোন অনৰ্গল কাব্যিক ভাব ব্যক্ত কৰিব বিচাৰে।

বৰুৱা ঃ কবিতা লিখিব দিয়ক। এয়া আৱেগ, অনুভূতি প্ৰৱণতাৰ কথা; কবিতা কাক বোলে তাকেই ভালদৰে নাজানোঁ। কিবাকিবি ভাবোঁ কল্পনা কৰোঁ নকৰা নহয়, তাকো সুধিলে একো ক'ব নোৱাৰোঁ। আৰু নুসুধিলে বহুত কিবাকিবি পাৰোঁ। অৱশ্যে বহিৰ্জগতৰ পৰিৱেশ সাপেক্ষে উদ্ভৱ হোৱা ঘটনাক অনুভূতি কল্পনাৰে কাটি, শব্দৰে গাঁঠি কবিতাৰ মালা তৈয়াৰ কৰিবলৈ চেষ্টা কৰো।

চৌধুৰী ঃ অৰ্থাৎ কেৰেলুৱা। খেদিলে নাযায়, নেখেদিলে নিজে নিজে যায়। এইটো আপোনাৰ অভিৰুচি নেকি?

বৰুৱা ঃ হয় অভিৰুচি; মই নিজে নিজে অকলশৰে মনে মনে ভাবি থাকি কল্পনা কৰি ভাল পাওঁ; চাওক, মোলৈ চাই থকা যেন পাওঁ সৌ সেউজীয়া পাহাৰখনে, ওপৰৰ নীলা আকাশখনে; দুয়ো যেন যুৱক-যুৱতী; দুয়ো সুখৰ-দুখৰ কথা পাতে, বিহুত বৰদৈচিলাৰ স'তে ডালে-পাতে আউল-বাউল ক'লা চুলি মেলি আচল উৰুৱাই কঁকাল ভাগি নাচে। বৰষাৰ লগত গুণগাণ কৰি হুঁচৰি গাই, ঢোল-পেঁপা-গগনা বজাই ৰজনজনাই মুখৰিত কৰে পৃথিৱী। আজি যেনেকৈ ইয়াত বহিছোঁ তেনেকৈ যেতিয়া নদীৰ পাৰত বহোঁ আবেলিৰ পানীৰ সোঁতত অনিৰ্বচনীয় সূৰ্যাস্তৰ সোণালী ৰহণে মোৰ চকু-মুখে ফাকু ছটিয়াই দিয়ে। মই একাত্ম হৈ পৰোঁ। উগুল-থুগুল লাগে মন। প্ৰকৃততে ক'বলৈ গ'লে মোৰ জীৱনৰ ওপৰত প্ৰকৃতিৰ মোহনীয় সৌন্দৰ্যৰ গভীৰ অৰ্থবহ আলোকপাত। নৈৰ সোঁতৰ বুকুত সূৰ্যাস্ত মোৰ কাৰণে এক বিমল আনন্দৰ উৎসৱ-মেলা। প্ৰকৃতিৰ সত্য আৰু সুন্দৰৰ বাৰেবৰণীয়া ৰং-ৰহইচ ৰূপৰ সম্ভাৰ লৈ থিয় হয় মোৰ চকুৰ পদূলিত।

চৌধুৰী ঃ আপোনাৰ কিয় মোৰেই ক্ষেত্ৰত চাওক, পূৰ্ণিমা ৰাতিৰ আকাশৰ জোনটোৱে মোৰ হিয়াত পোহৰ সিঁচে। কল্পনাৰ সম্ভাৰ যোগায়। আঁউসীৰ এন্ধাৰত তৰাবোৰে মোক যেন কয়, 'চোৱা, নিৰাশ নহ'বা

আমি আছোঁ, এন্ধাৰতো হ'ম পথ প্ৰদৰ্শক। তোমাৰ লগত দিছোঁ জোনাকী পৰুৱা। কিৰ্কিৰি কৰা। হাত সাবটি বহি নাথাকিবা। আমালৈ সূক্ষ্ম দৃষ্টিৰে চোৱাচোন, দেখিবা, আমি কেনেকৈ তিৰ্‌বিৰাই তোমালৈ চাই আছোঁ।

সেয়ে, যেতিয়া অসহায় হওঁ, সাংসাৰিক জটিলতাই মূৰ কামোৰণি তোলে, ৰাতি এন্ধাৰ আকাশৰ তৰাৰ তিৰবিৰণিৰ দৰে স্থিৰ আৰু সুতীক্ষ্ন হ'বলৈ চেষ্টা কৰোঁ। দুষ্কৃতিকাৰীৰ এন্ধাৰ ফালি হিয়াত সুখৰ পোহৰ বিলাই দি মনৰ উলাহ নিজে ওপচায় লওঁ। এনেদৰেই জখলাৰ খোপত এখোজ-দুখোজ দি ওপৰলৈ চাই এইখিনি পাইছোঁহি। কোনোদিনে পিচুৱাই চাবলৈ শিকা নাই। দুখ-কষ্ট যেন মোৰ সহচৰ।

বক্তা ঃ আচলতে চকুৰ দৃষ্টি আৰু হিয়াৰ মানবাত্মিক ফচলে চপায় প্ৰেম; প্ৰেমত থাকে উলাহ, উলাহত থাকে উদ্দেশ্য সিদ্ধিৰ বাট। সেয়ে, হিয়াত সঞ্চিত এনে প্ৰেমে আনন্দৰ অনুভূতি যোগায়। প্ৰেমত বিফল হোৱাও এক নিৰানন্দৰ অনুভূতি। প্ৰকৃত প্ৰেমৰ এনে নিৰানন্দৰ অনুভূতিৰ স্মৃতিৰ পটত প্ৰেমানন্দৰ অনুভূতিও লুটি-বাগৰ দি থাকে। আপোনাৰ এনে দুখত স্মৃতিৰ সুখটো জাগ্ৰত হৈ থাকিল? দুখ-কষ্টকো কোনোদিনে প্ৰশ্ৰয় দি নাপালে?

চাওক, প্ৰকৃতিৰ সৌন্দৰ্যত বহুত প্ৰেম আছে। ইয়াক বুটলিব লাগিব আৰু বুটলিব পৰাকৈ জীয়াই ৰখাৰ বাবে প্ৰেম যাচিব লাগিব। হৃদয়ত বহুত প্ৰেম-ভালপোৱা আছে। এনে হিয়াৰ উদাৰ প্ৰেমৰ অন্ত নাই। দি শেষ কৰিব নোৱাৰি। হিয়াক দিবও লাগিব আৰু আন এখন হিয়াৰ পৰা ল'ব পৰাকৈ আন্তৰিক প্ৰস্তুতিও লাগিব। এয়ে প্ৰেমৰ বিনিময় তথা আদান-প্ৰদান প্ৰথা; পতি-পত্নীৰ, সতি-সন্ততিৰ, ভাই-বন্ধুৰ, ইষ্ট-কুটুম্বৰ।

হাত দুখন মেলি দিয়ক, ভাবি চাওক, এই দুহাতত কিমান কৰ্মৰ সন্ধান আছে; ইয়াতেই লুকাই আছে প্ৰেমৰ বাট। এই হাত দুখনেই এপদ-দুপদকৈ মণি-মুকুটা বুটলিব পৰাকৈ প্ৰকৃতিৰ বুকু উদাৰ-বিশাল হৈ আপোনাক আদৰিবলৈ বৈ আছে, চাই আছে। লাগে

মাথোঁ মনৰ হেঁপাহ আৰু ইয়াৰ পূৰণৰ এক অফুৰন্ত প্ৰয়াস। এটা স্থূলদেহ পাৰ্থিৱ সুখ-অনুভূতি প্ৰৱণ আৰু আনটো সূক্ষ্ম দেহ, অপাৰ্থিৱ সুখ-অনুভূতিৰ বাহক। স্থূলদেহ সুখ ক্ষন্তেকীয়া। আহে আৰু যায়। ধৰি ৰাখিব পৰা নাযায়। সূক্ষ্ম দেহৰ সুখ অনন্ত, এবাৰ চুই গ'লে এৰি নপৰে। বাঢ়িহে যায়। দুই হাত আৰু মনৰ কৰ্মৰ উৎস দুয়োটাই। দুয়োটাতে আছে আদান-প্ৰদানৰ সমতা ৰক্ষা সাপেক্ষে সততা আৰু আত্ম শান্তিৰ পথ। ইয়াৰ উৎপত্তি 'ওঁম শান্তি'। আপোনালোকৰ দেহৰ মিলন নহ'লেও আত্মাৰ মিলন ঘটালে চকুৰ সম্পৰ্কৰ দ্বাৰাই।

চৌধুৰী ঃ হয় হে, এই প্ৰেমে মোক চুই যোৱাৰ হাবিয়াসে কৰ্মৰ উদ্যম যোগায় দিলে। আকৌ এই প্ৰেমে জন্ম দিয়া সমতাভাবে মোৰ ব্যক্তিগত উন্নতিত সহায় কৰাৰ লগতে ঘৰখনলৈও পিচত এটা স্বতঃস্ফূৰ্ত গতি দিলে। প্ৰেম বিনিময়ৰ পৰিপ্ৰেক্ষিতত নিজৰ লগতে আনৰ প্ৰাণৰ মমতা মৰ্মে হোৱা আত্মিক আদান-প্ৰদানৰ বাহিৰে আৰু কি সাধন হয় বুলি ভাবে দেহ-মনৰ।

বৰুৱা ঃ সৰুতে মানুহে কোৱা শুনিছিলোঁ গাঁৱত, 'টোপোলাক দেখিলে টোপলি নাচে, নাই টোপোলা টোপলী ঘৰতে মনমাৰি বহি আছে।' এক প্ৰেমিক-প্ৰেমিকা, বিহুৱা-বিহুৱতী নাচনৰ ক্ষেত্ৰত আৰু আনটো 'দিলে পায় ৰুলে খায়' অৰ্থত। আপুনি যদি আলহী-অতিথিক বা আন কাৰোবাক সমতা অটুট ৰখাৰ সলনি সৰু-ডাঙৰ, উচ্চ-নীচ জ্ঞান কৰে, তেওঁ এদিন আপোনাক তেনে কৰিব।

এদিন এঘৰত এজন ভদ্ৰলোক আলহী হৈ আহিল। তেওঁ আগতে থকাৰ দৰে টেবুলত ভৰিদুখন তুলি নচুৱাই থাকিয়ে চকীত বহি কথা কৈ বিদায় দিলে আলহীক। দুখমনে আলহীজন বিদায় লৈ গুচি গ'ল। এদিন তেওঁৰ ঘৰত এওঁ আলহী হোৱাত অনিচ্ছাবশতঃ *তেওঁ কৰাটোকে কৰিলে। তেতিয়াহে এই অভদ্ৰ মানুহজনৰ স্ব-জ্ঞান* ঘূৰি আহিল যে সন্মান কৰিলেহে সন্মান পায়। এনেকৈয়ে মন দিলে মন পায়, আত্মাই আত্মাৰ মিলন ঘটায়।

চৌধুৰী ঃ A. G. Gardiner য়ে তেওঁৰ Essay, 'On saying please' অত এই Give and take অৰ কথা কৈছে। ব্যৱহাৰৰ ক্ষেত্ৰত 'Please' আৰু

'Thank you'ৰ যে অতীৱ প্ৰয়োজন দেখুৱাইছে। আনকি এইটোও কৈছে যে সৰু মানুহ হ'লেও শিকিবলগীয়া কথা থাকে। Bus conductor এজনৰ Polite ব্যৱহাৰ দাঙি ধৰি দেখুৱাইছে যে প্ৰকৃতি কবি William Wordsworths য়ে নিজেই Leech Gatherer ৰ পৰা জ্ঞানৰ পাঠ লৈছিল।

চাওক, চহৰত, নগৰত গাড়ীৰ 'Overtake' কৰা এটা সময়ৰ গতানুগতিক অভ্যাস তথা স্বভাৱত পৰিণত হৈছে। এয়া অসমতা সাপেক্ষে হোৱা অপৰাধ। এনে Mental imbalanceত উভয়ৰে ক্ষতি হয়। দুৰ্ঘটনাৰো সম্ভাৱনা থাকে আৰু দুয়োজনৰে মনৰ সংঘৰ্ষৰ বাট মুকলি হৈ পৰে। এনেদৰে মনেৰে আন কথা ভাবি থাকি যদি পানীৰ গ্লাচৰ পৰা পানী এঢোক পি লয় গলত বাজি যাব। অৰ্থাৎ তেজৰ গতি আৰু মনৰ মাজত সংঘৰ্ষ হ'ব। মন আৰু দেহ একে সময়তে সক্ৰিয় হ'লেহে কামটো নীৰৱে সমাধা হয়।

বৰুৱা : সমতা অটুট ৰখা বা আনক সন্মান কৰা মানে প্ৰেম যচা, আত্মীয়তাৰ ভাব জগোৱা। ভাবিলেই বুজি পোৱাত সহজ হ'ব যে সুখ শান্তি ক'ত থাকে? ব্যৱহাৰত, সমভাব পোষণত আৰু সৎকৰ্মত। মই যেতিয়া বিষয়া বন্ধুজনৰ ওচৰলৈ চাকৰিৰ কাৰণে আহ-যাহ কৰিছিলোঁ তেওঁ কি ভাবিছিল? ভিক্ষাৰী? চাকৰি ভিক্ষা কৰা ল'ৰা-ছোৱালীৰ প্ৰাণ ৰক্ষা; দুৰ্নীতি কৰি ধন ঘটা মানে কাৰোবাৰ ভাতৰ কাঁহীত হেঙাৰ বান্ধি নিজে খোৱা। প্ৰকৃততে সৎ, সমতা, ন্যায়, নীতিৰ হত্যা; কাৰোবাৰ মুখৰ ভাত কাঢ়ি কোনোবাই কিনে বিলাসী গাড়ী। এই কৰ্ম প্ৰকৃতি নীতি বিৰুদ্ধ কৰ্ম, প্ৰেমেৰে কৰা কৰ্মইহে শান্তি ওপচায়। এয়া 'ওঁম শান্তি' বিৰোধী নীতি। কৃষ্ণ গীতাত কৈছে—

আত্ম শান্তি লাভে সৰ্বদুখ হোৱে দুৰ।

অৰ্থাৎ Self satisfaction is life. এই প্ৰবাহ 'ওঁম শান্তি'ৰ এক চিৰ শাশ্বত সমতা শক্তিৰ প্ৰবাহ।

চৌধুৰী : মই ভাবোঁ প্ৰত্যেকজন মানুহৰ জীৱন শান্তি লক্ষ্যৰ দৰে অভিৰুচি সাপেক্ষ। যিয়ে টকা সাঁচি ভাল পায়, তেওঁ মৃত্যুৰ দুৱাৰডলিলৈকে সাঁচিয়ে শান্তি লাভ কৰিব। চাকৰিৰ পৰা বিদায় লওঁতে কাৰো কাৰো

চকুপানী ওলায়; ঘৰখনৰ পৰা যেতিয়া চিৰ বিদায় লয় দিন-বাৰ, তাৰিখ কাৰো হিচাপ হাতত নাই। সুখ-দুখৰ কথা ভবাৰ অৱকাশে সময় নাপায়। সংসাৰৰ পৰা বিদায় যে ল'ব নাজানে, অসুখটোহে জানে, সেয়ে তেওঁৰ সাঁচতীয়া ধনৰ ব্যৱহাৰ কাৰ হাতত হ'ব সেই কথাই তেওঁক নিৰুৎসাহ নকৰে। চিন্তাৰ ভিতৰত নপৰে তেওঁৰ আত্মবঞ্চনা বা পত্নী-ল'ৰা-ছোৱালীৰ অজ্ঞাতে কৰা বঞ্চনা আৰু সেই ধনক কোনোবাই হৰলুকী কৰাৰ কথা। জ্ঞান থকালৈকে তেওঁৰ স্মৃতিত জীয়াই থাকে তেওঁৰ Bank Balance sheet খন। ল'ৰা-ছোৱালীৰ ৰুচি-অভিৰুচিৰ প্ৰতি লক্ষ্য কৰা তেওঁৰ ৰুচি-অভিৰুচিৰ ভিতৰত আবদ্ধ নহয়। ধৰক নিৰান্নবৈ টকাৰ লগত আৰু এক টকা ধাৰ কৰি হ'লেও জমাব। পাঁছবুকত এটা নেদেখা চুমাই সঘনাই পৰশ পাই থাকিব। খৰচৰ কথা, খোৱা-লোৱাৰ হিচাপ পিচত; যি আছে শাকে-শুকুতাই ঘৰত সিয়ে হ'ব ৰন্ধাৰ পৰত। কয় নহয়, 'বোলে শাকে-শুকুতাই ভক্ষণ সেই পুৰুষৰ লক্ষণ'।

আন এজনে খৰচ কৰিহে ভাল পায়, লগতে দুই-চাৰিজনৰ বাহঃ বাহঃ লভি আনন্দ কৰে। মানুহজন বৰ খৰচী, দিল দীঘল মানুহ। Milder আৰু বন্ধু-বৰ্গৰ লগত কম খৰচো নকৰে? কোনোবাই হয়তো হাতদীঘল মানুহ বুলি কোৱাত গাটো হাই-ফাই কৰি, 'ঋনং কৃত্বা, ঘৃতং পীবেৎ' বোলা সংস্কৃত কথাফাকি তেওঁৰ জীৱনত প্ৰযোজ্য কৰিবলৈ নাপাহৰে। ওমৰ খয়ামৰ কথাষাৰৰ পূৰ্ণ প্ৰয়োগ কৰাও দেখা যায়। যেনে— Eat, drink and be merried, tommorow you will die. ইয়াৰ প্ৰভাৱ কেনেদৰে ঘৰখনত পৰে ল'ৰা-ছোৱালীয়ে পিচত বৰকৈ অনুভৱ কৰে। ভবা কথা নহয় সিদ্ধি, সোণালী জীৱন সপোন যায় পিছলি। ইয়াৰ বিপৰীতে দেখিব G. B. Shaw ই 'Man and Superman'ত কোৱা কথাফাকিৰ আত্মপ্ৰয়োগ কৰে, 'Self applied– A true artist doesnot think what he has or not'.

আন এজনে আকৌ ল'ৰা-ছোৱালী পঢ়ুৱাই সংস্কৃতিৱান কৰিয়ে জীৱন আনন্দ লাভ কৰে। নিজে যেন নাৰদ ঋষিহে। ল'ৰা-ছোৱালীৰ প্ৰশংসা গাই সুখ পায়। দুৰ্নীতি পৰায়ণজনে অযথা ধন-

সম্পত্তি ঘটি বৃহৎ অট্টালিকা সাজোতে নাভাবে যে বহুতৰ বুকুৰ কলিজাৰ তেজৰ পানীত চিমেণ্ট, বালি, শিল মিহলাই হাতৰ বেলচাৰে সমমিলন ঘটাই কংক্রিট কৰা হ'ল। অভিৰুচি হ'ল অহমিকা, হেমাহিৰ ঢাক-ঢোল বজাই দম্ভালি মৰাৰ। তেওঁৰ হুৰুলুকীত কোন মৰিল বা কোন চিৰৰুগীয়া হৈ মৃত্যুৰ সতে যুজিব লগা হ'ল সেইটো তেওঁৰ বিচাৰ্য নহয়। আজিৰ বাদে কাইলৈ ভবা তেওঁৰ ৰুচিৰ ভিতৰত নপৰে, নাইবা সমতা ৰক্ষাৰ প্ৰৱণতা তেওঁৰ অভিৰুচি নহয়। সমতা বিচৰা বা ভালপোৱা মানে নিজক নিজৰ বিলাসী জীৱন যাপনৰ পৰা এৰি আহি আত্মাৰ ওচৰ চপা হ'ব। তেওঁৰ ধন ঘটাৰ কাৰখানা বন্ধ হৈ যাব। এই বন্ধ তেওঁ মানি ল'ব নোৱাৰে, নাইবা তেওঁৰ আড়ম্বৰপূৰ্ণ বিলাসী জীৱনটো খানি-খুৰুকি নিব দিবলৈ আত্মাক প্ৰশ্ৰয় দিব নোৱাৰে। আধ্যাত্মিকবাদ এটা ভ্ৰান্ত ধাৰণা, নেদেখা ভগৱানে কি কৰিব পাৰে? যেতিয়ালৈকে শক্তি থাকে দেহত তেওঁ তেওঁ হৈয়ে থাকিব। গৌৰৱ অহংকাৰ কৰিব পৰাটো তেওঁৰ এটা অভিৰুচি। গৌৰৱ-অহংকাৰৰ ঢোলটো নিগনিয়ে কুটি কুটি গৰ্ব খৰ্ব কৰাৰ ধাৰণা বা ঈশ্বৰৰ নাম লৈ দুৰ্বলতা চপাই দিয়া তেওঁৰ নীতি বিৰুদ্ধ কাম। বায়ু-পানীৰ সমলেভেল প্ৰৱণতা তেওঁৰ Tendency নহয়। তেওঁৰ Tendency হ'ল High living and gorgeous thinking. Words Worth ৰ Simple living and high thinking তেওঁ পচন্দ নকৰে।

বৰুৱা : এয়া ভোগবাদ আৰু ত্যাগবাদৰ যুদ্ধ। এহাতে Worldly pleasures আৰু আনহাতে Spiritual pleasures. পাৰ্থক্য এইখিনিতে যে ভোগবাদত সুখৰ লগত দুখে আমনি কৰাৰ থল আছে; কিন্তু আধ্যাত্মিক সুখত দুখৰ কোনো প্ৰভাৱ নপৰে। এয়া Ever green pleasures. Self appeasement to pacify own self. এনে অৱস্থাত ঘৰুৱা দায়িত্বভাৰে (Liabilities) টানি নি থাকিলেও টলাব নোৱাৰে।

চাওক, নিজে নিজৰ মানবীয় সুস্থ মততে কোনেও লোভৰ বাটেৰে প্ৰলোভিত কৰি টানি নিব নোৱাৰাকৈ মানুহে নিজ মনে আত্ম শান্তিৰে দৃঢ় হৈ থিয় দিব পৰাটো আত্মাৰ গুণ বা ধৰ্ম। এয়া

মানুহ অমানুহ নোহোৱাকৈ থাকিব পৰা এটা মানৱীয় মূল্যবোধ। এইসকল শিল্পী, সাহিত্যিক, বৈজ্ঞানিক, কলাকাৰ, বুদ্ধিজীৱী, শিক্ষাবিদ তথা গুণী-জ্ঞানী, সমাজ সচেতক বা মানৱ প্ৰেমিক যিয়েই নহওক আত্মাৰ ধৰ্ম অটুট ৰাখিব বিচৰা লোক। প্ৰত্যেকে সমাজৰ বুকুত নিয়ম-নীতিৰ বাটেৰে সমতাৰ জখলাৰে কাঞ্চনজংঘাত উঠি ইতিহাস ৰচনা কৰাৰ গৌৰৱ নাপাহৰে। আত্মাৰ উন্নতিৰ এই জখলাত খোজ দিবলৈ হ'লে সৃজনশীলতা, কঠোৰ শ্ৰম আৰু মানসিক দৃঢ়তাৰ যে অতি প্ৰয়োজন এই কথা শিৰাই শিৰাই প্ৰৱাহমান সুস্থ মানৱৰ।

চৌধুৰী ঃ সেয়ে, প্ৰত্যেকে সাধনাৰ দ্বাৰা অভিৰুচি অনুসৰি নিজৰ নিজৰ ইচ্ছা শক্তি প্ৰয়োগ কৰি উদ্দেশ্য সিদ্ধিৰ বাট পোহৰাব পাৰে। কঠোৰ শ্ৰম আৰু মানসিক দৃঢ়তাই খোপনি মজবুত কৰি ধৰি আগবঢ়াই নি থাকিব। শিক্ষা অৰ্জনৰ পৰিপ্ৰেক্ষিতত এনে সাধনা মৰ্মে বাগদেৱী সৰস্বতীৰ কথা মনলৈ আহে। লগে লগে মনলৈ আহে সৰস্বতী পূজাৰ পুষ্পাঞ্জলি অনুষ্ঠানৰ স্তোত্ৰটোৰ, 'বেদ, বেদান্ত, বেদাংগ, বিদ্যাস্থানেভ্য এ বচঃ; এচঃ পুষ্পাঞ্জলি সৰস্বত্যৈ নমো নমঃ'ৰ কথা। সৰস্বতী মূৰ্তি পূজাৰ উৎপত্তিৰ সন্দৰ্ভত মৌলিক চিন্তা সাপেক্ষে শ্ৰুতিসমূহৰ কথা উল্লেখ কৰিবলগীয়া। কিয়নো এই শ্ৰুতিৰ আচলত ধৰি বেদ, বেদান্ত আৰু বেদাংগৰ সৃষ্টিৰে সমাজকল্যাণৰ বাটটো প্ৰতিভাত হৈ উঠিছে। লগতে এটা ধাৰণা ওপজে যে বাকধ্বনি তথা শ্ৰুতিৰ মৌলিক চিন্তা ভাব-অনুভূতিক লিখিত ৰূপ দিওতে অক্ষৰৰ ক্ষেত্ৰত বাস্তৱ ধাৰণা সাপেক্ষে হয়তো জীৱ-জন্তু, চৰাই-চিৰিকটিৰ বা বস্তুৰ আকৃতিৰ আশ্ৰয় লৈছিল। আমাৰ যে কয়, যি জানা লিখা, সাপে-বেঙে-কাউৰীৰ ঠেঙে।' এনে আকৃতিয়ে আখৰৰ পূৰ্বাভাস দাঙি ধৰিছিল বুলি ভাবিব পাৰি। এনে মৌলিক দিশতে কয়, 'দেখি শুনি ভাবি, হাতে কোচে যি পায় আঁচ টানি, যিয়ে লিখি যায়, তাতেই বাগদেৱী সৰস্বতী ভৰ খায়।'

সেই ধাৰণাতে হয়তো মহাত্মা গান্ধীয়ে কৈছিল, 'Students first should be taught how to draw picture before starting how to write hand writing'

বৰুৱা : এয়াইটো অভিৰুচিয়ে বুটলা আৰম্ভণিৰ বাস্তৱ অভিজ্ঞতা। ইয়াৰ কোনো কোনো জন্মগত আৰু কাৰো কাৰো পৰিৱেশিক অভিৰুচি সাপেক্ষ। প্ৰতিটোৱে সময়ৰ প্ৰয়োজনত সজা চেষ্টাৰ নিৰ্মিত সৌধ। এই অভিৰুচি অৱশ্যে দেখি-শুনি সমাজৰ পৰা বুটলা অভিজ্ঞতাৰ পৰাও জন্ম হ'ব পাৰে।

যিয়েই নহওক, এয়া প্ৰথম জন্মগত আৰু দ্বিতীয় চেষ্টাৰ সুফল। সক্ষমতা স্বৰূপ দক্ষতা নিৰ্ভৰ কৰে নিজৰ স্পৃহা আৰু আন্তৰিকতাৰ ওপৰত। এসময়ত এনে শ্ৰমৰ কঠোৰ সাধনাই সমাজৰ এন্ধাৰ বাটত সভ্যতা-সংস্কৃতিৰ লাইখুঁটা পুতি পোহৰ সিলাইছিল আৰু সমাজৰ দিক নিৰ্ণয়কাৰী ভূমিকা গ্ৰহণ কৰিছিল। আন্ধাৰে যিমানে ওৰণি টানি সমাজ ঢাকি'বলৈ চেষ্টা নকৰক সাহিত্য-সংস্কৃতিয়ে মানুহক জীয়াই ৰাখিছে দূৰ অতীতৰ পৰা পোহৰ বিলায়। সন্ত্ৰাসে যিমানে আমনি নকৰক, পোহৰ সদায় পোহৰ হৈয়ে ৰৈ যাব।

চৌধুৰী : জন্মগত অভিৰুচিয়েই হওক বা সমাজৰ পৰা দেখি-শুনি পৰিৱেশ অনুযায়ী মনত উদয় হোৱা অভিৰুচিয়ে হওক পূৰণ কৰাৰ কাৰণে প্ৰত্যেকেই চেষ্টা কৰে। নেৰানেপেৰা চেষ্টাৰ লগত নীৰৱ সাধনাৰ অন্তৰ্নিহিত সোঁত থাকে। কেতিয়াবা দেখা যায় দুই-এজন ব্যতিক্ৰম, তেওঁ যি দেখে সেয়ে হ'ব বিচাৰে, অভিৰুচিৰো কথা নাই, লক্ষ্যও সলনি হৈ থাকে। সাধনাৰ কথা বাদেই ধৈৰ্যই নাই; কৰ্মস্পৃহা আৰু একাগ্ৰতা দূৰতে থাকে, এনে মানুহ পৰচৰ্চাত পটু। গতিকে দক্ষতাৰ কথা ভাবি সময় কটোৱাৰ সৌভাগ্য তেওঁৰ নাই। সুখৰ বাটত তেওঁৰ আন্ধাৰৰ দেৱাল।

চাওক সুন্দৰ বস্তু এটা দৰ্শন কৰিলে নয়ন সাৰ্থক হয়; এয়ে সুখানন্দ অনুভূতি; কোনো পাৰ্থিৱ বস্তু পোৱাৰ হেঁপাহ পূৰণৰ আনন্দ অনুভূতি আৰু নান্দনিক সুখানন্দ অনুভূতি এই দুটাই জীৱনটোক সংসাৰ বান্ধোনত জীয়াই ৰাখে।

বৰুৱা : এয়া জীৱনৰ মাধুৰ্য। ললিত কলাত সৌন্দৰ্য ৰচনা কৰা হয় ৰং আৰু তুলিকাৰে। ইয়াত নিহিত হৈ থাকে আৱেগ, অনুভূতি, সুখ-দুখ, জীৱন-যাতনা, কৰ্ম আদি। এনেকৈয়ে আকৌ অক্ষৰেৰে লিপিবদ্ধ

কৰি ৰাখে ভাব, আৱেগ, অনুভূতি, সুখ-দুখ, জীৱন-যাতনা কৰ্ম সকলো। মৌলিকতাৰ আদিম ৰূপ পোৱাৰ পিচত উভয়ে শিক্ষণীয় হৈ পৰে। এয়া, কোনো মাধ্যমৰ দ্বাৰা জীৱনৰ বিমূৰ্ত প্ৰকাশেই কলা।

চৌধুৰী ঃ এইটোৱেই কথা, জন্ম হ'লে জীয়াই থাকিব লাগিব। জীয়াই থাকিব লাগিলে কৰ্ম কৰিব লাগিব। এই কৰ্মৰ মাজত জীৱন যিহেতু ইয়াত আনন্দ লভাৰ বাবে নিজে নিজে কৰি ভাল পোৱা হ'ব লাগিব। ইয়ে যোগায় উছাহ আৰু উছাহে উলাহৰ যোগান ধৰি বৈ লৈ যায় জীৱনটোক পূৰ্ণতা প্ৰাপ্তিৰ দিশত। এনেকৈয়ে জীৱনে গঢ়ে, নিজৰ পৰিয়ালৰ, সমাজৰ বৰঘৰ। ধ্বংস নকৰে; কাটি-চিঙি খাস্তাং নকৰে ৰোপণহে কৰে। মাটিত শস্যৰ বীজ, হিয়াত মৰম-ভালপোৱা, প্ৰেম; সেয়ে মানুহ আৰু মানুহৰ কৰ্ম। মানৱীয় চিন্তা-চৰ্চা, নিয়ম-নীতি, বৈজ্ঞানিক প্ৰযুক্তি বিদ্যাৰ মান আৰু প্ৰাকৃতিক পৰিৱেশে মানুহৰ অন্তৰ চুই যায়। কাৰণ ইয়াৰ ওপৰতে নিৰ্ভৰ কৰে দেহৰ বিলাই; দেহ বিচাৰ আৰু আত্মবিচাৰ আৰু লগতে আত্মাৰ বিলাই ভূত-প্ৰেতাত্মাই সূচায়।

বৰুৱা ঃ সাহসৰ নিচান ধৰি কৰ্মৰ বাটত উলাহ লৈ খোজ দিব পাৰিলে দেখিব, বুকু কঁপাই দিয়া জীৱন যুঁজৰ জীয়া ধলতো ধ্বংসৰ পিচত থাকে এক অনুপম সৃষ্টি। থিয় হৈ উঠে পলসে ৰং সনা হৃদয়ৰ নৈত এখন সোণালী সাঁকো, ধ্বংস আৰু সৃষ্টিৰ মাজত। ভৰি দুখন উছাহেৰে আগবঢ়াই দিয়াৰ প্ৰবল ধাউতি ওপজে মনত। নল-বিৰিণা দূবৰি বনৰ সপোনবোৰে পোনালি মেলি উঠে নতুন নতুন আশা লৈ সূৰুযৰ সোণালী ৰঙৰ পৰশত পুৱাৰ মুকুতা জিলমিলাই তুলিবলৈ। জীৱনবোৰ এনেকৈয়ে আগবাঢ়ে ভঙা-গঢ়াৰ বাটেৰে কৰ্মৰ ভাৰ বৈ— বন্দুকৰ শব্দই জীউ কাঢ়ি নিয়া দুখ মৰ্মবেদনাৰ পৰা হিয়া জুৰ কৰা কুলি- কেতেকীৰ মাতলৈ।

চাওক, আগৰ দিনত মানুহৰ কৰ্মস্পৃহা আছিল আৰু তাত একান্ত মনে লাগি থাকিবও পাৰিছিল। আজিৰ দৰে সৰ্বতোমুখী ধান্দা নাছিল। অভাবোঁ নাছিল বেছি, সুখীও হৈছিল। অৰ্থাৎ সুখ যিখিনি আছিল তাতেই সুখী হৈছিল। দ গা-পল্লাত জুখিব পৰা আছিল

সৰ্বসাধাৰণ মানুহৰ সুখ, দুখ যি অলপ-অচৰপ আছিল ঘৰুৱা তুলাচনীতহে উঠিব পাৰিছিল। প্ৰকৃততে ক'বলৈ গ'লে তাত আৰু এটা ভাল স্বতঃস্ফূৰ্ত প্ৰকাশৰ বাতাবৰণ আছিল ঘৰৰ ভিতৰ চ'ৰাৰ; যেনে মানুহ এজনে চ'ৰাঘৰত বা ঘৰৰ বাৰাণ্ডাত বহি পুৰা-গধূলি বৰষুণ বতৰত বাঁহ-বেতৰ কাম কৰিছিল আৰু লগতে কাষত বহা আলহী-অতিথি বা ওচৰৰ মানুহক ঘৰখনৰ বিভিন্ন সমস্যা, পাতিবলগা ল'ৰা-ছোৱালীৰ বিয়া-সবাহ, পূজা-পাৰ্বণ আনকি ল'ৰা-ছোৱালীৰ পঢ়া-শুনা, কাম-বন, স্বভাৱ-চৰিত্ৰ আদি সকলো কথা প্ৰশ্নৰ অৱতাৰণা নোহোৱাকৈ নিজে নিজে কৈ গৈছিল। ঘৰৰ আন সদস্যৰ বা আনকি পত্নীৰ তাত প্ৰতিবাদ কৰিবলগীয়া নাছিল; যিটো কথা আজিকালি কৰিবলৈ গ'লে মহাভাৰতৰ যুদ্ধ হ'ব। কাৰো ঘৰৰ কথা আন কোনোৱে আৰু কাৰো মনৰ কথা আন কোনোৱে জানিব-বুজিব নালাগিব। ঘৰৰ ভিতৰৰ কথা ঘৰত, মনৰ ভিতৰৰ কথা মনত। নিজে নিজে পুহি ৰাখিব। নিজৰ পোহনীয়া বস্তু আনৰ পেলনীয়া কৰি এৰি দিব নোৱাৰি। মাত মতা-নমতাৰ অধিকাৰ নিজৰ নিজৰ।

আনকি ঘৰখনৰ পৰিয়ালৰ খোৱা বস্তুৰ জুতি আৰু ৰুচি নিজৰ নিজৰ। ঘৰখনৰ সুবিধা-অসুবিধাৰ বাবে যেন ভবাৰ দৰ্কাৰ নাই। সেয়েহে ৰান্ধনিও বিমোৰত, ৰুচি মিলাব কাৰ? তাতে আৰো আন এটা কথা; সংসাৰখনত দুটা টান কাম হৈ থাকে— ভাত ৰন্ধা আৰু বাচন-বৰ্তন চাফা কৰা। কিন্তু চাপৰ মানুহৰ সৰু অভিৰুচিৰ বৰ সুখত এইটো ধৰা নপৰে।

বহুতৰ প্ৰতিভাই এহাতে পৰিশ্ৰমৰ ভয়ত বা সাধনাৰ অৱহেলাত আনহাতে অভাৱ-অনাটনৰ মাধমাৰৰ ফলত সংসাৰখন টানি-আঁজুৰি চলাব লগা হোৱাত বেয়াকৈ মাৰ খাই যায়। লগতে লিঙ্গ ভেদেও জীৱনৰ প্ৰতিভা বিকাশত সুবিধা-অসুবিধাই বৈষম্যৰ সৃষ্টি কৰে। সামাজিক আৰু পাৰিবাৰিক নিৰ্যাতনে বয়স বা শ্ৰেণীৰ ভেদাভেদ নোহোৱাকৈ মহিলাৰ ওপৰত যথেষ্ট প্ৰভাৱ পেলাইছে। মৃত্যু বা মৃত্যুতুল্য দেহ লেবেজান হৈ পৰে য'ত, তাত সুখৰ প্ৰশ্নই উত্তৰ বিচাৰি পাব নোৱাৰে। তথাপিও জীয়াই থাকে জীৱনটো জীয়াই

ৰখাৰ তাড়না বুকুত সাবটি। শিক্ষিতসকলৰ অসহায়ৰ সুযোগ ল'বলৈ কু-চক্ৰই খেদি ফুৰাৰ সময়তে কৰ্মহীনতাই ড্ৰাগছৰো উজান দিছে। টকাক খেদি কোনোৱে লগ ধৰিব নোৱাৰে। একনিষ্ঠ কৰ্মৰ সেৱক হ'লে উপযাচি টকাইহে খেদি আহে। আন বহুতো বৈ আছে লা-ধুনা, কুটা মাটি যি আছে তাকে সাৰথি কৰি জীৱন-যাতনা আঁতৰ কৰাৰ শেষ চেষ্টাৰ তাড়না লৈ। প্ৰকৃততে Maximum use of minimum tools ৰ ব্যৱহাৰৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ জীৱনৰ হেঁপাহ আৰু হাবিয়াস পূৰ্ণ কৰাৰ প্ৰয়াসৰ ওপৰতে নিৰ্ভৰ কৰে জীৱনৰ উজ্জ্বল ভৱিষ্যৎ। উদ্যোগ থাকিলে কামৰ অভাৱ নহয়, অভাৱ নহয় সময়ৰ। এলেহুৱাক কোনোদিনে সময়ে নুকুলায়, কৰ্মীয়ে যোৰা-টাপলি মাৰিও সময় উলিয়ায়। মানুহৰ ওচৰত নিজক এৰি দি সৰু হ'লে যেনেকৈ ডাঙৰ হ'ব পাৰে, তেনেকৈ আকৌ সৰু কাম, সৰু ব্যৱসায়ীয়ে মানুহক ডাঙৰ কৰে, যাৰ সকলো আছে তাৰ কামৰ সন্ধানৰ তাড়না নাই। সেয়ে তাৰ লগত হাত মিলাই দিয়া মানে নিজৰ মনৰ দুখ চপোৱা। এন্ধাৰত হাতী খেদাহে।

চৌধুৰী : হয় হে, কৰ্মোদ্যোগীৰ কোনো দিনে সময়ৰ অভাৱ নহয়, অভাৱ নহয় আনন্দৰ। খোজে প্ৰতি দুখ মাথোঁ নিষ্কৰ্মাৰ। যেনেকৈ দুৰ্নীতিৰে সজা ৰাজ হাউলী অট্টালিকাৰ নিৰাপত্তাৰ বেষ্টনীৰ মাজতো সুখৰ নিৰাপত্তা নাই।

বৰুৱা : হেৰি! সৎ, সমতা, একনিষ্ঠ কৰ্মীৰ কামৰ স্বয়ং ভগৱানেও উলাহৰ যোগান ধৰে। এলেহুৱাই দুহাতত উদ্যোগৰ ডেউকা লৈ কৰ্মক আদৰিলে কৰ্ময়ো মৰম-আদৰ কৰি সুখ যাচে। সেয়েহে অতীতৰ কৰ্মীৰ কৰ্তব্যপৰায়ণতাৰ সুখ আৰু সহৃদয়তাৰ বৰ সুখে আজিৰ কৰ্মহীন ধনৰ লুভীয়াক বৰকৈ আমনি কৰে। আনহাতে, আত্মাৰ বিকাশ আৰু শান্তিৰ বাবে জীৱনটোক টনা-আঁজোৰা কৰা মানুহ আজিও আছে। দুৰ্দশাগ্ৰস্ত মানুহৰ মাজত এজন হৈ ত্যাগ কৰিব পৰা মানুহো নোহোৱাকৈ থকা নাই। চক্ৰেটিছ, যীশুখ্ৰীষ্টই নিজৰ জীৱনটোকে ত্যাগ কৰিছিল।

চৌধুৰী : কি ক'ব! বিলাসী জীৱন যাপন আৰু কৃত্ৰিমতাই আজিৰ মানুহক পংগু কৰি পেলাইছে। হিয়াবিলাক বন্ধকত দি এই উদ্দেশ্য পূৰণ

কৰিছে। মানুহক অমানুহে খেদি ফুৰিছে।

চাওক, বিয়া-সবাহ, নাম-প্ৰসঙ্গ, পূজা-পাৰ্বণ, চাৰিজনা মহাপুৰুষৰ তিথি পালন আদিত আছিল বুকুভৰা আনন্দ। বেমাৰ-আজাৰত খা-খবৰ লোৱা, মৃতকৰ অন্ত্যেষ্টিক্ৰিয়াত পূৰ্ণ সহযোগ কৰা, হিয়াভৰা সমবেদনা জ্ঞাপন কৰা, আন আন বিপদ-আপদ, সুখ-দুখৰ বেলিকও বন্ধুবগৰ, ইষ্ট-কুটুম্বৰ খা-খবৰ লোৱাত আছিল এবুকু সুখ। গৃহস্থই গ'মেই নাপায় ওচৰ-চুবুৰীয়া, অঙহী-বঙহীয়ে জা-যোজাৰ কৰি অটায়। এনেহেন সমাজ ব্যৱস্থাত কাৰনো দুখ থাকিব?

প্ৰকৃত প্ৰেমত যেনেকৈ নিজৰ বুলিবলৈ একো নাথাকে, ঠিক তেনেকৈ ইয়াতো যেন ইঘৰ-সিঘৰ মন নিলা ওচৰ-চুবুৰীয়া সকলো এক হৈ যায়। এঘৰত বস্তুটো থাকিলেই হ'ল; নিজৰ পৰৰ চিন নাই। এজনৰ সুখ-দুখৰ লগত সমাজৰ সুখ-দুখ মিলি যায়।

আজিকালি সকলো আত্মকেন্দ্ৰিক আৰু স্বাৰ্থপৰ। কাৰো লগত কোনেও সম্পৰ্ক ৰাখিবলৈ ইচ্ছা নকৰে। আনকি পৰিয়ালৰ ভিতৰতে সদস্যবৰ্গৰ নিজানিজি ভাব। নিজৰ পৰম্পৰা বাদ পৰিল আৰু আনৰ পৰম্পৰাই যেন ঘৰ সোমাল। মানুহবিলাক নিজে নিজে অকলশৰীয়া হৈ গ'ল। মই নিজেও যেন ইয়াৰ ব্যতিক্ৰম নহয়। কিয়নো কৰ্ম ব্যস্ততাত ভাগ ভাগ হৈ দৌৰি যাওঁতে বন্ধুবৰ্গ, ইষ্ট-কুটুম্ব, ভাই-ভনী আনকি পিতৃ-মাতৃও কৰবাতে বৈ গ'ল। উৰ্বলি যোৱা সম্পৰ্কৰ সূতাডাল লাৰি দিলেই যেন নিঃশেষ; তাতে আকৌ আঁত হেৰাই যোৱা উৰহী গছৰ লতাৰ দৰে বিচাৰিলে পোৱা নাযায়। কেতিয়াবা আকৌ হেৰাই যোৱা চাৰ্টিফিকেটখনৰ দৰে নিজে নিজেই আঙুলিত লাগি ধৰে। আঁতডালে ধৰা দিলেও চিনাকিয়ে অচিনাকি হৈ লুকাই পৰে। উৰ্বলি যোৱা সূঁতাডাল ধীৰ-স্থিৰ হৈও গুৰি ঢুকি পোৱাৰ সৌভাগ্য নঘটে। সেয়ে দুখৰ মাজতো সুখৰ আমনি হৈ পৰে গতানুগতিক কাহিনী। এনেহেন অনুৰ্বৰ মাটিত বেৰ দি হ'বই বা কি লাভ। নলগা তামোল গছৰ জেওৰাৰহে বেজাৰ।

বক্তা ঃ হয় হে, মোৰো বেয়া লাগে; মা-পিতা, ভাই-ভনী আনকি চাকৰ-নাকৰো একেলগে মজিয়াত বহি ?াত সাজ মুখত দিলেহে যেন

ভোক পলাইছিল। ঘৰত মুখিয়ালজনে খোৱাৰ সময়ত পানীৰ ঘটি বা গ্লাচ আনকি ভাত-ব্যঞ্জন লাগিলে খুজি লোৱাত অপমানবোধ কৰিছিল; ডাঙৰজনে হাত-মুখ নোধোৱালৈ যিকোনো এজনে খাই-বৈ উঠি যোৱাটো অকল অসন্মানেই নহয়, সামাজিক নীতি বিৰুদ্ধ কাম যেন গণ্য কৰিছিল। তেনেকৈ বয়সীয়া বা ডাঙৰজনক চকীখন এৰি দিয়াটো এটা নিয়মহে আছিল। তাৰোপৰি সৰুৱে ডাঙৰৰ ওচৰত বৰ কথা মৰা নিষেধ আছিল; লগতে ডাঙৰক সমীহ কৰি চলাটো এটা গতানুগতিক নিয়মহে আছিল। ফলস্বৰূপে সমাজত আৰু ঘৰবিলাকত এটা সুস্থ বাতাৱৰণ বিৰাজ কৰিছিল।

মাছ-পুঠি, শাক-পাচলি, ফল-মূল, আম-কঠাল, নাৰিকল আদি ভাই-ভাগীৰ লগত ভগাই খোৱাটো আৰু তৃপ্তি লাভ কৰি সমতাৰ আনন্দ অনুভৱ কৰিব পৰাটো এটা বংশৰ নীতিবদ্ধ দিশ আছিল। বেমাৰ-আজাৰ হ'লে দৌৰি দৌৰি কৈ গৈ ডাক্তৰ-কবিৰাজ অনাটো এটা সামাজিক দায়বদ্ধতাৰ কাম হিচাপে গণ্য কৰিছিল। আৱশ্যক হ'লে ৰাতি ৰোগীক ৰখা, দুখীয়া হ'লে দহ-বিশ টকা দি সহায় কৰা, শুশ্ৰুষা কৰা এটা নৈমিত্তিক কথা আছিল।

তাৰোপৰি দুখীয়া-নিছলা বা বিধৱা হ'লে ঘৰটো বা চালিখন সাজি দিয়া, বিয়া দিবলগা ছোৱালী থাকিলে ওচৰ-চুবুৰীয়াই মিলি-জুলি বিয়া দিয়া কামটো যেন এক সমূহীয়া দায়িত্বহে আছিল।

প্ৰকৃততে ক'বলৈ গ'লে চিকিৎসক, চুলিকটা নাপিত (চেলুন) বাৰমহীয়া আছিল। টকাৰ সলনি চিকিৎসকক ধানমোন বা কোনোবাই নোৱাৰিলে দেহাৰে খাটি দিছিল। বটলত ঔষধৰ দাগ কাটি দিছিল। ঔষধ নাথাকিলেও পানী ভৰাই দাগ দি ঔষধৰ নামত বিশ্বাসযোগ্যতা অৰ্জন কৰিও ৰোগীক বেমাৰৰ পৰা উদ্ধাৰ কৰাৰ উদাহৰণ দুই-এজনৰ মুখত শুনা গৈছিল। কি হ'ব সেই যুগ আৰু নাই। এয়া যেন সোণালী যুগ আছিল।

চৌধুৰী ঃ কি কয়; কি নাই, সকলো আছে। সূৰ্য, চন্দ্ৰ, তৰা, দিন, ৰাতি, একেই আছে গতি। নিয়মানুবৰ্তিতাৰ অধীন প্ৰকৃতিয়ে ঋতুকো ৰাখিছে ধৰি। সূৰ্যই পোহৰ দি আছে, আকাশত জোন-তৰা জ্বলিয়ে আছে। নৈ-

জান-জুৰি, সাগৰ-মহাসাগৰ প্ৰবাহিত হৈয়েই আছে। নাই কি?

বৰুৱা ঃ আচলটোৱেই নাই।

চৌধুৰী ঃ আচলটো মানে।

বৰুৱা ঃ মানুহৰ চৰিত্ৰ।

চৌধুৰী ঃ চৰিত্ৰ মানে কি ক'ব বিচাৰিছে?

বৰুৱা ঃ আত্ম পৰিচয়।

চৌধুৰী ঃ আত্ম পৰিচয় মানে?

বৰুৱা ঃ এয়া জন্মৰ উৎসৰ পৰিচয়। অৰ্থাৎ সূক্ষ্ম দেহ আৰু স্থূল দেহৰ বিচাৰ; দুয়োৰে সহযোগত গঢ় লোৱা মাতৃ গৰ্ভৰ স্থিতি সত্ত্বা। যেনে— আহিল ক'ৰ পৰা, যাব কলৈ; কিমান সময়ৰ বাবে আহিল আৰু কি কামৰ বাবে আহিল, নিয়তিৰ লগত কেনে সম্পৰ্ক অটুট ৰাখিব ইত্যাদি কথা। এয়া Mission of a life Every one has come to this world with a particular mission to be fulfilled. জীৱনৰ এই উদ্দেশ্যহীনেই হ'ল আত্ম পৰিচয়ৰ প্ৰতি অৱহেলা।

চৌধুৰী ঃ সৰ্বসাধাৰণৰ মনত এনে ধাৰণাৰ জন্ম হ'ব কেনেকৈ?

বৰুৱা ঃ এয়া আত্মতত্ত্বৰে কথা। এই আত্মতত্ত্ব জ্ঞানৰ অভাৱত আজিৰ এই ব্যভিচাৰ। নাৰী নিৰ্যাতন, ধৰ্ষণ, শোষণ, দুৰ্নীতি, অন্ধবিশ্বাস আৰু কু-সংস্কাৰে ঘেৰি ধৰিছে সমাজক। বিনা দ্বিধাই এই অসামাজিক কাম কৰি সমাজ, পৰিয়াল অস্থিৰ কৰি তুলিছে। লগতে সন্ত্ৰাস জৰ্জৰ অৱস্থাৰ পৰিপ্ৰেক্ষিতত বিনা কামে ধনী হ'ব বিচাৰা মনৰ গতিয়ে লম্ভিবলৈ লৈছে। সামাজিক অৰিহণা অবিহনেই সভা-সমিতিক দান-বৰঙণি দি সম্বৰ্ধনা লৈ গৌৰৱ কৰিব পৰা মনৰ গতি হ'ল। গণ্য মান্য স্বনামধন্য ব্যক্তিক সন্মান কৰাৰ কথা বাদেই আনকি দুৰ্নীতিকাৰীয়ে শিল্পী, সাহিত্যিক, বুদ্ধিজীৱী আদিক অৱহেলা কৰিব পৰা অৱস্থাৰ ৰূপ পালে। দুৰ্নীতিৰ ধনে সৎ উপাৰ্জিত ধনক চেৰাই যোৱাৰ লগতে মত্তগৰ্বী অৱস্থাই সমাজৰ সহনশীলতাকো দুৰ্বল কৰি পেলাইছে। ফলত সকলো ভাল ধৰণৰ আস্থাই সমাজৰ পৰা বিলোপ হোৱাৰ সুবিধা কৰি দিছে, যাতে মুষ্টিমেয়ৰ হাতত সমাজৰ নিয়ন্ত্ৰণ থাকে। সমাজৰ অহিতকাৰী বদঅভ্যাসবোৰ ৰোধ কৰিবলৈ হ'লে মানুহৰ আত্মজ্ঞানৰ

উদয় হ'ব লাগিব। এইটো নিৰ্ভৰ কৰে প্ৰধানকৈ সততা, সক্ষমতা আৰু সামাজিক দায়বদ্ধতাৰ ওপৰত। লগতে প্ৰকৃতিৰ অন্তৰালত থকা মহাশক্তিৰ কথা অনুধাৱন কৰিব পৰা ব্ৰহ্মাবোধৰ প্ৰয়োজন।

চাওক ! ধুমুহাত গছ-গছনিয়ে যেতিয়া তাণ্ডৱ নৃত্য কৰে, মেঘে মেঘে ঢোল-পেঁপা-গগনা বজায়, বিজুলীত বাঁহীৰ সুৰ বাজে, বৰষাই গছৰ ডাল-পাতত বাদ্য-যন্ত্ৰ বজায়, ভুঁইকঁপত যেতিয়া জীৱ-জন্তু ঘৰ-দুৱাৰসহ সকলো পলকতে নিঃশেষ হৈ যায়, নিজৰ হাতত কৰিব পৰা উদ্ধাৰৰ একো উপায়ে উদ্ভাৱন নহয়; তেতিয়া প্ৰকৃতিৰ ৰহস্যত পৰমাত্মাৰ দ্বৈত শক্তি (সূক্ষ্ম-স্থূল) এক মহাশক্তি হৈ সেও মনায়।

এইটো বুজি যিদিনাই প্ৰকৃতিৰ সততাত খোজ দিব, একনিষ্ঠ কৰ্মত হাত দিব, অনুভৱ কৰিব পাৰিব নিজৰ শক্তিৰ পৰিসীমা কিমান।

চৌধুৰী ঃ ঠিকেই বুজিছে আপুনি, আচল কথা আত্ম জ্ঞানত পিঠি দি টকা খেদি হাবাথুৰি খাই সোমাই পৰিছে অন্ধকূপত। গভীৰতা নাইকিয়া হ'ল, উপলুঙা চৰিত্ৰই মানুহৰ জীৱনৰ সম্পদ হ'ল। পৰিশ্ৰম কৰাৰ কথা দূৰতে ৰাখক, গাটো গ'লেও ছাঁটো নিব নোৱাৰা অৱস্থা। আমি কিমানদূৰ খোজকাঢ়ি স্কুললৈ গৈছিলোঁ, কলেজ কৰিছিলোঁ ভাবিবই নোৱাৰোঁ। গোটেই পিৰিয়ডৰেই কিতাপ-বহী এখন এখনকৈ ৰুটিন চাই-চিতি লগত নিছিলো। হাত-ভৰি বিষাই যায় তথাপি কিতাপ-পত্ৰ হাতৰ পৰা এৰাই পিছলি নাযায়।

আজিকালি প্ৰাইভেট স্কুলৰ মেটমৰা বোজাৰ বাহিৰে বাকী চৰকাৰী স্কুলৰ অৱস্থা দুখ লগা। বহু ক্ষেত্ৰত দেখা যায় যেন— Love Letter হে, চাৰ্টৰ ভিতৰতে মৰম-আদৰ কৰি লৈছে, উলিয়াই বাহিৰ কৰি লোৱাৰ সময়তো লাজ লাজকৈ উলিয়াই কোনোবাই দেখিব বুলি ইফাল সিফাল চাই চকুক চকুৱে চুই বুকুত মৰম কৰি ভালপোৱা সিঁচি যায়; প্ৰেমত মতলীয়া হৈ জীৱন বন্ধকত থয়। বন্ধকতে জীৱন সপোন সকলো হেৰায়।

বৰুৱা ঃ বহুতো অভিভাৱক ল'ৰা-ছোৱালীৰ পঢ়া-শুনা, তেওঁলোকৰ স্বভাৱ-চৰিত্ৰ, ব্যৱহাৰ, আচৰণ আদি সম্পৰ্কে সচেতন নহয়। টকা-পইচা

যা-যোগাৰখিনি দিলেই যেন শেষ সকলো দায়িত্ব। সেয়েহে হ'বলা ল'ৰা-ছোৱালীৰ হলি-গলি, মিলামিলি; মুক্তমন পঢ়াত এৰি নিদি প্ৰেমকলহত দিনে-ৰাতি আছে ভুগি। অভিভাৱকৰো যায় মূৰ ঘামি, কঠোৰ পৰিশ্ৰমৰ অন্তত ভাতসাজো নপৰে পেটত মনৰ দুখত। বহুতৰ আকৌ ঘৰত নাই চাউল-পাত ল'ৰাই মাজ বাটতে বিয়া পাতি বোৱাৰী লৈ সোমাই ঘৰত। কতই প্ৰেমত বিফল হৈ মৃত্যুকে সাবটি লয়; নোৱাৰিলে প্ৰেমিকাক চল কৰি মাতি নি লগৰ সৈতে ধৰ্ষণ কৰি মাৰি পেলাই মনৰ দাহ পলায়। দোষ কাৰ? নিজক বিচাৰি নোপোৱা জনৰ।

চৌধুৰী : হেৰি, এৰি অহা সুখখিনিটো ক'ৰবাত বৈয়েই গ'ল, হাতত থকা খিনিকো অনুভৱ কৰিব নোৱাৰা হ'ল। টকা-পইচা, ধন দৌলত, মাটি-বাৰী, সা-সম্পত্তি, সমাজত মান-সন্মান আদিৰ পিচে পিচে দৌৰি থাকোঁতে নিজক নেদেখা হৈ পৰিল। ল'ৰা-ছোৱালী, তিৰোতও ছাঁতে পাৰ হৈ গ'ল। ধন-দৌলত, অট্টালিকা, বিলাসী গাড়ী সমাজ জীৱনৰ যেন লাইখুঁটা; তাহানিৰ বৰলোকৰ ঘৰচীয়া হাতী। লগত থাকে মেম, মনত থাকে ভেম। ল'ৰা ছোৱালীৰ পঢ়াৰ যতন, স্বভাৱ চৰিত্ৰ গঠনৰ পৰিৱেশৰ ধাৰণা, বুঢ়া মাক-দেউতাকৰ খোৱা-বোৱাৰ বিচাৰ কৰাৰ সময় ঘড়ীৰ কাঁটাত বন্ধা নাথাকে। অৰ্জিত অগাধ সম্পত্তি কেনেকৈ ব্যৱহৃত হ'ব সেই কথাই মনকো চুই যাবলৈ আহৰি দিয়া নাই।

কাৰোবাৰ— দেউতাৰ কেনে, দেউতা কোন বা কেতিয়া ঘৰলৈ আহিব মাককহে সুধিব লাগিব। কোনো কোনোৰ ক্ষেত্ৰত মাক কেতিয়া ঘৰত আহিব বা থাকিব দেউতাককহে সুধিব লাগিব। আকৌ কোনো ক্ষেত্ৰত দেখা যায় মাক-দেউতাকৰ খা-খবৰ কৰাৰ অধিকাৰ ল'ৰা-ছোৱালীৰ হাতত নাই।

বক্তা : বাস্তৱিকতে একনিষ্ঠ সৎ কৰ্মইহে যাচে শান্তিৰ ধন আৰু সুখ। হৰণো নাই ভৰণো নাই। চোৰে হাত দিলেও পাহৰি যায়, ডকাইতে খামুচি ধৰিব খুজিলেও পিছলি পৰে। সেয়েহে সৎ চৰিত্ৰৱান হৈ মানৱ সম্পদ গঢ়িব নোৱাৰিলে বৃহৎ অট্টালিকা বা চাৰিখন বেৰ, বয়-বস্তু

উভয়নদী হৈ থাকিলেই ঘৰ নহয়। তেনেকৈ বিয়া-বাহু কৰাই ল'ৰা-ছোৱালী জন্ম দিলেই সংসাৰ নহয়। যেনেকৈ Bodily registance থাকি Mental registance নাথাকিলে অস্থিৰ হয় আৰু Mental registance থাকি Bodily registance নাথাকিলে Stamina নাথাকে। জোৰ দি কামটো কৰিব নোৱাৰে।

Bodily registance হ'ল বংশ আৰু খাদ্যৰ বল (স্থূল)। আনহাতে Mental registance হ'ল আত্মা আৰু মনৰ বল (সূক্ষ্ম)। এই দুয়োটাৰ সমতাৰ সমন্বয়ত গঢ় লয় জীৱনৰ স্থিৰ স্থিতি। এই স্থিতি সাপেক্ষেহে পৰিৱেশৰ প্ৰভাৱত প্ৰকৃত জীৱন বোধৰ উদয় হয়। জন্মশক্তিৰ ওপৰত নিৰ্ভৰ কৰে আত্মবিশ্বাস। আত্মবিশ্বাসৰ অভাৱতে মনৰ স্থিৰতা হেৰায়। আনহাতে দেখিব দুৰ্ভিক্ষই বান্ধি থোৱা মুখৰ হাঁহি উদ্যোগীৰ হাতত লোৱা প্ৰগতিৰ নিচানেহে খুলি দিব পাৰে। এনে প্ৰগতি নিৰ্ভৰ কৰে শাৰীৰিক আৰু মানসিক উভয় স্থিৰতাৰে সমৃদ্ধ ব্যক্তিৰ দূৰদৰ্শী চিন্তা আৰু উদ্যোগৰ ওপৰত।

চৌধুৰী ঃ দুৰ্ভিক্ষৰ তথা ভিক্ষাৰী অন্ধৰ ধনকো যিয়ে আত্মসাৎ কৰিব বিচাৰে তাৰ জীৱন বোধৰ উদয় যেতিয়া হয় দেখিব তাৰ আৰু জীৱন গঢ়াৰ সময় নাথাকে। চেতনা যেতিয়া আহিল, পিচলৈ ঘূৰি চালে; দেখিলে হৃদয়ৰ বৰঘৰটো ইতিমধ্যে ভাগি চুচুৰ্মৈ হৈ গ'ল। দুয়ো ওঁঠৰ কঁপনিত দুৰ্নীতিৰ বহুত কাহিনী ভাহি উঠিল। দুখীয়া নিছলাৰ পেটৰ ভাতমুঠিত টকাৰ কমিচনৰ কেলেংকাৰী। চকুৰ পানীত টলবলীয়া হৈ উঠিল বহুত অনুতাপ। পানীত হাঁহ নচৰা অৱস্থা। নমস্কাৰ দি মূৰ দোৱাই যোৱা এদিনৰ মানুহজনে চিগাৰেট হুপি ধোঁৱাৰ কুণ্ডলী পকাই মুখত এৰি দি সোঁৱৰাই যায়, তুমি তোমাৰেই কৰ্মফল পাইছা।

বৰুৱা ঃ আনক ঠগি হোৱা নিজৰ মানসিক শোচনীয় অৱস্থাৰ অনুভূতিৰ লগত আন এটা কথাৰ অনুভৱ কৰাৰ পাতনি দাঙি ধৰিব বিচাৰিছো। কাৰণ এই অনুভৱে অসীমৰ সুখৰ দূৰত্ব ক্ৰমশঃ চমু চপাই আনিব পাৰে।

চৌধুৰী ঃ কি অনুভৱৰ কথা কৈছে? মই হ'লে একো বুজা নাই।

বৰুৱা ঃ এইযে আপুনি অকলশৰীয়া অনুভৱ কৰিছে, আপুনি অকলশৰীয়া নহয়। আপোনাৰ অন্তৰংগ বন্ধুজন আপোনাৰ ছাঁতে লাগি আছে।

আনে ঠগিলেও এই বন্ধুজনে নঠগে। সাহস দিব, ধৈৰ্য দিব, মনত উৎসাহ দি জীৱনটো আনন্দময় কৰি তুলিব। এই বন্ধুজনৰ লগত চিনাকি হোৱাৰ চেষ্টা কৰক। প্ৰায় কথাৰে আগতীয়া উন্মেষ ঘটিব।

চৌধুৰী : আপুনি কি বুজিব নোৱাৰা বৰ কথা কয়।

বৰুৱা : বৰ কথা নহয়; বৰ ভাল কথা। এয়া আপোনাক Ever youth বনাই দিয়াৰ কথা। এয়া অকলে অকলে, নিৰলে নীৰৱে নিজৰ লগত নিজে কথা হ'ব পৰা মনৰ স্থিতাৱস্থাৰ কথা। যেনে— আপুনি এটা অভাৱত ভুগিছে, এই অভাৱ কেনেকৈ দূৰ কৰিব। নিজে ভাবক। এই ভাৱনাত থাকিব লাগিব সততা, সমতা, সামাজিক দায়বদ্ধতা আৰু প্ৰকৃতিৰ নীতি। তেতিয়া কি হ'ব জানে, আমাৰ যে কয়; 'পাঁচ আঙুলিৰে খায়, বুঢ়াই ঠেলিলেহে যায়' তেনে হ'ব। অৰ্থাৎ দহ হাল বলধে আপোনাৰ জীৱন অভাৱৰ গাড়ী টানিব এফালে আৰু এই বন্ধুৰ শক্তিয়ে আহি টানিব বিপৰীতে। এয়া যেন ৰছী টনা খেলা। জানেই নহয় দুৰ্যোধনে পোৱা ওঠৰ অক্ষৌহিনী নাৰায়ণী সেনা আৰু পৰমাত্মা স্বৰূপ কৃষ্ণৰ শুদা হাতৰ সহায় পোৱা অৰ্জুনৰ কথা। এজনে সূক্ষ্ম সহায় আনজনে স্থূল সহায়ত সন্মত হ'ল।

সেয়া সামাজিক দায়বদ্ধতাকল্পে জীৱন আৰু জগতখনক বিচাৰি চাবলৈ চেষ্টা কৰক। কাৰণ এই ব্যৱস্থাই জীৱনটোক জগতখনৰ লগত মৰম আদৰ কৰি ৰখাত সহায় কৰিব। একোৰে অভাৱ নহ'ব; এয়া জীৱাত্মাৰ প্ৰতি প্ৰেমভাৱৰ যোগসূত্ৰ। এই যোগসূত্ৰই চিনাকি কৰি দিব আপোনাৰ লগত থকা সূক্ষ্ম সত্তাৰ মানুহজনক। চাওক, অক্লান্ত পৰিশ্ৰম কৰিবলৈ যিয়ে কুণ্ঠাবোধ নকৰে, সামাজিক দায়বদ্ধতা ৰাখি নিষ্ঠাসহ কৰ্ম কৰে, তেনে লোকে অকণ্টক সুখ লাভ কৰে; অকণ্ঠ ব্যৱহাৰৰ ব্যক্তিয়ে কাৰো পৰা সমাদৰ লাভ নকৰে। তেনেকৈ ব্যক্তি বা সমাজক যি দুষ্কৃতিকাৰী বা দুৰ্নীতিকাৰীয়ে তিনিখোজ জখলাৰ খোপত আগবাঢ়ি যোৱাত দুখোজ পিছলি আহিব লগা কৰে তেনে লোক নিষ্কণ্টক নহয় আৰু লেই-লেই, চেই-চেই হৈ পৰে সমাজত।

চৌধুৰী : কি প্ৰেম আৰু জীৱাত্মাৰ প্ৰতি যোগসূত্ৰৰ কথা কৈছে? বুজাই

কওকচোন। মই কথাবিলাক পোনাই পোনাইহে ভাবোঁ।

বৰুৱা : এয়া সৎ আৰু পৱিত্ৰ মনেৰে জীৱাত্মাক বুজাৰ চেষ্টা। ধৰি লওক, সন্ধিয়া সময়, ছাঁ-পোহৰৰ মিলামিচা। আপুনি কিবা কাৰণত ক'ৰবালৈ গৈছে, বাটত মানে আপোনাৰ সন্মুখত এডাল ডাঙৰ সাপ ৰাস্তাতে দীঘল দি পৰি আছে। যেনিবা আপোনাৰ বিৰুদ্ধে অৱস্থান ধৰ্মঘট কৰিছে। কি কৰিব?

চৌধুৰী : লাঠি এডাল আনি কোবাম।

বৰুৱা : (হাঁহি মাৰি) লাঠি পাব লাগিব, এইটো আন কথা। তাতে আকৌ সন্ধিয়া সময়; কিন্তু দোষ নোহোৱাকৈ সাপডালক কোবাব নে?

চৌধুৰী : লাঠিৰে দলিমাৰি দিম।

বৰুৱা : উগ্ৰ সাহস বেয়া, দুঃসাহসেও কাম সমাধা নকৰে। সি যদি, আপুনি তাক মাৰিব বিচৰা বুলি আগেয়ে খোঁট মাৰি দিয়ে।

চৌধুৰী : তেনেহ'লে কি কৰিম? ধৰ্মঘট কিবা প্ৰকাৰে ভাঙিবই লাগিব। নহ'লে (হাঁহি মাৰি) উভয়ৰে সময়ৰ মূল্য হেৰাই যাব। আপোনাৰ সুৰত ক'বলৈ গ'লে প্ৰত্যেকৰে স্থিতি সাপেক্ষে জীৱৰ কথা আৰু জীৱাত্মাৰ প্ৰতি সহৃদয়তাৰ প্ৰয়োজন? কিন্তু ইয়াৰ প্ৰদৰ্শন কেনেকৈ হ'ব?

বৰুৱা : ঠিকেই ভাবিছে, উভয়ে প্ৰাণী; উভয়ৰে প্ৰাণ আছে, মৰণৰ ভয় আছে। উভয়ৰে নিজস্ব স্থিতি আছে, আহাৰ আৰু জীৱন সম্পৰ্কে উভয়ৰে বিচৰণ কৰাৰ অধিকাৰ আছে। এনে বিচৰণতে এটাই আনটোৰ বাটত (Point of crossing) মিলিত হ'ব পাৰে বা বিপৰীত দিশত প্ৰতিবন্ধক হ'ব পাৰে।

চাওক, চৰকাৰে জনসাধাৰণৰ লোণ খাইছে, গতিকে তাৰ গুণ-গান গাব লাগে; যাৰ কাৰণে আনকি 'মহাভাৰত'ৰ পিতামহ ভীষ্মই নিজ শক্তি প্ৰদৰ্শন কৰিব নোৱাৰিলে। কৰাহেঁতেন আমাৰ ঘৰুৱা অৰ্থত 'নিমখ হাৰাম' হ'লহেঁতেন। এনেদৰে জীৱই জীৱক বুজি পোৱাৰ ব্যৱস্থাই হ'ল সামাজিক দায়বদ্ধতা। এই দায়বদ্ধতা সততা আৰু সমতাৰে পালন নকৰিলে জীৱাত্মাৰ ধৰ্ম অটুট নাথাকে। এই ব্যৱস্থাই হ'ল জীৱই জীৱক চিনি পোৱাৰ, জীৱাত্মাক জীৱাত্মাই বুজি পোৱাৰ ব্যৱস্থা। ই প্ৰকৃতিৰ মহাশক্তিৰে পৰিচালিত অন্তৰ্নিহিত সংযোগ সাপেক্ষ নীতি।

গতিকে, উভয়ে উভয়ক শাৰীৰিক, মানসিক, আৰু ভাব প্ৰৱণতাক আঘাত নিদিয়াকৈ নিজৰ নিজৰ স্থিতি বাহাল ৰাখিব পৰাকে নিজৰ মনক সংস্কৃতিবান কৰা এটা প্ৰকৃতিৰ সমতা ৰক্ষাৰ ধৰ্ম।

চাওক, পিতৃ-মাতৃয়ে সন্তানৰ কাৰণে কিমান দুখ-কষ্ট কৰে, অকুণ্ঠ মৰম-স্নেহেৰে হিয়া ওপচাই দিয়ে, ডাঙৰ আৰু ভাল মানুহ তথা সু-নাগৰিক হওক বুলি। কিন্তু সেই সন্তানে যেতিয়া মাক-দেউতাকক ফাঁকি দি অপকৰ্ম কৰে, মদ-পানী, ভাং-গাঞ্জা, ড্ৰাগছ আদি খায়, ছোৱালী-তিৰোতা জোকায়, আনকি ধৰ্ষণ কৰে। এয়া পিতৃ-মাতৃৰ অপমানেই নহয় তেওঁলোকৰ আত্মাক জন্ম-জন্মান্তৰে খেদি ফুৰে। ঠিক তেনেকৈ পৰমেশ্বৰে প্ৰকৃতিৰ আশ্ৰয়তে বা প্ৰকৃতিৰ ৰূপত (সূক্ষ্ম আৰু স্থূল এক হৈ) জীৱক জীৱন দান দি চলাই আছে। প্ৰকৃতিৰ স'তে সহাৱস্থানেই আছিল মানুহৰ প্ৰকৃত জীৱন পথ। এই ভগৱানক যদি ফাঁকি দিয়ে,প্ৰৱঞ্চনা কৰে বা জীৱ হিংসা বা হত্যা কৰে ইয়াৰ কোনো জন্মতে পৰিত্ৰাণ নহয়। প্ৰকৃতি সত্তাৰ বিপৰীতে যোৱা মানে প্ৰকৃত সংস্কাৰহীন হোৱা

সেয়েহে আপুনি কওক 'সি স্ব-জ্ঞানে নিজৰ বাটেৰে যাওক আৰু আপোনাৰ বাধা আঁতৰাই দিয়ক। উভয়ে উভয়ৰ দৃষ্টিগোচৰ হোৱালৈ অপেক্ষা কৰক। আত্মাৰ গোচৰ হৈ বিবেকৰ বিচাৰলৈ বৈ থাকি তাৰ গতি-বিধি লক্ষ্য কৰক। শুনিছেই নহয় তানসেনৰ গীতৰ সুৰত হেনো সাপ মুগ্ধ হৈছিল। এয়া 'ওঁম' শব্দৰ সৰ্বতোব্যাপী থকা ক্ৰিয়াৰ প্ৰতিধ্বনিৰ ফল।

চাওক, আপুনি যেতিয়া সত্তা, সমতা আৰু সামাজিক দায়বদ্ধতা স্বৰূপ প্ৰাণাত্মাৰ স্ব-স্থিতি আৰু প্ৰকৃতিৰ চিৰ নিত্য সত্য নীতিৰ স্থিতিৰ কথা ভাবি স্থিতি লয়, এই নৈষ্টিক ভাবে স্বতঃস্ফূৰ্তভাৱে পৰমাত্মাক জগাব (এয়া বায়ুৰ মাধ্যমত) আৰু পৰমাত্মাৰ সংযোগ মৰ্মে প্ৰাণাত্মাৰ গোচৰ হ'ব (একে বায়ুৰ মাধ্যমতে) আৰু উভয়ৰে আত্মীয়তা গঢ় ল'ব।

চৌধুৰী ঃ সংকটৰ জটিল সমস্যা আপুনি দেখোন সহজে সমাধান কৰাৰ উপায় উদ্ভাৱন কৰিলে।

বৰুৱা ঃ ঘৰৰ সমস্যা সমাধান কৰাৰো ইয়ে শ্ৰেষ্ঠ জীৱৰ মনোবৈজ্ঞানিক তত্ত্ব। ধৰি লওক, কোনো এজন সদস্যই নিজ ইচ্ছাৰে ঘূৰি ফুৰে। ঘৰখনৰ দায়বদ্ধতাৰ লগত নিজক মিলাই নিদি এৰাই চলাৰ উপায় উলিয়াই লোৱাৰ সুবিধা চাই আছে। ঘূৰিব দিয়ক, বুজাই দিয়ক ভাল-বেয়া, সুবিধা-অসুবিধাৰ কথা; নিজক বিচাৰ কৰি চাব দিয়ক কামটো কেনে হৈছে। পৰিৱেশৰ অভিজ্ঞতাত এদিন আত্মবোধ জাগিব। ইয়ে আত্মবিশ্লেষণত সহায় কৰিব আৰু এদিন আত্মবিচাৰ মৰ্মে নিজে নিজেই ঘূৰি আহিব। নিৰ্মোহ আত্ম বিশ্লেষণে মনটো মুক্ত কৰিব। ইয়াত Impartial criticism হ'ব মনৰ সাৰথি।

চাওক, এদিন মোৰ এজন জনা-শুনা মানুহক সুধিলো, 'আপোনাৰ ভালনে?' তেওঁ উত্তৰ দিলে, 'হয়'। মই জনাত 'হয়' মানে ঘৈণীয়েকজনী কেতিয়া ঘৰৰ পৰা ওলাই যায় আৰু আহে তেওঁ নাজানে, ল'ৰাজন ক'ত থাকে, কি কৰে, কেতিয়া আহে, কেতিয়া যায় নাজানে। জানে মাথোঁ ছোৱালীজনী অকলে ৰাতি শুবলৈ ভয় কৰে কাৰণে এজন ল'ৰাই ৰখি থাকে। এইটো ঘৰখনৰ স্বভাৱজাত সুখ। নিজৰ নিজৰহে স্থিতি, নিজৰ নিজৰ অভিৰুচিৰ সুখ; ঘৰখনৰ স্থিতি হোটেল। তাত অপহৰণ হয় যৌন সম্ভোগ।

এদিন দেখা গ'ল ঘৈণীয়েকজনী কৰ্মদোষত দোষী ভাৱত, ল'ৰাজন সংগদোষৰ দোষীৰ ধাৰণাত আত্মজ্ঞাত হৈ ঘূৰি আহিল। ছোৱালীজনীক ৰখি থকা আত্মীয় ল'ৰাজনক উলিয়াই দিলে। ঘৰখনৰ স্থিতিয়ে নিজা ৰূপ পাবলৈ আগবাঢ়িল। ছোৱালীজনীক নিজৰ মনে তুলসীৰ পানী ছটিয়ালে।

সেয়েহে, একোখন ঘৰৰ প্ৰতিজন সদস্যই ল'ৰা-ছোৱালী ভাই-ভনী, পিতা-মাতা যিয়েই নহ'ওক নিজে নিজে ঘৰখনৰ স্ব-স্থিতি সাপেক্ষে নিজা স্থিতি ল'লে ঘৰখনলৈ সুখ আহে। ঘৰখনৰ স্বাৰ্থত নিজৰ স্বাৰ্থ বিলীন হৈ যায় আৰু প্ৰতিজন সদস্যৰে আত্মবোধ জগাই তোলাৰ উপায় যে নিজৰ হাতত বুজিব পাৰে। আনক দোষ জাপি দি নিজে ধোৱা তুলসীৰ পাত হোৱা আঁকোৰগোজ স্বভাৱে

যে ঘৰখনৰ লগতে নিজৰো মানসিক ক্ষতি কৰিছে পলমকৈ হ'লেও বুজিব পাৰিব।

চৌধুৰী : আপুনি দেখোন মনস্তত্ত্ব আৰু জীৱ তত্ত্ব দুয়োটাকে সনা-পোটোকা কৰিলে। যথাৰ্থতে দুয়োটা আত্মা তত্ত্বৰে গঠিত?

বৰুৱা : ৰ'ব, পিচত বুজি পাব; প্ৰথমে স্থিতিৰ কথা ভাবক। আমি সৰু থাকোঁতে যেতিয়া গাড়ীত উঠি গৈছিলো; ঘৰ-বাৰী, বন-বনানি দৌৰি থকা আৰু আমি স্থিৰে থকা যেন অনুভৱ কৰিছিলোঁ। স্থিতি শক্তি আৰু গতি শক্তি একো কথা বুজাত মনোনিৱেশ কৰিব পৰা নাছিলো। সেয়েহে যেনে গৰু চৰণীয়া পথাৰ, পখী উৰণীয়া মন, লগতে বাটত কম পোহৰত দেখা ৰছীৰ স্থিতিৰ সৰ্প ভয়ৰ কাৰণ। জানে? যেতিয়া আমি বাধা পাওঁ তেতিয়াহে আমি কাৰণ বিচাৰি চাওঁ। অভাৱ হ'লে পূৰণ কৰাৰ তাড়নাত ভোগে মন। এয়া, জ্ঞানৰ অভাৱত মনে বিজুতি খায়; মনে বিজুতি খালে দেহৰ স্থিতি হেৰায়। অৰ্থাৎ গভীৰভাৱে ভাৱিলে বুজিব আমাৰ বাটটো ক'ৰবাত ভুল হৈছে। সেয়েহে বাধা। প্ৰকৃততে এক শক্তিয়ে সচেতন কৰি দিছে। এই শক্তি আত্মা বিবেকৰ শক্তি, সু-পথ নিৰ্ণয় কৰি উলিয়াবলৈ দিছে। এয়া জীৱৰ মন, এয়া জীৱৰ প্ৰাণ।

চাওক, নিজে ক'ত আছে, কি কৰিছে নুবুজাকৈ আনক কটু সমালোচনা কৰি গ'লে নিজৰ স্থিতি থাকে ক'ত? এয়া যেন ৰাস্তাত চলমান গাড়ীৰ স্থিতি আৰু পাৰ্থিৱ বস্তু ঘৰ-বাৰীৰ স্থিতি। এনে স্থিতিৰ সন্দৰ্ভতে জড়িত হৈ পৰে পৃথিৱীৰ গতি; আহ্নিক গতি, বাৰ্ষিক গতি আৰু দিন-ৰাতি। এনেদৰে দেখা যায় পৃথিৱীত কোনো বস্তুৱেই স্বয়ং সম্পূৰ্ণ নহয়, আৰু প্ৰত্যেককে মাধ্যাকৰ্ষণ শক্তিয়ে আকৰ্ষণ কৰি আছে। তেনেকৈ কোনো জীৱই স্বয়ং সম্পূৰ্ণ নহয়। ইটোৰ লগত সিটোৰ সম্পৰ্ক আছে আৰু ই স্ৰষ্টাৰ সৃষ্টিৰ মহান উদ্দেশ্য সাপেক্ষে পৰিচালিত এক মহানুভৱ মহাশক্তি প্ৰক্ৰিয়া। অনৈক্যতে ঐক্য আৰু ঐক্যতে অনৈক্য (Unity in diversity and diversity in unity)। সেয়েহে প্ৰত্যেক জীৱই এই মহাশক্তি পৰিচালিত এক স্থূল আৰু সূক্ষ্ম সমন্বয় জীৱ সত্ত্বা। মাক-দেউতাকৰ সন্তান একে ভাই-ভনীৰ

দৰে জীৱাত্মাৰ সম্পৰ্ক আছে। এই সম্পৰ্ক ছেদ কৰা মানে আকাশৰ পৰা এটা তৰা সৰি পৰা। বৈজ্ঞানিকভাৱে এটা পৰমাণুক ভাঙি পেলোৱা, আৰু লগতে ইয়াৰ প্ৰকৃত চৰিত্ৰ বিলোপ কৰা। অৰ্থাৎ শক্তিহীন কৰা। কোনোৱে নিজে নিজে এনেদৰে স্বয়ং সম্পূৰ্ণ নহয় আৰু হ'বও নোৱাৰে। চৰিত্ৰ হেৰাই যোৱা মানে সকলো হেৰাই যোৱা। এইটো যিয়ে নাভাবে, বুজিব প্ৰধানকৈ আত্মজ্ঞানৰ অভাৱ। সনাতন সত্যৰ শাশ্বত প্ৰবাহৰ দৰে ইয়ো এক পৰস্পৰে পৰস্পৰক টনাটনিৰ সত্যৰে নিহিত স্থিতি সত্ত্বা।

জীৱাত্মাৰ জীৱাত্মাৰ লগত এনেদৰে টনাটনিৰ তথা আত্মীয়তাৰ আকৰ্ষণ আছে। যেতিয়া এই মনৰ বুজাবুজি সাপেক্ষে আকৰ্ষণ বৃদ্ধি হয় আত্মীয়তাই গঢ় লয়। আকৌ যেতিয়া দুই জীৱাত্মাৰ বেছি গুণ বা ধৰ্ম মিলি যায় অন্তৰংগ বন্ধুৰ মিলাপ্ৰীতি বাঢ়ি আহে। এয়া মাধ্যাকৰ্ষণিক সত্য।

আৰু চাওক, এই আকৰ্ষণিক সত্যৰ দৰে মানুহৰ জন্মৰ পৰা মৃত্যুলৈ জীৱনৰ ধাৰাবাহিক গতি পথত বাস্তৱ জীৱনৰ অভিজ্ঞতাও ধাৰাবাহিক নহ'লে বা শৈশৱ, ল'ৰালি, ডেকা আৰু বুঢ়া কোনো এটা স্তৰ নোহোৱাকৈ উকা হৈ জাপ মাৰি আন এটাত জীৱন কটাবলগীয়া হ'লে পৰিৱেশৰ লগত মোকাবিলা কৰিব নোৱাৰি অপৰাধমূলক পথ ল'ব পাৰে। এই সময়তে তেওঁৰ আত্মাৰ যি আকৰ্ষণ আন আত্মাৰ লগত থাকে, তেওঁৰ পৰিৱেশৰ সেয়া বিকৰ্ষণ ৰূপ লয়। জীৱনটো অৰ্থৱহ কৰিব নোৱাৰি নিৰাশাত ভোগে আৰু তেওঁ জগতখনৰ পৰা অদৃশ্য হৈ যোৱাৰ উপায় বিচাৰে, যেন তেওঁৰ একোৱেই নাই।

চৌধুৰী ঃ তাৰমানে মানৱীয় আত্মিক বান্ধোন চেৰাই যায়। আচলতে এই আত্মিক বান্ধোনৰ ভিতৰত কাৰ সুখ ক'ত থাকে আনে নাজানে; তেনেকৈ কোনে কেনেকৈ ক'ৰ পৰা সুখটো উলিয়াই লয় আনে জানিব নোৱাৰে। এইখিনিৰ কাৰণেই আত্মিক জ্ঞান লাগে, যেনে— ঘৰখনত এটা টিভি; কোনো সদস্যই আন কোনো সদস্যক মনোকষ্ট নিদিয়াকৈ নিজৰ ভালখিনি ভোগ কৰিব পাৰিব লাগে। এই আত্মজ্ঞানে মানুহজনক সুস্থ কৰি ৰাখে। এই মানুহে মৰণৰ বাটটো ঈশ্বৰৰ ওপৰত

এৰি দিয়ে। মৃত্যু দণ্ডডাল নিজৰ হাতত লৈ উপায়হীন নহয়।

চাওক, শেক্সপীয়েৰে যে ' The Merchant of Venice' নাটকত Antonio আৰু Bassanio এনে দুজন বন্ধু দেখুৱাইছে যাৰ মন, প্ৰাণ, হৃদয় এক আৱেগ অনুভূতিৰ এনাজৰীৰে বন্ধা। সেয়েহে. Antonio য়ে বন্ধু Bassanio ৰ বিয়াৰ কাৰণে Shylock ৰ পৰা Three Thousand Ducats ধাৰে লৈছিল; যত চৰ্ত আছিল যে নিৰ্দিষ্ট সময়ত টকা ঘূৰাই দিব নোৱাৰিলে Antonio ৰ দেহৰ পৰা এক পাউণ্ড মঙহ Shylock এ নিজে কাটি নিব পাৰিব। দলিলত চহী হৈছিল। বাস্তৱত এনে করুণ দৃষ্টান্তৰ নিশ্চয় অভাব নাছিল। কাৰণ অভিনয়ে সদায় বাস্তৱকহে দাঙি ধৰে। (Acting always reaps realistic corn)।

আত্মাৰ মিলৰ বাবেই জীৱই জীৱৰ লগত ৰং-ধেমালি কৰে, কুকুৰ-মেকুৰী, টিয়া-ভাটৌ, শালিকা আদি চৰাই পোহে। সুখে-দুখে ব্যক্তই হওক বা অব্যক্তই হওক সমভাগী হয়। সেয়ে চৰণীয়া পথাৰত গৰু, বন অৰণ্যত জীৱ-জন্তু, চৰাইৰ জাক, অন্যায়ত কৰে খং, কাজিয়া, বিপদত-ভয়ত এক মনপ্ৰাণ হয়। শত্ৰু-মিত্ৰৰ বান্ধ-বিচাৰ নাই। প্ৰেম-ভালপোৱাত যেনেকৈ নিজে নিজে ইজনে সিজনৰ ওচৰ চাপে তেনেকৈ ভয়ত, ত্ৰাসত, সন্ত্ৰাসত লগ সংগৰ সাবটি ধৰে। পাল বা লগ হেৰালে নিসংগ হৈ দুখত, ভয়ত ভাগি পৰে।

এটা সময়ত দেখিছিলো কাড়শলা সাপ আৰু বামুণীয়া সাপ সৰু গছ অৰ্থাৎ নেমুটেঙা বা পাতফুলৰ গছ একোডালত জাপ জাপ হৈ পৰে; কাকো অন্যায় নকৰে আৰু এটা নিৰ্দিষ্ট সময়ত আকৌ নিজে নিজে অজানিতে অদৃশ্য হৈ যায়। এয়া যেন নিৰ্দিষ্ট কাৰ্যসূচীৰে পালন কৰা সৰ্প মেলাহে। এনেদৰে আকৌ দেখা যায় আনন্দত ৰং-ধেমালি, অন্যায়ত খং-কাজিয়া কৰে, তেনেকৈ আহাৰৰ বাবে খুঁটিয়া-খুঁটি, খোৱা-কামোৰা আৰু হাই-কাজিয়া কৰে। এনে কাজিয়াৰ চৰম অৱস্থাৰ সাক্ষী সাপ-নেউলৰ যুদ্ধ।

বৰুৱা : বহুত ভাবিছে দেই; ভালেই লাগিছে। সেয়া বাৰু চাওক, জীৱ-জন্তু, চৰাই-চিৰিকটি, পশু-পক্ষী, পৰুৱা পিপৰা সকলোৰে প্ৰকৃতিৰ দৰে

একেই চৰিত্ৰ; এটা নিয়মত চলে। কিন্তু জীৱ শ্ৰেষ্ঠ মানুহৰ চৰিত্ৰ? সভ্যতাৰ শিখৰত খোজ দিয়ো অতীতৰ বৰ্বৰ চৰিত্ৰৰ হেঁপাহ যেন পলোৱা নাই। ৰং-ধেমালিৰ লগত উদ্ভৱ হোৱা প্ৰেমৰ তাড়নাই বৰ্বৰতাক চুই যাবলৈ লৈছে। যৌনক্ৰিয়াৰ কামনাৰে উঠন বুকু চুচুৰ্মৈ নকৰালৈ ক্ষান্ত নোহোৱা এয়াই মানুহ। এনেদৰে এনে কিছুমান মানুহ আছে যি কাৰো প্ৰতি সদয়, সহানুভূতিশীল তথা সহায়ক নহয়। তেওঁ জানে যে তেওঁৰ এষাৰ কথাই, এটা সাধাৰণ চেষ্টাত এজন নিঃসহায় মানুহ বাৰুকৈয়ে উপকৃত হ'ব পাৰে; কিন্তু এই কামটো জানি-বুজিও নকৰে। ইয়াৰ কাৰণ একাত্মবোধৰ অভাৱ। ইয়ে চুই যায় মানৱতাৰ অভাৱকো। এনে মানুহ কাৰো কাৰণে নহয়, তেওঁৰ পৃথিৱীখন বৰ সৰু। কিন্তু তেওঁ ভাবে যে তেওঁৰ প্ৰতাপে পৃথিৱীখনকে বশ কৰিব পাৰে। তেওঁৰ ভালপোৱাই তেওঁকহে সহায় কৰে বুলি ভাবে। সিয়ো যেতিয়া ঠগে তাৰ বাৰ তাৰিখ নাথাকে। পৰস্পৰে পৰস্পৰৰ আত্মাৰ মহত্ত্বৰ লগত মিলি যাবলৈ কৰা অভিযান তেওঁৰ বাবে দুৰ্বলতাৰহে এক পদক্ষেপ।

চৌধুৰী : আজি বাৰু ইমানতে এৰি দিয়ক, মোৰ আলহীৰ ঘৰত যাবলগা আছে।

বৰুৱা : বাৰু এৰক, মোৰো এঠাইত যাব লগা আছে।

চৌধুৰী : ক'ত?

বৰুৱা : সুন্দৰপুৰত।

চৌধুৰী : মোৰো সুন্দৰবড়িত। অ' দুয়োখন ঠাই ওচৰা-ওচৰি; ফেৰি জাহাজেৰে নদীটো পাৰ হৈ গ'লে পাই যাম।

বৰুৱা : ঠিক আছে, ভালেই হ'ল। বাৰু, লগ হ'লোই যেতিয়া আগলৈ বহুত কথাই আলোচনা হ'ব পাৰিম। এতিয়া এটা কথা থোৰতে কৈ থৈ দিওঁ। চাওক, চৰিত্ৰ মানেইটো আত্ম পৰিচয়। প্ৰত্যেক জীৱই নিজ নিজ চৰিত্ৰ প্ৰকাশ কৰে। মানুহ জীৱ শ্ৰেষ্ঠ; কাৰণ মানুহে মগজুৰ সম্পূৰ্ণ ব্যৱহাৰ কৰিব পাৰে। অৰ্থাৎ আত্মাৰ নিয়ন্ত্ৰণ বিন্দুই মগজুৰ কেন্দ্ৰ বিন্দু। ইয়াৰ স্থিতি কপালৰ ভিতৰত দুই ভ্ৰূকুটিৰ মাজত বুলি বুজা যায়। কিয়নো, বিপদত, গভীৰ চিন্তাত বা কোনো জটিল সমস্যাৰ উপায় উদ্ভাৱনত এই অংশত হাতৰ আঙুলি বুলাই চিন্তা কৰো। উপায়

নোলায়হে নোলায় আৰু হাতৰ আঙুলিও বাগৰি নাযায়।

এনে পৰিপ্ৰেক্ষিততে দেহত আত্মাৰ সক্ৰিয়তা সম্পৰ্কে ৰাসায়নিক বিক্ৰিয়াৰ অনুঘটক (Catalyst) ৰ কথা মনলৈ আহে। এই অনুঘটকে ৰাসায়নিক বিক্ৰিয়াৰ মাত্ৰা সলনি কৰে। কিন্তু ই বিক্ৰিয়াৰ শেষত নিজৰ একো পৰিৱৰ্তন নোহোৱাকৈ থাকি যায়। A Catalyst is a substance which alters the rate of a chemical reaction but is chemically unchanged at the end of the reaction.

এনেদৰে আত্মাই দেহত বিবেকৰ সহায়ত মগজুৰ কেন্দ্ৰবিন্দুকে ধৰি মন ইন্দ্ৰিয়ৰ দ্বাৰা বিভিন্ন সংস্কাৰ সাধন কৰে। শুদ্ধ আত্মাই ইন্দ্ৰিয়ৰ সৎ ৰুচি বৃদ্ধি কৰে আৰু অসূয়া আত্মাই অক্ৰিয়াশক্ত হৈ নিন্দিত ৰুচি আৰু নীচ কৰ্মত আসক্তি বঢ়ায়। ভাল-বেয়া অনুসাৰে আত্মাই মানুহৰ মানসিক প্ৰক্ৰিয়া সলনি কৰে। কিন্তু নিজে শেষত পৰিৱৰ্তন নোহোৱাকৈ ৰৈ যায়।

মুঠতে মানুহৰ মগজুৰ সম্পূৰ্ণ ব্যৱহাৰত মনাত্মাই এনেদৰে সহায় কৰে। মানুহৰ আত্মজ্ঞান কেনেকৈ হয় চাওক— দেহৰ যিবিলাক ভাগৰ দ্বাৰা মানুহে কাম কৰে সেইমৰ্মে মানুহৰ বোধ জন্মে। সেইবিলাক প্ৰত্যেকেই একোটা ইন্দ্ৰিয়। ইন্দ্ৰিয় চৈধ্যটা আৰু ইয়াৰ শ্ৰেণী তিনিটা। যেনে— চকু, কাণ, নাক, জিভা আৰু ছাল; এই পঞ্চেন্দ্ৰিয়ৰ দ্বাৰা বোধ জন্মে। সেই কাৰণে ইয়াক জ্ঞানেন্দ্ৰিয় বোলে। নিশ্বাসৰ নলীৰ ওপৰভাগ, হাত-ভৰি, মলৰ দ্বাৰ আৰু লিংগ বা যোনি এই পাঁচোটাৰ দ্বাৰা কৰ্ম হয়; ইহঁতক কৰ্মেন্দ্ৰিয় বোলে। আৰু মন, বুদ্ধি, অহংকাৰ, চিত্ত এই চাৰিটাক অন্তৰেন্দ্ৰিয় বোলা হয়। লিংগ আৰু যোনিয়ে সন্তান উৎপত্তিৰ কাৰ্য কৰে কাৰণে ইয়াক জননেন্দ্ৰিয় বোলে।

বাকী প্ৰাণীবোৰে এই সকলো কাৰ্য মানুহৰ দৰে নোৱাৰে। জীৱ-জন্তু, চৰাই-চিৰিকটি, পৰুৱা-পিপৰা, সৰীসৃপ আদিৰ কোনো কোনোৱে নাকেৰে ঘ্ৰাণ লৈ জ্ঞান আয়ত্ত কৰে, কোনো কোনোৱে কাণেৰে শুনি, কোনো কোনোৱে জিভাৰে চেলেকি সোৱাদৰ দ্বাৰা জ্ঞান লয়। পঞ্চেন্দ্ৰিয় গ্ৰহণ কৰা বাহ্যিক জগতৰ এই জ্ঞান মগজুৰ

বিবেকৰ পৰা বিচাৰ কৰি মানুহে মুখৰ ভাষাৰে প্ৰকাশ কৰে। লগতে অংগি-ভংগি আদিৰেও বিভিন্ন আৱেগ অনুভূতি প্ৰকাশ কৰে। জীৱ-জন্তু, চৰাই-চিৰিকটি আদিয়ে মুখেৰে প্ৰকাশ কৰে যদিও সিহঁতৰ বাহিৰে মানুহে বুজি নাপায়। সিহঁতৰ অংগি-ভংগিও সিহঁতেহে বুজি পায়। বিশেষকৈ যৌনক্ৰিয়া আৰু আহাৰৰ ক্ষেত্ৰত সিহঁতে সিহঁতৰ ভাষা বা অংগি-ভংগি ব্যৱহাৰ কৰে।

চৌধুৰী ঃ সামৰণি কৰক আৰু আজিৰ বাবে। সিপিনে পলমো হৈছে।

বৰুৱা ঃ ঠিক আছে যাওঁ বলক, (দুয়ো খোজ ল'লে অগাপিচাকৈ)।

তিনি

নদীটো পাৰ হৈ ফেৰীৰ পৰা নামি অলপ দূৰ গৈয়ে দেখিলে এখন মনোমোহা ঠাই। এনেই গাঁৱলীয়া তাতে আকৌ চাৰিওফালৰ সেউজীয়া পৰিৱেশে ঠাইখন মনোমুগ্ধকৰ কৰি তুলিছে। ওচৰত দূৰৈৰ পৰা লানি নিছিগাকৈ বাঢ়ি অহা এখন পাহাৰ। এই পাহাৰৰ শিলৰ ফাঁকে ফাঁকে বাগৰি অহা জুৰিৰ পৰিষ্কাৰ পানীৰ কুলু কুলু নিৰিবিলি সোঁত। পাহাৰৰ পাদদেশেৰে শিলৰ বুকুৰেদি বৈ গৈছে সৌন্দৰ্য প্ৰেমৰ লতা। গছে গছে হালি-জালি বনে-লতাই লগ হৈ আছে যেন প্ৰেমৰে কথা পাতি। কাষতে আনফালে এখন সৰু ঘাঁহনি পথাৰ; গৰু ম'হ চৰণীয়া বিল সদৃশ। বন বিষয়াৰ কাৰ্যালয়টোৰে চুই গৈছে সৰু ৰাস্তাটো। কাৰ্যালয়টো পোৱাৰ আগতে এডাল ডাঙৰ কৃষ্ণচূড়া গছ। প্ৰকৃতিয়ে যেন অকৃপণ হাতেৰে সৌন্দৰ্য বুলাই দিছে। পাহাৰ ৰাশিৰ দৰে অনুভৱ হোৱা টিলা পাহাৰ যেন পাহাৰখনহে এই পাহাৰখনৰ পৰা ফাঁক এটা এৰি বিস্তৃত হৈছে।

এই ফাঁকটোৰে নদীৰ বুকুত মাৰ যোৱা বেলিৰ সোণালী ৰহণে পৰশ বুলাই দিয়েহি ইয়াত। আলিবাটত সুন্দৰ দূবৰী বন; দুই-এখন মাত্ৰ প্ৰাইভেট গাড়ী চলে এই ৰাস্তাৰে। এই ৰাস্তাটোক লম্ব কৰি আন এটা ৰাস্তা গৈছে। তাৰ দুয়োফালে আঁতৰত গাওঁ দুখন।

এয়া আহিন মাহৰ শেষ অপৰাহ্ন, বেলি ডুবু ডুবু অৱস্থা। ৰিব ৰিব মলয়াই দেহ-মন জুৰোৱা শান্ত-শীতল পৰিৱেশ। চহৰৰ কৃত্ৰিমতাৰ পৰা বিদায় লৈ এই যেন স্বৰ্গৰ নন্দন-কাননতহে ভৰি দিছে। দুয়ো মনতে থিৰাং কৰিলে, অলপ সময় ইয়াত জিৰণি লৈহে আলহীৰ ঘৰলৈ যাব। ৰাতি হ'লেও কথা নাই, থকাকৈ আহিছে যিহেতু। এনে মুকলি মনোমোহা পৰিৱেশত মনটো এৰি দিব পাৰিলে কাৰনো আনন্দ নালাগিব।

চৌধুৰী : দূবৰি বনৰ ওপৰত বহি লৈ ভাগৰ জুৰোৱা এটা দীঘল হুমুনিয়াহ কাঢ়ি ক'লে, এয়া John Keatsৰ 'A thing of beauty is a joy forever'

আৰু সুধিলে আপুনি 'Abuben Adhem' কবিতাটো পঢ়িছে?

বৰুৱা : 'হয় পঢ়িছো', বুলি কৈ দুবৰি বনৰ ওপৰত বহি ভৰি দুখন দীঘলকৈ এৰি দিলে।

চৌধুৰী : তেনেহ'লে কওকচোন, 'Abuben Adhem য়ে যেতিয়া নিজৰ নামটো ঈশ্বৰপ্ৰেমী হিচাপে তালিকাত দেখা নাছিল তেওঁ কিয় বিমৰ্ষ হৈছিল? আৰু কি হিচাপে আৰু কিয় তেওঁৰ নামটো লিখিব কৈছিল?

বৰুৱা : সেইটোৱেই আচল কথা।

চৌধুৰী : কি আচল কথা?

বৰুৱা : শুনক, জীৱক জীৱই বুজি পালে, জীৱৰ প্ৰতি সহানুভূতিশীল হ'লে এক পৰমাত্মাৰ অংশ সকলো জীৱৰ সন্তুষ্টি সাপেক্ষে সমতা জ্ঞান ওপজা বুজায়। আত্মাৰ সমতা জ্ঞান লাভেই আচল কথা। অৰ্থাৎ একাত্মবোধেই হ'ল ঈশ্বৰৰ সৃষ্টিৰ প্ৰতি নতশিৰ হোৱা। এয়াই ঈশ্বৰ সেৱা তথা মানৱ প্ৰেম (Service to the fellow men is the service to the God.)। এয়া মানুহ আৰু মানুহৰ মাজত বিভেদ আঁতৰোৱাৰ মহৌষধ। অৰ্থাৎ মানুহ হৈ মানুহ হিচাপে মানুহৰ মাজত জীয়াই থকাৰ বাসনা আত্মাৰ এক মুক্ত কামনা।

চৌধুৰী : মানৱ সেৱাই প্ৰকৃত মানৱ ধৰ্ম আৰু ধৰ্মীয় শাস্ত্ৰসমূহৰ তাৎপৰ্যও ইয়ে বহন কৰিছে। সমাজ কল্যাণৰ পৰিপ্ৰেক্ষিতত মানুহৰ লগতে জীৱৰ প্ৰতি থকা সমবোধ মানুহৰ জাগেনে?

বৰুৱা : যদি কোনো শাস্ত্ৰই বা ধৰ্মীয় খেলে মানৱতা সাপেক্ষে প্ৰাণীৰ সমবোধ চেৰাই গৈছে তেতিয়া বুজিব গণতন্ত্ৰ স্বৰূপ প্ৰজাতন্ত্ৰত আজিৰ একনায়কত্ববাদৰ দৰে তাত জাতি বিদ্বেষ বা শ্ৰেণী শোষণৰ চাপ পৰিছে। মানুহে মানুহক ভালপোৱা, দয়া কৰা, বিপদে-আপদে সহায় সহযোগ কৰা কামে বা মানৱ সেৱাই সমাজখন সুস্থিৰভাৱে ধৰি ৰাখে। এই ভালপোৱাতে লুকাই থাকে আত্ম সন্ধানৰ বাট। জীৱন সন্ধানৰ প্ৰকৃত স্বৰূপ নিৰ্ভৰ কৰে আত্ম সন্ধানৰ তাড়নাতে। দেহৰ অন্তঃস্থ আৰু বহিঃস্থ বায়ুৰ মাধ্যমত বুজিব যে প্ৰাণাত্মাই ব্ৰহ্মাত্ম; আত্মাই ব্ৰহ্ম আৰু ব্ৰহ্মই আত্ম; এয়াই ব্ৰহ্মাত্ম।

চাওক, এই পৃথিৱীত কোনো মানুহ স্বয়ং সম্পূৰ্ণ নহয়;

প্ৰত্যেকৰে প্ৰত্যেকৰ লগত স্থূল আৰু সূক্ষ্ম সম্পৰ্ক আছে; স্থূল পিতৃ মাতৃ, সূক্ষ্ম আত্মা-পৰমাত্মা সংযোগ সত্য সম্পৰ্ক। এই সম্পৰ্কই গঢ় দিছে আকৌ সমাজৰ। সমাজৰ স্থিৰতাই প্ৰত্যেকৰে পূৰ্ণতাৰ মাপকাঠি। স্বয়ং সম্পূৰ্ণ একমাত্ৰ ভগৱান, পৰমাত্মা-পৰমেশ্বৰ; Self completed, self menifested. যিয়ে চাব জানে প্ৰকৃতিৰ ৰূপৰ মাজত তেওঁক দেখে, তেওঁৰ কাৰণে তেওঁ দৃশ্যমান হৈ পৰে অতৰ্কিতে। নিয়তিৰ লগতে তেওঁৰ স্থিতি অনুভৱ কৰে। বিতচকুৰে চোৱাৰ দৰে ধ্যানমগ্ন আত্মজ্ঞান চক্ষুৰেহে তেওঁক চাব পাৰে। সূক্ষ্ম চকুৰ চশমাযোৰো সূক্ষ্ম। প্ৰাণীৰ সম্পৰ্কৰ সূতাডালো সূক্ষ্ম।

ভাবিলেই অনুভৱ কৰিব পাৰিব যে ভাই-ভনীক ভাল পাওঁ এয়া ভাতৃপ্ৰেম বা ভগ্নী প্ৰেম; তেনেকৈ পিতৃ-মাতৃ প্ৰেম, আমি সচৰাচৰ শ্ৰদ্ধা-ভক্তি বুলি কওঁ। এনেদৰে ঘৰখনৰ প্ৰতি প্ৰত্যেক সদস্যৰে এটা বান্ধোন আছে। এই বান্ধোনতে আবৰি ৰাখিছে প্ৰত্যেকৰে কৰণীয়া কামখিনিও। এই বান্ধোনেই হ'ল মানসিক আকৰ্ষণ বা আসক্তি। এই আকৰ্ষণ বা আসক্তিকে প্ৰেমাচ্ছন্ন বা মোহাচ্ছন্ন বুলি কয়। কিয়নো, ঘৰখনৰ মায়া-মোহে প্ৰতিজন পৰিয়ালকে আবৰি ৰাখিছে। এই মায়া-মোহত এটা সমতা আছে; যেনে পৰিয়ালৰ প্ৰতিজন সদস্যই মিলিজুলি কোনো বস্তু ভগাই খালেহে শান্তি পায়। এনে সমতাৰ মায়ামোহে ঈশ্বৰক চিনি পোৱাটো সহায় কৰে।

পৰিবেশ সাপেক্ষে জীৱৰ বুজাবুজিৰ পৰিপ্ৰেক্ষিতত আৰু পৰমাত্মাৰ অংশ হেতু পিতৃ-মাতৃ, ভাতৃ-ভগ্নীৰ মাজত থকা প্ৰেমৰ বান্ধোনৰ কাৰণে আটায়ে মিলিজুলি থাকিলে পিতৃ-মাতৃয়ে যেনেকৈ ভাল পায়, ভগৱানেও তেওঁৰ অংশসমূহ একত্ৰিত হৈ থাকিলে সৃষ্টিৰ যি স্থিৰ স্থিতি হয় তাত তেওঁ সন্তোষ লাভ কৰে। ল'ৰা-ছোৱালীৰ ভিতৰত দুৰ্বলজনৰ প্ৰতি মাক-দেউতাক যেনেকৈ দুখীত, দুখীয়া নিছলা অসহায় জনৰ প্ৰতিও ভগৱান সদায় সদয়, সহানুভূতিশীল হয়। তাতে আকৌ ল'ৰা-ছোৱালীৰ মাজত সমতা অটুট ৰাখিব নোৱাৰিলে পিতৃ-মাতৃয়ে কষ্ট পায়; তেনেকৈ ভগৱানো তাত বিতুষ্ট হয়। ধৰক, এজন পিতৃৰ দুজন ল'ৰা, এজনে শিক্ষা লৈ চাকৰি কৰি ঘৰ-দুৱাৰ সাজি মাটি-

বাৰী কৰি বিলাসী গাড়ী সকলো লাভ কৰিলে। আনজনৰ পানীত হাঁহ নচৰা অৱস্থা। পিতৃৰ সুখতকৈ দুখে বেছি মনোকষ্ট দিলে।

চৌধুৰী ঃ ঠিকেই ভাবিছে, আমি দেখো কেতিয়াবা কোনো দস্যু, ডকাইত, সমাজবিৰোধী বা মহাপ্ৰতাপী লোকে একোখন নৈষ্ঠিক ঘৰৰ বা উঠি অহা ভৱিষ্যৎ সম্ভাৱনাপূৰ্ণ ল'ৰাৰ স্থিৰতা হানি কৰে বা লেটাৰ মাজতে স্থৱিৰ কৰি ৰাখিব খোজে উ ৰণীয়া পখিলা। লগে লগে এইটোও অৱগত হয় যে ঘটনাক্ৰমেহে কাঁইটক কাঁইটেৰে খুঁচুৰি উলিয়াই অনাৰ দৰে কোনো এক অকস্মাৎ সংঘৰ্ষই এনে লোকক নিপাত কৰে আৰু শান্তক উদ্ধাৰ কৰে। ইয়াত দেখা যায় ভগৱান স্থূলভাৱে অদৃশ্য (Invisible) আৰু সূক্ষ্মভাৱে দৃশ্যমান (Visible), নহয় জানো? দেৱতাসকলক মহিষাসুৰৰ অত্যাচাৰৰ পৰা উদ্ধাৰ কৰাৰ পৰিপ্ৰেক্ষিততে দুৰ্গাৰ সৃষ্টি হয় মহাশক্তি ৰূপে। এয়া সূক্ষ্ম শক্তিৰ স্থূল ৰূপে এক প্ৰতীক?

বৰুৱা ঃ হয়, Abuben Adhem কো পোহৰৰ মাজত থাকি অদৃশ্য হৈ বুজাই দিছিল। পিচদিনা সৰ্বপ্ৰথমেই তেওঁৰ নামটো তালিকাত জিলিকি উঠা দেখি সন্তোষ পাইছিল। ইয়াত Love of God and Love of human being একাকাৰ হৈছিল। 'Extend help to the people in distress and get God near by. Use beasts and birds properly as having the soul from God'. Here the view of religion of western countries and the view of Hindu religion reach the same point of service to all beings. মানৱ কল্যাণৰ সন্দৰ্ভত ধৰ্মৰ দিশতে প্ৰাচ্য আৰু পাশ্চাত্য একত্ৰিত হৈ পৰিছে। মহিষাসুৰে মানৱ কল্যাণৰ বিপৰীতে অত্যাচাৰ কৰি ধৰ্ম বিৰোধ ঘটাইছিল। সেয়েহে, দেৱতাসকলৰ স্তুতিত সন্তুষ্ট হৈ মহাশক্তি ৰূপে দুৰ্গাদেৱীক সৃষ্টি কৰি ভগৱানে অত্যাচাৰীৰ মৃত্যুৰ ব্যৱস্থা কৰিছিল। কৃষ্ণ আৰু কংসৰ মুখামুখি সংঘৰ্ষও এক যেন দেৱতা-অসুৰৰে তেনে যুদ্ধৰেই অৱতাৰণা তথা প্ৰাণৰ সমতাৰ উদ্ধাৰৰ প্ৰতীক। সকলো জীৱৰ প্ৰাণৰ এনে সমতাবোধক মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ 'কুক্কুৰ শৃগাল গদৰ্ভৰো আত্মা ৰাম' বোলা কথাফাকিৰ দৰে ইংৰাজ কবিৰ ধাৰণাই চুই গৈছে। লগতে অনুমেয় হয় যে জীৱৰ মুক্ত বিচৰণেৰে সৃষ্টিৰ আদিয়ে পাতনি মেলিছিল।

চৌধুৰী ঃ প্ৰকৃততে ক'বলৈ গ'লে, বিশ্ব সৃষ্টি কেতিয়া আৰু কিমানবাৰ উদ্ভৱ হৈছিল জনা নাযায় আৰু তেনেকৈয়ে আন্ধাৰতে বৈ আছে জীৱ তথা মানৱ সৃষ্টিৰ আৰম্ভণি আৰু প্ৰগতিয়ে কিমানত চৰমসীমা চুই ধ্বংসৰ গৰাহত নিমজ্জিত হৈছিল। এই ক্ষেত্ৰতে বেদ প্ৰমুখ্যে সাঁচিপাত আৰু প্ৰত্নতাত্ত্বিক দিশত খনন কাৰ্যই যোগান ধৰা তথ্যসমূহেই একমাত্ৰ সম্বল। পোৱা যায় ভগৱান বাসুদেৱেই ব্ৰহ্মাণ্ড সৃষ্টিৰ কাৰণ; মহাপ্ৰলয়ৰ পিচত পৰমব্ৰহ্ম ভগৱানৰ আদেশত বহ্মাই সৃষ্টিৰ পাতনি মেলে, ভগৱানেই ব্ৰহ্মাৰ হৃদয়ত অবাৰিত বৈদিক জ্ঞান প্ৰদান কৰিছিল। ই যিয়েই নহওক, মানৱ মনৰ মুক্ত বিচৰণেৰে আদি সৃষ্টিৰ পাতনিয়ে গতি লৈছিল বুলি ভবাৰ থল আছে। এনে মুক্ত বিচৰণক সময়ে সময়ে স্বাৰ্থই আঘাত কৰি আহি আজিৰ এই সন্ত্ৰাস, সংঘাত, সংশয় আৰু সংঘৰ্ষৰ অৱস্থা পাইছেহি। মানৱৰ মুক্ত স্বাধীনতাৰ পৰিপ্ৰেক্ষিতত সমাজৰ শৃংখলা ৰক্ষাৰ্থে জন্ম হোৱা ধৰ্মৰ ধ্বজাখনক দেখা-নেদেখাকৈ অপমানিত কৰি আহি আজিৰ অস্থিৰ অৱস্থাত মুখ থেকেচা খাইছে।

ভগৱানক নিজ স্বাৰ্থ সিদ্ধিৰ বাবে এপাত অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰি আহিছে এচামে। মানৱ জীৱন তথা মুক্তিৰ আদৰ্শক বাৰে বাৰে আঘাত কৰি অহাৰ ফলত মুক্ত প্ৰগতিৰ বাটত এন্ধাৰ পৰি আহিছে। মানুহ আৰু মানুহৰে মাজৰ এনে বিভেদ আঁতৰ কৰি মানৱ মুক্তিৰ চিৰ প্ৰবাহিত সোঁতটিৰ মুখত জমা হোৱা জাবৰ-জোঁথৰ আঁতৰ কৰিব লগাৰ পৰিপ্ৰেক্ষিতত কবি গুৰু ৰবীন্দ্ৰনাথ ঠাকুৰে সাহিত্যৰ মাজেৰে চেষ্টাৰ উপায় প্ৰকট কৰি তুলিছিল। সেয়েহে তেওঁৰ কবিতাৰ প্ৰবাহিত সোঁতটি আছিল মানৱ মুক্তিৰ আদৰ্শৰ পথ। দেৱতাসকলে কৰা ইয়ো এক অসুৰ নিধনৰ ব্যৱস্থাৰ দৰে আধুনিক মনোবৈজ্ঞানিক ব্যৱস্থা। কিয়নো ভোগবাদৰ লগত অসূয়া কৰ্মৰ আকৰ্ষণ থাকে। অৰ্থাৎ 'ৰজ' আৰু 'তম' গুণৰ প্ৰভাৱ, যাৰ দ্বাৰা ইহকালত পাবলৈ ইচ্ছা জন্মে আৰু পৰলোকৰ কথাটো পিচলৈ এৰে। আনহাতে সমতা, ন্যায় নীতি সাপেক্ষে সাত্ত্বিক গুণত ত্যাগবাদৰ লগত কৰ্মবাদৰ পৰশ থাকে। কৰ্মবাদে মোক্ষ লাভৰ উপায়ৰ মত দাঙি ধৰে। It holds the doctrine that action is the chief end of life.

বৰুৱা : তানসেনৰ বাঁহীৰ সুৰত সাপ মুগ্ধ হোৱাৰ দৰে মানুহৰ মুক্ত চেতনা জাগ্ৰত কৰাৰ বাবে মনৰ মুক্ত বিচৰণৰ প্ৰয়োজন। এই মুক্ত বিচৰণ সম্ভৱ কৰি তুলিব পাৰে সাহিত্য, সংগীত আৰু নৃত্যই। সংগীতৰ দৰে জীৱ থাকে মানে প্ৰেম থাকিব, সেয়েহে আধ্যাত্মিক চেতনা জাগ্ৰত হ'ব লাগিলে মানৱ প্ৰেম উদয় হ'ব লাগিব। ইয়াৰ উৎস একাত্মবোধ, ইয়াতে নিমজ্জিত হৈ আছে ভগৱৎ চেতনা জাগ্ৰত কৰাৰ উপায়। ড° ভূপেন হাজৰিকাই গীতৰ মাজেৰে প্ৰকাশ কৰাৰ দৰে 'পিৰিতি মিঠা দৈ', কোন ভগৱানৰ কৃষ্টি আৰু কোন ঈশ্বৰে কৰিলে এই সংস্কৃতি মানুহৰ অৱগত নহয়। কিন্তু প্ৰেম-পিৰিতি গীত থাকিবই জীৱ থাকে মানে।

চৌধুৰী : আচলতে আপুনি ধৰ্মক সমাজলৈ, সমাজক ব্যক্তিগতলৈ টানি আনিব পৰা তাত্ত্বিক দিশটো জানে। এয়া সমাজক ধৰ্মলৈ, ধৰ্মক বেদলৈ আৰু বেদৰ সাৰখিনি উপনিষদলৈ আৰু লগতে উপনিষদৰ সাৰখিনি গীতালৈ অনাৰ তাত্ত্বিক ব্যৱস্থা নহয় জানো?

বৰুৱা : তাত্ত্বিক দিশটো জানো বুলি ক'ব নোৱাৰোঁ, কিন্তু এক মানৱ, এক মুক্তি, এক প্ৰেমৰ পৰিপ্ৰেক্ষিতত মানৱ সমাজ শৃংখলাবদ্ধভাৱে বান্ধি ৰখা সূতাডাল চিনি পাওঁ যদিও ইয়াৰ লগত আওপকীয়াকৈ আন আন সূতা লগলগাই দিছে বিভিন্ন খেলবোৰে। এই সূতাডাল সৰ্বসাধাৰণ কিয় বয়োজ্যেষ্ঠ নাগৰিকৰেই আঁত ধৰিব নোৱাৰা অৱস্থা হৈ যায়। আমিও ধৰ্মীয় বেমেজালিত নোভোগাকৈ থকা নাই। ই যিয়েই নহওক স্বামী বিবেকানন্দই কোৱা সৰ্বশক্তিমান একক শক্তিক 'Spirit of one Universal Unit' বাৰে বাৰে অনুভৱ কৰো।

চৌধুৰী : তাৰমানে আপুনি বিভিন্ন দেৱ-দেৱীৰ মূৰ্তি সাপেক্ষে হোৱা পূজা-মন্ত্ৰ পাঠৰ পক্ষপাতী নহয়?— You don't want worship of images.

বৰুৱা : যিমানে মূৰ্তি নহওক মোৰ ধাৰণাতোৱে এক পৰম শক্তিত ৰূপ লয়। কিন্তু ইয়াৰ নামত যিখিনি সমাজ হিতৰ উপলক্ষে নীতি বা শিক্ষণীয় কথা বা সংস্কৃতি জড়িত সেইখিনি নুই কৰিব নোৱাৰি। লগতে মূৰ্তি সজাৰ ক্ষেত্ৰত যিখিনি শিল্পকলা, প্ৰতিভা বিকাশ হয় তাক অৱজ্ঞা কৰাটোও এক ধৃষ্টতা মাথোন।

চৌধুৰী : ৰ'ব, এনে এক সমাজ কল্যাণীয় দিশ থকা সত্ত্বেও মূৰ্তি পূজাৰ

আৱশ্যকতা কিয় নুই কৰিব খোজে?

বৰুৱা ঃ চাওক, খৰচ বাহুল্য প্ৰথম কথা, দ্বিতীয় এক মানৱমুখী চিন্তাধাৰাৰ পৰিপন্থী, ওখ-চাপৰ, ধনী-দুখীয়া মানুহৰ শ্ৰেণী বিভাজন, তৃতীয় কথা সংস্কৃত ভাষাৰ জ্ঞানৰ অভাৱ মৰ্মে নীতি-নিয়মৰ ভুল হোৱাৰ ভয়, চতুৰ্থতে শুচি-অশুচিৰ ভেদভাব মনত পোষণ কৰা ধাৰণা, পঞ্চমতে জন্মসূত্ৰে পোৱা সম অধিকাৰ আৰু মুক্ত স্বাধীনতাত ব্যাঘাত ঘটোৱা আদি বেপেৰুৱা বতাহে ধূলি উৰুৱাই ধৰ্মীয় পৱিত্ৰ মনটো পুতি পেলায়।

তাৰোপৰি এচামৰ আওকোণীয়া মনোবৃত্তি, আন এচামৰ জাতি-জনজাতিৰ নামত অৱহেলাৰ ভাব আৰু ইয়ে সামগ্ৰিক উন্নতি আৰু আৰ্থ-সামাজিক দিশত প্ৰধান অন্তৰায় হৈ দেখা দিছে।

ষষ্ঠতে আধ্যাত্মিক ভাব মূৰ্তিত পোষণ কৰা বা স্থূলতে সূক্ষ্মভাব প্ৰতিষ্ঠা কৰি সজীৱতা অনাৰ পৰিপ্ৰেক্ষিতত প্ৰায়ভাগ পুৰোহিতৰ নৈষ্ঠিক চিন্তাধাৰা দুৰ্বল। ধ্যানমগ্ন ভাৱত আধ্যাত্মিকতাৰ পৰ্যায় সচৰাচৰ নাপায়গৈ।

ফলত সকলো জাতীয় পাৰ্থিৱ অনাচাৰ-ব্যাভিচাৰে চুই যাবলৈ সমল পাইছে পূজা-মন্ত্ৰ পদ্ধতিৰ ঈশ্বৰ উপাসনাক। সেয়ে আকাৰৰ জৰিয়তে বা ৰূপত মই ঈশ্বৰ উপাসনাৰ কথা নাভাবোঁ এনে গণ্ডগোলীয়া পদ্ধতিত।

চৌধুৰী ঃ আধ্যাত্মিক ভাব যদি কোনো মূৰ্তিৰ আকাৰত নাভাবে তেনেহ'লে ভগৱানৰ অস্তিত্ব বা স্থিতি কেনেকৈ অনুভৱ কৰে? কোনো হাতিয়াৰ নোহোৱাকৈ কাম কৰাৰ দৰে, শূন্যতে ঈশ্বৰৰ ধাৰণা কেনেকৈ সম্ভৱ কৰে?

বৰুৱা ঃ মই ভগৱানৰ অস্তিত্ব বা স্থিতি অনুভৱ কৰো হৃদয়ত, আত্মাৰ স্থিতি বিন্দুৰ ক্ৰিয়া সাপেক্ষে আৰু উপলব্ধি কৰো যিকোনো ঠাইতে যিকোনো স্থিতিতেই। এয়াও একপ্ৰকাৰ সততাৰে কৰা নীৰৱ সাধনা। ঐকান্তিকতাৰে যদি নীৰৱ সাধনত ৰত হ'ব পাৰে নিজেই বুজিব পৰম আশিসে কেনেকৈ মনাত্মাক চুই যায় যিকোনো মুহূৰ্ততে আৰু যিকোনো ঠাইতে।

চৌধুৰী ঃ ঈশ্বৰৰ আশিস লাভৰ বাবে প্ৰাৰ্থনাৰ জৈনপতীয়া সহজ উপায় থাকোঁতে

মানুহে বাৰু কিয়া মূৰ্তি পূজা কৰে?

বৰুৱা ঃ বাস্তৱপক্ষে ক'বলৈ গ'লে মনৰ সততা ভাব, সকলো প্ৰাণীৰ প্ৰতি উদাৰতা, সহানুভূতিশীল ভাব আৰু লগতে নৈষ্ঠিক ভাব ৰাখি ঈশ্বৰক পৱিত্ৰ মনেৰে চিন্তা কৰিলে প্ৰকৃতিত দেখা দিয়া ৰহস্যৰ আৱৰ্তত থকা সকলো শক্তি এক হৈ ধৰা পৰে। অৰ্থাৎ সততা বা সাত্ত্বিক ভাবত একেন্দ্ৰীকৰণ আৰু অসৎ ভাবত বিকেন্দ্ৰীকৰণ হয় এই মহাশক্তি। মহাশক্তি তত্ত্ব নিজে নিজে অৱগত হয় হৃদয়ত-মনত।

এটা কথা ভাবিলে ওলাই পৰিব যে ল'ৰা-ছোৱালীক, ভাল-বেয়া, ন্যায়-অন্যায় আদি কথাৰ শিক্ষা দিব লাগিলে কাল্পনিক কাহিনীক বাস্তৱ ৰূপ দি সেই কাহিনীৰ আধাৰত ছবি বা মূৰ্তিৰ আশ্ৰয় ল'ব লগা হয়। মূৰ্তিত অৰ্পিত ঈশ্বৰত্বই ভক্তিভাব আয়ত্ত কৰাত মনৰ পোনপতীয়া সংযোগ ঘটে। লগতে ভাল, বেয়া কাম অনুসাৰে কি ফল লাভ হয় দেখুওৱাৰ বাবে বা সেই ধাৰণাৰ সম্যক জ্ঞান দিয়াৰ বাবে ভগৱানৰ নামত এটা আকৃতি লাগে। যেনে— কোনো সন্তানৰ সৰুতে মাক-দেউতাক ঢুকালে ডাঙৰ হোৱাত ফটোৰেহে মনত পেলাব পাৰে। শূন্যত শূন্যৰ অস্পষ্টতাহে জাগে। এনে উদ্দেশ্যতে পাপ-পুণ্যৰ ধাৰণাৰে স্বৰ্গ-নৰকৰ স্থিতিৰে ল'ৰা-ছোৱালীক এই জ্ঞান দি সু-নাগৰিক গঢ়াৰ বাটত অৱতীৰ্ণ কৰিব দিয়া হয়। এনে সুস্থ ধৰ্মীয় পৰিৱেশৰ অভাৱত অনাচাৰ-ব্যাভিচাৰ আদি অসজ আচৰণে জীৱন অস্থিৰ কৰি তুলিছে। ভোগবাদৰ নিৰন্তৰ চিন্তাই নিষ্ঠা-কৰ্ম, সজ আচৰণ, সহৃদয়তাৰ প্ৰতি অনীহা ওপজাইছে আৰু লগতে ঈশ্বৰ চিন্তা তথা ব্ৰহ্ম জ্ঞানেৰে বিভূষিত হৈ সুস্থ জীৱন যাপন কৰা স্বৰ্গৰ দেৱতা, গন্ধৰ্বৰ সুখানন্দৰ ধাৰণা অৱজ্ঞা কৰি অকল ৰজঃ আৰু তমঃ গুণকে সাৰোগত কৰি নিৰয়লৈ গতি কৰিছে। আনকি ভদ্ৰ ঘৰ এখনতো শিষ্টাচাৰৰ অভাৱ দেখিবলৈ পোৱা গৈছে।

চৌধুৰী ঃ ৰব, স্থূল ভাবত বা বয়-বস্তু, সা-সম্পত্তি, ধন-জন সাপেক্ষে পাৰ্থিৱ সুখ সম্ভোগৰ আধাৰত যি একাত্মবোধ জন্মে আৰু সূক্ষ্মভাৱত আধ্যাত্মিক দিশত যি একাত্মবোধ জন্মে একে নে?

বৰুৱা ঃ নহয়, একে কেনেকৈ হ'ব?

চৌধুৰী ঃ কিয়? দুয়োটাতে দেখা যায় একাত্মবোধত মিলাপ্ৰীতি আছে বা কিবা এটা আধাৰত মিলাপ্ৰীতি আহিলে একাত্মবোধ জন্মে।

বৰুৱা ঃ পাৰ্থিৱ সুখৰ একাত্মবোধ অস্থায়ী আৰু আধ্যাত্মিক ভাবত একাত্মবোধ স্থায়ী হয়।

চৌধুৰী ঃ কেনেকৈ?

বৰুৱা ঃ চাওক, চোৰক-চোৰে, ডকাইতক-ডকাইতে, মিছলীয়াক-মিছলীয়াই, প্ৰবঞ্চকক-প্ৰবঞ্চকে, অসতক-অসতে লগ লাগি ভাল পায়; কাৰণ অসূয়া আত্মাৰ ধৰ্মৰ মিল থাকে বাবে আনন্দ লাভ কৰাৰ সুযোগ পায়। লাভালাভৰ বাবে এই আনন্দ জাগে। স্বাৰ্থ হানি হোৱাৰ লগে লগে পৰ হৈ যায় আৰু কাজিয়া কৰে। এইটো নিজৰ বংশপৰিয়ালৰ ভিতৰতো হয়। আনকি পিতৃ-মাতৃ, ভাতৃ-ভগ্নী, খুড়া-খুড়ীও বাদ নপৰে, হত্যা পৰ্যন্ত কৰে। এনে পাৰ্থিৱ আকৰ্ষণত উদয় হোৱা একাত্মবোধ অতিকৈ অস্থায়ী। কাৰণ, ই অন্তৰ স্পৰ্শ নকৰে আৰু ই প্ৰকৃততে অনাত্মীয়। কোনো পতি-পত্নীৰ যৌন ক্ষুধা থকালৈকে প্ৰেম-মিলাপ্ৰীতি সজীৱ হৈ থকাৰ দৰে। শেষ বয়সত কাৰো কাৰো মিলা-প্ৰীতিৰ হাহাকাৰ লাগে।

আনহাতে আধ্যাত্মিক দিশত সূক্ষ্মভাবত যি একাত্মবোধ জন্মে তাত শুদ্ধ আত্মাৰ গুণ বা ধৰ্মৰ মিল থাকে আৰু পাৰ্থিৱ লাভালাভৰ স্থান নাথাকে। এই ভালপোৱাই অন্তৰ চুই যায় আৰু আত্মজ্ঞানৰ ভঁৰালত জমা হয়। সাধু-সাধুই লগ হৈ এই সংগসুখ লাভ কৰে। এই সুখ পাৰ্থিৱ সুখৰ হাবিয়াসে কাঢ়ি নিব নোৱাৰে। বৃদ্ধাবস্থাত পতি-পত্নীৰ মিলাপ্ৰীতিত থকা একাত্মবোধে কঢ়িওৱা এই সুখ। আপুনি লঘোনে থাকি আনৰ ভোকৰ সমভাগী হয়গৈ। আঁৰলে-নিৰলে এই সুখ লাভ কৰে।

স্বাভাবিকতে, ঈশ্বৰৰ নামত ভক্তিভাবৰ উদয় সৰুৰে পৰা প্ৰাৰ্থনাৰ সহায়ত হ'ব দিব লাগে। তেতিয়াহে ল'ৰা-ছোৱালীৰ জীৱন গঢ়াত অসূয়া শক্তিয়ে প্ৰশ্ৰয় পাব নোৱাৰে আৰু জন্মগত প্ৰতিভাই (Inborn Tendency) সাৰ-পানী পাই সহজেই বিকশিত হ'ব পাৰে। ই অতীব প্ৰয়োজন।

চৌধুৰী ঃ এইটো বুজিলোঁ, কিন্তু সৰ্বসাধাৰণ মানুহক কিয় মূৰ্তি লাগে? ভগবানৰ শক্তিৰ স্থিতিত্ব য'তে ত'তে বা নিৰন্তৰে অনুভৱ কৰি স্মৰণ কৰিলেই

হয়। মূৰ্তি সাজি বেদীত স্থাপন কৰি নানা আনুষ্ঠানিকতাৰে পূজা মন্ত্ৰ পাঠ কৰি প্ৰাৰ্থনা কৰাৰ কি দৰ্কাৰ। সময় আৰু ধনৰহে অপচয়।

বৰুৱা ঃ বাৰু ৰ'ব! আপুনি বৰ ভাল কথাৰেই পাতনি মেলিছে। চাওক, ল'ৰা-ছোৱালী যি অৱস্থাৰ, সৰ্বসাধাৰণ বা ব্যস্ত মানুহো সেই একে অৱস্থাৰ; ঘৰ-সংসাৰ, টকা-পইচাৰ কথা ভাবোঁতে যায়, তাত্ত্বিক দিশত ভগৱানৰ চিন্তা-চৰ্চা কৰাৰ সময় বা ক'ত? হঠাৎ মঠ-মন্দিৰ দেখিলে পূজা-পাৰ্বণ সাপেক্ষে দেৱ-দেৱীৰ প্ৰতিমাৰ ওচৰ চাপিলে স্বতঃস্ফূৰ্তভাৱে মূৰ দো খায়। মূৰ দোওৱা এটা সজ আচৰণ আৰু স্ব-শাসনক ই সহায় কৰে। সেয়ে শ্ৰদ্ধাৱান ব্যক্তিয়ে হওক বা ভগৱানেই হওক মূৰ দোওৱা প্ৰয়োজন। সেই কাৰণেই কয়, 'শ্ৰদ্ধাৱান লভ্যতে জ্ঞানম।' বাৰু আপোনাৰ পিতৃৰ ছবিখন ভগৱানৰ মূৰ্তিৰ ওচৰত ৰাখি উভয়কে ভৰিৰে গচকি দিব পাৰিবনে?

চৌধুৰী ঃ বাপৰে বাপ! পিতৃৰ ছবি ভৰিৰে গচকিম, কি সাহসত? চাওক মোৰ বন্ধু এজনৰ ল'ৰাই এটা বিভাগত চাকৰি পাইছিল ট্ৰেইনিং লৈ। তাত দেশপ্ৰেম আৰু সাহসৰ পৰীক্ষাৰ পৰিপ্ৰেক্ষিতত দেউতাকৰ ছবিখনত গুলী কৰিব দিছিল। নোৱাৰাৰ ফলত চাকৰিকে হেৰুৱালে।

বৰুৱা ঃ কিয় তাত কি আছিল? কাগজৰ টুকুৰা।

চৌধুৰী ঃ সেই ছবিৰ জৰিয়তে প্ৰয়াত পিতৃক শ্ৰদ্ধা-ভক্তি জ্ঞাপন কৰোঁ, প্ৰণাম জনাওঁ। পিতৃৰ জীৱন চানেকি, নিলিখা জীৱন ইতিহাস সেই ছবিখনেই দাঙি ধৰি আছে। মোৰ হিয়াৰ অকুণ্ঠ শ্ৰদ্ধা-ভক্তিৰ সৌধ এই ছবিখনেই। জানেই নহয়, মৃত্যুৱে মানুহক স্থূল দেহ আৰু সূক্ষ্ম দেহৰ পৃথকহে কৰে; দেহৰ লগতে দোষখিনিও পুৰি নিঃশেষ কৰে। সোণপুৰি জিলিকি উঠাৰ দৰে জীৱন কৰ্মৰাজিৰ মাজেৰে চিৰস্মৰণীয় কৰি থৈ যায় অমূল্য জীৱন। পিচৰ পুৰুষক ইয়ে দকৈ মনত ৰেখাপাত কৰে, উন্নতিৰ পথত অনুপ্ৰেৰণা যোগায়।

বৰুৱা ঃ তেনেকৈ মূৰ্তিটোত আৰোপিত হৈ থাকে এক ঐশ্বৰিক শক্তি— প্ৰকৃতিৰ মহাশক্তি। আমি পৰমপিতা পৰমেশ্বৰক ভগৱান বুলি সেৱা জনাওঁ, প্ৰণাম কৰোঁ। তেওঁৰ পৰা দয়া, কৃপা, আশিস বিচাৰোঁ। কোনো কামত বাধাৰে দোষ মৰিষণ কৰি আমাক বুজিব দিয়ে বুলি ভাবি ইয়াৰ সহায়ত আত্মদৰ্শী

হ'বলৈ চেষ্টা কৰোঁ। এই প্ৰতীকত থকা মহাশক্তিৰ বিশ্বাসে ভক্তিৰ বোধ জন্মায়। অনুভৱ, উপলব্ধিৰ সহায়ত আত্মবোধৰ জৰিয়তে ব্ৰহ্মবোধৰ উদয় হয়। এনে ব্ৰহ্মবোধৰ অভাৱত জীৱন আৰু জগতৰ কোনো ধাৰণা স্পষ্ট হৈ নুঠে।

উপলব্ধি কৰিলে বুজিব যে আপোনাৰ দেউতাৰ যেতিয়া ককাদেউতাৰ ঔৰসত জন্ম হৈছিল এই পৰমাত্মাৰ অংশ এটা গৈ দেহত সোমাই লোৱাত দেহটোৱে প্ৰাণ পাই গতি লৈছিল। ককাদেউতাৰ গুণগত দিশ আপোনাৰ দেউতাৰ দেহত ন্যস্ত হৈছিল। দেউতাৰ ঔৰসত যেতিয়া আপোনাৰ জন্ম হৈছিল সেই একে পৰমাত্মাৰ অংশ আৰু দেউতাৰ গুণগত দিশ আপোনাৰ গালৈ আহিছিল। মাতৃ গৰ্ভৰ গুণগত দিশো এই গুণ বা দোষৰ লগত মিহলি হৈছিল। উঠা-নমা, দোষ-গুণ পৰিৱেশ সাপেক্ষে হয়। কোনো এটা বংশত দোষ শুধৰাই নিদিলে ই একেদৰে প্ৰবাহিত হৈ থাকে।

চৌধুৰী : আত্মাৰ এই আহ-যাহ প্ৰক্ৰিয়া কেনেকৈ সাধিত হয় বুলি ভাবে?

বৰুৱা : আমি চাৰ্ট এটা পুৰণি হ'লে গাত মিলাকৈ আৰু ৰং-ডিজাইন ভাল পোৱাকৈ কিনি লওঁ। আত্মাটোৱেও দেহটো পুৰণি হ'লে ওলাই যায় অৰ্থাৎ দেহ গঠনকাৰী কোষবোৰ মৰি শুকাই নাইকিয়া হয় আৰু শেষত জীৱনদায়িনী প্ৰাণবায়ু ওলাই যায় কোষৰ অভাৱত। এয়া ধুমুহাত ঘৰ ভাঙি মানুহ ওলাই যোৱাৰ দৰে। আকৌ নতুন ঘৰ বান্ধি সোমোৱাৰ দৰে মাতৃ গৰ্ভৰ ঔৰস পিণ্ডৰ কোষত প্ৰাণবায়ু স্বৰূপ আত্মা সোমাই লয়। এই চিন্তা-চৰ্চা ভাৰতীয় দৰ্শনৰ অন্তৰ্গত আৰু ইয়াৰ ধ্যান-ধাৰণা, জীৱন-যাতনা, সুখ-দুখ, জন্ম আৰু পৰজন্ম সম্পৰ্কৰ সৈতে জড়িত।

আনহাতে সমাজ পৰিচালনাৰ নিয়ম-নীতি, জন্ম-মৃত্যু, কৰ্ম-কাণ্ড, বিবাহ-পূৰ্জা-অৰ্চনা আদি ধৰ্ম শাস্ত্ৰৰ অন্তৰ্গত। এয়া দৰ্শন আৰু ধৰ্মৰ ওতপ্ৰোত সম্পৰ্ক। ঋষি-মুনি, সাধক, মনীষী তথা দাৰ্শনিক পণ্ডিতসকলৰ গভীৰ নিৰলস সাধনাৰ ফলত মানৱ কল্যাণ সাপেক্ষে মনত উদ্ভৱ হোৱা চিন্তাৰ ফলশ্ৰুতি।

চৌধুৰী : মানৱ কল্যাণৰ পৰিপ্ৰেক্ষিতত শিক্ষণীয় দিশৰ ধাৰণা এটা ব্যক্ত কৰিব বিচাৰো।

বৰুৱা ঃ কৰক।

চৌধুৰী ঃ দূৰ অতীতত গুৰু-গৃহৰ শিক্ষাৰ আৰম্ভণি এক সীমিত আৰু উচ্চ পৰ্যায়ৰ মানুহৰ তথা ৰজা-মহাৰজাৰ ল'ৰাৰ বাবেহে ব্যৱহাৰ হৈছিল। সৰ্বসাধাৰণ মানুহক চুই যোৱাৰ বাতাৱৰণ নাছিল। দুই-একে নিজাববীয়াকৈ লোৱাত বাদে বাকীসকলৰ কাৰণে চিন্তা বহিৰ্ভূত কথা আছিল। স্ত্ৰী শিক্ষাৰ কথা নোকোৱাই ভাল।

কৌৰৱ-পাণ্ডৱসকলে শিক্ষাগুৰু দ্ৰোণাচাৰ্যৰ গৃহত থাকি লোৱা শিক্ষাৰ বাতাৱৰণ অতিকৈ প্ৰাচীন। এই প্ৰাচীন শিক্ষাৰ ধৰণ-কৰণৰ ৰামায়ণ-মহাভাৰত মহাকাব্য দুখনৰ পৰা আভাস পোৱা যায়। সময়ৰ সোঁতত এই শিক্ষাৰ পৰিৱেশ সলনি হৈ এক সুকীয়া ৰূপ পৰিগ্ৰহ কৰিছিল সংস্কৃত তোলৰ শিক্ষাৰ পৰিসৰত। ধৰক শ্ৰীমন্ত শংকৰদেৱে গুৰু মহেন্দ্ৰ কন্দলিৰ তোলত শিক্ষা গ্ৰহণ কৰাৰ কথা। গুৰু গৃহৰ শিক্ষা, তোলৰ শিক্ষা আৰু শিলত অংকিত শিক্ষণীয় কথাই মানুহৰ মনত গভীৰ ৰেখাপাত কৰিছিল।

এইক্ষেত্ৰত ব্ৰাহ্মণ্য ধৰ্মৰ প্ৰভাৱ এক অন্তৰ্নিহিত সোঁত হিচাপে বৈ থাকি অতীতৰ পৰা মানুহক আৰ্থিক দিশত ধৰ্মৰ নামত আক্ৰান্ত কৰিছিল। ইয়াৰ পৰা সকাহ পোৱাৰ বাবে কোনো উপায় সৰ্বসাধাৰণ মানুহৰ হাতত নাছিল। স্বাধীন মানৱীয় চিন্তা-চৰ্চা তথা জন্ম অধিকাৰ সাব্যস্ত কৰিব পৰা কোনো প্ৰভাৱৰ সুৰুঙাও প্ৰকট হৈ পৰা নাছিল। এনে পৰিৱেশত উপনিষদ-গীতা সৃষ্টি সম্পৰ্কে আপোনাৰ ধাৰণা কি?

বৰুৱা ঃ 'কৃষ্ণস্তু ভগৱান স্বয়ম' ধাৰণাৰ উদ্ভাৱন সন্দৰ্ভত গীতা-ভাগৱত উপনিষদৰ স্ৰষ্টা দেৱৰ্ষি বেদব্যাস প্ৰমুখ্যে আটাইলৈ কোটি কোটি বাৰ নমস্কাৰ জনাওঁ, লগতে ইয়াৰ প্ৰচাৰৰ পৰিপ্ৰেক্ষিতত জগতগুৰু শ্ৰীমন্ত শংকৰদেৱক শতসহস্ৰবাৰ প্ৰণাম জনাওঁ। কাৰণ, তেওঁ সৰ্বসাধাৰণ মানুহক জন্মৰ মুক্ত অধিকাৰৰ বিষয়ে, প্ৰধানকৈ ধৰ্মীয় দিশত চিন্তা কৰিবলৈ অৱগত কৰাই নহয়, ইয়াৰ বাট পোনাই মুকলি কৰি দিছিল সকলো শাস্ত্ৰ মথি উদ্ভাৱন কৰা 'এক শৰণ নাম ধৰ্ম'ৰে। এয়া আধুনিক ব্যস্ত মানুহৰ সময়োপযোগী ধৰ্ম। ই অতিকৈ মুকলিমুৰীয়া আৰু আত্মিক বিজয়ৰ ধৰ্ম, এয়া হ'ল নামধৰ্ম, এক হিয়াৰ আমঠু, হৃদয়ে হৃদয়ক নিচেই কাষতে বিচাৰি পোৱাৰ ধৰ্ম। এই ধৰ্মীয় সংস্কাৰ আৰু নৱজাগৰণৰ প্ৰবল সোঁতে মানৱতাৰ জাগৰণ এনেকৈ

প্লাৱিত কৰি তুলিছিল যাৰ ফলত এক মানৱক চাৰিজাতিত লোৰ শিকলিৰে বান্ধি ৰখা ধৰ্মৰ কফিন ভাগিছিগি টুকুৰা টুকুৰ হৈছিল। এই ধৰ্মীয় ধাৰণাই আধ্যাত্মিক চিন্তাৰে আত্ম বীজৰ অঙ্কুৰণৰ প্ৰেৰণা যোগাইছিল। লগে লগে উন্মেষ ঘটিছিল বৈজ্ঞানিক চিন্তাধাৰাৰ আৰু প্ৰযুক্তিবিদ্যাৰ। ফলত মানুহৰ ধৰ্ম আৰু জীৱন যাপন বিজড়িত কথা ভাবিবলৈ মন উন্মুক্ত হৈ পৰিছিল।

চৌধুৰী ঃ এয়া এটা বিষয়ত ল'ৰা-ছোৱালী পঢ়াত ভাল হ'লে আন বিষয়তো ভাল হয়, তেনেকুৱা নহয়জানো?

বৰুৱা ঃ এই আত্ম বিজয়ৰ প্ৰেৰণাই অচলা ভক্তিক সহায় কৰিছিল। লগতে নিজেই নিজক বিচাৰি পোৱাৰ দিশটো মনত গভীৰভাৱে শিপাই লৈছিল, যাৰ ফলত আধ্যাত্মিক দিশত মানৱ প্ৰেমহে সণ্চালনিকৈ প্ৰকট হৈ পৰিছিল। ইয়ে ক্ৰমানুসাৰে নান্দনিক চেতনাকো (Aestetic Sense) সজাগ কৰি দিছিল। নিজক বিচাৰি পোৱা ধৰ্মীয় চেতনাই জগতখনকো চিনাকি কৰি দিছিল। পিঞ্জৰাৰ পখিক মুকলি কৰি দি যেন মানব ডেউকা লগাই নীলাকাশত এৰি দিছিল।

সেয়েহে, পিতৃ পুৰুষানুক্ৰমে বাগৰি অহা গুণৰাশি এনে মুক্ত পৰিৱেশৰ প্ৰভাৱত কিছু লুপ্ত- কিছু সুপ্ত হৈ আহি আহি বৰ্তমানৰ স্থিতাবস্থা লৈছে। পৰিৱেশৰ প্ৰভাৱত এনেদৰে চাৰিত্ৰিক দিশো সলনি হৈ গৈ থাকিল। মহাপুৰুষ জনাই বৃন্দাবনী বস্ত্ৰ তৈয়াৰেৰে বৈষ্ণৱ কলা-কৃষ্টিৰ সন্ধানো নিদিয়াকৈ থকা নাছিল আৰু ইয়ে মানুহক সৰ্বতোমুখী দিশত উপকৃত কৰিছিল।

চাওক, মই কৈয়েই আহিছোঁ যে নিজক নিজে বিচাৰিব পাৰিলে সকলো বিপদৰ পৰা উদ্ধাৰ পাব পাৰি। নিজক নিবিচাৰি আনক দেখি সেইমতে চলি আনক খুচৰিহে মানুহ বিপদত পৰে আৰু লাঞ্ছিতও হয়।

চৌধুৰী ঃ ব্ৰাহ্মণ্য ধৰ্মৰ প্ৰকাশ মাধ্যম হিচাপে থকা সংস্কৃত ভাষাৰ প্ৰভাৱ পূজা পদ্ধতিত আজিও বিৰাজমান। ভাষাটো সাহিত্যিক সম্পদেৰে ভৰপূৰ, কিন্তু জ্ঞান বিস্ফোৰণৰ যুগত ইয়াৰ চাহিদা কমি গৈছে।

বৰুৱা ঃ হেৰি! ব্ৰাহ্মণ হ'ল বেদৰ পূজা-পাতল যজ্ঞানুষ্ঠানৰ বৰ্ণনা থকা এটা অংশ। যিমানলৈ নাযাওঁ কিয় এটা কথা কওঁ আমি আধুনিক হৈয়ো যেন ধৰ্মীয়

দিশত নিজৰ মুক্ত মনটো প্ৰয়োগ কৰিব পৰা নাই, পৌৰাণিক হৈয়ে আছোঁ। দূৰ অতীতত পূজা-মন্ত্ৰ পদ্ধতি আদিত সংস্কৃত ভাষাৰ যি ব্যৱহাৰ আছিল আমি তাকে চকু মুদি অৰ্থ হৃদয়ঙ্গম নকৰি ইতিবাচক হিচাপে প্ৰয়োগ কৰি আছোঁ। বিচাৰকক্ষত হাকিমৰ সন্মুখত গীতাখন হাতত লৈ সাক্ষীয়ে যে কয়, 'যি কম সঁচা কম', কিন্তু মনটোৱে ইতিমধ্যে মিছাতে সাজু হৈ আছে। ঠিক তেনেকৈ দেখা যায় পুৰোহিতে সংস্কৃততে যি কয় আমিও কওঁ, কিন্তু মনটোৰ একো নুবুজাকৈয়ে উচ্চাৰণ কৰোঁ। প্ৰায়ভাগ শব্দৰ অৰ্থও বুজি নাপাওঁ। ঠাই বিশেষে পুৰোহিতৰ এই দিশৰ জ্ঞানৰ দুৰ্বলতায়ো কাণ চুই যায়। সেয়ে, নিজৰ ভাষাত ভগৱানক প্ৰাৰ্থনা কৰিব পৰা মনৰ মুক্ত স্বাধীনতা প্ৰয়োগ কৰিব পৰা যেন হোৱা নাই। অৰ্থাৎ প্ৰাৰ্থনাত হিয়া-মন-ভাষা এক হ'ব পৰা নাই। এয়া ছাত্ৰ-ছাত্ৰীৰ ভাটৌ বিদ্যাৰ দৰে চলি আহিছে। কথাটো এনেকুৱা যে আমি ধাৰ্মিক, কিন্তু বাস্তৱবাদী নহয়। যেনে— শিক্ষিত হওঁ, কিন্তু আত্মজ্ঞানৰ শুদ্ধ বাটটো বিচাৰি নাপাওঁ। প্ৰকৃত মানৱৰ বাস্তৱ মুখাপেক্ষী হ'ব পৰা সক্ষমতা অৰ্জন কৰিবলৈ এতিয়াও যেন বহুত বাকী। প্ৰকৃত পক্ষে, বাস্তৱবাদী পূজা-পাতল সাপেক্ষে প্ৰাৰ্থনা কৰা অচলা ভক্তিৰ বাটটো এতিয়া এন্ধাৰে আচ্ছাদিত কৰি ৰাখিছে (This mental freedom is yet to come to face reality)। পৃথিৱীৰ সকলো জাতিৰ নিজা নিজা ভাষা, সাহিত্য-সংস্কৃতি, কলা-কৃষ্টি ধৰি ৰখাটো অতীব প্ৰয়োজন। মাতৃভাষাত আৱেগ-অনুভূতিয়ে যিদৰে প্ৰকাশ পায় আনৰ বা বিদেশী ভাষাত তেনেকৈ নহয়। কাৰণ জন্মৰ ভাষাটো হিয়াৰ ভাষা; হিয়া মানে আত্মা-মনৰ ভাষা। এয়া জন্মৰ ভাষা। ইয়াক ধৰি ৰখাটো নিতান্তই প্ৰয়োজন। অন্যথাই এই ভাষাৰ লগতে জন্মসূত্ৰে আৰু পৰিৱেশ সাপেক্ষে খাপখাই থকা জাতিৰ আনুষংগিক বহুত কথা তথা কলা-কৃষ্টি ধৰি নাৰাখিলে বিলোপ হৈ যাব! এই বিলোপৰ ফলত বিশ্বায়ন কলা-কৃষ্টি সংস্কৃতিত সংকীৰ্ণতাই গা কৰি উঠিব। বিভিন্ন জাতি-জনজাতি, ৰাজ্য-দেশৰ বিভিন্ন ৰং-বিৰঙৰ কলাকৃষ্টি সংস্কৃতিৰ পৰা পোৱা মনোৰঞ্জন নাইকিয়া হৈ যাব। মুষ্টিমেয়ই সম্পূৰ্ণ মনৰ খোৰাক যোগাব নোৱাৰিব। বিশ্বায়নৰ পৰা এনে ক্ৰমাগতভাৱে নিখোজ হৈ যাবলৈ ধৰা অৱস্থাই 'খোৰাৰ খোজেপ্ৰতি অপৰাধ'ৰ দৰে ভাবনাই মন দুৰ্বল কৰি পেলাব। সৰু সৰু জাতিবিলাকৰ

অৱস্থা পিছল ঠাইত খোপনি পুতি লাভ কৰা ব্যৱস্থা।

চৌধুৰী ঃ ৰ'ব, 'কথাত কথা বাঢ়ে খৰিকাত বাঢ়ে কাণ', কথাৰ প্ৰসংগত মোৰ এটা কথা মনলৈ আহিল। প্ৰকৃতি সৃষ্ট বস্তু তথা প্ৰাকৃতিক পদাৰ্থৰ গুণ-ধৰ্মৰ ওপৰতে নিৰ্ভৰ কৰে বিজ্ঞান। আপোনাৰ কথাৰে আঁত ধৰি কওঁ যে যদি পৰমাণু ভাগি গুণ-ধৰ্ম বিলোপ কৰা হয় তেতিয়া কি হ'ব. তাত ভয় থকাৰ দৰে মানৱীয় ঐক্যতাৰ ঠাইত অনৈক্যই বসতি কৰাৰ বাবে বাঁহ সাজিবলৈ ল'লে এক সংকটাপন্ন অৱস্থাৰ মুখামুখি হোৱাৰ সুযোগ নিজে কৰি দিয়া হ'ব।

কথাটো এনেকৈয়ো ভাবিব পৰা থল আছে যে চিমেন্ট, বালি. শিল লগ কৰি কেনেকৈ কংক্ৰিট হয় বুলি ভাবি নিৰ্দিষ্ট সময়লৈ বৈ নাথাকি খুচুৰি থকা যায় আৰম্ভণিৰে পৰা, কংক্ৰিট হ'বনে? তেনেকৈ সন্ত্ৰাসৰ দ্বাৰা ধ্বংস প্ৰত্যক্ষ কৰি যদি কোনোবাই আনন্দ কৰে; সমতা. ন্যায়-নীতি বিৰাজ কৰিবনে?

বৰুৱা ঃ সেই কৰণেই কয়, 'Pen is mightei than the sword' মহাত্মা গান্ধীৰ আদৰ্শ ইয়াৰে এক প্ৰতীক। জালিৱানাৱালাবাগৰ হত্যাকাণ্ডই ইংৰাজকহে শ'লঠেকত পেলাইছিল।

চৌধুৰী ঃ সন্ধিয়া হৈ ৰাতিহে হ'লহে। আলহীৰ ঘৰত যোৱাৰ কথা. আৰু আগনবঢ়াই ভাল। অহা কাইলৈ সোনকালে আহিব। ইয়াত অলপ মনোৰঞ্জন কৰি ঘৰলৈ যাম। এনে নিৰিবিলি ঠাই ক'ত পাবহে আৰু; কেঁচা ৰ'দতে পোৱাকৈ আহিব এইখিনি।

বৰুৱা ঃ বলক তেতিয়া হ'লে (দুয়ো এৰা-এৰি হ'ল)।

চাৰি

ৰাতিটো দুয়ো নিজৰ নিজৰ আলহীৰ ঘৰত কটালে। পুৱা আলহীৰ ঘৰৰ পৰা বিদায় লৈ ওলাই আহি আগদিনা বহা সৌন্দৰ্যৰ মনোমোহা ঠাইখিনিত প্ৰায় আগদিনা কোৱা কথামতেই মিলিত হ'ল। এই ঠাইখিনিৰ হৃদয়গ্ৰাহী সৌন্দৰ্য আৰু মনপৰশা পৰিৱেশত মুগ্ধ নোহোৱাজন হয় মনৰ ৰুগীয়া নহয় টকাই গা নচুৱাই ফুৰা ব্যক্তি। ইচ্ছা-অনিচ্ছা, ভাললগা-নলগাৰ উষ্ম বতাহত কঁপি থাকে মনৰ পঁজা ঘৰটো। বসন্তৰ বা লাগি মনে বিহু নাচ নিদিয়ে, নাইবা ভাললগা ঠাই এখনত জিৰণি লৈ সময় নষ্ট কৰা ব্যৱসায়ী নহয়। পুৱাৰ কেঁচা ৰ'দ পূৰঠ হ'বলৈ ধৰাৰ সময়তে কৃষ্ণচূড়া গছডালৰ ছাঁক আশ্ৰয় কৰি দুয়ো বহি ল'লে।

চৌধুৰী ঃ কিহে, ভালে ভালে আলহীৰ ঘৰ পালে? একো অসুবিধা হোৱা নাইতো?

বৰুৱা ঃ বিশেষ অসুবিধা হোৱা নাই। কিন্তু সুবিধাইও মনটো মুক্ত কৰি দিয়া নাই। দুৱাৰমুখত চক খালোঁ।

চৌধুৰী ঃ কিহৰ চক?

বৰুৱা ঃ নক'ব দিয়ক; গাঁৱৰ পঁজাঘৰৰ দুৱাৰখন সচৰাচৰ বাধা দি বাহিৰ ওলাব নোৱাৰা বা ভিতৰ সোমাব নোৱাৰাকৈ দুৱাৰ গৰিয়া আছিল; সেইকথাটো মই পাহৰি গৈছিলোঁ। আলহীৰ বাটঘৰটোৰ দুৱাৰ গৰিয়াৰ ঠাইখিনিত পোহৰ এন্ধাৰ মিলিজুলি সাপৰ আকৃতি লৈছিল। মই সাপ বুলি ভাবি হঠাতে চক খালোঁ আৰু 'আস্তিক' বুলি তিনিবাৰ উচ্চাৰণ কৰি ভগৱানৰ নাম ল'লোঁ। জৰতকাৰু মুনিৰ পুত্ৰ, আস্তিক মুনিৰ কথা জানেই নহয়; তেওঁ জন্মেজয়ৰ সৰ্প যজ্ঞত নাগবংশ ৰক্ষা কৰিছিল। লোকবিশ্বাস মতে সাপ দেখিলে সেয়ে আস্তিকৰ নাম লয়। লগে লগে মোৰ ডেকা কালৰ গাঁৱত থকা দিনৰ কথা এটা মনত ভাহি উঠিল।

এদিন ৰাতি সাংস্কৃতিক সন্ধিয়া এটা উপভোগ কৰি ঘৰলৈ

উভতি আহোঁতে শ্মশান এখনৰ কাষেৰে আহিবলগা হ'ল। নাহিলেও উপায় নাই, ওচৰ পোৱাৰ লগে লগে গাৰ নোম শিহৰি উঠিল ভয়তে। আটাইটাইকে খোজ দিলো, ঠাইখিনি কোনোৰকম পাৰ হ'ব পাৰিলে ৰক্ষা। এনে সময়তে মা-দেউতাৰ মনত পৰিল এবাৰ আৰু সাংস্কৃতিক সন্ধিয়া উপভোগ কৰি থকা দৰ্শকখিনিলৈ মনত খেলালে আন এবাৰ। আজি মোৰহে বিপদ আনসকলো নিৰাপদ। আনবিলাক আনন্দত মছগুল, মই মৃত্যু ভয়ত আঁটকাল, বুকুখন ধপধপাই উঠিল। ভূতে মোৰ জীৱন বস্তিগছি নুমাই দিব। বিভিন্নজনৰ কাণ চুই যোৱা ভয়াল কাহিনী মনৰ মাজেৰে পাৰ হ'বলৈ ল'লে পুনৰায়। যেনে— ৰাতি বন্ধুৰ দৰে আহি মাছ ধৰিবলৈ মাতি নি মাৰিলে; কাৰোবাক এন্ধাৰ ৰাতি পিচফালৰ ভৰিত টানি নি বগৰাই মাৰিলে ইত্যাদি।

লগতে এই ভয়কো চেৰ পেলাই পক্ষ-প্ৰতিপক্ষৰ সন্ত্ৰাস, আতংক আৰু গুপ্তহত্যাৰ মৰ্মান্তিক বেদনাই আগভেটি ধৰিলে মনত। মোৰ দৰে সিহঁতৰো একে অৱস্থা হৈছিল মৃত্যুৰ সময়ত। সিহঁতক কোনে হত্যা কৰিলে, কেনেকৈ হত্যা কৰিলে কোনেও নাজানিব। কিমান ভয়াৱহ, কিমান কৰুণ, কিমান বা বুকুৰ আৰ্তনাদ, কিমান নিদাৰুণ কৰি মাৰিলে কোনে শুনিব. কোনে বুজিব? ক'ব পৰা হ'লে কেনেকৈ হত্যা কৰিলে? মোৰ শৰীৰ কিমান কঁপি উঠিল কাকোৱেই বুজাই ক'ব নোৱাৰিম। মৰিলেও গুপ্তহত্যা সন্ত্ৰাসৰ দৰে কোনেও গম নোপোৱাকৈ বৈ যাব। সিহঁতে সদায় মৃত্যু গহ্বৰৰ পৰা কৈ থাকিব সিহঁতক অন্যায় কৰি হত্যা কৰা হৈছে। কিন্তু মই কি কম? এনে ধাৰণা সোমাল মোৰ মনত। মই নিজেও ক'ব পাৰিম যে মোক ভূতে অন্যায় কৰি মাৰিছে। মোৰ মুক্তি হ'ব, কিন্তু এই ঘাতকস্বৰূপ মানুহবোৰ অৰ্থাৎ এই ভূতবোৰ, অন্যায়, অত্যাচাৰ, নিৰ্যাতন কৰি মানুহ মৰা গুপ্তহত্যা সন্ত্ৰাসৰ ভূতবোৰ জনম জনম ভূত হৈয়ে ৰাতিৰ এন্ধাৰ গলিয়ে গলিয়ে ঘূৰি ফুৰিব লাগিব তেজৰ কেঁচা ঘা বিচাৰি, জুয়ে পোৰা মঙহৰ টুকুৰা লৈ। এয়া কেঁচা মঙহৰ ৰঙা এণ্ডাৰ, হাতত লৈ একেদৰে যাতনা ভুগিব লাগিব।

অজানিতে ন্যায়-নীতিৰ সোঁৱৰণে মোৰ বুকুখন ডাঠ কৰিলে

আৰু সাহসে আশাৰ পাহি মেল খুৱালে। হঠাৎ মূৰটো দাঙি ওপৰলৈ চালোঁ। জোনটো চকুত টলবলাই উঠিল। চাৰিওপিনে চকু ফুৰালোঁ; জোনাক গলি গলি চৌদিশ আলোকিত কৰা দেখিলোঁ। লগে লগে অনাগত দিনবোৰলৈ মনত পৰিল।

এই আলোকতে উদ্ভাসিত হৈ উঠিল মোৰ মনমন্দিৰ; বিধৱা মাক এজনীয়ে শিশু সন্তান এটিক কোৱা কথা এষাৰ মনত পৰিল। আপাহতে যেন মোক এই কথাষাৰে আহ্লাদিত আৰু সচকিত কৰিলে। মাকে ভক্তিৰ সন্দৰ্ভত কৈছিল, 'বাবা সৎ নীতিৰ ৰক্ষক, দুখীয়া-নিচলাৰ আশ্ৰয়দাতা ভগৱান; স্কুলৰ পৰা আহোতে দুপৰীয়া যদি কোনো দুষ্ট ল'ৰাই দুষ্টামি কৰি মাৰিব খোজে 'মধুসূদন' বুলি তিনিবাৰ উচ্চাৰণ কৰি ভগৱান কৃষ্ণৰ নাম ল'বা। ভগৱানে মানুহ ৰূপ ধৰি তোমাৰ কাষত থিয় হৈ সুধিব 'কি হ'ল বাবা' বুলি। তুমি নিৰাপদে আহিব পাৰিবা, কথাষাৰে অজানিতে মোক ভগৱানৰ প্ৰতি মূৰ দো খুৱাই দিলে।

এনেবোৰ কথা ভাবি থাকি জোনটো প্ৰত্যক্ষ কৰিলোঁ। বিশ্বাসী বন্ধু হিচাপে মোৰ সাহস বৃদ্ধি কৰিলে। কথাবোৰ ভাবি আহি থাকোঁতে ক'বই নোৱাৰিলোঁ কেতিয়া ঘৰৰ দুৱাৰমুখ পালোহি। মোৰ ভৰিৰ খোজ গম পাই 'মা'ই চাকিগছি হাতত লৈ ওলাই আহিল। ঘপকৈ মনত পৰিল যে মই আলহীৰ ঘৰৰ দুৱাৰ মুখতহে থিয় হৈছোঁ। সাপৰ ভ্ৰমটো আঁতৰি গৈ দুৱাৰগৰিয়াহে প্ৰত্যক্ষ কৰিলোঁ।

চৌধুৰী ঃ আপুনি বৰ কাহিনীকাৰহে; ভ্ৰমৰ কাহিনী যেনেদৰে বৰ্ণনা কৰিলে মইতো মোৰ বাস্তৱ জীৱনৰ প্ৰেমৰ আবেগময় কাহিনীকো আপোনাৰ ৰূপ দিব নোৱাৰিম। আলহীৰ ঘৰৰ ওচৰ পোৱাৰ লগে লগে দুঃসংবাদ এটাই কাণ চুলে। এয়া যেন সময়ে আহ্বান আৰু প্ৰত্যাহ্বান হিচাপে সময়ক উপস্থাপন কৰিব বিচাৰিছে।

কাগজৰ টুকুৰাটোও বাঘ হৈ জাপমাৰি বুকুত খামোচি ধৰি চোঁচৰাই টানি নি বনৰ মাজত কলিজা উলিয়াই তেজ পি হত্যা কৰি কাৰোবাৰ শৱদেহ কোনোবাই প্ৰত্যক্ষ কৰাৰ কাৰণে এৰি থৈ যাবপৰা হ'ল। বোমা-বাৰুদ, বন্দুকৰ ধোঁৱাই আজি আকাশ ছানি ধৰিছে।

মৃত্যুৰ বিভীষিকাই মৰণক্ষণ গণি পৰিৱেশ উত্তপ্ত কৰি পেলাইছে। ৰাস্তাই-ঘাটে, ঘৰৰ চুকে-কোণে সংঘাত-সন্ত্ৰাসৰ জুই ফিৰিঙতি। মুকলিমুৰীয়াকৈ চিন্তা কৰাৰ বাবে মুক্ত পৰিৱেশ নাই। বুঢ়া-বুঢ়ীৰ. অন্ধৰ লাখুটিডালো বীৰদৰ্পে কাঢ়ি নি বন্দুক সাজি মুহূৰ্ততে গিৰ্জনিমাৰি বুকুত লক্ষ্যভেদৰ আখৰা কৰিব পৰা হ'ল।

কি ক'ব? আলহীৰ ঘৰৰ নিকটৱৰ্তী এঘৰত হুৱাদুৱা লাগিল; লগতে তিৰোতাৰ কান্দোন শুনিলোঁ। ওচৰত গৈ বহুত মানুহৰ জুম দেখিলোঁ। ইজনে-সিজনক কোৱাৰ পৰা বুজিলোঁ মহিলাগৰাকীৰ বিশবছৰীয়া ল'ৰাজন যোৱা পৰহি বজাৰত যাব বুলি যি কৈ গ'ল, উভতি নাহিল। আৰু বুজিলোঁ কোনোবাই কাৰোবাক মাতি লৈ যোৱা সি হয়তো দেখিছিল। সেইজনকে হত্যা কৰা হৈছিল; সেই সন্দেহতে তাকো হত্যা কৰিলে। কোনে কৰিলে, কিয় কৰিলে তাৰ তথ্য কাৰো হাতত নাই।

ঘপহকৈ দেখিলোঁ আৰক্ষীৰ গাড়ীখন, ওপৰত এটা মৃতদেহ। কাৰো মুখৰপিনে চোৱাৰ কাৰো সাহসে নুকুলায়। এনেদৰেই ৰঙীন কল্পনাবোৰ, আশাৰ সপোনবোৰ, একোখন ঘৰৰ উদ্যোগী মনবোৰ বুকুৰ অনুভৱবোৰ উদং হৈ যায়, লগতে নিঃশেষ হৈ যায় বহুদিনীয়া প্ৰতীক্ষাবোৰ।

বৰুৱা ঃ পিতৃ-মাতৃৰ মন আকাশত উৰি ফুৰে সন্তানৰ ভৱিষ্যৎ আশাৰ পাহিবোৰ উলাহৰ ডেউকা লগাই, ৰৈ থাকে সন্তানৰ উন্নতিত হাঁহিবলৈ। এই সন্তানকে যেতিয়া বুকুৰ পৰা কাঢ়ি লৈ যায় জীৱনত হেৰুৱাবলৈ নাথাকে একো ৰৈ। তেতিয়া মনৰ সেই উৎসাহ, উদ্যম, উদগনিক শোকে বিহ্বল কৰা বিতৃষ্ণাই খেদি ফুৰে।

চাওক, সন্তানৰ সমাজবিৰোধী কামত পিতৃ-মাতৃৰ মনৰ বৰঘৰটোও এনেকৈ বতাহত ভাঙি-চিঙি চুৰ্মাৰ হৈ যায়। তাতোকৈ মৰ্মান্তিক হৈ পৰে কাৰোবাৰ চকুপানীক লৈ কোনোবাই খেলা লক্ষ্যভেদৰ ফাকুৱা খেল। কাৰণ এনেকৈয়ে জহি-খহি যায়, সমাজো নিঠৰুৱা হয়।

জীৱনৰ ৰঙীন সপোন কিন্তু এটি সৃষ্টিৰ ক্ষুধা। থালিয়ে থালিয়ে

খালেও যেন ক্ষুধাৰ নিবৃত্তি নহয়। অষ্ঠ-কণ্ঠ শুকাই যোৱা পানীৰ পিয়াহত সাগৰখন দাঙি আনি পি খালেও যেন তৃষ্ণা জুৰ নপৰে। সৃষ্টিৰ এই তাড়নাকো নিঃশেষ কৰিব পাৰে চকুৰ আগত নিঃসহায় কৰি সন্তানক টানি নি গুলী কৰি হত্যা কৰা দৃশ্যৰ বিভীষিকাই।

চৌধুৰী ঃ সময়ৰ বিচাৰ সময়ে নকৰাকৈ নাথাকে। কৰ্মৰ ফল এদিন পাবই। ই চিৰন্তন সত্য।

বৰুৱা ঃ এনেদৰেই প্ৰাণীৰ জীয়াই থকাৰ আগ্ৰহো এক চিৰন্তন সত্য। শাল-চেগুনগছ আদিয়ে পাহাৰৰ শিলৰ ফাঁকেৰে ৰস শোষণ কৰি জীয়াই থাকে। শিপাৰ ৰস শোষণত যিমানে কষ্ট হয় সিমানে গছডাল টান আৰু মূল্যৱান হয়। এই গছে আশাবোৰ জীপাল কৰে।

চৌধুৰী ঃ বন্দুকৰ ফাকুৱা খেলৰ দৰে এই গছকো যেতিয়া কাটি তহিলং কৰে অৰ্থৰ যোৰা মাৰিবলৈ হাতত কি থাকে? সেয়ে মানুহ আছে খাওঁতা, ধ্বংস কৰোঁতা; মানুহ নাই গঢ়োঁতা। সেয়ে পৰিৱেশ উত্তপ্ত কৰা মানুহজনতকৈ উত্তপ্ত পৰিৱেশ প্ৰশমন কৰা মানুহজন শ্ৰেয়। দুই জীৱাত্মাৰ প্ৰভেদে সূচায় প্ৰকৃত মানুহৰ স্বৰূপ। মানুহ আছে ক্ষোভৰ সৃষ্টি কৰোঁতা; মানুহ নাই ক্ষোভে জন্ম দিয়া আতংক সন্ত্ৰাসক বন্ধ কৰিব পৰা মানৱীয় চিন্তাৰে উপায় বিচৰা।

বৰুৱা ঃ এইবিলাক কথা ভাবিবহে পাৰি, বাস্তৱত কোনেও কাৰ্যকৰী নকৰে। বাৰু ৰাতিটো কেনে লাগিল, খোৱা-বোৱা কেনে হ'ল বুজিবলৈ দিয়কচোন। মাছ-মঙহ কিবাকিবি হাতেৰে চুব পাৰিলেনে? মোৰ হ'লে খুড়া শহুৰৰ ঘৰ। ৰাতিটো নুপুৱাইহে নুপুৱায়। কি ক'ব? আজিকালি দিয়া থোৱা, সোধপোছ ভাল পালেহে সেৱা-শুশ্ৰষা ভাল কৰিব আলহী-অতিথিক। যিয়ে নহওক, ভাল নহ'লেও বেয়া নহয়। কিহে, চৰাই-চিৰিকটিৰ মাত-বোল দেখোন আগৰ একো নাই গাঁৱত। শিয়াল-কুকুৰৰ মাত নাই, বাদুলী-কাউৰীৰ উৰাউৰি, গছেপাতে খেলাখেলি মন কৰিব পৰাকৈ বিশেষ একো এটা নাই। এটি-দুটিকৈ প্ৰাণীসমূহ লুপ্ত হৈ আহিছে। অভাৱ-অনাটনৰ কাৰণে বন্যপ্ৰাণীসমূহেও বিদ্ৰোহ আৰু অৱস্থান ধৰ্মঘটত বহিবলৈ আৰম্ভ কৰিছে। কুৰুৱা, মাছৰোকা, হাড়গিলা, চিলা, শগুন আদি দেখিবলৈ নোপোৱা যেনেই হ'ল।

চৌধুৰী ঃ ৰ'ব; মোৰ কি হ'ল কওঁ। মাছ-মঙহ, ছয়াবিনৰ আহ সকলো চুব পাৰিলো, কিন্তু মুখত দি একোৰে সোৱাদ ল'ব নোৱাৰিলোঁ। ৰাতি উশাহ নোপোৱা অৱস্থা, সকলো নিমাওমাও। ক'ৰবাত চৰাই এটিয়ে গানগাই দিব বুলি, আন ক'ৰবাত ফেঁচাই কুৰুলিয়াব বুলি কাণপাতি উনাই ৰৈ থাকিলোঁ; ক'ৰো পৰাই একো শব্দ ভাহি আহি কাণত নাবাজিল। ৰাতিটো এনেকৈয়ে শুই থাকে গভীৰ নিদ্ৰাত। ৰাতিৰ নিস্তব্ধতা ভাঙিবলৈ নিশাচৰ প্ৰাণীৰো আজি যেন আহৰি নাই। নিয়ৰ টোপালে গছৰ পাতত টোকৰ মাৰি ৰাতিক মাথোঁ বেজাৰ কৰে। উজাগৰি মনটোক সকাহ দিয়ে।

গাঁৱৰ ভালপোৱাবোৰে এতিয়া আৰু কাকো আমনি কৰিবলৈ নাহে। ৰাতিৰ আলিবাটটো নিতাল দি পৰি থকাৰ দৰে নিজৰ ঘৰতে ৰৈ থাকে ঘড়ীৰ কাঁটাৰ দৰে সীমাৰ ভিতৰতে ঘূৰি। কাৰো চকুৰ পানীৰ সাগৰত কোনোৰে ঢৌ খেলি নাচিবলৈ নাহে। নাহে ভাতসাঁজ লাগিভাগি খাওঁ বুলি। সৰু ল'ৰাবোৰে টেঙাৰ বল খেলিবলৈ ওলাই নাহে লগৰ ল'ৰা দেখিলেই। আঘোণ-পুহ মাহত পকা ৰবাব টেঙাৰ কোঁহ উলিয়াই, কলপাতত ৰাখি লোণ-জলকীয়া সানি লগৰ ল'ৰাৰ লগ হৈ খাবলৈ কাৰো সময় নাই। ভাটৌ বিদ্যাই প্ৰায়বোৰ গিলি লৈছে। কাৰো সুখ-দুখত কোনো সমভাগী হ'বলৈ ইচ্ছাও নাই, আজৰিও নাই।

বৰুৱা ঃ কি ক'ব, এটা সময়ত গাঁওখনেই শহুৰ-শাহু, বনাই-খুলশালী, মামা-ভাগিন আছিল। ইমূৰৰ পৰা সিমূৰলৈ চাহ-ভাত খাই অটাব নোৱাৰি; কোনো ঘৰত আকৌ পিচৰবাৰ অহালৈ ভাতসাঁজ যেন ৰৈ থাকে। আনন্দৰ সীমা নাই, সময়ৰ কথা নাই।

দিনবোৰ দিন হৈ ৰাতিৰ স'তে বাগৰি বাগৰি গৈ থাকিল; কিন্তু মানুহৰ সুখানন্দৰ অনুভূতিৰ উৎসবোৰ সলনি হৈ গ'ল। সুখবোৰ আঙুলিফাঁকেৰে সৰি পৰিল, দুখবোৰহে আঙুলিৰ উঠন বুকুত ৰৈ থাকিল। যি বুজিলোঁ ঘৰৰ বোৱাৰীজনীৰ বৰ অসহায় অৱস্থা। কোনেও নুবুজে জেনিবা চাকৰণী জনীহে, উঠ বুলিলে উঠ আৰু বহ বুলিলে বহ। আগতে থকা নাৰীৰ মৰ্যাদাখিনি লোপ পালে যেন লাগিছে।

সুৰা বা আন আন নিচাযুক্ত দ্ৰব্যই নাৰীৰ অধিকাৰো খৰ্ব কৰিছে। কাৰণ, ইয়াৰ সেৱনে যৌন উত্তেজনা বৃদ্ধি কৰাই নহয় ঘৰবিলাকৰো স্থিৰতা হানি কৰিছে। চিনেমা-টিভিৰ ছবি আদিত প্ৰদৰ্শন কৰা নাৰীদেহৰ নগ্নৰূপো এটা কাৰণ বুলি ভবাৰ থল আছে। অৱশ্যে কোনো ক্ষেত্ৰত ৰোমাণ্টিক উত্তেজনাৰ ছাপো কমি যায় বুলি কৰা ধাৰণা উলাই কৰিব নোৱাৰি।

চৌধুৰী ঃ চক্ৰবৎ পৰিৱৰ্ত্ততে। কি কৰিব সময়ৰ খেলা সময়ে খেলিব। সময়ৰ ঘটনাৰাজিৰ বিচাৰ এটা সময়ে কৰিব। আমি মাত মাতি থাকিলেও কোনো ব্যৱস্থাই ৰূপ নসলায়। সময়ে একোলৈকে ভ্ৰূক্ষেপ নকৰে। সময়ৰ লগত খোজ মিলাই যি গৈছে সি গৈয়েই থাকিব, টানে-টিলাই বুকু ফিন্দাই মিলাই নিমিলায়। যিজন পৰি ৰৈছে গাফিলতি কৰি, উঠি দেখিব সি দৌৰি থাকিলেও সময়ে তাক লগ নিদিব। তাৰ দুখ বানপানীত পিপৰাৰ লাৰুত মিলিব নোৱাৰাৰ দুখ।

বৰুৱা ঃ এটা কথা ঠিক যে সময়ৰ লগত খোজ মিলাই যিয়ে হাতৰ, বুকুৰ দুই ঘড়ীৰ কাঁটা মিলাই এক কৰি ৰাতিপুৱা ৰঙা আপেলৰ দৰে সূৰ্যটো কপালত লৈ আবেলি পিঠিত এৰি দিব পাৰিছে সিহে সুখৰ জীৱন ভোগ কৰিবলৈ সুবিধা মোকলাই লৈছে। সময় তেওঁৰ বাবেহে অমূল্য ধন। সৎপথত কৰে সেইজনেই সৎ উপাৰ্জন। সময়মতে নিয়োজিত কৰ্মকৰা মানুহজন নিজেই এটা ঘড়ী; আনৰো আদৰ্শৰে ব্যক্তি। ৰাতিপুৱা বিছনাৰ পৰা উঠাকে ধৰি দিনটোৰ কৰ্ম দেখিলে হাতত ঘড়ী নহ'লেও চলে। এনেকৈয়ে একমিনিটৰ অৱহেলাই যুদ্ধত পৰাজয় কৰে। সেয়ে আনহাতে ক'বলৈ গ'লে আমিবোৰ ঘড়ী হৈ গৈছো; চকৰিত ঘূৰিয়ে আছোঁ। কোনোৱে জিৰণি ল'ব নোৱাৰোঁ। জীয়াই আছোঁ সময়ৰ কাম সময়ত কৰিব নোৱাৰাৰ উদ্বেগৰ তাড়না লৈ। মৰক জীয়ক একো চাবলৈ কাৰো সময় নাই। লক্ষ্য পূৰণৰ হেঁপাহেৰে আক্ৰান্ত আমি আধুনিক মানুহবোৰ।

চৌধুৰি ঃ অ' সেই যে যুধিষ্ঠিৰৰ 'অশ্বত্থামা হত' বুলি কৈ কপট নিদ্ৰা মাৰি বা বিৰাম লৈ 'ইতি গজ' কৈছিল; সেই এক মিনিট সময় নিৰুৎসাহ আৰু উৎসাহৰ মাজৰ মনৰ ফাঁকটোই যুদ্ধৰ গতিশীল স্থিতিত কেৰোণ

লগায়। লগতে কুৰুক্ষেত্ৰ যুদ্ধৰ ইতিহাসত পাণ্ডৱৰ নীতিৰ যুদ্ধৰ ধৰ্মীয় বীৰত্বত চেকা পৰি ৰ'ল। সময় এনেকৈয়ে বৈ থাকে ৰত্নাকৰ দস্যুৰ টাৰ্ণিং পইণ্টৰ ইতিহাস বুকুত সাবটি।

বৰুৱা : গছৰ ছাঁটো থিয় হৈ আহিছে। অলপ ঘূৰিলৈ ওচৰচাপি আহক। হাতত অলপ সময় আছে।

চৌধুৰী : আগুৱাই আহিলোঁ বাৰু, অ' ৰ'ব, এই যে সময়ৰ কথা ক'লে এই দিশত মোৰ মনত কথা এটাই আমনি কৰিবলৈ ল'লে। জানেই নহয়, সৰু ল'ৰা-ছোৱালীৰ বেজাৰ; ভালো লাগে, বেয়াও লাগে। চুমা খাবলৈও মন যায় আৰু বেজাৰ কৰিলে থাপৰটো মাৰিও খং নপলায়।

বৰুৱা : কি কথা?

চৌধুৰী : আত্মাটোৱে যে এটা দেহৰ পৰা আন এটা দেহলৈ যায় বুলি কৈছিল, একোটা দেহত যে থাকে ইয়াৰ নিৰ্দিষ্ট সময় আছে নিশ্চয়; নাইবা চাৰ্ট এটা পুৰণি হোৱালৈ বা দেহটোৰ আৰম্ভণি কোষ সৃষ্টি সম্পূৰ্ণ হৈ কিছুদিন জীয়াই থাকি পুনৰাই ক্ষয় হোৱালৈ এই সময়খিনিয়েই দেহত আত্মাৰ স্থিতি বা জিৰণিৰ সময়। ইয়াৰ তিনিটা পৰ্যায়— জন্ম, বৃদ্ধি আৰু ক্ষয়। ইয়াৰ প্ৰথা দুটা, কোষ গঠনটো হ'ল উপচিতি আৰু কোষ ধ্বংসটো হ'ল অপচিতি। এই দুটা কোষ ক্ৰিয়াৰ সময়ে দেহত আত্মাৰ স্থিতিৰ সময়। এই স্থিতিৰ সময় কম বেছি কিহৰ ওপৰত নিৰ্ভৰ কৰে বুলি ভাবে?

বৰুৱা : কিহে! নাজানোঁ বুলি কয়, সময় সোঁতত পিচপৰি থকা ভকতো নহয়; সময়ৰ সৎ ব্যৱহাৰত আপুনি সচেতন আৰু মাটিৰ ঘামৰ গোন্ধ লৈ জীৱন ঘড়ীৰ পিচে পিচে ঘূৰি প্ৰগতিৰ স'তে খোজ দিবলৈ কুণ্ঠাবোধো নকৰে।

চাওক, প্ৰত্যেক বিধ বস্তুৰে একোটা সময় সাপেক্ষ জীৱন আছে। দেহৰ চাৰ্ট বাহিৰত আৰু কোষৰ গঠন-ক্ষয় ভিতৰত; উভয়ৰে সময় আছে। কিন্তু আত্মাৰ অন্তহীন প্ৰবাহ এটা দেহৰ পৰা আনটো দেহলৈ চলে। বিশ্বব্ৰহ্মাণ্ডৰ বায়ুকণাৰ দৰে আজি ইয়াত কাইলৈ তাত; তেনেকৈ সুপৰিৱেশত সুগন্ধ আৰু কুপৰিৱেশত দুৰ্গন্ধ। আত্মাস্থিত বায়ুকণা এনেদৰে পৰমাত্মা-পৰমবায়ুৰ অংশপ্ৰবাহ চলে। এনে

পৰিপ্ৰেক্ষিততে হয়তো আত্মাৰ মৃত্যু নাই, ই কালজয়ী, অক্ষয়, অবিনাশী বুলি কোৱা হয়। সেয়ে জুই, পানী, বতাহ, অস্ত্ৰ একোতে নহয় বিনষ্ট। নতুন দেহত সোমালে প্ৰাণ পায় হৈ উঠে সঞ্জীৱিত। সু-সংস্কৃতিৰ পৰিৱেশত শুদ্ধ আত্মা আৰু কু-সংস্কৃতিৰ পৰিৱেশত অসূয়া আত্মাৰে জীৱন কটায়। বলৰ ভিতৰত থকা পাম্প দিয়া ব্লাডাৰৰ পৰিসৰেই দেহত আত্মাৰ পৰিসৰ। শুদ্ধ আত্মা বা সাত্ত্বিকৰ ক্ষেত্ৰত ভাত-পানী খাই নতুন চাৰ্ট-পেণ্ট পিন্ধি গুৱা এখন চুণ-পাণসহ মুখত সোমাই চোবাই চোবাই ওঁঠদুটা ৰঙা কৰি চিলচিলা হৈ মিলমিলা হাঁহি মাৰি সজীৱ হোৱাৰ দৰে হয়। আত্মাটোৱে দেহত চৈধ্য ইন্দ্ৰিয়ৰ সহায়ত মন আৰু বিবেকৰ দ্বাৰা প্ৰাণটো সজীৱ কৰি তোলে। দেহটো ভাগি খণ্ড খণ্ড কৰি আত্মাক বিচাৰি উলিয়াব নোৱাৰি। চিমেণ্ট, শিল, বালি, পানীত মিহলাই কংক্ৰিট কৰা হয়। ইয়াত এটা নিৰ্দিষ্ট সময়ৰ আৱশ্যক। যদি কংক্ৰিট কেনেকৈ হয় বা হৈছেনে নাই আৰম্ভণিৰ পৰা লাৰি চাই থাকে কংক্ৰিট হৈ নপৰে। এই কংক্ৰিটটোৱেই দেহৰ প্ৰাণৰ দৰে এটা জীৱন। ইয়াত পানী হ'ল প্ৰাণবায়ু। মৌল কেইটাৰ ৰাসায়নিক মিলনৰ নিৰ্ধাৰিত অনুপাতৰ শুদ্ধতা আৰু সৃষ্টিৰ নিৰ্ধাৰিত সময়ৰ শুদ্ধতাৰ ওপৰত নিৰ্ভৰ কৰে যৌগৰ আয়ুস, তদ্ৰূপ জীৱৰ।

চৌধুৰী : ৰ'ব, আত্মাৰ আহ-যাহ প্ৰথা আলহী আহ-যাহৰ দৰে নেকি? আৰু সময়টো?

বৰুৱা : নহয়, নতুন চাৰ্টৰ দৰে বা নতুন ঘৰটোৰ দৰে যিটো দেহত সোমায় তাৰ সম্পূৰ্ণ অধিকাৰ সাব্যস্ত কৰি লয়, ধৰক ভাৰাতীয়া ঘৰ। যেতিয়ালৈকে থাকে তাৰ অধিকাৰ সাব্যস্ত কৰে। লগতে সূৰ্যৰ পোহৰত গছৰ পাতে সেউজীয়া কণা ক্লোৰ'ফিল প্ৰস্তুত কৰাৰ দৰে আত্মাবায়ু কণাই দেহটো আচ্ছাদিত কৰি বৈ যায় ভিতৰত। হৃদয়ত স্থিতিবিন্দু, কপালত জ্যোতি বিন্দু প্ৰকাশিত হয়। দেহটোৱে আত্মাৰ পোহৰত খাদ্য চৰিত্ৰ প্ৰস্তুত কৰে আৰু নতুন নতুনকৈ এই চৰিত্ৰৰে দেহটোৱে পঞ্চেন্দ্ৰিয়ৰ সহায়ত জীৱন ভোগ কৰে। সময়টো বীজ গণিতীয় সূত্ৰ নহয়, কৰ্ম সূত্ৰহে। এনে বিজুলী পোহৰৰ উৎপাদকস্থলী দেহটোতে আবদ্ধ।

চৌধুৰী ঃ হেৰি, আন এটা কথা এনে সন্দৰ্ভতে ভাবিবলগীয়া হ'ল। এই যে আলহী আহ-যাহ কৰোতে কোনোবাই মিঠাইৰ টোপোলা আদি লগত লৈ আহে আৰু আন এপদ-দুপদ লৈ যায়; কোনোবাই আনন্দ মনে বয়-বস্তু লৈ আহে কিন্তু যাবৰ সময়ত শুদা হাতে শুদা মুখে বিষাদ মনেৰে উভতিব লগা হয়। ইয়াৰ অন্তৰালত কিবা ৰহস্য থকা বুলি ভাবে নেকি?

বৰুৱা ঃ আপুনি দেখোন নাজানোঁ বুলি কৈ পৰীক্ষাত বহুত বেছি নম্বৰ পোৱা ছাত্ৰৰ দৰে হয়। প্ৰকৃতাৰ্থত আমি দুয়ো যে এইখিনি বুজাবুজি হ'লোঁ এইখিনি প্ৰজ্ঞা সূৰ্যৰ পোহৰত উদ্ভিদে শ্বেতসাৰ প্ৰস্তুত কৰাৰ দৰে আত্মাৰ পোহৰৰ ৰেঙণিত আশিস স্বৰূপে লাভ কৰিলোঁ। সেই বুলি নেভাবিব যে আমি হাত সাবটি বহি ৰ'লোঁ আৰু উদ্ভিদৰ দৰে স্বতঃস্ফূৰ্তভাৱে ৰাসায়নিক বিক্ৰিয়া কৰিব পালোঁ; আত্মাত আছে মন, হাতত আছে কৰ্ম, ফলত আছে একনিষ্ঠতাৰ ধৰ্ম আৰু সেয়ে হ'ল পোৱা নোপোৱাৰ অচিন মৰ্ম। আত্মা হ'ল ৰাসায়নিক ক্ৰিয়া-বিক্ৰিয়াৰ অনুঘটকহে। আগতে জানিছেই।

চৌধুৰী ঃ বাৰু শুনক, কৰ্ম সাপেক্ষে ধৰ্মৰ পৰিপ্ৰেক্ষিতত মোৰ মনত এটা প্ৰশ্ন উদয় হৈছে। এই সন্দৰ্ভত কওঁ; তিনিজন ভকত, মানে ধৰ্মগ্ৰন্থ ইঘৰ-সিঘৰত পঢ়ি ফুৰা মানুহ। যেনে— কীৰ্তন, নামঘোষা, শ্ৰীমদ্ভাগৱত গীতা, মহাভাৰত, কৃষ্ণগীতা আৰু ৰামায়ণ আদিয়ে প্ৰধান। ইয়াৰ পৰা প্ৰেম, করুণ ৰস আদি পান কৰিয়ে নিজে নিজে ধন্য হয়।

বিয়া-সবাহ, তিথি-পৰ্ব, মৃতকৰ শ্ৰাদ্ধ-পিণ্ড আদি উপলক্ষে কৰ্মকাণ্ডত আৰু পুৱা-গধূলি ইঘৰ-সিঘৰত এই গ্ৰন্থ পঢ়ে; দুই-চাৰিজনে লগ লাগে চাহ-পানী, জলপান, তামোল-পাণ, বিড়ি-চিগাৰেট আদি ধূমপান কৰে। লক্ষণীয় দিশ তিনিওজনৰ আটায়ে- নিষ্কৰ্মা। ঘৰত বিশেষ কাম নথকাৰ অজুহাত দেখুৱাই থাকে। সেয়ে সময় দিনৰ দিনটো নাযায়হে নাযায়; কৃষ্ণ-কৃষ্ণ-কৃষ্ণ উচ্চাৰণ কৰি দিনটো কটায়। বহাৰ পৰা থিয় হ'লেও কৃষ্ণ, থিয়ৰ পৰা বহিব ল'লেও কৃষ্ণ, কাৰোবাৰ লগত কথা হ'ব লাগিলে বা কাৰোবাক লগ পোৱাৰ লগে লগে কৃষ্ণ, চাহ-তামোল-চিগাৰেট হুপিব ল'লেও কৃষ্ণ। শেষত মানুহে

দেখিলে কোৱাকুই কৰা হ'ল, কৃষ্ণ বুলি।

এদিন গধূলি কাৰো ঘৰত পাঠ পঢ়া নাই, ঘৰতো চাউল-চিৰাৰ অভাৱ, এজনৰ এনে দুৰৱস্থাৰ কথা শুনিলে আন দুজনৰ নুশুনাই ভাল। ৰাতিৰ আকাশৰ তঁৰা বছা ঘৰৰ চাল। বুঢ়া মানুহৰ লৰা দাঁতৰ খুঁটাৰ ঘৰ, এফালৰ বেৰৰ ফাঁকেৰে কুকুৰ সোমায় আনফালে সহজে ওলায়। পত্নীৰ আখৈফুটা গালিৰ ভয়ত বেছিভাগ সময় কটায় বাহিৰত। তিনিওৰে আলোচনাত অভাৱৰ কথাই নাপায় ঠাই, কামত বান্ধ খাই থকাৰ ভয়। গৃহিণীয়ে কোনো এটা উপায় উলিয়াই ভাতসাঁজ মিলাই দিয়ালৈ থাকে চাই।

সেইদিনা গধূলি তিনিও লগ হৈ গৈ থাকিল। ইপিনে এঘৰত গৃহিণীয়ে চোতালত ঢাৰি পাৰি বহি কেঁচুৱাটো কোলাত লৈ বিচনীৰ বা দি আছিল, ঘৰৰ দুৱাৰ খোলা। গৰমৰ দিন; চাই থাকোঁতে এন্ধাৰে পৰিৱেশটো গিলি ল'লে। সেই সুযোগতে চোৰে ভিতৰত সোমাই চাউলৰ বস্তা এটা নিলে উলিয়াই, বাটটে চিনাকি মানুহ দেখি বস্তা এৰি চোৰ গ'ল পলাই।

ভৰিত খুন্দা খাই হাতেৰে লাৰি চাই চাউল বুলি বুজি পাই তিনিও ভকতে ঈশ্বৰে মিলালে বুলি দাঙি লৈ যায়। ইফালে চাউল চুৰিৰ হাঁহাকাৰে দিলে আকাশ-পাতাল চৌদিশ কঁপায়। পুলিচে খবৰ পাই আহিল লৰি-ঢাপৰি, ইপিনে ভকতেও বস্তা দাঙি পৰিল ভাগৰি। খোজ আহিল ঢিলা পৰি, পুলিচে ধৰিলে তিনিওকে আগুৰি।

চাউলৰ বস্তাসহ ধৰি লৈ গ'ল থানাত, দেখিলে তিনিও ভকত। ভাবিলে, কিয় বজিল চাউল চোৰৰ জালত। সকলো উদ্ধাৰ হ'ল পুলিচৰ জেৰাত। কি ক'ব ছাৰ! কৃষ্ণ-কৃষ্ণ-কৃষ্ণ ভগৱানে সাজিলে তিনিওকে ভকত- মন নবহে কাম-বনত; ৰামায়ণ, মহাভাৰত, গীতা পাঠ পঢ়ো বহুতৰ ঘৰত। শুদা হাত ধোওঁ খোৱাৰ পাচত, একো লাগি নাথাকে হাতত। জিভাৰে চেলেকি চেলেকি থাকিলেও একো নপৰে পেটত। আধাপেটি বাগৰ দিও শোৱনি পাটীত। কৃষ্ণ-কৃষ্ণ-কৃষ্ণ ভগৱানে কৰিলে চোৰ আমাক, ইয়ো বিধিৰে বিপাক। থানাতো সোমালোঁ, ভগৱানে উলিয়াই নিনিলে, খালাচ কৰি নিব ক'ম কাক?

কোনে মুক্ত কৰিব আমাক? ভকতৰ কথা শুনি ছাৰ অবাক। ছাৰে ভাবিলে তিনিওকে একোগ্লাচ পানী খুৱাই গাড়ীৰে থৈ আহিম নেকি ঘৰত; গৃহিণীক কম দা-কোৰ দি হাতত, লগাই দিয়ক কামত।

বৰুৱা ঃ এতিয়া নিজেই বুজিলে দেখোন টোপোলা আছে ক'ত? মোক চা, মোক চা কৰি কৰ্মই বৈ আছে য'ত। সপোনত হাতীয়ে খেদে নে কৰ্মৰ হাত ধৰি টকাই খেদি আহে সাত্ত্বিক জনৰহে অনুভৱত ধৰা পৰে।

চৌধুৰী ঃ হয়হে, কৰ্মই ধৰ্ম; এয়ে সংসাৰৰ সাৰমৰ্ম। এই কৰ্মৰ নিৰ্দ্ধাৰণত থাকে আত্মাৰ মহত্ত্ব, আত্মাৰ মহত্ত্বই কৰ্মত উৎসাহ, উদ্দীপনা আৰু অদমনীয় সাহস যোগায়, নহয় জানো?

বৰুৱা ঃ হয়, জীৱনত আমি আশা কৰি পোৱা-নোপোৱাটেও এক কৰ্মৰেই খতিয়ান। একনিষ্ঠ কৰ্মৰ উৎস হ'ল আত্ম শুদ্ধি। আত্মা যাৰ শুদ্ধ, একনিষ্ঠ কৰ্মই হৈ পৰে তাৰ লক্ষ্য।

চাওক, এজন মানুহৰ মৃত্যু হ'লে আমি কওঁ শেষ নিশ্বাস ত্যাগ কৰিলে; অৰ্থাৎ শ্বাস-প্ৰশ্বাস প্ৰক্ৰিয়াৰ শেষ বায়ুখিনি অৱশিষ্ট ক্ষয়িত বায়ুকোষৰ পৰা ওলাই গ'ল। লগে লগে শ্বাস-প্ৰশ্বাস বিক্ৰিয়াটো বন্ধ হৈ শেষ কাৰ্বন-ডাই-অক্সাইডখিনি ওলাই গ'ল। কিন্তু অক্সিজেন লোৱাৰ কাৰণে দেহত সজীৱ কোষ নথকাত অক্সিজেন সোমাব নোৱাৰি অন্তৰ্নিহিত ৰাসায়নিক বিক্ৰিয়াটো বন্ধ হৈ অন্তৰ্নিহিত বৈদ্যুতিক যন্ত্ৰটো অচল কৰি হৃদক্ৰিয়াও বন্ধ কৰি দিলে। এয়া জঠৰ দেহ বা শৱ দেহ। অৰ্থাৎ দেহ যন্ত্ৰটোৰ সকলো অঙ্গই বিকল।

এই বিকল দুই ধৰণে হ'ব পাৰে। এটা ৰাসায়নিক— অক্সিজেন, কাৰ্বন-ডাই-অক্সাইডৰ বাবে, আনটো বৈদ্যুতিক; এটাই আনটোক বিকল কৰে। এনেকুৱা মৃত্যুক আকস্মিক মৃত্যু বুলি কয়, য'ত সকলো অঙ্গই ঠিক কিন্তু জীৱন ক্ৰিয়াৰ গতি অচল। অচল বিক্ৰিয়াটো যিয়েই নহওক ৰাসায়নিক বা বৈদ্যুতিক, মুঠতে প্ৰাণবায়ুৰ প্ৰস্থানে মৃত্যু। আকৌ মৃত্যু মানে কেঁচামালখিনি লৈ তৈয়াৰ কৰা যন্ত্ৰটো পুনৰ মেৰামতি কৰিব নোৱাৰা হৈ গ'ল। এনে মেৰামতি কৰিব নোৱাৰা বা পুনৰ জীৱন দিব নোৱাৰা কথাতেই লুকাই থাকে

আধ্যাত্মিকতা তথা ঈশ্বৰৰ মাহাত্ম্য।

এতিয়া প্ৰশ্ন হ'ল, কাৰিকৰে যে বনালে এই জীৱন যন্ত্ৰ, প্ৰকৃতিৰকেঁচামালখিনি হাতত লৈ, এই কেঁচামালখিনি ক'ৰ পৰা আহিল? তেওঁটো কেঁচামাল তৈয়াৰ কৰা নাই। এই কেঁচামাল সৃষ্টিৰ প্ৰকৃতিৰ আঁৰত থকা জনেই ভগৱান— বায়ুকণা সদৃশ প্ৰকৃতিৰ ৰূপত গাতে লাগি থাকে। আমি চিনি, জানি বুজি নাপাওঁ। পতি-পত্নীৰ সঙ্গ আকৰ্ষণৰ উৎসৰ সৃষ্টিকাৰী স্ৰষ্টা। এই আকৰ্ষণৰ আঁৰত অৰ্থাৎ প্ৰেম-পিৰিতিৰ লগত লুকাই খেলি থাকে সংসাৰখনৰ ছাঁত।

ৰাৱণৰ কৰ্ম শক্তিক দহটা মস্তিষ্কৰে বুদ্ধি-কৌশল উপস্থাপন কৰাৰ দৰে, এই মহাশক্তিৰ তিনিটা কৰ্ম শক্তিৰ ব্ৰহ্মা, বিষ্ণু, মহেশ্বৰক উপস্থাপন কৰিছে, আৰু ভাবিব পাৰি ভগৱানৰ অজোখ, অসীম, একক শক্তিক ব্ৰহ্মাৰ, সৃষ্টিকাৰীৰ নামত এক শক্তি, বিষ্ণুৰ তেওঁ নিজে গৰাকী চিৰপ্ৰবাহমান হৈ সৃষ্টিত এক শক্তি আৰু মহেশ্বৰৰ এক শক্তি হিচাপে স্থাপন কৰিছে। আৰু মহেশ্বৰ বুলিলে অগ্নিকে অন্যতম হিচাপে ভাবিব পাৰি। সেয়ে একনিষ্ঠতাইহে কৰ্মৰ বুদ্ধি কৌশলৰ যোগান ধৰে। ইয়ে শ্ৰেষ্ঠ পুৰুষলৈ গতি কৰাত সহায় কৰে। মুঠতে ব্ৰহ্মা— সূৰ্যৰ নামত বিষ্ণু, কৃষ্ণ একক হৈ প্ৰতিটোতে আংশিক প্ৰতিফলিত হৈছে।

চৌধুৰী ঃ তাৰমানে এই কেঁচামালৰ সৃষ্টিৰ উৎসই নিৰ্ণয় কৰে ঈশ্বৰৰ ৰহস্য? ধৰক টিভি, মোবাইল বা কম্পিউটাৰৰ এটা হাৰ্ডওৱেৰ আৰু আনটো চফ্‌টওৱেৰ। উভয়ৰে সংযোগতে চলাচল নিৰ্ভৰ কৰে। এটা বিকল হ'লে আনটো নিজে নিজেই বিকল হৈ যায়।

বৰুৱা ঃ সেয়ে, দেহটো প্ৰাণ-বায়ু আত্মাৰ আস্থান। এই প্ৰাণ-বায়ু আত্মা ওলাই গ'লে ক্ষুদ্ৰতিতম অনুজীৱ, ভাইৰাছ আৰু জড় আৰু জীৱৰ লক্ষণ থকা পৰমাত্মিক সংযোগটো বিচ্ছিন্ন হৈ যায়। আত্মিক বায়ুও মুকলি বায়ুৰ লগত এক হৈ যায়। এই অধ্যয়নেই হ'ল আধ্যাত্মিক বিজ্ঞান (Spiritual Science)। কেঁচুৱাক যেনেকৈ আমি পুতলাবিলাক দি খেলিবলৈ কওঁ বা শিশুৱে খেলে তেনেকৈ এই কেঁচামাল প্ৰেম-প্ৰীতিক লৈ জীৱসমূহক খেলি সংসাৰখন চলাই থাকি'বলৈ দিয়ে।

কেঁচুৱাক পুতলা দি নচুৱাই নাথাকিলে ৰাখিব নোৱাৰাৰ দৰে এই প্ৰেম-পিৰিতি নহ'লে বা ইয়াৰ সহায়ত জীৱন নচুৱাই থাকিব নোৱাৰিলে এই পাৰ্থিৱ সংসাৰখন নাথাকে।

চাওক, আমি গছৰ তলত আছোঁ; উদ্ভিদ আত্মা আৰু আমাৰ আত্মা দুয়োৰে জীৱাত্মাৰ লগত প্ৰকৃতি আত্মাৰ অৰ্থাৎ পৰমাত্মাৰ সম্পৰ্ক আছে। এই সংযোগ উদ্ভিদ আৰু জীৱৰ সম্পৰ্কৰ দৰে, অক্সিজেন আৰু কাৰ্বন-ডাই-অক্সাইডৰ শ্বাস-প্ৰশ্বাস ক্ৰিয়াৰ সম্পৰ্ক। উদ্ভিদ আৰু জীৱজগত পৰস্পৰে পৰস্পৰৰ ওপৰত নিৰ্ভৰশীল হৈ থাকে অনবৰতে এনেদৰেই। এই সম্পৰ্ক যদি কোনো বৈজ্ঞানিক কাৰণত ছেদ হৈ যায় তাৰ পিচত কি হ'ব, হোৱাৰ পিচতহে ক'ব পৰা যাব।

চৌধুৰী ঃ আপুনি বিজ্ঞানৰ ছাত্ৰ আছিল। বিজ্ঞানতে কথাৰ সামৰণিও কৰে। লগতে ধৰ্মই বিজ্ঞানে একাকাৰ নকৰাকৈয়ো নাথাকে; উভয়ে মানৱ কল্যাণ দৃষ্টিভংগীক চুই যায়। কিন্তু দুয়োৰে মাজত আঁৰিয়া-আঁৰি নথকা নহয়। ধৰ্মৰ তত্ত্ব ঈশ্বৰ বিশ্বাসতে আবদ্ধ; বিজ্ঞানৰ তত্ত্ব তথ্যত সীমিত। দুয়ো বিজ্ঞানীৰ যদি সংঘৰ্ষ হয় কাৰ ক্ষোভে কিহৰ জন্ম দিয়ে কোনেও ক'ব নোৱাৰে। এনে ক্ষোভেই আজিৰ সন্ত্ৰাসৰ জন্ম দিছে নহয় জানো?

বৰুৱা ঃ হয়, সমাজক যি নীতি-নিয়ম প্ৰথাই সুস্থিৰভাৱে ধৰি ৰাখে বা শৃংখলাবদ্ধভাৱে সমাজখনক পৰিচালনা কৰে সেয়াইটো ধৰ্ম। এই পৰিচালনাত লাগে সৎ নীতি, সৎ ভাব আৰু সম বিচাৰ। এয়াই আচল মানৱ হিতৰ ধৰ্ম। মানৱ হিতৰ উৎস অৱজ্ঞা কৰিলেই সমাজত বিশৃংখলে ৰাজত্ব কৰে। ফলত ক্ষোভ ইয়াৰ ফচল হৈ পৰে।

দূৰ অতীতত মৌলিকভাৱে চলি অহা এনে আৱশ্যকীয় কথাবোৰ শ্ৰুতিৰ পৰা বেদত প্ৰথমে লিপিবদ্ধ ৰূপ পালে, তেনেকৈয়ে আহিল চৈধ্য শাস্ত্ৰ ওঠৰ পুৰাণ সহ ওঠৰ উপ-পুৰাণো। এয়া হ'ল সমাজলৈ আগবঢ়োৱা প্ৰথম অৱদান-বৰঙণি। এই আৱৰ্ভণিয়েই হ'ল বৈদিক পৰম্পৰা (The Vedic Tradition.) এনেদৰে অনবদ্য অৱদানসমূহ প্ৰকৃত সংস্কৃতিৱানসকলৰ ছত্ৰ-ছায়াত সজীৱ হৈ থাকে।

চৌধুৰী ঃ ৰ'ব, মোৰ প্ৰশ্নটো দেখোন আজিকালিৰ ৰাজনীতিবিদৰ দৰে এৰাই গ'ল।

বৰুৱা ঃ অ', প্ৰকৃততে এৰাই যাব খোজা নাই যদিও প্ৰকৃত বিজ্ঞানৰ ছাত্ৰৰ উত্তীৰ্ণৰ প্ৰমাণ-পত্ৰখনৰ প্ৰমাণটো ধৰি ৰাখিব পৰাত অপৰাগ ভাব এটাই গা কৰি উঠাত মনটো দুৰ্বল হৈ পৰিছে কথাটোৰ উত্তৰ দিয়াত।

চৌধুৰী ঃ তাৰমানে আজিকালি যে প্ৰমাণ-পত্ৰখন হ'লেই হ'ল, পৰীক্ষাত পাছ কৰা জ্ঞানৰ প্ৰয়োজন নাই। দুই নম্বৰী বাটটোৱে ইতিমধ্যেই দুৱাৰখন খুলি থৈছে।

বৰুৱা ঃ বুজিছেই দেখোন। এই জ্ঞানবিলাক বাটে-পথে পৰি আছে। বিনা কষ্টে, গ্ৰন্থত সময় অতিবাহিত নকৰি বা মহান, মহৎ মহাপুৰুষৰ অমৃত বাণীসমূহত চকু নুফুৰালেও, বুটলি লৈ জীৱনটো নচুৱাব পাৰি আৰু ঘূৰ্ণিবতাহ হৈ ধূলি উৰুৱাই সমাজখন পুতি পেলাবও পাৰি নাইবা সমাজখন ভাঙি-চিঙি চুচুৰ্মৈ কৰি দিব পাৰি। অৱশ্যে যি সকলে কৰে পিচত ফুটুকাৰ ফেন হৈ নিজেই লজ্জাত নপৰাও নহয়। 'ফাঁট দিয়া বসুমতী পাতালে লুকাওঁ' বুলি কৰা সীতাৰ চেষ্টাও অথলে যায়।

চৌধুৰী ঃ এৰক, এৰক, আপোনাকো মই তেনে কৰিলোঁ নেকি?

বৰুৱা ঃ নাই, তেনেকৈ নাভাবিব। বাৰু, আগৰ কথালৈ আহোঁ।

সমাজৰ মানুহক, অৰ্থাৎ পৰিয়াল, ঘৰ, সমাজ প্ৰমুখ্যে বিভিন্ন শিক্ষণীয়, পালনীয়, পৰিচালনা কৰিবলগীয়া কাম, নীতি-নিয়মকে ধৰি আৰ্থিক, কৃষি ৰোগৰ চিকিৎসা, সংগীত, জ্যোতিষ শাস্ত্ৰ সকলো একক ধাৰাবাহিকতাৰ ৰূপত চলি আহিছিল এই ব্যৱস্থাবোৰ মুখে মুখে। ইয়াৰ লগত সময় সাপেক্ষে পৰিৱেশৰ অভিজ্ঞতা যোগ-বিয়োগ হৈছিল। সমাজক ধাৰাবাহিকভাৱে উন্নতিৰ দিশত ধৰি ৰাখিব পৰা তথা জীৱনটো জীয়াই ৰখাৰ এনে ব্যৱস্থাৰ জ্ঞানেই হ'ল মানুহৰ আত্ম-জীৱ-তত্ত্ব জ্ঞান (Self Life Knowledge)। এনেদৰে ধৰ্মৰ লগত ব্যৱহাৰ কৰা শব্দটো হৈছে আত্মা (Soul)। ঋষি, মুনি, সাধক, মনীষী, দাৰ্শনিক আদিৰ পৰা আমি জানিব পাৰিছোঁ যে বেদে 'ব্ৰহ্ম'ক 'আত্ম' বুলিছে; (K. M. Sen in his Book of Hinduism says that Brahman and Atman are the same) 'আত্ম'ক বিজ্ঞানে

(Atom) এটম বুলি ধৰিছে, অৰ্থাৎ আধুনিক বিজ্ঞান আধ্যাত্মিক বিজ্ঞানমুখী হোৱাটোৱেই হ'ল ধৰ্ম আৰু বিজ্ঞান একত্ৰীকৰণ। সেয়ে আধুনিক বিজ্ঞান 'আত্ম'— এটমৰ পৰা পদাৰ্থ— পানীৰ পৰমাণুৰ অণু সাগৰ পানীত মিহলি হৈ এক হোৱা ক্ৰিয়া। এইটোৱেই আকাশ তত্ত্বৰ পৰা ক্ষিতি তত্ত্বলৈ নমা পৰমাত্মাৰ অংশ 'আত্মা। আত্মা সাপেক্ষে 'আত্ম' সন্ধানৰ ওপৰত নিৰ্ভৰ কৰে জীৱন সন্ধানৰ প্ৰকৃত স্বৰূপ। এয়া মানুহ, মানুহ হৈ জীয়াই থকাৰ অমূল্য সম্পদ। মানুহ আৰু মানুহৰ মাজৰ বিভেদ আঁতৰোৱাৰ মহৌষধ। এই আত্মা দেহৰ পঁধা ওলাই পৰমাত্মালৈ যাওঁতে গৰম পাইপৰ মাজেৰে পানী গৰম হৈ আৰু চেঁচা পাইপৰ মাজেৰে চেঁচা হৈ যোৱাৰ দৰে বা বায়ু এনেদৰে গৰম বা চেঁচা হৈ প্ৰবাহিত হোৱাৰ দৰে প্ৰাণবায়ু, আত্মা যিমান দিন, মাহ, বছৰ নিৰ্দিষ্ট দেহটোত সোমাই থাকি সেই পৰিৱেশত যি অভিজ্ঞতা অৰ্জন কৰে সেই অভিজ্ঞতাৰ লগত আত্মাৰ পুৰণি অভিজ্ঞতাৰ সংযোগ তথা সমন্বয় ঘটে। ইয়াত এটা নতুন আত্ম প্ৰবৃত্তি গঠিত হয়; ভাল, বেয়া বা সানমিহলি। এনে চাৰিত্ৰিক বৈচিত্ৰ্যৰে নৰদেহত প্ৰৱেশ কৰে বুলি ধাৰণা কৰিব পাৰি।

কি ক'ব, আকাশৰ বায়ু, পাতালৰ পানী দুয়ো খেলা কৰে বিভিন্ন ৰূপ লৈ, সূৰ্যৰ তাপত ধৰাশায়ী হৈ। এয়া অনন্ত ব্ৰহ্ম ৰূপ— বায়ুমণ্ডল; ব্ৰহ্মা-বিষ্ণু-মহেশ্বৰ, এই তিনি প্ৰতিৰূপ প্ৰকৃতিৰ অবিৰত কৰ্মৰেই। কেনেকৈ বুজিব মহিমা ইয়াৰ। নীৰৱ সাধনা মহানুভৱতাৰে কৰা উপলব্ধিত ধৰা পৰে ইয়াৰ সৰ্বকালৰ (Omniscient), সৰ্বশক্তিমান (Omnipotent) আৰু সৰ্বব্যাপী (Omnipresent) ৰূপটো। সৃষ্টি ধৰি ৰখা সূৰ্যৰ কি গুণ, ধৰ্ম নিহিত বিজ্ঞানে উলিয়াব পাৰিব— এয়া স্থূল তত্ত্ব, আধ্যাত্মিক বিজ্ঞানে উলিয়াব পাৰিব ইয়াৰ সূক্ষ্ম তত্ত্ব। দুয়োৰো একত্ৰীকৰণত থাকিব সৃষ্টি তত্ত্বৰ মাহাত্ম্য। নহ'লে চাওক, জুইৰ পোহৰ আছে, তাপ আছে সূৰ্যৰ দৰে, ইয়াৰে অগ্নিৰ অংশই হ'ল দাহন শক্তিসম্পন্ন। সূৰ্যৰ তাপো প্ৰখৰ হ'লে পুৰিব পাৰে; কিন্তু ইয়াত সৃষ্টি আছে। এই সৃষ্টিত ধৰিত্ৰীৰ দয়া আছে; জুইত ধ্বংসহে অন্যতম উৎস। সেয়ে সূৰ্যক পোহৰৰ বাবে আহ্বান কৰা হয় আৰু

জুইক দাহনৰ বাবে ব্যৱহাৰ কৰে। এনে দিশতে অগ্নি, বিষ্ণু সূৰ্যৰ এটা অংশ। সূৰ্য নহ'লে ব্ৰহ্মাণ্ডখন চেঁচা হৈ গ'লে, শিলে শিলে ঘৰ্ষণ হ'লেও জুই নুঠে। এনে দিশতে দেখা যায় মানুহৰ কৰ্ম-সংস্কৃতিৰ ওপৰত নিৰ্ভৰ কৰে প্ৰকৃতি সংস্কৃতি। পৰস্পৰে পৰস্পৰৰ কৰ্ম-সংস্কৃতিৰ ওপৰত সম্পৰ্ক ৰক্ষা কৰি চলি আহিছে।

চৌধুৰি ঃ ৰ'ব, আপুনি যুধিষ্ঠিৰৰ কপট নিদ্ৰা মাৰে নেকি আলোচনাৰ মাজতে? তেওঁ খেলিলে ধৰ্মনীতিৰ কূট আৰু আপুনি ধৰে নেকি ব্ৰহ্মতত্ত্বত খুঁত। চাব কিন্তু খুঁত ধৰিবলৈ হ'লেও লাগে প্ৰকৃত বুদ্ধিৰ কূট। এইবিলাক তত্ত্ব উপলব্ধি হয়; কিন্তু খুঁটিয়াই খুঁটিয়াই এটা এটাকৈ আনি মুগ-মচুৰ দাইলৰ দৰে শুভ-বিবাহ লিখি সৃষ্টিৰ ৰহস্যৰ মালা গাঁঠিব নোৱাৰি।

বৰুৱা ঃ কিয় নোৱাৰি? চাওক, বিজ্ঞান য'ত শেষ হয় দৰ্শন তাতেই আৰম্ভ হয়, সেয়ে যেতিয়া আত্মদৰ্শন হ'ব সকলো কথাই সহজসিদ্ধ হৈ নিজ প্ৰজ্ঞাক চুই যাব। ইয়াত এটা হ'ল আত্মাৰ দৰ্শন আৰু আনটো আত্ম দৰ্শন। এয়া আত্ম আৰু জীৱাত্মাৰ সম্পৰ্ক তত্ত্ব।

আপোনাক যে কৈছিলোঁ এটা পৰিয়ালত পিতৃ-মাতৃ, ভাই-ভনী, ল'ৰা-ছোৱালীৰ মাজত আত্মীয়তা বা মৰম শ্ৰদ্ধা থাকে বা বহুকেইটা স্বভাৱৰ মিল থাকে, ইয়াৰ কাৰণ প্ৰত্যেকে পৰমাত্মাৰ অংশ জীৱাত্মাৰ উপৰিও পিতৃ-মাতৃৰ যুগ্ম মিলনাত্মাৰ দেহৰ ভ্ৰূণত জন্ম হোৱা হেতু চৰিত্ৰৰ গুণগত দিশো প্ৰায় একে হয়। কোনোজন ব্যতিক্ৰম মানেই নৱআত্মাৰ গুণ বা ধৰ্ম বা স্বভাৱজাত প্ৰবৃত্তিৰ মান কম বা বেছি। আত্মাবিলাক জন্মান্তৰবাদ ৰুচি বা অভিজ্ঞতামৰ্মে পৰিয়ালকেন্দ্ৰিক আত্মীয়তাৰ বাবে আকৰ্ষণ থাকে যদিও ব্যতিক্ৰম হৈ দেহত সোমাবলগা হ'লে সকলো ধৰ্ম ব্যতিক্ৰম হৈ দেখা দিয়ে।

চৌধুৰী ঃ আপুনি কথাবিলাক কি ভাবি কেনেকৈ কয়?

বৰুৱা ঃ আপুনি যেনেকৈ ভাবি প্ৰশ্ন কৰে?

চৌধুৰী ঃ ভাবে কেনেকৈ?

বৰুৱা ঃ প্ৰশ্ন যেনেকৈ সাজে? চাওক, লিখক-সমালোচকৰ সম্পৰ্কই আমাৰ সম্পৰ্ক।

চৌধুৰী ঃ মই কোৱাৰ দৰে আপুনি কয়, আৰু মই ভবাৰ দৰে আপুনি বাৰু ভাবে বুজিলোঁ; কিন্তু উভয়তে সাদৃশ্যতকৈ বৈসাদৃশ্যই বেছিকৈ বাঢ়ি যায় আৰু মাটিৰ তলৰ সুৰঙ্গৰ দৰে আপুনি তলে তলে গৈ থাকি মাজে মাজে ভুমুকি মাৰে দেখোন।

বৰুৱা ঃ প্ৰশ্নইহে প্ৰকৃততে উত্তৰ বিচাৰি যোৱাত মনক সহায় কৰে। যেনে— এজন অতি বৃদ্ধ মানুহ— খোৱা-বোৱা কথা কেতিয়াবা মনত পৰে আৰু কেতিয়াবা পাহৰি যায়। খোৱাৰ প্ৰশ্ন সুধিলে ভাবে, কিন্তু স্মৃতিয়ে সহায় কৰিলে মনত পৰে। নপৰিলে আকৌ খাবলৈ নিদি প্ৰশ্ন কৰা বুলি অভিমান কৰে। কেতিয়াবা বেয়াকৈ দুখ কৰে, অতীতক সোঁৱৰে।

ঠিক তেনেকৈ, ঈশ্বৰ বিচাৰি যোৱা পথটোত আত্ম দৰ্শনে সহায় কৰে। আপুনি কোৱা সুৰঙ্গৰ দৰে ভিতৰি ভিতৰি গৈ শুদ্ধ বাট ল'লে দেখে, ভিতৰৰ পৰা ভুমুকি মাৰি চৌপাশে পৃথিৱীখন চাই আৰু আনন্দত আপ্লুত হৈ পৰে— ব্ৰহ্মবোধ জন্মে, আত্মবোধৰ জৰিয়তে আৰু তেতিয়া জীৱন আৰু জগতৰ সম্যক ধাৰণা প্ৰকট হৈ উঠে। চাওক, ব্যাসদেৱেও এনে বোধৰ অভাৱতে বেদ ভাগ ভাগ কৰি পুৰাণ উপপুৰাণ লিখিও শান্তি পোৱা নাছিল, মদ্ভাগৱত পুৰাণ সৃষ্টি নোহোৱালৈ। গতিকে শুদ্ধ বাট নল'লে বায়ুশূন্য ঠাই (Vacuum) ৰ দৰে সকলো এন্ধাৰ হৈ পৰে। কিন্তু তাত বহুত মানুহ আছে। নিজক বাদে কাকো নেদেখে। এয়া স্থূল আৰু সূক্ষ্মৰ বন্ধন। বেছি আৰু কম বুলি যিটো কথা দুয়োৰে মাজত বিচাৰিব খুজিছে সেইটো মাত্ৰ যোৱাৰ বাটৰ পাৰ্থক্য। আপুনি এটা বাটত গৈছে, মই এটা আন বাট লৈছোঁ। অগাপিচাকৈ দুয়ো কিন্তু গৈ আছোঁ। এয়া সূক্ষ্ম আৰু স্থূল বাট, লক্ষ্য আৰু উদ্দেশ্য এটাই।

চৌধুৰী ঃ মই আপোনাৰ দৰে চিন্তাৰ ক্ৰমটো ধৰি ৰাখিব নোৱাৰা কাৰণেই নেকি মই ভাবোঁ আপুনি মোক এৰাই চলি কৈ গৈ আছে। বাৰু জীৱাত্মাৰ আৰু উদ্ভিদ আত্মাৰ সম্পৰ্কটো কেনে ক'ব নেকি?

বৰুৱা ঃ আপোনাক এৰাই চলিব লাগিলে মোৰ হাস্কিয়াসৰে ক্ষতি হ'ব অধিক। কাৰণ, আপোনাৰ পৰা মই যিমান অনুপ্ৰেৰণা পাই আহিছোঁ তাতকৈ বেছি অনুপ্ৰেৰণা দিব পৰা আন কোনে। এজন মোৰ মনানন্দৰ পৰিধিত

নাই। আৰু .....

চৌধুৰী ঃ ৰ'ব, মই কি প্ৰেৰণা দিম? মোৰ আছেই বা কি। আকাশৰ জোনটোক মাটিৰ জোনাকী পৰুৱাই দিয়া প্ৰেৰণাৰ মূল্যই বা কিমান। মই মাত্ৰ আঁত ধৰি কথাখিনি বুজিবলৈ চেষ্টা কৰি আছোঁ, ইমানেই।

বৰুৱা ঃ মোক যে বাধা দি নিস্তেজ কৰিব বিচৰা নাই 'বৰ পণ্ডিত' বুলি। নতুবা ঠেনু চিগা বেঙেনাৰ দৰে নিঠৰুৱা কৰিব বিচৰা নাই মাটিত পেলায়; ইয়াতকৈ আৰু কি বেছি প্ৰেৰণা হ'ব পাৰে। দুয়োৰে পাৰ্থক্যটো আকাশৰ জোন আৰু মাটিৰ জোনাকী পৰুৱা নহয়। দুজন বয়োজ্যেষ্ঠ নাগৰিকৰ কথা ভাবক বা দুটা জোনাকি পৰুৱাৰ কথা চিন্তা কৰক।

চাওক, বিজ্ঞানৰ ছাত্ৰৰ কথা যে কৈছে— সেয়া ছাত্ৰ আছিলোঁ ঠিকেই, পৰীক্ষাত পাছ কৰি পোৱা চাৰ্টিফিকেটখনক যেন ঠগিছো। প্ৰকৃত জ্ঞানৰ প্ৰায়োগিক দিশৰ দুৰ্বলতাই আক্ৰমণ কৰে কাৰণে উত্তৰ দিয়াত পোনপটীয়া হ'ব পৰা নাই।

বাৰু, জীৱাত্মা আৰু উদ্ভিদ আত্মাৰ সম্পৰ্কত যিটো কথাৰ পাতনি মেলিলে তাতো বিশ্লেষণৰ বাবে খোপনি পোতাত বিজ্ঞানাগাৰৰ অভিজ্ঞতাই মনটো দুৰ্বল কৰে। তথাপি চিন্তা-চৰ্চা কৰি গৈ থাকিলে ধৈৰ্য আৰু নেৰানেপেৰা চেষ্টাই কিজানি কঢ়িয়াই আনে জ্ঞান বাস্তৱ অভিজ্ঞতাৰ পৰা বুটলি।

চৌধুৰী ঃ ৰ'ব, আপোনাক মাজতে আমনি কৰিলোঁ, অন্যভাৱে নল'ব। বিজ্ঞানাগাৰৰ অভিজ্ঞতাৰ কথা হ'ল— স্থূল আৰু আমি ঈশ্বৰ বিচাৰি চাব খোজা বাটটো সূক্ষ্ম। গতিকে স্থূলটোত সূক্ষ্মৰ কি সম্ভেদ পোৱা যায় সেইটোহে কথা।

বৰুৱা ঃ ইতিমধ্যে কৈয়েই আহিলোঁ দেখোন, স্থূলৰ চিন্তা য'ত শেষ হয়, সূক্ষ্মৰ চিন্তা তাতেই আৰম্ভ হয়। আৰু মই ভাবোঁ ঈশ্বৰ বিচাৰি হাবাথুৰি খোৱাতকৈ মহাশক্তিৰ উৎস বিচৰাহে শ্ৰেয়। কাৰণ, ঈশ্বৰ বিশ্বাসে যি কৰ্মপ্ৰেৰণা যোগায় সেই একে কৰ্ম প্ৰেৰণাই ঈশ্বৰক বিচাৰি উলিওৱাত সহায় কৰে। আমি ধৰ্মৰ জৰিয়তে কৰ্ম দেখোঁ, পাশ্চাত্যই কৰ্মৰ জৰিয়তেহে উৎসাহক সাৰথি কৰি উদ্ভাৱন কৰে ঈশ্বৰৰ গুণৰাজিৰ প্ৰতীক।

হেৰি, মইতো আপোনাক মিউজিয়াম বা চিৰিয়াখানালৈ লৈ যোৱা নাই যে এপদ এপদকৈ বস্তু বা এটা এটাকৈ জীৱ-জন্তু দেখুৱাই চৰিত্ৰবিলাক বৰ্ণাই চিনাকি কৰি দিম বা অতীতক মনত পেলাই দিম। নাইবা মই ৰিচাৰ্ড স্কলাৰৰ গাইড নহয় যে পদ্ধতিমূলকভাৱে তন্ন তন্নকৈ খুঁটি-নাটি পৰীক্ষা কৰি গৱেষণাটো আগবঢ়াই সিদ্ধান্তলৈ লৈ যাম বা সহায় কৰিম?

অ' ৰ 'ব, ইয়াত এটা ডাঙৰ কথা লুকাই থাকে মনৰ মাজত। সেই কথাটো হ'ল মানুহক মানুহ হিচাপে চাব পৰা আৰু প্ৰতিভা বিকাশত আগবঢ়াই নিয়াৰ বাবে সহায় কৰিব পৰা বা মনৰ নীচতাক জয় কৰিব পৰা বিবেকৰ উদাৰতা।

চাওক, বিশ্ব বিখ্যাত গণিতজ্ঞ ৰামানুজনৰ কথা। ইংৰাজীত মেট্ৰিক পাছ কৰিব নোৱাৰাৰ বাবে অৰ্থাৎ এনে প্ৰকাশ ভঙ্গীৰ জ্ঞানৰ অভাৱত নিজৰ গণিত শাস্ত্ৰৰ মৌলিক ভাৱনাবোৰ বা সূত্ৰবোৰ নিজৰ মনতে পাকঘূৰণি খাই আছিল। কিবাকিবি লিখি মনৰ খু-দুৱনিত দুজন অধ্যাপকক দেখুওৱাত অৱজ্ঞা কৰিলে। তেওঁ দুখমনে ৰৈ থাকি আকৌ গৈ থকাৰ হেঁপাহক অৱজ্ঞা কৰিব নোৱাৰিলে। সৌভাগ্য ক্ৰমে কেমব্ৰিজ বিশ্ববিদ্যালয়ৰ অধ্যাপক, থমাচ হাৰ্ডিৰ তত্ত্বাৱধানত সফল হ'ল। এই অৱজ্ঞা কৰা অধ্যাপক দুজনৰ দৰে থমাচ হাৰ্ডি হোৱাহেঁতেন।

চৌধুৰী ঃ আপুনি কৰো বুলি কৰিব নোৱাৰে। আত্মা-পৰমাত্মা সংযোগ সূত্ৰই দিক নিৰ্ণয়কাৰী ভূমিকা গ্ৰহণ কৰিব। আগত পাবলৈ বহুত থকা বাবে হয়তো কাৰোবাক কোনোবাই কৰা প্ৰৱঞ্চনাত প্ৰেৰণা লাভ কৰি আগবাঢ়িহে যায়। জানেই নহয় 'গোৰ মাৰি গঙ্গাত পেলোৱা'। Guilty Conscience আৰু Pretension ৰ ফান্দৰ কৰ্মইহে সকলো বান্ধি থয় মুক্ত হ'ব নোৱাৰাৰ বাবে। বিশ্ব বিখ্যাত গণিতজ্ঞ হ'ব লগা কাৰণে হয়তো সেয়া হৈ উঠিল বুলি জানো ভাবিব নোৱাৰি। জীৱন যেনেকৈ জীয়াই থাকে প্ৰেম আৰু ভালপোৱাত আমাৰ আলোচনাও আগবাঢ়ি আছে দুয়ো আত্ম সন্ধানৰ বাটত একে পথিক হৈ খোজ কাঢ়ি থকা বাবে। মুক্ত মনৰ মুক্ত চিন্তাৰ সমানেই আমাৰ।

বৰুৱা ঃ বাৰু ৰ'ব, মোৰ পুৰণি পঢ়ি অহা দিনৰ কথা এটাই মনত দোল দি আছে কৈ লওঁ। ইংৰাজ প্ৰকৃতি কবি উইলিয়াম ৱৰ্ডছৱৰ্থৰ মতে উদ্ভিদ মৃত নহয় কিম্বা নিৰ্জীৱো নহয়, ইয়াৰ প্ৰাণ আছে গতিকে অচেতন নহয়। শ্বাস-প্ৰশ্বাস লয় আৰু ইয়াৰ জন্ম, বৃদ্ধি আৰু মৃত্যু আছে। তেনেকৈ আকৌ দেহৰ কোষৰ গঠনো আছে। সেয়ে উপচিতি আৰু অপচিতি দুই প্ৰথাৰেই উদ্ভিদ অন্তৰ্গত। উদ্ভিদৰ Naturalnessয়েই চৰিত্ৰ। কিন্তু নিজা প্ৰবৃত্তি নাই।

জন্তুৰ ক্ষেত্ৰত একে দেখা যায়— Naturalness আছে। আৰু নিজা প্ৰবৃত্তি (The force in animals at birth which causes certain behaviour patterns) আছে। জন্মৰ ক্ষেত্ৰত আৰু পৰিৱেশৰ প্ৰভাৱত যি কেইটা প্ৰবৃত্তি বা স্বভাৱজাত গুণ বা দোষ মানুহৰ মাজত আহে জন্তুৰ ক্ষেত্ৰত লক্ষণীয় নহয়। জীয়াই থকাৰ আগ্ৰহ, পোৱালিৰ দায়িত্ব আৰু আহাৰ বিচৰাৰ তাড়না জন্তুৰ আছে। বীজটো মাটিত পৰিলে অংকুৰিত হোৱাটো স্বাভাৱিক স্বতঃস্ফূৰ্ত প্ৰক্ৰিয়া। সেয়ে গীতত গায়— আকাশ ফুটি ওলালে তিৰ্‌বিৰ্‌ তৰালি, মাটি ফুটি ওলালে বীজৰে গজালি। কিন্তু আকাশখন সূক্ষ্ম। এয়া গুটি বা বীজত থকা গছডাল আঁকিলে বিশ্লেষণ আৰু গছডাল বীজত সোমাই আঁকিলে সংশ্লেষণ হয়। এয়াই তত্ত্ব ৰূপ। আকাশ তত্ত্বৰ পৰা ক্ষিতি তত্ত্বলৈ বা ক্ষিতি তত্ত্বৰ পৰা আকাশ তত্ত্বলৈ থকা পৰমাত্মাৰ সংযোগ।

চৌধুৰী ঃ ইংৰাজ কবি Walt Whiteman য়ে তেওঁৰ কবিতা 'Animals' ত কৈছে, 'Unlike men, animals are not tormented by a guilty conscience. They are not driven by the desire to dominate.' মানুহ Guilty conscience, pretension আদিৰ কাৰণে মুক্ত হ'ব নোৱাৰে।

বৰুৱা ঃ ৱৰ্ডছৱৰ্থে এনে পৰিপ্ৰেক্ষিততে কৈছে, 'Nature has its own plan. Every flower enjoys the air it breathes.' তেনেকৈয়ে আকৌ Every fish enjoys the air it breathes in water. মাছে ফুলেৰেহে শ্বাস-প্ৰশ্বাস লয়।

এনেদৰেই মানৱাত্মা, জীৱাত্মা আৰু উদ্ভিদাত্মাৰ আত্মীয়তা

চকুত পৰে। মানুহে ফুল-ফুলনিয়ে নহয়, সেউজ বননি, ঘাঁহনি, জীৱ-জন্তু, চৰাই-চিৰিকতি আদি সকলো ভাল পায়। সেয়া চাৰিমুঠি জীৱৰ এটাই সমষ্টি।

চৌধুৰী ঃ ৰ'ব, ইয়াৰ প্ৰত্যেকৰে একোটা মুক্ত চৰিত্ৰ আছে। এই চৰিত্ৰৰে নিজৰ নিজৰ জীৱন প্ৰবাহ পৰিচালিত কৰিব বিচাৰে। মানুহো জন্মতে স্বাধীন, নিস্কলুষ আৰু সমান; সমাজেহে বিভিন্ন ধৰণে পৰাধীন কৰে, দমন কৰে, কলুষতা ওপচায় আৰু অসমান কৰে। কি ভাবে লয় কথাটো?

বৰুৱা ঃ আপোনাক বহুত ধন্যবাদ যে আপুনি মোক মুক্তমনে আপোনাৰ লগত মিলি যোৱাৰ সুবিধা দিছে। অন্যথাই টিয়াৰগেছ, ফাকাগুলীৰ শব্দ, লাঠিৰ কোব দি ধৰ্মঘট বিফল কৰা দি আৰক্ষীৰ চৰিত্ৰ ল'লেহেঁতেন। নাইবা ৰক্ষকেই ভক্ষক হ'লহেঁতেন। অৰ্থাৎ ৰক্ষণাবেক্ষণ দিয়াৰ চৰিত্ৰ ভক্ষণ কৰাৰ এটা সুবিধাহে কৰিলেহেঁতেন মাত্ৰ। এয়া উদক ভেটা ৰখীয়া পতাৰ ব্যৱস্থা।

চৌধুৰী ঃ আপুনিও মোৰ প্ৰশ্নখিনি মুক্তমনে গ্ৰহণ কৰিছে। তাৰ বাবে মইও আপোনাক ধন্যবাদ দিব লাগে। তাৰমানে উভয়ে মানসিকভাৱে উন্নত। যেনিবা মোৰ দাবী, মনৰ ক্ষোভ মুক্তমনে দাঙিধৰাৰ সুবিধা দিবলৈ কাৰ্পণ্য কৰা নাই।

বৰুৱা ঃ জানেই দেখোন যে স্বামী-স্ত্ৰী উভয়ে মানসিকভাৱে উন্নত নহ'লে ঘৰ সুপৰিচালিত নহয়। সন্তানৰো শুভ হ'বলৈ আধ্যাত্মিক সমল নাপায়। অৱশ্যে শিক্ষিত হ'লেই যে উন্নত হ'ব সেইটো নহয়। আত্মাৰ স্ব-প্ৰজ্ঞাৰ প্ৰকাশহে আচল জীৱৰ বিকাশ; জীৱাত্মাই জীৱাত্মাক প্ৰদৰ্শন কৰা মুক্ত মনৰ আশ্বাস। সেয়ে স্বাধীনতা যেতিয়া খৰ্ব হয় গণতান্ত্ৰিক চৰিত্ৰ তথা সমাজতন্ত্ৰৰ যিটো স্বভাৱ লোপ পায়, মনটোও বিনষ্ট হয়।

চাওক, শিক্ষক এজনে শ্ৰেণীত মৌচুমী বতাহ সম্পৰ্কে বুজাই থকাৰ সময়তে এজন ছাত্ৰই প্ৰশ্ন সুধিলে, 'ছাৰ, আমাৰ এই সৰু পাহাৰখনত ঠেকা খাই বৰষুণ হ'বনে?' লগে লগে কাষৰ ল'ৰাজনে হাঁহি দিলে আৰু পিচৰ বেঞ্চৰ এজনে তাক পিঠিত চাপৰ এটা মাৰি দিলে। শিক্ষকজনক, এই কথাটো সহজভাৱে ল'বলৈ, মনৰ স্বাধীনতাই সহায় নকৰিলে। লগতে ল'ৰাজনৰ মনৰ মুক্ত স্বাধীনতাৰ দ্বাৰা প্ৰতিভা

বিকাশত সুবিধা দিবলৈ নিজক প্ৰস্তুত কৰিব নোৱাৰিলে। নিজেও মনৰ আনন্দ লাভ কৰাত নিজক সহায় কৰিব নোৱাৰিলে। প্ৰশ্ন কৰা ল'ৰাজনক বুৰ্বক বুলি ধমকিৰ সুৰত কৈ পৰ্বটো ইতি কৰিলে। কিন্তু মনৰ স্বাধীনতা ব্যৱহাৰ হ'বলৈ এৰি দিলে মনযোগ আকৰ্ষণ কৰিব পাৰিলেহেঁতেন। The teacher failed to involve students as learing partners. এতিয়া আচল কথালৈ আহোঁ।

চৌধুৰী ঃ কি আচল কথা?

বৰুৱা ঃ এই যে জীৱনৰ স্বাধীনতা, সমতা আৰু মনৰ মুক্ত বিচৰণ প্ৰীতিবোধ ওপজে জন্মতে আৰু ইয়াত বাধা আৰোপ কৰিলে যে বিৰূপ প্ৰতিক্ৰিয়া হয় সেই সম্পৰ্কে।

পিতৃৰ ঔৰসত মাতৃ গৰ্ভত থিতাপি লোৱা শুক্ৰকীটে নিৰ্দিষ্ট সময়ৰ ভিতৰত স্ব-আকাৰ লয় আৰু জীৱাত্মাৰ প্ৰৱেশ ঘটি মাতৃৰ নাৰীসহ যুটীয়া আত্মা একক হৈ থাকে। স্ব-গোলাকাৰ পিণ্ডৰ লগত আত্মাৰ প্ৰৱেশৰ লগে লগে পূৰ্ণতাপ্ৰাপ্তৰ পথত আগবাঢ়ে আৰু গৰ্ভতে গতি লয়। গঠনপূৰ্ণ হ'লে স্থায়ী জীৱাত্মাই গৰ্ভভেদী ওলাই স্ব-স্থিতি লয়। নাৰী গৰ্ভ ছেদন কৰাৰ পিচত স্বাধীন হৈ পৃথিৱীত ভূমিষ্ঠ হয় আৰু পঞ্চেন্দ্ৰিয়ৰ লগত ক্ৰিয়াশীল হৈ পৰে। মাটি ফুটি ওলোৱা বীজৰ গজালি আৰু গৰ্ভভেদী ওলোৱা কেঁচুৱাটিৰ একেই ক্ৰিয়াশীল গতি। This state of life enjoys full freedom on open air, a life immense in passion, pulse and power. It possesses true democratic character as advocated by walt white men.

এয়া মুক্ত স্বাধীন জীৱাত্মা। উদ্ভিদৰ বীজত সঞ্চিত ফুল-ফল, সাপেক্ষেহে গুণাগুণৰ আস্বাদ পোৱা যায়। তদ্ৰূপ পিতৃৰ পৰা নিৰ্গত মাতৃ গৰ্ভত স্থিত বীৰ্জত থকা কেঁচুৱা, শিশু, ল'ৰা, ডেকা, বুঢ়া মানুহজন সাপেক্ষেহে গুণ-দোষৰ উমান পোৱা যায়। এনে দিশতে মিঠা আমৰ গছত মিঠা আম আৰু টেঙা আমাৰ গছত টেঙা আম দেখা যায়। ইয়াত মাতৃৰ গুণাগুণ সাপেক্ষে আস্বাদৰ দৰে যি গুণৰ বা দোষৰ পিতৃ সেই মৰ্মে মাতৃৰ গুণ যোগ হৈ সন্তানৰ ওপৰত

প্ৰতিভাত হৈ উঠিলহেঁতেন। এইটো সকলোৰে বাবে একেও (Common) হ'লহেঁতেন, কিন্তু নহয়। এয়া যে নহয় সেইটোৱেই জন্মান্তৰবাদ মৰ্মে হোৱা আত্মাৰ সংস্কাৰৰ ধাৰণা ওপজায়। ঐশ্বৰিক আশিস সাপেক্ষে ইয়ে স্থাপিত কৰে বুদ্ধি কৌশলৰ সন্দৰ্ভত স্মৃতিৰ সৌধ তথা প্ৰতিভা।

চৌধুৰী ঃ অ' এই যে পিতৃ-মাতৃ থাকে প্ৰাত্যহিক কৰ্মত যুঁজি, ল'ৰা বা ছোৱালীয়ে দিলে দেশ দ্বিগ্বিজয় কৰি। কাৰোবাৰ সু-কীৰ্ত্তি, কাৰোবাৰ কু-কীৰ্ত্তি। এইটোৱে হৈ পৰিছে পিতৃ-মাতৃৰ চিন্তাৰ বিষয়। ভবা মতে ল'ৰা-ছোৱালী গঢ়ি নুঠে।

বৰুৱা ঃ এয়ে স্বাধীন জীৱৰ বৈশিষ্ট্য আৰু ইয়ে পোন প্ৰথমবাৰৰ বাবে মাতৃৰ গহ্বৰৰ পৰা ওলাই পৃথিৱীখন দেখি বাহ্যিক পৰিৱেশৰ লগত চিনাকি হয়। পঞ্চেন্দ্ৰিয়ৰ লগত মিলামিলি বুজাবুজি সাপেক্ষে স্পৰ্শত আহে আৰু বিভিন্ন জ্ঞানৰ অনুভূতি জাগে। মনৰ স্বাধীনতাৰ প্ৰভাৱ অনুযায়ী হাঁহে, কান্দে, চকুৰে পিত-পাতকৈ চাই আৰু চকুমুদি টোপনি যায়। ক্ষুধা নিবৃত্তিৰ তাড়না ইয়াতে প্ৰথম জাগে আৰু এনে দিশতে মাতৃ স্তনপানৰ পৰিপ্ৰেক্ষিতত মাতৃৰ মুখ দেখে আৰু প্ৰেমৰ প্ৰথম চকু মেল খায়। যি বিচাৰে নাপালে মনৰ স্বাধীনতা খৰ্ব হৈ সংঘৰ্ষত লিপ্ত হৈ কান্দে, হাত-ভৰি জোকাৰে আৰু নানা অঙ্গি-ভঙ্গিৰে মনৰ খং প্ৰকাশ কৰে। মাতৃ গৰ্ভ জ্ঞানৰ লগত পৰিৱেশৰ অৰ্জিত জ্ঞানৰ সমন্বয় ঘটে। এয়া অব্যক্ত জ্ঞান; এই অব্যক্ত জ্ঞান ব্যক্ত কৰিব পৰা হ'লে মনৰ স্বাধীনতা হিচাপে বিচাৰি নাপালে ঈৰ্ষান্বিত হয়। এই সময়ছোৱাই মনৰ স্বাধীনতা, অধিকাৰ আৰু সমতা ভাবৰ প্ৰকাশৰ উন্মুক্ত সময়। ইয়াৰ পিচত পৰিৱেশৰ প্ৰভাৱে ল'ৰা-ছোৱালী ভাল-বেয়া কৰে। এই ভাল-বেয়াত জন্মগত প্ৰতিভাই সাৰথি হয়।

চৌধুৰী ঃ স্বাধীনতা আৰু সমতাৰ অঙ্কুৰণ বুজিলোঁ। কিন্তু মাতৃ ঋণ যে পৰিশোধ নহয় বুলি কয় আৰু মাতৃ ভক্তি থাকিলে জীৱনত উন্নতি হয় বুলি ধাৰণা কৰে ইয়াত তাত্বিক দিশে সহায় কৰাৰ থল আছে বুলি ভাবে নেকি?

বৰুৱা ঃ দৰাচলতে তাত্বিক দিশেই নহয়; শিক্ষণীয় দিশো এই ধাৰণাৰ লগত

সাঙোৰ খাই আছে। এক সৰ্বাঙ্গসুন্দৰ, স্বাধীন, স্বাৱলম্বী আৰু কৰ্মঠ জীৱন গঢ়াৰ কমাৰশাল হ'ল মাতৃৰ কোলাখন। এখন আদৰ্শ নাৰ্ছাৰী স্কুল য'ত আত্ম জ্ঞান, মাতৃৰ কোলাৰ ব্যৱহাৰিক জ্ঞান আৰু পৰিৱেশৰ অৰ্জিত জ্ঞানৰ সহায়ত অহা কাইলৈ সু-নাগৰিক হ'ব পৰাকৈ সু-ছাত্ৰৰ চৰিত্ৰই গঢ় লয়। চৰিত্ৰ মানেই প্ৰকৃত পক্ষে সৎ প্ৰবৃত্তিৰ কৰ্মঠ স্বভাৱ গঢ়া। এই ক্ষেত্ৰত লালন-পালন, শিক্ষা-দীক্ষা, স্বভাৱ-চৰিত্ৰ গঠনৰ এনে প্ৰাৰম্ভিক স্কুল এইখনেই। পিতৃ-মাতৃয়ে ভাবিব লাগে যে যি পিতৃ-মাতৃয়ে এটি-দুটি সুকৰ্মৰ দ্বাৰা স্বভাৱ গঢ়ি সৰ্বাঙ্গসুন্দৰ জীৱনৰ পথ প্ৰশস্ত কৰে সেয়ে এক সম্ভাৱনাপূৰ্ণ নিষ্কণ্টক জীৱনৰ পথো উজলাই তোলে। সেই পথ আকৌ ভৱিষ্যতে হৈ যায় মানুহৰ উদুলি-মুদুলি। এয়া Wisdom is soul concerned and is knowledge in action. এয়া এক বাস্তৱ চিন্তা— Good to begin learning of this kind well, better to end well and best to enjoy it and then to think for the new.

চাওক, আমি যে আলোচনা কৰিলোঁ দেহ আৰু ইয়াৰ গঠনত কোষৰ সংযোগ ঘটে, সেই কোষতে বায়ু থাকে, এয়ে বায়ু কোষ। দেহত প্ৰথম বায়ু কোষতেই পৰামাত্মাৰ অংশ জীৱাত্মা অন্তৰ্ভুক্ত। পিচত নতুন কোষৰ জন্ম হয়, বৃদ্ধি হয় আৰু ক্ষয় হয়। এই কাৰ্য তিনিটা শক্তিৰ আধাৰত সংঘটিত হয়। এই শক্তিৰ সংস্থাপিত ৰূপৰ প্ৰতীক ভগৱান। ব্ৰহ্মা নামে এই High power ৰ ক্ৰিয়াত তিনিটাই ৰূপ লয়; জন্ম-বৃদ্ধি-ক্ষয়।

চৌধুৰী : ৰ'ব, এই তিনিটা সংঘটিত কাৰ্যৰ শক্তি ক্ৰিয়া ব্ৰহ্মা, বিষ্ণু, মহেশ্বৰৰ দ্বাৰা উপস্থাপন কৰা হয় আৰু পৰমাত্মাৰ অংশৰ প্ৰবেশৰ প্ৰথম বায়ু কোষৰ ধ্বংস হৈ বায়ুকণা আঁতৰ হ'লেই মৃত্যু? ইয়াৰে জন্ম সাপেক্ষে ব্ৰহ্মাৰ ক্ৰিয়া অবিৰতভাৱে চলে? ব্যঙ্গ হাঁহিৰ সন্দৰ্ভত কয়, 'ব্ৰহ্মাৰনো পূজা খাবলৈ সময় ক'ত?'

বৰুৱা : পৰমাত্মাৰ পৰশত প্ৰকৃতিৰ আশ্ৰয়ত ব্ৰহ্মাই সৃষ্টি কৰে অংকুৰণৰ অৰ্থাৎ অংকুৰণৰ প্ৰাকৃতিক সৃষ্টি ক্ৰিয়া সমাপন কৰে। বিষ্ণুই বৃদ্ধি সাপেক্ষে পৰিচালনা কৰে আৰু ক্ষয় বা প্ৰলয়ৰ প্ৰাকৃতিক দায়িত্ব

শিৱৰ; এই তিনি শক্তিৰ উৎস জল ৰূপে নাৰাযণ। পানী নহ'লে চিমেণ্টৰ কোনো কামেই কংক্ৰিট নহয়: এনে ধাৰণাই আমি ধৰ্মীয়ভাৱেও পাই আহিছোঁ, য'ত পদাৰ্থ বিজ্ঞান আৰু আধ্যাত্মিক বিজ্ঞান সোমাই থকাৰ ধাৰণা ওপজে। সকলোৰে মূল জন্ম, জন্ম প্ৰক্ৰিয়াৰ বাহন ধৰিত্ৰী। সেয়ে জন্মৰ শুক্ৰকীট তথা বীজ যিয়ে মৰম কৰে হানি-বিঘিনি নোহোৱাকৈ কষ্টৰে ধৰি ৰাখে সেয়ে মাতৃ; জন্মদাতৃ মাতৃ আৰু সমাজ ধৰি ৰখা একেই শ্ৰদ্ধা প্ৰীতি। মাতৃৰ স্তন দুগ্ধ পানতেই দেহৰ হাড় প্ৰমুখ্যে সকলো অংগৰ গঠন হয়। এয়াই মাতৃ ঋণ পৰিশোধ কৰিব বিচৰাতে সন্তানৰ কৰণীয় কাম নিবন্ধ। তদ্ৰূপ যি ৰাজ্য-দেশৰ বায়ু, পানী, আহাৰ খাই তাৰেই গৰ্হিত কাম কৰে তাৰ ফল অশুভ হয়। এই কৰণীয় কাম স্বৰূপ স্বভাব জীয়াই ৰখাই ধৰ্ম। এনে ধৰ্মীয় প্ৰভাৱে গঢ় দিয়ে এই সু-স্বভাৱ।

চৌধুৰী : অ' তাৰমানে, পিতৃ-মাতৃৰ ভক্তি-শ্ৰদ্ধাৰ মাধ্যমত গঢ় লোৱা ধৰ্মীয় প্ৰভাৱ কমি যোৱা কাৰণেই সমাজৰ প্ৰতি থকা শ্ৰদ্ধা প্ৰীতি স্বৰূপ স্বভাৱ সলনি হৈছে। এপিনে বেদীৰ সন্মুখত দুৰ্গা দেবীৰ নতশিৰ হয়, আনপিনে সেই নাৰীকে ধৰ্ষণ কৰে, প্ৰাৰ মাৰে আৰু নিৰ্যাতন কৰে যৌতুকৰ বাবে।

বৰুৱা : ঘৰবিলাকতো প্ৰতি সদস্যৰ মন সাপেক্ষে ভাঙোন ধৰিছে। যেনে— চাওক, মোক শহুৰে কৈছিল পত্নীৰ ছোৱালী অবস্থাৰ স্বভাৱৰ কথা। বিশৃংখলতা ভালপোৱা এটা মনৰ স্বভাৱ। চাবা, তাইৰ বিশৃংখলা স্বভাৱটো জীয়াই ৰাখিবলৈ বিচাৰিব। কথাটো সেয়াই হ'ল। যিমানেই মই চেষ্টা নকৰিলোঁ কোনো প্ৰকাৰে দুহাতৰ কৰ্মৰ মাজত এইটো স্বভাৱ সজীৱ হৈয়ে থাকি গ'ল। সেয়ে সু-স্বভাৱটো জীয়াই ৰাখি কু স্বভাৱ আঁতৰ কৰিব পাৰিলে ভাল। এনে দিশত আত্ম শিক্ষা নহ'লে ধৰ্মীয় প্ৰভাৱিত সংস্কাৰেই যথেষ্ট নহয়। অৱশ্যে আত্ম শিক্ষা বাঢ়িলে সংস্কাৰো হয়।

চৌধুৰী : চাব, গছডালত উঠি গৈ ডালে ডালে লাফ মাৰি থাকিলে হঠাৎ পিছলি মাটিত পৰি যাবও পাৰে।

বৰুৱা : হেৰি, গছডাল ডালে-পাতে, ফুলে-ফলে জাতিষ্কাৰ হৈ উঠিব লাগিলে

বীজ, মাটি, পানী, সাৰ আৰু বিশুদ্ধ বায়ুৰ চলাচল সকলো প্ৰয়োজনীয়। সুস্থ সমাজো এনে এডাল জোপোহা গছ। সৌৰজগত যিমানে নাথাকক জীৱেই হওক উদ্ভিদেই হওক মাটিক এৰি কাৰো থিতাপি নহয়। সেয়েহে যিমানে নুঠক মাটিক এৰিব নোৱাৰে।

বাৰু, আপুনি ঠিকেই কৈছে। ডালে ডালে চুই গ'লেও সমাজৰ দৰে মূল গছডালৰ লক্ষ্যটো থাকিবই লাগিব। সেয়ে আপোনাক ধন্যবাদ যে আপোনাৰ প্ৰশ্নই মোক জীয়াই ৰাখিছে। বাৰু, মূল কথালৈ আহোঁ। এয়া সন্তান মাতৃৰ গৰ্ভ ফাটি ওলালে, আলফুলে দুহাত মেলি কোচত সাবটি ল'লে ভৱিষ্যতৰ এক জীয়া বাস্তৱ সপোন। বুকু উজাৰি দিলে মৰম স্নেহ, নিজে নাখাই খুৱালে, নিজে নিপিন্ধি পিন্ধালে, দিন-ৰাতি সমান কৰি লঘোনে-ভোকে উজাগৰে লালন-পালন কৰিলে; এই সন্তানে মাতৃক কেনেকৈ পাহৰে। পাহৰিলে সমতাহীন অকৃতজ্ঞ নীতিৰ অধৰ্মত ভোগিব লাগিব। এই মাতৃৰ জৰিয়তে সন্তানে ব্ৰহ্ম শক্তিক অনুভৱ কৰিব পাৰে। ৰামকৃষ্ণ পৰম হংসই মাতৃ ৰূপ কালীৰ জৰিয়তে বিশ্ব দৰ্শন হৈছিল; মাতৃৰ দৰেই মুক্তমনে কথা-বতৰা হৈছিল আৰু মাতৃ শক্তি এক মহাশক্তি ৰূপে পৰিচিত হৈছিল। সেয়ে মাতৃ আদি গুৰু আৰু এই গুৰুৰ অৱহেলাই সন্তানৰ ভৱিষ্যতৰ অন্যায় সূচোৱাৰ ভয় থাকে।

এই শিশুৱে মাতৃ কোচৰ টেবুলত এখন শিশু পুথি। মাকে প্ৰতিটো পৃষ্ঠা পঢ়ি সন্তানৰ বিকাশ হ'বলগীয়া জন্ম প্ৰতিভাৰ বুজ ল'ব আৰু সেই পথেৰে অগ্ৰসৰৰ বাট মুকলি কৰি দি থাকিব। সেয়ে মাতৃৰ স্মৃতি জীৱন স্মৃতি।

চৌধুৰী ঃ হেৰি, দুই-এক মহিলাই কোৱা শুনোঁ, 'বাপেকে জন্ম দি এৰি গুচি যায় মাকেহে ৰাখে কোচত ভৰায়।' ধেমেলীয়া প্ৰেমৰ সুৰত কোৱা শুনোঁ যদিও কথাটো অতি গুৰুত্বপূৰ্ণ। দুৰ্ভগীয়া সন্তানে দুখ কৰি কয়, চাওক, যাওঁতে গ'লো পিতৃৰ লগত পিকনিক খোৱাত আৰু আহোঁতে আহিলোঁ মাৰ গৰ্ভত। সময় সোঁতত হেৰালোঁ জন্মৰ পৰিচয়। ভাগ্যত আছিল মোৰ কি এনুৱা বিলাই? আলিৰ কেঁকুৰিত থাকিলোঁ পৰি; সন্তানহীন এই পিতৃয়ে আনিলে দাঙি, মাতৃৰ কোচত দিলে

আলফুলে তুলি। এতিয়া ডাঙৰ হলোঁ আত্ম পৰিচয় বুলি কি ধৰোঁ।

তেনেকৈ আকৌ কোৱা শুনোঁ, 'বাপ কি ক'ব চেং মাছ হৈ বীজ সিঁচি মুক্ত হৈ মাৰে জাপ, বীজ পিছল গা, ছাঁই, এঙাৰেৰে ধৰি নাৰাখিলে ৰাখে কোনে বাধা দি তাক। বীজ সিঁচি যায় পলকতে গুচি সন্তানে নাজানে, মাকে চিনি পায়; মাছ ধৰা যাঠি-জোং মাৰি পানীৰ তলিৰ পৰা উলিয়াই আনিব সময়ে তাক ধৰি।

এয়া চাওক, মাতৃ কোচত সংসাৰৰ ভাৰ তাকেই যি ঠগ-প্ৰৱঞ্চনা কৰি, বিলাসী জীৱন কটাই সি হ'ব পাৰে কিমান হৃদয়হীন, নিৰ্দয়। মাতৃয়ে যদি দিয়ে জোকাৰি সংসাৰ যাব শূন্য পৰি। সেই মাতৃকে যিয়ে কৰে বলাৎকাৰ, ধৰ্ষণ, নিৰ্যাতন, হত্যা বংশ নাথাকে তাৰ। জন্ম-জন্মান্তৰ যাতনাৰে ভৰা হ'ব এই জীৱন।

বৰুৱা ঃ হেৰি, এনে ক্ষেত্ৰত বংশ নথকাই ভাল; নহ'লে সি যি জন্ম দিয়ে নৰকলৈহে টানে। এয়া দেখিছে মাতৃয়ে সৃষ্টিৰ তত্ত্ব। অন্যথা সংসাৰৰ নাথাকিব স্ব-মহত্ত্ব। ধৰিত্ৰী অবিহনে সংসাৰৰ কল্পনাৰ সাৰথি বাস্তৱ নাথাকে। সেয়ে পুত্ৰৰ মাতৃভক্তি আৰু নাগৰিকৰ সমাজ প্ৰীতিতেই বিৰাজ কৰে সংসাৰৰ স্থায়িত্ব, প্ৰেমৰ মহত্ত্ব। কৃষ্ণৰ বিয়াত উচৰ্গা দিবলৈ শিৱৰ হাতত একো নথকাত দুখ কৰা দেখি ভগৱানে শিৱৰ মৰম উচৰ্গা হিচাপেহে বিচাৰিছিল। মৰম তথা মানৱীয় প্ৰেম নাই য'ত হিংসাৰ উৎপত্তি ত'ত।

চৌধুৰী ঃ প্ৰেম আৰু হিংসাৰ পৰিপ্ৰেক্ষিতত মোৰ এটা কথা মনত খেলাইছে। এই কথাটো মোৰ কাৰণে অতি তাৎপৰ্যপূৰ্ণ। মোৰ চাকৰি জীৱনৰ কথা। একে অফিচত কাম কৰা সেই গাভৰুগৰাকীৰ স'তে প্ৰেম বিনিময় হৈ থকা সময়ৰ কথা। চাওক, আমাৰ অসমীয়া বছৰৰ ব'হাগ মাহৰ প্ৰথম দিনটো শুভেচ্ছাৰ দিন হিচাপে মানি আহিছোঁ। এই দিনটো বেয়া হ'লে গোটেই বছৰটোই বেয়া হোৱাৰ আগজাননী হিচাপে বুজা যায়। এই সময়ত এই দিনটোতে কাষৰ মানুহ ঘৰৰ তিৰোতা এজনীয়ে পুৱাই পুৱাই 'মা'ৰ অনুপস্থিতিত মোৰ হাতত পানীৰ ঝাৰি এটা ঢাকনিসহ দি ক'লে, 'মাক দিয়া, যোৱা কালি নিছিলোঁ। বছৰৰ শুভেচ্ছাটো লগতে দিলোঁ।' মই একো নভবাকৈ

হাতত তুলি ল'লো যদিও দিনটোলৈ মনত পৰি খুলি চাই খালী ঝাৰি হাতত তুলি দি শুভেচ্ছা দিয়াত মনটো বিষাদে ঢাকি ধৰিলে। এই খালীয়ে প্ৰেমৰ যোগাযোগতো অন্তৰায় হৈ থাকিল। হিয়াভৰা মৰম বুটলিব নোৱাৰিলোঁ। আজিও খালী। আপোনাক কৈয়েই আহিছোঁ সেই দিন ধৰি নৱবৰ্ষৰ এই দিনটোৰ পুৰা খালী কোনো বস্তুতে হাত নিদিওঁ।

সেয়ে ভাবোঁ, 'কাকো পৰে তালো সৰে' দুৰ্ভাগ্যৰ আগলি বতৰা এনেকৈয়ে আহে। তত্ত্বইহে তত্ত্বক বিচাৰি ফুৰে, শেষত সকলো নিৰাকাৰ নাৰায়ণতে অন্ত পৰে। ইপিনে প্ৰেমিকাৰ মৰম, আনপিনে এই তিৰোতাজনীয়ে যচা দুখভৰা শুভেচ্ছাৰ আগলি বতৰা।

সেয়ে মথুৰাৰাজ কংসৰ মৃত্যুৰ আগেয়ে কৃষ্ণই ৰাণীৰ কপালৰ সেন্দুৰ মচি মৃত্যুৰ আগজাননী অৱগত কৰিছিল। এই কথাটো বুজিবলৈ ৰাণীৰ সময় লাগিছিল। এই প্ৰসঙ্গতে আকৌ ভাবোঁ জন্ম প্ৰতিভাৰ পৰিপ্ৰেক্ষিতত নিষ্ঠা-কৰ্ম সাপেক্ষে সাত্ত্বিকভাৱে ঈশ্বৰত বিশ্বাস কৰিলে, ঈশ্বৰেও উপযাচি আশ্বাস দিয়ে; অজানিতে অগোচৰে ইয়াৰ ফল লাভ হয়।

বৰুৱা : এয়া চাওক, এজনী ছোৱালীক জন্ম দিনত বান্ধৱীয়ে মৰমৰ উপহাৰ এটা দিছিল। সাধাৰণ কাৰণে দেউতাকে পেলাই দিলে। ছোৱালীজনীয়ে দুখ কৰি কিয় পেলাই দিলে সুধি কাৰণটো বুজি পায় উপহাৰটো দুহাতেৰে আলফুলে তুলি আনি বুকুৰ মাজত গুজি লৈ ক'লে, 'ইয়াত বহুত মৰম আছে, আমি দুয়ো বান্ধৱীয়ে এইখনৰ আবুৰত লুকাভাকু খেলি মৰমবোৰ বুটলি হিয়াত ভৰাই সাঁচি থম ভৱিষ্যতৰ দুখত আশ্ৰয় লোৱাৰ বাবে।'

হেৰি, কি ক'ব 'মা'ই মই সৰু থাঁকোতে গাত যিখন হাত বুলাই দি মৰম কৰিছিল তাৰ চাপ আজিও বিদ্যমান। জীৱন যুদ্ধত দুখ পালে সেই স্মৃতিতে সজীৱ হৈ উঠোঁ। 'মা'ক মনত পেলাই আকৌ যুদ্ধত লাগি যাওঁ। দুখত যেনেকৈ 'মা'ৰ স্মৃতিত সকাহ লওঁ, বিজয়ৰ আনন্দৰ বতৰাও 'মা'ৰ স্মৃতিতে সাঁচি থওঁ।

চৌধুৰী : সেয়ে, জীৱনৰ প্ৰাত্যহিক যুদ্ধৰ মাজৰে জীৱনটো জীয়াই ৰাখিবলৈ

হ'লে আনন্দ লাগে। এই আনন্দ জীয়াই থাকে মৰমৰ বৰ ঘৰটো। সোমালেই দুখ-যাতনাই মেলানি মাগে।

হেৰি, বুজো বুজো ভাব হয় বুজাব নোৱাৰো; ভাবোঁ ভাবোঁ লাগে ভাবি গৈ থাকিব নোৱাৰোঁ। আচলতে এয়াই সঙ্গপ্ৰীতি-- সহৃদয় সংগপ্ৰেম, অন্তৰভৰা প্ৰীতি বিপদতো নাই এৰাএৰি, ভাবিলেই যায় হিয়া-মন ভৰি। এনে উদাৰতাই আছে মাতৃৰ হিয়া ভৰি।

এনে বুকুভৰা মৰমেই তথা সংগ প্ৰেমেই মনত পেলায় গাঁৱত থকা পুৰণি বন্ধুসকললৈ। লগ পাবৰ মন যায়, অতীতক বুটলিবলৈ হাবিয়াসো ওপজয়, সেই দিনবোৰ ওভতাই পাবলৈ। কিন্তু যাওঁ যাওঁ বুলি যাব নোৱাৰোঁ। ফাফৰা, আঘনু, কাতিৰাম, মেদু, আছে বয়সৰ আগত বুঢ়া হৈ মোৰেই গুণ-গান গাই; মোৰ হ'লে যাবৰ সময় নুকুলায়। এনেকৈয়ে পিতৃ-মাতৃ ভক্তিৰ, ভাই-ভনী প্ৰীতিৰ পথটো যাবখোজে বনগজি জাবৰ-জোথৰৰ পৰি অচিনাকি হৈ। কাৰো চকুৰ পানী, কাৰো বুকুৰ বেদনা বুজিবলৈ, সুখ-দুখৰ সমভাগী হ'বলৈ আহৰি নাই ঘড়ীবোৰ ঘুৰিয়ে আছে আহৰি নোহোৱাকৈ। বন্ধুবোৰে হয়তো ভাবিছে পাহৰি গ'লোঁ বুলি; কিন্তু পাহৰি যোৱা নাই, মই মাটিতে আছোঁ, গাঁৱৰ কেঁচা মাটিৰ গোন্ধ, ৰ'দে পোৰা দেহৰ ঘামৰ গোন্ধ গাই-নাকে ভৰি আছে। বটলক বটলে চেণ্ট ঘঁহিলেও এৰি নাযায়। চন্দ্ৰ মঙ্গল গ্ৰহলৈ যোৱাটো এই মাটিৰ সৰু মানুহে ভাবিব নোৱাৰে। এই মানুহক শোষণ কৰিলে বৰমানুহ হৈ মাটিৰ জীৱনটোক এৰি গুচি যাব পাৰে। সেয়ে শোষণ-নিপীড়নৰ পিচত মানুহেই থিয় হয় মানুহৰ আটাইতকৈ ডাঙৰ শত্ৰু হৈ।

বৰুৱা : প্ৰকৃততে আমি ময়ূৰক দেখি ঘনচিৰিকাই পেখম ধৰি মৰিছোঁ তাত ভৰি অচল কৰি। বাঘে ছল কৰি সোণৰ হাড়ডাল লৈ বাটৰুৱাক লোভ দেখুৱাই খাই পেলোৱাৰ দৰে, এচামৰ প্ৰবঞ্চনাত জীৱন আনন্দ লাভৰ নামত আন এচাম যায় ফান্দত বাজি এনেকৈয়ে।

চৌধুৰী : হেৰি, বহুক্ষেত্ৰত দেখিছোঁ জুইৰ ফিৰিঙতিকে উজ্বল, অতি মূল্যবান সোণ ভাবি মৰমেৰে বান্ধি পিতৃ-মাতৃয়ে হিয়াত ৰাখে সাঁচি। সময়ত দিয়ে সকলো দহন কৰি। ত্যাগৰ মূল্য এইসবে নুবুজে। দুখ-কষ্ট

অৰ্জনকো বহুতে অৱজ্ঞা কৰে; বিলাসী জীৱন-যাপনৰ লালসাত ভৱিষ্যৎ সোণালী জীৱনৰ পিচে পিচে ঘূৰে। ভগা ভগা সপোনবোৰ বিচাৰি থাকোঁতে দিঠকে টোপনিত পৰে। সাৰপাই দেখে ঘূৰ্ণি বতাহে চকৰি ঘূৰাই সকলো উৰুৱাই নিলে।

বৰুৱা : তেনেদৰে চাওক, ঈশ্বৰে আমাক যিমান দি আছে স্বীকাৰ নকৰোঁ। নিজৰ শক্তিৰে সকলো কৰা বুলি ভাবোঁ। কিন্তু নিজৰ বুলিবলৈ প্ৰকৃততে যে একো নাই সেই কথা গভীৰভাৱে বুজাৰ জ্ঞানৰ অভাৱৰ কাৰণে গৰ্ব, অহংকাৰ কৰোঁ। জন্ম নাজানোঁ, মৃত্যু নাজানোঁ, যশ, কীৰ্তি, কাৰাদণ্ডও নাজানোঁ। সময়তে সময়েহে জীৱন বাটত থিয় কৰাই দিয়ে। তাৰ আঁত বিচাৰি একো উলিয়াব নোৱাৰোঁ। সেয়েহে প্ৰকৃতিৰ প্ৰকৃতি সত্যৰ বাটত অন্তৰায় হ'লে প্ৰকৃতিক চকু মুদিবলৈ দি নিজেই নিজৰ ধ্বংস মাতি অনা হ'ব। ঈশ্বৰে দিওঁ বুলি দিব নোৱাৰে, প্ৰকৃতি কৰ্মৰ সূত্ৰৰে নিষ্ঠা কৰ্মক প্ৰকৃতিস্থ কৰিলে অনৱদ্য ফল লাভ কৰে।

চৌধুৰী : আপোনাৰ এই আত্মা-পৰমাত্মা সম্পৰ্কীয় আধ্যাত্মিক বিজ্ঞানৰ গধুৰ কথাৰ আঁত হেৰাই যাওঁ। ৰ'ব, এনে তত্ত্বগধুৰ অথচ দেহ-মন জুৰ পৰা কথাবোৰ শ্ৰীমতীক অৱগত কৰেনে? কিবা মোৰ সৌভাগ্য যে আপোনাক লগ পালোঁ, একে ঠাইতে ঘৰ সাজি বাস কৰিবলৈ ল'লো, মনৰ বুজাবুজিও হ'লোঁ।

বৰুৱা : এইটোৱেই কথা! মোক যে লগ পাইছে, মই যে আপোনাৰ ওচৰত এই ধৰ্মীয় আলচ মৰ্মে বাস্তৱ কথাবোৰ সদৰী কৰিব পাৰিছোঁ মোৰো সৌভাগ্যৰ কাৰণ। এই কথাবোৰ শ্ৰীমতীক কোৱাৰ কথা কৈছে; আচলতে কি জানে, এই পাৰমাৰ্থিক তত্ত্বৰ কথাবোৰ কোৱা মানে চাবোনেৰে হাতীক গা ধুওৱা আৰু হাতীৰ চৰ্বত মাখিক খুওৱা হ'ব।

তাতে আকৌ আমি কষ্ট নকৰা মানুহ, যত্ন কৰি কোনো কামত উপকৃত হ'বলৈ নিবিচৰা মানুহ। দেহাও মাৰিব নোখোজো, মাথাও খটুৱাব টান পাওঁ; সহজতে ধনী হ'বলৈ চাওঁ। পৰজীৱী উদ্ভিদ হোৱাৰ ধান্দা। বিনাকষ্টে পাৰিলে মৰিয়ে যাব তথাপি কাম কৰি নাখাব। অভিৰুচিৰ পৰিপ্ৰেক্ষিততে দেখা যায় এজনৰ ভাল

কথা বা বস্তুটো আনজনৰ বেয়ালগা হোৱাটো অস্বাভাৱিক নহয়। নিজৰ ভাল লগা নলগাৰ লগত আনক জোৰ কৰি মিলাব চালে অনধিকাৰ প্ৰৱেশ কৰা হয়। লগতে আনক সকলো কামতে হস্তক্ষেপ কৰা স্বভাৱ এটা (Interfering Nature) গঢ় লৈ উঠে। To interfere in something is to take part in it without being wanted. আমাৰ যে কয়, 'নলগা তামোলত জেং বন্ধা', সেয়ে।

চৌধুৰী ঃ ধৰক, এজন মানুহে সাধাৰণ শিক্ষা-দীক্ষাৰে কলা ধান্দাৰ ব্যৱসায় কৰি ধন-সম্পত্তি গাড়ী-অট্টালিকা গঢ়িলে; কাষৰ মানুহজনে শিক্ষা-দীক্ষা লৈও নীতিৰ বাটত থকা কাৰণে তেনে কৰিব পৰা নাই। তেওঁক নীচতাত ৰখাৰ কাৰণে দুৰ্বলতাৰ বাঘ জৰিৰে বান্ধি মনটো ধৰাশায়ী কৰে। এইটো কেনে হস্তক্ষেপ?

বৰুৱা ঃ এয়া সামাজিক অহিতকাৰী হস্তক্ষেপ। নিজৰ উন্নতিত বাদেও সমাজৰ উন্নতিতো বহু ধৰণৰ বাধা আছে। কিয়নো, প্ৰকৃততে জনা মানুহে যেনেকৈ নিজক বিজ্ঞ বুলি নকয়, জানিবলৈ বহু কথাই বৈ থকা বাবে, তেনেকৈ ভাল মানুহে নিজকে ভাল ভাল বুলি কৈ জাহিৰ নকৰে। এনে মানুহে গৌৰৱ কৰিব নোৱাৰে, প্ৰকৃতিৰ সমতা নীতিৰ অনুশাসিত হৈ অনবৰতে থাকে বাবে। কিছুমানে অৱশ্যে বেয়াৰ লগত বেয়া আৰু ভালৰ লগত ভাল হৈ ওকালতিৰে নিজৰ পদমৰ্যাদা অক্ষুণ্ণ ৰাখে।

চৌধুৰী ঃ কিন্তু এটা কথা, দুষ্ট মানসিকতাই যি ধৰণে সমাজত আত্মপ্ৰকাশ কৰিবলৈ লৈছে তাৰ বিপৰীতে প্ৰকৃত যুঁজ দিবলৈ আগবাঢ়ি গৈ নিজে অন্যায়ৰ প্ৰশ্ৰয় লোৱাটোও এক সমাজদ্ৰোহ। কাৰণ, অন্যায়ৰ বিৰুদ্ধে ন্যায়ৰ যুঁজহে ধ্বংসৰ এক পৰিসমাপ্তি। জাতি গ'লে শান্ত-দুষ্ট উভয়ৰে ক্ষতি হয় যথেষ্ট। আত্মজ্ঞ মানুহক চাপৰ সজালেও ওখ হৈয়ে থাকে। ক্ষমতালোভী দুষ্ট মনৰ মানুহজনে জাতিৰ ঐতিহ্য মুখস্থহে কৰে, সুবিধা দেখাৰ লগে লগে পাহৰি যায়। প্ৰকৃত মানুহে হিয়াৰে পৰিচয় দিয়ে— দুষ্টই ক্ষমতা, ধন, বন্দুক, আৰু বোমাৰে দিয়ে।

বৰুৱা ঃ কি ক'ব? ধন-সম্পত্তি, মইমতালিত যি ওখ সিও সময়ত হৈ পৰে

তলমূৰীয়া; সমাজৰো ঘৃণনীয়। জীৰ্ণকায় দেহৰ লগতে মনো হৈ পৰে অৱজ্ঞাৰ চাৱনিৰে ভাৰাক্ৰান্ত। মৃত্যু নাহে হে নাহে, নিজৰ জীৱনলৈ ধিক্কাৰ ওপজে। এনে পৰিপ্ৰেক্ষিততে আত্ম জ্ঞানহীন কৰ্মচাৰী এজনৰ কথা মনলৈ আহিল।

হেৰি, সংসাৰ সুখে দিলে দুখ, সাত্ত্বিক হৈ আৰ্জিব নোৱাৰিলে সুখ। চাওক, মদপান নে বিষপান; নিজেই কৰিব পৰা হয় পিচত নিৰ্ণয়। সংসাৰৰ লালসাই মন কৰে বিষাক্ত। দপদপনিৰ নপৰে অন্ত। গৃহিণীৰ আচলত জীউ বন্ধা। পতিয়ে পৰিত্ৰাণ বিচাৰি ধৰিলে মদত। পুলিচ কৰ্মচাৰী হিচাপে বটলৰ বাঢ়িল সংখ্যা। কৰ্মচাৰী সৎ গৃহিণীক কৰিলে বন্ধ বাথৰুমত তলা মাৰি। পুত্ৰই থাকে বাহিৰৰ দুৱাৰত ভুকুৱাই কান্দি কান্দি নাকে-মুখে শেঙুন মচি। উপায় নাপাই গৃহিণীয়ে কৰিলে বিবাহ বিচ্ছেদ। মদৰ বিষে খালে কলিজা। বপুৰা হৈ পৰিল শয্যাশায়ী ৰুগীয়া। হাতমেলি নাপায় কাকো কাষত। জীয়াই জীয়াই বিছনাত পৰি এদিন থাকিল শীতত ঠেঁটুৱা লাগি মৰি।

সেয়েহে সংসাৰৰ জুয়ে বুকু জ্বলালে, মদৰ পানী ঢালি শান্ত কৰিলে; মদৰ পানীয়ে হ'ল তমোময় বিষ, জীৱন কৰিলে নিঃশেষ। দেখা যায় আজি যিজনৰ ৰাজহাউলী কাইলৈ হ'ব পাৰে অনুৰ্বৰ কঠীয়াতলী। সময়ৰ চালবাজী কাৰো মাথাই নাপায় ঢুকি। কেতিয়া লগায় অথন্তৰ দিনবাৰ নাই তাৰ। কৰ্মইহে কৰে সময়ত নিৰ্ণয়। আৰু এটা উদাহৰণ মন কৰক।

এখন গাঁৱত এঘৰ ধনী মানুহ আছিল। ধনী মানে ভঁৰাল ভৰা ধান, বাৰীত তামোল-পাণ; সন্মুখত ফুলনি-শাক-পাচলি; দাব-নাৰিকল গছে কৰে শুৱনি, পিচফালে তামোল-পাণৰ বাৰী। ইজন-সিজনক ধাৰ দিব পৰা আৰু মান-সন্মান আদায় কৰিব পৰা ধন-টকা-পইচা। মুখেৰে যি কয় সেয়া সকলো সঁচা হৈ যায়। আজিৰ শক্তিশালী মন্ত্ৰীৰ দৰে। পৃথিৱীখনেই অধীন বুলি ভাবে।

বজাৰৰ পৰা ৰৌ মাছটো কিনি আনিলে ইঘৰ-সিঘৰৰ দুৱাৰ মুখত বৈ লগাই-নলগাই দুষাৰ কথা কৈ প্ৰসংগ এটা টানি আনে, মাছৰ উল্লেখৰ সহায়ক হওক বুলি। বিধিৰ বিপাক সুখে-দুখে দুয়োৰো এপাক

পুৱা-গধূলি।

কেইবছৰমান পিচত পৰিৱৰ্তনৰ বা-বতাহ বলিল গাঁৱত, প্ৰতি ঘৰত অন্ততঃ এটা চাকৰি আৰু এটা ভাল ঘৰ থিয় হৈ উঠিল ৰাস্তাৰ কাষত। কোনোজন হ'ল আত্মপ্ৰতিষ্ঠিত মানুহ (Self made man)!. আঁকোৱালি ল'লে নতুন ফেচনসমূহ। কোনোজন হ'ল কৰ্মত সফল, চপালে কাৰিকৰী জ্ঞানৰ ফচল— এই যে We learn to do by doing।

তেওঁৰ ঘৰত কোনোৱেটো চাকৰিৰ মুখ নেদেখিলেই পুৰণি আটোমটোকাৰি বৰঘৰটোৱেও থিয় হৈ থকাৰ বল পেলালে হেৰুৱায়। মুখৰ দুপাৰি দাঁতৰ প্ৰায়বোৰেই ঘৰটোৰ খুঁটাৰ দৰে বতাহত কলকলে লৰাৰ সমানে মুখ খুলিলেই চকুত পৰে। কৃত্ৰিম দুপাৰি দাঁত লগাব ক'ত পুৰণি চশমাযোৰো ফ্ৰেমত সূতা গাঁঠি গাঁঠি থাকিলেও চকুৰ সন্মুখত থিয় হৈ থাকিবৰ যোগ্যতা হেৰুৱালে। ৰৌমাছ পাব ক'ত, চেং মাছো নিমিলা হ'ল। ভাতৰ গৰাহে প্ৰতি দুখৰ হুমুনিয়াহ মাথো বাকী ৰ'ল। পুতেকক দিয়ে ধমকি, 'একো কাম-বন নকৰ খাব পাবি ক'ত?' পুতেকৰ উত্তৰ, 'ইমান বছৰে বিনা কামে খুৱালা এতিয়া কিয় কাম বিচৰা?' কাৰো পেটৰ ভোকে নামানে মাটি-বাৰী, বয়বস্তুৰ মূল্য ঠিকে পালেনে নেপালে।

চৌধুৰী ঃ হয়হে, সঠিক সময় সাপেক্ষ পৰিচালনাৰ দোষত ভাল ঘৰো ল'ৰা ছোৱালীৰ কৰ্মবিমুখিতাৰ ফলত অভাৱৰ তাড়নাত ভুগে। প্ৰকৃত কৰ্ম সংস্কৃতিৱান নহ'লে ধন-সম্পত্তি, মাটি-বাৰী, অট্টালিকা-গাড়ী গাধৰ বোজা যেন মাথোঁ দুদিনৰ আগৰ দোলাভাৰী। এপদ এপদ কমাই থাকোঁতে শেষত থাকে শুদা হাত।

কৰ্মপটু, জনপ্ৰিয় ব্যক্তিত্ব অবিহনে প্ৰতাপৰ মূল্য ফুটুকাৰ ফেন যেন তুল্য; খন্তেকৰো খণ্ডেকীয়া— আগৰফালে থাকে চাই পিচফালে ঘূৰিলে দেখে ঘূৰ্ণি বতাহত সকলো হেৰায়। বানপানী শুকোৱা দি খালী হৈ শুদাহাত লৈ থাকে চাই। আকাশৰ তৰাৰ পোহৰ চেকি উলিয়াব নোৱাৰা অমাৱস্যাৰ এন্ধাৰত নিমজ্জিত হয়। ভাবি ওৰ নাপায় পূৰ্ণিমাৰ জোনটো কেনিবা লুকায়।

বৰুৱা ঃৰ'ব, এনে ব্যক্তিত্বৰ প্ৰসংগত মোৰো এটা কথা মনলৈ আহিছে। পাঁচ-ছয় বছৰলৈ ল'ৰা-ছোৱালীয়ে এজনক দেখি আনজনে চাৰ্ট-পেণ্ট, জোতা-চেণ্ডল-মোজা, চকলেট-বিস্কুট, ৰং-ধেমালি খেলৰ সঁজুলি আদি ভালপোৱা হয়। মূল কথা ৰঙটো, বাকী পচন্দ-অপচন্দ ভাল-বেয়া কথা ইয়াৰ পিচতহে আহি পৰে; লগতে নিজ অভিৰুচি সম্পন্ন হৈ মনৰ বাটেৰে খোজ পেলাবলৈ প্ৰয়াস কৰে। এনেদৰে ব্যক্তিত্বৰ বিকাশ উন্নততৰ ফালে ক্ৰমশঃ আগবাঢ়ে। অৰ্থাৎ All round development of personality আহিবলৈ ধৰে। এয়া ব্যক্তিত্ব বিকাশৰ পথ। এই পথৰ যি চোৱাত স্বভাৱ-চৰিত্ৰৰ ঘুণে-পোকে ধৰে বা পৰিৱেশৰ অনৈতিক চাপ মনত শিপাই, তেতিয়াই জীৱনৰ কোনো ফাঁকত পৰি যায়, আলিকেঁকুৰিত অনিয়ন্ত্ৰিত গাড়ী বাগৰি যোৱাৰ দৰে।

জানেই নহয়, মাতৃৰ গৰ্ভত স্থিতি লোৱাৰে পৰা আৰম্ভ কৰি জন্মৰ ক্ষণলৈ দুটা স্তৰ অতিক্ৰম কৰে। এটা স্থিৰ আনটো গতিশীল বা লৰ-চৰ কৰে গৰ্ভতে। অৰ্থাৎ অঙ্গ-প্ৰত্যঙ্গ বৃদ্ধিৰ আৰম্ভণি হয় বীজৰ শক্তি অনুপাতে আৰু আত্মাৰ প্ৰৱেশ ঘটে। পাৰ, মুৰ্গী, হাঁহ বা চৰাই কণীৰ বাহিৰ বগা ডাঠ অংশত নেদেখাকৈ থকা বিন্ধাৰ দৰে এই গোল খণ্ডত বিন্ধা হৈ প্ৰাণ-বায়ু সদৃশ আত্মা সোমাই বাহিৰৰ বায়ু আৰু ভিতৰৰ বায়ুৰ লগত সমচাপ বজাই ৰাখে মাতৃৰ জৰিয়তে। হিয়াত থাকে এক অঙ্কুৰণৰ তথা জন্মৰ প্ৰৱণতা। প্ৰাণীয়ে হওক বা উদ্ভিদৰে হওক একে। লগতে অঙ্গ-প্ৰত্যঙ্গৰ বৃদ্ধিৰ লগে লগে পঞ্চেন্দ্ৰিয়ৰ সহায়ত মনে পৰিৱেশ সাপেক্ষে অব্যক্ত জ্ঞান আয়ত্ত কৰে। পিচত ফুল ফুলিলে গোন্ধ আৰু মল থাকিলে দুৰ্গন্ধৰে আত্ম প্ৰকাশ কৰে। ভৃগুগিৰি বাবাই কোৱা বুলি ড° দিলীপ কুমাৰ ডেকাই 'আত্ম এটম ভৃগুগিৰি' নামৰ সৰু পুথিখনিত উল্লেখ কৰিছে যে মাতৃ গৰ্ভত থকা ভ্ৰূণত ছয়মাহ বিশ দিনলৈ জীৱাত্মা নাথাকে।

এয়া জন্মৰ প্ৰৱণতাই হ'ল এন্ধাৰৰ পৰা পোহৰলৈ অহাৰ অদম্য হেঁপাহ। পোহৰলৈ অহাৰ অদমনীয় হেঁপাহতে লুকাই আছে সত্ব, ৰজ, তম গুণৰ ত্ৰিগুণাত্মক অভিব্যক্তি। বিল, জলাশয়, নদীৰ

পানী চেকি জালেৰে মাছ ধৰাৰ দৰে এই তিনিগুণৰ সমষ্টিৰ পৰা ৰূপা, তাম বাদ দি সোণখিনি লাভ কৰিব পৰাই হ'ল জীৱনৰ একমাত্ৰ লক্ষ্য। এয়াও নিৰ্ভৰ কৰে এন্ধাৰৰ পৰা পৃথিৱীৰ পোহৰলৈ অহাৰ জন্ম ক্ষণটোত। এই ক্ষণতে 'ওম'ৰ 'ওৱা' উচ্চাৰণেৰে জন্মত শ্বাস-প্ৰশ্বাস লয় আৰু মৃত্যুটো এই উচ্চাৰণেৰে শেষ নিশ্বাস ত্যাগ কৰে। এনেকৈয়ে ক্ষণজন্মত মহৎ লোক, মহাপুৰুষৰ আৱিৰ্ভাৱ হয়।

চৌধুৰী ঃ আপুনি ব্যক্তিত্বৰ পৰা গৈ জন্মৰ ইতিবৃত্তিত ধৰিলে। এই জন্ম আৰু বৃদ্ধিৰ লগতে ব্যক্তিত্বৰ বিকাশ বুলি বুজিলোঁ, কিন্তু আত্মা আৰু বায়ুৰ প্ৰৱেশৰ ক্ষেত্ৰত সন্দিহান হৈ পৰিলোঁ। কিনো— এইয়ে বায়ুক আশ্ৰয় কৰি আত্মাৰ স্থিতি হয় দেহত, নহ'লে বায়ুমণ্ডলত।

বৰুৱা ঃ হেৰি, আমি কিনো? ডাঙৰ ডাঙৰ ঋষি, মুনি, মনীষীসকলে এই পৰমাৰ্থিক তত্ত্ব বিশ্লেষণৰ পথ বিচাৰি ধ্যানমগ্ন ভাৱত বিভোৰ হৈ পৰিছিল। ব্যাস ঋষিয়ে হেনো লিখি লিখি শেষ কৰিব নোৱাৰাকৈ চিন্তাৰ জন্ম দিছিল। অৰ্থাৎ বিশ্ব ব্ৰহ্মাণ্ড ভাব ভাণ্ডাৰৰ পৰা খুঁটিয়াই খুঁটিয়াই চিন্তাৰ আঁহ ফালিছিল।

কি ক'ব, গণেশ দেৱতাই হেনো দাঁত ভাঙি আনিয়ে লিখিবলগা পৰিৱেশৰ সৃষ্টি হৈছিল। চিন্তাৰ সোঁত বাৰিষাৰ প্ৰবল নদীৰ ধলৰ দৰে ফেনে-ফোটোকাৰে বৈ আহিলে মথাউৰিৰ কোনো বাধাই বন্ধ কৰি ৰাখিব নোৱাৰে। এই পানীয়ে বিশাল পথাৰ বিস্তৃত কৰে আৰু খেতি পথাৰত পলস পেলাই অনুৰ্বৰ ঠায়ো উৰ্বৰা কৰি শস্যাৰে নদন-বদন কৰি পেলায়। এই প্ৰতিভাৰ স্বাক্ষৰ মাতৃ গৰ্ভৰ ভাণ্ডাৰ।

চৌধুৰী ঃ অ' আমি এই নদন-বদন বৰগনি শস্যৰ ফল ভোগ কৰি আছোঁ, নহয় জানো? সেয়েহে, হিংসাৰ বাটত জয়ৰ ৰেঙনি নেদেখোঁ। লগতে বুজিব পাৰিছোঁ যে হিয়াৰ নৈতিক পথটো বন্ধ কৰিলে নিৰয়লৈ গতি কৰাত সহজ হৈ পৰে; তেনেকৈ ত্যাগৰ পথ ল'লে পৃথিৱীখন জয় কৰিবলৈ টান হৈ নাথাকে।

বৰুৱা ঃ হয়, এই আধ্যাত্মিক জ্ঞান ভাণ্ডাৰ অন্তস্পৰ্শী— ছায়াময়, মায়াময় আৰু সৰ্বব্যাপী। সাধাৰণ জ্ঞান আয়ত্ত্ব কৰাৰ ক্ষেত্ৰত আনকি G. B.

Shaw ই তেওঁৰ প্ৰবন্ধ, 'Life and learing' ত কৈছে যে, এজন মানুহে মৃত্যুৰ আগলৈকে শিকিব পাৰে। 'A man can learn till his death' জ্ঞানৰ কোনো এটি দিশৰে শেষ নাই।

প্ৰকৃতাৰ্থত Stock of knowledge is a curious mixture of thoughts । সেয়ে আমাৰ দৰে মানুহে মাখিটোকে হাতী আৰু তিলটোকে তাল কৰাৰ বাদে অন্যথা নহয়। পৰমব্ৰহ্মাৰ অচিন, অদৃশ্য, সৰ্বব্যাপক অনন্ত স্থিতিকে সৰ্বকালৰ, সৰ্বশক্তিমান ধাৰণাৰে সত্যাসত্য নিৰ্ণয় চিন্তা-ভাৱনাৰে মানৱ কল্যাণ সাধনাৰ্থে জ্ঞান অন্বেষণৰ পথ মুকলি কৰি ৰাখিছে মনীষীসকলে। আমি ইয়াৰ এটা সম্যক জ্ঞানৰ আভাস লোৱাৰ বাট অনুসৰণ কৰিব বিচাৰিছোঁ।

চৌধুৰী ঃ সমাজ কল্যাণ সাধনৰ উদ্দেশ্য আগত ৰাখি মানুহে মানুহৰ চিন্তাৰ মাধ্যমত শাস্ত্ৰসমূহৰ সৃষ্টি কৰিছিল। এই সৃষ্টিৰ চিন্তাৰ সত্যাসত্য নিৰ্ণয় অনুভৱেৰে বাটবুলি জন্ম দিছিল পৰমব্ৰহ্ম পৰমেশ্বৰৰ একক শক্তি স্বৰূপে। দেহত বিয়পি থকা আত্মাৰ সত্ত্বাই ব্ৰহ্মাত্মা শক্তিৰ অংশৰূপ। এনেদৰেই সমাজতেই প্ৰভাৱ বিস্তাৰ হৈ আহিছে মানুহৰেই সৃষ্টি ধৰ্ম শাস্ত্ৰ। এনেদৰে আকৌ সমাজৰ অৱদানৰ অৰ্থে আহি পৰে গণিত শাস্ত্ৰ, বিজ্ঞান, আধ্যাত্মিক বিজ্ঞান, ৰাজনীতি, অৰ্থনীতি, জ্যোতিষ শাস্ত্ৰ, সাহিত্য, শিল্পকলা আদি। সমাজ হিতৰে আন এটা দিশ ৰস আস্বাদন; ইয়াৰে আদি ৰস প্ৰণিধানযোগ্য। কিয়নো এই ৰসে জীৱন তথা সংসাৰখন ধৰি ৰাখিছে। তেনেকৈ জীৱন সন্ধানৰ পৰিপ্ৰেক্ষিতত সাহিত্য, শিল্পকলাই যোগান ধৰা প্ৰেম আৰু কৰুণ ৰসৰ আনন্দও উল্লেখনীয় দিশ?

বৰুৱা ঃ নিজক বিচাৰি আধ্যাত্মিকতাৰ বাটেৰে যাওঁতে আত্মাৰ ঘৰটোত সোমাই পৰে আৰু চৌপাশে পথাৰখনত দৃষ্টি নিক্ষেপ কৰোঁতে বাস্তৱ ধৰা পৰে। এনেদৰে এজনৰ দুখ-বেদনাত সমভাগী হ'ব বিচৰা সহৃদয়তাই একাত্মবোধৰ উদয় ঘটায়। সত্যক বিচাৰি জ্ঞানৰ পথেৰে আগবঢ়া ক্ৰিয়া অনন্তৰেই এক পৰিসমাপ্তি। তিনিটা সত্য মিলি গৈছে এই সত্যতে, যেনে— জীৱন এক সত্য, জীয়াই থকাৰ কামনা এক সত্য আৰু নিজক প্ৰকাশ কৰাৰ হেঁপাহ এক সত্য। এয়া হ'ল জন্মৰ

আত্মিক সত্য। ইয়াৰ লগত আছে একাত্ম স্বৰূপ সমতা ভাব, জন্ম অধিকাৰ আৰু মনৰ স্বাধীনতা। মাতৃৰ জৰিয়তে খাদ্যৰ যোগেদি দেহৰ বৃদ্ধি-পুষ্টিসাধন অন্ত হয় জন্মৰ ক্ষণতে। তেতিয়া লগে লগে ভোক-পিয়াহ লাগে আৰু ইন্দ্ৰিয়বিলাক মাতৃকেন্দ্ৰিকৰ পৰা গৈ আত্মকেন্দ্ৰিক হৈ পৰে। ইয়াতে জন্ম হয় এই তিনি সত্য। এয়া মানৱীয় সত্য আধ্যাত্মিক সত্যতে পৰিচিত।

চাওক, মানুহৰ সম্পৰ্ক মানুহৰ সৈতে; মানুহক বুজা মানুহৰে আনন্দ স্বৰূপ ক্ৰিয়া। এনে মানৱ সত্য উপলব্ধি হ'লে সত্যৰো সুন্দৰ ৰূপটো ঈশ্বৰ সদৃশ সৌন্দৰ্য হৈ নৈসৰ্গিক সত্যৰ অন্তৰালৰত উদ্ভাসিত হৈ পৰে। এনে মানৱ সত্যক বাদ দিলে, জীৱন সত্য উপলব্ধি নহ'লে, আত্মাৰ স্বৰূপ মনত প্ৰতিভাত নহ'লে, কদৰ্য ৰূপটো প্ৰতিফলিত হয় সমাজত। কিয়নো, মানৱ সত্যক বাদ দিলে ধৰ্মৰ সত্য নাই, ধৰ্মৰ সত্য নহ'লে, সাহিত্য-কলাৰ সত্য নাই; তেতিয়া ৰস তত্ত্বৰো অভাৱ আৰু সকলো দুস্কৃতিয়ে বাহাল থাকে সমাজত।

চৌধুৰী : তাৰমানে জীৱনৰ এটি স্ব-প্ৰকাশৰ হেঁপাহৰ তাড়নাতে সৃষ্টি বা আৱিষ্কাৰ হয় সামাজিক অৱদান আৰু ৰসসমূহ। কিয়নো মানুহে মানুহকে বিচাৰে আত্মপ্ৰকাশৰ প্ৰেৰণাৰ বাবে। য'ত মানুহ অকলশৰীয়া তাত প্ৰকাশৰ প্ৰেৰণা নাই। আলেকজেণ্ডাৰ চেলকাৰ্কক যি দ্বীপত নিৰ্বাসন দণ্ড দিছিল তাত তেওঁৰ স্ব-প্ৰকাশ নাছিল। তেওঁ অকলশৰীয়া, সুখ-দুখ, হৰ্ষ-বিষাদ, প্ৰেম-কৰুণ অনুভূতি, বেদনাৰ সমভাব বহন কৰিবলৈ, একাত্মীয়তাত আনন্দ ল'বলৈ, তেওঁ অকলেই দ্বীপটোত। অলপ ভালপোৱা, অলপ মৰম বুটলি হিয়াত ল'বলৈ মানুহৰে প্ৰয়োজন। সেই প্ৰধান অভাৱতেই ভুগিছিল তেওঁ অতিকৈ।

বৰুৱা : মানুহৰ মাজত মানুহক বিচাৰি পোৱা আত্মীয়তাৰো স্ব-প্ৰকাশ। এই আত্মীয়তাৰ মাজত বিচাৰি পোৱা প্ৰেম বা মৰম ভালপোৱাই জীৱন নিজৰাৰ আৱহমান সোঁত।

চাওক, জ্ঞানীয়ে যদি অজ্ঞানীক মৌলিকতাৰে শোষণ কৰে বা মৌলিক জ্ঞানৰ সম্ভাৰ অপহৰণ কৰে; পূজাৰীয়ে পূজা-পৰ্বৰ প্ৰসাদৰ সমবিতৰণ অপহৰণ কৰে; ৰাজনীতিয়ে স্বাতন্ত্ৰক প্ৰৱঞ্চনা কৰে,

উদ্যোগপতিয়ে মেহনতি জনসাধাৰণৰ স্ব-উপাৰ্জিত ধনৰ সিংহভাগ চলেৰে কাঢ়ি নিয়ে, ব্যৱসায়ী আৰু ধনীয়ে দহজনক শক্তিৰ ভয় দেখুৱাই শোষণৰ লগতে শ্ৰম কাঢ়ে, সামাজিক অৱদান আগবঢ়োৱা শুদ্ধ ব্যক্তিক চলে-বলে-কলে-কৌশলে, তোষামোদ-স্বজনপ্ৰীতিৰে তথা কপট-কুটিলতাৰে অপসাৰণ কৰে, তাত সমতা ৰূপ বা ন্যায় পদদলিত হয় আৰু লগতে প্ৰকৃতিৰ সত্য ৰূপত মাধমাৰ শোধায়। সেয়েহে, স্ব-অধিকাৰৰ পৰা বঞ্চিত কৰাও এক হত্যা সদৃশ অপৰাধ। খোৱা-লোৱা, পিন্ধা-উৰা আৰু মুখৰ মাত মাতিব পৰা জন্মৰ মৌলিক অধিকাৰ। এই অধিকাৰ সুৰক্ষা কৰাটো এক মানৱীয় দায়িত্ব। এই দায়িত্ব এৰাই নিজৰ লাভালাভ বিচৰাটোও অপৰাধ। এয়া স্বাধীনতা তথা আত্ম প্ৰেমৰ ওপৰত এক বলাৎকাৰ অৰ্থাৎ প্ৰেম ধৰ্ষণ; ইয়াৰ ফল সুদূৰপ্ৰসাৰী। বন্দুকৰ স্ৰষ্টা বা বন্দুকধাৰীতকৈ এটম বোমৰ স্ৰষ্টা বা এটম বোমা বহনকাৰী বেছি অপৰাধী। কিয়নো এটম বোমাৰ ধ্বংসই অধিক। তদ্ৰূপ, স্বাধীনতা তথা আত্মপ্ৰেমৰ ওপৰত কৰা বলাৎকাৰ বা ধৰ্ষণ বেছি অন্যায়কাৰী এজন হত্যাকাৰীতকৈও।

চৌধুৰী ঃ এক কথাত ক'বলৈ গ'লে সমতাভাব বাস্তৱত ৰূপায়িত কৰা অসম্ভৱ। কাৰণ মানুহে মানুহতকৈ টকাহে আগে চিনি পায়; সেয়েহে এই সমতাভাব বা মনৰ মুক্ত স্বাধীনতা বাহাল ৰখাৰ ভাব পোষণ কৰি মূৰ গৰম কৰাৰ লাভ কি? টকা নহ'লে সংসাৰ নচলে।

বৰুৱা ঃ লাভ আছে, বহুত লাভ। সমস্যাই মানুহ গঢ়াৰ দৰে, মূৰ গৰম কৰা ভাবে গৰম মূৰ ঠাণ্ডা কৰে। অৰ্থাৎ খুঁটি-নাটি, দোষ-ক্ৰুতি-বিচ্যুতিসমূহ সমভাবে চিন্তা কৰি উঠাৰ পিচত যি সিদ্ধান্তত উপনীত হোৱা যায় তাত ঈশ্বৰৰ আশিস থাকে। এই আশিসে মানুহজনক আনন্দময়ী কৰি ৰাখে।

সেয়েহে এই সমভাব লৈ মূৰ গৰম কৰিব পাৰিলে হত্যাকাৰীয়েও চিৰ পাপৰ দুখৰ ভাৰ বৈ জীৱনটোক ঠগিব নালাগিলহেঁতেন। এই সম্ভাৱৰ অভাৱত দহজনৰ ক্ৰিয়া-বিক্ৰিয়াই অসৎভাবকহে জীয়াই ৰাখে। কাৰণ, সত্য সদায় সত্য; ই চিৰ নতুন-চিৰ তৰুণ; Ever green, Ever youth, Ever truth, Ever beau-

tiful, Ever delightful.

চাওক, আমি যে সংস্কৃতিৱান হোৱা বুলি কওঁ, ইয়াৰ অৰ্থ অভ্যাস কৰি কোনো এটা কামত উন্নতি কৰা— এয়া এক Trial and error method; যেনেকৈ কয় মানুহ মাত্ৰেই ভুল হয়— To err is human. অনভ্যাসে বিস্মৃতি বৃদ্ধি কৰে। কটাৰীখন ধাৰ নিদিলে বা ব্যৱহাৰ নহ'লে মামৰে ধৰাৰ দৰে সহজ উপাৰ্জনত পৈণতাইীনে অলসতা বৃদ্ধি কৰে। কষ্টোপাৰ্জিত ধনৰ পৈণতাই সুখ কঢ়িয়ায়। Animal pleasures ত জ্ঞানোদ্দীপক অৱস্থা লোপ পায়। পিচৰ পুৰুষকো অন্যায় কৰে।

সেয়া চাওক, মূৰ গৰম কৰা ভাবে চিন্তাৰ বিকাশ ঘটায়, মনত নতুন কলা-কৌশলৰ জন্ম হয় আৰু এনেকৈয়ে অভাৱৰ তাড়নাই নতুন আৱিষ্কাৰৰ লগত সহবাস কৰিবলৈ হাবিয়াস ওপজায়।

চৌধুৰী ঃ যথাৰ্থতে, Cultured man is a restless one and always tries to involve himself in creation. গাঁৱত কোৱা শুনিছিলোঁ, 'বুদ্ধি খটুৱালে বুদ্ধি বাঢ়ে, বুদ্ধি নখটুৱালে আছে গৰু নাবায় হাল হোৱাতকৈ নোহোৱাই ভাল' হয়। বাপেকৰ পিচত নিষ্কৰ্মা হৈ পুতেক আছে, মাটি-ঘৰ বিক্ৰী গ'লে ভিক্ষাৰীত পৰে। পোহৰত সোণ টুকুৰা হেৰাই, এন্ধাৰত বেজী বিচাৰিলে ক'ত পায়? এনে জীৱনে চিৰ অসহায় হৈয়ে কটায়। তাৰ সুখ ধৰুৱাৰ চিৰ দুখ।

বৰুৱা ঃ চাওক, আপুনি নিজৰ প্ৰশ্নৰ উত্তৰ নিজেই দিলে। নতুন ধৰণে চিন্তা কৰাটোৱেই সৃষ্টি। Thinking in a new way is a creation. It may or maynot lead to invention. After all it is a creation. বন-জাবৰ চিকুণাই থ'লে পিচৰ কোনোবাই একে আৱশ্যকভাবে বাট উলিয়াই ল'ব।

চৌধুৰী ঃ ৰ'ব, মহাত্মা গান্ধীয়ে কৈছিল, 'Development of personality is the development of body, mind and soul. এইটোৱেই নহয় জানো?

বৰুৱা ঃ হয়; এয়া কৰ্ম পদ্ধতি— The activity method. অৰ্থাৎ হাতে-মনে এক হৈ কৰা কাম; দেহ আৰু মনৰ সংযোগ সাপেক্ষ কৰ্ম। মন আৰু

হাতৰ সংযোগত বুদ্ধিও বাঢ়ে। হাতে, মনে আৰু বুদ্ধিয়ে লগলাগি সততাৰে কাম কৰিলে আত্মাৰো বিকাশ ঘটে। এনেকৈয়ে মানুহৰ ব্যক্তিত্ব আহে। টকা চিনিলেই ব্যক্তিত্ব নোপজে। এইটো সম্ভৱ হয় বিভিন্ন নিষ্ঠাৰ কৰ্মত। এয়া মন, দেহ, বুদ্ধি আৰু কৌশল সাপেক্ষে কৰ্ম সংস্কৃতি।

ব্যৱসায়, কৃষি, উদ্যোগ, কাৰিকৰী, সাহিত্য, শিল্পকলা, বিজ্ঞান, আধ্যাত্মিক বিজ্ঞান, শিক্ষা যিয়েই নহওক আনকি বাকপটুতা, ওকালতি, বিচাৰক বিচক্ষণজাতীয় মনোবৈজ্ঞানিক কলা-কৌশল আদিতো এনে দেহ, মন আৰু আত্মাৰ উন্নতি সাপেক্ষে ব্যক্তিত্বই সহায় কৰে। যেনে— ভাল কথা কম বুলি ক'ব নোৱাৰে; সু-সন্তান জন্ম দিয়াৰ দৰে। কথাৰ জন্ম তথা অঙ্কুৰণ হয় আগতে, প্ৰকাশ হয় পিচত। পৰিৱেশৰ প্ৰভাৱ থাকে তাৰ লগত। সেয়ে কয়, কৰ্মক চুৰি কৰি যিয়ে ধন ঘটে অৰ্থাৎ আত্মসাৎ কৰে তাৰ সাতপুৰুষ নৰকত ভোগে। এনেকৈয়ে জীৱন ফাঁকিৰ দৰে সময়ৰ লগত মোট সলায়। পৰিৱৰ্তনৰ চকত খুন্দা খায়। কোনোজন মিহি হয়, কাৰো টাৰ্নিংপইণ্ট সুখৰ আৰু কাৰো দুখৰ; সকলো নিৰ্ভৰ নিষ্ঠা কৰ্মৰে হয়।

ইয়াত দেখা যায় ব্যক্তিত্বৰ বিকাশৰ লগতে ঘৰৰ, সমাজৰ, স্কুল-কলেজৰ, অনুষ্ঠান-প্ৰতিষ্ঠানৰ সেই ব্যক্তিত্ব অনুসাৰে উত্তৰোত্তৰ উন্নতি হয়। অনুষ্ঠানটো দেখিলেই অনুভৱ হয় কাৰ হাতৰ পৰশ তাত পৰিছে। সকলোৰে মূলতঃ সততা, নৈতিকতা আৰু মানৱীয়তাৰ চাপ তাত প্ৰতিভাত হৈ উঠে। অন্যথা কি ঘৰ, সমাজ, ৰাজ্য, দেশ অনুষ্ঠান-প্ৰতিষ্ঠান সকলো দিনকদিনে বিপৰ্যয়ৰ মুখলৈ আহি এনে এটা সময়ত প্ৰত্যক্ষ হৈ পৰে য'ত জহি-খহি যোৱা জীৰ্ণ-শীৰ্ণ অৱস্থাই প্ৰতীয়মান কৰে যে নিম্নমানৰ পৰ্যায়েও লগ দিব খোজা নাই। ঐতিহ্য হৈ স্মৃতিতহে বজি ৰয়।

সেই কাৰণেই মহাত্মা গান্ধীৰ All round development of personality ৰ সংজ্ঞাটোক দেশৰ মেৰুদণ্ড স্বৰূপ সূত্ৰ বুলি আখ্যা দিব পাৰি।

চৌধুৰী ঃ হেৰি, আপুনি দেখোন শলা-(Pivot) ডালত গাড়ীৰ ধুৰাৰ দৰে উঘা

ঘূৰাই থাকে। তামোল-পাণ-চূণ খাই ওঁঠ ৰঙা কৰি শিপিনীৰ দৰে মোলমলাই থাকি সমাজ কল্যাণৰ শলাডালত শিক্ষা, ধৰ্ম, বিজ্ঞান, আধ্যাত্মিক বিজ্ঞান, সাহিত্য, কলা-সংস্কৃতি সকলো উঘা-চেৰেকিৰ দৰে ঘূৰাই থাকে।

বৰুৱা ঃ কি ক'ব, সকলো কথাৰেই উৎপত্তি এক, প্ৰকাশভংগী বেলেগ। যেনে ধৰক উচ্চাৰণ কৰিও কথা ক'ব পাৰি আৰু উচ্চাৰণ নোহোৱাকৈও ক'ব পাৰি; আকৌ আন দুই ধৰণে ক'ব পাৰি নিজক নিজে। ওঁঠ বুলাই আৰু ওঁঠ নুবুলোৱাকৈ মনেৰে। এইটো সচৰাচৰ হয় ঈশ্বৰ প্ৰাৰ্থনাত। আটায়ে ইন্দ্ৰিয়ৰ দ্বাৰা হোৱা অনুভূতি; এয়া শব্দাত্মক ব্ৰহ্ম স্বৰূপ—শব্দব্ৰহ্ম। এই শব্দৰ শক্তি সাত্ত্বিক, ৰাজসিক আৰু তামসিকৰ শব্দ উচ্চাৰণ ভেদে প্ৰকাশ হয়। শব্দধ্বনিত মোহিনী শক্তি আছে। মন্ত্ৰ-তন্ত্ৰৰ সৃষ্টি— এনে উৎস বিজড়িত তত্ত্ব স্বৰূপ। এইয়ে শব্দৰ কালিকালগা প্ৰকাশ ক্ষমতা, শব্দৰ আলংকাৰিক প্ৰয়োগৰ যাদুকৰী শক্তি। সংগীতৰ সুৰ-সমলয়ৰ যাদুকৰী শক্তি বিজড়িত হৈ আছে ইয়াত।

সামাজিক দুৰৱস্থাৰ পৰিপ্ৰেক্ষিতত দকৈ গমি চালে বুজিব যে ধৰ্মীয় বিজ্ঞান আৰু আধ্যাত্মিক বিজ্ঞান এৰাই গৈ জ্ঞান বিস্ফোৰণৰ সন্দৰ্ভত প্ৰতিযোগিতামুখী হৈ জ্ঞান আহৰণত হাত মিলোৱাৰ সময়তে ৰাজনৈতিক ক্ষমতা লোভৰ অনৰ্থই গাঁথনিত ভাঙোন আনিছে আৰু জনবিস্ফোৰণেও সমাজৰ স্থিতাৱস্থাৰ দিশত এনে দুৰ্বলতাৰ সুযোগ লৈছে। তাতে আকৌ খাদ্য মজুতকাৰীৰ কেঁকোৰা চেপাত গ্ৰাহকৰ দুৰৱস্থা আৰু শ্ৰমজীৱীৰ মুখৰ ভাত কাঢ়ি নিয়া ক্ষুধাতুৰ ক্ষোভে পৃথিৱীজুৰি গা কৰি উঠিবলৈ ইন্ধন পাইছে। এনে ক্ষোভে সন্ত্ৰাসত আত্মপ্ৰকাশ কৰিবলৈও সুযোগ লাভ কৰিবলৈ হেতাওপৰা লগাইছে। মানুহৰ মাজতো সাম্যভাবৰ পৰিৱৰ্তে অন্যায়ৰ জৰিয়তে বৈষম্য সৃষ্টিৰ মনোভাব এটা লক্ষণীয় দিশ হিচাপে ধৰা পৰিছে সমাজৰ মাজতেই। ভাল হৈ মইনো কি কৰিম। সকলোৱে পিচ দুৱাৰেদিহে ওলোৱা সোমোৱা কৰে।

চৌধুৰী ঃ প্ৰকৃতাৰ্থত আমাৰ দেহটোতে বিজ্ঞান, দেহটোতে ধৰ্ম আৰু দেহটোতে আত্মা। ব্যক্তিত্বৰ পূৰ্ণ বিকাশ হোৱাৰ আৱশ্যকতাৰ প্ৰসঙ্গত মুখ্য,

গৌণ যিয়েই নহওক এটাকো উলাই কৰিব নোৱাৰি। দেহৰ উন্নতি সাধিব লাগিলে তিনিওটাৰে জ্ঞান লাগিব। ই সম্ভৱ প্ৰকৃত শিক্ষাৰ মাধ্যমতহে। সেয়েহে, আচাৰ-ব্যৱহাৰ, নীতি-নিয়ম, ভাল-বেয়া, দয়া-মায়া-মমতা, আন্তৰিকতা-ঐকান্তিকতা আদি অটুট ৰাখিবলগীয়া বিষয়।

মানুহৰ উন্নতিৰ পৰিপ্ৰেক্ষিতত এই বিষয়সমূহৰ ওপৰত আস্থা ৰাখি বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ প্ৰায়োগিক দিশৰ ওপৰত জ্ঞান লাভ কৰিলে সমাজৰ উন্নতি হয়। কাৰণ, এইসবৰ আনুষংগিক জ্ঞানেই সমাজৰ উন্নতি সাধন কৰে আৰু সমাজৰ উন্নতিয়ে দেশৰ লাইখুঁটা। বৈদিক শাস্ত্ৰসমূহৰো উদ্দেশ্য এটাই— মানৱ কল্যাণ। ইয়ো কৰ্মমুখী ধৰ্ম অৰ্থাৎ কৰ্ম আগত ধৰ্ম পিচত, নহয় জানো?

বৰুৱা : হয়, অনুভৱ কৰিলেই উদ্দীপ্ত হৈ উঠিব যে জন্ম জন্মান্তৰ প্ৰক্ৰিয়াৰ ফলত মানুহৰ সংস্কাৰ হৈ আহি সংস্কৃতিৱান হোৱাটো এটা মানৱ প্ৰগতিৰ দিশ। বিজ্ঞান এইখিনিতে খাপখাই লাগি ধৰে যে মানসিক উন্নতিৰ লগত যেতিয়া মানুহে মুকলিমুৰীয়া হৈ নতুন নতুন চিন্তাৰে অভাৱ পূৰণৰ অৰ্থে নতুন আৱিষ্কাৰ কৰি মানৱ কল্যাণৰ প্ৰয়োগ সাপেক্ষে সমাজ আগবঢ়াই নিয়ে তেতিয়া বিজ্ঞান-ধৰ্ম এক যুটীয়া তত্ত্ব হৈ পৰে। লগতে আধ্যাত্মিক চিন্তাই যেতিয়া আত্মজ্ঞান সাপেক্ষে সমাজখন বিপথে পৰিচালিত নোহোৱাকৈ ৰাখে ই ত্ৰিতত্ত্ব হৈ পৰে। মানৱ প্ৰগতিত অৰিহণা যোগাব লাগিলে প্ৰথমে আত্ম অধিকাৰৰ প্ৰতি সচেস্ত হৈ লৈ নতুন উদ্ভাৱনত ব্ৰতী হ'ব পৰাকৈ মনটো মুক্ত ৰাখিব লাগিব।

C. M. Joad য়ে তেওঁৰ ইংৰাজী প্ৰবন্ধ 'A Talk'ত কৈছে, 'The business of thinking new thoughts is a sign of being civilized... to think freely is to think differently'. এনে নতুনত্বৰ জন্ম দিবলৈ হ'লে জীৱনটোৰ ওপৰত কোনো পোৱা-নোপোৱাৰ হিচাপৰ আপত্তি নথকাকৈ জীৱনটো জীয়াই ৰাখিব পাৰিব লাগিব, লগতে সকলো সংস্কৃতিৰে বেয়াখিনি এৰাই চলি ভালখিনি গ্ৰহণ কৰাৰ মুক্ত মানসিকতাই মনত ৰাজত্ব কৰিব পাৰিব লাগিব।

চৌধুৰী : আপোনাৰ দৰে সৰবৰহী ব্যক্তি বৰ কমেই ওলাব। একোটা নিৰ্দিষ্ট

বিষয়ত দখল থকা মানুহ ওলাব, কিন্তু যি কথাই নহওক আপুনি সমানেই দাঙি ধৰি বিশ্লেষণত নামি যায়। সংশ্লেষণতো প্ৰতিটোৱে এককত সোমাই যায়। তেনেকৈয়ে বিশ্বব্ৰহ্মাণ্ড একক শক্তি হৈ মিলি পৰে। শ্ৰীকৃষ্ণই অৰ্জুনক মুখগহ্বৰত বিশ্ব ব্ৰহ্মাণ্ডখন সোমাই দেখুৱাৰ দৰে, নহয় জানো?

বৰুৱা : সৰ্ববৰহী ব্যক্তি ওলাব, কিয় নহ'ব? আপোনাৰ লগত মই আগবাঢ়িবলৈ সুবিধা পাইছোঁ হয়তো আপোনাৰ সম্পূৰ্ণ সহযোগৰ বাবে। এনে ক্ষেত্ৰত বহুতে Jack of all trades but master of nore বুলি কৈ আলোচনাত গতি দিব নোৱাৰে। আন বহুতে হয়তো এনেদৰেই ভাল সংগৰ অভাৱত আগবাঢ়িব নোৱাৰে। যি আশাৰেই কথা কয় তাতেই মৰ্মপীড়া পায়— ফলত মনৰ কথা মনতে মাৰ যায়। আচলতে সময়ৰ লগত উজুটি নোখোৱাকৈ খোজ মিলাই যাবলৈ হ'লে সৰ্ববৰহী হ'ব লাগে। উন্নতিৰ জখলাত খোজ দিবলৈ আগ্ৰহ কৰিলে পৃথিৱীত ঘটি থকা সমস্যা তথা ধ্যান-ধাৰণা, আৱিষ্কাৰ-উদ্ভাৱনৰ লগত চিনাকি হ'ব পৰাকৈ কিছুমান কথা অৱগত হ'ব লাগে। লগতে ওপৰৰ ফালে চাই ভৰিৰ স্থিতি হেৰুৱাব নলগাকৈ খোপনি পুতি থাকিব পৰা মনৰ দৃঢ়তা লাগে।

সংশ্লেষণ আৰু বিশ্লেষণ সাপেক্ষে ব্ৰহ্মাণ্ডৰ যি কথা আপুনি উল্লেখ কৰিছে শ্ৰীকৃষ্ণ-অৰ্জুনৰ ক্ষেত্ৰত মই নিজেও গল্পৰ নামকৰণ আৰু গল্পটোৰ সম্পৰ্কৰ দৰে ভাবোঁ।

বৰ্তমান সমাজত দেখা দিয়া অস্থিৰতা আৰু বিশৃংখলতাৰ কাৰণ সামগ্ৰিক জ্ঞানৰ ক্ষেত্ৰত ভোগা সীমাবদ্ধতা আৰু উচ্চ-নীচতা। মুঠতে জন বিস্ফোৰণৰ ক্ষেত্ৰত বিদেশীৰ প্ৰব্ৰজন, ক্ষমতাৰ বিকেন্দ্ৰীকৰণত লোভৰ বিস্ফোৰণ আৰু মানৱতাহীন বৈষম্য ভাবৰ বিস্ফোৰণে সমাজ কঁপাই তুলিছে। মানসিক শান্তি লাভ কৰিবলৈ কোনেও ক'তো মুকলিমুৰীয়া বাতাবৰণৰ ফাঁক নোপোৱা হৈছে।

চৌধুৰী : কি ঘৰ, কি সমাজ সকলোতে ইজনে-সিজনৰ মূৰৰ ওপৰত কঁঠাল ভাঙি খাব বিচৰা স্বভাৱেও এনে অস্থিৰ সমাজৰ সৃষ্টিৰ এক উৎস হৈ পৰিছে। প্ৰকৃতপক্ষে কোনো নিষ্কণ্টক নহয়; নিস্কৃতিও নাপায়।

বৰুৱা ঃ হেৰি, নিজৰ মুৰত দৰ্কাৰ হ'লে কঁঠাল ভাঙি খাব বিচৰা মনৰ স্থিৰতা আনিব পৰা অৱস্থাই হ'ল প্ৰকৃত মানুহৰ চাৰিত্ৰিক বৈশিষ্ট্য। আৰ্থিক স্বচ্ছলতাইয়ো ইয়াক সহায় কৰে। মনৰ স্থিৰতাই সমতাৰ মোহত বন্দী হয়। মনৰ সমতাভাব পৰিদৃষ্ট হয় মানুহৰ মাজত থকা সংব্যৱহাৰ, আচৰণত। সেয়েহে মনৰ এই গতি পৰিচালিত হয় হিয়াৰ নৈতিক সংবিধানখনৰ জৰিয়তে। স্বাৰ্থৰ খাতিৰত এই সংবিধানখনৰ পাত কোনেও লুটিয়াব নোখোজে। কোনোবাই লুটিয়ালেও নকল গণতন্ত্ৰৰ খাতিৰত নাইবা ক্ষমতাৰ ৰোষৰ বলি হয়। লগতে ক্ষমতাৰ বাঘজৰীৰ বান্ধৰ ক'বলত লৰ-চৰ কৰিব নোৱাৰাই নহয়, মুখৰ মাতো বন্ধ হৈ যায়। মুক্ত চৰাই বহুদিন পিঞ্জৰাত থকাৰ পিচত মুকলি আকাশত উৰাৰ শক্তি ডেউকাৰ অলসতাত হেৰাই যোৱাৰ দৰে হয়।

এনেদৰেই নৈতিক সংবিধানখন কি ঘৰ, কি সমাজ, কি অনুষ্ঠান-প্ৰতিষ্ঠান, ৰাজ্য-দেশ সকলোতে হিয়াৰ পুথিভঁৰালৰ চুকত উঁৱলি যোৱাৰ বাটত ৰৈ থাকে গতিৰ আশাত বেজাৰৰ ভাৰ বৈ। এনেকৈয়ে নৈতিকতা মৃত্যুঘাটলৈ যায় আৰু ৰৈ ৰৈ উভতি চায়। নৈতিকতাৰ মৃত্যু মানে ন্যায় আৰু সমতাৰ মৃত্যু; মৃত্যু মানৱীয়তাৰ। তেতিয়া মানুহ হয়— শাসন ক্ষমতাৰে এক বলিয়া হাতী। বলিয়াক বলিয়াই কৰে খেদা-খেদি, বস্তু-বাহানি গাৰে-মূৰে দলিয়া-দলি, হাট কোচোৱা-কোচি, মাৰা-মাৰি, কটা-কটি, গুলীওৱা-গুলী আৰু যুদ্ধ-বিগ্ৰহ। মৰে মানুহ, ধবংস হয় পৃথিৱী; প্ৰাকৃতিক দুৰ্যোগৰ যেন প্ৰত্যক্ষ কৰে ঘৰ-দুৱাৰ পুৰি, বয়-বস্তু তচনচ কৰি। যেন প্ৰবল ঘূৰ্ণি বতাহৰহে উভুগুালি। এয়া মানুহৰ প্ৰকৃতি।

প্ৰকৃতিৰ আত্মপ্ৰকাশৰ বাবে সৃষ্টি আৰু ধ্বংস, ঈশ্বৰৰ কৃষ্টি-সংস্কৃতি। নতুন সৃষ্টিৰে প্ৰকৃতিয়ে মেলে পাতনি, য'ত— Aspiring people are inspiring. আশাই কৰ্ম সম্পাদনাৰ বাবে উৎসাহ কঢ়িয়াই; আনক বোকা ছটিওৱাৰ মনোভাব মনত পোষণ নকৰি ভাল কাম কৰি যোৱাতেই প্ৰকৃতিৰ সৃষ্টিৰ লক্ষণ মানুহৰ হাতত হয় প্ৰতিফলন। নিজৰ কামত নিজৰ মোবাইল ফোনটো হাতত থকা সত্ত্বেও ব্যৱহাৰ নকৰি অফিচৰ ফোন ব্যৱহাৰ কৰাৰ বিপৰীতে নিজৰটো ব্যৱহাৰ কৰি

মনৰ স্বাধীনতাক ফাঁকি নিদিয়াকৈ চলিব পৰা সাহসেই আত্মজ শক্তি।

এনে দৃষ্টিভংগী অনুমেয় হ'ব, 'আদি য'ত অন্তয়ো বৈ থাকে মিলিবলৈ ত'ত', বোলা কথাফাকিত। পুৰা ঘৰৰ পৰা ওলাই গৈ গধূলি ঘৰটোত সোমোৱাৰ হাবিয়াসৰ দৰে। এই মায়া-মোহৰ অন্তই জগৎ মিথ্যা প্ৰতিপন্ন কৰিব।

চৌধুৰী ঃ পৰমব্ৰহ্মৰ আদি অন্তহীন ধাৰণা সৰ্বজন বিদিত। কিন্তু আপুনি কোৱা আদি অন্তৰ একেডাল চক্ৰৰেখাতে মিলি যোৱাৰ প্ৰৱণতা কি?

বৰুৱা ঃ এয়াই আৰম্ভণি য'ত শেষে বৈ থাকে মিলিবলৈ। এডালেই সীমাৰেখা, এটাই বিন্দু; জ্ঞানী আৰু অজ্ঞানীৰ, শিক্ষিত আৰু অশিক্ষিতৰ। জ্ঞানীয়ে যদি অজ্ঞানীৰ কাম কৰে, শিক্ষিতে যদি অশিক্ষিতৰ কাম কৰে, চোৰক দেখি ভালজনেও চোৰ কৰে, ঘাতকৰ প্ৰতিশোধত নিজেও হত্যাৰ কাম কৰে? সৃষ্টিৰ অন্তত ধ্বংস আৰু প্ৰকৃতিৰ দৰে ধ্বংসতে সৃষ্টি কৰিব নোৱাৰে। তেনেহ'লে এই অধিকাৰ ক'ত পালে? এজনে খড়ত জুই জ্বলাই, আনজনে পানী ঢালি নুমাই কলা ছাইতে সৃষ্টিৰ কল্পনা কৰে। ইয়েহে পৃথিৱীক জীয়াই ৰাখে।

চৌধুৰী ঃ আপোনাক কি বুলি কম আৰু কি বুলি নোকোৱাকৈ থাকিম। জৱাহৰলাল নেহৰুৱে মহাত্মা গান্ধীৰ সম্পৰ্কত কোৱাৰ দৰে তেওঁ গান্ধীৰ লগত ইমান Personal যে তাত Impersonal হৈ প্ৰকৃত সত্য Appraisal কৰা তেওঁৰ পক্ষে সম্ভৱ নহয়। মোৰ কথাও তদ্ৰূপ। হয় ঠিকেই— বিল-নদীত মাছ ধৰি, ঘাঁহ কাটি গৰু-গাই পুহি, পথাৰত হালবাই খেতি কৰি, কোনোবাই বজাৰত সৰু-সুৰা বস্তুৰ দোকান দি আৰু ফাঁকে ফাঁকে স্কুল-কলেজত পঢ়ি, অতি হাড়ভগা পৰিশ্ৰমেৰে ডাঙৰ মানুহ হয়। একে মানুহ হৈয়ে থাকি কষ্টোপাৰ্জিত ধনেৰে বগত কিবাকিবি কৰিলে। কিন্তু কি হ'ব? পণ্ডিতৰ ঘৰত শিয়ালৰ হোৱাৰ দৰে পিতৃৰ অৰ্থাৎ তেওঁৰ মৃত্যুৰ পিচত আধুনিক ফেশ্বনে কৰ্মহীন কৰি পেলোৱাত পুত্ৰই এটি-দুটিকৈ সময়ত সকলো হেৰুৱালে। পিতৃৰ পাতনি পুত্ৰৰ মোখনি একেডাল সৰলৰেখাতে এটা বিন্দুতে হ'ল সামৰণি। এয়া নহয় জানো? সৰু সৰু মানুহৰ বৰ হৈ দেখুৱাৰ অতপালি।

বৰুৱা ঃ হয়, এনে সংসাৰেই বুজাই মানুহৰ কৰণীয় কি? নিজক নিজে সুধিলেই ওলাই পৰে। নিজৰ হাততেই আছে লিপিত খাই নিজৰ জীৱনৰ বিলায়। কোনেও কাকো দিব নালাগে এই কথা সোঁৱৰাই।

নৈতিকতাক হাত ধুই দি দুখীয়াৰ মুখৰ ভাত কাঢ়ি, দুৰ্নীতি কৰি হোৱা আগদিনাৰ কোটিপতি পিচদিনাই হয় শূন্যৰ অধিকাৰী। বাওঁহাতে বহুৱাবলৈ 'এক' আৰু নাপায় বিচাৰি দুনিয়া চলাথ কৰি, বন্ধুৰ ওচৰত দুৱাৰে দুৱাৰে গৈ হাত পাতি পাতি।

চৌধুৰী ঃ বাৰু, আমি বাৰে বাৰে সমতা, মনৰ স্বাধীনতা আৰু জন্ম অধিকাৰৰ বিষয়ে কৈ আহিছো; কিন্তু এনে অধিকাৰসমূহৰ সুৰক্ষা কোনে দিব? চৰকাৰে? চৰকাৰ মানে জনতাৰ দুখৰ বুজ ল'বলৈ নিবিচৰা এচাম ক্ষমতালোভী মানুহ।

চাওক, ভাৰত স্বাধীন হ'ল, দেশৰ স্বাধীনতা আহিল, জনসাধাৰণৰ এই স্বাধীনতা আচলতে কি? কেনেকৈ উপভোগ কৰিব লাগে বুজিলেনে? স্বাধীনতা দিৱস, গণৰাজ্য দিৱস, মহাত্মা গান্ধীৰ জন্ম দিৱসকেইটা অনুষ্ঠুপীয়াকৈ পালন কৰিলেই বা কাৰ কাৰ ত্যাগে এই স্বাধীনতাৰ হাঁহি বিৰিঙালে সেই ভাষণ শুনিলেই শেষ হৈ গ'লনে? নিজৰ স্বাধীনতাৰ বিষয়ে কিবা ভবা হ'লনে? সেয়েহে নিজক স্বাধীন কৰি লৈ দেশৰ স্বাধীনতা ভোগ কৰিবলগীয়া সুবিধাসমূহৰ বাট কেনেকৈ বন্ধ হ'ল? এই ব্যক্তি স্বাধীনতা কাৰ কাৰ কোচত সোমাল, কেনেকৈ সোমাল, খেপিয়াই চোৱাৰ সময় যে তাকৰ, চিন্তা কৰিবৰ হ'ল। পিচপৰা শ্ৰেণীসমূহ আজি ইমান বছৰে পিচ পৰিয়েই থাকিল। সংৰক্ষণৰ ব্যৱস্থাটো কৰিয়েই সংবিধানৰ দায়িত্বটো সাৰি, কেনা ভাঙিব নোৱাৰি জোঁট লগাই দিয়াহে দেখা যায়। ফলত সমস্যাৰ পিঠিত সমস্যাই লানি নিছিগা বিভাজনৰ বোজাৰে দেশ কোঙা হৈ পৰিল। ইয়াৰ কাৰণ কি বুলি ভাবে? এক মানৱ জাতিক সাম্প্ৰদায়িক বিভেদ ঘটাই টুকুৰা টুকুৰ কৰা হ'ল।

বৰুৱা ঃ নিজৰ শক্তিক নিচিনি আনৰ অট্টালিকা, গাড়ী-মটৰ চাই উজুটি খাই মৰাৰ কথা সময়ে সূচায়। দেহাও নামাৰে, মাথাও নখটুৱাই হাইফাই হোৱাৰ ইচ্ছা কৰে।

আপোনাক এটা উদাহৰণ দিওঁ, মই সৰু ল'ৰাৰ অৱস্থাত থাকোঁতে লক্ষ্য কৰা কথা এটা উপলব্ধি কৰিবলৈ লৈছোঁ এতিয়া। শিকিবলগীয়া কথাতো এনেকুৱা—

ডেকা কৃষক এজনে দুপৰীয়া পথাৰৰ পৰা হালবাই আহি দেখিলে মাক শুই আছে। পেটত ভোক, মুখত খং, কি কৰে এতিয়া। মাকক সোধাত মাকে আবোল-তাবোল বলকি শেষত কাৰণটো জনালে; 'কি কৰিম, ডাকাল কেঁচা খৰি, কোনো উপায় নাই, জুই জ্বলাব নোৱাৰি, ধোঁৱাই ধোঁৱাই জুই নুমাই যায়; চকুৰে-নাকে পানী ওলায়। মুচি মুচি থাকিলেও একো উপায় নাই। খৰিখিনি উলিয়াই চোতালত থৈছোঁ পেলায়, পাৰে যদি ৰ'দে দিয়ক শুকায়।

ডেকা ল'ৰাৰ পেটৰ ভোক পেটতে লুকাল। মুখৰ মাত-বোল হেৰাল; মাকৰ ৰঙা চকু-মুখ নিজৰ চকুত জিলিকি উঠিল। উপায় গ'ল ওপৰে, বুদ্ধি গ'ল ভিতৰে, মাকৰ দুৰ্বলতাই তাৰ উদ্ভাৱনত সহায় কৰিলে। পত্নী হোৱা হ'লে সমস্যাই বেলেগ ৰূপ ল'লেহেঁতেন।

সি অলপ চানখেৰ, অ'ত-ত'ত পৰি থকা শুকান বাঁহ-কাঠৰ সৰু ঠানি-ডাল, গছৰ শুকান ঠাৰি-পাত আদি যোগাৰ কৰি চৌকাৰ ভিতৰত ৰাখি কেঁচা খৰিখিনি ওপৰত থৈ জুই জ্বলাই দিলে। ক্ষন্তেক পিচতে কেঁচা খৰি গৰম হৈ নিজে নিজে জ্বলিব ধৰিলে।

চাওক, এইয়ে Foundation, the art of living; এইয়ে Technique. এটাৰ সহায়ত আনটো চালু কৰা বাস্তৱ অভিজ্ঞতা। ধৈৰ্য আৰু একাগ্ৰতাৰ লক্ষণ। ইয়ে চৰ্চিত কামত সফলতাৰ নিশ্চয়তা প্ৰদান কৰে। কম খৰচত ব্যঞ্জন জুটিলগাকৈ বনোৱা, কম খৰচত উৎপাদন বৃদ্ধি কৰা বা কম খৰচত বৈজ্ঞানিক সঁজুলি, সা-সৰঞ্জাম, যন্ত্ৰ—ইঞ্জিন আদি নানা তৰহৰ বস্তু মানুহৰ উপকাৰৰ তথা ব্যৱহাৰৰ উপযোগীকৈ তৈয়াৰ কৰা; সকলোতে থাকে কাৰিকৰী জ্ঞান-বুদ্ধি কৌশলৰ প্ৰয়োগ। সেই কাৰণেই কয়, 'Man creates his own destiny'. মানুহ নিজৰেই ভাগ্য বিধাতা, সেয়েহে আৰু কয়, 'True honour lies in honest and sincere work.'

এয়া চাওক আপুনি যে কৈছিল, 'গভীৰ কথাই মূৰ গৰম কৰে',

নহয়, গৰম মূৰ ঠাণ্ডাহে কৰে। জীৱন নিৰ্বাহ তত্ত্ব জানিলে কামত ধৰে, কৰ্মপ্ৰেমে গৰম মূৰ ঠাণ্ডা কৰে; কম কষ্টত বেছি কাম আদায় কৰে মগজু-বুদ্ধি-কৌশলৰ প্ৰয়োগত হাত দুখনে। হাত আৰু মগজুৰ এয়া যুটীয়া সুতীক্ষ্ণ সংযোগ। মন-বুদ্ধি-কৌশল খটুৱাই চৰ্চা কৰি কৰা দুহাতৰ কাৰিকৰী দিশতেই আছে সচ্ছল উপাৰ্জন। নিজক চিনি পাবলৈ এয়াই এক উপায়— আত্ম আৱিষ্কাৰৰ দৰে— ই সম্ভৱ হৈ উঠে কৰ্মৰ মাজেদিহে। অভাৱত মূৰ গৰম হয়, হাতৰ কৰ্মই টকাৰ মুখ দেখুৱাই দিয়াত গৰম মূৰ ঠাণ্ডা হয়।

চৌধুৰী ঃ মই নিজেও এতিয়া বুজি পাইছোঁ যে আত্ম শান্তি বাহিৰৰ পৰা নাহে। কৰ্মৰ পৰিপ্ৰেক্ষিতত মনৰ ভিতৰতে উদ্ভৱ হয়। সেয়ে Peace comes from within. Don't seek it without. সেই কাৰণেই কয়, Life alone can impart life. এই দিশতে এটা প্ৰয়োজনীয় কথা হ'ল মানুহে মানুহক মানুহ হোৱাৰ সুযোগৰ পৰা বিভিন্ন ধৰণে বঞ্চিত নকৰাটো। তেনেকৈ আনক মৰম-শ্ৰদ্ধাভক্তি কৰিব পৰা আৰু আনৰ পৰা সেই একে মৰম-শ্ৰদ্ধা-ভক্তি আদায় কৰিব পৰা এটা মনৰেই গতি। মনৰ এই গতিৰ স্থিতি বিন্দু আত্মাস্থিত হিয়া।

আপুনি কৈছে কৰ্মৰ মাজেৰেহে নিজক আৱিষ্কাৰ কৰিব পাৰি, কৰ্মই জীৱন আনন্দময়ী কৰাৰ লগতে ক্ৰমশঃ কৰ্মৰ ধাউতি বঢ়ায় আৰু সময়ৰ সৎব্যৱহাৰৰ তাড়না জগায়। আপোনাৰ লগত মই নিজেও একমত। কিয়নো, বেছিভাগ অভাৱী মানুহৰ ক্ষেত্ৰত দেখা যায় কৰ্মৰ প্ৰতি অৱহেলা আৰু দূৰদৰ্শী চিন্তাৰ অভাৱত পচলা খাই পকা কল লাভ কৰাৰ বাট বন্ধ কৰাৰ দৰে অভাৱ অভাৱ হৈয়ে ৰয় গোটেইটো জীৱন। এই অভাৱ জয় কৰাৰ উপায় নিজৰ হাতত থাকে, মনৰ বেজাৰে তাকো হ'ব নিদিয়ে। এনে কৰ্ম বিমুখিতাই ওৰেটো জীৱন দুৰ্ভোগত ভোগায়। অৰ্থাৎ কৰ্মক ফাঁকি দিলে জীৱনটোৱেও ফাঁকি দিয়ে।

বৰুৱা ঃ এতিয়া বুজিলেনে? পিচপৰা শ্ৰেণীসমূহ কিয় পিচপৰি থাকিল। আগবঢ়াই নিব পাৰিলেহে সামগ্ৰিক উন্নতি সম্ভৱ হ'ব আৰু ইয়াৰ কাৰণে চিন্তা, কৌশল, গৱেষণা কৰি উপায় উলিয়াব লাগে যাতে কাৰিকৰী জ্ঞানেৰে মানুহখিনিক শিক্ষিত কৰি ঘৰুৱা শিল্প হাতত তুলি দিব পৰা যায়।

লগতে চাব লাগিব যাতে ইয়ে Modern technology ক চুই যাব পাৰে। এনেদৰে হাতৰ কামতে যে আৰ্থিক স্বাধীনতা বিৰাজ কৰে সেই কথাৰ অনুভূতি জনসাধাৰণৰ মনত জগাই তুলিব পৰাকৈ পৰিৱেশ সৃষ্টি কৰিব লাগিব। আৰ্থিক স্বাধীনতা সাপেক্ষে সচেতনতাৰ আন্দোলন গঢ়ি তোলাৰ প্ৰয়োজন।

চৰকাৰী ধনেৰে হয়তো এদিন ঘৰ-দুৱাৰ, ৰাস্তা-ঘাট, অফিচ-কাছাৰী, স্কুল-কলেজ চিকিৎসালয় সকলো হ'ব; কিন্তু মানুহখিনি যুগৰ লগত মিলাকৈ কাৰিকৰী দিশত উন্নত নহ'লে চিৰদিনেই এনেকৈ হৈ ৰ'ব; যিটো আজি হৈ আছে। তাৰোপৰি ধনতন্ত্ৰৰ হাতত লোকতন্ত্ৰ নতশিৰ হোৱাৰ কাৰণেই হ'ল নিৰপত্তাৰ অভাৱ, ঐক্যতাৰ নামত অনৈক্যৰ সংস্কৃতি গঢ়িবলৈ যেন উঠিপৰি লাগিছে। সেয়ে ইয়াৰ বিপৰীতে মাৰ্ক্সবাদ থিয় হ'বৰ হ'ল।

চৌধুৰী ঃ দৰাচলতে, ৰাজনৈতিকভাৱে সচেতন, স্বাৰ্থহীন, মানৱ দৰদী ব্যক্তিত্ব সম্পন্ন যোগ্য নেতাৰ হাতত শাসনভাৰ অৰ্পণ কৰিব নোৱাৰিলে গণতন্ত্ৰৰ চৰকাৰ ফলৱতী হ'ব নোৱাৰে। এনে জনপ্ৰিয় ব্যক্তিত্ব সম্পন্ন নেতাৰ সংখ্যা আঙুলিৰ মূৰত লিখিবলৈও হিচাপত নপৰা বিধৰ হৈ পৰিছে। তাৰোপৰি ক্ষমতাৰ কাৰণে দলৰ ঐক্যতাৰ অভাৱে ভিতৰচ'ৰাৰ গাঁথনিৰ অন্তৰায় হৈ দেখা দিছে। আনহাতে পৰিপক্ক নেতাৰ হাতত শাসনভাৰ পৰিলেও গণতন্ত্ৰৰ মেৰপেঁচত অপৰিপক্ক সংখ্যাগৰিষ্ঠ হৈ আসন দখল কৰাত পদে পদে চৰকাৰ ব্যৰ্থ হ'ব লগা হয়। ব্যক্তিত্বৰ অভাৱত গণতন্ত্ৰ ধৰি ৰাখিব নোৱাৰা হৈছে। তাতে আকৌ দলবিলাকৰ মাজত বোকা ছটিওৱা এটা গতানুগতিক খেল হৈ চলিয়েই আছে আমোদ-প্ৰমোদ সাপেক্ষেহে যেন। দুখীয়া-নিপীড়িতৰ কাৰণে চকু দিওতা নাই, ৰাইজে এন্ধাৰত খেপিয়াই খেপিয়াই অন্ধৰ দৰে চৰকাৰ গঠন কৰিব লগা হৈছে। কিয়নো সদস্য বিলাকৰ নিজৰ দল ৰক্ষা মুখ্য, নীতি ৰক্ষা গৌণ আৰু ৰাইজ হ'বলগা হৈছে মৌন। বাৰু আজিলৈ ইমানতে শেষ কৰো বলক। পিচত কথা হ'ম। এইখিনি খোজকাঢ়ি যাওঁ।

বৰুৱা ঃ নালাগে ৰ'দ আছে, গাড়ীখনো আহি পাইছে, গাড়ীত উঠি যাওঁ। দুয়ো জাহাজ ঘাটলৈ গ'ল।

পাঁচ

গাড়ীৰ পৰা নামিয়ে জাহাজত উঠি নদীটো পাৰ হ'ল।

চৌধুৰী ঃ ঘৰলৈ এইখিনি বাট খোজকাঢ়ি যাওঁ বলক। আলিবাটৰ এইখিনিত গছৰ ছাঁ আছে। মুকলিভাৱে খোজকাঢ়ি গৈ থাকিলে ভালো লাগিব আৰু আলোচনাও আগবঢ়াই লৈ যাব পৰা হ'ব।

বৰুৱা ঃ হ'ব বাৰু গৈ থাকোঁ, ৰ'দো অত্যুষ্ণ নহয়, ক'ত জানো এৰিছিলোঁ এই আলোচনা।

চৌধুৰা ঃ অ' মনত পৰিছে— চৰকাৰ, ৰাজনৈতিক দল আৰু নীতি সম্পৰ্কে।

বৰুৱা ঃ যথাৰ্থতে এই তিনিটাৰ একত্ৰীকৰণতে সফল শাসন নিৰ্ভৰ কৰে। জনসাধাৰণেও জীৱন, সম্পত্তি আৰু জাতি সুৰক্ষাত আশ্বস্ত হ'ব পাৰে।

চৌধুৰী ঃ অন্যথা ক্ষমতাৰ লোভে ক'ত কেতিয়া অথন্তৰ লগায় তাৰ কোনো আগতীয়া সংবাদ নাপায়, সংবাদদাতাও দূৰতে অৱস্থান কৰিবলৈ বাধ্য হয়। সংবাদদাতাই জানিলে গুপুত একো নাথাকে; সকলো ফাদিল হৈ পৰে। তেতিয়া জনসাধাৰণো সচেতক ৰূপত সাত্ত্বিক হৈ যায়।

বৰুৱা ঃ আপুনি যে কৈছে, 'দল ৰক্ষা মুখ্য, নীতি ৰক্ষা গৌণ আৰু ৰাইজ হ'বলগা হৈছে মৌন', এনে পৰিপ্ৰেক্ষিতত মোৰ এটা কথা মনলৈ আহিছে যে লোভৰ আকৰ্ষণত পৰিৱৰ্তিত জীৱন প্ৰবাহ সাপেক্ষে কোনেও অতীতৰ নিয়ম নীতি পালন কৰিব নিবিচাৰে। কিয়নো সমান ভাবিলে নিজক ডাঙৰ দেখুৱাব নোৱাৰে। যোগ্যতা থাকক বা নাথাকক, 'মই বৰ' হ'ব নোৱাৰিলে দেহ-মন জুৰ নপৰে। নীতি থাকিলে বহুতৰ যেন পেট নভৰে। গীতাখন হাতত লৈও চোৰে চুৰি বৃত্তিকে কৰিব খোজে। তৎ সত্ত্বেও তাত এটা নিয়ম চলে। নিয়ম নোহোৱাটোই নিয়মৰ দৰে নহয়। যেনে— ধৰক, কষ্ট কৰি ঘৰ-সংসাৰ চলাই বুঢ়া

বয়সত পুৰাৰ চাহ কাপৰ কাৰণে আমনিকো কাতি কৰি ৰৈ থাকে ঘৰখন ঠিকে চলি থাকক বুলি ভাবি। গৃহিণীয়ে টোপনিৰ জালত পৰি সময়মতে দিব নোৱাৰি পলমকৈ হ'লেও পৰিবেশটো চম্ভালি লোৱাৰ চেষ্টা কৰে চাহকাপ দি। পুত্ৰ-বোৱাৰী আছে বিছনাতে নিটাল দি শুই পৰি। এনে পলমকৈ মিলাই চলাৰ দৰে মানৱীয় সমতাইয়ো পিছলি গৈ আছে, ধৰ্মৰ বান্ধো ঢিলা পৰি আহিছে।

তেনেকৈ সময় পৰিৱৰ্তনৰ হেঁচাত সামাজিক ধৰা-বন্ধা নিয়মবোৰ বাগৰি গৈ থাকে সীমিত ধাৰাটো সময়ৰ লগত কোনোৰকম ৰাখি। তদ্ৰূপ, বিশ্ব ব্ৰহ্মাণ্ডৰ সৃষ্টি সাপেক্ষে সম্প্ৰসাৰণ-সংকোচনৰ অন্তত দেখা দিয়া স্থিতিৰো পৰিৱৰ্তন অৱশ্যম্ভাৱী হৈ থাকে। প্ৰত্যেক প্ৰাণী, বস্তু বা ৰাসায়নিক বিক্ৰিয়া সংঘটিত হোৱাৰ সময়ৰ দৰে পৃথিৱী তথা ব্ৰহ্মাণ্ডৰো হয়তো নিৰ্দিষ্ট বয়স আছে।

গতিকে বয়স নোহোৱা, আদি-অন্ত নোহোৱা আধ্যাত্মিক শক্তিটোৱে পৰম শক্তি স্বৰূপ পৰমেশ্বৰ বুলি ভবাৰ ধাৰণা মনলৈ আহে। ব্ৰহ্মাণ্ড তথা প্ৰকৃতিৰ আশ্ৰয়ত এই অদৃশ্য শক্তি প্ৰতিভাত হয় বিভিন্ন প্ৰাকৃতিক পৰিঘটনাৰ জৰিয়তে। এনেদৰে প্ৰাকৃতিক দুৰ্যোগ, বিভিন্ন প্ৰলয়-মহাপ্ৰলয়ৰ মাজেৰে পৰিৱৰ্তনৰ চেপাত সীমিত স্থিতি ধৰি ৰাখি চলাই থাকে প্ৰকৃতি। মানুহ হৈ পৰে প্ৰকৃতি তথা পৰম শক্তিৰ দাস, তেনেকৈ চাৰিমুঠি জীৱ। গতিকে, এইটো স্পষ্ট যে মানুহ আৰু মানুহৰ মগজু এই শক্তিৰ দ্বাৰা পৰিচালিত।

সেয়েহে, ঈশ্বৰ সৃষ্টি তথা প্ৰকাশৰ মাধ্যমৰ ধাৰণাৰ লগত জড়িত প্ৰকৃতিৰ নীতি-নিয়ম মৰ্মে প্ৰবাহিত সততা, সমতা আৰু মানৱীয় নৈতিকতাক বাদ দিলে সৃষ্টি ধ্বংসৰ কাৰণসমূহ প্ৰকট হৈ পৰিব। কিয়নো, যি কণিকাৰে ব্ৰহ্মাণ্ড বা যি পদাৰ্থ কণিকাৰে পোহৰ আৰু শক্তিৰ সৃষ্টি হৈছে— সেই কণিকা বা পৰমাণুৱে যদি সন্ধান দিব পাৰে ঈশ্বৰ সৃষ্টিৰ সেইদিনাহে ঈশ্বৰক বিচাৰি যোৱা বাট বন্ধ হৈ পৰিব। তেতিয়া ঈশ্বৰক নিবিচাৰি দৃশ্যমান প্ৰাপ্ত তথ্যৰে বিজ্ঞানীয়ে নতুন নতুন আৱিষ্কাৰৰ দ্বাৰা উন্নততৰ প্ৰগতিহে বিচাৰিব। অন্যথা ঈশ্বৰ বিচৰা দুৰন্ত ক্ৰিয়াত পৃথিৱী ধ্বংসও হ'ব পাৰে। ইতিহাসৰ পৰা

দেখা যায় গভীৰ ধ্যান-ধাৰণাত এই মহাশক্তিকহে পাবলৈ আৰাধনা কৰে। চিৰ সত্য সনাতন শক্তিয়ে এই মহাশক্তি। সত্যক যিয়ে নিচিনে সি ভগৱানক পাবলৈ বিচৰাটো নিজকে অসহায় কৰি দিয়া এক প্ৰক্ৰিয়া মাথোন।

চৌধুৰী ঃ মৃত্যুৰ পিচত কি হ'ব জনা নাযায়, তেনেকৈ ব্ৰহ্মাণ্ডখন নাথাকিলে কি হ'ব বুজা নাযায়। যেনেকৈ কয়, 'মৰিম বুলি নাজানে, জীয়াই থাকিলে খাবলৈ নোযোৰে।' সেয়েহে ভগৱানৰ স্থিতিৰ উপলব্ধিয়ে আত্ম উপলব্ধি। প্ৰকৃতপক্ষে ক'বলৈ গ'লে এই যে দুৰ্নীতিৰে ধন ঘটি, দুখীয়াক ঠগি অট্টালিকা, বিলাসী গাড়ী কৰে; লগতে নাৰী নিৰ্যাতন, ধৰ্ষণ আদি কৰিবলৈও কুণ্ঠাবোধ নকৰে, সেয়া আত্ম উপলব্ধিৰ অভাৱ।

প্ৰসংগক্ৰমে উল্লেখ্য যে যেতিয়া এজনে আন এজনক হত্যা কৰে, সেই ক্ষণতে দুয়ো আত্মা সদৃশ-বিসদৃশ হৈ সংঘৰ্ষত লিপ্ত হয়। এটাৰ প্ৰাণাত্মা পৰমাত্মাত মিলিত হয় আৰু আনটো ৰৈ থাকে কৰ্মফলৰ বাবে ভগৱানৰ প্ৰত্যক্ষতাত। পোহৰৰ মাজত আন্ধাৰ লুকাই থাকিব বিচৰাৰ দৰে ঘাতকৰ ব্যৰ্থ স্থিতিৰ প্ৰয়াস।

বৰুৱা ঃ যথাৰ্থতে, পদাৰ্থ কণিকা বা পৰমাণু সৃষ্টি তত্ত্বত তথা ব্ৰহ্মাণ্ড সৃষ্টিত যি বৃহৎ বিক্ৰিয়া জড়িত তাত বায়ুৰ প্ৰভাৱ অপৰিহাৰ্য বুলিব পাৰি। সৃষ্টি তত্ত্বৰ দৰে আত্মা-পৰমাত্মা সম্পৰ্কীয় তত্ত্বটো বায়ুৰ প্ৰভাৱ নিহিত। গতিকে প্ৰকৃতি স্বৰূপ ব্ৰহ্মাণ্ডৰ য'তেই, যেতিয়াই স্থূল আৰু সূক্ষ্মই ভাৰসাম্য হেৰুৱাই ত'তেই তেতিয়াই বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয় বুলি ভাবিব পাৰি। মাধ্যাকৰ্ষণ শক্তিয়ে তেনেদৰে সমতা হয়তো হেৰুৱায়। সেয়েহে সত্য, সমতা আৰু এই প্ৰকৃতি সৃষ্টিৰ ন্যায়-নীতিয়ে পৰিচালনাৰো প্ৰকৃতি। ইয়াৰ চূড়ান্ত বিলোপেই ধ্বংসৰ আগ জাননী বুলি ভাবিব পাৰি।

সৎ, সমতা, ন্যায়-নীতি পালন নকৰিলে সময়েহে নিৰ্ণয় কৰিব ধ্বংসৰ প্ৰকৃতি। মহাত্মা গান্ধীয়ে কোৱা, 'সত্যই ভগৱান', বুলি ধৰি সৎ পথ নলৈ অবাটে যোৱাৰ পৰিণতি মদ পান কৰি নদীৰ পাৰে পাৰে যাওঁতে বীৰদৰ্পে কানত ভৰি দি নদীৰ কুৰত

পানীৰ চাকনৈয়াত ঘূৰি থাকোঁত শ্বাস-প্ৰশ্বাস বন্ধ হোৱাৰ দৰে হয়। ৰাতি বিচাৰি দিনটো হাবাথুৰি খাই বৈ থাকোঁতে ৰাতিও আহি পৰে আৰু ৰাস্তাবোৰত নলা সাজি ভাগ্যবিলাক ৰহস্যৰ আৱৰ্তত সোমাই দিয়ে এনেদৰে।

চৌধুৰী : এনেদৰে পেটৰ ভোকৰ ভাত কাঢ়ি, দুৰ্ভগীয়াক নচুৱাই চকুপানী চাই আনন্দ কৰোঁতেই মহা প্ৰতাপীৰ জীৱনত এন্ধাৰ নামি আহে অজানিতে। সত্যৰ বাটত লোভেই যেতিয়া অন্তৰায় হয় তাৰ জীৱন ধন্য নহয়, শূন্য হয়। পূৰ্ণিমাৰ জোন থকা সত্ত্বেও অমাৱস্যাৰ ৰাতি কেনেকৈ আহে আৰু স্থিতিশীল গাড়ীখনৰ পৰা নামোঁতে ভৰি পিছলি কেনেকৈ নিজৰ স্থিতি হেৰুৱাই মৃত্যুক সাবটি ল'লে কাকো বুজাই ক'ব নোৱাৰে। এই অভাৱটো বৈ থাকে মনৰ মাজত পূৰণৰ আশাত।

বৰুৱা : সমাজৰ কঠোৰ নীতি-নিয়মবোৰ সময়ৰ পৰিবৰ্তনৰ হেঁচাত এনেদৰে শিথিল হৈ আছে। এই শিথিলতাতে দুৰ্জনে চুঙা চাই সোপা দিয়ে আৰু সুবিধা আদায় কৰি লয়। কিন্তু প্ৰকৃত মানুহেহে সত্যটো ধৰি ৰাখে। সত্যৰ বাটত খোজ দিয়েই প্ৰগতিৰ ধাৰাটো জীয়াই ৰাখিব পাৰে আৱশ্যকতাৰ তাড়নাত উদ্ভাৱন শক্তিৰে। সঁচাই মিছাৰ বাট বন্ধ কৰাৰ দৰে মিছাই সঁচাক নোৱাৰে। ই আবহমান প্ৰবাহিত অপ্ৰতিৰোধ্য শক্তি।

চৌধুৰী : লোভে সত্যৰ পথৰ পৰা জীৱন বিচলিত কৰিলে আত্ম উপলব্ধি নহয় আৰু নিজৰ ভুল শুধৰাই ল'ব নোৱাৰে। কৰ্মৰ ফল স্বৰূপে মনে ইন্দ্ৰিয়ৰ সহায়ত সুখ-দুখ যাতনা আদি ভোগ কৰে। আত্মায়ো প্ৰকাৰান্তৰে পৰোক্ষভাৱে জড়িত হৈ পৰে আৰু এই অভাৱ পূৰণ সংস্কাৰ সাপেক্ষ।

বৰুৱা : সেইটো আচল কথা। মলিয়ন ঠাইৰ ওপৰেৰে বায়ু বলিলে বীজাণুযুক্ত দুৰ্গন্ধ কঢ়িয়াই আৰু ফুলনিৰ ওপৰেৰে বায়ু বলিলে ফুলৰ সুগন্ধি ৰেণু বৈ লৈ যায়। আত্মাৰ নিজাকৈ পাবলগা নাই আৰু এয়া ভগৱৎ গীতাৰ পৰা পোৱা ধাৰণাও। কিন্তু এনেকৈ ফচল কঢ়িয়াই লৈ গৈ শুদ্ধ আত্মা ঘূৰি থাকে পৰমাত্মাৰ বেষ্টনীত আৰু দুষ্টাত্মা হয়তো চয়তানৰ এন্ধাৰ কলনীত। পদাৰ্থ কণৰ শক্তিৰ লগত বিজড়িত

বায়ৱীয় কণাৰ ক্ৰিয়া-বিক্ৰিয়াৰ সময় আৰু মাত্ৰাই নিৰ্ণয় কৰিব ব্ৰহ্মাণ্ডৰ সৃষ্টি আৰু ধ্বংসৰ সময়। লগতে সংঘৰ্ষ-সম্প্ৰসাৰণ আৰু সংকোচন।

চৌধুৰী ঃ অ', তাৰমানে আপুনি ভাবে যে এনে ক্ৰিয়া-বিক্ৰিয়াৰ ওপৰতে নিৰ্ভৰশীল সৃষ্টি-স্থিতি-লয় সাপেক্ষে (অ-উ-ম) 'ওঁম' ধ্বনি তত্ত্বৰ বিশ্লেষণ আৰু সংশ্লেষণ ৰূপো। শিশুৰ জন্মৰ বহিঃ বায়ু আগম ধ্বনি 'ওৱা' আৰু মৃত্যুৰ সময়তো অন্তঃস্থ বায়ু নিৰ্গমনৰ একে 'ওৱা' ধ্বনি।

বৰুৱা ঃ হয়, তেনেকৈয়ে ভাবোঁ। এই তিনিটা ৰূপতে পৰমাত্মা ৰূপ প্ৰকৃতিয়ে কাম কৰে। ইয়াৰ প্ৰতিটোৰ নিৰ্দিষ্ট বয়স আৰু সময় আছে, কিন্তু পৰমাত্মা পৰমেশ্বৰৰ (মহাশক্তি) নিৰ্দিষ্ট সময় নাই, বয়স নাই। এই তিনিটা ৰূপতেই বাগৰি থাকে চক্ৰাকাৰ গতিত। সেয়েহে কয়, ভগৱানৰ আদিও নাই অন্তও নাই। সেয়া 'ওঁম' ধ্বনিৰ দৰে। ওঁম ধ্বনিত বিজ্ঞান সাপেক্ষে আধ্যাত্মিক তত্ত্ব লুকাই থকাৰ ধাৰণা কৰিব পাৰি। ঈশ্বৰ অন্বেষণৰ লগত এই ব্ৰহ্মাণ্ড ধ্বনি তত্ত্ব সাঙোৰ খাই আছে।

চাওক, সাহিত্যৰ আৰম্ভণি যেনেকৈ আইনাম (সৰু-বৰআই), অপেস্বৰী নাম, বিয়াগীত, পূজা-উৎসৱ, ঈশ্বৰ উপাসনাৰ নৃত্য-গীত, ওজাপালি, দেওধ্বনি নৃত্য-গীত প্ৰমুখ্যে মৌখিক ৰামায়ণ, মহাভাৰতৰ কাহিনী, তেনেকৈ তাৰো বহুদূৰ অতীতত সমাজ শৃংখলাৰ কাৰণে আৰ্হিসহ পাপ-পুণ্য, ভাল-বেয়া ধাৰণা দিব পৰা সামাজিক নিয়মৰ উদ্ভাৱনাৰে ধৰ্মও স্থাপন কৰা হৈছিল হয়তো।

লগতে মানুহৰ আৱশ্যকীয় ব্যৱহাৰৰ উপযোগী কিছুমান আহিলা-পাতি, অস্ত্ৰ-শস্ত্ৰ তৈয়াৰ কৰাৰ পৰিপ্ৰেক্ষিতত বৈজ্ঞানিক চিন্তাধাৰাই পাতনি মেলিছিল। সাগৰ, নদীৰ পাৰত বাসকৰা শ্ৰেণীৰ মাছ ধৰা অস্ত্ৰপাতি; পাহাৰ, হাবি-বননিত বাসকৰা শ্ৰেণীৰ বাবে পশু-পক্ষী, হৰিণা আদি চিকাৰ কৰিব পৰা আহিলা আৰু সমভূমিত বাস কৰা চামৰ কৃষিৰ আহিলাৰ প্ৰয়োজনৰ পৰিপ্ৰেক্ষিতত বৈজ্ঞানিক ভাবধাৰাই মনত ক্ৰিয়া কৰিছিল। এনেকৈয়ে উদ্ভৱ হৈছিল যন্ত্ৰ-পাতি তৈয়াৰ কৰাৰ ধাৰণা, চিন্তা, কৌশল। যাঠি, জোং, ঢেঁকীশাল আদি ইয়াৰ প্ৰথম পদক্ষেপ হয়তো আছিল।

এনেদৰে আকৌ সমাজ সচেতক, বুধিয়ক, চিন্তাবিদ আদিয়ে গল্প-কাহিনী, সাধুকথা আদিৰ সৃষ্টিৰে জনসাধাৰণৰ মাজত ধৰ্মীয়, শিক্ষণীয় আদি ভাব জগাই দিছিল। এনেদৰেই পোখা মেলি উঠিছিল সাহিত্য, ধৰ্ম, বিজ্ঞানে। লগতে মানুহৰ জীৱনৰ সুখ-দুখ, যাতনা, মৰ্মান্তিক বেদনাৰ কাৰণ বিচাৰোঁতে মনত উদয় হৈছিল ঈশ্বৰ সাপেক্ষে আধ্যাত্মিক বিজ্ঞানৰ। বাকীবোৰ পৰ্যায়ক্ৰমে প্ৰতিভাত হৈ উঠে সমাজৰ আৱশ্যক অনুযায়ী।

'মহাভাৰত'ত উল্লেখিত কৃষ্ণ চক্ৰৰ যিটো ৰশ্মি বিকিৰণ তথা কোনো এটা বস্তুৰ আকৃতি দেখি কৰা হয়তো ধাৰণা, তেনেকৈ কোনো এটা বস্তুৰ ধাৰণাই জন্ম দিছিল ৰথৰ ধাৰণা আৰু ধনু-কাঁড়ৰ ধাৰণা। এনে প্ৰয়োজন ভিত্তিত আকাশ মাৰ্গৰ উল্লেখে বিজ্ঞানৰ এটা পৰ্যায়ৰ আভাসো দাঙি ধৰে। বতাহত লৰি থকা গছৰ পাতৰ পৰ্যবেক্ষণে পেণ্ডুলাম সাপেক্ষে ঘড়ী তৈয়াৰ হোৱাৰ দৰে প্ৰাকৃতিক পদাৰ্থসমূহৰ ক্ৰিয়া-বিক্ৰিয়াৰ পৰ্যবেক্ষণে বৈজ্ঞানিক আৱিষ্কাৰৰ ধাৰাত সহায় কৰি আহিছে। প্ৰগতিৰ পিছত প্ৰায়োগিক উৎসাহৰ তাড়নাত বৈজ্ঞানিক প্ৰগতিয়ে দ্ৰুতগতিত খোজ দি গৈ থাকে ধ্বংসই বাধা প্ৰদান নকৰালৈকে। টাইটানিকৰ ধ্বংস নোহোৱা হ'লে নিৰুৎসাহে প্ৰগতিৰ বাটত বাংগ হাঁহিমাৰি বিজ্ঞানৰ ধ্বংসৰ দিশটোক অভিশাপ নিদিলেহেঁতেন।

সাহিত্য বিজ্ঞানৰ দৰে ধৰ্মকো গুৰি চিৰ প্ৰবাহমান সনাতন সত্য হিন্দু ধৰ্মতে উল্লেখ কৰা হৈছে। কিন্তু ধৰ্মৰ সাম্প্ৰদায়ীকৰণে বিজ্ঞানৰ অভিশাপ দিশটোৰ দৰে ধ্বংসক আদৰণি নজনাই যদিহে সমতা, সততা, ন্যায়-নীতিক পদদলিত নকৰে ধৰ্মান্ধ হৈ। গৰ্ব-অহঙ্কাৰৰ ভাৱ বৈ অবাটে গৈ সত্যক পৰীক্ষা কৰোঁতেই বিমঙ্গল ঘটে।

সেয়া অলপ মন কৰক, সাত্ত্বিকজনৰ সততাই অস্ত্ৰ। এই সততাতে লুকাই থাকে ঈশ্বৰ প্ৰদত্ত মহাশক্তি। ই এপাট মহা অস্ত্ৰ, শ্ৰীকৃষ্ণৰ হাতৰ যেন চক্ৰ। এনে শক্তিৰ আন এপাট অস্ত্ৰ হ'ল অৰ্জুনে শিৱৰ পৰা লাভ কৰা পাশুপাত অস্ত্ৰ— শিৱৰ ত্ৰিশূল। সেয়ে পৃথিৱী জয় কৰিব পৰা সত্যতকৈ ডাঙৰ অস্ত্ৰ একো নাই। এইয়ে ঈশ্বৰ শক্তি

আৰু এপাট আছে এনে অস্ত্ৰ, সেয়া কৰ্মাস্ত্ৰ— সৎ, নিষ্ঠা কৰ্মস্বৰূপ অস্ত্ৰ। শক্তিশালী কোনো শত্ৰুৱে পৰাজয় কৰিব নোৱাৰা এই অস্ত্ৰ।

চৌধুৰী : হেৰি, এই কৰ্মাস্ত্ৰৰে হৃদয়ো গলাব পাৰি। বৈৰীজনো হৈ পৰে সৌহাৰ্দ্য-সুহৃদ। এনে পৰিপ্ৰেক্ষিততে ধৰা পৰি আহিছে যে— Pen is mighter than the sword. কলমত সাত্ত্বিক গুণৰ ৰাজত্ব স্বৰূপ হৃদয় গলাব পৰা আত্মিক শক্তি বিৰাজমান আৰু অস্ত্ৰৰ তমো গুণৰ ৰাজত্ব স্বৰূপ হৃদয় জ্বলাব পৰা ক্ৰোধৰ দাহ্য শক্তিৰ পয়োভৰ। এটা সৃষ্টিৰ প্ৰতীক, আনটো ধ্বংসৰ। প্ৰকৃতিৰ ধ্বংসতে হোৱা সৃষ্টিৰ দৰে শ্বেইক্সপীয়েৰেও ৰোমিও আৰু জুলিয়েটৰ বিফল প্ৰেমত হোৱা ধ্বংসই দুই শত্ৰু পৰিয়ালক মিলাই দিছিল। সেয়ে এই কথা ফাকি উল্লেখ্য যাৰ ফলত সৃষ্টি হয় সভ্যতা। সভ্যতাৰ পম খেদি খননকাৰ্য চলাই গৈ থাকিলে উদ্ধাৰ হোৱা সম্পদেহে দাঙি ধৰিব কোনটো প্ৰাচীন সভ্যতা। বৰ্তমানে উদ্ধাৰ হোৱা কাৰুকাৰ্যই প্ৰাচীনতম সভ্যতালৈ আগবাঢ়ি চোৱাৰ প্ৰয়োজনৰ ইংগিতহে বহন কৰে। এনেদৰে প্ৰাচীন তথ্যৰ আধাৰত একত্ৰিত হৈ পৰা ধৰ্ম আৰু বিজ্ঞানে সময়ৰ আহ্বানত পৰিৱৰ্তনৰ চাকনৈয়াত লুটি-বাগৰ দিলে। সমাজ কল্যাণ সাপেক্ষে পৰিসৰ বৃদ্ধি হোৱাত ধৰ্ম আৰু বিজ্ঞানে সমাজৰ পৰা সমদূৰত্বত অৱস্থান কৰিবলৈ ল'লে।

বৰুৱা : আৰু এটা কথা, সময় বাগৰাৰ লগে লগে আকৌ জনসংখ্যা বৃদ্ধিৰ পৰিপ্ৰেক্ষিতত নিজ নিজ ব্যৱহাৰৰ উপযোগী নিয়ম-নীতিৰ দখলৰ সুবিধাৰ্থে ভাগৰো ভাগ হৈ সনাতন হিন্দু ধৰ্মৰ মূলখুঁটি হেৰুৱাই বৌদ্ধ, মুছলিম, খ্ৰীষ্টিয়ান, জৈন ধৰ্মৰ নামেৰে আন আন ধৰ্মৰ সৃষ্টি হ'ল। আনহাতে ব্ৰহ্মা সনাতন হিন্দু ধৰ্মৰে আকৌ নতুন নতুন ভাগ হৈ নিজ খেলৰ সুবিধাৰ হেতু স্ব-ধৰ্মীয় উপলব্ধিৰে আন আন ধৰ্মৰ সৃষ্টিয়ে পোখা মেলিলে। ইয়াৰ ভিতৰত বিষ্ণু ভক্তি তথা বৈষ্ণৱ ধৰ্ম প্ৰণিধানযোগ্য। শৈৱ-শাক্ত ধৰ্মও সমান্তৰালভাৱে চলি থাকিল নিজ নিজ খেল তথা ভক্তৰ মাজত। অন্ধ বিশ্বাসৰ দুৰ্বলতাবশতঃ মন্ত্ৰ-তন্ত্ৰয়ো খোপনি পুতি থাকিবলৈ সুবিধা উলিয়াই ল'লে।

ধৰ্মৰ নামতে নিজ স্বাৰ্থ সিদ্ধি আৰু আধিপত্য বিস্তাৰ কৰিবলৈ

যাওঁতে সমাজৰ স্থিৰতা ব্যাহত হ'বলৈ ধৰিলে। সময়ত বিভিন্ন ব্যাভিচাৰ, অনাচাৰে গ্ৰাস কৰি পেলোৱাত ভগৱানৰ নামত থকা মূল সুঁতিত প্ৰাচীৰ স্বৰূপ বাধা আহি পৰিল। ঈশ্বৰ বিশ্বাসটো নিজৰ সুবিধা-অসুবিধা সাপেক্ষ হৈ পৰিল। এতিয়া আমাৰ আশা দূৰ অতীতৰ প্ৰাকৃতিক অৱদানৰ লগত মিলিব পৰা চিৰ নমস্য ভাবসহ ব্যক্তি স্বাধীনতাৰ স্বৰ্ণালী যুগ আকৌ সজীৱ হৈ উঠিব। প্ৰগতিয়ে তাত প্ৰকৃতিৰ নৈসৰ্গিক হাঁহি মাৰিব।

চৌধুৰী ঃ যিটো বুজিলোঁ, আপোনাৰ বাগ্মিতাও (Eloquency) আছে। আপুনি কম মানুহ নহয় দেই।

বৰুৱা ঃ কি কয়হে, মই যিখিনি জানোঁ বা ভাবোঁ আপুনিও নজনা নহয় বা নভবা নহয়। দুয়োৰো মাজত পাৰ্থক্য মাথোঁ Feeling and realisation ৰ দিশত থকা Meditation ৰ মাত্ৰাহে। অৰ্থাৎ সৃজনীশীলতাৰ পৰিপ্ৰেক্ষিতত মনৰ কোমল অনুভূতিসমূহৰ প্ৰতি গুৰুত্বৰ তাৰতম্য। মই কওঁ আপুনি শুনি যায় আৰু আপুনি কয় মই শুনি যাওঁ। জানেই নহয়, গছত যিমানে ফল ধৰে, সিমানে গছডালে নিজক ওপৰমুৱাকৈ ধৰি ৰাখিব নোৱাৰি হালি পৰে। জ্ঞানফলৰ বৰ ওজন, গছ দুৰ্বল হ'লে ভাঙিও যায়। বাৰু, আপুনি নজনা হ'লে মোক চেৰাই যে কেনেকুৱা হ'লহেঁতেন জানে?

চৌধুৰী ঃ কেনেকুৱা হ'লোহেঁতেন জানো, এই যে আপুনি কয়, সদাশিৱৰ কথা, মই কওঁ মাটিৰ ভগা কলহৰ কথা; মানে কলহৰ খোলা-- কোনোদিনে কাৰো একো কামত নলগা আৰু আনকি মাটিৰ উৰ্বৰা শক্তিও হ্ৰাস কৰা। তেনেকৈ Meditationৰ কথা নক'ব, মোক নমাই দিয়া যেনহে পাম।

বৰুৱা ঃ হেৰি, নকওঁ বুলি ভাবে, নাজানোঁ বুলি ভিতৰত ৰাখিব খোজে, কথাৰ লানিত অজানিতে ওলাই মুখৰ পৰা সৰি পৰে। কবিতাত কৈছে নহয়, 'কথাত চিনিবা লোক মূৰ্খ নে পণ্ডিত।' 'উট' (Camel) ৰ দৰে বালিত মূৰগুজি ভাবে, 'মোক কোনেও নেদেখে'. কিন্তু দেখাখিনিৰ পৰা নেদেখাখিনিও মন চকুত দৃশ্যমান হৈ পৰে। সেয়েহে কয়, 'জ্ঞানীয়ে বুজিব পাৰে জ্ঞানৰ মোল, অজ্ঞানীৰ বাবে হয় বাঁহৰ

গছৰ ভোল।'

শুনক লগতে কৈ থওঁ, অহা ভাব ৰাখিব লিখি; নেভাবিব সৰু বুলি— সময়ত সিয়ে হ'ব বাস্তৱৰ সাক্ষী। বালিকণা বুলি নকৰিব অৱহেলা, ইয়ো হ'ব পাৰে সময়ত পদাৰ্থকণাৰ শক্তিৰ পৰীক্ষাত পৰীক্ষণৰ আহিলা। কেটলিৰ গৰমপানীৰ ভাপ— ষ্টীম ইঞ্জিনৰ গৱেষণাৰ আহিলা হোৱাৰ দৰে হ'ব পাৰে। অন্যথা মৃত্যুৰ লগতে সকলো হেৰাই যাব আজিৰ আপোনাৰ জ্ঞানৰ সঁফুৰা যদি নহয় লিখা। শূন্যকো একৰ সোঁহাতে দিলে দহগুণ বাঢ়ে, মচি দিলে ন গুণ কমে। গ্ৰীনিউচ মিন টাইমে সেই কথাকে সোঁৱৰাই থাকে।

চৌধুৰী ঃ আপুনি কথাৰো মূল্য বুজে আৰু সময়ৰো সদ্ব্যৱহাৰ কৰে। মই নিজেও আপোনাৰ পৰা বুজাই ক'ব নোৱাৰাকৈ উপকৃত হৈছোঁ। বুকু ডাঠি ক'ব পাৰিম যে মই এজন আপোনাৰ বন্ধু আছিলোঁ।

বৰুৱা ঃ হেৰি, দেখিব সময়ক মূল্য দিলে সময়েও মৰম কৰে; গা এৰা নিদিয়ে। জ্ঞানক আদৰ কৰিলে তেনেকৈ জ্ঞানে দোপতদোপে আদৰোঁতাক উঠাই লৈ যায় উত্তৰোত্তৰ উন্নতিৰ জখলাত।

চৌধুৰী ঃ কি কম, আপোনাৰ কথাই মোৰ জীৱনৰ চিন্তাধাৰা সলনি কৰি দিলে। আগতে ভাবিছিলোঁ নিজকে এজন সু-নাগৰিক বুলি, এতিয়া অনুভৱ কৰিবলৈ লৈছোঁ এজন সহৃদয়কাৰীৰ সন্মুখত হিয়াৰ বাতৰি পঢ়ি থকা এজন পঢ়ুৱৈ বুলি।

বৰুৱা ঃ চাওক, হিয়া থাকিলেহে সু-নাগৰিক হ'ব পাৰে; সু-নাগৰিক হ'লে মানৱ হৃদয় স্পৰ্শ কৰে। মানৱ হৃদয় স্পৰ্শ কৰিলে প্ৰকৃত সংসাৰ প্ৰতিভাত হয় মনত। তেতিয়া আত্ম সন্ধানৰ দৃষ্টি নিক্ষেপ কৰে আৰু লগে লগে অন্তৰ্দৃষ্টিৰো উদয় হয়— অন্তৰ্দৃষ্টিয়ে ব্ৰহ্ম দৃষ্টিৰ লগত আত্মদৃষ্টি একাকাৰ কৰে। যুৱক-যুৱতীৰ চকুক চকুৱে কৰা একাকাৰ চাৱনিত উভয়ৰে প্ৰেম উদয় হয় আৰু একাকাৰ হৈ মিলি পৰে উভয়ৰে মন। যৌৱনত যুৱক-যুৱতীৰ প্ৰেম, স্বামী-স্ত্ৰীৰ প্ৰেম যৌন ক্ৰিয়া সাপেক্ষ, বাহ্যিক দৃষ্টিত সৃষ্ট প্ৰেম। যৌৱন আঁতৰাৰ লগে লগে ৰোমাঞ্চৰ বিদায়ত কামোদ্দীপক চাপ নাইকিয়া হয়। তাৰ পিচত যি প্ৰেম হিয়াত থাকে সেয়েহে আন হৃদয় স্পৰ্শ কৰে।

চৌধুৰী ঃ অ', এটা কথা মনত পৰিছে, 'মহাভাৰত'ত উল্লেখিত বামুণ-বামুণীৰ বনত যৌন সম্ভোগ ক্রিয়া এক পাৰিপার্শ্বিক প্রভাব। কিয়নো হৰিণ হৰিণীৰ ৰতিক্রিয়াৰ প্রভাৱে তেওঁলোকৰ যৌন উত্তেজনা বৃদ্ধি কৰে।

বৰুৱা ঃ হয়, সেয়াই এক অস্থায়ী প্রেমৰ জ্বলন্ত উদাহৰণ। প্রকৃততে ই এক যৌন ক্ষুধা নিবৃত্তিৰ প্রয়াস।

এটা উদাহৰণ মন কৰক। এদিন পাহাৰ এখনত দেখিলোঁ এডাল গছত বহুত ফুল ফুলি আছে। গছডালে পাহাৰখন সুশোভিত কৰি তুলিছে। এনে মনোমোহা পৰিৱেশ এটা চাই থাকিলে চাই থাকিবৰ মন যায়। বিভিন্ন গছ-গছনিৰে ভৰা এই সেউজীয়া পৰিৱেশে এক অপূর্ব ৰূপ পৰিগ্রহ কৰিছে।

ক্ষন্তেক পিচতে দেখিলোঁ গছডালৰ পাতেৰে সৈতে মিলি পৰা চৰাইবোৰ এটি-দুটিকৈ উৰি আঁতৰি গৈ সেই গছডালৰ সুশোভিত ৰূপ হৰণ কৰিলে। এয়া যৌৱন তথা সৌন্দর্যৰ মাদকতাত ভোগা প্রেম। যৌৱনো পিছলিব ধৰে, প্রেমেও আঁতৰি যাব বিচাৰে। যৌৱনৰ এই উন্মাদনা যৌৱনৰ লগতে উকলি যোৱাৰ পিচত পতি-পত্নীৰ যি প্রেম থাকে, সেয়ে প্রকৃততে আন্তৰিক প্রেম আৰু ই উদয় হয় উভয়ৰ অন্তর্দৃষ্টিৰ পৰা। উভয়ৰে অন্তর্দৃষ্টি যেতিয়া চকুৰ চাৱনিত প্রতিভাত হয় উভয়ে উভয়ৰ ওচৰ চাপে। মৰমেৰে আঁকোৱালি লয়। এয়াহে প্রকৃত প্রেম। ইয়াত ভালপোৱাত বাদে আন একোৰে তাড়না নাই।

এইটো কথা ঠিক যে হৃদয়ত মানবীয় অনুভূতি থাকিলে দুয়োটা প্রেমেই একাকাৰ হৈ যায় আৰু যৌৱনৰ মাদকতা, ৰোমাণ্টিক চাপ কমি যোৱাৰ পিচতো অন্তৰৰ মৰম, শ্রদ্ধা, ভক্তি, ভালপোৱা গছৰ শিপাৰে খোপনি পুতি গছডালক জীয়াই ৰখাৰ দৰে সুস্থলে থাকে। সেয়ে প্রেম এক চিৰ প্রবাহিত অমৃতৰ নৈ; জীৱন আৰু কর্মফলৰ ব্লু-প্রিণ্টৰ দৰে মনৰ অগোচৰে থাকে বৈ।

চৌধুৰী ঃ ৰ'ব, আপুনি মোক পাহৰণি (Forgetfulness) ৰ পৰা সৰবৰহীলৈ (Resourcefulness) কঢ়িয়াই আনিছে আধুনিক যুগৰ বিলাসী মনৰ গাড়ীৰে। আপুনি কোৱাৰ দৰে প্রেম অমৃতৰ নদী, বৈ থাকে মনৰ অগোচৰে— জীৱন আৰু তাৰ কর্মফলৰ ব্লু-প্রিণ্ট (Blue-print) হৈ

থাকে আগতে। সৈন্যবাহিনী একোটাই যেনেকৈ নেদেখা, নোযোৱা ঠাই এখনলৈ যাওতে নক্সা কৰি হাতত লৈ গৈ থাকে আমিও জীৱন নাৱেৰে অমৃত প্ৰেমৰ নৈৰে নেদেখা ব্লু-প্ৰিণ্টখনৰ মৰ্মে গৈ থাকোঁ।

চাওক, মই গাভৰু, সেই প্ৰেয়সীজনীক ভাল পাইছিলো দীঘল ক'লা চুলিটাৰি, চকুৰ চাৱনি, দেহৰ অৱয়ব, পোছাক-পাতি, পৰিধানৰ শালীনতা আৰু ব্যৱহাৰৰ সৌজন্যতাবোধৰ এক আত্মিক প্ৰকাশত। এয়া হৈ উঠিছিল বাহ্যিক দৃষ্টি আৰু সহকৰ্মী হোৱা হেতু লগালগিকৈ থকাৰ পৰিপ্ৰেক্ষিতত। যোগাযোগৰ অভাৱত আৰু আনটো অসৱৰ্ণৰ কাৰণত দুয়োৰে বিয়া সম্ভৱ হৈ নুঠিল। ভাবিছিলোঁ ভালপোৱাৰো সিমানেই ইতি। কিন্তু নহ'ল, শেষ হোৱা ভাবৰ সোঁৱৰণে প্ৰেমৰ ভাব সজীৱহে কৰে। আঁতৰ কৰিব বিচৰা চেষ্টাই 'চকুৰ আঁতৰ হ'লে মনৰ আঁতৰ' বোলা কথাষাৰ নিৰৰ্থকহে কৰিলে মোৰ মনত। কিয় জানো, নাজানোঁ এৰি অহা এৰাবাৰীখনে মোহ যেন দুগুনহে ওপচাই তোলে।

গৰু়ৰা : মোকহে আপুনি কয়, আপুনিতো কম নহয়। বাস্তৱতে যুৱক-যুৱতীৰ তথা নৱবিবাহিতা পতি-পত্নীৰ প্ৰেম যৌৱন পালিত আৰু যৌৱন থাকে মানে ৰোমাঞ্চৰ শাসন চলে; যৌৱন সৰি পৰাৰ লগে লগে এই প্ৰেম সৰি পৰে ৰোমাঞ্চৰ লগতে। যেনে গাতে গা লাগিলেও বা ঘঁহনি খালেও শৰীৰত জোকাৰণিৰ সৃষ্টি নহয়, কোনো চাপৰো অনুভূতি নাজাগে। সেয়ে এই প্ৰেম হৃদয় শাসিত। এক কাহিনীৰ পৰিপ্ৰেক্ষিততে এজন যুৱকে যুৱতী এগৰাকীৰ প্ৰবল হেঁচাৰ তাড়নাত কৈছিল— 'দেহযুক্ত ভালপোৱা দিব পাৰোঁ, কিন্তু প্ৰকৃত ভালপোৱা দিব নোৱাৰোঁ কিয়নো হৃদয়খন ইতিমধ্যে দি থৈছোঁ এজনীক।'

গাভৰুৰ যি চাৱনিত ভৰ যৌৱনৰ প্ৰথম ভালপোৱা উদয় হয় যেনে— চকুৰ নীলাভ চাৱনিত, দেহৰ লাৱণ্যত, ভাষাৰ লালিত্যত, পোছাক-পৰিচ্ছদ আদিত সেই ভালপোৱা মৃত্যুৰ মুখলৈ জীয়াই থাকে সেই ফটোসহ। পিচত যিমান ভালপোৱা, প্ৰেম নাজাগক, বিয়া-বাৰু নকৰক সেই প্ৰেমৰ স্মৃতিক নিৰ্বাপিত কৰিব নোৱাৰে মনৰ পৰা। সৰুকালিৰ মুখস্থ বিদ্যাৰ দৰে জীৱনভৰ মনত থাকে। ই এক পাহৰিব নোৱাৰা Love accident.

সেয়েহে যৌৱন পীৰিতি ৰোমাঞ্চৰহে কৃতী। জীৱন নির্বাহ প্রকৃততে প্রেমৰ প্রবাহ। সংসাৰৰ প্রতি ভালপোৱা, মৰম আশা থাকে মানে জীৱন সজীৱ হৈ থাকে। ই হেৰালেই মন নিৰাশাবাদী হৈ জীৱনক নিঃশেষ কৰিব খোজে দুই হাতেৰে মোহাৰি পেলায়।

চৌধুৰী : বস্তুবাদীয়ে সুখেৰে জীৱন ভোগ কৰে আৰু চিন্তাবিদে চিন্তাৰ শেষ তত্ত্ব বিচাৰি থাকোঁতেই জীৱন শেষ হয়, কিন্তু চিন্তা তত্ত্বৰ শেষ নহয়, ঋষি, মুনি, দার্শনিক, বৈজ্ঞানিক যিয়েই নহওক আজিলৈ সৃষ্টি তত্ত্বৰ শেষ উলিয়াব পৰা নাই। ইয়ে মানুহৰ মনোৰঞ্জনৰ উৎস হৈ আছে।

মই ভাবোঁ বাণিজ্য বা পূজা পর্বৰ ঈশ্বৰ উপাসনা যেনেকৈ এক শ্রেণীৰ ব্যৱসায়, তেনেকৈ সৃষ্টিৰ তত্ত্ব বিচাৰ যোৱাটোও পেটপাহ পূৰণাৰ্থে জীৱনটো পৰিচালনা কৰি গৈ থকাৰ এটা ব্যৱসায়। কাৰ মন কিহে আহ্লাদিত কৰে সিয়ো এক অভিৰুচি বিজড়িত ক্রিয়া। হেৰি, কথাত কথা ওলায়, কথাত কথা বাঢ়ে, খৰিকাত বাঢ়ে কাণ। ভাবকচোন, ধাৰণাবিলাক কেনেকৈ মনত ওপজে। ধর্মৰ লক্ষণ অহিংসা, যুক্তিবাদী মতে মানুহৰ কর্ম সম্পাদনেই ধর্ম, জ্ঞানবাদী মতে মনৰ যি প্রবৃত্তিৰ দ্বাৰা পৰমাত্মাৰ প্রতি অচলা ভক্তি ওপজে সেয়েই ধর্ম। ধর্মৰ এনে ধাৰণাৰ জন্ম হৈছিল বেদৰ পূজা-পাতল যজ্ঞানুষ্ঠানৰ বর্ণনা থকা ব্রাহ্মণ অংশ সৃষ্টিৰ পৰা।

বৰুৱা : চাওক, বাণিজ্য বা পূজা-পর্ব হ'ল বস্তুবাদীৰ ব্যৱসায় আৰু দার্শনিক চিন্তাবিদ, গৱেষক, সাধক, বৈজ্ঞানিক আদিৰ ব্যৱসায় হ'ল নতুন আৱিষ্কাৰ, ভাতৰ কাঁহীৰ পৰা ভাতৰ গৰাহ দাঙিও ধৰ্মকি খোৱা এয়াই চিন্তাবিদ। মাটি আৰু বীজৰ গুণ-ধর্ম যেনেকৈ ভাবিবলগীয়া, তেনেকৈয়ে মাতৃগর্ভ আৰু ঔৰসৰ গুণ-ধর্ম চিন্তা কৰিবলগীয়া গৱেষণাৰ বিষয়। এনে আৱিষ্কাৰ হ'ল চিন্তাবিদৰ চিন্তাৰ ফচল। ঠিক তেনেকৈ ৰোমাণ্টিক চিন্তাধাৰাৰ উৎস হ'ল প্রেম। জীৱনৰ প্রভাতে জন্ম হয় আৰু জীৱন যন্ত্র বিকল হোৱাৰ আগলৈ এই প্রেম প্রবাহ চলে। ভালপোৱাৰ জন্ম ভালপোৱাৰ বাবেহে। সকল বিয়াৰ পৰিপ্রেক্ষিতত নহয়। বিবাহ এটা বস্তুবাদী দিশ। বিবাহ উপলক্ষে যি ভালপোৱাৰ জন্ম হয়, ই দৈহিক প্রেম সাপেক্ষ; ৰোমাঞ্চিত দেহ

জড়িত। ইয়াৰ নিৰ্দিষ্ট উদ্দেশ্য আছে, হয় সতি-সন্ততি জন্ম দি সংসাৰ ধৰি ৰখা নহয় বেশ্যালয়ৰ দৰে যৌন বৃত্তি চাৰিতাৰ্থ কৰা।

সেয়ে, যৌৱন ৰোমাঞ্চ যেন এক জীৱন প্ৰবাহ, স্পৰ্শ আৰু চকুৰ চাৱনিত উদ্ভৱ হয়, অনুভৱ কৰে আৰু সৰ্বশৰীৰত কঁপনি তোলে। প্ৰথম ভালপোৱাই বিয়া নহ'লেও জীৱনজুৰি জীয়াই থাকে চকুৰ পতাত; ভাবিলেই আহি কাষত বহে, হাঁহে, নাচে, কথা পাতে মনৰ লগত। সপোনে-দিঠকে একাকাৰ হৈ পৰে। সেই কাৰণেই প্ৰথম যৌৱনত ভাল পাই এৰিব লগা হোৱা গাভৰুজনী সদায় গাভৰু হৈয়ে থাকে। মনলৈ বহুত কল্পনা, খেলৰ আহিলা কঢ়িয়াই লৈ অহা আৰু সময় অসময় নাই ইচ্ছা গ'লেই মনপুতি খেলি আনন্দ কৰা স্মৃতিবোৰ বিষাদ হৈ ধৰা দিয়ে মনত।

চৌধুৰী ঃ সেই বিষাদেই মোকো ৰাজত্ব কৰি আছে মনত। আচলতে নোপোৱাৰ বাটত এবাৰ লগ হোৱাৰ আশাৰে আগবাঢ়ি গৈ আছোঁ। এইটো কথা ঠিক যে ইয়াৰ কাৰণে বৰ্তমানৰ সংসাৰখনত কোনো ঠগামি, কোনো অৱহেলা বা কোনো মানসিক তাড়নাত ভোগা নাই। মোৰ সংসাৰখনত যি আনন্দ সেয়া বস্তুবাদী; ইয়াত নৈতিকতাৰ পৰশ আছে আৰু সততা-সমতায়ো মনত ৰাজত্ব কৰি আছে। পৰজনমৰ অলীক কল্পনাই অতিষ্ঠ কৰিও তোলা নাই, ধৰ্মান্ধও নহয়। ঈশ্বৰ বিশ্বাসে নিষ্ঠা-কৰ্ম বন্ধনৰ মাজত খোপনি পুতি আছে। কিন্তু প্ৰকৃতিৰ যিটো শক্তি সনাতন সত্য সাপেক্ষে মহাশক্তিৰ ৰূপত প্ৰকাশিত তাৰ প্ৰতি মই চিৰ নত, মোৰ তাত মান্যতা আছে। এয়াই মোৰ ঈশ্বৰ। এই ভগৱানক সততা, সমতা আৰু ন্যায়-নীতিৰ বেদীত মনৰ পূজাৰে একান্ত ভক্ত হৈ প্ৰাৰ্থনা কৰোঁ।

কিন্তু এই কথাটো মই উলাই কৰিব নোৱাৰোঁ যে যৌৱন-প্ৰেমৰ স্মৃতিৰ মাজত জীয়াই থকাৰ হেঁপাহ ত্যাগ কৰিব পৰা নাই। সেয়ে ভাবোঁ যি বস্তু কোনোদিনেই নাপাওঁ, তাত কিয় স্মৃতিৰ দখল দিওঁ। নিদিলেওচোন জোৰ কৰি বহি লয়, কিয় বুজিব নোৱাৰোঁ। জীৱনত সফল-বিফল গচকিলোঁ। সফলতাৰ আনন্দক, বিফলতাই আমনি কৰিছিল। মৰম আকলুৱা আৰু বস্তুবাদী প্ৰয়াত গৃহিণীক সুখ

দি উপযুক্ত স্বামী হোৱাৰ যোগ্যতও মোৰ হৈছে। পিতৃ হিচাপে ল'ৰা ছোৱালীক উপযুক্ত কৰি তুলিব পাৰিছোঁ বুলি কৈ অহংকাৰ কৰিব নোখোজোঁ। কৰ্মোদ্যমে বিফলতাক কোনো দিনে প্ৰশ্ৰয় দিয়া নাই. গৈ থকাৰ হেঁপাহক বৈ থকাৰ অলসতাই অলপ সময়ৰ বাবে হ'লেও ক্ৰিয়া কৰিব পৰা নাই। সুনাগৰিক হোৱাৰ প্ৰৱণতাইহে মোৰ মনত ক্ৰিয়া কৰি আছে অতিকৈ।

যিয়ে নহওক, আপোনাক লগ পোৱাৰ পৰা মই মনতে যি আনন্দ লাভ কৰিছোঁ বুজাই ক'ব নোৱাৰোঁ। খাল, খাবৈৰ ভেঁকুলী ব'হাগ মাহৰ বৰষুণৰ পানী পৰি আছিলোঁ টোৰ টোৰ কৰি বাৰিষাৰ জাননী দি এন্ধাৰক আলম কৰি। আপুনি দেখোন বোলাই বোলাই পোহৰ দেখুৱাই সাগৰলৈ নিলে, মুকলি গভীৰ সাগৰত নাচি বাগি পৃথিৱীৰ সৃষ্টি তত্ত্বৰ বুজ ল'বলৈ প্ৰেৰণা যোগালে।

আচলতে সৰবৰহী গুণ মোৰ নাই, ধৰ্মতো মোৰ দখল নাই। ধৰ্ম বা সাহিত্যই হওক দুই-এখন কিতাপ পঢ়ো যদিও কামৰ তাগিদাত অসমাপ্ত হৈ ৰয় আৰু বিষয় বস্তুয়ে মনত গভীৰভাৱে ৰেখাপাত নকৰে। কিন্তু লগৰ লগত কোনো আলোচনা হ'লে ভাবুক হৈ পৰোঁ। সেয়ে জনাৰ আগ্ৰহৰ তাড়নাই মনটো অস্থিৰ কৰে। কোনো এটা ধৰ্মীয় সিদ্ধান্তত আহিবৰ মন যায়, কিন্তু ধৰ্মতো দলীয়া স্বাৰ্থ জড়িত হোৱাত ধৰ্ম বিচাৰি যোৱা বাটটো ধুৰলি-কুৰলী হৈ পৰিছে। এতিয়া এটা ধাৰণা উপজিছে যে মুক্তমনে, মুক্ত খৰচত, মুক্ত সময়ত ব্ৰহ্মাণ্ডৰ অসীম শক্তিক ভগবান স্বৰূপ ভাবেৰে য'তে-ত'তে যিকোনো ৰূপতেই প্ৰাৰ্থনা, উপাসনা বা পূজা কৰিব পাৰি। কাৰণ ইয়াতেই পৰম সত্য নিহিত হৈ আছে। মই ভাবোঁ সত্যক ভালপোৱাটোৱেই প্ৰকৃত প্ৰেম আৰু এই প্ৰকৃত প্ৰেমত ভগবানৰ আশিস থাকে।

বক্তব্য : শ্ৰীকৃষ্ণই যে অৰ্জুনক মুখগহ্বৰেৰে ব্ৰহ্মাণ্ডৰ সকলো জীৱ-জন্তু, দেৱ দেৱী, ঋষি-মুনি, ব্ৰাহ্মণ-পণ্ডিত বা সকলো বস্তু সোমাই যোৱা দেখুৱাইছে তাৰ বৈজ্ঞানিক দৃষ্টি-ভংগী হ'ল যে বিশ্বব্ৰহ্মাণ্ডৰ এই সকলো প্ৰাকৃতিক মাধ্যাকৰ্ষণ শক্তিৰ দ্বাৰা এটা বেষ্টনীৰ ভিতৰত আবদ্ধ। অৰ্থাৎ এক একক এই ব্ৰহ্মাণ্ডখন। তদ্ৰূপ একক শক্তি।

চৌধুৰী ঃ এটা কথা বাৰে বাৰে মনলৈ আহে এই যে সনাতন হিন্দু ধৰ্মত দৰ্শন সাপেক্ষে আধ্যাত্মিক দিশত জীৱনৰ সুখ-দুখ, পীড়া-যাতনা আদিৰ কাৰণৰ উল্লেখ আছে; দেহত আত্মাৰ স্থিতিৰে ইন্দ্ৰিয়ৰ সহায়ত জীৱনে কৰা ভোগৰ আৰু মৃত্যু যাতনাৰ সময় সম্পৰ্কীয় কথা চিন্তা কৰাৰ থল আছে। ধৰ্ম আৰু ইয়াৰ লগত জড়িত কৰ্মৰ সৈতে জীৱন মুক্তিৰ উপায়ৰ উল্লেখ আছে। এই যে কৈছে—

'কৰ্মৰ যতৈক ফল শুনা সব্যসাচী।
নুখুজিলেও বিধাতাই আপোনি দিব যাচি।।'

সব্যসাচী হ'ল অৰ্জুন — তেওঁ সোঁ-বাওঁ দুয়ো হাতে দক্ষতাৰে শৰ মাৰিব পাৰিছিল।

বৰুৱা ঃ আপোনাৰ দৰে মোৰো এনে দিশত একে অৱস্থা নহয় বুলি ভাবিলে আত্ম গৌৰৱৰ দোষে চুব। চাওক, আপোনাৰ জ্ঞানক যে মনৰ আচ্ছাদনেৰে আচ্ছাদিত ৰাখি নতুনকৈ গ্ৰহণ কৰাৰ পৰিৱেশ সৃষ্টিৰ কাৰণে প্ৰশ্নৰ অৱতাৰণা কৰে, সেয়া নিজে নিজেই প্ৰতিভাত হৈ পৰে। বিয়াৰ কইনাক ওৰণিৰে ঢাকি ক্ষন্তেক সময় ৰূপ-লাৱণ্যৰ পৰা আঁতৰত ৰাখে আৰু ক্ষন্তেক পিচতে দৃশ্যমান কৰে, তদ্ৰূপ আপোনাৰ জ্ঞানৰ স্বতঃস্ফূৰ্ত আলোক প্ৰদীপ্ত হৈ পৰে।

সময় পালে মই নিজেও দুই-এখন কিতাপ বা ধৰ্মীয় শাস্ত্ৰ পঢ়োঁ যদিও ধাৰণা স্পষ্ট নহয়; বহুতৰ হাত পেলাই নিজ স্বাৰ্থক সনাপোতোকা কৰি ব্যাসদেৱৰ মূল ধাৰণাক অস্পষ্ট কৰা যেন লাগে। প্ৰকাশ ভংগীয়ে ৰাজনীতিৰ দুমুখীয়া পদ্ধতিৰ দৰে ব্যাসদেৱৰ স্ব-উদ্ভাৱিত ধৰ্মীয় ভাৱধাৰাক তেতিয়াৰ প্ৰচলিত ব্ৰাহ্মণ্য ধৰ্মৰ আলোকপাত হোৱাৰ বাট প্ৰকট কৰে। এনেহেন ভাব দেখা যায় যেন কোন ব্ৰহ্মা-বিষ্ণু-মহেশ্বৰ, কোন বাসুদেৱ কৃষ্ণ সকলো দেৱ-দেৱীৰ নত তথা উপাসক। মহাশক্তিৰ যুগ্ম প্ৰতীক ধাৰণা হয়তো কৰিব পাৰি আৰু চাওক, চাৰ্বাক প্ৰমূখ্যে প্ৰাচীন ভাৰতৰ একাংশ চিন্তাবিদে বেদ আৰু ষড়দৰ্শনক অলীক বুলি প্ৰত্যাহ্বান জনোৱা দেখা যায়। অৰ্থাৎ নাস্তিকবাদৰ সমৰ্থনকাৰী। ভোগেৰে জীৱন অন্ত কৰিব বিচৰা বস্তুবাদী চিন্তাধাৰা। স্বৰ্গ-নৰকৰ ধাৰণা ভ্ৰান্ত বুলি ক'ব পাৰে

যিহেতু ইয়াত কল্পনাৰ বাহিৰে বাস্তৱ দৃষ্টিভংগী তেনেই দুৰ্বল। কিন্তু সুপথে প্ৰতিভা বিকাশৰ ক্ষেত্ৰত ইয়াৰ উল্লেখ নিৰৰ্থক নহয়।

যিয়েই নহওক, ইয়াত নাস্তিকবাদ ধাৰণা পোষণ কৰিলেও জৈন আৰু বৌদ্ধ ধৰ্মই আত্মাৰ অস্তিত্ব অস্বীকাৰ কৰা নাই। সেয়েহে ই অৰ্দ্ধনাস্তিক দিশ। এনেদৰেই দেখা যায় আস্তিক, নাস্তিক আৰু অৰ্দ্ধনাস্তিকে মনবোৰ খেলিমেলি কৰে বহুতৰ। তথাপি হঠাৎ পোৱা মৃত্যুৰ মৰ্মান্তিক দুখ-শোক কান্দি কান্দি পাতলাই লোৱাৰ দৰে অস্পষ্ট ধাৰণাই জাপি দিয়া মনোকষ্ট বাস্তৱ পৰিবেশৰ অভিজ্ঞতাকে সাৰথি কৰি অনুভূতি উপলব্ধিৰে পাতলাই লওঁ। এয়া ক্লেশ, ক্লান্তি আৰু অৱসাদৰ পিচত নৈসৰ্গিক দৃশ্যৰে মনটো স্বাভাৱিক কৰি লোৱাৰ দৰে, চ'ত মাহত গছৰ সৰি পৰা শুকান পাতৰ সন সন শব্দই ব'হাগ মাহৰ গছৰ সেউজীয়া কোমল কুঁহিপাতলৈ মনত পেলাই আনন্দ দিয়ে। ব'হাগ, বসন্ত আৰু বৰদৈচিলাই একেলগ হৈ একেখন মঞ্চতে হাঁহি, নাচি, গীত গাই মতলীয়া হয়। বৰদৈচিলাৰ হিয়া উজাৰি নচা বলিয়া নাচোনত দেহৰ কাপোৰ-কানি ফাটি চিৰাচিৰ হয়, নঙঠা হয় দেহ। তথাপি যেন নাচোনৰ হাবিয়াস নপলায়।

এনেদৰে আমাক ৰিব ৰিব মলয়াই হচ্বাই-নচুৱাই আৰু বৰদৈচিলাৰ বলিয়া নাচোনে কন্দুৱাই, মৰ্মান্তিক দুখ-শোকত হিয়া ভাগি যায়। ইয়াক নিৰ্বাপিত কৰাৰ উপায় আমাৰ হাতত নাই। নেদেখাখিনিক নেদেখোঁ, দেখাখিনিৰ শক্তিৰ পৰা উদ্ধাৰৰ উপায় বিচাৰোঁ। প্লেন-এষ্টিমেট কৰোঁ আৰু প্ৰকৃতিৰ নীতিৰ লগত সৎ কৰ্মৰে বৈজ্ঞানিক চিন্তাধাৰাৰে যুদ্ধ কৰো। এয়া বৰদৈচিলাক খেদি খেদি বন্দুক হাতত লৈ মাৰাৰ প্ৰত্যাহ্বানৰ যুদ্ধ নহয়, নিজক বচাব পৰা উপায় উদ্ভাৱনৰে প্ৰত্যাহ্বান কৰা। সেয়া প্ৰকৃতিৰ সমতা নীতি প্ৰকৃতিয়ো অনুসৰণ কৰিছে আৰু আমি আমাৰ সমতা নীতি অনুসৰণ কৰিছোঁ।

দুই কৰ্ম বন্ধন এক হৈ কাম কৰে; এটা প্ৰকৃতিৰ কৰ্ম বন্ধন পৰমাত্মা স্বৰূপ আৰু এক মানৱ কৰ্ম বন্ধন আত্মা স্বৰূপ। প্ৰকৃতি আত্মাই হ'ল পৰমাত্মা আৰু ইয়াৰ লগত ওতপ্ৰোত সম্পৰ্ক জীৱাত্মা। বৰদৈচিলা স্থূল দেহ আৰু ইয়াৰ লগত নিহিত থকা শক্তি সূক্ষ্ম দেহ।

স্থূল দেহ অস্থায়ী আৰু সূক্ষ্ম দেহ স্থায়ী। জানেই নহয়। বায়ু চাপৰ উৰ্ধ-নিম্ন চাপ হ'লে বায়ু প্ৰবাহৰ দ্বাৰা সমতা বজাই ৰখাৰ দৰে, পৰমাত্মাৰ কোনো অংশ খালী হ'লে বতাহত ঘৰ ভাগি মানুহ ওলাই যোৱাৰ দৰে জীৱাত্মাৰ পৰা পূৰণ কৰে। বাহ্যিক শক্তি-ঘূৰ্ণি বতাহ স্বৰূপ আৰু ভূঁইকঁপ আভ্যন্তৰীণ শক্তিৰ প্ৰকাশেৰে প্ৰকৃতিয়ে এই আত্মা-পৰমাত্মাৰ সমতা অটুট ৰাখে।

চৌধুৰী ঃ আপোনাৰ ধাৰণাতো নুই কৰা মোৰ কাৰণে সম্ভৱ নহয়। ৰ'ব, মোৰ প্ৰশ্নটো আছিল কৰ্ম সম্পৰ্কতহে।

বৰুৱা ঃ সেয়েহে কৈ আছোঁ শুনক, ধৰি লওক এজন মানুহে নিজ স্বাৰ্থত আন এজনক হত্যা কৰিলে, ধৰি লওক বহু টকাৰ বাকচটো লৈ যোৱাৰ কাৰণে। আন এজনে নিজৰ জীৱন ৰিস্ক লৈ বিপদৰ পৰা আন এজনক উদ্ধাৰ কৰিলে। দুয়োটা কৰ্ম একে নহয়। তেনেকৈ এজন স্বামীয়ে সৃষ্টিৰ উদ্দেশ্যে স্ত্ৰীৰ লগত যৌন ক্ৰিয়া সম্পন্ন কৰিলে আৰু আন এজনে বেশ্যালয়ত বা ধৰ্ষণৰ দ্বাৰা বা বলাৎকাৰ কৰি ৰতিক্ৰিয়া কৰিলে, দুয়োটা কৰ্ম একে নহয়। আত্মা-পৰমাত্মাৰ আকৰ্ষণ সমতা সাপেক্ষ আৰু ইয়াৰ ফল কৰ্মানুসাৰে হয়। প্ৰকৃতিৰ সত্য, সমতা, ন্যায় শক্তিয়ে এই ফলৰ অধিকাৰী। ৰাসায়নিক বিক্ৰিয়াৰ দৰে, বিক্ৰিয়া সংঘটিত হ'লে ফল ওলাবই। এই ফল মৌলৰ গুণ বা ধৰ্মৰ আৰু মাত্ৰাৰ ওপৰত নিৰ্ভৰশীল, বিষ ক্ৰিয়া আৰু অমৃত ক্ৰিয়া স্বৰূপ। এনে কৰ্ম বন্ধনতে নিৰ্ভৰ কৰে দুয়ো লোকত আত্মাৰ শান্তি। 'চৰণে জানে মৰণৰ ঠাই, য'ৰে মৰণ ত'তে যায়'; আত্মাস্থিত বিবেকে আগতীয়াকৈ বাট বুলাই লয়, শুদ্ধ আত্মা সুপথে আৰু দুষ্টাত্মা কুপথে গতি লয়।

চৌধুৰী ঃ এনে কথাৰ প্ৰসংগত বৈজ্ঞানিক ডাৰউইনৰ Evolution theory ৰ বিষয়ে কি ভাবে, এই যে ক্ৰমবিকাশ তত্ত্ব।

বৰুৱা ঃ এইমৰ্মে মই ভাবোঁ এটা এককোষী জীৱৰ (এমিবা) পৰা বিভিন্ন স্তৰত বিকাশ ঘটি শেষত পূৰ্ণ জীৱ বহুকোষী মানুহৰ ৰূপ পাইছে। এই স্তৰবোৰ সলাই সলাই আহোঁতে লেটাৰ পৰা পখিলা বা ভেকুলীৰ জন্মৰ স্তৰবোৰ বাগৰি পূৰ্ণ জীৱ ভেকুলীৰ দৰে এই ৰূপান্তৰণ পদ্ধতিত

পৰিৱেশ সাপেক্ষে তথা প্ৰাকৃতিক ক্ৰিয়া-প্ৰক্ৰিয়াৰ ফলত জীৱবোৰে জন্মগত বা সহজাত বুদ্ধি আয়ত্ত কৰে। জীৱৰ এই প্ৰক্ৰিয়া ৰূপায়িত হোৱাত হয়তো আভ্যন্তৰীণ আকৰ্ষণ শক্তি আৰু পৰমাত্মিক সংযোজন-বিয়োজন শক্তিৰ সক্ৰিয়তা লাভ কৰে। এনেদৰেই শাৰীৰিক পৰিৱৰ্তন আৰু মানসিক উৎকৰ্ষতা সাধনৰ লগে লগে আত্মিক বুদ্ধিৰো বিকাশ ঘটে। অৰ্থাৎ দেহৰ লগত মন আৰু মনৰ লগত ইন্দ্ৰিয়ৰ বাহ্যিক ক্ৰিয়া-প্ৰক্ৰিয়াৰ ফলত আত্ম জাতীয় বুদ্ধিৰো বিকাশ ঘটে। এনেদৰে পৰিৱেশ জাতীয় বা জড়িত গোটেইখিনি বৌদ্ধিক উৎকৰ্ষতা সাধন হয় আৰু অভিজ্ঞতাই বাস্তৱ শিক্ষাৰ ৰূপ কঢ়িয়ায়। জীৱৰ এনে জীৱন বিকাশত হয়তো আভ্যন্তৰীণ মাধ্যাকৰ্ষণৰ ফলত আৰু পৰমাত্মিক ক্ৰিয়াৰ পৰিপ্ৰেক্ষিতত আকৃতি-প্ৰকৃতি নিৰ্ণয়ত আত্মাৰ বিকাশৰ স্তৰ জড়িত হৈ থাকে। এয়া পৃথিৱীৰ গলিত আভ্যন্তৰ ভাগত বিভিন্ন ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ ফলত হোৱা আগ্নেয়গিৰি আৰু মণি-মুকুতা, খনিজ পদাৰ্থ আদি সৃষ্টি হোৱাৰ দৰে।

এইদৰে শৰীৰৰ বৃদ্ধি, মন-বুদ্ধি-কৌশলৰ বিকাশ আৰু আত্মাৰ বিকাশ লগলাগি জীৱনৰ পূৰ্ণ বিকাশ সম্ভৱ কৰি তোলে। এনে পূৰ্ণ বিকশিত জীৱনত মানুহে যেনে ধৰণৰ কৰ্ম কৰে তাৰ লগত ফলাফল জড়িত হৈ থাকে। এই ফল মানুহৰ অগোচৰে হয়। দেহ সাপেক্ষে মহাকৰ্ষণিক আৰু পৰমাত্মিক সংযোগ শক্তিৰ দিশত জন্ম মৃত্যু আৰু কৰ্মৰ দিশত ফল।

চৌধুৰী ঃ বিকাশ মানে কোনো কাম কৰি গৈ থাকোঁতে বাস্তৱ অভিজ্ঞতা অনুসাৰে যি নতুন নতুন মন-বুদ্ধি-কৌশলৰ জন্ম হয়, সেয়া? এই বিকাশ জীৱনৰ আৰম্ভণিৰ পৰা শেষলৈ থাকেনে?

বৰুৱা ঃ চাওক, জীৱন সচেতনতা, জন্মৰ পৰা মৃত্যুৰ আগলৈ সজীৱ হৈ থকালৈকে পৰিৱেশ আৰু অভিজ্ঞতাবশতঃ এই বিকাশ ঘটে। আৰু ই কৰ্মকৰণৰ আন্তৰিকতা আৰু একাগ্ৰতাৰ ওপৰত নিৰ্ভৰশীল। ই এক প্ৰকাৰ Cultivation of body and mind together. সু নাগৰিক গঢ়াৰ ক্ষেত্ৰত পৰিৱেশ এটা ডাঙৰ প্ৰভাৱ। পৰিৱেশৰ সু প্ৰভাৱতে বা সুযোগতে ভাল আৱিষ্কাৰ হয় আৰু কু-প্ৰভাৱত ডাঙৰ অঘটন বা

কূটাঘাতমূলক কাৰ্য সংঘটিত হয়।

চৌধুৰী ঃ শিশুৰ বিকাশৰ ক্ষেত্ৰত কি ভাবে?

বৰুৱা ঃ শিশুৰ বিকাশৰ ক্ষেত্ৰত দেখা যায় জন্মৰ পাঁচ-ছয় বছৰলৈ সহজাত বুদ্ধি থাকে, বুদ্ধিৰ বাস্তৱ বিকাশ পিচত ঘটে। কিয়নো এই বুদ্ধিৰ লগত মনৰ সম্পৰ্ক আৰু মনৰ লগত বাস্তৱ অভিজ্ঞতাৰ ক্ৰিয়া জড়িত। আনহাতে আত্মাৰ বিকাশ বোলোতে দৰ্শনৰ কথা আহে, দৰ্শনৰ কথা ভাবিলে আত্মা সাপেক্ষে পূৰ্বজন্ম আৰু ইয়াৰ লগত জড়িত সংস্কাৰৰ স্তৰবোৰ আহি পৰে। অৰ্থাৎ বিৱৰ্তনৰ লগত হোৱা স্তৰবোৰ; এই সংস্কাৰ পাৰ্থিৱ হ'লেও আত্মাৰ উন্নতিত সহায়ক হয়। এনেদৰে দেখা যায় শিক্ষা, কলা, ধৰ্ম, আধ্যাত্মিক বিজ্ঞান আৰু জড় বিজ্ঞান একে মঞ্চত উপৱিষ্ট হয় আৰু লগলাগি সাংস্কৃতিক জীৱন গঢ়ে আৰু লগে লগে প্ৰগতিৰ নিচান উৰায়।

চৌধুৰী ঃ বাৰু চাওকচোন, আত্মা যে অমৰ বুলি কয়, এই ধাৰণাতো কেনেকৈ প্ৰণালীবদ্ধভাৱে আগবঢ়াই নি সিদ্ধান্তলৈ আহিব পাৰি।

বৰুৱা ঃ যি জ্ঞান গভীৰ ধ্যান-ধাৰণাৰ দ্বাৰা প্ৰাকৃতিক পৰিঘটনাৰ চাক্ষুষ দৃষ্টিৰ আলমত তথা উপলব্ধিৰে মানৱাত্মা বা জীৱাত্মা পৰমাত্মাৰ সংযোগ স্থিতি স্বৰূপ অমৰত্ব ভাব পোষণ কৰিছিল, যি উপলব্ধিৰে পৰমাত্মাৰ শিপা প্ৰকৃতি ভেদি আৰু আত্মাৰ শিপা দেহভেদি উপজিছিল (জীৱদেহ আৰু প্ৰকৃতিদেহ, জীৱাত্মা আৰু প্ৰকৃতি আত্মাৰ সংযোগ) সেই গভীৰ উপলব্ধিৰ আমি সম্যক আভাসহে ল'বলৈ সক্ষম হম। শ্ৰীকৃষ্ণ গীতাত অব্যয়জ্ঞান যোগত কৈছে—

'প্ৰকৃতিক আশ্ৰয় কৰি দেহ ধৰো মই।।'

প্ৰকৃতিৰ মৰণ নাই— শক্তিৰহে ৰূপান্তৰ; গতিকে পৰমাত্মাৰ মৰণ নাই। সেয়েহে, প্ৰকৃতি পৰমাত্মাই সৃষ্টি কৰিবই, এই সৃষ্টিৰ শেষ নাই। জীৱ আৰু জড় থাকিবই, জুই জ্বলিবলৈ ইন্ধন লাগিবই। জীৱ মানেই প্ৰাণ, প্ৰাণ মানেই পৰমাত্মাৰ অংশ আত্মা। বায়ুৰ আশ্ৰয়ত প্ৰাণ স্বৰূপ আত্মা থাকে। সেয়েহে বায়ুৰ মৰণ নাই গতিকে আত্মাৰ মৰণ নাই।

বায়ুৰ এনে অপৰিহাৰ্য কাৰণতে পাতল বায়ু ওপৰলৈ আৰু

গধুৰ বায়ু তললৈ নামি যোৱাৰ কথা মনলৈ আহে। বায়ুৰ উৰ্দ্ধচাপ আৰু নিম্নচাপ সাপেক্ষে ভগৱান বুলিলে ওপৰলৈ চাওঁ শুদ্ধ আত্মাৰ ধাৰণাৰে আৰু নৰক বুলিলে দুষ্টাত্মাৰ ধাৰণাৰে তললৈ চাওঁ। এয়া মৃত্যুৰ পাচত পাপীৰ দণ্ডৰ ঠাই। পাপীৰ আত্মাই যাতনা ভোগ কৰে, দুৰ্গন্ধি বায়ু সেৱন কৰাৰ দৰে এই আন্ধাৰ আলয়তে। এনে দিশতে বস্তুৰ ভৰ আৰু ওজনৰ কথা ধৰা পৰে; লগতে আহে পৃথিৱীৰ মাধ্যাকৰ্ষণ শক্তিৰ প্ৰভাৱৰ কথা।

চৌধুৰী ঃ হেৰি, ভৰ আৰু ওজনৰ কথা স্পষ্টভাৱে বুজি নাপাওঁ।

বৰুৱা ঃ মই নিজেও স্পষ্ট নহওঁ। নিউক্লীয় সংযোজনৰ কথা ভাবোঁ এই যে দুই বা তাতোধিক লঘু মৌলৰ নিউক্লীয়াচ লগলাগি এক গধুৰ মৌল সৃষ্টি হোৱা প্ৰক্ৰিয়া। অৰ্থাৎ সংযোজনৰ ফলত কিছু পাৰমাণৱিক ভৰ শক্তিলৈ ৰূপান্তৰিত হয়। আপোনাক নিউটনৰ গতিৰ দ্বিতীয় সূত্ৰৰ কথা (এনচাইক্লোপেডিয়াৰ পৰা) উল্লেখহে কৰিব পাৰোঁ।

Galileo discovered that all objects fall at the same rate, no matter what their masses. Newton is able to explain this fact with his laws of motion. We know that a falling object accelerates towards the earth because of the gravitational force of attraction between the object and the earth. A heavy object is attracted to earth more than a lighter one. Why, then does't the heavier object fall faster than the lighter object? The answer is in the equation F=ma. The gravitational force is larger on heaver object but the mass is larger too. These two mass always cancel out and the ratio of F/M is always 9.8.

আইনষ্টাইনৰ মতে $E = mc^2$, (য'ত m হ'ল ভৰ আৰু c হ'ল বেগ) অৰ্থাৎ ভৰ বাঢ়িলে শক্তি বাঢ়ি যায়। গতিকে দেখা যায় পাৰমানৱিক ভৰৰ লগত শক্তিৰ সম্পৰ্ক আছে।

চৌধুৰী ঃ মোৰ জ্ঞানৰ পৰিসীমাই ইমানদূৰ আচ্ছাদিত কৰিব নোৱাৰে। মৃত্যুৰ লগে লগে বায়ুৰ সৈতে জীৱ ওলাই যোৱা আৰু দেহটো নিষ্প্ৰাণ হৈ ওজন বাঢ়ি গধুৰ হোৱাৰ কথাহে ভাবোঁ। অৰ্থাৎ মৃত্যুত জীউটো

ওপৰলৈ আৰু দেহটো তললৈ— এয়া জীৱ-জড়ৰ বিভেদ বিচ্ছিন্নতা। লগতে ভাবোঁ ব্ৰহ্মাৰ সৃষ্টি কৰ্ম সাপেক্ষে প্ৰকৃতিৰ অবিৰত সৃষ্টিৰ কথা। ব্ৰহ্মাৰ পূজা নাই। মহিষাসুৰৰ অত্যাচাৰৰ পৰিপ্ৰেক্ষিতত মহা শক্তিৰ অধিষ্ঠাত্ৰী দুৰ্গাৰ সৃষ্টি হয় আৰু এই দুৰ্গা পূজাৰ লগে লগে আহি পৰে কালি পূজা আৰু মনসা পূজাৰ (পদ্মাৱতী) ধাৰণা। বিষ্ণু (সূৰ্য) পত্নী লক্ষ্মী (ধন-সম্পত্তিৰ অধিকাৰিণী) পূজাও চলি থাকে। দুৰ্গাই পাৰ্বতী, শিৱৰ ভাৰ্যাৰ ধাৰণাও সংলগ্ন হৈ যায় এই পূজা মন্ত্ৰ-তন্ত্ৰৰ পটভূমিত।

বৰুৱা ঃ ভৰ আৰু ওজনৰ ক্ষেত্ৰত মযো কথাটো ভাবিছোঁ। নিউক্লীয় সংযোজন সাপেক্ষে ৰূপান্তৰৰ দৰে প্ৰাকৃতিক নিউক্লীয় বিয়োজন আৰু সংযোজনৰ ফলত নিউক্লীয় শক্তি হয়তো নিৰ্গত হয়। এনেদৰে ব্ৰহ্মাণ্ডজুৰি একক ৰূপান্তৰ শক্তিৰ ক্ৰিয়া-প্ৰক্ৰিয়া অবিৰতভাৱে চলি থাকে আমি বুজি নাপাওঁ। নিউক্লীয়াচ হ'ল প্ৰট'ন আৰু নিউট্ৰনেৰে গঠিত পৰমাণুৰ কেন্দ্ৰ (পৰমাণু গৰ্ভ) তথা কোষকেন্দ্ৰ। জীৱ দেহত থকা কোষকেন্দ্ৰৰ কাৰ্যই সকলো নিয়ন্ত্ৰণ কৰি আছে। এই ব্ৰহ্মকোষ কেন্দ্ৰৰ লগত জৈৱিক দেহৰ কোষকেন্দ্ৰৰ আকৰ্ষণ স্বৰূপ বিয়োজন বা সংযোজন ঘটি প্ৰতিভা শক্তিৰ সৃষ্টি, ৰূপান্তৰ আৰু হ্ৰাস-বৃদ্ধি হয় বুলি ভাবিব পাৰি। অসূয়া আত্মা হ'লে গধুৰ মলিয়ন বায়ুৰ দৰে পৃষ্ঠভাগতে ৰৈ যায়।

পতি-পত্নীৰ বা যুৱক-যুৱতীৰ আকৰ্ষণৰ কথা ভাবিলে ধনাত্মক আৰু ঋণাত্মক দিশত নিউক্লীয়াচৰ স্থিতি মৰ্মে (কোষ কেন্দ্ৰত) বৈদ্যুতিক ক্ষেত্ৰ, চুম্বক ক্ষেত্ৰ আৰু সৌৰশক্তিৰ পদাৰ্থ কণাৰ কথা মনলৈ আহে। প্ৰসংগক্ৰমে সূৰ্যৰ নিকটস্থ কৃষ্ণ পদাৰ্থ (Dark matter) আৰু আভ্যন্তৰীণ কৃষ্ণ পদাৰ্থৰ (Dark matter) সংযোজন বা বিয়োজনৰ কথা জড়িত হৈ পৰে। এই সকলো যেন অন্তহীন ক্ৰিয়া-প্ৰক্ৰিয়াৰ অন্তহীন প্ৰগতি সাপেক্ষে কৰা গৱেষণাৰ বিষয়। সূৰ্যৰ পোহৰে কেঁচুৱাৰ পুষ্টি সাধনত সহায় কৰে; শীতত এই পোহৰ ৰ'দত পানী গৰম কৰি কেঁচুৱাক গা ধুৱাই; ইয়ো কেঁচুৱাৰ পুষ্টিত সহায়ক হয়।

সূৰ্যৰ পোহৰ সৃষ্টিৰ পদাৰ্থ কণাই উদ্ভিদৰ শ্বেতসাৰ প্ৰস্তুত

কৰাত মুখ্য হৈ পৰে। তেনেকৈ জীৱৰ ক্ষেত্ৰতো আন বিভিন্ন ক্ৰিয়া-কলাপ থকাৰ ধাৰণা নুই কৰিব নোৱাৰি। মাত্ৰ ভাবিব পাৰি পতি-পত্নীৰ যৌন ক্ৰিয়াৰ বিচাৰত দেহৰ স্বৰূপ আৰু আত্মাৰ বিচাৰত প্ৰকৃতি স্বৰূপ। এটা নিত্য, আনটো অনিত্য। দুয়োৰে (নিত্য-অনিত্য) সমন্বয়তে দেহত প্ৰাণ-বায়ুৰ স্থিতি। নিত্য-অনিত্যৰ বিচ্ছিন্নতাৰ ধাৰণাটো প্ৰকাশ হৈ পৰে দেহ বিচাৰ গীতৰ এই কথাফাকিত—

'মৰিবৰে বেলা টানি বাহিৰ কৰে
ঘৰ চুৰা যাব বুলি।'

অৰ্থাৎ আত্মাটো ঘৰৰ ভিতৰত আবদ্ধ হৈ থকাৰ সন্দেহ, ইয়ো ঘৰখনত সুস্থ গতি লাঘৱ কৰিব পাৰে। আনটো হ'ল শবদেহটোৰ কাৰণে ঘৰটো চুৰা যোৱাৰ ধাৰণা পোষণ কৰা কাৰ্য। এই ধাৰণাটো অৱশ্যে আধুনিকীকৰণ কৰা হয়। টনা-আঁজোৰা কৰি জীৱটোক কষ্ট দিব নালাগে। আৰামত জীউটো ওলাই নিজে নিজে যাওক। ঘৰৰ ভিতৰ বা মুকলি ঠাই য'তেই নহওক জীউটো যাবই। কণীৰ বিন্ধাৰে বায়ু প্ৰৱেশৰ দৰে ভিতৰ-বাহিৰ হৈ মিলিবই। এক্সৰে দেহত প্ৰৱেশ কৰাৰ দৰে। এক প্ৰকাৰ চাপ (Impression) লোৱাৰ দৰে। দেহৰ চাপ (Impression) আত্মাই হয়তো পোহৰ হৈ লৈ যায় কঢ়িয়াই মৃত্যুৰ লগে লগে, হয় স্বৰ্গলৈ নহয় নৰকলৈ।

সেয়েহে নিত্য আৰু অনিত্যৰ সমন্বয়তে আছে সনাতন সৃষ্টি সত্য। আত্মাৰ যে লিংগ নাই ইয়ো এক সত্য। যি লিংগৰ দেহটো এৰি প্ৰাণ-বায়ু নাযাওক এই চাপহে কঢ়িয়াই লৈ যায়। সেয়েহে এই আত্মা স্বৰূপ প্ৰাণ-বায়ুৰ লিংগ নাই। গতিকে পৰমাত্মা পৰমেশ্বৰৰ লিংগ নাই। এয়া অব্যয় পুৰুষ। জল ৰূপে নাৰায়ণ , প্ৰকৃতিয়ে ভগৱান। সকলো শক্তিৰ পৰ্যবেক্ষণৰ স্থল, সকলো শক্তিৰ প্ৰাকৃতিক ঐক্যতানৰ দৰে মহাকৰ্ষণো যিহেতু এক শক্তি ইয়াৰো মৃত্যু নাই নাইবা বিনাশ নহয়। এই আত্মা পৰমাত্মাৰ দৰে ইয়ো অদৃশ্য।

আত্মাৰ যে বিনাশ নাই তাৰ সম্যক জ্ঞানৰ বাবে এটা উদাহৰণ মন কৰক— চিলিঙাৰ গেছত জুই সংযোগ কৰাৰ লগে লগে জ্বলি উঠে। এয়া কোনো বস্তুত পোহৰ পৰিলেহে ই বস্তুটোক দৃশ্যমান

কৰাই পোহৰৰ স্থিতি নিজে নিজে দৃশ্যমান হোৱাৰ দৰে। এনেদৰে মাতৃৰ ঔৰস পিণ্ডৰ কোষৰ স্থিতিত বায়ুস্থিত আত্মা বা আত্মা বায়ু নাইবা প্ৰাণবায়ু প্ৰৱেশ কৰি পিণ্ডটোত পোহৰাই নিজৰ স্থিতি জাহিৰ কৰে। গেছ শেষ হোৱাৰ লগে লগে জুই নিজে নিজে নুমাই যায়, তদ্রূপ আত্মাৰ প্ৰস্থান।

চৌধুৰী ঃ জানেই নহয়, অক্সিজেনৰ সহায়ত জুই জ্বলে। অক্সিজেন নহ'লে জুইশলাৰ কাঠি মাৰি থাকিলেও জুই নজ্বলে। ইন্ধন জ্বলাবলৈ হ'লে অক্সিজেন লাগিবই। এয়াই ঔৰস পিণ্ড আৰু ইয়াৰ গুণ ধৰ্মৰ বৈশিষ্ট্য। কণীৰ পৰা পোৱালি জন্ম হোৱাৰ দৰে উম লাগিবই। এয়াই সূৰ্য-বিষ্ণু-কৃষ্ণ-জল ৰূপে নাৰায়ণ জন্মৰ কাৰণ নহয় জানো?

বৰুৱা ঃ সেয়াইতো কথা, এয়া পৰম বায়ুমণ্ডল স্থিতিত মিহলি হৈ থকা পৰমাত্মা পৰমেশ্বৰক য'তে ত'তে যেতিয়াই তেতিয়াই লাভ কৰিব পাৰি। ইয়াৰ লিংগ যিহেতু নাই দ্বৈত নহয়, অদ্বৈত; একেশ্বৰ— এয়া একাত্মবাদ। এয়া কৃষ্ণই ৰাধা, ৰাধাই কৃষ্ণ; বিষ্ণুই লক্ষ্মী, লক্ষ্মীয়ে বিষ্ণু। চিৰপ্ৰবাহমান সনাতন ধৰ্মই সৃষ্টি কৰা জলৰূপে নাৰায়ণ, ভগৱানৰ দ্বাপৰ যুগত কৃষ্ণ অৱতাৰ। অনন্ত লক্ষ্মীৰ ৰাধাই হ'ল অৱতাৰ।

চৌধুৰী ঃ তাৰমানে জীৱদেহত কোষ সম্পূৰ্ণ ক্ষয় হোৱাৰ লগে লগে আত্মাৰ প্ৰস্থান হয়, এই জুই নুমোৱাৰ দৰে আৰু এই অদৃশ্য শক্তিয়েই হ'ল পৰমাত্মা। এনেদৰে পৰমাত্মিক শক্তি আৰু মহাকৰ্ষণিক শক্তিৰ সমন্বয়ে জীৱৰ লগত মিলি আকৃতি-প্ৰকৃতি তথা জীৱৰ বিকাশ নিৰ্ণয় কৰে? আয়ুসৰ ক্ষেত্ৰতো ই এক নিৰ্ভৰশীল প্ৰক্ৰিয়া। কোনো কোনো জীৱে জন্মতে পোৱা জ্ঞানৰ ইয়ে কাৰণ।

বৰুৱা ঃ অ' আপুনি কথাখিনি ঠিকেই ধৰিছে। আকৌ মোৰ গৃহিণীয়ে এনে গভীৰ কথা বুজাৰ অভাৱত তত্ত্বিলাক দ'কৈ আয়ত্ত কৰিব নোৱাৰে। সকলোৱে যেনেকৈ বুজে তেওঁ সেইখিনিয়েহে বুজে। তাৰ ভিতৰত যে আৰু কিবাকিবি অৰ্থ লুকাই আছে নক'লে নিজে নিজে বুজি ল'ব নোৱাৰে। আপুনি কিন্তু মোতকৈ বেছিহে আগবাঢ়ি যায় এনে দিশত।

যেনে চাওক, চহৰতো বানপানী, গাঁৱতো পানপানী; দেখাত

একেই বানপানী, অতি সহজে বুজি পোৱা কথা। ৰাইজে বুজি লৈ সান্ত্বনা লভিছে। কিন্তু দুই পানীৰ সমন্বয় ঘটাই কি গভীৰ উদ্দেশ্যৰ সাগৰ বিনা কষ্টে হাঁহিমাৰি সুবিধাবাদীয়ে পাৰ হৈ গ'ল তাক ৰাইজে বুজি নাপায়? পায়, উপায় হাতত নাই। এজনৰ দোষে পৰিয়ালটোক মাৰে; বহু পৰিয়ালৰ দোষে সকলোৰে মূধা ফুটায়। মুষলধাৰে বৃষ্টি নামে, গাঁৱৰ বানপানী চহৰৰ বানপানী দুয়োটা একাকাৰ হৈ মিলি পৰে। ঘৰৰ মূধাফুটা, নদীৰ মথাউৰিৰ দুৰ্নীতিৰ ফুটা, চহৰৰ নলা গাঁথা সকলোতে লোভৰ কুঁটা, আলাই-আথানিত পৰে জনতা।

বাৰু জন্মৰ পৰিপ্ৰেক্ষিতত চাওক, মাতৃ গৰ্ভত স্থাপিত উৎসৰ স্থিতিত কোণ আধানৰ স্থিতি, কি গুণ ধৰ্ম সেয়া Hygienic বিষয়ৰ বিচাৰ্য, কিন্তু এই স্থিতিত বৈ যায় সংগম সময়ৰ সুখ-দুখ, খং-ৰাগ, ক্ৰিয়া-প্ৰক্ৰিয়া, চিন্তা-ভাৱনাৰ আধাৰত উভয় লিংগৰ আত্মা মনৰ চাপ। লগতে পুৰুষানুক্ৰমে বাগৰি অহা দোষ-গুণ ৰোগ আদি। ধনাত্মক-ঋণাত্মক আধানৰ অতিৰিক্ত আধান নিৰ্ণয়কৰণ বিক্ৰিয়াটো টৰ্চৰ বেটাৰীৰ দৰে। বিজুলী উৎপাদকস্থলী। আনটো হ'ল মেঘৰ ঘঁহনিৰ ফলত সৃষ্টি হোৱা বজ্ৰপাতৰ দৰে বিসদৃশ আত্মাৰ মিলন। সাধাৰণ, অঙ্গখুঁত, সাধু, ন্যায়পৰায়ণ, মহান, মহামানৱ, মহাপুৰুষ, দস্যু-ডকাইত, ধৰ্মপ্ৰাণ, মানৱ হিতৈষী, সাহিত্যিক, কলাকাৰ আদি মানুহৰ জন্মৰ বংশগত গুণ-ধৰ্ম এনেদৰে জড়িত হৈ থাকে। বাহ্যিক পৰিৱেশৰ হেঁচাত হয়তো ডকাইত সাধু হয় আৰু সাধুও কিছু পৰিমাণে চুৰি প্ৰবৃত্তিত লিপ্ত হয়। কিন্তু জন্মৰ স্বাধীনতা উপভোগ কৰাৰ পৰিৱেশে সকলো প্ৰথাকে ওলট-পালট কৰি দিয়ে। নভবাকৈয়ে এনে মানুহ আকৌ নিজৰ পথলৈ ঘূৰি যায় প্ৰকৃত মানুহ হয়।

সচৰাচৰ দেখা যায় দুৰ্নীতিপৰায়ণৰ ক্ষেত্ৰত লোভৰ মাত্ৰা আৰু ধৰ্ষণকাৰীৰ ক্ষেত্ৰত কামভাবৰ উন্মত্ততা অধিক হয় পৰিৱেশ সাপেক্ষে। এনে জন্মভেদে প্ৰেমৰ উৎপত্তি আৰু পৰিৱেশ ভেদে ইয়াৰ মাত্ৰা নিৰ্ণয় হয়।

চৌধুৰী : ৰ'ব, প্ৰেম বোলোতে মোৰ কথা এটা মনত পৰিছে। যেনে আত্ম প্ৰেম, সমাজ প্ৰেম বা প্ৰীতি, দেশপ্ৰেম, পৃথিৱী প্ৰেম তথা মানৱ

প্ৰেমৰ কথা। এনে মানৱ প্ৰেমৰ পৰশ লাভ জন্মৰ স্থিতিৰ আত্মাৰ মিলন ক্ষণতে হয়; ইয়াৰ কাৰণে সুপুৰুষক ক্ষণ জন্মা বুলি কয়। নহয় জানো?

বৰুৱা : হয়, কিন্তু পৰিৱেশৰ প্ৰভাৱ প্ৰণিধানযোগ্য। পৰিৱেশৰ আৱশ্যকতাই এনে পুৰুষৰ মন অতিকৈ ধাৱমান কৰে নিৰ্দিষ্ট Mission এ।

চৌধুৰী : ৰ'ব, মই ক'ব বিচাৰিছোঁ যে বিজ্ঞান মানৱ কল্যাণমুখী আশীৰ্বাদ স্বৰূপ হোৱা আৰু ৰাজনীতি মানৱ হিতৰ পথপ্ৰদৰ্শক হোৱাৰ কথা। কাৰণ দুয়োটাতে লাগে মানৱ প্ৰেম সাপেক্ষে গৱেষণামূলক বিচক্ষণতা। এটা আৱিষ্কাৰমুখী বৈজ্ঞানিক চিন্তাধাৰা আৰু আনটো ৰাজনীতিকসকলৰ বৈজ্ঞানিক সিদ্ধান্ত ল'ব পৰা মনৰ ধাৰণা। এনে ক্ষেত্ৰত ৰাইজৰ প্ৰতি সেৱা আগবঢ়োৱাৰ ইচ্ছা মৰ্মে মনত জাগি উঠা উৎসাহ লোভৰ পৰিপন্থী হোৱাহে আচল মানৱ সেৱাৰ কথা। সেয়েহে পৰিৱেশৰ প্ৰভাৱৰ ক্ৰিয়াৰ মাত্ৰাই অধিক হোৱা দেখা যায়।

বৰুৱা : প্ৰকৃত প্ৰেম উদয় হয় এনে চাপ আৰু আকৰ্ষণযুক্ত আধান ক্ৰিয়াৰ অন্তিমৰ পিচত। তেতিয়া মা-পিতা, ভাই-ভনী, অঙহী-বঙহী, চিনাকি-অচিনাকি সকলো এক হৈ মানৱতাৰ মঞ্চত থিয় হয়, এয়ে বিশ্ব প্ৰেমৰ নমুনা। চেতন শক্তি (Conscious power) যি প্ৰাণীৰ দেখা নাযায় তাতো এনে প্ৰেম দেখা যায়। এটা কাউৰী বিজুলী তাঁৰত লাগি মৰিলে জাক জাক কাউৰীয়ে দুখ কৰে।

চৌধুৰী : আপুনি জন্মৰ জীৱতত্ত্বৰ লগত বাস্তৱ জীৱনৰ যি সম্পৰ্ক তত্ত্ব আৰু মনস্তত্ত্ব স্থাপন কৰি দেখুৱালে সহজেই বুজিব নোৱাৰি। আপোনাৰ চিন্তাৰ আঁত ধৰি মোৰ মনটো এটা উপলব্ধি হ'ল যে শুদ্ধ আত্মা স্থিত মনে ভৱিষ্যতৰ ঈঙ্গিতো অনুভৱ কৰিব পাৰে। আপুনি কোৱাৰ দৰে আত্মাই দেহত থাকি যি প্ৰৱণতা গ্ৰহণ কৰে ইন্দ্ৰিয়ৰ সহায়ত আঁতৰি যাওঁতে তাৰেই চাপ লৈ গৈ থাকে আৰু আহি থাকে। এনে আত্মিক সংস্কাৰত— Novelti is repeation ৰ দৰে ভৱিষ্যৎ ক'ব পাৰে?

বৰুৱা : চাওক, আক্ষৰিক জ্ঞান আৰু ধ্যান-ধাৰণাৰে উপলব্ধি কৰি পোৱা জ্ঞান পৃথক। আক্ষৰিক তথা তথ্যপূৰ্ণ জ্ঞান বিজ্ঞান সন্মত আৰু

পৰ্যবেক্ষণ জাতীয়। উপলব্ধিৰে ঈশ্বৰৰ অদৃশ্য শক্তিক চলাথ কৰিব বিচৰা জ্ঞানৰ বাতাৱৰণ নৈসৰ্গিক, বিশ্বাস আৰু ধ্যান জাতীয়। ইয়াত তথ্যৰ বাতাৱৰণ নাই আৰু যি আছে প্ৰকৃতি জাতীয় পৰিঘটনাৰ সম্যক আভাস। হাতেৰে খেপিয়াই নোপোৱা ঈশ্বৰক জীয়াই ৰাখে অন্তৰ্দৃষ্টি শিপাই; বিশ্বাস, ধ্যান-ধাৰণা, উপলব্ধিৰ সাৰ-পানীৰে, প্ৰকৃতি সত্বাৰ গছডালৰ ছাঁত। শেষত বিজ্ঞানতে সামৰণি পৰে।

এনে অদৃশ্য ভগৱানক যিকোনো ৰূপ, যিকোনো আকাৰ, যিকোনো শক্তি বা শক্তিৰ প্ৰতীক, যিকোনো বস্তু প্ৰতিমাতে উপলব্ধি কৰিব পাৰি। এনে দিশতে পিতৃ-মাতৃয়ে ঈশ্বৰৰ ৰূপতহে সন্তানৰ সেৱা পৰিগ্ৰহ কৰে।

চৌধুৰী ঃ অন্ধই গাখীৰ কেনেকুৱা বুলি সোধা প্ৰশ্নৰ উত্তৰৰ দৰে নোক?

বৰুৱা ঃ হয়, প্ৰায় তেনেকুৱাই।

চৌধুৰী ঃ উত্তৰত অন্ধজনক যে কোৱা হৈছিল 'গাখীৰ বগলীৰ দৰে বগা' বুলি। সি আকৌ বগলী কেনেকুৱা জানিব বিচৰাত তাৰ হাতখন বগলীৰ ডিঙিৰ দৰে ভাঁজ লগাই দিয়াত সি চুই চাই কৈছিল--- 'গাখীৰ ইমান দীঘল'।

বৰুৱা ঃ সেয়া চাওক, ৰামকৃষ্ণ পৰমহংসই আদ্যা শক্তিৰ প্ৰতীক কালীৰ ৰূপতেই বিচাৰি পাইছিল ঈশ্বৰৰ স্থিতি। কথোপকথন হৈছিল কালীৰ মুখেৰে। অৰ্থাৎ ধ্যানৰ বলেৰে কালীক মূৰ্ত কৰিব পাৰিছিল। এয়া বাস্তৱ হয়নে নহয় বুজা যিমান কঠিন, ধ্যানমগ্ন ভাবেৰে ঈশ্বৰৰ আশিস লাভ কৰিব পৰা কাম সাধাৰণ মানুহৰ কাৰণে সিমানে কল্পনাৰ অতীত। সেয়ে ৰামকৃষ্ণ পৰমহংসক মানুহে প্ৰথম অৱস্থাত পাগল বুলি ধৰি লৈছিল। এনেদৰে দাৰ্শনিক চিন্তাৰে নৰেন্দ্ৰই স্বামী বিবেকানন্দ হৈছিল।

চৌধুৰী ঃ ৰ'ব, শিক্ষিত, জ্ঞানী, চিন্তাবিদ, দাৰ্শনিক, বৈজ্ঞানিক, সাহিত্যিক, কলাকাৰ আদিৰ পৰিপ্ৰেক্ষিতত কথাটো এনেকুৱা নেকি 'যি মুলা বাঢ়ে তাৰ দুপাততে চিন'— The morning shows the day.

বৰুৱা ঃ এই কথাটো বুজিবলৈ হ'লে লক্ষ্য কৰিবলগীয়া দিশটো হ'ল -- এটা এবছৰীয়া শিশুৰ আগত কেইটামান বস্তু দি বুজা।

প্ৰথমতে— হাতেৰে চুব পৰাকৈ খোৱা সামগ্ৰী— কোনটো লাৰে-

চাৰে, কোনটো মুখত দিয়ে আৰু কোনটো দলিয়ায়।
দ্বিতীয়তে— খেলৰ সামগ্ৰী, ব্যৱসায়ৰ আহিলা।
তৃতীয়তে— শিক্ষাৰ আহিলা আৰু টকা।
চতুৰ্থতে— মহান, মহৎ, ভগৱান, বিদ্বান, ধনী, গৰীৱৰ ছবি।
পঞ্চমতে— সাহিত্যিক, বুদ্ধিজীৱী, শিল্পী, বৈজ্ঞানিক, বিপ্লৱীৰ ছবি।
ষষ্ঠতে— দস্যু, ডকাইত, হাই-কাজিয়া আৰু ধাৰ্মিকৰ ছবি।

এইকেইটা পৰীক্ষাৰ পৰা প্ৰকাশ পাব আত্মাৰ স্থিতি সম্পৰ্কীয় বংশগত গুণ (Inborn tendency) তথা জন্মগত প্ৰতিভা। এই কাৰণেই কয়— The early years of life are the years of flowing of self.

চৌধুৰী : আপুনি কথাবিলাক ধ্যানমগ্নভাৱত (Meditatively) চিন্তা কৰে। সেই কাৰণে ভাববিলাক আপোনাৰ চিন্তাৰ পৰিধিত ধৰা দিয়ে, আপুনি ভাবক খেদিব নালাগে। যেনেকৈ ভক্তৰ মনোবাঞ্ছা পূৰণ কৰাৰ কাৰণে ভগৱান নেদেখাকৈ কাষত বৈ থাকে, ভক্তই খেদি যাব নালাগে। He (God) helps him in a spiritual voice or in a divine tune.

বৰুৱা : আপোনাক বহুত ধন্যবাদ যে আপোনাৰ প্ৰশ্নই মোক চিন্তাৰ বাট মোকলাই দিয়ে। এয়া একান্ত সাধনাৰ কথা; অৰ্থাৎ ঈশ্বৰত মনৰ সংযোগ — এক যোগ সাধনা।

চাওক, যোগ চাৰিটা, প্ৰথমতে ধ্যান যোগ, দ্বিতীয়তে জ্ঞান যোগ, তৃতীয়তে কৰ্ম যোগ আৰু চতুৰ্থতে ভক্তি যোগ। পৱিত্ৰ জীৱাত্মা জন্মসূচী হ'লে এই চাৰিটা যোগৰ যি কোনো এটাতে ঈশ্বৰৰ আশিস স্বৰূপ আধ্যাত্মিক বাণী নাইবা ঐশ্বৰিক সুৰেৰে আশিস লাভ কৰিব পাৰে। এই আশিস এক স্বৰ কম্পন; শান্ত-শীতল পৰিবেশত গভীৰ উপলব্ধি হ'লে অনুভূত হয়।

যুগ চাৰিটাতে (সত্য, ত্ৰেতা, দ্বাপৰ, কলি) ক্ৰমানুসাৰে পৰিবেশ অনুযায়ী যোগ চাৰিটাৰ সহায়ত ঈশ্বৰ সাধনা প্ৰবাহ চলে। যোগ চাৰিটাৰ ধাৰাবাহিকতাই সময় সোঁতত সমাজৰ প্ৰগতিও সূচায়। ইয়াৰে ধ্যান যোগ হ'ল নীৰৱ নিৰ্জন ঠাইত যেনে— বন-বননি, পাহাৰ-পৰ্বত তথা পৰ্বতৰ পাদদেশত কৰা ঈশ্বৰ সাধনাত জীৱন

যাতনাৰ উপায় বিচৰা। ইয়াৰে আদি ঋগ্‌বেদৰ মন্ত্ৰ বা পদ সম্বলিত হ'ল প্ৰথম বেদ, এই বেদ প্ৰথমতে ব্ৰহ্মাৰ পৰা দেৱতাসকলে আৰু ঋষিসকলে পায়; পূৰ্বতে ঋষিৰ মুখত আছিল এই বেদ, শিষ্যসকলে তেওঁলোকৰ মুখৰ পৰা শুনিছিল; সেয়ে ইয়াৰ নাম শ্ৰুতি। ব্যাসদেৱে তিনিভাগ কৰি লিখিলে— এয়া ঋগ্‌বেদ, যৰ্জুৰ বেদ, সামবেদ; পিচত অথৰ্ব বেদ আহি পৰে। জ্ঞান যোগত সংসাৰতে নিমজ্জিত হৈ থাকি ভোগ বিলাসৰ মাজত যাগ-যজ্ঞ, পূজা-অৰ্চনা আদি বিভিন্ন বাস্তৱ পৰিৱেশৰ শোধন সংস্কাৰ মৰ্মে ঈশ্বৰ সাধনা কৰা। যৰ্জুবেদ— পূজা, মন্ত্ৰ, শাস্ত্ৰ (দ্বিতীয় বেদ)। জ্ঞান কাণ্ড আৰু কৰ্মকাণ্ড ইয়াত জড়িত।

তৃতীয়তে কৰ্মযোগত নিজক বিচাৰি চোৱাৰ চেপাহে মনত ক্ৰিয়া কৰিববৈলে লয়। ধাৰণাটো এনে ধৰণৰ যে জীৱন থাকিলে সংসাৰ থাকিব; সংসাৰ চলিব লাগিলে কৰ্ম কৰিব লাগিব। বননিত ধ্যান কৰি থাকিলে, যাগ-যজ্ঞ পূজা-পাতল ঈশ্বৰ প্ৰাৰ্থনাতে মন দি থাকিলে সংসাৰ নচলে। সংসাৰ চলিব লাগিলে কৰ্ম অনিবাৰ্য। কৰ্ম বোলোতে সৎ-অসৎ বিচাৰ বা ভাল-বেয়াৰ ধাৰণা মনত ওপজিবৰ কাৰণে আত্ম বিচাৰ লাগিব। আত্মা বোলোতে আহিল আকৌ পৰমাত্মা পৰমেশ্বৰৰ কথা। এনেকৈয়ে কৰ্মৰ মাজেৰে আহি পৰে ঈশ্বৰ উপলব্ধি। লগতে কৰ্ম আৰু ধৰ্ম দুয়োটাৰে মাজত গঢ়ি উঠে ওতপ্ৰোত সম্পৰ্ক। এয়া সামবেদ— তৃতীয়।

চতুৰ্থতে ভক্তি হ'ল সংসাৰৰ মাজতে থাকি সৎ সংগৰ লগত মিলিজুলি ঈশ্বৰ সেৱা ভক্তি কৰি জীৱন মুক্তি সম্ভৱ কৰি তোলা।

এয়া ঈশ্বৰ প্ৰাৰ্থনাৰ সৰলীকৰণ— মুক্ত ভক্তি- Free devotion to God. 'হাতে কৰা কাম, মুখে বোলা ৰাম'। ভক্তৰ আন এটা শাখা হ'ল বৈৰাগী বা কেৱলীয়া। জীৱন আছে, ভক্তি আছে, সংসাৰ দৃষ্টি নাথাকে অৰ্থাৎ সংসাৰ নকৰি ভক্তিকে সাৰোগত কৰি সৎ সংগৰ মাজত 'সত্ৰ'ত থাকি জীৱন নিৰ্বাহ কৰা।

চৌধুৰী : মহপুৰুষ মাধৱদেৱে তেওঁৰ 'নামঘোষা'ত কোৱা নিষ্কাম ভক্তি এই যে কৈছে—

মুক্তিতো নিস্পৃহ যিটো সেহি ভকতক নমো

ৰসময়ী মাগোহো ভকতি।
সমস্ত মস্তক মণি নিজ ভকতৰ বৈশ্য
ভজো হেন দেৱ যদুপতি।।

বৰুৱা ঃব্ৰহ্মাৰ মানস পুত্ৰ বীণা যন্ত্ৰৰ স্ৰষ্টা এই যে নাৰদ মুনিয়ে নিজেই নিজৰ জীৱনটো 'নিষ্কাম ভক্তি'ৰ উদাহৰণ হিচাপে দাঙি ধৰিছে; কৰ্ম হ'ল বীণা বজাই ঘূৰি ফুৰা আৰু লক্ষ্য আৰু উদ্দেশ্য হ'ল ঈশ্বৰৰ জয়গুণ গাই নিষ্কাম ভক্তি প্ৰদৰ্শন কৰা। পূৰ্ব জন্মৰ ইচ্ছা পূৰণেই সাব্যস্ত কৰিছে।

আপুনি নিজেও দকৈ ভাবিলে বুজিব যে দুহাতৰ কৰ্মৰ আধাৰত যেনেকৈ ধাননি পথাৰত সোণ জিলিকে, গভীৰ ধ্যান-ধাৰণাত বিশ্ব ব্ৰহ্মাণ্ডৰ প্ৰকৃত স্বৰূপ সহ অন্তৰ্নিহিত শক্তি প্ৰতিভাত হয়। ধূলিকণা আকাশত উৰে আৰু সূৰ্যৰ পোহৰত আলোকিত হৈ পৰে; তেনেকৈ বায়ুকণা স্বৰূপ আত্মাৰ আধানো (জ্যোতিকণা ৰূপ) পৰমাত্মাৰ (পৰমজ্যোতিকণা ৰূপ) বেষ্টনীত (বায়ুমণ্ডলত) ভাঁহি ফুৰে। আৰু মহাজ্যোতি বিন্দু পৰমেশ্বৰৰ মহোজ্জ্বল ৰূপৰ আভাত উদ্ভাসিত হয়। পৰমেশ্বৰৰ মহাজ্যোতি বিন্দুৰ স্থান সূৰ্যৰ তথা সৌৰজগতৰ ওপৰত। পৰমাণু গৰ্ভ তথা কোষকেন্দ্ৰৰ দৰে এয়া মহাজাগতিক শক্তি কেন্দ্ৰ। চাওক, আন্ধাৰত ধূলিকণাৰ অস্তিত্ব বুজিব নোৱাৰাৰ দৰে শুদ্ধ আত্মাৰে গভীৰ ধ্যান-ধাৰণা নকৰিলে এই মহোজ্জ্বল ৰূপৰ আভাস অনুভৱ কৰিব নোৱাৰে। সৌৰজগতৰ নিকটস্থ আৱিস্কৃত বা অনাৱিস্কৃত যিমান নক্ষত্ৰ বা গ্ৰহ, উপগ্ৰহ, তৰা আদি আছে সকলো প্ৰকৃতিৰে অন্তৰ্গত। ইয়াৰ ভিতৰত কোন সময়ত, কোন গ্ৰহত, কেনে জীৱ-জন্তু, চৰাই, পৰুৱা, পতংগ আদিৰ তথা উদ্ভিদৰ সৃষ্টি, বৃদ্ধি আৰু ক্ষয় হৈছিল বা কিমান যুগ বাগৰি কিমান অগ্ৰগতিৰ অন্তত ধ্বংস হৈছিল অনাগত দিনত হয়তো বুজিব পৰা হ'ব বিজ্ঞানৰ জৰিয়তে।

নাৰদ ঋষি, মানুহে টুটুকীয়া নাৰদ বুলি কয়, কৃষ্ণৰ অন্তৰংগ বন্ধু ঘূৰি ফুৰে তেওঁৰেই এনে উজ্জ্বল আভাৰ বেষ্টনীত চিৰ হাঁহি মুখেৰে (Ever green humour)। এয়া সৎ-চিত-আনন্দ-সচ্চিদানন্দ।

এয়াই নাৰদ মুনি, নাৰদ ঋষি, নাৰদ দেৱৰ্ষি শুদ্ধ আত্মাৰ প্ৰতীক। এনে সন্দৰ্ভতে স্মৰ্তব্য যে তেওঁ দাসী পুত্ৰ হৈয়ো ভক্তিৰ বলত ব্ৰহ্মাৰ মানস পুত্ৰ হৈ অৱতাৰ লোৱা বুলি ব্যাসক ব্যক্ত কৰিছে। লগতে উল্লেখ্য যে জ্ঞাতেই হওক বা অজ্ঞাতেই হওক ভগৱানৰ ৰহস্য ভেদ কৰাৰ তাড়নাতে বৈজ্ঞানিক প্ৰভাৱ— 'আৰু নমঃ ভগৱতে বাসুদেৱায়' নামে আৰম্ভ কৰা শ্লোকটোৰ আচলত ধৰি 'কৃষ্ণস্তু ভগৱান স্বয়ং' বোলা ধাৰণাত ওলাই পৰে। কাৰণ, ব্ৰহ্মাৰ (কোনো অৱতাৰী পুৰুষ) হৃদয়ত যি বৈদিক জ্ঞানৰ উদয় হৈছিল, সেয়া প্ৰকৃতিৰ বায়বীয় (ভগৱান বাসুদেৱৰ) সুৰৰ মূৰ্চ্ছনাৰ কৰ্ণগোচৰ সাপেক্ষেহে সম্ভৱ হৈছিল। তেওঁক কোনোৱে নাজানে, তেওঁৰ বায়বীয় বাতাবৰণৰ জৰিয়তে সকলো জ্ঞাত হৈ পৰে আৰু সৃষ্টি, স্থিতি, লয়ৰ কাৰণ বিচাৰিলে বৈজ্ঞানিক প্ৰভাৱেই প্ৰতিভাত হয়।

চৌধুৰী ঃ নাৰদ আৰু কৃষ্ণৰ মাজৰ সম্পৰ্কটো আমাৰ যে ওজাপালিৰ ওজা দাইনাপালি আছে তেনেকুৱা নেকি? দুয়োজনাৰ মাজত যে কাহিনী ভাগ উদাহৰণসহ শ্ৰোতাক বাস্তৱ জীৱনৰ সাক্ষী কৰি ঘটনাক্ৰমে দাঙি ধৰে। নে শুনামতে পঢ়া নাই, অগ্নি পুৰাণৰ বক্তা অগ্নি আৰু শ্ৰোতা বশিষ্ঠৰ দৰে? অষ্টাদশ পুৰাণৰ অন্যতম, এই পুৰাণৰ অগ্নি কাৰ্যকে ধৰি প্ৰধানকৈ প্ৰলয়, সৃষ্টি প্ৰকাৰণ, দেৱ প্ৰতিষ্ঠা, নৰক বৰ্ণন, প্ৰায়শ্চিত্ত বিধি, তীৰ্থাদি মাহাত্ম্য, জ্যোতিষ, আশ্ৰমবিধি, দীক্ষা, ধৰ্ম, নীতি, পূজা পদ্ধতি, সন্ধ্যা-বিধি, ধনুৰ বেদ, আয়ুৰ বেদ, ছন্দ, শব্দানুশাসন, ব্ৰহ্ম জ্ঞান আদি প্ৰতিপাদ্য বিষয় দাঙি ধৰিছে। ইয়াৰ আঁত ধৰিয়েই সময় প্ৰবাহে সমাজত গতি লৈ আহিছে।

বৰুৱা ঃ ইয়ে বৌদ্ধিক বিকাশ আৰু মানসিক উৎকৰ্ষতা সাধনত সহায়ক হৈ আহিছে। ইয়াত অগ্নিৰ নামত এক ব্যক্তি আৰু বশিষ্ঠও আন এক ব্যক্তি। দুয়োজনৰ নামত এই কথাবোৰ সমাজ কল্যাণাৰ্থে উপলব্ধি মৰ্মে দাঙি ধৰাটো বেদব্যাস দেৱৰ্ষিৰ কৃষ্ণ-অৰ্জুনক উপস্থাপনা কৰাৰ দৰে হৈছে।

চাওক, ওজাই জনাৰ দৰে ভগৱান শ্ৰীকৃষ্ণই সকলো জানেই, সেই জনা কথাটোই শ্ৰোতা-দৰ্শকক লক্ষ্য কৰি পাৰ্থিৱ দিশত নাৰদে

বুজাই দিয়ে। বৰ্তমান, ভূত, ভৱিষ্যৎ আৰু দোষ-গুণ হাঁহি মাৰি, ইঙ্গিতেৰে বা ব্যংগ ভাবত কথাবিলাক অৱগত কৰে। নাৰদৰ কাম হ'ল ব্যংগ প্ৰকাশেৰে সকলোকে সম দৃষ্টিৰে কথাবোৰ দাঙি ধৰি মহৎ উদ্দেশ্য সিদ্ধি কৰা। তেওঁ নিজে সকলোতে উদাসীন। অৰ্থাৎ আত্মজ্ঞানী বাবে খং, ৰাগ বাদেই নিজৰ বুলিবলৈ একো প্ৰৱণতাই নাই। ৰাসায়নিক বিক্ৰিয়াৰ অনুঘটক, নিজে কিন্তু নিষ্কণ্টক।

চৌধুৰী ঃ আমি যে নিজৰ অন্যায় নকৰিলেও কাৰোবাক বেয়া পাওঁ আৰু কাৰোবাক সাধাৰণ হ'লেও অন্যায় কৰা সত্ত্বেও বেয়া ভাব ল'বলৈ টান পাওঁ, একোজন এনে অদ্ভুত ধৰণৰ মানুহ আছে যিয়ে কি নীতিত চলে, কি ভাল পায়, কি বেয়া পায়, মুঠতে কেনে মানুহ বুজিব নোৱাৰি। হঠাৎ দেখিব অতি ভাল মানুহ; অলপ পিচতে বুজিব সেই একেজন মানুহৰে বেলেগ প্ৰকৃতি। বন্ধুজনৰ লগতো খঙত জ্বলি-পকি উঠিছে। কোনোজনৰ লগত আপোচ কৰোঁ বুলিয়েই আকৌ বিপৰীত হৈ গৈছে। ইয়াৰ অন্তৰালত কি কথা থকা বুলি ভাবে? আৰু চাওক, কোনোজনে কোনো কাৰণত কোনোজনক খং কৰি বুজিব দিয়ে যে তেওঁ তেওঁক খং কৰিছে, ধৰক— পতি-পত্নী। আনজনে বুজিব দিয়ে যে তেওঁ সিজনৰ খঙক গুৰুত্ব দিয়া নাই। উভয়ৰে শান্তি নাহে। আনহাতে খং কৰাজনে যদি ভাবে যে সিজনে তেওঁ খং কৰা বুলি জানিলে দুখ পাব, তেওঁ খংটো নিজে মৰিষণ কৰিব; ইজনে জানিলে বুজিব দিব যে তেওঁৰ খঙৰ কাৰণে তেওঁ নিজেই দায়ী, উভয়ে শান্তি পাব।

বৰুৱা ঃ এয়া সকলো আত্মজ, বাহ্যিক দৃষ্টিৰ লগত অন্তৰ্দৃষ্টিৰ প্ৰভাৱ মৰ্মে যি কৰ্ম কৰে সেই অনুসাৰে ফলাফল নিৰ্ণয় হয়। দুৰ্নীতি, ডকাইতি আদি কৰি বা খুজি-মাগি ভালপোৱা— এটা অভাৱ, আনটো স্বভাৱ; ঘৰত বহুত বস্তু থাকিলেও আনৰ বা দুখীয়াৰ পৰা সাধাৰণ বস্তু এপদকো চুৰি কৰি অনা; মানুহক ঠগি, বিপদত পেলাই বা আঘাত কৰি মৃত্যু ঘটাই মাৰি ভালপোৱা, আলিবাটত গাত খান্দি আৰোহীক গাতত পেলাই হাঁহিমাৰি ভালপোৱা, বন্ধুজনৰ লগতে কোনো কথা খং উঠি গালি দিয়া প্ৰবৃত্তি জন্মৰ স্থিতিৰ লগত আত্মাৰ ধৰ্ম বিষয়ক কথা।

এয়া In born and out born tendency ৰ সমন্বয়ত গঢ় লৈ উঠা স্বভাৱৰ ফচল। কাৰোবাৰ স্বাভাৱিক, কোনোজনৰ গোটেই অস্বাভাৱিক।

ইয়াতেই নিৰ্ভৰ কৰে আনধৰণৰ কথও, যেনে— নিজক নাটিলেও আনক খুওৱাৰ ইচ্ছা; আনে বেয়া ধৰণৰ কথাৰে মনত আঘাত দিলেও নিজে আনক বেয়াকৈ ক'ব নোৱাৰা বা কম বুলি গৈ পিচুৱাই অহা আদি সকলো কথা আত্মজ।

চৌধুৰী : ৰ'ব, নাৰদৰ কথা যে ক'লে Ever green state ত থকা, তেওঁৰ হাঁহিৰ পৰা আন লাভৱান হয়নে নহয় বুলি ভাবে?

বৰুৱা : এইটো আমি সকলোৱে জানো যে ভগবান শ্ৰীকৃষ্ণ আনন্দময়, অৰ্থাৎ তেওঁৰ হাঁহি ইচ্ছা কৰি হঁহা হাঁহি নহয়। এয়া Sponteneous overflow of powerful humour existed in the heart and soul নেমেলা মুখৰ স্বতঃস্ফূৰ্ত ওঁঠৰ হাঁহি।

চৌধুৰী : এই যে কয় সত্যম শিৱম সুন্দৰম, সত্যই সুন্দৰ, সুন্দৰেই শিৱ; এনে দিশতে দূৰ অতীতৰ পৰা এচামৰ বিশ্বাস চলি আহিছে যে শিৱই একমাত্ৰ ভগৱান। প্ৰাচীন শিৱ মন্দিৰৰ সংখ্যাও লেখত ল'বলগীয়া।

বৰুৱা : এয়া সৎ-চিত-আনন্দ-সচ্চিদানন্দৰ দৰে শুদ্ধ আত্মাৰ মানুহজন হাঁহিৰে ভৰা; এয়া হাঁহিভৰা মানুহজনৰ লগত হাঁহি থকা মানে অশুদ্ধ আত্মাৰ শোধন হোৱা। হাঁহি যদি বেঁকা হয়, ওঁঠৰ পদুমপাহি মেল নাখায় প্ৰকৃত হাঁহি নহয়, হাঁহিৰ দৰে কথাও বেকা। চিধা কথা ক'ব পৰাটো শুদ্ধ আত্মাৰ লক্ষণ। সাহসী মানুহেহে চিধা কথা সত্যৰ আলমত ক'ব পাৰে।

সেয়েহে অশুদ্ধ আত্মাৰ মানুহজনে যদি কু-পৰিৱেশত বেয়া অভিজ্ঞতা অৰ্জন কৰি অসৎ বুদ্ধিত চোকা বা তীক্ষ্ণ হয়, তেওঁৰ লগত থকা মানুহজন নিজে নিজেই অসৎ হৈ পৰে; যিমানেই সততা বজাই ৰাখিবলৈ চেষ্টা নকৰক। তেনেদৰে ভালে ভালক বা বুজাই বুজাক লগলাগিলে অতি মধুৰ সম্পৰ্ক গঢ়ি উঠে— সৎ সংগ হয়। সততাই ঈশ্বৰ ভক্তিৰ উৎসৰ দৰে কাম কৰে। হঁহি হাঁহি কাম কৰা পৰিৱেশত থাকি ভাল হোৱা, ৰাম নামে ৰত্নাকৰ দস্যু শোধন হোৱা আদি

মনস্তাত্ত্বিক কথা। এয়া মনোবিজ্ঞান, কাণ্ডাৰীৰ সহায়ত এই মানসিক পৰিৱৰ্তন আহে।

সৎ সংগৰ (ভক্তৰ) ঈশ্বৰ চিন্তাৰ স্থান হ'ল সত্ৰ আৰু নামঘৰ। এয়া মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ উদ্ভাৱিত, মানুহৰ জন্ম অধিকাৰ সুৰক্ষা কৰিব পৰা মুকলি ধৰ্মীয় স্থল। জীৱন নিৰ্বাহৰ সকলো দিশৰেই খৰচি মাৰি আলোচনা কৰাৰো আহল-বহল ঠাই। ইয়াত পাৰ্থিৱ সুখ-সম্ভোগৰ মাজত থাকি সৎ পথেৰে গৈ ভগৱানক সেৱা কৰি জীৱন মুক্তি লাভ কৰিব পাৰে। এয়াই ঈশ্বৰ ভক্তি, য'ত 'মহাভাৰত'ত উল্লেখিত বিদুৰৰ ভাত সাঁজৰ সুখো আছে আৰু আধুনিক যুগৰ কৰ্ম উদ্যমৰ মাজত থাকি প্ৰগতিৰ নিচান উৰাব পৰা মুকলি মনৰ মুক্ত অধিকাৰৰ পথো জিলিকি আছে। এয়া কৰ্ম আৰু ভক্তি টকাটোৰ ইপিঠি সিপিঠি। দুৰ্বল স্থিতিৰ চেক লাগিলে কোনো পিঠিয়ে নুঠে চকুত জিলিকি।

লগতে বৈৰাগী বা কেৱলীয়া ফৈদটোৰ ফালে চকু ফুৰাওক। দেখিব, It is a devotion to God of nothing out of nothing এই ভক্তৰ সংসাৰ, বিয়াবাৰু, ল'ৰা-ছোৱালী-তিৰোতা একো নাই। মানৱ কল্যাণৰ কাৰণে সমাজত জঁপিয়াই পৰি নিজক উচৰ্গা কৰাৰ হেঁপাহৰো উমান পোৱা নাযায়। এয়া কেৱলীয়া ভক্ত— They want nothing more except Bhakti alone. যদি মানুহ বা ভৱিষ্যৎ বংশধৰ নালাগে ঈশ্বৰক প্ৰশংসা-স্বীকৃতি দিব কোনে? প্ৰকৃতিৰ ফচল উপভোগ কৰিবই বা কোনে?

চৌধুৰী ঃ ঠিকেই ভাবিছে আপুনি, আমি ল'ৰা-ছোৱালী-তিৰোতা, অঙহী-বঙহী, ইষ্ট-কুটুম্বৰ মাজত থাকি দাঁতে-ওঁঠে লাগি দুখ পাওঁ। কিন্তু আনন্দও উপভোগ কৰোঁ, এইটো দিন-ৰাতিৰ দৰে। কিন্তু বৈৰাগী বা কেৱলীয়া ভকতৰ বাস্তৱ আৰু সাংসাৰিক দিশ তেনেই দুৰ্বল হোৱাহেতু জীৱন প্ৰবাহৰ কোনো উদ্যমেই মনত ক্ৰিয়া কৰাৰ থল নাই।

মই সৰু হৈ থাকোঁতে 'মা'ই কোৱা শুনিছিলোঁ— 'ভালে পায় ভাল, জাবৰ-জোঁথৰে পায় খাল'। সাধাৰণভাৱে তেতিয়াই ভাবিছিলোঁ ভাল মানে কথা-বতৰা, ব্যৱহাৰ-আচৰণ, পঢ়া-শুনা আদিত

ভাল; কাৰো লগত হাই-কাজিয়া নকৰা, সকলো কথা সহজ আৰু সমভাৱে ল'ব পৰা, কাজিয়াৰ জটিলতা এৰাই চলা, গুৰু-গোসাঁই মনা, ডাঙৰক শ্ৰদ্ধা-ভক্তি কৰা আদিত ভাল— অৰ্থাৎ শিষ্টাচাৰী, এনে ভালৰ সদায় ভাল হয় আৰু ইয়াৰ বিপৰীতে বেয়াৰ বেয়াই হয়।

বৰুৱা : এতিয়া আৰু নতুনকৈ কি বেছি বুজিবলৈ চাইছে।

চৌধুৰী : আপোনাৰ লগত আলোচনা-বিলোচনা হোৱাৰ পিচত ধাৰণা অলপ বেলেগ হৈছে।

বৰুৱা : কি বেলেগ?

চৌধুৰী : বেলেগ মানে, আধ্যাত্মিক দিশত উৎকৰ্ষতা সাধন হোৱা-নোহোৱা সম্পৰ্কে। য'ত সৎ কামত থাকি ঈশ্বৰ সেৱা কৰিলে শুভ হয় আৰু দুস্কৃতিকাৰীক দুৰ্গতিত পেলাই বুজিব দিয়ে যে তেওঁৰ ওপৰতো কোনোবা আছে।

বৰুৱা : আপুনি সৰুতে ভাবি থোৱা ভালটোৱে আধ্যাত্মিক দিশতো আগবাঢ়ি থাকে, ইয়ো আত্ম শক্তিক বলীয়ান কৰে।

চাওক, Truth is God যেনেকৈ হয়, তেনেকৈ Service to man is the service to God হয়। মানৱ সেৱাই ঈশ্বৰ সেৱা। ইয়াৰ লগত আৰু এটা মানৱতাৰ পথত খোজ দিয়াৰ বাট আছে, এয়া হ'ল সমতা আৰু ন্যায়-নীতিৰ বাট। কিয়নো জন্মতে সকলো সমান, সেয়ে এই তিনিগুণৰ সমাহাৰে আত্মাত স্থিতি লয়। যাৰ হৃদয় অনুভূতিত এই তিনিগুণ থাকে সি সকলোতে ন্যায় কামেই কৰে। আপুনি ভবা ভাল মানে ব্যৱহাৰ, আচৰণ, স্বভাৱ-চৰিত্ৰ সকলোতে ভাল আৰু বেয়া মানে এই তিনিগুণৰ বিপৰীত। সেয়েহে ভালৰ সকলো কামতে সৰ্বসিদ্ধ। অৱশ্যে দুখ-কষ্ট আছে, যেনে— পাণ্ডৱসকল আৰু বেয়াৰ সকলোতে অনৰ্থ আৰু শেষত ধ্বংস; যেনে কৌৰৱসকল। চকুৰ আগত আমি বহুত কৌৰৱ পাণ্ডৱ দেখি থাকোঁ। বহুতে কয়, বেয়া কৰিলেও দেখোন ভাল হয়, পিচে সেই ভালটো বুজিবলৈ সময় লাগে।

প্ৰকৃততে বেয়া বা অসূয়াৰ পাৰ্থিৱ সুখৰ লোভত অসৎ কামত লিপ্ত হোৱাৰ হেঁপাহ প্ৰবল হয়। আৰু জীৱনৰ শেষ পৰ্যায়ত বেয়াকৈ

জীৱন-যাতনা ভোগে। মানুহেই নহয় জীৱ-জন্তু, চৰাই-চিৰিকটি, কীট-পতংগ সকলো প্ৰাণীৰে শেষৰ জীৰ্ণ-শীৰ্ণ, দুৰ্বল অৱস্থাৰ জীৱন এক নিঃসহায় অৱস্থা; কৰুণ আৰু মৰ্মন্তুদ জীৱন। সৎ-অসৎ, মানুহ-অমানুহৰ যেন এক পৰীক্ষা হয় এই সময়ত। এই সময়ত যাৰ আত্মজ শক্তি প্ৰবল সিহে শেষ মুহূৰ্তলৈকে সবল হৈ থাকে। জীৰ্ণ-শীৰ্ণ অৱস্থা বা মুমূৰ্ষু অৱস্থাতো আত্মিক বলে স্থিৰ কৰি ৰাখে মনটো। এতিয়া বুজিলেনে? ব্যৱহাৰ আদিত ভাল হ'লে আত্মিক উন্নতিও লাভ হয়।

চৌধুৰী ঃ আপোনাৰ কথা এতিয়াহে হৃদয়ংগম কৰিবলৈ যেন সমৰ্থ হৈছোঁ। এটা উদাহৰণ মনলৈ আহিল দেখোন— এঘৰ মানুহে এহাল ধুনীয়া বলধ গৰুৰে হাল বাই খেতি কৰি, গাড়ীৰে মালবস্তু টানি বহুত ধন-সম্পত্তি আৰ্জিলে। গৰুহাল জ্ঞানী বুলি মনত ধাৰণা এটা পোষণ কৰিবলৈও সমলৰ অভাৱ নহ'ল। কাৰণ চোতালত আঠু কাঁড়ি ঘূৰি ফুৰা ল'ৰা-ছোৱালীক অন্যায় নকৰাকৈ খোজ দি গধূলি গৃহস্থ নাথাকিলেও গোহালি ঘৰ সোমাই এই গৰুহাল। এনে মৰমৰ লক্ষ্মী গৰুহাল বুঢ়া হ'লেও নিবিকে, মৰিলে নিজৰ কান্ধত তুলি পেলাব। গ'ল কথা গ'ল।

গৰুহাল বুঢ়া হ'ল। গোহালি, চোতাল পনীয়া গোবৰেৰে যেন গোবৰ পানীৰ দ'ম হ'ল। গৰুহাল ফালণ্ডিক বিক্ৰী কৰাৰ দিহা কৰিলে পুতেকে। মাক-দেউতাককো বাটঘৰটোৰ এটা দিশত বেৰ দি শোৱনি কোঠা সাজিলে। বিক্ৰীৰ সময়ত দেউতাকে টোকান ধৰি ওচৰলৈ আহি ঠেঙত হাতখন দি সেৱা এটা জনাই বিদায় দিবলৈ ল'লে। মনতে ভাবিলে, 'তহঁতক কথা দি ৰাখিব নোৱাৰিলোঁ, লগে লগে দুধাৰি চকুলো দুগালেদি বাগৰি গ'ল। চকুলো মচি আকৌ ভাবিলে, 'তহঁতো বুঢ়া আমিও বুঢ়া-বুঢ়ী; তহঁতৰ-আমাৰ আজি একেই বিলাই; কোনে কাক কৰিব দায়ী'। বুঢ়ীয়ে আন এখন ঠেঙত সেৱা জনাই ক'লে, 'যেতিয়া আছিলোঁ খিৰতী গাই সকলোৱে বুলিছিল আই, এতিয়া হ'লোঁ নেজগোবৰী গোহালিতো নিদিয়ে ঠাই।'

পিচদিনা কীৰ্তন এখন যোগাৰ কৰি কাষৰ ঘৰৰ মানুহ এজনক পঢ়াৰ কাৰণে মাতিবলৈ গৈ ক'লে, 'গোটেই জীৱন কৰ্মতে থাকিলোঁ

মজি, ঈশ্বৰৰ নাম ল'বলৈ নাপলোঁ আহৰি। এতিয়া বুঢ়া হ'লোঁ, বলধ হালেও গ'ল এৰি, মূল শোৱনি ঘৰৰ পৰও পৰিলোঁ বাগৰি; এতিয়া ঈশ্বৰ ভক্তিকে ল'ম সাৰথি কৰি। শেষ বয়সৰ ধৰ্মই যে কৰ্ম এতিয়া বুজিলোঁ আৰু বুজিলোঁ কৃষ্ণৰ কীৰ্তনে জাতি-অজাতি নাবাছে লগতে শেষতহে ঠেকি ঠেকি শিকিলোঁ যে ঈশ্বৰ ভক্তিত বাদে সকলো অসাৰ। সকলো স্বাৰ্থপৰ। ঈশ্বৰ ভক্তিহে জীৱনৰ সাৰ।'

চাওক, বৈষ্ণৱ ধৰ্মতো সেই একেই কথা—

অথিৰ ধন জন জীৱন যৌৱন
অথিৰ এহি সংসাৰ
পুত্ৰ পৰিবাৰ সবেও অসাৰ
কৰিব কাহাক সাৰ।

বৰুৱা : কি ক'ব, লোভে মানুহক যেতিয়া আক্ৰমণ কৰে মনেই হাতে-ভৰিয়ে বান্ধি মাৰে। তেতিয়া ক্ৰোধ আৰু কামভাবে লগলাগি দূৰতে সৎ সমতা, মানৱতাক আঁতৰ কৰে। এনেদৰে কাম, ক্ৰোধ, লোভ এই তিনিও লগলাগি অসতৰ ৰছীৰে সকলো লুভীয়াক বান্ধি ৰাখে আৰু আন্ধাৰৰ জয়যাত্ৰাত ভৰি দিয়ে।

সতে সতক হাত বাউলি মাতে আৰু সতেও সৎ সংগ দেখি অন্তৰভৰা হাঁহি মাৰি সহযোগ কৰে। এনেদৰে ধাৰ্মিকে ধাৰ্মিকক দেখি আগবাঢ়ি অহাৰ দৰে, শুদ্ধ আত্মাক পিতৃ লোকৰ পৰা শুদ্ধ আত্মাই আৰু অশুদ্ধ আত্মাক নীচ লোকৰ পৰা অশুদ্ধ আত্মাই চুম্বকৰ আকৰ্ষণৰ দৰে টানে।

এনেদৰেই অসতে এটা অসূয়া কামৰ পিচত আন এটা অসূয়া কাম কৰি গৈ শেষত এন্ধাৰতে চকুযোৰো হেৰায়। খেপিয়াই খেপিয়াই আগবাঢ়ি যায়, গোটেই জীৱনতে ৰাতি নুপুৱায়। সুখ লাভ কৰিব পৰা তাৰ এয়া দুখৰ হাহাকাৰ নহয়। এয়া দুখৰ বাবে দুখৰ অন্তহীন হাহাকাৰ। হিমচেঁচা দেহত হাত বুলাই পোৱা মৃত্যুৰ হাঁহাকাৰ তাৰ।

চৌধুৰী : বাৰু, শুদ্ধ বা মুক্ত আত্মাবিলাক পিতৃলোক স্তৰত বৈ থাকে; পৃথিৱীৰ প্ৰয়োজনত নামি আহে নেকি বাৰু? কি ভাবে আপুনি?

বৰুৱা : হয় আহে, একোটা মহৎ কাম লৈ আহে। শ্ৰীমদ্ভাগৱত গীতাত কৈছে

দেখোন—

যদা যদাহি ধৰ্মস্য গ্লানি ভৱতি ভাৰত।
অভ্যুত্থানম ধৰ্মস্য তদাত্মনং সৃজাম্যহম।।
পৰিত্ৰানায় সাধুনাং বিনাচয় চ দুষ্কৃতম।
ধৰ্ম সংস্থাপনাময় সম্ভাৱামি যুগে যুগে।।

যেতিয়াই ধৰ্মৰ গ্লানি হয়, অধৰ্মৰ প্ৰাদুৰ্ভাৱ হয়, ব্যভিচাৰ হয়, স্বয়ং ভগৱানেই মানুহ অৱতাৰ লৈ অধৰ্মৰ বিনাশ ঘটাই ধৰ্ম স্থাপন কৰে। ঠিক তেনেদৰে আকৌ পৱিত্ৰ আত্মাবিলাকে পৰমাত্মাৰ বেষ্টনীৰ পৰা পৃথিৱীৰ প্ৰয়োজনত একোটা নিয়োজিত কাম লৈ পৃথিৱীলৈ নামি আহে আৰু সেই কামটো পূৰ্ণ হোৱাৰ লগে লগে আকৌ মৃত্যুৰ বাটেৰে স্ব পৱিত্ৰ স্থানলৈ গমন কৰে। এয়া এক জীৱন সংকল্প।

চৌধুৰী ঃ শ্ৰীমন্ত শংকৰদেৱেও সংসাৰখনক, 'এ ভৱ গহন বন' বুলি উল্লেখ কৰিছে। মানুহে সংসাৰখনত হৰিণাৰূপী হৈ মায়াত আবদ্ধ থাকে; জন্মৰূপী ব্যাধৰ চিকাৰৰ বলি হ'ব ল'গা কথা নাজানে। এই মায়াজাল ফালিবলৈ হ'লে ভগৱানৰ চিন্তাকে 'সাৰ' বুলি ধৰি জন্ম হ'লে এদিন মৃত্যু হ'বই। এই চিৰন্তন সত্যকে সাৰোগত কৰি স্বাৱলম্বী হৈ নিয়োজিত কামটো সংকল্প অনুসাৰে পূৰ্ণ কৰাৰ বাবে জীৱৰ জীয়াই থকাৰ হেঁপাহে প্ৰকৃত জীৱন নহয় জানো?

বৰুৱা ঃ দৰাচলতে গছৰ গুৰিৰ পৰা উঠি গৈ জ্ঞানফল খাবলৈ ল'লে খোৱাৰ হেঁপাহ বাঢ়ি যায় ক্ৰমশ; খাই মানে পেট নভৰয়। আধাপেটি গছৰ পৰা নামি আহিবলৈ মন নাযায়। এয়া হ'ল জ্ঞানফল ভোগ কৰাৰ হাঁহাকাৰ— জীৱন সুখ লাভৰ বাবে। ব্যাসদেৱৰো এনে হাঁহাকাৰৰ বিলাই হৈছিল, লিখি লিখি থাকি লিখাৰ হেঁপাহ নপলায়। অৰ্থাৎ লিখি থাকিলেও সিদ্ধান্ত পোৱা নাছিল, যেতিয়ালৈকে শ্ৰীমদ্ভাগৱতৰ পূৰ্ণ পৰ্যায় চুমিব পৰা নাছিল।

'জন্মিলে মৰিবই' এই চিৰন্তন সত্যকে মানি ল'ব নোৱাৰি গান্ধাৰীয়ে পুত্ৰৰ মৃত্যুৰ একমাত্ৰ কাৰণ কৃষ্ণ গোসাঁই বুলি মৰ্মান্তিক শোকত অভিভূত হৈ অভিশাপ দিছিল তেওঁৰো ব্যাধৰ হাতত মৃত্যু হ'ব বুলি। সদৌ শেষত সেয়ে হ'ল। অৱতাৰী হৈয়ো মানুহ হিচাপে

জন্ম, জীৱন মৃত্যুৰ বাটেৰে পাৰ হৈ গ'ল ভগৱান বিষ্ণুৰ ধামলৈ। অৰ্থাৎ নিজৰ স্থানলৈ।

গতিকে দেখা যায় কৃষ্ণৰ ভৰিৰ তলিখনক চৰাই ভাবি ব্যাধে শৰ কৰাটো এক নিমিত্ত কাৰণ। প্ৰকৃততে তেওঁৰ প্ৰয়োজন শেষ। অৰ্থাৎ যি Mission লৈ পৃথিৱীত পদাৰ্পণ কৰিলে সেই কামটো পূৰ্ণ কৰি মৃত্যুৰে বাটেৰে ঈশ্বৰধামলৈ গ'ল।

এনেদৰেই দক্ষিণ আফ্ৰিকাৰ শ্বেতাংগ আৰু কৃষ্ণাংগৰ বৈষম্যই মহাত্মা গান্ধীৰ মনৰ সুপ্ত Mission জগাই তুলিছিল। ই প্ৰতিফলিত হৈছিল ইংৰাজসকলে ভাৰতীয়ৰ ওপৰত চলোৱা অত্যাচাৰ আৰু অমানুষিক নিৰ্যাতনে সীমা চেৰাই যোৱা দৃশ্যত। প্ৰাপ্য অধিকাৰৰ পৰা বঞ্চিত কৰা কাৰ্যই মনৰ দৃঢ়তাৰ অগনিত যেন ঘি ঢালিছিল। স্বাবলম্বী হোৱাৰ কাৰণে যি পথ গান্ধীয়ে লৈছিল তাত সততা, সমতা আৰু মানৱতাই বিৰাজ কৰিছিল। কাকো অন্যায়, হিংসা, কিম্বা বাধা নিদিয়াকৈ নিজে নিজেই ভাল হোৱাৰ সুগম পথ লৈছিল। এই পথ স্বাধীনতা লাভ কৰাৰ নিশ্চিত পথ। এই পথ নিস্বাৰ্থ প্ৰেমৰ মানৱ মুক্তিৰ পথ। চল, বল, কল, কৌশল কৰি নেতা হ'ব পাৰে, কিন্তু এই নিস্বাৰ্থ প্ৰেমৰ পথ অনুসৰণ কৰাৰ সাহস গোটাব নোৱাৰে।

চৌধুৰী ঃ প্ৰকৃততে ক'বলৈ গ'লে জন্ম সূত্ৰে প্ৰত্যেকৰে থকা জন্ম অধিকাৰৰ বিষয়ে ভাবিবলৈ পৃথিৱীৰ প্ৰত্যেক মানুহৰে এটা মুকলিমুৰীয়া মন লাগে। এই মন সহোদৰ ভাতৃৰ অধিকাৰ আৰু ভাতৃপ্ৰেমৰ প্ৰতি সচেতনতাৰ তুল্য। কিন্তু ইয়াৰ অভাৱত বাস্তৱতে ঘৃণাৰ ভাবহে ওপজে মনত। মই এটা নিজ চকুৰে দেখা উদাহৰণ দাঙি ধৰিম— বুজিব পিচ পৰা শ্ৰেণী কিয় পিচুৱাই যায় আৰু ঘৃণা (Hatred) কিয় বাঢ়ি যায়।

এজন মানুহৰ তিনিজন ল'ৰা। তনু, মনু আৰু চানু। তাৰ দেউতাকৰ বহুত খেতি মাটি আৰু ঘৰ-দুৱাৰ আছিল। মাছ-পুঠি, শাক-পাচলি, গাখীৰ আদিৰে উভৈনদীকৈ চলিছিল। নতুনৰ কোনো চিন্তা-ভাবনা কৰাৰ অৱকাশ নাছিল। ছোৱালী হোৱা হ'লে তেতিয়াৰ দিনত অৱহেলা কৰাৰ এটা সুযোগ পালেহেঁতেন। তিনিওজন যিহেতু ল'ৰা, পঢ়া-শুনাৰ কথা আহিল; ইঘৰ-সিঘৰৰ ল'ৰাক দেখি পোছাক-

পাতিৰ নতুন ফেশ্বন আহিল আৰু খোৱা-লোৱা আদি জিভাৰ নতুন জুতি আহি পুৰণিক বিদায় দিবলৈ ল'লে। গান-বাজনা, গীত-মাত, থিয়েটাৰ-ভাওনা আদিৰ মনোৰঞ্জনৰ কথাই আন বহুতৰ দৰেই সিহঁতৰো কাণৰ পৰ্দা ল'ৰালে। মুঠতে সকলো দিশতে সময় সলনি হ'ল। সময়ৰ নতুন বা লাগি সিহঁতৰো মন নাচি উঠিল।

কিন্তু পুৰণিকলীয়া আৰ্থিক দিশটো উঁৱলি থাকিল। নতুনৰ লগত খাপ খুৱাবলৈ আৰ্থিক দিশ উন্নত কৰাৰ বাবে কৰ্তব্যৰ প্ৰতি আগ্ৰহ নজন্মিল আৰু প্ৰগতিৰ নতুন পোহৰেও যেন বঞ্চিতহে কৰিলে। বুঢ়া গৰুহালেৰে কি কৰিব? মানুহজনৰো আলাই-আথানি নোহোৱা হ'ল। হ'ব খোজে সকলো আধুনিক, আৰ্থিক দিশ হৈ থাকিল পৌৰাণিক। মানুহজন এদিন বিছনাতে মৰি থাকিল। পুতেকহঁতে চকুৰে সৰিয়হ ফুল দেখিলে, যিখিনি আছে তাকো টাঁহি-মুহি খোৱা অৱস্থা।

উপায়ান্তৰ হৈ ডাঙৰ পুতেক তনুৱে খেতি-বাতি কৰাৰ মানেসেৰে হালৰ মুঠিত ধৰিলে। মনুৱে কিছুদূৰ আগবাঢ়ি গৈ পঢ়া বন্ধ কৰি সৰুসুৰা ব্যৱসায়ত নামিল। চানুই দুয়ো ভায়েকৰ সহায়ত পঢ়ি-শুনি এটা চাকৰি কৰিলে। মাকেও ইহসংসাৰৰ পৰা চিৰ বিদায় ল'লে। সঘনাই তিনিওৰে মাজত কাজিয়া লগাত গাঁৱৰ মুখিয়াল আহি ঘৰ-মাটি-বাৰীৰ ভাগ-বাটোৱাৰা কৰি দিলে। উপায় নাপাই তনুৱে দিন হাজিৰাত লাগিল। মাহ. বছৰ কৰি দিনবোৰ বাগৰি গ'ল। ইতিমধ্যে তনু আৰু মনুৰ বিয়াও হৈ গ'ল। সময়ত কোনেও কাকো লগ ধৰাৰ আহৰি নোপোৱা হ'ল।

চানুৰ বিয়াত সি তনুক ক'লে যে আনৰ ঘৰত সি যিহেতু হাজিৰা কৰে তাৰ বিয়াৰ দিনকেইটা তাৰ ঘৰতে হাজিৰা কাম কৰক। সি দিনহাজিৰা ঠিকেই দিব। তনুৰ মূৰত সৰগ ভাগি পৰিল। সি নভবাকৈয়ে তাৰ সহোদৰ ভাই তাৰ পৰা বহুদূৰলৈ গুচি গ'ল। ভ্ৰাতৃপ্ৰেমে মিলা-প্ৰীতিৰে গঢ়িবলগা প্ৰগতিত ঘুণপোকে ধৰিলে। সুবিধাবাদীক সুবিধা লোৱাৰ কাৰণে সুবিধা কৰি দিবলৈ চেষ্টাৰ ত্ৰুটি যেন নকৰিলে। স্বাৱলম্বী হোৱাৰ বাটতহে ত্ৰুটি-বিচ্যুতিয়ে ধৰা দিলে।

বক্তা : ইংৰাজসকলেও ব্ৰিটিছ পলিচীৰে ভাৰতীয় মানুহৰ মনৰ ভিতৰৰ পৰা বহু ভিতৰলৈ সোমাই পৰি দকৈ খোপনি পুতিলে। সত্য, সমতা আৰু অহিংসাৰ অমোঘ অস্ত্ৰেৰে অন্যায়ৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিলে মহাত্মা গান্ধীয়ে। জন্ম অধিকাৰ ৰোধ কৰাৰ কাৰো অধিকাৰ নাই। এই অধিকাৰ সাব্যস্ত কৰাই আছিল গান্ধীৰ জীৱনৰ সংকল্প। এক নিয়োজিত কাম; এয়াই জীৱন Mission. ভাৰত স্বাধীন হোৱাৰ লগে লগে তেওঁৰ লক্ষ্য আৰু উদ্দেশ্যৰ সামৰণি পৰে গুলীৰ আঘাতত হোৱা মৃত্যুৰ লগে লগে। সংবাদ মাধ্যমৰ পৰা জনা গ'ল যে ব্ৰিটিছ ইতিহাসৰ অব্যক্ত ফাঁকেৰে আজি গান্ধীৰ মৃত্যুৰ ছয় দশক পিছত মাটি ফাটি ভুঁইকঁপ ওলোৱাদি ওলাল যে গান্ধীক বিষ দি মৃত্যু ঘটোৱাৰ চেষ্টা চলিছিল।

চাওক, ঈশ্বৰৰ নামত এচামে আন এচামৰ ধৰ্মীয় অজ্ঞতা তথা জন্ম অধিকাৰৰ সম্যক জ্ঞান নথকাৰ সুযোগ লৈ নিজ সুবিধা আদায় কৰি থকাৰ ফলত দুই চামৰ মাজত স্বৰ্গ-মৰ্ত্য প্ৰভেদ দৃশ্যমান হৈ পৰে। তৎসত্বেও নিজক বিচাৰি চোৱাৰ হেঁপাহৰ সলনি জন্মকে সাৰোগত কৰি চলি থাকি এক মজ্জাগত অৱহেলিত পৰম্পৰাৰ বোজা হৈ ৰ'ল। শেষত এই সুবিধাবাদীৰ মুখ খোল খোৱাৰ কাৰণে তথা জন্ম অধিকাৰ প্ৰদৰ্শন কৰাৰ প্ৰয়াসেৰে ভগৱান শ্ৰীকৃষ্ণই গুৱালৰ ঘৰত থাকি সেই লক্ষ্য আৰু উদ্দেশ্য পূৰণ কৰে। লগতে পাণ্ডৱৰ খৰ্ব হোৱা জন্ম অধিকাৰ পুনৰ উদ্ধাৰ কৰি গুচি যায় ইহধামৰ পৰা।

আব্ৰাহাম লিংকনৰ কথা সকলোৱে জানে। তেওঁৰো এক জীৱন Mission যেই আছিল; এয়া আছিল নিগ্ৰোসকলৰ মুক্তি। তেওঁৰ এই সুপ্ত Mission জগাই তুলিছিল ১৯ শতিকাৰ মাজত আমেৰিকাৰ কিছুমান ৰাজ্যত থকা দাস প্ৰথাৰ প্ৰচলনে। নিগ্ৰোসকলৰ মুক্তি লিংকনৰ আছিল যেন এক জীৱন সংকল্প-জীৱন পণ।

যথাৰ্থতে, এক কথাত ক'বলৈ গ'লে সেই যুগ মানুহে মানুহক দাসত্বৰ ক'বলৰ পৰা মুক্তি দিয়াৰ যুগ। কিয়নো দাস বেপাৰীবোৰে আফ্ৰিকাৰ পৰা বনৰীয়া জন্তু ধৰি নিয়াৰ দৰে নিগ্ৰোবোৰ ধৰি আনি গৰু-ছাগলীৰ দৰে বজাৰত বিক্ৰী কৰিছিল। নিগ্ৰোক 'নিগাৰ' বুলি

কোৱা আৰু পোহনীয়া জন্তুৰ দৰে জ্ঞান কৰাই নহয়; কেতিয়াবা নিগাৰ এটা পলাই গ'লে প্ৰশিক্ষণপ্ৰাপ্ত প্ৰকাণ্ড কুকুৰ পুলিচ বাহিনীৰে ধৰাই নিয়াই নহয়, মাৰি পেলোৱা হৈছিল। 'নৰহত্যা মহাপাপ' বা আইনমতে দোষণীয় কাম বোলাৰ পৰিৱেশ নাছিল বা দণ্ডনীয়ও নহৈছিল। সমতা নীতিৰ অভাৱত ভগৱানো যেন বিতুষ্ট হৈ আব্ৰাহাম লিংকনক পঠাইছিল নিগ্ৰো মুক্তিৰ বাবে আৰু সেই উদ্দেশ্য পূৰণ হোৱাৰ লগে লগে গুলীৰ নিমিত্ত কাৰণত স্বৰ্গ ধামলৈ গৈছিল। একে উদ্দেশ্যেৰে কালমাৰ্ক্সে ৰাছিয়াত সাম্যবাদৰ অভ্যুত্থান ঘটাইছিল।

চৌধুৰী ঃ এনে সাম্যবাদৰ লক্ষ্যৰে শ্ৰীমন্ত শংকৰদেৱে এক মানৱ ধৰ্মৰে কঠীয়া সিঁচি সৎ, সমতা আৰু মানৱতাৰ জন্ম অধিকাৰ দাঙি ধৰি ইহসংহাৰৰ পৰা চিৰ বিদায় লৈছিল। দুৰ্গতসকলৰ কল্যাণাৰ্থে মাদাৰ টেৰেছাইয়ো সেই একে Mission লৈ আহি পূৰ্ণ কৰি গুচি যায়। এনে প্ৰসংগতে এটা দুখৰ কথা বাৰে বাৰে মনলৈ আহে।

বৰুৱা ঃ কি দুখৰ কথাহে, হঠাতে মনৰ গতি সলনি হোৱা যেন দেখুৱালে যে।

চৌধুৰী ঃ সলনি নহয়, গতানুগতিকহে। চাওক, প্ৰত্যেক জাতিৰ উচ্চ-নীচ, জাতি-জনজাতি যিয়েই নহওক, শতকৰাক শতকৰাই বিবেকৱান-বিবেকহীন, তীক্ষ্ণ বুদ্ধি সম্পন্ন-বুদ্ধিহীন, প্ৰতিভাৱান-প্ৰতিভাহীন নহয়, উচ্চ জাতিৰ হাৰ উচ্চ আৰু নিম্ন জাতিৰ হাৰ নিম্ন হয়তো নগৰ-চহৰৰ পাৰ্থক্যৰ দৰে। কিন্তু এনে প্ৰতিভাক আঘাত কৰি ব্যক্তি স্বাৰ্থক অগ্ৰাধিকাৰ দিয়াত পিচপৰা শ্ৰেণী পিচ পৰিয়েই থাকিল। শোষণকাৰীয়ে নহয়, উচ্চ-নীচ উভয়ৰে ব্যক্তি স্বাৰ্থকেন্দ্ৰিক খেলটোৱে কৰা এনে নেটৱৰ্কৰ দৰে কামটোৰ বাবে প্ৰধানকৈ দায়ী। জাতিক উপস্থাপনা কৰি নিজৰ সুবিধা লভাৰ বাবে জাতিকে শ'লঠেকত পেলায় যাতে ধন ঘটাৰ সুবিধা হাতৰ পৰা এৰা দিব নোৱাৰে। দুৰ্বলী লোক স্বাৱলম্বী হোৱাৰ পথত এয়ে প্ৰধান অন্তৰায়। ইয়াৰ অস্ত্ৰ দুপাত— এপাত ৰাজনীতি, আনপাত সম্প্ৰদায়নীতি। ইয়ে কোনো অৱতাৰী লোক পৃথিৱীলৈ অহাৰ সংকেত দিয়ে। কথাতে কথা ওলায় বোলে, 'অজ্ঞানীক জ্ঞান দি মনে পায় কষ্ট, বাঁহ-খোৱা ভাঙি ডিমা

কৰে নষ্ট', তেনেকৈ অজ্ঞানীক অজ্ঞানীৰ বিপৰীতে উচটনি দি সমাজ প্ৰীতি কৰে ধ্বংস।

বৰুৱা : ৰ'ব, যদি প্ৰকৃতপক্ষে শ্ৰমৰ ভয়তে কৰ্মবিমুখিতাত মুখ থেকেচা খাই জ্ঞানৰ পোহৰবো আগ্ৰহ নাই, তাৰ পৰা পৰিত্ৰাণ পোৱাৰ কোনো উপায় আনে দিব নোৱাৰে। নিজে নিজে দৃঢ় মন, ঐকান্তিক চেষ্টা আৰু আত্মপ্ৰত্যয়ৰে আগবাঢ়ি যাব লাগিব। দৰিদ্ৰৰ গোটেই অৱস্থাটো মৎস ক্ৰয়ৰ গল্পৰ দৰে হৈছে। এচামে পুৰণি বোপা-ককাৰ বৃত্তিটোৰ মোহ এৰিব পৰা নাই আৰু আন এচামে নতুনৰ সন্ধানত জীৱন বিচাৰি ওলাই আহিছে, কিন্তু তাৰো চেষ্টা ত্ৰুটিপূৰ্ণ।

দৰাচলতে ভাবিলে ওলাই পৰিব যে যদি কৰ্ম ত্ৰুটিপূৰ্ণ, চিন্তাধাৰা ত্ৰুটিপূৰ্ণ আৰু বৈজ্ঞানিক সিদ্ধান্তৰো অভাৱ লগতে মানুহবোৰো সোৰোপা হয়, অলসতাই আগভাগ লয় তাত কিভাৱে বিৰাজ কৰিব পাৰে পূৰ্ণ স্বাৱলম্বিতাৰ প্ৰকৃত স্বৰূপ।

চৌধুৰী : স্বাৱলম্বী হ'বলৈ হ'লে প্ৰথমে মনটো শুদ্ধ, পবিত্ৰ আৰু কৰ্মতৎপৰ হ'ব লাগিব অৰ্থাৎ আত্মপ্ৰত্যয়ী। সেয়া চাওক, ধৰ্মৰ নামত দুৰ্নীতিৰ প্ৰশ্ৰয় লোৱা, মঠ-মন্দিৰত মিছা কোৱা বা ভাগৱত-গীতাখন হাতত লৈ সঁচা কম বুলি শপত খাই মিছা কোৱাও একে কথা। এইটো ধৰ্মৰ ফালৰ পৰা Informal cheating আৰু তেনেদৰে পতি-পত্নীয়ে মিছা কথা কৈ ইজনে-সিজনক লুকাই-চুৰ কৰা, আনকি বস্তু ইপদ-সিপদ আনক দিয়া, নিজ যৌন অভিৰুচি পূৰ্ণ কৰিব বিচৰা আৰু এটা সময়ত চৰিত্ৰহীন হৈ পৰপুৰুষ বা পৰস্ত্ৰীৰ প্ৰতি প্ৰেমাসক্ত হৈ একপ্ৰকাৰ বলিয়া হৈ পৰা আৰু আনকি নিজৰ সন্তানকো এৰি যাবলৈ বিচৰা সুবিধাও পিছলি যাব নিদিয়াকৈ সযত্নে ধৰি ৰখা, কাজিয়া-মাৰপিট কৰা আদি হ'ল Formal cheating. অৰ্থাৎ প্ৰতিজ্ঞা ভংগ, হোমাগ্নি সমাজ সাক্ষাতে কৰা অংগীকাৰ স্ব-ইচ্ছাই ভংগ কৰা কাম, সমাজৰ ক্ষতিকাৰক।

গতিকে এই স্বামী-স্ত্ৰীক আইনেৰে হাত-ভৰি বান্ধিব লগা হ'ল। তেতিয়া মনৰ কষ্টৰে ঘৰৰ ভিতৰতে চট্‌ফট্‌াই থাকিল। দুয়োজনে কষ্ট কৰি হিয়াৰ সাঁফৰখন বন্ধ কৰি ৰাখিব লগা হয়। সেয়েহে নিজক

নিজে সান্ত্বনা লভিব পৰা পৰিৱেশৰ সৃষ্টি নিজৰ হাততে। এয়া হ'ল ত্যাগ; তেতিয়া বহুত হাঁহিয়ে হুঁহুৱাব ঘৰখনক। কোনো সাঁফৰে হিয়াৰ বাট আগচি ধৰিব নোৱাৰে। ঘৰখন এখন শিক্ষানুষ্ঠান হ'ব, স্বামী-স্ত্রীৰ ধর্মীয় সম্পর্কই মন্দিৰৰ ৰূপ দিব। উভয়ে ত্যাগৰহে দাস, জেদ ভাবৰ বশ নহয়।

বৰুৱা ঃ কি কম, আপোনাৰ Understanding Power-High; এই High understanding এটা শুদ্ধ আত্মাৰ লক্ষণ। শুদ্ধ আত্মাৰ মানুহৰ অন্তর্দৃষ্টিত বহু কথাই আগতীয়াকৈ আহি কাণত অনুৰণন তোলে।

চৌধুৰী ঃ হেৰি, মোক ইমান ওপৰলৈ উঠাই নিদিব। গৰ্বই লভিলে সকলো খৰ্ব হৈ দুয়োৰো বাটত এন্ধাৰে ৰাজত্ব কৰিব। কোনেও কাকো বিচাৰি নাপাম।

বৰুৱা ঃ শুদ্ধ আত্মাস্থিত মানুহৰ কাম, ক্রোধ আৰু লোভ এই তিনি অনৰ্থৰ বাট বন্ধ। এনে মানুহৰ বেয়া দিশটো বা কামটো Over look হয়। যেনে— চাওঁ বোলোতে পাৰ হৈ গ'লোঁ, কি হ'ল একো দেখা নাপালোঁ।

চাওক, আপুনি ঠিক কথাই উপলব্ধি কৰিছে। মহৎ, মহান, সিদ্ধ পুৰুষ, মহাপুৰুষসকলে প্ৰথমে নিজক আত্মাস্থিত কৰি লয় আৰু আত্মপ্ৰকাশত ধৰে; তাৰ পিচত ইয়াৰ ৰূপ ঘৰখনত প্ৰতিবিম্বিত কৰে আৰু এই পোহৰে সমাজ, দেশ তথা পৃথিৱীক আলোকিত কৰে। এয়া যি পৰিচয় গঢ়িলে ইয়ে মৃত্যুৰ পিচতো অমৰ কৰি ৰাখে। এই সূক্ষ্ম পোহৰ চাকিগছি কোনোদিনেই নুমাই নাযায়; বৰং সময়ে সময়ে দপদপাই জ্বলি উঠি চৌপাশ পোহৰ কৰে।

যিজনে মিছা কথা বা চৰিত্ৰহীন বা অনৰ্থৰে আত্মপৰিচয় দিলে তেওঁৰ বাটটো ঘোৰ কুঁৱলীৰ এন্ধাৰত নিমজ্জিত হয়। বহুত পোৱাৰ আশাত লোভৰ হাঁহাকাৰবোৰে খেপিয়াই খেপিয়াই আগবাঢ়ি যোৱা বাটটোও হেৰাই যায়। সেয়েহে, সাধুপুৰুষে কয়, 'সুখৰ বাটত দুখৰ কাঁইট নষ্ট চৰিত্ৰই পোতে; খোজে প্ৰতি পোৱা দুখৰ চকুলোত জ্ঞানীলোকেও সমবেদনাত ভোগে।' নিজৰ আত্মাস্থিত মনৰ গতি অনুধাৱন কৰিব পৰা হ'লে সুখৰ বাটটো নিজেই উলিয়াই ল'ব পাৰে।

এনে দৃষ্টিভংগীৰে খোজ দি আগবাঢ়ি গৈ থকা পথটো হ'ল

সনাতন হিন্দু ধৰ্মৰ অদ্বৈত ভগৱানৰ একমাত্ৰ পথ। এনেদৰে মুছলিমৰ আল্লা, খ্ৰীষ্টিয়ানৰ যীশু একমাত্ৰ ভগৱান। উদ্দেশ্য এটা— মানৱ কল্যাণ সাপেক্ষে সৃষ্টি ৰক্ষা কৰা। মুঠতে ধৰ্ম যিয়েই নহওক ভগৱান এটাই। God is one and it is for truth, equality and justice. মানুহৰ ভাষা বিভিন্ন হ'লেও মানৱীয় দৃষ্টিভংগীত বিশ্বজনীনতা আছে। এই বিশ্বজনীনতাতেই লুকাই আছে ভগৱানৰ স্বৰূপ। ঈশ্বৰ বিশ্বাসে মনৰ স্থিৰতা অটুট ৰখাত দূৰ অতীতৰ পৰা সহায় কৰি আহিছে। ঈশ্বৰ বিশ্বাস এনে এটা শক্তি যিয়ে জীৱনৰ সমষ্ট প্ৰতিভা বিকাশ কৰাই দিব পাৰে।

চৌধুৰী ঃ এনে দিশত শিৱ অনাৰ্যৰ ভগৱান একক হিচাপে অতি প্ৰাচীন; বিষ্ণুও সেইদৰে আৰ্য সমাজ প্ৰমুখ্যে আন এচামৰ ভগৱান, একক হিচাপে অতি প্ৰাচীন। প্ৰাচীন শিৱ মন্দিৰ আৰু বিষ্ণু মন্দিৰেই এই প্ৰাচীনতমৰ সাক্ষী। এনে প্ৰাচীন একক শক্তিৰ আধাৰকে আঁত ধৰি শেষত পূৰ্ণ অৱতাৰ হিচাপে অনাৰ্য/আৰ্যৰ এক মানৱ তত্ত্বৰ দৰ্শনেৰে পৰমব্ৰহ্মৰ একক শক্তিৰ উপস্থাপক শ্ৰীকৃষ্ণৰ সৰ্বশক্তিতে সকলো শক্তি (দেৱ-দেৱীকে সামৰি) নিমজ্জিত হৈ দেখা দিলে, হয়নে?

বৰুৱা ঃ হয়, অৰ্থাৎ সৃষ্টি সঞ্চালনিৰ উৎস শব্দ। গৰ্ভস্থ ঔৰস পিণ্ডত আত্মা বায়ু প্ৰৱেশৰ লগে লগে প্ৰাণৰ জন্ম হয়। এই জন্মৰ পিচতে সংযোজন-বিযোজন ক্ৰিয়া মৰ্মে শক্তিসহ গুণ-ধৰ্মৰ জন্ম হয়। অংকুৰণৰ কাৰণে বায়ু, পানী, তাপ অপৰিহাৰ্য। প্ৰথমে বায়ু আৰু তাপৰ প্ৰয়োজন। চৰাইৰ কণীত উম দিয়াৰ নিৰ্দিষ্ট সময়ৰ পিচত পোৱালিৰ জন্ম হয়। প্ৰাণীৰ এই জন্মৰ লগে লগে জন্ম হয় বহিঃ বায়ু সেৱন সাপেক্ষে স্ব প্ৰকাশৰ তাড়না, এই তাড়নাই জন্ম দিয়ে শব্দৰ; শ্বাস প্ৰশ্বাসৰ আৰম্ভণিয়ে 'ওৱা' শব্দৰ ধ্বনি, এই ধ্বনিয়ে 'ওম', এয়ে শব্দই ব্ৰহ্ম বা সৃষ্টিৰ উৎস। এনে শব্দৰ সমষ্টিয়েই হ'ল বেদ। বেদৰ দ্বাৰাই সৃষ্টিৰ বিকাশ; এই বিকাশতেই ধাৰণা হয় ভগৱানৰ প্ৰকাশ। অন্তহীন আধ্যাত্মিক চিন্তাশক্তিৰ প্ৰকাশ বেদে মানুহৰ চিন্তাৰ আশ্ৰয়ৰ বাবে প্ৰকৃতিৰ মাজৰ পৰাই উলিয়াই লৈছে এই ধৰ্মীয় চিন্তাধাৰা। বিভিন্ন সময়ত ইয়াক উদ্ভাৱন কৰিছে ঋষি, মুনি, সাধকসকলে।

স্বাভাৱিকতে ধাৰণা হয়, হয়তো আগতেও এনে চিন্তাৰ প্ৰবাহ আছিল আৰু এই প্ৰবাহৰ গতি একাকাৰ কৰি বৈদিক যুগত আৰ্য ঋষিসকলে প্ৰাকৃতিক দুৰ্যোগৰ পৰা পৰিত্ৰাণ পোৱাৰ উপায় উদ্ভাৱনৰ অন্বেষণতে অহৰহ ব্ৰতী হৈছিল। লগতে এই উদ্ভাৱিকা শক্তিৰ অন্তৰালত একোজন অধিষ্ঠাতা-অধিষ্ঠাত্ৰী দেৱ-দেৱী থকা বুলি ঐশ্বৰিক ধাৰণা সাপেক্ষে বিশ্বাস ওপজিছিল। এই দেৱ-দেৱীৰ অনুগ্ৰহ বিচাৰিয়েই সৃষ্টি কৰে স্তুতি, প্ৰাৰ্থনা তথা পূজা, মন্ত্ৰ-তন্ত্ৰ। এনেদৰেই আগবাঢ়ে অগ্নিত আহুতি-যাগ-যজ্ঞাদিনুষ্ঠান।

এনে বহু দেৱ-দেৱীবাদতেই তত্ত্ব দৰ্শী চিন্তাৰ মোখনি নপৰিল; বৰং চিন্তাৰ আৰম্ভণি হ'ল কোনো এক সৰ্বশক্তিমান সত্ত্বাৰ উদ্ভাৱন কৰা। এই উদ্ভাৱিকা শক্তিত ধৰা পৰে এক সূক্ষ্ম সত্ত্বা। এই সূক্ষ্ম সত্ত্বাকে ধৰি লোৱা হৈছে 'ব্ৰহ্ম'। উপনিষদত 'ব্ৰহ্ম এক'। এনে চিন্তাৰ ধাৰণা প্ৰকাশ বুলি জনা গৈছে। এনে চিন্তাৰ ফলতেই বিষ্ণুৱে বৈদিক দেৱতাৰ ৰূপ পাইছে আৰু বিষ্ণুৰ অসীম শক্তি ঋগ্বেদতেই প্ৰথম উল্লেখ হোৱা বুলি জনা গৈছে।

চৌধুৰী ঃ ৰ'ব, মই জনামতে বেদৰ মধ্যাহ্ন মাৰ্ত্তণ্ডৰ (দুপৰীয়াৰ সূৰ্য) নাম বিষ্ণু। বিষ্ণুৰ বামণ অৱতাৰ প্ৰমুখ্যে মাহাত্ম্যও বৰ্ণিত হৈছে। ইয়াৰ পৰিপ্ৰেক্ষিততে ঋগ্বেদৰ অংগীৰা কৃষ্ণ আৰু ছান্দোগ্য উপনিষদত উল্লেখিত বুলি কোৱা দৈৱকী পুত্ৰ কৃষ্ণ আৰু বিষ্ণুৰ অভিন্নতা প্ৰকাশ পাইছে। এনে অভিন্নতা সাপেক্ষে কৃষ্ণক কেন্দ্ৰ কৰি বিষ্ণু উপাসনা চলিছে আৰু কৃষ্ণক ভগৱানৰ পূৰ্ণ অৱতাৰ বুলি অভিহিত কৰিছে। এনেদৰেই দেখা যায় মহাভাৰত, গীতা, ভাগৱতত কৃষ্ণকেন্দ্ৰিক বৈষ্ণৱ ধৰ্ম।

এই প্ৰসংগতে বিজ্ঞানৰ চৰম স্তৰ সাপেক্ষে মই আন এটা কথা ভাবোঁ— বিষ্ণুৰ মাহাত্ম্য বৰ্ণিত 'বিষ্ণু পুৰাণ'; শ্ৰীকৃষ্ণৰ মহিমা প্ৰকাশৰ পবিত্ৰ গ্ৰন্থ মহাভাৰত, শ্ৰীমদ্ভাগৱত গীতা আৰু ব্ৰহ্ম বৈৰ্বত্ত পুৰাণত উল্লেখিত দ্বাৰকা যেনেকৈ আজিকোপতি সাঁথৰ; তেনেকৈ ধৃতৰাষ্ট্ৰৰ ঔৰসত গান্ধাৰীৰ গৰ্ভস্থ মাংসপিণ্ডৰ ভ্ৰূণ ভাগ ভাগ কৰি এশ পুত্ৰ জন্ম হোৱা বৈজ্ঞানিক কাহিনীটোও এক সাঁথৰ হৈয়ে আছে।

আজিৰ টেষ্টটিউব বেবীয়ে এই চিন্তা আগবঢ়াই দিয়াত সহায়ক অৱশ্যে হৈছে। লগতে কৃষ্ণ মাহাত্ম্যৰ পৰিপ্ৰেক্ষিতত গান্ধাৰীক কি বুলি ভাবিব— আস্তিক, নাস্তিক, অৰ্দ্ধনাস্তিক?

বৰুৱা : চাওক, দ্ৰৌপদীৰ বস্ত্ৰ হৰণত কৌৰৱ পক্ষৰ দোষীসকলে ধৰ্ম নীতিৰ মাতমাতিব নোৱাৰিলে, লগতে শ্ৰীকৃষ্ণই বস্ত্ৰৰ যোগান ধৰাত লজ্জিত হোৱাসকলে কৃষ্ণক শাস্তি দিবলৈ চেষ্টা কৰিও বিফল হ'ল। ধৃতৰাষ্ট্ৰ-গান্ধাৰীয়ে শ্ৰীকৃষ্ণৰ অলৌকিক শক্তিৰ প্ৰদৰ্শনত ভগৱান বুলি জানে; কিন্তু মানিব খোজা নাই বা নহয় বুলি অৱজ্ঞাও কৰিব পৰা নাই। গতিকে তেওঁলোক অৰ্দ্ধনাস্তিক। গান্ধাৰীয়ে ভগৱান বুলি সম্পূৰ্ণ বিশ্বাস কৰা হ'লে পুত্ৰ শোকৰ কাৰণ কৃষ্ণ বুলি অভিশাপ নিদিলেহেঁতেন। বৰং মুক্তিৰ কাৰণে প্ৰাৰ্থনাহে কৰিলেহেঁতেন। নাইবা পাঁচখন ৰাজ্যৰ দাবী দুৰ্যোধনৰ দ্বাৰা মনাই ল'লেহেঁতেন।

আপোনাক এটা উদাহৰণ দিওঁ। এজন ডাঙৰ প্ৰশাসনিক বিষয়া; তেওঁ ঘোৰ শিৱ ভক্ত। শিৱক একমাত্ৰ ভগৱান বুলি মান্যতা দিয়াৰ ক্ষেত্ৰত আনকোনো দেৱতাৰ লগত আপোচ নকৰে। মন্দিৰটো সাজি লৈছে আৰু পুৱা-গধূলি চাকি, ধূপ, ধুনা দি পূজা-প্ৰাৰ্থনা কৰে। হঠাৎ ঘৈণীয়েকজনী কেন্সাৰ হৈ ঢুকাল। ভগৱানৰ ওপৰত বিদ্ৰোহ কৰি মন্দিৰটো ভাঙি দিলে। আগতে কিবা বিপদ-আপদৰ পৰা উদ্ধাৰ পালে শিৱৰে কৃপা বুলি হিয়াভৰি সন্তোষ লভিছিল।

এতিয়া চাওক, আগতে আছিল আস্তিক, পিচত হ'ল নাস্তিক আৰু দুয়ো মিলি হ'ল অৰ্দ্ধ নাস্তিক। সেয়ে ঐশ্বৰিক শক্তিৰ বিশ্বাস তথা কৰ্মফল সাপেক্ষে পৰমাৰ্থিক জ্ঞান থকাটো নিতান্তই প্ৰয়োজন মনৰ স্থিৰতা অটুট ৰখাৰ বাবে। প্ৰকৃতিৰ সমতা নীতিৰ অন্তৰালত যি চিৰ সনাতন সত্যৰ প্ৰবাহ চলি আছে তাক অনুধাৱন কৰিব পাৰিব লাগে। যেনে— 'আছিলোঁ যেনে, হৈছা তেনে; হৈছোঁ যেনে, হ'বি তেনে; শেষত নিখোজ হম যেনে, তোৰো অন্ত হ'ব তেনে।' এয়া পৰিপূৰক পদ্ধতি, যিকোনো তত্ত্বৰ সংশ্লেষণ-বিশ্লেষণত ব্যৱহাৰ হোৱা পৰিপূৰক শব্দৰ ভূমিকাৰ দৰে। ৰহস্যবাদী কবি নলিনীবালা দেৱীয়ে নিয়তিৰ নিষ্ঠুৰ পৰিহাসৰ মাজত ভগৱানৰ সূক্ষ্ম সত্ত্বাৰ স্থিতি অনুভৱ

কৰিছে। জন্ম আৰু মৃত্যুৰ মাজত জীৱনৰ সুখ-দুখৰ ক্ষণস্থায়ী বাহক। কোনোৱে সুখৰ মাজত, কোনোৱে মৰ্মান্তিক শোক-দুখ-যাতনা-পীড়াৰ দুৰ্ভোগত উপলব্ধি কৰিছে ভগৱানৰ অস্তিত্ব। কোনোৱে আকৌ চিন্তা, গৱেষণা, ধ্যান-ধাৰণাৰ বলত অলৌকিকভাৱে উদ্ভাৱিত শক্তিৰ লগত এক হৈ মনত-কাণত অনুৰণন অনুভৱ কৰে। অৰ্থাৎ নিয়তিৰ নিত্য প্ৰবাহত ধৰা পৰে এই অদৃষ্ট শক্তি।

চৌধুৰী ঃ সেয়ে, মই ভাবোঁ জীৱনৰ সকলো হেৰুৱাৰ পিচতো ভগৱানৰ নামত আত্মবিশ্বাস ৰাখি স্থিতি ল'ব পৰাতো বা সূক্ষ্মভাৱে জীৱৰ তত্ত্ব বিচাৰি নিজৰ স্থিতি ল'ব পৰাটো এক মহৎ গুণ। ইয়ে দুখৰ দিনতো সুখ ওপচায় দিয়ে। এইটোও অনুভৱ কৰোঁ যে দুখৰ জীৱন কটিয়াই ফুৰাৰ সময়তো এটা আত্ম উপলব্ধিৰ তৃপ্তি আছে। দুখতো সুখৰ পৰিপূৰক হিচাপে জীৱনৰ পূৰ্ণ অভিজ্ঞতা অৰ্জনত সহায়ক হোৱা দেখা যায়। এনেদৰে হয়তো ৰাতিটো দিনটোৰ পৰিপূৰকৰ দৰে জীৱ বিজ্ঞান আধ্যাত্মিক বিজ্ঞানৰ পৰিপূৰক। এনে একাত্মবাদেই অদ্বৈতবাদ তথা একেশ্বৰবাদ। ব্ৰহ্মাণ্ডৰ কল্পনাৰে সৃষ্টি কৰা ব্ৰহ্ম শক্তি (যিমানখন বিশ্বব্ৰহ্মাণ্ডই নাথাকক) এক একক শক্তি — আধ্যাত্মা (One spiritual unit) । ঈশ্বৰ শক্তি বুলিলে এই ভগৱৎ শক্তি (Divine power)কে বুজায়। এই ব্ৰহ্ম, ব্ৰহ্মা-লক্ষ্মী নহয়। আন এনে একক শক্তিৰ পক্ষপাতিত্ব মূলক ধাৰণা শিৱ-মহাদেৱ, পাৰ্বতী-দুৰ্গা। এনে 'একমেবাদ্বিতীয়ম' বুলি কৰা ধাৰণাৰ কোনটো প্ৰাচীনতম বুলি ভাবিলে মনলৈ আহে শিৱ, মহাদেৱৰ ধাৰণাই। কিয়নো, প্ৰাক-প্ৰস্তৰ যুগত ব্ৰহ্ম বা পৰমাত্মাই সকলোৰে মূল— এই মতবাদ প্ৰৱৰ্তন কৰি প্ৰচাৰ কৰাৰ কোনো উল্লেখ পোৱা হোৱা নাই। অৱশ্যে শিৱ আৰু বিষ্ণু মূৰ্ত্তি খননকাৰ্যই অ'ত ত'ত উদ্ধাৰ কৰি আছে।

ই যিয়ে নহওঁক, ব্ৰহ্মাক কল্পনা কৰা হয় ঈশ্বৰ আৰু লক্ষ্মী হ'ল আদ্যা প্ৰকৃতি, ঈশ্বৰী— ঈশ্বৰৰ (বিষ্ণু, সূৰ্য যিয়ে নহওঁক) সৃষ্টি শক্তিৰ আধাৰ। এনেদৰে সৃষ্টিৰ উদ্দেশ্যতে আকৌ কৃষ্ণ-ৰাধাকো দ্বৈত শক্তি হিচাপে কল্পনা কৰিলেও আধ্যাত্মাৰ ধাৰণাত একক মহাশক্তি, ব্ৰহ্ম শক্তি ৰূপেও দাঙি ধৰে।

বৰুৱা ঃ হেৰি, প্ৰাকৃতিক পৰিঘটনা, বাস্তৱৰ বিভিন্ন ক্ৰিয়া-প্ৰতিক্ৰিয়া, মানুহৰ হাই-কাজিয়া-কন্দল, ভাতৃঘাতী কাৰ্য, স্বজন-তোষণৰ উৎস, বিভিন্ন যুক্তি তৰ্কৰ প্ৰবাহ, বিভিন্ন আলোচনা-বিলোচনা-ধৰ্মালোচনা সূক্ষ্মভাৱে বিচাৰ কৰি চাব নোৱাৰা মানুহজন, মানুহক মানুহ হিচাপে জ্ঞান নকৰা মানুহজন, দহজনক ভুৰুকিয়াই নিজে পৰজীৱী উদ্ভিদ হৈ জীয়াই থাকিব বিচৰা মানুহজন, গুৰুক নিন্দা তথা পৰধৰ্মক তাচ্ছিল্য কৰা মানুহজন, বেয়া হ'লে বা দুখত পৰিলে ভগৱানক দোষাৰোপ কৰা মানুহজন সঁচাকৈয়ে অমানুহ। একাবেঁকা, খলা-বমা গাঁতৰ সংসাৰখনত তথা খৰস্ৰোতা নৈৰ কাণ্ডাৰীবিহীন নাৱৰ পাকৈত নাৱৰীয়াৰ দৰে গ্লানিৰে মুখ থেকেচা খোৱা দি থৰকাছুটি হেৰায়, বেঙেমৃতা গছৰ দৰে সৃষ্টিৰ বাবে হোৱা বৃষ্টিৰ আকাশৰ ঘন ক'লা মেঘ দেখি মৃত্যুৰ ভয়ত থৰ্ থৰ্ ঘনে ঘনে কঁপে। এই যে কয়, 'বীৰ মৰে একবাৰ, ভীৰু মৰে বাৰ বাৰ', সেয়ে তেওঁৰ অৱস্থা হয়গৈ। নিজৰ আত্মাত জীৱাত্মাৰ সমতা আৰু সেই সমতাত পৰমাত্মাৰ সংযোগ সাপেক্ষ স্থিতি অনুভূত নহয়। নিজৰ ভোক-পিয়াহ বুজে, আনৰফালে পিঠি দিয়ে। সন্তান জন্মৰ বাবে পতি-পত্নীৰ সহযোগৰ দৰে সিজন যে তেওঁৰ পৰিপূৰক নুবুজে। প্ৰজাৰ নেতা ৰজা, প্ৰজাৰ শক্তি ৰজাৰ শক্তি; ৰজাই যদি কৰে প্ৰজাক ভেঙুচালি, সেই ৰজাকো প্ৰজাই পুতলা সাজি লয় হাতত তুলি। নিচুকাই থাকে ৰং খেলি; ইয়াতো এটা মজা আছে।

চৌধুৰী ঃ ৰ'ব, সৃষ্টিৰ বাবে হোৱা বৃষ্টিৰ ঘন ক'লা মেঘ মানে কি ক'ব বিচাৰিছে? সন্তান জন্ম দিয়াৰ ভয়-শংকা-বেদনা?

বৰুৱা ঃ হয় তেনেকুৱাই। প্ৰকৃতিৰ সৃষ্টি, গৰ্ভৱতী নাৰীৰ সৃষ্টি- জন্ম হ'বলগা সন্তান একেই। মাতৃ প্ৰসূতি নাৰীৰ ভয়-শংকা-বেদনাৰ ফচল সন্তান আৰু ধৰিত্ৰীৰ গৰ্ভ ভেদি ওলোৱা প্ৰকৃতিৰ ফচল শস্য, সেই সন্তানৰে আহাৰ। মাতৃৰ বুকুৰ আহাৰ আৰু ধৰিত্ৰীৰ আহাৰ দুয়ো জীৱক দিয়ে পোহপাল। এটাই আনটোৰ পৰিপূৰক। চাওক, বৃষ্টি নহ'লে সৃষ্টি নহয়; বৃষ্টি হ'ব লাগিলে আকাশত ঘন ক'লা ডাৱৰৰ খুন্দা-খুন্দি- ঘঁহনি খাব লাগিব; তাপৰো উদ্ভৱ হ'ব আৰু শিল, বতাহ, বৰষুণ অশনি সংকেত নামি আহিব ধৰাত। জীৱৰ জন্মতো পিতৃৰ ঔৰস

আৰু মাতৃৰ গৰ্ভ দুয়োটাৰে প্ৰয়োজন। সত্ত্ব, ৰজ, তম ত্ৰিগুণাত্মক সমাহাৰ স্ব প্ৰকাশিত হয় ইয়াত। সত্ত্ব আৰু তমক জীৱিত কৰে ৰজ গুণে। এনেকৈয়ে সকলো সৃষ্টিৰ পেটতে থাকে তাপ, তাপ নহ'লে সৃষ্টি নচলে। যুৱক-যুৱতীৰ, পতি-পত্নীৰ আকৰ্ষণত এয়া তাপ-উত্তাপ ৰোমাঞ্চ জাগৰণ। দেহৰ জোকাৰণি তথা শিহৰণ। ইয়াতেই নিহিত সৃষ্টিৰ বিকাশ তত্ত্ব। এই তাপৰ উৎসই হ'ল সূৰ্য-বিষ্ণু-কৃষ্ণ-ভগৱান অৰ্থাৎ ব্ৰহ্ম। এয়াই তত্ত্ব সৃষ্টিৰ উৎস। ভয়ৰ উৎস য'ত নিৰ্ভয়ৰ চিৰসত্য তথ্য বিৰাজ কৰে ত'ত। এই তত্ত্ব জ্ঞানতে লুকাই থাকে আশ্বাস আৰু ইয়ে শেষত হয়গৈ বিশ্বাস; ইয়াতেই ভূমুকি মাৰে ত্যাগৰ আনন্দই; ত্যাগৰ আনন্দত জিৰণি লয় প্ৰেম-ভালপোৱাই।

চৌধুৰী ঃ আপোনাৰ জীৱন উপলব্ধিয়ে মোকো বাট দেখুৱাই লৈ গৈ আছে বহু দূৰলৈ। এয়া যেন ল'ৰা-ছোৱালী, তিৰোতা, ভাই-বন্ধু, ইষ্ট-কুটুম্ব, সমাজ সকলোকে, মাতৃয়ে সন্তানক দিয়াৰ দৰে, জীৱনৰ ভালপোৱাসহ সম্ভৱপৰখিনি দি থৈ আহি শেষ বয়সত যি শুদা হাত থাকে তাকে লগত লৈ জীৱন মৃত্যুৰ ৰেখাত তাকৰ সময় জীয়াই থকাত আনে কি উপলব্ধি কৰে সেইটোও এক ত্যাগৰ আনন্দৰেই কথা। কথাষাৰৰ উপলব্ধি এনেকুৱা— বেচেৰীয়ে বা বেচেৰাই জীৱনৰ সকলো ত্যাগ কৰি আহি শেষত মুখৰ কান্তি বঢ়াই নিজক সজীৱ কৰি থৈ গ'ল; স্মৰণিকাত জিলিকি থাকিল। ইয়ো এক অপ্ৰকাশিত সুখ। মৃত্যুৰ পিচত জীৱনটোক ইহলোকত খামোচ মাৰি ধৰিব পৰাকৈ ত্যাগৰ শিপাডালে শিলোৱা মাটিও হেলাৰঙে পাৰ হৈ গ'ল। ভাগৰুৱা ডেউকাই সিঁচি যোৱা বহুত ভালপোৱাৰ বা-বতাহ-সুবাস সোঁৱৰণৰ বাবে সঞ্চিত হৈ ৰ'ল। এই সুখ জুখি বিকিব পৰা হ'লে গ্ৰাহকৰ হেতা-ওপৰা লাগিলহেঁতেন। নে কি কয়?

বৰুৱা ঃ চাওক, এই ভালপোৱাৰ সুখানন্দ, এটা ৰোমাঞ্চকৰ গীত শুনি ভালপোৱা মিঠা মিঠা কথাৰ মধুৰ স্বাদানন্দৰ সমান; এনে ৰোমাঞ্চকৰ গীত এটা যিমান ভাল লাগে যেনে— তুমি মোৰ কাষতে নাই, সময় যে নাযায়, ৰাতি উজাগৰে যায়; দেহ বিচাৰ গীত এটা যেনে—

'যাবৰে বেলিকা সকলো এৰি থৈ যাবিগৈ,
বাৰীৰে এচুকৰ জাতিবাঁহ এজুপি

আৰু চিঙা জৰি, সিয়ো নাথাকে বৈ;
মৰমৰ গৃহিনী কাষতে থাকিও
লগত যে আজি নাই',

কম ভাল নালাগে। অৰ্থাৎ দেহ আৰু আত্মাৰ পৰিপূৰক সূত্ৰৰ দৰে। ৰোমাঞ্চকৰ গীত এটাৰ জাগ্ৰত অনুভূতিত লুকাই থাকে দেহবিচাৰৰ সুপ্ত অনুভূতি।

এনেকৈয়ে জীৱনে জীৱনটোক কঢ়িয়াই লৈ ফুৰে নিজৰ এনে ভাললগা খিনিৰ বাবে। ভাললগা খিনি যদি হেৰাই যায়, জীৱনে নাপায় একো খেপিয়াই মন নচুৱাই লগত লৈ যাবলৈ। সেয়ে সুখৰ মুহূৰ্তবোৰ ধৰি ৰাখিব বিচৰাটো বা ধৰি ৰাখিব পৰাটো সুখানন্দ অনুভূতিৰেই কাৰণ।

চৌধুৰী ঃ ৰ'ব, মই সোধা কথাটো আকৌ এৰাই গ'ল দেখোন।

বৰুৱা ঃ কি কথা বাৰু?

চৌধুৰী ঃ সৃষ্টিৰ বাবে বৃষ্টিৰ সন্দৰ্ভত যে অথনি সুধিলোঁ।

বৰুৱা ঃ অ', সেই কথা আপুনি মন কৰা নাই হ'বলা। এই যে তাপ-উত্তাপ সম্পৰ্কত কৈ আহিলো—

চাওক, The Sun is the source of all energy. এই শক্তিৰ পৰিপ্ৰেক্ষিতত সাঙোৰ খাই থকা উৎস হ'ল তাপ। এয়াই সৃষ্টিৰ উৎসও। এই যে বুকুৰ উম— 'কণী উমনিত দিয়া' বুলি কয়; উম পালে চৰাইৰ কণীৰ পোৱালি জাগে; হাঁহ, পাৰ, মুৰ্গী ইত্যাদি কণীৰ পৰা পোৱালি জন্ম দিয়া সকলো চৰাইৰ ক্ষেত্ৰতে এই উমৰ প্ৰয়োজন। এনেদৰেই সৌৰশক্তি সকলো সৃষ্টিৰ মূল। এই সৌৰশক্তিৰ প্ৰকাশ সৃষ্টিৰ বিকাশ। ইয়ে সৃষ্টিৰ কাৰণ। সূৰ্যৰ কৃষ্ণ পদাৰ্থ কণা যেনেকৈ পোহৰ-তাপৰ কাৰণ; তেনেকৈ এই তাপ-পোহৰেই প্ৰাণীৰ জন্মৰো কাৰণ। সূৰ্যৰ পোহৰৰ উপকাৰৰ প্ৰতি লক্ষ্য কৰিয়েই কেঁচুৱাক শীতৰ দিনত পানী ৰ'দত দি গা ধুৱায়।

গতিকে আস্তিক, নাস্তিক আৰু অৰ্দ্ধনাস্তিক যিয়েই নহওক নিজক চিনি পালে, জীৱাত্মাক বুজি ল'লে, পৰমাত্মাৰো সঁহাৰি মিলে। মাটিত বাগৰি বাগৰি জীয়াই থকাৰ যুদ্ধ কৰা পৰুবাটোৰ ভিতৰতো

এই অদৃষ্ট শক্তিৰ স্থিতিৰ ৰহস্য উদ্‌ঘাটন কৰিব পাৰে একে তাপৰ জৰিয়তে তথা ভোক-পিয়াহৰ তাড়নাতে। যেনেকৈ গৰ্ভৱতী নাৰীৰ গৰ্ভৰ উম বা তাপে গৰ্ভস্থ সন্তানটিক জীয়াই ৰাখে আৰু ইয়াৰ অভাৱতে মৃত সন্তানৰ জন্ম হয়। I think, it is a kind of spirit of air and heat. পাম দিলে বেলুনটো ফুলি উঠাৰ দৰে ঔৰসৰ ভ্ৰূণত যিমান অংগৰ স্থিতি আছে সময়ত প্ৰতিটোৱে বৃদ্ধি হয়; যেনে গুণ-ধৰ্ম আছে সকলো বিকাশ হয় তেনেদৰে আৰু তাত খুঁটি-নাটি থাকিলে জন্মতে ধৰা পৰে। মৃতদেহ আৰু জীৱ দেহৰ পাৰ্থক্যও সূক্ষ্মৰে বিচ্ছিন্নতা।

কৃষ্ণ গীতাত তেনে এক ঈশ্বৰ দৰ্শনেই প্ৰতিভাত হৈছে স্বয়ং কৃষ্ণৰ নিজ উক্তিৰে—

অব্যয় আত্মা মই প্ৰাণীৰ ঈশ্বৰ।

....

প্ৰকৃতি আশ্ৰয় কৰি দেহ ধৰো মই।

এনেদৰেই জন্ম আৰু মৃত্যু উভয়ে একোটা পৰিপূৰক কলা, যেনেকৈ জড়ৰ বাবে জীৱৰ জীৱন সম্ভৱ। ইয়াৰ সংস্কৃতিতেই ধৰা পৰে জীৱন কৰ্মৰ সনাতন সত্য প্ৰবাহ আৰু খোৱা-লোৱা, বয়-বস্তুৰ অভাৱৰ যোৰা মৰাৰ দৰে মনৰ দুৰৱস্থাৰ যোৰা-তাপলি মাৰিবলৈ কৰ্ম কৰাৰ যোগ্যতা অৰ্জন কৰাটোও এক সংস্কৃতিৰেই কথা। অভাৱৰ যোৰা মাৰিব নোৱাৰিলে মনৰ দুৰৱস্থা হয়। এই দুয়োটা অভাৱৰ এটাৰ যোৰা মাৰিব পাৰিলে আনটোৰ যোৰা মৰে নিজে নিজেই।

ঈশ্বৰক বিচাৰি যোৱাটোও এক অভাৱ পূৰণৰেই তাড়না। এটা জীৱবিজ্ঞান পদ্ধতিৰে, আনটো আত্মবাদ সাপেক্ষে আত্মদৰ্শন পদ্ধতিৰে। তথ্যৰে গ'লে জন্ম-গঠন, বৃদ্ধি-চলন আৰু ক্ষয়-হ্ৰাস ধৰা পৰে আৰু আত্মদৰ্শনেৰে গ'লে Unique spiritত লীন হৈ যোৱা Universal spiritৰ কথা উপলব্ধি হয়। ব্ৰহ্ম কোষকেন্দ্ৰ আৰু জীৱাত্মা-কোষকেন্দ্ৰৰ নিৰৱচ্ছিন্ন সংযোগৰ দৰে ক্ৰিয়া-প্ৰক্ৰিয়াৰ মাধ্যমত অন্তৰ্নিহিত শক্তি অনুভৱ হয়। শিশুৱে যেনেকৈ কয়, 'ইয়াত গছ নাই মানে বতাহ নাই; গছ থাকিলেহে বতাহ হ'ব বা আহিব।' কথাটো

এনেকুৱা যে গছে বতাহৰ প্ৰবাহ দৃশ্যমান কৰে লগতে উপলব্ধি কৰাত সহায় কৰে যে ই এটা শক্তি।

বাকী জাত-পাত, ভাষা-ধৰ্ম, কলা-কৃষ্টি-সংস্কৃতি, বৈষম্য-বিদ্বেষ, হিংসা-সংঘৰ্ষ মানুহৰ সৃষ্টি। ইয়াত সত্য, সমতা, ন্যায়-নীতিক এন্ধাৰত ৰাখি দুষ্কৃতিকাৰীয়ে কাম কৰে কাৰণেই সমাজত অনৰ্থ, বিশৃংখলা, বিদ্ৰোহ, সন্ত্ৰাস আদি বাঢ়ি যায়। আকৌ চাওক, ঈশ্বৰে তেওঁৰ সৃষ্টি আৰু মানুহৰ সৃষ্টিৰ বা ক্ৰিয়া-প্ৰক্ৰিয়াৰ মাজত সংযোগ আৰু সম্পৰ্ক ৰক্ষা কৰি চলাই থাকে মানৱ দেহটোৰ মাধ্যমত এই সংস্কাৰ-সংস্কৃতিৰ ধাৰাটো— কাৰুকলা আৰু চাৰুকলাৰ জৰিয়তে নৈপুণ্যজাতীয় সংস্কৃতিও তেনেদৰেই নিজে নিজেই মানুহে গঢ়ি লয়।

মৃত্যু মানে চৰম তাপ হীন শিল চেঁচা দেহৰ অৱস্থা— শৱ দেহ মানে জীৱ গৈ জড় হোৱা অৱস্থা। দেহৰ অন্তৰ্নিহিত ৰাসায়নিক তথা বৈদ্যুতিক বিক্ৰিয়াৰ অভাৱ। প্ৰাণবায়ু শেষ বায়ুকোষৰ পৰা আঁতৰি বায়ুমণ্ডলত মিহলি হ'ল, এয়া আত্মাৰ প্ৰস্থান। কোষ ধ্বংস নোহোৱাকৈ অন্তৰ্নিহিত বিক্ৰিয়া চলাই থাকিব পৰা হ'লে ঈশ্বৰক বিচাৰি যোৱা জখলাৰ অসীম খোপৰ এটা কমাই দিব পৰাৰ সুবিধা হাতেৰে ধৰি ৰাখিব পৰা গ'লহেঁতেন।

চৌধুৰী ঃ ৰ'ব, এই যে কলাৰ কথা ক'লে— জন্ম-মৃত্যুৰ পৰিপূৰক সাপেক্ষ সম্পৰ্কৰ দৰে কথা। অভিধান হেমকোষৰ মতে— কলা মানে চন্দ্ৰ মণ্ডলৰ ষোল ভাগ, এয়া পুৰাণৰ ধাৰণা; কিন্তু শ্ৰীকৃষ্ণক ষোল কলা আৰু ৰামক আঠ কলা পূৰ্ণ কৰা বুলি কোৱাৰ পৰিপ্ৰেক্ষিতত দেৱতাসকলে অৰ্জন কৰা গুণমৰ্মে আধ্যাত্মিক দিশৰ গুণ বুলি বুজা যায় আৰু এই মহৎ গুণ পৰমাত্মা পৰমেশ্বৰৰ সংযোগ সাপেক্ষে মানৱীয় দিশত অৰ্জন কৰা গুণ বুলি ধাৰণা হয়। কাৰণ কৃষ্ণ পূৰ্ণ সংস্কাৰী পূৰ্ণ সংস্কৃতিৱান হৈ ঈশ্বৰৰ ষোল কলাই অৰ্জন কৰিছে। সম্পূৰ্ণ কলাই পোহৰ আৰু কলাহীনেই অমাৱস্যাৰ অৰ্থ কৰে।

আনটো কলা হ'ল বিদ্যা ঃ শাস্ত্ৰত বৰ্ণিত ৬৪ বিধ বিদ্যা; যেনে ধৰক— ভাষা জ্ঞান, শাস্ত্ৰজ্ঞান, নাচ-গান, বাদ্য, নাট, জীৱন সম্পৰ্কীয় সাজ-পোচাক, ৰন্ধন, শৃংগাৰ, অলংকাৰবিদ্যা, ধাতুবিদ্যা,

চলনা, যাদু, ভূত-প্রেতাত্মা আদিকে ধৰি জীৱন সম্পৰ্কীয় সকলো দিশ সামৰি লৈছে। এই কলা দুই শ্ৰেণীৰ— কাৰুকলা আৰু চাৰু, ললিত বা সুকুমাৰ কলা; কাৰুকলা (কাঠ, ধাতু, মাটি আদিৰ কাৰিকৰী শিল্প) হৈছে কোনো প্ৰায়োগিক কামত আয়ত্ত কৰা কৌশল বা নৈপুণ্য। চাৰুকলা (সংগীত, কবিতা, চিত্ৰবিদ্যা, ভাস্কৰ্য আৰু স্থাপত্য এই পাঁচবিধ) মানুহৰ কল্পনা তথা সৃজনী শক্তিৰ বহিৰ্প্ৰকাশ যিয়ে আনৰ মনত সৌন্দৰ্যবোধ আৰু নান্দনিক অনুভূতি জগায়।

মুঠতে কাৰুকলা হ'ল— Practical and applied skills, the various crafts; চাৰুকলা হ'ল— The fine arts. এয়া গুণ সম্পৰ্কীয় ষোল কলা আৰু চৰ্চা সম্পৰ্কীয় ৬৪ কলা। অৰ্থাৎ পূৰ্ণ সংস্কাৰী, পূৰ্ণ সংস্কৃতিবান লোকৰ লক্ষণ। এনে দৃষ্টিভংগীকে সাৰোগত কৰি স্বৰ্গখন পৃথিৱীতে মানুহে সাজিছিল সৎ, সমতা, মানৱতা, ন্যায়-নীতিৰ ধ্বজা হাতত লৈ যেন বিনাকষ্টে। কোনেও কাৰো ওচৰত হাত পাতিব নালাগিছিল আৰু কাৰো আন কাৰো ওপৰত আপত্তিৰ দৰ্খাস্ত লিখিবলৈ কাগজ-কলমৰ প্ৰয়োজন নহৈছিল। এনেহেন স্বৰ্গসুখত থাকিব পাৰিলে কোনেনো আৰু বেছিকৈ বিচাৰিব? ক্ষোভ কি, সন্ত্ৰাস কি, আতংক কি কোনোবাই জানিব নে?

বৰুৱা : ল'ৰালিৰ সোণালী দিনবোৰে নষ্টালজিয়া কঢ়িয়াই অনাৰ দৰে স্বৰ্গানন্দৰ অনুভূতিৰ কথা ভাবিলেই কলাৰ উদ্ভাৱনাৰ কথা মনলৈ আহে। লগতে মনত পৰে মৃত্যু, জড়া, ব্যাধি, যাতনাহীন হৈ সুখৰ জীৱন যাপন কৰিব এৰিও চয়তানৰ প্ৰৰোচনাত স্বাধীনতা বিচাৰি গডৰ ওপৰত বিদ্ৰোহ কৰাত আদি মানৱ আদাম-ইভক পৃথিৱীলৈ নমাই দিয়াৰ কথা। স্বাধীনতাৰ নামত ক্ষমতাৰ বাবে কৰা বিপ্লৱত গডে সঁহাৰি নিদিলে।

তেনেকৈ আমাৰ চয়তানসকলেও এই স্বৰ্গৰ অতি আদৰৰ গুণবোৰ অপহৰণ কৰি লোভবোৰ সদৰী কৰি দিয়াত ক্ষমতালোভীসকলে সুবিধাবাদীৰ পক্ষ লৈ বহুতক টনা-আঁজোৰা কৰি স্বৰ্গখন ভাঙি-চিঙি লৈ আহিল এক্কাৰৰ সুবিধা ল'বলৈ।

জাত-পাত সাজিলে, উচ্চ-নীচ বনালে; ধনী-দুখীয়া ভাগ ভাগ

কৰি জমিদাৰী প্ৰথা প্ৰচলন কৰিলে। ধৰ্ম, যুদ্ধ, ব্যৱসায়-বাণিজ্য আৰু কৃষিৰ নামত ভাগ ভাগ কৰি শোষণৰ ব্যৱস্থা অব্যাহত ৰাখিলে। একে মানুহ হৈ মানুহৰ মুৰৰ ওপৰত কঁঠাল ভাঙি খাব পৰাকৈ ভোগী, সহজলভ্য, আৰামী জীৱনটোক হাতৰ পৰা পিছলি যাব নোৱাৰাকৈ বুদ্ধিৰে সযতনে বান্ধি ৰাখিলে; গতিকে দেখা যায় আগৰ দেৱতা অসুৰৰ যুদ্ধৰ নবীকৰণ আৱশ্যম্ভাৱী হৈ পৰিছে।

এতিয়া কথা হ'ল এই নিপীড়িত, নিষ্পেষিত, নিৰ্যাতিত ক্ষুধাতুৰসকলক উদ্ধাৰ কৰি আকৌ স্বৰ্গ সাজিব লাগিলে ত্যাগীসকল কোন হ'ব বাৰু? গতিকে স্বৰ্গ সাজিব লাগিলে ধমনীত সত্য, সমতা, সক্ষমতা তথা ন্যায়-নীতিৰ সনাতন সত্য তেজৰ প্ৰবাহ ব'ব লাগিব। এক কথাত সৎ ভাবত কৰা কঠোৰ পৰিশ্ৰম। ইয়ে দিব পৰিনিৰ্বাণ তথা মুক্তি। এয়া হ'ব মানৱতাক উদ্ধাৰ কৰা তথা জন্ম অধিকাৰ সুৰক্ষা কৰাৰ বিপ্লৱ। কিয়নো ক্ষমতাৰ খোৱা-কামোৰাই পৃথিৱীৰ ধ্বংসক আদৰি আনিবলৈ হেতা-ওপৰা লগাইছে। জন্ম অধিকাৰ পুনৰুদ্ধাৰ সাপেক্ষে শ্ৰেণীহীন কু-সংস্কাৰ মুক্ত সমাজ এখনৰ অতিকৈ প্ৰয়োজন। কাৰণ, ইয়াতেই লুকাই দৰিদ্ৰসকলৰ উদ্ধাৰৰ উপায়; এই উপায়ৰ বাটত বহুত অন্তৰায়।

প্ৰথম ধৰ্মৰ অন্তৰায়; মানুহে মুক্তমনে থিয় হ'ব নোৱাৰা খৰচ বহুল পূজা-অৰ্চনা পদ্ধতি আৰু মৃতকৰ কৰ্মকাণ্ড সাপেক্ষে কুসংস্কাৰ। দ্বিতীয় আত্ম শক্তিৰে বলীয়ান হৈ স্বাৱলম্বী পথ লোৱাৰ আৰম্ভণিত ধনিক শ্ৰেণীৰ বাধা; লগতে প্ৰলুব্ধ লোকৰ অভিসন্ধিত জীৱন বাটত আলিমুলি লগাত কোঙা হৈ পৰিছে। পিচ পৰা শ্ৰেণী জাতিগতভাৱেই হ'ওক, জনগোষ্ঠীগতভাৱেই হওক বা নিৰক্ষৰ আৰু আৰ্থ-সামাজিক, অনগ্ৰসৰতাৰ কাৰণেই হওক, সময় সোঁতৰ লগত মিলিব নোৱাৰি একেস্থানতে বৈ গ'ল বংশানুক্ৰমে। এনে দুৰ্বলতাৰ সুযোগ গ্ৰহণ কৰি আন এচাম লাভৱান হৈ থাকিল।

কাৰণ, ভগৱানক সন্তুষ্ট কৰাত যে কোনো নিৰ্দিষ্ট পথ নাই, নিজৰ মনৰ আত্মশুদ্ধিয়েই যথেষ্ট, সেই কথাত নিজৰ লগতে পতিয়ন নিয়াব পৰাকৈ পৰামৰ্শদাতাৰ অভাৱত ভুক্তভোগী এইসকল লোক।

আনহাতে, ৰাজনৈতিক কূটকৌশলৰ গৰাহত নিজৰ মানুহৰ হাততে লাঞ্ছিত, অপমানিত তথা ঠগ খাই প্ৰগতিৰ মুখ দেখিব পৰা নাই। অৰ্থাৎ দৃষ্টিভংগীৰ পৰিবৰ্তন নাই আৰু প্ৰকৃত সত্য উদঘাটনত মনোনিৱেশ কৰিবলৈ বাট পোৱা নাই। শুদ্ধ তথ্য আৰু যুক্তিৰ পোহৰত নিজৰ মনৰ সিদ্ধান্ত ল'ব পৰা সাহস গোটাবলৈ অসমৰ্থ। সেয়ে আনৰ দৰ্শন আৰু বিশ্বাসে এইসকলক আঘাত হানি আছে। নিজৰ জীৱন নিৰ্বাহত গতি দিব পৰা হিয়াখনত টান সাঁফৰ মাৰি থৈছে; ইচ্ছা কৰিলেও খুলিব নোৱাৰে।

বৰুৱা ঃ এনে জাতীয় যিমান নিৰাশাই আক্ৰমণ নকৰক আশাৰ শেষ কৰিব নোৱাৰে; নিৰাশাৰ এন্ধাৰতো লুকাই থাকে আত্মবিশ্বাস আৰু কৰ্মস্পৃহা। সেয়েহে সৰ্বসাধাৰণ মানুহ খিনিক উপকৃত কৰাৰ মানসেৰে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে সকলো শাস্ত্ৰ মন্থন কৰি অৱশেষত 'বিশ্বাসে মিলয় হৰি, তৰ্কে বহুদূৰ', বুলি স্বাধীন ধৰ্মীয় চিন্তাধাৰাৰ পাতনি মেলিছিল। ভগৱানত যাৰ আপদে-বিপদে-সম্পদে সকলো সময়তে অগাধ বিশ্বাস থাকে সি লোভৰ মুখ দেখিলেও বেয়া কামৰ পৰা আঁতৰি থাকে। প্ৰৰোচনা যিমানেই কু-অভিসন্ধিমূলক নহওক কোনো লোভনীয় বা দুৰ্নীতিৰ বা-বতাহে বা আনকি প্ৰৱঞ্চনাৰ কোনো পৰিৱেশতেই মন বিচলিত কৰিব নোৱাৰে। কৌৰৱসকলৰ দৰে যিয়ে আততায়ীত পৰে তাৰ কৃষ্ণ চিন্তা মনৰ পৰিধিত নাথাকে। মন কৰিলেই এই কথা বুজি সচেষ্ট হৈ পৰে, যিসকলৰ জীৱন চেতনা আছে।

চাওক, শংকৰদেৱ অকল বিদগ্ধ পণ্ডিতেই নহয়, শাস্ত্ৰজ্ঞ পুৰুষো আছিল। সেয়েহে ধৰ্মীয় সকলো দিশ সামৰি সৃষ্টিৰ ৰহস্যত অৱগত অদৃশ্য ৰূপকেই সাৰোগত কৰি নিৰঞ্জন, নিৰাকাৰ নাম দি বিশ্বাসত নিজক এৰি দিছিল। এনেদৰে আধুনিক যুগৰ ব্যস্ত মানুহৰ বাবে উপযুক্ত সময়োপযোগী বৈষ্ণৱ ধৰ্ম, ঈশ্বৰ উপাসনাৰ সহজ উপায় নাম ধৰ্মৰ পথ প্ৰদৰ্শন কৰিছে। প্ৰধানকৈ গীতা-ভাগৱত, পুৰাণ শাস্ত্ৰৰ আধাৰত 'একশৰণ নাম ধৰ্ম'ৰ খুঁটি মাৰিছিল অসমভূমিত। এনে একাত্মবোধ জগাই তোলাৰ কাৰণেই সাহিত্যৰ সৃষ্টি আৰু সত্ৰ নামঘৰৰ দ্বাৰা জনসমাজত এই বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰিছিল। এই ধৰ্মৰ বেদেই লাইখুটা।

বেদ অপৌৰুষেয় (মানুহৰ দ্বাৰা সৃষ্ট নহয় বুলি ধাৰণা) আৰু অনাদি, চিৰ প্ৰবাহমান। প্ৰবাহমান ক্ৰিয়াৰ মাধ্যমতে প্ৰকাশ হয় মনৰ ভাষা। কৰ্তা আৰু কৰ্ম উহ্য; তিনিওটা মিলিলেই অৰ্থপূৰ্ণ বাক্য। প্ৰাকৃতিক পৰিঘটনা প্ৰমুখ্যে পৃথিৱীত যিমান দেখা যায় সকলোৱে সৃষ্টি কৰ্তা ভগৱানকে প্ৰকাশ কৰে— All are the menifestations of God. এনে পৰিপ্ৰেক্ষিতত গীতাত পাঁচটা কাৰণ উল্লেখ কৰিছে - কৰ্তা, কৰ্ম, কৰণ, চতুৰ্থ অধিষ্ঠা আৰু পঞ্চমত দৈব।

চৌধুৰী : তাৰমানে ব্ৰহ্মাণ্ডখন ভগৱানৰ কাৰখানা? সঞ্চালক, বিষয়া, কাৰিকৰ আদি বিভিন্ন কৰ্মচাৰীৰ দ্বাৰা ব্ৰহ্মাণ্ড কাৰখানাখন ব্ৰহ্মাই চলাই থাকে। সৃষ্টি, স্থিতি, লয় তিনিটা বিভাগ। ইয়াৰ সৃষ্টিত ব্ৰহ্মা, স্থিতিত বিষ্ণু (ব্ৰহ্মা ৰূপ বিষ্ণু নহয়) আৰু লয়ৰ মহেশ্বৰ (ব্ৰহ্মা ৰূপ শিব নহয়) সঞ্চালক। বায়ু, বৰুণ, অগ্নি আদি বিভিন্ন বিষয়া আৰু পালি-পহৰীয়া কৰ্মীও আছে। পৃষ্ঠ ভূমি (ধৰিত্ৰী-লক্ষ্মী) প্ৰধান কাৰ্যালয় আৰু সূৰ্য হ'ল অৰ্থনীতিবিদ। নাভাবেনে বাৰু এনেকৈ?

এনে ধৰ্মীয় দিশৰ চিন্তাকে সাৰোগত কৰি এক গভীৰ সামাজিক আন্তঃগাঁথনিৰ উপলব্ধিৰে নাম ধৰ্ম প্ৰচাৰ কৰি মানুহৰ অন্তৰ স্পৰ্শ কৰিছিল। লগতে এনে অন্তৰ পৰশিব পৰা পবিত্ৰ ধাৰণাৰে সাত্বিক জীৱন যাপন কৰাৰ পৰিৱেশ সৃষ্টিত মন দিছিল সত্ৰ, নামঘৰ প্ৰতিষ্ঠাৰ জৰিয়তে। সমূহীয়া উন্নতিৰ উদ্দেশ্য আৰু প্ৰগতিৰ লক্ষ্যৰে মুঠি মাৰি ধৰিছিল এই ধৰ্মীয় গাঁথনি। কাৰণ জাত-পাত থাকিলে ধৰ্মীয় গোড়ামিয়ে মন বান্ধি ৰাখিলে প্ৰগতিৰ প্ৰবাহত নিজক মিলাব নোৱাৰে।

বৰুৱা : এয়া বিষ্ণুৰ নামত দৃশ্যমান সকলো শক্তিৰ মূল সূৰ্য। ইয়ো পৰম ব্ৰহ্মৰে অন্তৰ্গত। এনেদৰে বিষ্ণু সৰ্বশক্তি ৰূপে প্ৰক্ষেপিত। বিষ্ণুক উপাসনা কৰা সকল বৈষ্ণৱ। এই ভগৱান বিষ্ণুৱে নৰসিংহ অৱতাৰ ধৰি অত্যাচাৰী হিৰণ্যকশিপুক বধ কৰি বিষ্ণু ভক্ত প্ৰহ্লাদক উদ্ধাৰ কৰিছিল। ভক্ত প্ৰহ্লাদৰ উদ্ধাৰেই মানৱৰ জন্ম অধিকাৰ তথা সমতা ন্যায় ধৰ্মৰ বিজয় ঘোষণা কৰিছিল ভগৱান বিষ্ণুৱে। এনেদৰেই ৰাম অৱতাৰত ৰাৱণ ধ্বংস, কৃষ্ণ অৱতাৰত কংস বধ কৰে, লগতে সনাতন সত্য, ন্যায় ধৰ্মৰ অনুগামী হৈ ভগৱান কৃষ্ণৰ সহায়ত পাণ্ডৱসকলে অত্যাচাৰী

কৌৰৱসকলক ধ্বংস কৰে আৰু 'যথা ধৰ্ম তথা জয়' সত্য ঘোষিত হয়। এনেদৰে যুগে যুগে সমাজত সত্য, সমতা, ন্যায়-নীতি আৰু মানৱতাৰ সংস্থাপন হয়। এনে দিশতে শ্ৰীমদ্ভাগৱত গীতাৰ ভাষ্য আমিতো উল্লেখ কৰি আহিছোৱেই।

চৌধুৰী ঃ ৰ'ব, কৃষ্ণ যিহেতু মানুহৰূপে অৱতাৰ— জন্মৰ লগতে জীৱ বিজ্ঞান মৰ্মে আৰু আধ্যাত্মিক বিজ্ঞান সাপেক্ষে মৃত্যু নিশ্চিত হৈ আছে; তেনে ক্ষেত্ৰত গান্ধাৰীৰ অভিশাপ এটা নিমিত্ত মাত্ৰ?

বৰুৱা ঃ ইয়াৰ লগত জড়িত সৃষ্টিৰ সত্যটো হ'ল য'ত ক্ৰিয়া আছে তাত প্ৰতিক্ৰিয়া থাকিবই। নিউটনৰ গতি বিষয়ক তৃতীয় সূত্ৰটোৱে সেই কথাই প্ৰতিপন্ন কৰিছে যে প্ৰতিটো কাৰ্যৰে সমান আৰু বিপৰীতমুখী ক্ৰিয়া-প্ৰতিক্ৰিয়া থাকিবই। সেয়ে কোনো বস্তুত ক্ৰিয়া কৰা এটা মাধ্যাকৰ্ষণ শক্তি আৰু আনটো বায়ৱীয় উৰ্ধগতি শক্তি। জীৱনৰ ক্ষেত্ৰত আত্মা, পৰমাত্মা বায়ুপ্ৰাণ শক্তি। স্থিতি সাপেক্ষে এটা আনটোৰ পৰিপূৰক। এয়া চাওক Newton's third law : Whenever one object exerts a force on a second object; the second object exerts an equal and opposit force on the first object. One force is called the action force, and the other reaction force. It doesn't matter which force we call which, only that we recognize that both forces are co-parts of a single interaction. For every ineraction, the forces always occurs in pairs.

সেয়ে, মৃতদেহৰ যিমান ওজন জীৱদেহৰ তাতকৈ কম ওজন। কাৰণ, আত্মা-পৰমাত্মা বায়ুপ্ৰাণ আকৰ্ষণে টনা শক্তিখিনি কমি যায়।

চৌধুৰী ঃ হেৰি, ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ তত্ত্বটো প্ৰকৃততে প্ৰকৃতিৰ সত্য তত্ত্ব তথা পৰিকল্পনা। এটা হ'ল বৈজ্ঞানিক, আনটো আধ্যাত্মিক। Both are associated in the plan. সেয়ে আমি দেখোঁ দুখ দিলে দুখ পায; প্ৰেম-প্ৰীতি, সাম্য-মৈত্ৰী বান্ধোনৰ দৰে মৰম কৰিলে মৰমে হাত উজান দি আহ্লাদিত কৰে। এয়া সমান আৰু বিপৰীতমুখী আধ্যাত্মিক ক্ৰিয়া-প্ৰতিক্ৰিয়া, নহয় জানো?

বৰুৱা ঃ আপুনি নোহোৱা কথা কয় জানো? অ', আৰু এটা কথা মনলৈ আহিছে; আমিতো সৰুতেই পাই আহিছোঁ ঢেঁকীৰ কথা। কুঁৱাৰ

পানী তুলি লোৱাত এই তত্ত্বটো তথা সূত্ৰটো ব্যৱহাৰ কৰা হয়। এনে পৰিপ্ৰেক্ষিতত গোবিন্দৰ সূত্ৰটোও বৈজ্ঞানিক আৱিষ্কাৰ হিচাপে স্থাপিত হোৱা কথাটো প্ৰণিধানযোগ্য।

অ', আৰু এটা কথা, দগা-পাল্লাৰ দুয়োফালে মিলাই সমান কৰো কোনো বস্তু জোখতে; পতি-পত্নীৰ মাজত বুজাপৰাৰ সময়তো সমতা (Level-to make equal) অনাৰ কাৰণে কৃষ্ণ-অৰ্জুনৰ Friend. philosopher and guide ৰ দৰে উভয়ে এক সমান পৰ্যায়লৈ মনক উন্নততৰ কৰি দুটি মন এক হ'ব পৰা কৰাৰ পিচতহে মুক্ত যুগ্ম জীৱনৰ সুখ বিৰাজ কৰে। এয়াই ধৰ্মৰ নীতি, এজনে দুখ পালে আনজনে দুখৰ সমভাগী হয়। প্ৰকৃতিৰো নীতি এয়াই। অন্যথাই বস্তু জোখত ঠগোৱাৰ দৰে হয়, আৰু ইয়ে সংঘৰ্ষৰ ৰূপ লয়। মুঠতে কোনোজনেই কোনোজনক শাৰীৰিক বা মানসিক কষ্ট দি নিজৰ সুখটো মিতাব নালাগে।

চাওক, মানুহ এজনে যেতিয়া কিতাপখন বা কলমটো হাতত ল'ব, বুজিব যে তেওঁৰ মনৰ বিশালতাৰ বাট মুকলি হ'বলৈ লৈছে। কাৰণ, ইয়ে আত্ম উপলব্ধিত সহায় কৰে; এই উপলব্ধিয়ে জীবাত্মাক বুজি পোৱাত সহায় কৰে আৰু তেতিয়া নিজৰ আত্মগৌৰৱ, আত্মভিমানৰ মোখনি পৰে। লগে লগে প্ৰকৃতিৰ আশ্ৰয়ত থকা পৰমাত্মাৰ সংযোগৰ সূত্ৰৰ সমতা নীতিৰ অনুভৱ কৰিব পাৰে। তেওঁৰ এই অনুভৱে যি সুখ দিয়ে কোনেও কেতিয়াও কাঢ়ি নিব নোৱাৰে। কিন্তু দেগাৰখন হাতত ল'বলৈ উদ্যত হোৱা মানুহজন পোহৰতকৈ এন্ধাৰত বেছি ভয়াবহ হৈ পৰে। তেওঁৰ সুখটো মূৰৰ ওপৰত ওলমি থাকে, হাট মেলি চুব নোৱাৰে। অ', ৰ'ব খোজ কাঢ়ি আহি আহি কেতিয়া ঘৰৰ ওচৰ পালোঁ টেৰকিবই নোৱাৰিলোঁ। অহাকাইলৈ গধূলি দুয়ো লগ লাগি বহিম সেই অফিচ আৰু কোৱাৰ্টাৰবোৰৰ মাজৰ পথাৰখনত; কোৱাৰ্টাৰৰ মুখে মুখে সৰু পকা ৰাস্তাও আছে আৰু ফিল্ডখনত সুন্দৰ দুবৰিবন আছে বহি ভাল লাগিব, Evening walk ও হ'ব।

চৌধুৰী : ঠিকে আছে দিয়ক, ভাল লাগিব। (দুয়ো ঘৰাঘৰি গ'ল)

ছয়

আলহীৰ ঘৰৰ পৰা আহিবৰ দিনা উভতি অহাৰ বাটত হোৱা আলোচনাৰ অন্তত সিদ্ধান্ত কৰিছিল যে তাৰে পিচদিনা গধূলি তেওঁলোক লগ হ'ব। ঘৰৰ দহটা লেঠা কাটি কৰি কোনেনো আজিৰ দিনত মুকলিমুৰীয়া হৈ ঘৰৰ পৰা ওলাই আহিব পাৰিব। য'তেই যায় ত'তেই লাইন; তাতে আকৌ দুই নম্বৰী লাইন চলে ভিতৰি। এয়াই লেঠা; আগবাঢ়ি লাইনত গৈও পিচুৱাব লগা হয়, এই পিচ দুৱাৰৰ লাইনৰ কাৰণে। মুখ লজ্জাত কোনেও মাত মাতিব নোখোজে, নীতিৰ হকে মাত নমতা কিমান অপৰাধ? বেয়াক কিমান প্ৰশ্ৰয় দিয়া হয়? এই বেয়াই আগবাঢ়ি গৈ যে দেশৰ সৰ্বনাশৰ মূল কাৰণ হয়গৈ সেইকথা বুজি উঠাৰ পিচত যোৰপুৰি হাতত লাগে। সেয়ে শেষত তেওঁ ঠগা খায়। তেওঁৰ ভাগৰ বস্তুটো আনে লৈ যায়, যিয়ে নিজক চিনি নাপায় তাৰ ওপৰত আন বহুতে ভৰষা কৰিলে নিজৰ আত্মাকো প্ৰৱঞ্চনা কৰা হয়। এই কথা বুজি নাপায়।

সেয়া আছিল আহিন মাহ, আজি তিনি মাহেই পাৰ হ'ল। মাঘ মাহৰ শুক্ল পক্ষ পালেহি, দ্বিতীয় দিনা। ফিল্ডখনৰ নিকা দুবৰি বনৰ ওপৰত দুয়ো আহি নিৰিবিলি মনে বহি ল'লে। সন্ধিয়া সাত বাজিল। চকুৰ দৃষ্টিৰ পথাৰখনত এন্ধাৰে অৱস্থান ধৰ্মঘট কৰিলে। তৰালিৰ স'তে জোনটোৱে ভুমুকি মাৰিয়ে লুকুৱাব বিচাৰিলে। দেখাত যদিও আকাশ ফৰকাল মেঘ হ'ল তাত আহুকাল; তাতে আকৌ এন্ধাৰ সদায় ক'লা, ফেঁটী সাপৰ ৰং লৈ খোপনি পুতি বৈ থাকে, পোহৰ দুৰ্বল দেখিলেই আক্ৰমণ কৰিবলৈ খেদি আহে। এন্ধাৰৰ ক'লা কাপোৰখনৰ আঁৰত হাতত তুলি লোৱা দেগাৰখনৰ পৰিৱেশো ভয়াৱহ। পোহৰো খোপনি এৰি দিয়া ভকত নহয়। এন্ধাৰ-পোহৰৰ

যুদ্ধও এক সনাতন সত্য, সেয়ে কাঁচি জোন হ'লেও পোহৰৰ স্থিতি সম্ভাৱনা পূৰ্ণ। বহুত আশা বুকুত বান্ধি স্থিতি লৈ থাকে। মেঘৰ বাধা সত্ত্বেও তৰালিয়ে সহায়ৰ হাত উজান দিছে।

চৌধুৰীয়ে আৰম্ভ কৰিলে—

চৌধুৰী ঃ বৰুৱা, আপুনি বাৰু ভাবি চাইছেনে জোনৰ স্থিতিৰ পৰিপ্ৰেক্ষিতত নিজৰ সম্ভাৱনাপূৰ্ণ স্থিতি সম্পৰ্কে। মই উপলব্ধি কৰোঁ জোনটোৱে হয়তো ভাবিছে, 'মোৰ Guilty conscience নাই ; মই পৱিত্ৰ, নিৰ্মল, আস্থাৱান, আত্মাস্থিত। দেহৰ লগত মোৰ মন আৰু আত্মাৰ বিকাশ ক্ৰমবৰ্দ্ধমান, কিয়নো মই সক্ৰিয়, কৰ্মস্পৃহাই মোক খেদি ফুৰে। মই টোপনিৰ দাস নহয়, টোপনিহে মোৰ ভৃত্য, সেয়ে মই পূৰ্ণাংগ হৈ উঠিলে চৌদিশ আলোকিত কৰিম— সৃষ্টিৰ চাৰিমুঠি জীৱক মই আনন্দ দিম। মই সকলোৰে বাবেই আপোন। মৰুভূমিৰ বালিত গা ধোওঁ, নদীৰ পাৰৰ কঁহুৱা ফুলৰ লগত নাচো, বৰফৰ লগত লগ হৈ কথা পাতো, শিমলু তুলাৰ লগত দৌৰি ফুৰোঁ আৰু ৰং-ধেমালি কৰোঁ, বগলীৰ স'তে পাখি মেলি বিলৰ পাৰত বহো আৰু শেৱালি, বকুল তলত পোহৰ বিলাই দিওঁ বাটৰুৱাক। মোৰ Pretention নাই। সাগৰৰ নীলাভ ক'লা আভাকো মই সজ্জিত কৰোঁ। শূন্যৰ পৰা দ্বিতীয়লৈ আহিলোঁ। আশা আৰু প্ৰেৰণা মোৰ অন্তৰংগ বন্ধু। সকলোৰে হিয়া মোৰ ৰূপালী জোনাকেৰে পূৰ্ণ কৰিম।'

বৰুৱা ঃ হেৰি, আমাৰনো ভৱিষ্যৎ কি? জীৱনৰ ভালপোৱাখিনিয়েই যথেষ্ট। ইয়াক লৈয়ে জীৱনটোৰ ভাৰ বৈ ফুৰোঁ। জন্ম অধিকাৰ আছে; কিন্তু প্ৰাণটোৰ অধিকাৰ আমাৰ হাতত নাই। এয়া ধৰক চকুৰ দৃষ্টি যদি হেৰাই যায় অন্ধ হৈয়ে জীৱনটোৰ ভাৰ বৈ থাকিব লাগিব। প্ৰাণটো গ'লে দৃষ্টিও যায়, কিন্তু দৃষ্টি গ'লে প্ৰাণটো নাযায়। এই দুখৰ কাৰণটো বুজাৰ অধিকাৰ নাই। অন্ধ ধৃতৰাষ্ট্ৰৰ কথাই ভাবকচোন? জীৱনত কিমান হাঁহাকাৰ? জীৱনত সকলো পাইছে, অথচ একো নাই। জীৱন মগনীয়া। সেয়ে চাওক, সমাজত একোজন জীৱন অন্ধ দেখোঁ; এই জীৱন অন্ধ অকথ্য-অকাট্য; তাৰ মাজতো একোটা সুখ উলিয়াই জীৱন নিৰ্বাহ কৰি থাকে। এনে বাস্তৱ দিশৰ পৰাই

ধাৰণা হয়, আত্মাৰ ভাব মনে আৰু বুকুৰ ভাষা চকুৱে নুবুজিলে এই প্রেম-প্রীতিৰ এনাজৰীডালেৰে কোনে বান্ধি দুখন হিয়া মিলাই দিলেহেঁতেন এক কৰি। এই মনৰ ভাব, চকুৰ ভাষাৰে সৃষ্টি কৰ্তাক চিনি পাব লাগিব; উপলব্ধি কৰাৰ জ্ঞান নিজে আয়ত্ত কৰিব লাগিব। দৃষ্টিহীনৰ চকুৰ ব্যথা, বুকুৰ ভাষা কোনে বুজিব?

চৌধুৰী ঃ সেই কাৰণেই মই ক'ব বিচাৰিছোঁ যে আপোনাৰ সংগ পাই মই সঁচাকৈয়ে গৌৰৱান্বিত বোধ কৰিছোঁ। আপুনি অকল সৰবৰহীয়েই নহয়, সংস্কৃতিৱানো। তাতে আকৌ দেহাত্মৰ সংস্কাৰেই নহয় সংগ সংস্কাৰো আপোনাৰ আত্মাস্থিত। বহুজন্ম পাৰ হৈ, গীতাত কোৱা, মুক্তিৰ বাটত খোজ দিছে যেন পাইছোঁ। আপোনাক আৰু পিচুৱাই নিনিয়ে।

বৰুৱা ঃ আপুনি বৰ বেছি ক'লেহে; নিজক বেছি দেখুৱালে আনে যেনেকৈ ভাল নাপায়, বেছি দেখুওৱাখিনিৰ কাৰণে ওজনটো কমি যায়। আনে বেছিকৈ নিজক বখানিলেও মনৰ তৃপ্তি অক্ষুণ্ণ নাথাকে। ইয়ো নিউটনৰ গতিৰ তৃতীয় সূত্ৰৰে কথা। সেয়েহে কৈছোঁ মোক লগ পোৱা বাবে গৌৰৱ অনুভৱ কৰক, কিন্তু মই জনাকৈ নোকোৱাই ভাল। কাৰণ তেনে হ'বলৈ হ'লে ছেক্সপীয়েৰৰ দৰে অমৰ নাটক লিখিব পাৰিব লাগিব। He wrote such plays which will last for ages. People will enjoy these plays forever. যেনে কালিদাস মহাকবি, Indian Shakespere; সেয়ে মানুহক অমৰ সৃষ্টি দিব পৰা আৰু পৃথিৱীখন চাব আৰু সৃষ্টিখন অনুভৱ কৰিবলৈ শিকাব পৰাটোহে প্ৰকৃত সংস্কৃতি (Culture) ৰ উৎস। কাৰুকলা বা চাৰুকলা যিয়েই নহওক মুঠতে এটা জীৱন সংস্কৃতি। ধৰক, শ্ৰীমন্ত শংকৰদেৱ, তেওঁ অসমীয়া জাতিক অকল জীয়াই তোলাই নহয় পৃথিৱীৰ মানুহক জন্মৰ এক মুক্ত সংস্কৃতিৰ ধাৰণা সাব্যস্ত কৰাৰ বাট পোহৰাই দি গ'ল। বৈষ্ণৱ ধৰ্মৰে মানৱতাবোধৰ বীজ সিঁচি গণতান্ত্ৰিক সমাজৰ উন্মেষ ঘটালে। তেৱোঁ ৰূপালী জোনাকেৰে হিয়া পূৰ্ণ কৰি ভাৰতীয় জাতীয়তাৰ অন্যতম নিৰ্মাতা হৈছিল। এনে জাতীয়তাবোধ জড়িত মানৱতাবোধ উদিত মনৰ ধাৰণাৰ উন্মেষ ঘটালে কণ্ঠেৰে অসম ৰত্ন ভূপেন হাজৰিকাই।

চৌধুৰী ঃ আপোনাৰ মনৰ উদাৰতাই সকলো কথা মুকলিভাৱে বুজি পোৱাত মোক সহায় কৰিছে। সেয়ে আপোনাৰ সান্নিধ্যত আহি বহুত শিকিলোঁ, বুজিলোঁ, অনুভৱ, উপলব্ধিৰো বাট দেখিলোঁ। ইমান বছৰে ঘৰুৱা সমস্যাই হাতে-ভৰিয়ে বান্ধি ধৰি ৰখা বাবে মুক্ত আকাশখন চাই Meditate কৰিব পৰা উপায় হাতত পোৱা নাছিলোঁ। আপোনাৰ সহায়ত যিমানে আকাশখন চাবলৈ ল'লোঁ, যিমানে দিগন্তক খেদি পিচে পিচে দৌৰিলো সিমানে পৃথিৱীখন চকুৰ আগত বিশাল হৈ বিয়পি যোৱা দেখিলোঁ। সেয়ে, আপাহতে আকাশৰ জোনটো আৰু তৰাবোৰৰ চিক্‌মিক্‌নি দেখি মনলৈ বহু কথাই শিপাই আহে।

তথাপি আত্ম সম্পদ আঁজুৰি অনাত প্ৰত্যেকৰে সহায় সহযোগ স্বীকাৰ কৰিব লাগিব। নিজৰ মনত মুক্ত, পবিত্ৰ, সত্যৰ বিচৰণ হ'লে এন্ধাৰৰ প্ৰৱেশ অধিকাৰ নাথাকে। দেহ ৰক্ষক জীৱাণু আৰু ক্ষতিকাৰক বীজাণুৰ যুদ্ধৰ দৰে আৰু তেতিয়া দুখৰ মাজতো মনৰ প্ৰশান্তিয়ে বিৰাজ কৰে। এই প্ৰশান্তি আত্মাৰ পোহৰৰ ফচল। ধন-সম্পত্তিৰে ইয়াক জোখা নহয়; সংস্কৃতিৰেহে। বুজিলোঁ, সংস্কৃতিৱান নহ'লে জীৱনটো সফল বুলি ক'ব নোৱাৰি।

দুখ দি সুখ লভিবলৈ, ধৰাশায়ী কৰি দম্ভালি মাৰিবলৈ যিসকলে খাপপিটি থাকে বাটত, পিছলি পৰে এন্ধাৰ গাঁতত অজানিতে, এই অভাৱৰ কাৰণেই। এইসকল নিজেই নিজৰ শত্ৰু। সেয়ে, আপুনি কোৱাৰ দৰে এতিয়া বুজি পাইছোঁ যে নিজক চিনি লৈ, নিজেই নিজৰ লগ হৈ, নিজেই নিজৰ লগত আত্মীয়তা গঢ়ি লৈ প্ৰকৃতিৰ ভাব-ভাষাৰে সৃষ্টিকৰ্তা, সৰ্বশক্তিমান, পৰমব্ৰহ্ম পৰমেশ্বৰক উপলব্ধি কৰাৰ বাবে সহৃদয়তাৰ জ্ঞান আয়ত্ত কৰিব পাৰিলে মানৱৰ প্ৰাণৰ স্পন্দন হিয়াত অনুভৱ কৰিব পাৰে। অন্ধজনে এনে প্ৰাণৰ স্পন্দনতহে জীৱনটো অনুভৱ কৰে। নিজৰ লগতে সমাজখনকো স্পন্দিত কৰি তোলে। ৰাতি দূৰণিবটীয়া বাটত অকলশৰে খোজ দি গৈ থকাত এই মুকলি আকাশখনে সহৃদয়ৰ বন্ধুৰ দৰে কিমান সাহসৰ বাট দেখুৱাই বুজিব পাৰিছোঁ— এয়া এজন অন্তৰংগ সতীৰ্থৰ দৰে। ঘৰ ঢুকি পোৱাৰ পাচতো যেন আৰু দুখোজ দিবলৈ মন যায় তেওঁৰ

লগত; ইমান অনুভূতি প্ৰৱণ কৰি তোলে এই আকাশখনে ভাবিবই নোৱাৰোঁ। ইয়ো বিপদতো প্ৰকৃত বন্ধু হৈ ভগৱানত অৱস্থিতি অনুভূত কৰাত সহায় কৰে।

বৰুৱা : এনে সাহসৰ পৰিপ্ৰেক্ষিতত তথা উৎসাহ সম্পৰ্কে বিখ্যাত ইংৰাজ সাহিত্যিক জৰ্জ বাৰ্ণাৰ্ড শ্বই Man and Superman ত কোৱা Will Force কথাৰ গূঢ় আত্মাতত্ত্ব উপলব্ধি কৰিব পাৰি। আত্মাৰ জৰিয়তে পৰমাত্মাৰ মাহাত্ম্য বুজি পোৱাত এই Will Force এ কি ভাৱে মনত ক্ৰিয়া কৰে অনুভৱ কৰিব পাৰি। মই ভাবোঁ এই শক্তিয়ে শ্ৰীমন্ত শংকৰদেৱক জন্মৰ Mission ফলৱতী কৰাত সহায় কৰিলে। সেই কাৰণে পৰমেশ্বৰৰ মহাত্ম্য বুজি পালে আৰু কলা-কৃষ্টি-সংস্কৃতিৰ পোহৰ বিলাবলৈ সমৰ্থ হ'ল। এই পোহৰে আলোকিত কৰিলে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা, কলাগুৰু বিষ্ণু ৰাভা আৰু ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাক। এই Will Force ৰ উৎস হ'ল সমাজৰ প্ৰতি কৰণীয় কামটো পূৰ্ণ কৰাৰ অদম্য হেঁপাহ; কণ্ঠেৰে, কলমেৰে, ধৰ্মৰে, ৰাজনীতিৰে আৰু আনকি বিপ্লৱেৰে। আত্মাৰ পোহৰে এই হেঁপাহ পূৰণৰ বাবে প্ৰয়াসৰ বাট দেখুৱাই লৈ গৈ থাকে। আত্মাৰ এনে পোহৰৰ সন্দৰ্ভত বিশ্ব ব্ৰহ্মাণ্ড পৰিচালনাৰ তিনিটা নীতি মনলৈ আহে। এয়া হ'ল আপেক্ষিকতাবাদ, কোৱাণ্টামবাদ আৰু বিৱৰ্তনবাদ বা পৰিৱৰ্তন সূত্ৰ।

আমি জানোঁ যে বায়ুৰ ঘনত্ব সকলো ঠাইতে, সকলো সময়তে সমান নহয়; সূৰ্যৰ তাপ, সময় ঠাই ভেদে বিভিন্ন। তিনিটা ভিন ভিন সময়ত যদি বায়ুৰ ঘনত্ব উলিওৱা হয় সেইটো হ'ব তুলনামূলক ঘনত্ব বা আপেক্ষিক ঘনত্ব; এয়াই আপেক্ষিকতাবাদ। এনেদৰে যদি আমি ভাবোঁ ধনী মানুহ এজনৰ সুখ, দুখীয়া এজনৰ সুখ আৰু কলাকাৰ শিল্পীৰ সুখ তেনেহ'লে দেখা যাব কাৰো সুখ আন কাৰো সুখৰ সমান নহয়; এয়া তুলনামূলক দুখ।

চৌধুৰী : অ', এইযে কোনোজনে কয়, মোৰ সকলো আছে জয়জয় ময়ময় অৱস্থা, এক কথাত ক'বলৈ গ'লে আজিকালিৰ 'হাইফাই'। কিন্তু সুখ নাই। অৰ্থাৎ সুখ যিখিনি আছে তাৰে তেওঁ সুখী নহয়; ধৰক ধৃতৰাষ্ট্ৰ

(মহাভাৰতৰ)। দুখীয়াজনে যেতিয়া ক'ব মোৰ একো নাই কিন্তু সুখটোহে আছে। এয়া বিদুৰ (মহাভাৰতৰেই); তাৰমানে সেই সুখখিনিৰ ভিতৰত এটা দুখ আছে, সেইটো অভাৱ। সুখৰ মাজৰ দুখে ভোকৰ জুইত পেটপুৰি মাৰে; তেনেকৈ 'হাইফাই'ৰ মাজত থকা দুখেও জুইৰ ফিৰিঙতি হৈ হিয়া দহি মাৰে। মানুহ নিচিনা এচাম আছে যিয়ে তোষামোদকহে ভাল পায়, দেৱতাক ভক্তিৰে তুষিব লগাৰ দৰে, এয়া তোষামোদকাৰীৰ সুখ।

বক্তা ঃ ৰ'ব, সেইটো বুজাৰ আগতে আত্মাৰ কথাটো পূৰ্ণ কৰক। ঘনত্বৰ দৰে প্ৰত্যেকৰে একোটা নিজস্ব আত্মা মনৰ সুখ আছে, যিটো কাৰো লগত নিমিলে। কোৱাণ্টাবাদ চাওক, ধুমুহা বতাহ আহিলে জাকে জাকে আহে-যায়; পৰিমাণ একে নহয় আৰু গতিও বিভিন্ন; আহেও লানি ছিগা-ছিগি কৰি। আগৰ দিনত ব'হাগ মাহত হোৱা মাছৰ উজান উঠাৰ দৰে জাকে জাকে আহে আৰু উন্মত্ততা উপশম কৰাৰ কাৰণে পানী বিচাৰি মেঘৰ গিৰ্জনি শুনি পাব বুলি য'তে-ত'তে পথাৰে-সমাৰে, ৰাস্তাই-ঘাটে উঠি যায়। ইয়ো প্ৰকৃতিৰ পৰা অৰ্জন কৰা প্ৰাণাত্মাৰ জ্ঞান। সেয়ে, পানী নাপালে শেঁতা পৰি প্ৰাণ হেৰুৱায়।

আনহাতে, চাওক সংস্কাৰ বা ক্ৰমাগত পৰিৱৰ্তন হৈ হৈ মানুহৰ আজিৰ অৱস্থা পাইছেহি। দেহৰ আৰু আত্মা মনৰ পৰিৱৰ্তন তথা সংস্কাৰ। যেনে— ধৰক আজিকালিৰ স্বাস্থ্য আৰু সৌন্দৰ্য চৰ্চা। এনেদৰে এহাতে শৰীৰৰ পৰিৱৰ্তন আৰু আনহাতে মন-আত্মাৰ পৰিৱৰ্তন। দেহৰ লগত মনৰ সম্পৰ্ক আৰু মনৰ লগত আত্মাৰ সম্পৰ্ক— এয়া নিবিড় সম্পৰ্ক। মন বোলোতে আহিল ইচ্ছা, ইচ্ছা বোলোতে আহিল পৰিৱেশৰ তাড়না। পৰিৱেশৰ তাড়না বুলিলেই চেষ্টা জড়িত হৈ পৰে ইন্দ্ৰিয়ৰ তৃপ্তি সাপেক্ষে। এনে আত্ম চেষ্টাৰ পৰিপ্ৰেক্ষিততে উল্লেখ কৰিব পাৰি 'মন কৰিলে চন হয়'— While there is will, there is way. আন এটা এনে অভ্যাসৰ প্ৰচেষ্টা হ'ল অৰ্জুনৰ লক্ষ্যভেদী শৰ, উদাহৰণস্বৰূপে, 'অভ্যাসৰ নৰ কৰ্ণপথে কৰে শৰ।' ই হ'ল 'Trial and Error Method' এয়াও প্ৰকৃতিৰ সত্য তত্ত্বৰ আধাৰতে প্ৰতিষ্ঠিত। আত্মাৰ পোহৰ যাৰ উপলব্ধি নহয়, তেনে

মানুহে জীৱনৰ প্ৰকৃত লক্ষ্য আৰু উদ্দেশ্য অনুধাৱন কৰিব নোৱাৰে। ফলত তিনি অনৰ্থৰ এন্ধাৰে নজৰ বন্দী কৰি ৰাখে; ওলাই আহিলেও আকৌ বেড়ি ধৰে।

চৌধুৰী ঃ তাৰমানে আপুনি বিৱৰ্তনবাদৰ নামত সংস্কৃতিৰ সংস্কাৰৰ কথা অৱগত কৰিব বিচাৰিছে, য'ত ঐকান্তিকতাৰে কৰা চেষ্টাই উদ্ভাৱনৰ বাট মোকলায়?

বৰুৱা ঃ এয়াইটো Will Force. ইয়াৰ লগত আত্মা-পৰমাত্মাৰ সম্পৰ্কৰ কথা আছে। এনে পৰিপ্ৰেক্ষিতত এটা মন কৰিবলগীয়া কথা দাঙি ধৰিব বিচাৰোঁ।

চাওক, ঢাকনি ফিটখাই থকা পাত্ৰ এটাত পানী পূৰাকৈ ভৰোৱাৰ আগতে গাৰফালে মধ্যত এটা বিন্ধা কৰি পানীখিনি গৰম কৰিলে আৰু বিন্ধাটো পানী গৰম হোৱাৰ পিচত খুলি দিলে পানী তললৈ আৰু ভাপখিনি ওপৰলৈ যোৱা দেখা যাব। এয়া কোনো বস্তু বা পদাৰ্থৰ স্থিতি সত্তা আৰু গতি সত্তাৰ উদাহৰণ। গতি সত্তাত যেনেকৈ স্থিতি সত্তাৰ ৰূপ থাকে তেনেকৈ স্থিতি সত্তাটো গতি সত্তাৰ ৰূপ এটা লুকাই থাকে। ইয়াক বন্ধ কৰি ৰখা হয় নিজৰাৰ বাগৰি অহা পানী বন্ধ কৰাৰ দৰে। সক্ৰিয় কৰিলেহে শক্তি ধৰা পৰে। অৰ্থাৎ মুক্ত কৰি এৰি দিলে।

চাওক, পানীখিনি তললৈ নামি যোৱা প্ৰৱণতাই ছাৰ আইজাক নিউটনৰ আপেল মাটিত পৰা আকৰ্ষণৰ কথা মনত পেলায়। অৰ্থাৎ মাধ্যাকৰ্ষণ শক্তি আৰু ওপৰলৈ যোৱা ভাপখিনিয়ে জেমছ ৱাটৰ ভাপ ইঞ্জিনৰ কথা সোঁৱৰালে। চাওক, তাপেহে দুয়োকো বিচ্ছিন্ন কৰি দিলে। এনেদৰে দেখা যায় বাস্তৱৰ সম্যক জ্ঞান আহৰণৰ ক্ষেত্ৰত বুদ্ধি (Intellect) আৰু স্বাভাৱিক জ্ঞান (Intuition) দুয়োটাৰে প্ৰয়োজন। ড° সৰ্বপল্লী ৰাধাকৃষ্ণণে তেওঁৰ An Idealist View of life ত দৃষ্টিভংগী এটা দাঙি ধৰিছে যে 'Intuition requires intellect for the expression, elaboration and justification of its results.' He also holds that intuitive experience can give us the immediate knowledge of reality. এয়া বস্তুৰ মুক্ত স্থিতিৰ দৰে আত্মাৰ মুক্ত প্ৰবৃত্তি; আত্ম সন্মানৰ দৰে।

According to Radhakrishnan, by intuition we can obtain direct and absolute knowledge of reality. He says that intellectual knowledge enables to know about the world. It has a practical aim. But intuition enables us to trescend the dualistic mode of thinking and enter in to the heart of reality.

মুঠতে পৃথিৱীৰ অন্তৰ্নিহিত বাস্তৱক স্বাভাৱিক জ্ঞান সাপেক্ষে ব্যৱহৃত গভীৰ চিন্তা আৰু উপলব্ধিয়ে আঁজুৰি আনে। সেয়ে নতুন নতুন চিন্তাত সৃষ্টি আছে আৰু Animal pleasures ত জড়তা আছে।

প্ৰকৃতিৰ নিয়ম সমতা বজাই ৰখা; বায়ু-পানীৰ সেয়ে সম লেভেল প্ৰৱণতা। ভাষমান বস্তু পানী, বায়ু উভয়ৰে ওপৰত আপেক্ষিক ওজন সাপেক্ষে শক্তি আৰু সৃষ্টিৰ পৰিপ্ৰেক্ষিতত দেখিব সমন্বয় আৰু পৰিপূৰক সূত্ৰ।

চৌধুৰী ঃ ৰ'ব, আপোনাৰ কথাই মোকো চিন্তাত পেলালে। চাওক, গভীৰ নলীনাদৰ পৰা মটৰেৰে যে পানী উঠাই তাৰ সূত্ৰটো হ'ল বায়ুৰ শূন্যতা সৃষ্টি আৰু পানীৰ সম লেভেল প্ৰৱণতা শক্তিৰ সহায়ত বা প্ৰয়োগত সহসলভ্য সুবিধা গ্ৰহণ। আনহাতে, ভাপখিনিও নিজৰ শক্তিৰ সহায়ত বায়ু ঠেলি খালী ঠাই বিচাৰি ওপৰলৈ যায়। আমি জানো বায়ু অবিহনে প্ৰাণৰ স্থিতি নাই দেহত। সেয়ে মৃত্যুমুখী ৰোগীক অক্সিজেন দি তাকৰ সময় জীৱন ৰক্ষা কৰে। তেনেদৰে আত্মাইয়ো বায়ুৰ স্থিতি অবিহনে স্থিতি ল'ব নোৱাৰে। অক্সিজেন দি প্ৰাণটো (জীউ) নিৰিবিলি মনে ওলাই যোৱাত সহায় কৰে। ইয়ে প্ৰদৰ্শন কৰে যে এটা জীৱিত দেহত মাধ্যাকৰ্ষণ শক্তি আৰু বায়ু স্থিত আত্মা সাপেক্ষে পৰমাত্মাৰ শক্তি নিহিত।

বৰুৱা ঃ এতিয়া চাওক, আৰম্ভণিয়ে পদ্ধতিমূলকভাৱে শেষ পৰ্যায় ঢুকি পোৱাত সহায় কৰাৰ দৰে বায়ুৱে যিখিনি ঠাইত (পৃথিৱী তথা বিশ্ব ব্ৰহ্মাণ্ড) দখল সাব্যস্ত কৰিব পাৰিছে সেইখিনিতহে বিশ্ব প্ৰকৃতিৰ অৱদান স্বীকাৰ্য। গধুৰ বস্তু তললৈ নামে আৰু পাতল বস্তু (হেলিয়াম পূৰ্ণ বেলুন) ওপৰলৈ উঠে। এই নামি যোৱা আৰু উঠি যোৱা দুয়োটাৰ শেষ সীমা আছে। এয়ে প্ৰকৃতি স্থূল, এই প্ৰকৃতিৰ আশ্ৰয়ে পৰম

ব্ৰহ্মাৰ সূক্ষ্ম আৰু স্থূল দেহৰ স্থিতি স্থল। Nature is God. বুলি কোৱাৰো এয়ে পৰিসৰ। ইয়াতেই যিমানবিলাক সৃষ্টি-স্থিতি-প্ৰলয়ৰ ৰহস্যৰ কথা প্ৰকাশিত হয় ইয়ো অনন্ত শক্তিৰ উৎস সূৰ্যৰ তাপ আৰু পোহৰৰ ফল।

পৃথিৱী বৃত্তৰ পৃষ্ঠ হ'ল মাতৃ ৰূপে ধৰিত্ৰী (লক্ষ্মী); ইয়ে সৃষ্টিৰ সংসাৰখন ধৰি ৰাখে, অৰ্থাৎ মাটি নহ'লে সৃষ্টি নৰজে। সৃষ্টি শক্তিৰ উৎস তথা অনন্ত শক্তিৰ সৃষ্টিকাৰী সূৰ্য (পুৰুষ)-বিষ্ণু। সৃষ্টি জন্মৰ সূৰ্য পিতৃ আৰু ধৰিত্ৰী মাতৃ; চাৰিমুঠি জীৱৰ জন্মৰ এয়ে ত্ৰিতত্ত্ব— সমতা, সমন্বয় আৰু পৰিপূৰকতা।

চাওক, সূৰ্যৰ তাপ-পোহৰ ধৰি ৰাখে বায়ুৱে। এই বায়ু, তাপ আৰু পোহৰ লগলাগি প্ৰৱেশ কৰে ধৰিত্ৰী সাপেক্ষে মাতৃ গৰ্ভত। বায়ু, তাপ আৰু পোহৰ লগলাগিয়ে আত্মাৰ স্থিতি নিৰূপণ কৰে দেহত। তেনেকৈয়ে পৰম বায়ু, তাপ আৰু পোহৰ লগলাগি পৰমাত্মাৰ স্থিতি বিশ্ব প্ৰকৃতিৰ দেহত প্ৰকাশিত হয়। এয়ে আত্মা, পৰমাত্মা, অবিনাশী স্বৰূপ তত্ত্ব। ইয়ে হ'ল প্ৰকৃতিৰ সমতা, সমন্বয় আৰু পৰিপূৰক তত্ত্বৰ সমাহাৰ।

এতিয়া জীৱন তথা সংসাৰখনলৈ আহক। প্ৰকৃতিৰ সংসাৰ প্ৰকৃতিয়ে চলায় আৰু জীৱৰ সংসাৰ জীৱে চলায়; কিন্তু দুয়োটাৰে সূত্ৰ হ'ল— সমতা, সমন্বয় আৰু পৰিপূৰকতা। জন্মৰ ঔৰসৰ ভ্ৰূণত সকলো অঙ্গ-প্ৰত্যঙ্গৰ স্থিতি আছে আৰু ইটোৱে সিটোৰ অভাৱ পূৰ কৰিছে। ই যিহেতু এটা জীৱ, ইয়াৰ ক্ষুধা আছে; এই ক্ষুধাৰ নিবৃত্তি নিৰ্ভৰ কৰে দুই হাতৰ কৰ্মত। কেঁচুৱাই মাতৃৰ স্তনত ধৰি হাতেৰে দুগ্ধ পান কৰে, যমজ সন্তান হ'লে দুয়ো এটা সময়ত দুগ্ধ বিচাৰে। মাকে সৎ, সমতা, ন্যায় আৰু মানৱতাৰ নীতিৰে দুয়োকে পৰিচালনা কৰে, এয়ে ধৰ্মনীতিৰ উৎস।

চৌধুৰী ঃ ক্ষুধা নিবৃত্তিৰ বাবে কৰা হাতৰ কৰ্ম ধৰা পৰে গৰ্ভস্থ সন্তানে জন্মৰ লগে লগে যেতিয়া পিটপিটকৈ পৃথিৱীখন চায়, আনন্দত হাঁহে, দুখ পালে, ভোক লাগিলে কান্দে, হাতদুখন মেলি যি পাই মুঠা মাৰে, দাঙি আনি মুখত দিয়ে। ইয়ে উনুকিয়াই যে খাব লাগিলে দুই হাতেৰে

চপাব লাগিব। হাতেৰে চপাই কেঁচুৱাই মাতৃৰ বুকুত দুগ্ধ এই কাৰণেই পান কৰে, সেয়ে পেটৰ ক্ষুধাৰ নিবৃত্তিয়ে জীৱন সংগ্ৰামৰ প্ৰবৃত্তি।

বৰুৱা : এই ক্ষুধাৰ নিবৃত্তিৰ উপায় আছে প্ৰকৃতিৰ বুকুত— মাতৃ দুগ্ধৰ দৰে। দুই হাতৰ কৰ্মইহে চপাব পাৰে ইয়াৰ ফচল। সেয়ে কৰ্ম শক্তিৰ প্ৰকাশ বুদ্ধিৰ বিকাশ; অৰ্থাৎ কেনেকৈ বস্তুটো ধৰিব বা কেনেকৈ প্ৰকৃতিৰ বুকুত বস্তুটো উৎপন্ন কৰিব আৰু খাব পৰাকৈ লৈ মুখত দিব সেয়ে হ'ল স্বাভাৱিক শিক্ষা। এই শিক্ষাৰে শিক্ষিত হৈ বিজ্ঞান, প্ৰযুক্তি-বিদ্যাক হাতত লৈ পৃথিৱীৰ বুকুত সোণ বুটলি ল'বলৈ আগবাঢ়িছে আজিৰ মানুহ।

প্ৰকৃতিৰ পৰিঘটনা সাপেক্ষে জীৱ আৰু জড়ৰ য'ত স্থিতিসত্তা সেয়েই মানুহৰ শিক্ষা-দীক্ষা তথা চিন্তা-চৰ্চাৰ পৰিধিৰ ক্ষেত্ৰ। কাৰণ পদাৰ্থ অবিহনে জীৱৰ অস্তিত্ব অৰ্থহীন। কিন্তু এইটো ঠিক যে বিজ্ঞানৰ ইতিহাসেই হওক, ধৰ্মৰ উপলব্ধিৰ ইতিহাসেই হওক বা জ্ঞান-বুদ্ধি আৰু যুক্তিৰে কৰা অনুমানেই হওক আটায়ে নিৰন্তৰে হাতত হাত ধৰি আগুৱাই গৈহে আছে।

পৃথিৱীখন জীৱজগত আৰু জড়জগতৰ সমষ্টি; সাপ আৰু ৰছীৰ দৰে, দুয়োটাৰ একেই প্ৰকাৰ। সাপ মৰিলে ৰছী, ৰছীত সৰ্প ভয়ৰ ভ্ৰম। ইয়ো এক পৰিৱেশত আয়ত্ত কৰা সংস্কাৰধৰ্মী আত্মজ শক্তি। ভ্ৰমৰ দৰে সৎ উদ্যমো কোনো জড় পদাৰ্থই সৃষ্টি কৰিব পাৰে। ৰছীডালক কম পোহৰ তথা জ্ঞানত সাপ বুলি ভবা আৰু বিশ্বাসত আত্মজ্ঞান সাপেক্ষে মূৰ্তিক ভগৱান বুলি ভবা একেই কথা যদিও ৰছীক সাপ বা কলগছ এডালক ছাঁ-পোহৰত দেও-ভূত বুলি চক খালে দেহৰ অন্যায় হয়। কিন্তু মূৰ্তিক ভগবান বুলি ভাবিলে আত্মজ শক্তি উন্নত হয়; ভক্তি আহে, মনৰ উদ্যম বাঢ়ে, কৰ্মত সততাই শিপা মেলে আৰু ডাঙৰৰ প্ৰতি শ্ৰদ্ধাৰ ভাব ওপজে।

বৰুৱা : প্ৰকৃততে জীৱনত যিয়ে আধ্যাত্মিক ধাৰণাৰ প্ৰতি নম্ৰনীয় ভাব ৰাখি বিজ্ঞানৰ ডেউকা লগাই আধুনিক শিল্প বিষয়ক জ্ঞান আয়ত্তৰ আকাশত উৰিব পাৰে সি স্বাৱলম্বী আৰু চিৰতৃপ্ত, সন্তুষ্ট আদৰ্শবাদী পুৰুষ হ'ব পাৰে। লগতে নিৰ্ভীকতাৰ লগত আত্ম প্ৰেম, স্বদেশ প্ৰেম আৰু

মানৱ প্ৰেম সদায় সজীৱ তথা প্ৰকাশ হৈ থাকে তেওঁৰ কৰ্মত। তেওঁ মানৱীয় প্ৰমূল্যক প্ৰাধান্য দিয়ে আৰু চিৰজীৱন নিকা হৈ থাকে; তেওঁ জীৱন যুঁজত কক্‌বকাই নাথাকে। Spiritual benefit নভবাকৈ তেওঁ পাই যায়। জীৱাত্মা সম্পৰ্কে গীতাত কৈছে।

জানিবা জীৱাত্মা পৰমাত্মা অংশ
জল বিন্দু সিন্ধু যেন।।

চাওক, য'ত বস্তুৰ স্থিতি আছে তাতেহে পোহৰ দৃশ্যমান হয়। ভেকুৱাম বায়ুশূন্য কাৰণে ঘোৰ এন্ধাৰ। এনেদৰে বাস্তৱত কল্পনাৰ ৰহণ খাটে, কিন্তু শূন্যত কল্পনা নিৰৰ্থক। এই যে কয় 'যত জীৱ তত শিৱ'। অৰ্থাৎ য'ত জীৱাত্মা আছে তাত জীৱ আছে-প্ৰাণ আছে। য'ত প্ৰাণ আছে তাত পৰমাত্মাৰ সংযোগ ঘটে। কাৰণ জীৱৰ প্ৰাণ বায়ুৰ মাধ্যমত থকা আত্মাৰ অৱদান। এই জীৱৰ মৃত্যু হ'লে যি বায়ু ওলাই যায় সেই বায়ু বিশ্ব তথা অনন্ত বায়ুত মিহলি হয়। প্ৰথাটো আপুনি কোৱা মটৰেৰে পানী তোলাত খালী ঠাইৰ সৃষ্টি কৰি পূৰোৱা বায়ু আৰু পানীৰ সহযোগ সাপেক্ষে সমলেভেল প্ৰৱণতাৰ পৰিপূৰক প্ৰথা বা তত্ত্ব। এয়া মাতৃগৰ্ভত বৰ্দ্ধিত ঔৰস পিণ্ডৰ ভ্ৰূণত খালী ঠাই বিচাৰি প্ৰৱেশ কৰা বায়ু আৰু মৃত্যু হ'লে ওলাই যোৱা বায়ুৰ পৰিপূৰক প্ৰণালীবদ্ধ তত্ত্ব। পৰমাত্মাৰ পৰা জীৱদেহত আৰু জীৱদেহৰ পৰা পৰমাত্মাত; এক চক্ৰ গতি। এয়া ভগৱানে দুষ্টক নচুৱাই শাস্তি দি দমন আৰু ধ্বংস কৰে, শান্তক শুভাশিস তথা দেহাত্মৰ সুগতিৰ পৰশেৰে পালন কৰে। এই উদ্দেশ্যতেই বায়ুই বতাহ হয়, বতাহে ঘূৰ্ণি বতাহৰ সংহাৰী মূৰ্তি ৰূপ ধৰে, সমতা ন্যায়-নীতি অটুট ৰাখে। ঘূৰ্ণি বতাহৰ শক্তিয়ে পৰম তথা মহাশক্তি। এনে পৰিপ্ৰেক্ষিততে সৃষ্টি হয় দুৰ্যোগ, প্ৰলয় আৰু মহাপ্ৰলয়ৰ। কৰ্মভেদে এই ফল লাভ হয়, শ্ৰীকৃষ্ণৰ হাতৰ চক্ৰই এই চক্ৰবৎ ফলকে প্ৰতীয়মান কৰিছে।

চৌধুৰী ঃ তাৰমানে মই ভাবোঁ মনৰ পৰিপূৰক কামটো আৰু এই কামৰ পৰিপূৰক ফল। এই ফলৰ পৰিপূৰক আকৌ মনটো সাপেক্ষে ইন্দ্ৰিয়ৰ তৃপ্তি. কৰ্মানুসাৰে ভাল-বেয়া ফলো কৃষ্ণৰ হাতৰ চক্ৰৰ ব্যৱহাৰে প্ৰকট কৰে। এনে দিশতে নিউটনৰ গতিৰ তৃতীয় সূত্ৰ প্ৰত্যক্ষ কৰিব পাৰি। শ্ৰীকৃষ্ণ গীতাত যে অৰ্জুনক কৈছে—

কৰ্মতেহে অধিকাৰ তব ধনঞ্জয়।

ফলে অধিকাৰ কিন্তু কদাপিতো নাই।।

কৰ্মৰ প্ৰকৃতি সম্পৰ্কে আৰু কৈছে—

নিষ্কাম কৰ্মৰ ফল প্লাৱন সমান।

এনেদিশতে মই আৰু এটা কথা ভাবোঁ; প্ৰথমতে ধৰক সংস্কৃতিৱান হোৱাৰ কাৰণে অৰ্হতা অৰ্জন সাপেক্ষে কৰা শ্ৰম আৰু ধন-সম্পত্তি ঘটাৰ সম্পৰ্কে কৰা শ্ৰম একে নহয়। তেনেকৈ শিক্ষিত হৈ চাকৰিৰ কাৰণে পঢ়া কাম আৰু জ্ঞান অৰ্জনৰ কাৰণে পঢ়া কাম বেলেগ। সংস্কৃতিৱান বা জ্ঞানৱান হোৱাৰ বাবে কৰা কাম এক প্ৰকাৰ নিষ্কাম কৰ্ম। সংস্কৃতিৱান বা জ্ঞানীজন মৃত্যুৰ পিচতো ওখ হৈ থাকে। আনহাতে অৰ্থৰ কাৰণে কৰা কাম সকাম কৰ্ম। এয়া ভাবোঁ নিষ্কাম কৰ্মৰ মনোযোগ আত্মা সৃষ্ট আৰু সকাম কৰ্মৰ যত্ন সাংসাৰিক আৰু পৰিৱেশীয়।

এই যে নিউটনৰ গতিৰ তৃতীয় সূত্ৰ— প্ৰকৃততে প্ৰকৃতিৰ সূত্ৰ। এক কথাত সমতাৰ সূত্ৰ। গাঁৱত সৰুতে মই কোৱা শুনিছিলো, 'দিছোঁ ধন চাইছোঁ মন, কাঢ়ি নিওতে কোঁতক্ষণ'। এই ধন দিয়া নিয়া; সুখ দিয়া-নিয়া, যাতনা দিয়া-মুক্ত কৰা, প্ৰশংসাৰ জোঁৱাৰ ভাটাত উটি-ভাহি-বজি ফুৰা, সন্ত্ৰাসবাদী হৈ এন্ধাৰত ঘূৰা, জন্মতে সোণৰ চামুচ লৈ, মৃত্যুৰ সময়ত কাঠৰ চামুচ নোপোৱা আদি সকলো প্ৰকৃতিৰ এই সূত্ৰমতে পৰিচালিত হোৱা কৰ্ম আৰু তাৰ ফলৰ প্ৰক্ৰিয়া।

বৰুৱা ঃ হেৰি, শ্ৰীমন্ত শংকৰদেৱৰ ধৰ্মৰো সেই একেই বাণী। 'হাতে কৰা কাম, মুখে বোলা ৰাম।' প্ৰকৃততে এয়া দেহ আৰু মনৰ সংযোগ — Activity method in education. ইয়াত Internet দুটা— এটা ধৰ্মীয়, ৰাম নামে মনাত্মাৰ সংস্কাৰ, আনটো পাৰ্থিৱ— সংসাৰৰ মায়াবন্ধন স্বৰূপ, দেহৰ ক্ষুধা নিবৃত্তি। জলবিন্দু সিন্ধুৰ দৰে Brahma Net তৰ পাহিৰ বায়ুকণা আত্মাৰ দেহত ধৰে লাগি। সেয়ে যুক্তিৰ কাৰণে যেনেকৈ যুক্তি নহয় তেনেকৈ বৈৰাগীয়ে কৰা ধাৰণাৰ কাম বা কেৱলীয়া ভকতে কৰা কাম আধুনিক যুগৰ কাম্য নহয়। ফলৰ কাৰণে শুদ্ধ অশুদ্ধ বিচাৰ নথকা কাম প্ৰকৃততে আধ্যাত্মিক ভাবাপন্ন সুকৰ্ম নহয়। এই বিচাৰতো মানুহৰ কৰ্ম আৰু ফলৰ বিচাৰ, প্ৰকৃতি

নীতিৰ গতিৰ আধ্যাত্মিক সূত্ৰৰ আধাৰ।

জাপি দিয়া কামৰ (Imposed work) যত্ন আৰু ফল আৰু আত্মদিশত নিৰ্ভৰশীল স্ব-ইচ্ছাই কৰা কামৰ বিশেষ মনোযোগ আৰু ফলৰ মাজত পাৰ্থক্য আছে। আমি যদি ল'ৰা এজনক আদেশৰ সুৰত কাম এটা কৰিবলৈ জোৰ কৰো সি কামটো কৰিবলৈ ইচ্ছা নকৰে; যদি কামটো কৰা নকৰাৰ সমস্ত দায়িত্ব তাৰ নিজৰ ওপৰত এৰি দিওঁ, সি কামটো কৰিবলৈ আগ্ৰহ কৰিব। এইটোৱেই আত্ম দিশ। জন্মতে মানুহ মুক্ত আৰু সৎ, সমতা, মানৱতা আৰু ন্যায়পৰায়ণ গুণাসক্ত। ইয়াতেই নিৰ্ভৰ কৰে আত্ম সন্মানো। ইচ্ছা শক্তি বুলি যে উল্লেখ কৰা হৈছে ইয়াৰ উৎস হ'ল আত্ম ৰুচি— Self interest, আত্মোৎসাহ Self encouragement. এনে দিশতে দেখা স্ব-ইচ্ছাই কৰা কামত মানসিক শান্তি পায়। Self willed work gives mental pleasure to doer. যেনে— খেলা খেলি ভালপোৱা, শিকাই-উপদেশ দি ভালপোৱা, বিপদত আনক সহায় কৰি ভালপোৱা, ৰোগী শুশ্ৰুষা কৰি ভালপোৱা ইত্যাদি ঐশ্বৰিক আনন্দৰ অনিন্দ্য কৰ্ম। Self interset provides play way spirit and pleasure to doer. অৰ্থাৎ আত্মৰুচিৰে কামটো কৰিলে ইয়ে খেলৰ আনন্দ প্ৰদান কৰে মনত। এই মনোবলে কামটো সজীৱ আৰু সক্ৰিয় কৰে। জন্মতে তিনিটা মানসিক ৰুচিৰ উদয় হয় ইন্দ্ৰিয় সাপেক্ষে। যেনে— প্ৰাণ, গান আৰু খেলা। ইয়াক প্ৰতিজন মানুহে ভাল পায়। জীয়াই থকাৰ ইচ্ছাই যেনেকৈ জীৱনটোত সজীৱতা প্ৰদান কৰে, তেনেকৈ গীত আৰু খেলায়ো এই সজীৱতাত সমানে ভাগ লয়। এই ৰুচিৰ প্ৰয়োগেৰে ল'ৰা-ছোৱালীক গঢ় দিলে প্ৰকৃত নাগৰিক হোৱাত অগ্ৰসৰ হ'ব পাৰে, লগতে মানৱ সম্পদ বৃদ্ধিৰ সম্ভাৱনাও প্ৰকট হৈ পৰে। সদিচ্ছা জড়িত এই আত্মশক্তি ক্ৰমাগত বৃদ্ধি হ'লে জন্মগত প্ৰতিভাই প্ৰাণ পাই উঠে আৰু ডাঙৰ, মহৎ, অসাধ্য কাম সাধনা কৰাত সহায় কৰে। ইয়ে দেশৰ মানৱ সম্পদ বঢ়ায়, অৰ্থাৎ কৰ্ম সম্পাদনাৰ বাবে ইচ্ছা শক্তি বৃদ্ধিৰ অন্য এক মাত্ৰা প্ৰদান কৰে। আত্ম দিশত কৰা কৰ্ম বিচাৰ সম্পৰ্কে গীতাৰ ভাষ্য হ'ল—

শ্ৰদ্ধা-ভক্তি হীন হৈয়া যি কৰ্ম কৰয়।

ইহলোক-পৰলোক ক'তো ফল নাই।।

চৌধুৰী ঃ মই ক'ত, কাৰ লগত বহি শুনি আছোঁ এই মহান-মহৎ উদ্ভাৱন সদৃশ চিন্তা, সাধনা, ঐকান্তিকতাপূৰ্ণ কথাবিলাক ভাবিবই নোৱাৰোঁ।

বৰুৱা ঃ হাঁহিমাৰি ক'লে— আপুনি ভাবিব পৰা নাই মানে মই বিশেষ একো ভাবিবলগীয়া কথা কোৱা নাই। মই যি কৈছোঁ আপুনিও নজনা নহয়। সকলোৱে সকলো কথা জন্মগতভাৱে জানে; কিন্তু এই জ্ঞানৰ অনুভূতি নাজাগে— প্ৰাণটোৰ লগত চেতন শক্তি আছে। কোনোবাজনে কৈ দিলে মনত অনুৰণন তোলাত অনুধাৱন কৰিব পাৰে।

চাওক, প্ৰকৃত তথা চিৰবাস্তৱ কথাৰ পৰাই সৃষ্টি হ'ল প্ৰকৃতি। অৰ্থাৎ চিৰসত্য কথা বা সঁচা-সত্যৰ ওপৰত অধিষ্ঠিত ধাৰণা। যেনে- গাখীৰ বগা, ক'লা নহয়; এঙাৰ ক'লা, বগা নহয়; সূৰ্যটো কোন কাহানিবাৰ পৰাই একেদৰে চলি আহিছে, আজিও একেদৰে আছে, তেনেকৈ গ্ৰহবোৰৰ গতি, স্থান, স্থিতি সম্পৰ্কে অনুমান, উপলব্ধি, চিন্তা দৈনন্দিন বাস্তৱ জ্ঞান আদি চলি আহিছে। এনে সত্য অধ্যয়নৰ পৰাই জ্যোতিষ শাস্ত্ৰৰো উদয় হৈছিল।

এনেদৰে বাস্তৱ, সত্য-সঁচা কাহিনী, সংলাপ আদিত মনোনিবেশ কৰা বাস্তৱ সত্য কথাহে মনত শিপায়। কাৰণ, এইবোৰ জ্ঞানে ইতিমধ্যে মনত বাস লৈ আছে। এয়ে আত্মবোধ; এই আত্মবোধেই ব্ৰহ্ম জ্ঞানৰ ওচৰ চপায়। এক কথাত আত্ম স্মৃতি- Self recollection. আত্ম ৰোমন্থন। যেনে— তেজ-মঙহৰ অনুভূতি, মোৰ ভোক লাগে— আনৰো; গাৰ নোম টানিলে দুখ পাওঁ— আনজনেও পায়; মোৰ দেহত কাটিলে তেজ ওলায়— আনৰো। এনে মানৱীয় তথা জীৱন অনুভূতি-উপলব্ধি যাৰ নাই তেওঁৰ নিজৰ আত্মাৰ কি গুণ-ধৰ্ম বুজি তাক নাপায়। তেওঁ নিজৰ ৰুচি-অভিৰুচি-অনভিৰুচি, যোগ্যতা-অযোগ্যতা, সক্ষমতা-অক্ষমতা একো কথাই উপলব্ধি কৰিব নোৱাৰে। দেখা দেখি সকলোতে আগবাঢ়ে, ক'তো হ'লে ফল নধৰে।

আনক যি হোৱা দেখে তেৰোঁ নিজেও হ'ব বিচাৰে; আনে যি কৰে তেৰোঁ কৰিব বিচাৰে, নোৱাৰিলে খং উঠাই নহয়, যিকোনো

উপায় অৱলম্বন কৰি, কূটকৌশল লগাই বা ক'লা ধান্দাৰে হ'লেও কৰে; প্ৰকৃততে এয়া ধন-শক্তি-প্ৰশংসাৰ নামত আত্ম প্ৰৱঞ্চনা। নিজৰ আত্মাকেই যিহেতু চিনি নাপায়, আত্মজ্ঞান নাই, গতিকে তেওঁৰ আত্মাত লুকাই থকা বিশ্বজনীন অনুভূতি কেনেকৈ উপলব্ধি কৰিব? শেষত নিজকে নিজে ঠগে। সেয়ে বিচৰাটো নাপালে ক্ষমতা হস্তগত কৰিব নোৱাৰিলে খং নিয়ন্ত্ৰণ কৰিব নোৱাৰি পৰাজয় হোৱা বা জীৱন মেহনতী অথলে গ'ল বুলি ভাবি হীনমন্যতাত ভোগে। আনকি ঘৰ আৰু নিজৰ ওপৰতো খং পলুৱাব খোজে। আত্ম সমালোচনাক পিঠি দি পৰচৰ্চাত মজি নিজে সকলোতে সৰ্বেসৰ্বা হ'ব বিচাৰি বা আনক হস্তক্ষেপ কৰি ঘৰখনকো উলংগ কৰে আৰু নিজৰো ধ্বংস মাতি আনে।

চৌধুৰী : ইয়াৰ সংশোধন? আৰু ৰ'ব, গাঁৱত সৰু থাকোঁতে কথা এটা শুনিছিলোঁ— দুজনী সতিনীয়ে কাজিয়া কৰি খঙত চৰম সীমা পাই দুয়ো নাঙঠ হৈ যোৱাটো খং শাম কটা নাছিল, তেজীমলাৰ কাহিনী জানেই নহয়। এনে পৰিপ্ৰেক্ষিততে জীৱন কৰ্মৰ চতুবৰ্গ (ধৰ্ম-অৰ্থ-কাম-মোক্ষ) ফল ধৰা পৰে। ইয়াৰে ধৰ্ম আৰু মোক্ষৰ ফল আত্মাৰ শোধন সাপেক্ষে লাভ হয়। আনহাতে কাম আৰু অৰ্থৰ ফল লোভ আৰু ক্ষমতাৰ সন্দৰ্ভতে আত্ম বঞ্চনা হয়, নহয়নে বাৰু?

বৰুৱা : ৰত্নাকৰ দস্যুৰ যেনেকৈ অনুভৱ হ'ল যে তাৰ পাপৰ ভাগ কোনোৱে নলয়, তেনে কথাই আত্মাত অনুভূতি জগায়; আত্মাৰ এনে উপলব্ধিৰ জ্ঞানে মনৰ শুদ্ধতা আনে। দ্বিতীয় হ'ল পুনঃ পুনঃ ভগৱানৰ নাম স্মৰণ; আত্মজ্ঞান ৰোমন্থন কৰাৰ এয়ে যাদুকৰী কৌশল। যেতিয়া নিজক আনৰ জীৱাত্মা ৰূপত উপলব্ধি হ'ব তেতিয়াহে আত্মজ্ঞানে সঁহাৰি লাভ কৰিব। এনে আত্মজ্ঞানে বা আত্মজ্ঞান ৰোমন্থনে একোজন সাধাৰণ মানুহকো একোটা বাস্তৱ পৰিৱেশৰ ঘটনাই অসাধাৰণ কৰি তোলে, অসাধাৰণ ব্যুৎপত্তিৰ বিকাশ হয়। কৃষ্ণ গীতাত কৈছে—

আত্ম জ্ঞান লভিলেহে মন শুদ্ধি হয়।
পৰম শান্তিক লাভ অচিৰে কৰয়।।

চৌধুৰী : সকলো জীৱাত্মাই পৰমাত্মাৰ অংশ; কিন্তু প্ৰত্যেকেই প্ৰত্যেকক কিয়

ভাল নাপায়? ভালক আঁতৰ কৰি পাপীৰ সংগ লয়।

বৰুৱা : ভাল পাব নোৱাৰে, কাৰণ ভালপোৱাটো স্বৰ্গীয়, সকলোৰে সমানে গ্ৰহণীয় নহয় অৰ্থাৎ পৱিত্ৰ আত্মিক সম্বন্ধ তথা শুদ্ধ অন্তৰৰ অনুভূতি হ'ল ভালপোৱা। সাগৰৰ পানীৰ কণিকা বিন্দুৰ দৰে— দূবৰি বনৰ ওপৰত পুৱাৰ নিয়ৰ-মুকুতা হৈ জিলিকি থাকে; খন্তেকতে পিছলি ৰ'দত নাইকিয়া হৈ পৰে, কিন্তু পৃথিৱীতে থাকে; ৰূপ মাথোঁ সলনি হৈ পৰে। এনেদৰে পৰমাত্মাৰ অংশ আহি দেহত থিতাপি লয়; দেহৰ পৰা গৈ পৰমাত্মাত মিহলি হয়। আত্মা যি দেহত থিতাপি লয় তাৰ গুণাগুণ আৰু বাহ্যিক পৰিৱেশৰ প্ৰভাৱ — দুয়োটাৰ ওপৰতেই নিৰ্ভৰশীল এই আত্ম বিকাশ। পানী গৰম পাত্ৰত থ'লে গৰম আৰু চেঁচা পাত্ৰত থ'লে চেঁচা হোৱাৰ দৰে আত্মাৰ অৱস্থা হয়। যোতিয়া লেতেৰা দুৰ্গন্ধৰ পাত্ৰত থয় সেই পানীৰ পাত্ৰটো য'তেই নিয়ে দুৰ্গন্ধই বিয়পি পৰে চৌপাশে।

এনে মানুহৰ জন্মই যেন দুষ্কৰ্মৰ ভাৰ বৈ ওৰে জীৱন কটায়; মৃতুৰ দুৱাৰডলিলৈকে কটা ঘা মাখিয়ে খেদি ফুৰাৰ দৰে তৰণি নাপায়। কোনোৱে নিজৰ মৃত্যুৰ যোগাৰ নিজেই কৰে। নিজে কিন্তু বুজি নাপায়। আনকহে তাৰ বাবে দায়ী কৰে।

চৌধুৰী : আজিকালি যে বোকা ছটিওৱা খেল খেলি এনে সমাজসঙা সাপেক্ষে সকলো অনুষ্ঠান-প্ৰতিষ্ঠান-শিক্ষানুষ্ঠান ধ্বংসৰ গৰাহলৈ ঠেলি দিয়ে, ইয়াৰ নিৰাময়?

বৰুৱা : নিৰাময়ৰ কথা ভাবিলেই বেমাৰৰ পৰা আৰোগ্য নহয়। জীৱৰ একোটা জীৱন-সময় আছে; প্ৰত্যেক বস্তুৰ একোটা জীৱন আৰু আনকি ৰাসায়নিক বিক্ৰিয়াৰো একোটা সময় থকাৰ দৰে প্ৰত্যেক প্ৰথা স্বৰূপ ধাৰণাৰ একোটা সময় আছে। জীৱন অন্তত বা সময়ৰ অন্তত নিজে নিজে কোনো ৰোগ সাধাৰণ চিকিৎসাতে আৰোগ্য হোৱাৰ দৰে এই নিৰাময়ৰ বাট মুকলি হয়। বৰ আহত গছডাল ঘূৰ্ণি বতাহত বাগৰি মাটিত পৰাৰ দৰে হয় দেহৰ অঙ্গ কোঠালিত, নহয় মনৰ অচিন ৰোগত আক্ৰান্ত হৈ সুৰক্ষাৰ মাজতে সুৰক্ষা হীনতাত ভুগি ডাক্তৰ কবিৰাজৰ হাতত উপায় নথকাৰ দৰে হয়। জন্মই যাৰ ফাঁকি আত্ম

বিজয় হ'ব দোকানৰ চিৰদিন বাকী। বাকী খুজিলেও খাব বেয়া ধমকনি। চিটিবাছ-গাড়ীত যে একোজন মানুহ পাওঁ গাড়ীৰ ভাৰা আদায় নিদিয়া, কিন্তু আদায় দিয়াৰ দাবী কৰে; লগতে নামি যাওতে কণ্ডাক্টৰক দুই থাপ্পৰ মাৰি যাব খোজে— এই মানুহেই। কোনো বস্তু বা ইঞ্জিন, যন্ত্ৰ আদি তৈয়াৰ কৰাৰ সময়তে আয়ুস নিৰ্ণয় হোৱাৰ দৰে, জীৱৰ জীৱন—আয়ুস সৃষ্টিতে নিৰ্ণয় হয়।

চাওক, সময়ে খেলখন এনেকৈ খেলিছে, য'ত সমাজৰ ভাল কাম কৰাৰ সুযোগকো আঁতৰাই দিয়া হৈছে। আনহাতে, দুষ্ট খেলখনৰ গইনা লৈ বেয়াক সাবটি, সঁচাকো মিছা সজাই নাভূত-নাশ্ৰুত কথা এটাক সময় সোঁতত মেলি দি বাস্তৱ কথাৰ দৰে প্ৰতিপন্ন কৰাবলৈ সুযোগ লৈছে। ভালপোৱা সিঁচিবলৈ কঠীয়াতলীৰেই অভাৱ।

হেৰি, সন্তান পিতৃ-মাতৃৰ ওচৰত সঁচাৰ প্ৰতীক। আগত থিয় হ'লে 'মই আছোঁ, মই সঁচা কথা কৈছোঁ' বুলি ডাঠি ক'ব নালাগে।যেতিয়া সন্তানে গোকাট মিছাকে সঁচা কৰি দাঙি ধৰে পিতৃ-মাতৃৰ উপায় কি?

এজন সৰু ল'ৰাই পঢ়ি থকাৰ সময়ত ৰাতি জ্বলি থকা লেমটোৰ চিম্‌নিত আঙুলিটো লগাই দিয়াৰ বাবে অহৰহ চেষ্টা চলাই আছে। বাপেকে কাষত বহি লক্ষ্য কৰাই নহয়, পুৰিব বুলি হাতখন কেইবাবাৰো পিচুৱাই টানি আনিছে। সি নামানেহে নামানে; যেন সেই অভিজ্ঞতা তাক লাগেহে। বাপেকে তেতিয়া হাতখন পিচুৱাই অনাৰ পৰিৱৰ্তে সি নেদেখাকৈ সাধাৰণভাৱে ঠেলামাৰি দিলে। তাৰ হাতখনৰ আঙুলি এবাৰ পোৰাৰ পিচত সি পিচুৱাই নিলে আৰু কোনো দিনেই সেই কামটো নকৰিলে। বৰং বাপেককহে মানা কৰে লেম্পৰ ওচৰলৈ হাতখন নিবলৈ।

চৌধুৰী ঃ কথাটো বুজিলোঁ যে সঁচা কথা কোৱা আৰু সত্যত চলা এক বৈধ প্ৰীতি; আমি যিহেতু মানুহ, মানৱীয় অনুভূতি হিয়াত সজীৱকৈ ৰখা আৰু মানুহৰ মাজত প্ৰেম-প্ৰীতিভাব অটুট ৰখাৰ কাৰণে পদমৰ্যাদা অনুযায়ী সমতা ভাব থাকিব লাগে। সমতাৰ আস্থাই স্থিৰ সমাজৰ সত্তা। কিন্তু দেখা যায় অক্ষমজনেও সক্ষম দেখাই শীৰ্ষপদ লাভ কৰি

সমাজৰ স্থিৰতা অপহৰণ কৰে। ফলত বিভিন্ন দিশত ইয়ে ক্রিয়া কৰে। সেয়ে দেখিব শেষত যে তাৰ জয় প্ৰকৃত এক পৰাজয়।

বৰুৱা : সেইটোৱেই আচল কথা। কৃষ্ণ গীতাত কৈছে—

জগতত যাৰ মন সমতাত স্থিত।
ইহ জীৱনতে সিতো সংসাৰ বিজিত।।

সেয়ে সৎ, সমতা আৰু মানৱতা ভাব লৈ অন্যায়ৰ প্ৰত্যাহ্বান স্বৰূপ হৈ মানুহ ওলাই আহিব লাগিব।

চৌধুৰী : কোনবোৰ মানুহ এনে ভাব লৈ প্ৰত্যাহ্বান হিচাপে থিয় দিব?

বৰুৱা : যিবোৰ মানুহে নিজৰ চিন্তা, নিজৰ নিষ্ঠা কৰ্ম আৰু নিজৰ আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত হৈ সমাজকো নতুন পথৰ সন্ধান দিব বিচাৰে। সৎ, নিকা আৰু মুকলিমূৰীয়া চিন্তা তথা আনে ভবাতকৈ অন্যধৰণে চিন্তা কৰি নতুন পথৰ সন্ধান দিয়াৰ উপায় উদ্ভাৱন কৰে; লগতে কাম, ক্ৰোধ আৰু লোভ ত্যাগ কৰি মানৱতাবাদক ভক্তি কৰি আগবাঢ়ে সেইবোৰে। গীতাত কৃষ্ণই অৰ্জুনক কৈছে--

তেজি, কাম, ক্ৰোধ, ভয় মোতে মগ্ন হয়।

চৌধুৰী : ঈশ্বৰ বিশ্বাসেই একমাত্ৰ এই অনৰ্থবোৰৰ পৰা আঁতৰত থকাৰ উপায়। অৰ্থাৎ ঈশ্বৰ ভক্তি মানেই সৎ, সমতা আৰু ন্যায় প্ৰীতি?

বৰুৱা : দৰাচলতে, ঘৰ, সমাজ তথা দেশৰ বৰঙণি আগবঢ়াব লাগিলে মানুহক ত্যাগ লাগিব। কিন্তু এইটো ঠিক যে মানুহক ভাল পালেহে ত্যাগৰ উদয় হয় মনত। আজিকালি ভোগবাদ হৈছে মানুহৰ উত্তম মানৱতাবাদ। সুপথ, কুপথ কথা নাই, টকা লাগে— লাস-বিলাস, জীৱনভোগ, বিলাসী জীৱন আৰু আবাস বিচাৰে। আচল তত্ত্বটো কি জানে?

চৌধুৰী : ক'লেহে জানিম।

বৰুৱা : ৰগৰ কৰে নেকিহে?

চৌধুৰী : ৰগৰ কৰাও এটা আনন্দৰেই কলা।

বৰুৱা : বাৰু শুনক, ভোগবাদত এটা দুখ আছে, যেনেকৈ দুৰ্নীতি, সন্ত্ৰাস, হিংসাত ধ্বংস আছে, ই মধুৰ স্বভাব আৰু জ্ঞানৰ অনুৰাগক দুই হাত মেলি চুব নোৱাৰে। পেটৰ ভোকত খাওঁ বুলি গৈ খাব নাপালে, যিমান দুখ আছে; নাপাম বুলি ভাবি গৈ খাব পালে আনন্দত হিয়া

নধৰে। আনে খাই অটালে আপোনাৰ নাটিল; আপুনি যদি ভাবিব পাৰে, যাহওক মই নাপালেও মোৰ দৰে জীৱাত্মাৰেই আত্মা তৃপ্তি হ'ল। এনে ধাৰণাই মনত সুখ যাচে। আপোনাৰ ভোক লাগিছে, আপুনি খোৱাৰ কথা ভবা নাই; হঠাতে কিন্তু পাই গ'ল আপুনিও আনন্দিত হ'ল। কৃষ্ণ গীতাত কৈছে—

নোখোজন্তে অনায়াসে যিৱা আসি মিলে।
আত্মবশী জনে তাত তুষ্ট সৰ্বকালে।।

চাওক, জনতাৰ সেৱাৰ সুখ, ৰোগীৰ চিকিৎসাৰ সুখ আৰু ভক্তৰ ঈশ্বৰ প্ৰাৰ্থনাৰ সুখ প্ৰত্যেকতে থাকে একেই হাঁহিমুখ। এই হাঁহিমুখেই সিঁচে আত্মাৰ পোহৰ— সহৃদয়তাৰ কঠীয়া।

চৌধুৰী ঃ দুৰ্নীতি, ভ্ৰষ্টাচাৰ, হিংসা, সন্ত্ৰাসৰো এদিন সময় উকলি যাব। অভিজ্ঞতাই বহুত কথা শিকাব। হিংসাৰে মহৎ কাৰ্য্য যে সিদ্ধি নহয় বুজিব। আত্মাৰ পোহৰত আলোকিত হৈ নিজেই নিজৰ ভৰিত থিয় হ'বলৈ বিচাৰিব। ব্যক্তি স্বাৰ্থৰো এটা সীমা আছে। মই নিজ চকুৰে দেখা কাজিয়া এখনৰ কথা এই প্ৰসংগতে কওঁ শুনক— দুজন ল'ৰাই কোনো ক্ষোভবশতঃ প্ৰথমে গালা-গালি, লঠিওৱা-লঠি আৰু পিচত হতাহতি কৰিলে। ৰাস্তাৰ কাষতে আছিল এটা বৰ দ' খাৰৈ। বাগৰি পৰাৰ ভয়ে দুয়োকো লম্ভিলে। দুয়ো অৰ্ন্তলজ্জাত ইজনে সিজনক ধৰাধৰি কৰি ৰাস্তাৰ ওপৰলৈ আহিল আৰু নিজৰ নিজৰ ভুল বুজাবুজি হ'ল। কাৰণ খাৰৈৰ কাণটো এনে পিছল যে এজনে আনজনক খাৰৈত পেলাব চাওতে সিজনে নিজেই পিছলি পৰাৰ ভয় খাইছে। বিচ্ছেদ হ'ব বিচৰা পতি-পত্নীকো এনে মৃত্যু ভয়ে লগ লগায়।

এনে পৰিৱেশেই চিন্তা কৰিবলৈ, ক্ষোভ উজাৰি দিয়াৰ উপযুক্ত উপায় বিচাৰি মুক্ত হ'বলৈ শিকাব। কেঁকোৰা চেপাৰো এটা সময় আছে। পৃথিৱীৰ প্ৰগতিশীল দেশৰ পোহৰত আলোকিত হৈ হিংসা-দ্বেষ, লাজ-ভয়-সংকোচ পৰিহৰি আত্মবোধৰ আশ্ৰয়ত আগবাঢ়ি আহিবলৈ মনে উদ্বুদ্ধ কৰি তুলিব। সমাজৰ পৰিপন্থী দুষ্টচক্ৰৰ এন্ধাৰৰ শক্তিসমূহে প্ৰতিভাৱান ব্যক্তিৰ ব্যক্তিত্বক কুঠাৰাঘাত কৰাৰ সলনি সেই পোহৰতে নিজেও আলোকিত হোৱাৰ হেঁপাহ এদিন জাগিব।

নিজৰ নীচতাৰে আবদ্ধ উপলব্ধিৰো অৱসান ঘটাৰ সময় আহিব। কিয়নো এজন বিজ্ঞানীৰ এটা আবিষ্কাৰে জনসাধাৰণক বহু সুবিধাৰ সন্ধান দিয়ে। সুবিধাৰ এনে সন্ধান ল'ব নিবিচৰাজন যে দুৰ্ভগীয়া বুজিব পাৰিব। খুজি-মাগি ফুৰাতকৈ আনক দি থৈ ৰজাৰ বৃত্তি স্বৰূপ হেঁপাহ জাগিব মনত। জীৱন শক্তি স্বৰূপ স্বাৱলম্বীতা কি মহাশক্তি বুজিব পাৰিব। লগতে ইয়াতেই যে ভাতৃ প্ৰেমস্বৰূপ ঈশ্বৰৰ মহাশক্তি লুকাই থাকে অনুভৱ হ'ব।

বৰুৱা : হেৰি, কি ক'ব, আনকি মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ দৰে সু উচ্চ প্ৰতিভাসম্পন্ন মহৎ ব্যক্তি তথা সাম্য মৈত্ৰীৰ সাধক, সৰ্বহিতকাৰী জনেও ইয়াৰ বলি হোৱাৰ পৰা হাত সাৰিব নোৱাৰিলে। এনে ব্যক্তি স্বাৰ্থকাৰীৰ বাধাক বাধা গণ্য নকৰি নিষ্ঠাৱান ব্যক্তিয়ে কি বিজ্ঞান, কি সাহিত্য, কি ধৰ্ম, কি কলা, কৃষ্টি-সংস্কৃতি সকলো দিশতে মুক্ত অৰিহণা যোগাই থৈ থাকে। শেষত কেঁকোৰো চেপা নিজে নিজেই ঢিলা হৈ পৰে। সমাজক পোহৰাই তোলা এটা Divine Mission এইসকল লোকক কোনো নিৰ্যাতনে এই উদ্দেশ্যৰ পৰা আঁতৰাই ৰাখিব নোৱাৰে। সেয়া যীশুখ্ৰীষ্ট, চক্ৰেটিছ, গেলিলিওৰ অদমনীয় এই জন্ম Mission. এনে সন্দৰ্ভতে দেখা যায় যুগে যুগে শক্তিশালীয়ে স্বতন্ত্ৰক অপহৰ কৰি আহিছে। এয়ে মানৱতাৰ পুৰণি বেমাৰ। ইয়াৰ চিকিৎসাও ব্ৰহ্মাশক্তিৰ হাতত।

চৌধুৰী : ইয়াত বাহিৰেও আমাৰ এটা প্ৰধান দুৰ্বলতা যে যোগ্যৱান ব্যক্তিক মূল্যাংকণ কৰিব নিবিচৰাই নহয়, অজ্ঞভাৱে ৰোৱাৰো যেন হেঁপাহ। এইটোৱে যে জাতিৰ ঐক্যসাধনৰ ওপৰিও ব্যক্তিগতভাৱে উৎসাহ উদ্দীপনা যোগাই নাভাবোঁ। গৌৰৱবোধ কৰিব পৰা ব্যক্তিৰ কথা নাভাবোঁ বা বিচাৰি চোৱাৰ প্ৰয়োজনবোধ নকৰোঁ। হেৰি, দুখ লাগে আমাৰনো নাছিল কি? আমাৰ যি সাংস্কৃতিক-ঐতিহ্য-পৰম্পৰা বৈষ্ণৱ ধৰ্মৰ নৱজাগৰণৰ মাধ্যমত শ্ৰীমন্ত শংকৰদেৱে দি থৈ গ'ল আৰু তাৰ লগে লগে মাধৱদেৱ, হৰিদেৱ, দামোদৰদেৱে এই নৱজাগৰণৰ ঢৌতে ঢৌ তুলি সাহিত্য-কলা-কৃষ্টি-সংস্কৃতিৰ ভঁৰাল চহকী কৰি থৈ গ'ল সেই ঐতিহ্যক আমি আজিও এক স্বাধীন মানৱ স্বৰূপ পূৰ্ণ গতি দিব

পৰা নাই। এচামে তাত আধুনিক কলা-কৌশল প্ৰয়োগ কৰিব বিচাৰিলে, আন এচামে সঁহাৰি দিয়াৰ পৰিবৰ্তে চাৰিজনা গুৰুৰ নামত যেন চাৰিভাগহে হ'ব বিচাৰে। বিভিন্ন খেল গঠন কৰি ঐক্য, সম্প্ৰীতিৰ এনাজৰীৰ বান্ধোনত অন্তৰায়হে হ'বলৈ বিচৰা দেখা যায়। তেজৰ ঐক্যতাৰ এই প্ৰাচীন প্ৰবাহ বন্ধ হ'ব ধৰাৰ উপক্ৰম যেন অনুভৱ হয়। জাতি তথা দেশৰ স্বাৰ্থৰ ঐক্যতাৰ প্ৰবাহ একত্যাগৰ বা-বতাহ। মহাপুৰুষ কেইজনৰ ঐক্য ভাবধাৰাৰ বা-বতাহত গা জুৰাই গ'লেহে যে নিজৰ দেহ জুৰ পৰে সেই নিজত্ব ভাব অনুধাৱন কৰিবৰ সময় সমাগত।

এইজনা মহাপুৰুষে নকৰিলে কি; সাহিত্য, গীত-মাত, নাটক, বৈষ্ণৱ ধৰ্ম, সত্ৰীয়া নৃত্য, মুখা শিল্প প্ৰমুখ্যে বৈষ্ণৱ কৃষ্টি-অসমীয়া সংস্কৃতি। কিন্তু পূজা-পৰ্ব, মৃতকৰ কৰ্ম-কাণ্ড সাপেক্ষে খোৱা-লোৱা, উঠা-বহা আদিকে ধৰি পুৰণি জাত-পাতৰ বিভেদ মনোভাবে যেন আজিও গা এৰা দিবলৈ বিচৰা নাই। এক মানৱ স্বৰূপ ধাৰণাত মন মিলাবলৈ কুণ্ঠাবোধ কৰে। ইয়ে ঐক্য-সংহতিত হেঙাৰ স্বৰূপ হৈ থিয় দি আছে আজিও। এইজনা মহাপুৰুষৰো গেলিলিও, চক্ৰেটিছৰ দৰে কাঠগড়াত উঠাৰ পৰা বিৰত থাকিব পৰা নাছিল। যিজন প্ৰকৃততে আছিল সাম্য, মৈত্ৰী, গণতন্ত্ৰ তথা মানৱতাৰ সাধক, সেইজনেই বজিছিল ৰোষৰ জালত।

বৰুৱা ঃ চাওক, শঙ্কৰদেৱ এহাতে একশৰণ নামধৰ্মৰ প্ৰচাৰক আৰু আনহাতে সাম্যবাদৰ প্ৰবৰ্তক। ইয়াৰ মূলভেটি এক মানৱ ধৰ্ম; এক দেৱ, এক সেৱ, একত বিনে নাই কেৱ। এনে সাম্যবাদৰ মানৱ ভেটি স্থাপনত শ্ৰীমন্ত শঙ্কৰদেৱৰ মহাপুৰুষীয়া ব্যক্তিত্ব পৃথিৱীৰ ভিতৰতে বিৰল। কৃষ্ণগীতাত কৈছে—

'ওঁ তৎ সৎ' ইতি শ্ৰুতিত কথিত।
পৰম ব্ৰহ্মাৰ নাম আছে নিৰূপিত।।

এক ব্ৰহ্ম তত্ত্বৰ পৰিপ্ৰেক্ষিতত আকৌ কৈছে—

'অ-উ-ম' পদে ব্ৰহ্মা-বিষ্ণু-মহেশ্বৰ।
তিনিকো বেঢ়িয়া আছে অনাদি ঈশ্বৰ।।

এনেদৰে শঙ্কৰদেৱে একেশ্বৰবাদ তথা একাত্মাবোধ একশৰণ নামধৰ্মৰ প্ৰৱৰ্তনৰ দ্বাৰা প্ৰকৃততে এক মানৱ ভাবধাৰাৰহে বীজ ৰোপণ কৰিছিল সকলো জাতিৰ একত অন্তৰ্ভুক্তিৰে। প্ৰচাৰো কৰিছিল মানুহে ব্যয়বহুল ব্ৰাহ্মণ্য ধৰ্মৰ ধৰ্ম আৰু মৃত-কৰ্ম ব্যৱস্থাৰ পৰা অব্যাহতি পোৱাৰ উদ্দেশ্যে উপায় উলিয়ায়। একেশ্বৰবাদ সাপেক্ষে নামধৰ্মৰ প্ৰৱৰ্তক আৰু বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰক এইজনাই শ্ৰীমন্ত শঙ্কৰদেৱ যিজনে সৰ্বস্তৰৰ মানুহক সৰ্বোতোমুখি উপকাৰৰ সাধনা কৰিছিল। সেয়ে শ্ৰীমন্ত শঙ্কৰদেৱ এনেদিশত এক অন্যতম মহাপুৰুষ। এয়ে গুৰুজনাৰ বিশেষত্ব।

চৌধুৰী ঃ কিনো ক'ব, পুৰণি গোৰা ধৰ্মীয় আশক্তি ইমান প্ৰবল হিচাপে চলি আহিছিল যে আজিও সেই ধাৰণাৰ পৰা মানুহ মুক্ত হ'ব পৰা নাই। আধুনিক যুগৰ বৈজ্ঞানিক চিন্তা-চৰ্চাৰ সময়ত অতি দুখ আৰু পৰিতাপৰ কথা যে মানুহ মুক্ত হৈয়ো মুক্ত হ'ব পৰা নাই। স্বাধীনচিতীয়া বাট পোহৰ হৈ উঠাৰ পিচতো এন্ধাৰৰ মোহ যেন ভংগ কৰিব পৰা নাই।

বৰুৱা ঃ কি হ'ব. মানুহ প্ৰকৃততে আত্মশাসিত হ'ব পৰা নাই। সেই কাৰণেই কি ঘৰ, কি সমাজ, ৰাজ্য, দেশ সকলোতে পয়মাল. বিশৃংখল তথা হেতা-ওপৰা। এয়া যেন বৰঘৰৰ অৱস্থান; সংঘৰ্ষ, আতংক সন্ত্ৰাসৰ হৈ পৰিছে পয়োভৰ। কোনেও নাভাবে মানুহ কিহত সৰু-বৰ হ'ব পাৰে; সকলো হ'ব খোজে সমান, আত্মবোধত কিন্তু নাই কাণসাৰ। পোৱাটোৰ মোল নুবুজে, যিটো পাবলৈ টান তাত হাবিয়াহ্ ওপজে। উল্লেখ্য যে স্বাধীনতা পাইছে, কিন্তু ভোগ কৰিব জনা নাই। যেনে— জীৱনত বহুতে ভোগ কৰিছে, কিন্তু এই ভোগৰ তৃপ্তি অনুভৱ কৰিব পৰা নাই। যেনেকৈ শংকৰদেৱক পাইছোঁ কিন্তু আদৰি ল'ব জনা নাই। এক সবল, ঐক্য, সম্প্ৰীতিৰ সুঁতিত জাঁজি হৈ বজি বিভিন্ন খেলে বিভিন্ন দুৰ্বল সুঁতিৰ সৃষ্টি কৰিবলৈ লৈছে। প্ৰয়াত পিতৃ এটা পুৰুষৰ ঠিকনাতহে জীয়াই থাকে। কিন্তু প্ৰয়াত মহাপুৰুষজন কালজয়ী হৈ সগুণৰ পৰা নিৰ্গুণলৈ যাত্ৰা পথত খোজ পেলাই থাকে।

এইজনাই মহাপুৰুষ যিয়ে, একে কথা কোৱাৰ দৰেই হয়, সাহিত্য, নাটক, ভাওনা, নৃত্য সংগীত, বৰগীত, চিত্ৰ আনকি ব্ৰজবলী

ভাষা আদি প্ৰয়োগ কৰি স্থবিৰ অসমীয়া সমাজখনক গতিশীলতাৰ অৰিহণাৰে প্ৰাণ সঞ্চাৰ কৰাই দিছিল সত্ৰ, নামঘৰ স্থাপন কৰি। ধৰ্মৰ লগতে মুকলিমুৰীয়াকৈ ৰাজনৈতিক চিন্তাধাৰাৰ বাতাৱৰণৰ উন্মেষ ঘটাইছিল এই সত্ৰ নামঘৰৰ জৰিয়তে; গীত-মাত-ছন্দ-তালমানেৰে তথা সুৰ সন্ধানেৰে মনৰ পৰিৱৰ্তন সাধি সমাজ সংস্কাৰ কৰিছিল। মুঠতে এটা মুক্ত মানৱীয় নৱজাগৰণ ওপচাই দিছিল; দেহ, মন, আৰু আত্মাৰ উন্নতিকে সাৰোগত কৰি। ৰামৰ আঠ কলা আৰু শ্ৰীকৃষ্ণৰ যোল কলাৰ আধাৰত ৬৪ বিদ্যাৰ চাৰুকলা আৰু কাৰুকলা সংস্কৃতিৰে মানৱ কল্যাণৰ পথত উজ্বল শিখা বিস্তাৰ কৰি থৈ গ'ল। পাহৰিব খুজিলেও পাহৰিব নোৱাৰা— দেহটো থাকিলে ছাঁটো থকাৰ দৰে ছাঁয়া আৰু কায়া হৈ ৰৈ গ'ল মনত। এয়া কৰিছিল বহু দেৱ-দেৱীৰ বিপৰীতে এক ঈশ্বৰ সন্ধানেৰে সহজ ধৰ্মীয় উপায় উদ্ভাৱনৰ সহায়ত।

চৌধুৰী ঃ সেয়ে শংকৰদেৱৰ জন্ম নোহোৱা হ'লে কি হ'লহেঁতেন আমাৰ?

বৰুৱা ঃ ডাইনী সন্দেহৰ কু-সংস্কাৰৰ দৰে গোটেই অসমমুলুক ধৰ্মীয় বোকাই পুতি পেলালেহেঁতেন আজিৰ সন্ত্ৰাসজৰ্জৰ তেজে তুমৰলি দিয়া ঘৰ-দুৱাৰ, ৰাস্তা-ঘাট, পদূলিৰ অৱস্থাৰ দৰে। আজিৰ জাতিবৰ্ণৰ বৈষম্যৰ আপোচ ভাবৰ সলনি পূজা মন্ত্ৰ-তন্ত্ৰৰ আঁকোৰ-গোজ ধাৰণাই উশাহ বন্ধ কৰি দিলেহেঁতেন। লগতে সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰত এক পৰম্পৰাহীন অভাৱনীয় পৰিস্থিতিয়ে গা কৰি উঠিবলৈ সমল পালেহেঁতেন।

চৌধুৰী ঃ প্ৰকৃতপক্ষে গুৰুজনাৰ অৱদান বিশ্বমনীষীসকলৰ অন্যতম। বৰ্ণ বৈষম্য আৰু ব্ৰাহ্মণ্য শাস্ত্ৰৰ লোৰ শিকলিৰে বন্ধা সমাজখনক উদ্ধাৰ কৰিবলৈ ভগৱানে যেন কিছুমান অলৌকিক শক্তিৰে পঠিয়াই দিছে, যাতে মানুহে এই অলৌকিক শক্তিত ভগৱানৰ স্বৰূপ উপলব্ধি কৰে।

বৰুৱা ঃ মহাত্মা গান্ধীয়েও মত পোষণ কৰিছিল যে নতুনত্বৰ সন্ধান দিবলৈ ভগৱানে কিছুমান মানুহক প্ৰয়োজন অনুসৰি পৃথিৱীলৈ পঠিয়ায়। সেয়েহে যিসকলে Innate Powers লৈ পৃথিৱীত পদাৰ্পণ কৰে তেওঁলোকৰ গতি-বিধি সৰ্বসাধাৰণতকৈ বহুত বেলেগ। মহৎ গুণসম্পন্ন ব্যক্তিৰ বৰ্তমান বৰ অভাৱ পৰিলক্ষিত হৈছে। যিফালেই

চাই দেখিব বিবেক বিচাৰহীন মানুহৰ উদ্ভণ্ডালী। প্ৰকৃত মানুহৰ অৱস্থা নাজল-নাস্থল হৈছে। সকলো দিশতে উকা-উকা-উকা, চল, ঠগবাজি, প্ৰৱঞ্চনা, ফাঁকি-ফুকা। সমাজত কি যে অৰাজকতা। ভাল মানুহ যেন কোন খেৰকুঁটা।

চৌধুৰী ঃ এনে ফাঁকি-ফুকা প্ৰৱঞ্চনাৰ পৰিপ্ৰেক্ষিতত ইংৰাজ কবি Louis Mac Niece য়ে তেওঁৰ 'Prayer Before Birth' কবিতাত তেওঁৰ আত্মাৰ কাব্যিক অনুভূতিৰে কৈছে যে— যিখন পৃথিৱীত তেওঁৰ জন্ম হ'বলৈ লৈছে তাৰ স্বৰূপত তেওঁ ভয় খাইছে। কি যে চল, ফাঁকি, ভণ্ডামি (Shams and Hypocricies), তেওঁৰ জন্ম হ'লে Evil আৰু Brute Forces ৰ পৰা যাতে আঁতৰত থাকে তাৰ বাবেই তেওঁ প্ৰাৰ্থনা কৰে। তেওঁৰ মতে 'To Live an inglorious life, compromising with evil, would be the other name of death.'

বৰুৱা ঃ চিন্তা কৰক মহামতি অশোকৰ কথা। হিংসাক জয় কৰি অহিংসাৰে ৰাষ্ট্ৰ গঢ়ি চানেকি উজলাই থৈ যোৱা ৰজা। এয়ে কলিংগ ৰাজ মহামতি অশোক। যুদ্ধৰ বিভীষিকাই আঁচুৰি যোৱা মৃতকৰ মৰাশ আৰু তেজৰ নৈয়ে তেওঁৰ হৃদয় আঁজুৰি কেনেকৈ মানৱতা প্ৰতিভাত কৰিলে; প্ৰেমৰ দ্বাৰাই যে অস্ত্ৰৰ জয় হয় সেই কথাৰে যুদ্ধৰ খ্যাতি ৰাখিলে। মানৱ প্ৰেমৰ শক্তিতে ঈশ্বৰৰ স্থিতি। এই স্থিতিতে হয় আত্মাৰ উৰ্দ্ধগতি। অৰ্থাৎ জীৱাত্মাৰ প্ৰতি থকা সমতা সাপেক্ষে মানৱতাই প্ৰেমৰ জন্ম দিয়ে হৃদয়ত। এয়া স্বৰ্গীয় প্ৰেমৰ জাল (Divine Love Net)। এই জাল প্ৰকৃতিত পেলাই ভগৱানে চাৰিমুঠি জীৱক নচুৱায়।

সেয়ে প্ৰেমৰ জাতি নাই, প্ৰেম কৰোঁতে জাতি চাই নকৰে। জাতি নাই যৌন ক্ৰিয়াৰ, তথা যৌন সম্ভোগৰ; নিৰ্দিষ্ট ভাল পোৱা আৰাম-বিৰাম স্থানৰো তদ্ৰূপ। যৌন প্ৰেমৰ বিফলতাৰ শোক, দুখ, বেদনা আৰু পেটৰ ভোকৰ তাড়না একেই জীৱন বিফলতাৰ যাতনা। ইয়াতে আছে ফোঁপাই-জোপাই বিশ্বজনীন সত্য কথা লুকায়। কৃষ্ণগীতাত কৈছে—

সেহি আত্মজ্ঞানী হিংসা নকৰে আত্মাক।
যিহেতু নিশ্চিতে সিতো লভয় ব্ৰহ্মক।।

চৌধুৰী : সেয়েহে দেহত আত্মাৰ ৰাজত্ব কৰ্মৰ গতি-বিধিতে ধৰা পৰে। আমেৰিকাৰ প্ৰেচিডেণ্ট আব্ৰাহাম লিংকনে জীৱনজোৰা সংগ্ৰাম কৰি আমেৰিকাৰ দাসত্ব প্ৰথাৰ অৱসান ঘটালে। আধ্যাত্মিক শক্তিৰে সমস্ত প্ৰাণীৰ প্ৰতি থকা সমভাব হিয়াৰ থাপনাত নোহোৱা হ'লে ই সম্ভৱ হৈ নুঠিলহেঁতেন।

বৰুৱা : মই ভাবোঁ উত্তৰসুৰীৰ বাবে মানৱ জীৱনৰ সঠিক পথ প্ৰদৰ্শন কৰাত নিজকে ব্ৰতী কৰাটো এক ঐশ্বৰিক আদেশ বুলি প্ৰকৃতি সত্য কথাটোত মনোনিবেশ কৰিলে আত্মাৰ সমভাব জাগ্ৰত হয়। সেয়ে সমতাৰ সেৱক মানৱ প্ৰেমৰ বাবেহে এই পথ। কিয়নো এইটো সকলোৰে অৱগত যে বেয়াৰ দ্বাৰা ভাল কাম নহয়; কলা টকাৰে কৰা পূজা-প্ৰাৰ্থনাত দাম্ভিকতাহে বাঢ়ে। আত্মাৰ শোধনত কোনোপধ্যে সহায় নকৰে। কৃষ্ণগীতাত কৈছে—

সমস্ত প্ৰাণীত যিটো সমভাৱে স্থিত।
জগত বিনষ্টে সিটো নহয় বিনষ্ট।।

আৰু কৈছে—

দেখাত বিভিন্ন আত্মা প্ৰতিটো দেহত।
তথাপিতো সৰ্বভূত একস্থ ব্ৰহ্মাত।।

এইটোকে সাৰোগত কৰি আত্মজ্ঞানী হৈ সমদৃষ্টিৰে জীৱক চাব পৰা হ'লে যোগীৰ দৰে হয়। গীতাত কৈছে—

আত্মাজ্ঞান সম দৃষ্টি যোগীৰ বিভুতি।

চৌধুৰী : আগৰ দিনত সুখে-দুখে সকলো আছিল সমভাবে; জ্ঞানৰ পূজা আৰু ন্যায়-নীতিৰ ধ্বজা উৰিছিল। আত্মতুষ্ট, জ্ঞানী বয়সীয়াল লোকৰ পৰামৰ্শত আছিল সকলো সন্তুষ্ট।

বৰুৱা : সেয়েতো আছিল স্থিতপ্ৰজ্ঞ হোৱাৰ আত্ম প্ৰচেষ্টা। এনে জাতীয় শিক্ষা হ'ল অনানুষ্ঠানিক শিক্ষা (Informal Education)। ইয়াতো বংশ সাপেক্ষে প্ৰতিভা আৰু পৰিৱেশ দুয়োটাই ক্ৰিয়া কৰে— Sum of the effects of Biological heredity + Psychological +

Environmentel effects। নাৰদ ঋষিৰ পূৰ্ব জন্মত পৰিবেশৰ প্ৰভাৱত ব্ৰাহ্মণৰ ঘৰত চাৰিজন ঋষিৰ উপস্থিতিত কৃষ্ণ ভক্তি জাগিছিল। এনে সংস্কাৰৰ ফলতে পিচত ব্ৰহ্মাৰ মানস পুত্ৰ হৈ জন্মিব পাৰিছিল এনেদৰে। পূৰ্ব-পুৰুষৰ পৰা যিবিলাক গুণ আৰু বৈশিষ্ট্য নামি আহে তাৰে কোনোটো কমি যায় আৰু কোনোবাটো বৃদ্ধি হয়; পিতৃ-মাতৃৰ কোষৰ সংযোগ আৰু পৰিৱেশৰ প্ৰভাৱ সাপেক্ষে দুয়োটা বৈশিষ্ট্যই প্ৰকৃততে আৰম্ভ হয় মাতৃ গৰ্ভত স্থিতি লোৱাৰ সময়ৰে পৰা। কিন্তু দেহৰ বৃদ্ধি অনুপাতে মন আৰু প্ৰতিভাৰ বিকাশ হয়। ৰাসায়নিক বিক্ৰিয়াত ভিন্ ভিন্ মৌলিক পদাৰ্থৰ বিক্ৰিয়া ঘটে আৰু প্ৰত্যেকৰে নিজা নিজা গুণ-ধৰ্ম হেৰুৱাই নতুন গুণধৰ্ম বিশিষ্ঠ পদাৰ্থৰ সৃষ্টি হয়। তেনেকৈ ইয়াতো। এয়াই 'জিন'ৰ সৃষ্টি আৰু ক্ৰমানুসাৰে ইয়াৰ প্ৰকৃতি নিৰ্ণয় হয়। পিতৃ-মাতৃৰ কোষৰ সংযোগমৰ্মে কোনোটো গুণ-ধৰ্ম সক্ৰিয় আৰু কোনোটো নিস্ক্ৰিয় হয় পিচতহে ধৰা পৰে। মূঠতে পিতৃ-মাতৃৰ পৰা সন্তানলৈ আনুবংশিকভাৱে অহা লক্ষণসমূহৰ বাহক, বংশগতিৰ কাৰ্যকৰী একক হ'ল 'জিন'। এই 'জিন'ৰ লগত জড়িত 'জিন'—'প্ৰযুক্তিবিদ্যা' হ'ল কোনো জীৱৰ চৰিত্ৰ নিয়ন্ত্ৰণ আৰু বহন কৰা, 'জিন'ৰ নিয়ন্ত্ৰিতভাৱে সাংগঠনিক সালসলনি ঘটায় (বা কৃত্ৰিমভাৱে সংশ্লেষণ কৰি)। এয়ে অন্য জীৱৰ কোষত স্থাপন কৰি নতুন জীৱ সৃষ্টি কৰা জ্ঞান বা কৌশল।

এনেদৰে পিতৃ-মাতৃৰ কোষৰ সংযোগ আৰু পৰিৱেশৰ প্ৰভাৱ সাপেক্ষে বহু গুণ-ধৰ্মৰ পৰিবৰ্তন হয় বা নতুনকৈ সৃষ্টি হয়। সেয়ে 'জিন'ৰ লগত পৰিৱেশৰ প্ৰভাৱ এটা লক্ষণীয় দিশ হৈ ধৰা পৰে বয়সৰ ক্ষেত্ৰতো। আত্মকেন্দ্ৰিকতা ভাব যে গাঢ় হৈছে সেইটো পৰিৱেশৰ প্ৰভাৱ। অৰ্থাৎ এই ভাব পোনতে মনত উদয় হোৱাৰ কাৰণ হ'ল, ব্যৱহাৰ, আচৰণ, মাত-কথা, বয়-বস্তুৰ বিতৰণ, খোৱা-লোৱাত হীন-পৰ তথা তাৰতম্যতা; সকলো কথাতে উপাৰ্জন যাৰ বেছি তাক ভালভাব আৰু উপাৰ্জন যাৰ কম বা আনকোনো বিষয়ত পিচ পৰা বা তাক হেয়জ্ঞান ভাব পোষণ কৰা। আগৰ সমভাৱ সমাজৰ পৰা এনেদৰে আঁতৰি যোৱাৰ লগে লগে ব্যক্তিকেন্দ্ৰিক ভাব মনত

সোমাল। এনেকৈ এটাৰ পৰা দুটা, দুটাৰ পৰা বহুত হৈ সকলোকে লম্ভিলে এনে আত্ম স্বাৰ্থই। ইয়াৰ বাবে দায়ী এই বৃত্তি আৰম্ভ কৰাসকল। এনে ভাব বাঢ়ি গৈ আকৌ যেতিয়া ধন-দৌলত, বিলাসী গাড়ী, অট্টালিকা, নামী-দামী পোছাক-পৰিচ্ছদ আদিৰ কথা আহিল, লগে লগে আগৰ যিখিনি মান্য বা সমভাব আছিল তাৰো মোখনি পৰিল।

ফলস্বৰূপে আজিকালিৰ ধাৰণা হ'ল আনৰ আত্মতুষ্ট মইনো কেনেকৈ হওঁ সন্তুষ্ট। আনে খালে মোৰ পেট নভৰে। আগতে আনক এৰি নিজে নাখাইছিল; আজিকালি বান্দৰৰ গল্পৰ দৰে সাহটো খাই বাকলিটো দি সন্তোষিত কৰিব চাই আনক। আগতে ইজনে-সিজনক দেখি সকলো কম-বেছি পৰিমাণে ভগাই-যোগাই খাই আত্মতুষ্টি লাভ কৰি সন্তুষ্ট হৈছিল। সেয়েহে ভাই-ভনী, পিতা-মাতা, ইষ্ট-কুটুম্ব, বন্ধু-বান্ধৱৰ সম্পৰ্কটোত সমভাবৰ স্থান আছিল। যেতিয়া ৰাতিৰ ভিতৰতে এজন ধনী হ'ল; তাকে দেখি কাষৰ জনৰ পিচদিনা মনৰ ধাৰণাত আউল লাগিল। এনে সময়ত মনৰ স্থিৰতাই জীৱনটোক কক্ষচ্যুত নোহোৱাকৈ ৰখাৰ ক্ষেত্ৰত কৃষ্ণগীতাৰ কথাফাকি মনলৈ আহে—

আপুনি আত্মাত তুষ্ট হয় যিটো জন।
স্থিত প্ৰজ্ঞ বুলি কহে জ্ঞানীগণ।।

আকৌ কৈছে—

অনুৰাগ, ভয়, ক্ৰোধ যাৰ নাহি কয়।
স্থিতধী বুলিয়া তাক মুনিসবে কয়।।

চৌধুৰী : মই ভাবোঁ, স্থিতপ্ৰজ্ঞ হ'লে বিশ্বৰূপ দৰ্শন হয় আৰু উপলব্ধি হয় একাত্ম স্বৰূপ জীৱাত্মাৰ আৰু তেতিয়া নিজস্ব হেৰাই সকলো এক হৈ যায় প্ৰকৃত প্ৰেমিক-প্ৰেমিকাৰ দৰে। অৰ্থাৎ প্ৰকৃতিৰ সনাতন সত্য চিনি পায়, কেনেকৈ এফে গতিতে আবহমান কালৰ পৰা সৰ্বকালৰ, সৰ্বব্যাপী আৰু সৰ্বশক্তিমান মহাশক্তি অব্যাহত হৈ চলি আহিছে বিভিন্ন ৰূপত।

বৰুৱা : এই শক্তিৰ আলমতে সূৰ্য (পুৰুষ— Source of Energey) আৰু প্ৰকৃতি (বসুমতী— The Mother of creation) ৰ দ্বাৰা বিশ্ব প্ৰকৃতিৰ

সৃষ্টি হৈছে। ইয়াতো মানুহৰ দৰে পুৰুষ-প্ৰকৃতিৰ মাজত উভয়ৰে সহযোগ মৰ্মে 'প্ৰকৃতি জিন'ৰ সৃষ্টি হয়। এই অনন্ত শক্তিৰ 'প্ৰকৃতি জিন'ৰ সহায়ত 'মানুহৰ জিন'ৰ সৃষ্টিআৰু সম্ভৱ কৰি তুলিছে। চাৰিমুঠি জীৱৰ পতি-পত্নী এনেদৰেই এক উপলক্ষ মাত্ৰ। প্ৰকৃতি পদাৰ্থ কণাই শক্তিৰ সন্ধান দিছে। ইয়াকে লৈ বিজ্ঞান অগ্ৰসৰ হৈ আছে মানৱ কল্যাণৰ প্ৰয়োগ সাপেক্ষে। স্বয়ং পতি-পত্নী তথা আধ্যাত্মিক প্ৰকৃতি পুৰুষ হ'ল ধৰিত্ৰী-সূৰ্য। মাতৃৰ বুকুৰ আহাৰৰ দৰে প্ৰকৃতিৰ বুকুত সৃষ্টি হোৱা সকলো শস্য, ফল-মূল, শাক-পাচলি দেহৰ প্ৰয়োজনীয় খাদ্য; ইয়ে প্ৰতি অংগ-প্ৰত্যাংগৰ পুষ্টি সাধন কৰে ভাগে ভাগে। আহাৰৰ পৰা সৃষ্টি হয় পিতৃ ঔৰস তথা সাৰ-পানী আদিৰ পৰাই গছৰ বীজৰ সৃষ্টি হয়। এয়ে প্ৰাণী আৰু প্ৰকৃতিৰ সম্পৰ্ক। আমি বুজি নাপালেও এই ব্ৰহ্ম সনাতন সত্য বা সৃষ্টিৰ সত্যৰ ৰহস্যটো বীজগণিতীয় সূত্ৰৰ দৰে চিৰকালেই সত্য। এই সত্যত যিয়ে নিজৰ সত্ত্বা ধৰি ৰাখিব পাৰে সিয়ে প্ৰকৃত মানুহ। মুখেৰে কোৱা কথাটো ধৰি ৰাখিব পৰাটোৱেই সত্যৰ সত্ত্বা। এই কথাষাৰ কোৱাৰ আগতে ভাবিব লাগে যে সত্য প্ৰতিষ্ঠিত হয়নে নহয় আৰু ইয়াক সেই সত্যতে ৰাখিব পৰা যাবনে নাই। কিয়নো ততাতৈয়াকৈ কৰা মন্তব্যৰ সত্যক ধৰি ৰখা প্ৰেম-প্ৰীতি, উদাৰতা নাথাকিবও পাৰে। নিজক এনেদৰে চাব পাৰিলে পৃথিৱীখনো চাব পাৰে। নিজক যত্ন কৰি ৰাখিব পাৰিলে, নিজক সজাব জানিলে পৃথিৱীখনেই চকুত সুসজ্জিত হৈ জিলিকি উঠে। এনেদৰে স্থূল সত্ত্বাৰ সাত্বিক জীৱনটো যিয়ে সযত্নে ধৰি ৰাখিব পাৰে সি পৰমাৰ্থ তত্ত্ব বুজিবলৈ চেষ্টা কৰিব নালাগে, নিজে নিজে মনত ডোল দি থাকে। কৃষ্ণ গীতাত কৈছে—

বিশ্ব জগতৰ মই উৎপত্তি কাৰণ।
সমস্ত জগতে মোত কৰে প্ৰবৰ্তন।।

চৌধুৰী : হেৰি কি ক'ব, কাৰো উপদেশ কোনেও নুশুনে, কলা টকাৰে ধনী হ'লে জ্ঞানী, দুখীয়াৰ উপদেশে কাম নকৰে। মানুহজনেই সলনি হৈ যায়। টকাই সজাই সমাজকৰ্মী, ৰাজনৈতিক নেতা সভাৰ সভা শুৱনি বক্তা। কি হ'ব উপদেশ দিওঁতা-লওঁতা উভয়ৰে জ্ঞানৰ ভঁৰালত শূন্যতা।

স্থিতপ্ৰজ্ঞ-স্থিতধী হৈ আত্মজ্ঞান আৰ্জি লৈ কোনে কৰিব শুদাহাতে সংসাৰ মায়া-মোহৰ বাসনাৰ আধুনিক পৰিচালনা। খং, ক্ৰোধ, উন্মত্ততা, ৰঙা চকু নাথাকিলে কেনেকৈ কৰিব দুষ্টামি? সাত্ত্বিক হোৱাৰ যে কেনে পালি জানেই নহয় সকলোৱে আজিকালি।

বৰুৱা : এয়াই আজিৰ দিনৰ স্বৰূপ; দেখাত সুৰূপ ভিতৰত হৈ আছে কুৰূপ; মানুহ আছে কলিজা নাই, বুকু আছে অন্তৰ নাই, সৰু-ডাঙৰ আছে মানা-মানি নাই, সভ্যতা আছে পোছাক নাই, ব্যৱহাৰ আছে ভাষা মাৰ্জিত নহয়।

চৌধুৰী : কথাটো আগতে কোৱাৰ দৰে, 'টোপোলাক দেখি টোপলী নাচে, নাই টোপোলা টোপলী ঘৰতে মনমাৰি বহি আছে'; এই কথাষাৰৰ দৰে হৈছে। বসন্তকালত বিহুনাচ দেখিলে নিজৰো গা-মন নাচে; বিহুৱা মন শুই থাকে বুকুৰ ভিতৰত ঘোৰ বাৰিষা কালত। হাঁহি দিলে হাঁহিয়ে আদৰণি জনায়; দুখ দিলে সুখেও মেলানি মাগে, সদ উপাৰ্জনৰ ধন অথলে নাযায়; ৰাসায়নিক বিক্ৰিয়া সময়মতে সংঘটিত হয়।

বৰুৱা : সুখে-দুখে সমভাগী, এটাই এৰিলে আনটোই ধৰে লাগি; মাতে-কথাই একেলগে মিলামিলি বুজাবুজি হ'লে, দি থৈ নিজে ভগাই মিলাই খাই আনন্দৰ সীমা নাই। তেনেকৈয়ে সুখ থাকে সদ্ পৰিশ্ৰমৰ উপাৰ্জনত, অভাৱো নাই, মৰণো নাই। হিয়া ৰাখে সুখেৰে ভৰায়।

চৌধুৰী : মই জনাত সুখ-দুখ দুই ককাই-ভাই। একে কাঁহীত ভাত খায়, সুখে ভাতগৰাহ মুখত দিলে দুখে হাঁহে: দুখে নাপালে সুখে ভাতগৰাহ পিচুৱাই নমাই দিয়ে। ত্যাগে লম্বদিশত সমবাহু ত্ৰিভুজ আঁকি দুয়োৰে লগত সমানে সহযোগী হৈ পৰে। সেয়ে মই নিজেও আপোনাৰ সুৰত সুৰ মিলাই বুজিছোঁ যে পৃথিবীক আবিষ্কাৰ কৰাৰ আগতে, ঈশ্বৰৰ অস্তিত্বক আবিষ্কাৰ কৰাৰ আগতে, নিজক আবিষ্কাৰ কৰিব লাগে; তেতিয়া অনন্ত শক্তিৰ অন্তৰ্নিহিত ৰহস্য উদঘাটন কৰিব পাৰে। দেখিব পৃথিবীখনেই সংকুচিত হৈ নিজৰ ঘৰখনৰ লগত মিলি পৰে কেনেকৈ? তেজ-মঙহ, দেহ-প্ৰাণ, হাঁহি-কান্দোন, সুখ-দুখ, প্ৰেম-বিৰহ সকলো হৈ থাকে একেমুখ।

বৰুৱা : আপুনি ক'লে বাৰু সুখৰ এটা কথা, মই দুখৰ আনটো কথাত সহযোগ

নকৰিলে পৰিপূৰক নহ'ব তত্ত্ব। মই উঠিলে আপুনি নামে আৰু আপুনি উঠিলে মই নামিলোঁ। ৰ'ব ময়ো চেষ্টা কৰোঁ। চাওক, দুখেহে কঢ়িয়াই সুখ; দুখ নাথাকিলে সুখে কৰে দুখ, মনটোও হয় অসুখ। পৰিশ্ৰমত দেহৰ কষ্ট মনৰ দুখ; খোৱা-লোৱা-শোৱা সকলোতে মহাসুখ। ভাবিলে বুজি পাব যে মনটোৱে অতীতৰ অভাৱ ভৱিষ্যতে পূৰোৱাৰ আশাত বৰ্তমানৰ কৰ্মৰ ভাৰখন বৈ ফুৰে। সেয়ে কোনেও নাজানে কিহৰ তাড়না লৈ কেনেকৈ জীয়াই থাকে? কোনোজনৰ সুকীৰ্ত্তিৰ সুখ, কোনোজনৰ কুকীৰ্ত্তিৰ দুখ, কোনোজনৰ জীৱন-যাতনা-শোক-তাপ মৰ্মান্তিক আঘাতৰ দুখ আৰু কোনোজনৰ মৃত্যুৰ দুখ। আৰু আন কোনোজনৰ হয়তো বঞ্চনা, ক্ষোভ, হতাশা, সন্ত্ৰাসৰ বিপ্লবী সৈনিক হৈ থকাৰ তাড়না। এয়া সকলো অভাৱ পৰিপূৰকৰ বাবেহে। সেই কাৰণেই বোধহয় খাওঁ বুলি খাব নোৱাৰে, যাওঁ বুলি যাব নোৱাৰে; আত্মিক অভাৱে সকলো পৰিপূৰকৰ বাবে পৰিচালনা সাপেক্ষে ঘটনাক্ৰমে মঞ্চত উপবিষ্ট হৈ ৰৈ থাকে। এয়াই সময়, য'ত কোনোজনৰ সুখৰ অন্ত নপৰে, কোনোজনৰ দুখৰ; কোনোজনৰ ৰোগৰ, কোনোজনৰ লঘু-লাঞ্ছনাৰ আৰু কোনোজনৰ ৰোষৰ বলি হোৱাৰ। আপোনাৰ লগত দেখাত কোনো নাই; কিন্তু জানিব আপুনি দুয়ো লগলাগি ফুচফাচ কথা হৈ আছে। জনাটো কৰি আছে নজনাটো ভাবি গৈ আছে। যেন ভালটো দিছে মনত পেলাই, বেয়াটো নিছে আঁতৰাই, অচিনাকি হৈ গৈ থাকোঁতে চিনাকি হৈ গ'ল লগতে।

এয়া চাওক শুদ্ধভাৱে, শুদ্ধচিত্তে, শুদ্ধমনে কামটো কৰি গৈ আছে। এয়া সাধনা হৈ তত্ত্বই ধৰা দিছে— পঢ়া-শুনা, গান-বাজনা, নৃত্য, নাটক, অভিনয়, সাহিত্য-কলা, শিল্প-বিজ্ঞান আদিত সকলো কাম শুভ হৈ টানিং পইণ্টত জান দি যায়। আপুনি যে কৈছে এয়া ত্ৰিভূজ— তিনিবিন্দু ব্ৰহ্মা-বিষ্ণু-মহেশ্বৰ। অৰ্থাৎ সৃষ্টি, স্থিতি, লয়। এই তিনি অৱস্থাকে বেঢ়ি আছে অনাদি ঈশ্বৰ; স্থূল সত্ত্বা প্ৰকৃতিৰ আঁৰত সূক্ষ্ম সত্ত্বাৰ বিস্তৃত আভা আছে যাৰ। এয়া বৃত্তৰ সীমা, শূন্যৰ পৰা অসীমলৈ। মনৰ চিৰশান্তিৰ সৌধ এই শুদ্ধ চিত্ত সম্পৰ্কে কৃষ্ণগীতাত কৈছে—

যোগী হৈয়া চিত্ত শুদ্ধি হ'লেহে অৰ্জুন।
আত্মাতেই লাভ হয় সেই ব্ৰহ্ম জ্ঞান।।

চাওক, এই শুদ্ধ চিত্তৰ ফলাফল দুৰ্যোধন আৰু অৰ্জুনে ভগৱান কৃষ্ণৰ সহায় বিচাৰি বৈ থকা সময়ত উভয়ৰে অৱস্থানৰ পৰাই সহজে অনুমেয় হয়। আগে ভগৱান কৃষ্ণৰ দৃষ্টি আকৰ্ষণ কৰাৰ মানসেৰে তেতিয়া ৰাজপুত্ৰ আৰু ভৱিষ্যৎ ৰজাৰ আত্ম গৌৰৱেৰে মূৰ শিতানত সিংহাসনত বহাৰ দৰে বহি বৈ আছিল, ভগৱানে টোপনিৰ পৰা সাৰপোৱালৈ। আনহাতে অৰ্জুনে ভৰি শিতানত সাধাৰণভাৱে বহি বৈ আছিল। কৃষ্ণ সাৰ পাই উঠি অৰ্জুনক দেখি পূৰ্বৰ প্ৰতিশ্ৰুতি মৰ্মে সহায় কৰাৰ আশ্বাস দিলে। দুৰ্যোধনে প্ৰতিবাদ কৰাতহে স্থিতি অনুমেয় হৈ ওঠৰ অক্ষৌহিণী সেনা (নাৰায়ণী) দিয়াৰ কথা দিছিল। ইয়াত দেখা যায় দুৰ্যোধনক কৰা সহায় স্থূল আৰু অৰ্জুনক কৰা সহায় স্থূল আৰু সূক্ষ্মৰ সমন্বয়। বৰ্ণনাত এইটো কাহিনী বা সংলাপ কিন্তু প্ৰকৃততে অশুদ্ধ আৰু শুদ্ধ আত্মাৰহে যেন এক পৰোক্ষ দৈববাণী।

চৌধুৰী ঃ তাৰমানে অৰ্থটো এইয়ে যে কৰ্মটো ঈশ্বৰৰ জ্ঞাত। লুকাই-চুৰি কৰি আত্মাক আঘাত দিয়া কোনো কাম নিজ ইচ্ছাতে কৰো বুলি কৰিব নোৱাৰে। পাপৰ ফলেহে তাক কৰ্মটোত উদ্বুদ্ধ কৰি তোলে। কৰ্মটো কৰাৰ ক্ষণতে কেতিয়া ধৰাত পৰিব আৰু ফল কেনে হ'ব লগে লগে নিৰাকৰণ হৈ থাকে? ঈশ্বৰ তত্ত্বক বা মাহাত্ম্যক কোনেও ঢুকি নাপায়; তেওঁ নিজে ধৰা দি যায় কৰ্মৰ গতি-বিধি চাই?

বৰুৱা ঃ এয়াহে আচল কথা, গুৰুতকৈ শিষ্য আগবাঢ়ে, গভীৰ চিন্তা উপলব্ধিত সকলো ধৰা পৰে। ভালেই লাগিছে মোৰ মিলিজুলি এক শক্তি হৈ চিণ্ডিব পৰা যাব ঈশ্বৰ বিশ্লেষণ তত্ত্বৰ সূক্ষ্ম আঁহবোৰ। আৰু মাহাত্ম্য তত্ত্বৰ সংশ্লেষণ কৰি চুমিব পৰা যাব পৰমাৰ্থ তত্ত্বৰ আকাশৰ চূড়া।

মই ভাবোঁ কোনো কাম কৰাৰ আগতে সেয়েহে ভাবি-চিন্তি চাব লাগে ঈশ্বৰ বিচাৰি চোৱা বিশ্লেষণৰ দৰে; কামটো ভাল হ'ব নে বেয়া হ'ব। ই কোনো জীৱাত্মাৰ ক্ষতিকাৰক হয়নে নহয়। সেই কাৰণেই কয় 'ভাবি-চিন্তি কৰা কাজ, ঘাটে জিতে নাই লাজ; আৰু কয় হয় যদি মুনিজন তেওঁ সোধে তিনিজন'। খনাৰ বচনতো সোঁৱৰাই দিছে,

'ভাবিয়া চিন্তিয়া কৰিয়ো কাজ, কৰিয়ো ভাবিয়ো না।' জীৱাত্মাৰ উপকাৰৰ প্ৰতি লক্ষ্য ৰাখি কামটো কৰিলে বুজিব যে এয়া নিৰীশ্বৰবাদী (Atheist) হ'লেও ইয়াৰ উৎস মানৱ কল্যাণ। বাট যিয়েই নহওক লক্ষ্য একেই, এয়া যুক্তিবাদৰ ওপৰত অধিষ্ঠিত মতবাদ।

কামটো আৰম্ভ কৰাৰ আগতে তিনিটা দিশত মনোনিৱেশ কৰিলে ভাল। প্ৰথমতে ভাল-বেয়া, জীৱাত্মাৰ উপকাৰী-অপকাৰী: দ্বিতীয় ঈশ্বৰৰ নামত মনৰ স্থিৰতা আৰু তৃতীয় নিষ্ঠা-কৰ্ম সাপেক্ষে নিজৰ মনৰ শুদ্ধতা নিৰ্ণয় কৰা। প্ৰকৃততে দেখা যায় ঈশ্বৰৰ প্ৰতি মন যাৰ বেয়া কাম চকুত নপৰে তাৰ। কৃষ্ণগীতাত কৈছে—

পৰমাৰ্থ চিন্তাহীনে শান্তিক নাপায়।

চৌধুৰী ঃ মই এই সন্দৰ্ভত কি ভাবোঁ জানে, ৰাসলীলাৰ দ্বাৰা ঈশ্বৰ কৃষ্ণৰ অৱতাৰী ৰূপৰ মহিমাত সাংসাৰিক কাম প্ৰবৃত্তিৰ উন্মাদনাৰ নামত জীৱাত্মা আৰু পৰমাত্মাৰ অপূৰ্ব মিলনেৰে আধ্যাত্মিক প্ৰেমৰ চূড়ান্ত ৰূপ পৰিগ্ৰহ কৰিছে। এনেহেন যে যিজনৰ এই প্ৰেম জাগ্ৰত হয় সেইজনে সংসাৰৰ আন সকলো মায়া-মমতা তথা পিতা-মাতা, ভাই-ভনী ত্যাগ কৰি অন্ন-বস্ত্ৰ এৰি অকল এই স্বৰ্গীয় প্ৰেমতে নিজক বিলাই দিবলৈ কুণ্ঠাবোধ নকৰে। প্ৰেম এনে এক অপূৰ্ব সুখ আৰু জীৱনানন্দ যাক লাভ কৰাৰ কাৰণে আনসকলোৰে প্ৰতি অনীহা যোগায় আৰু জীৱন-মৰণ পণ কৰি সাতসাগৰ তেৰ নদী পাৰ হৈয়ো লাভ কৰিবলৈ বাঞ্ছা কৰে। প্ৰেমৰ বাস্তৱ মাহাত্ম্যতে সোমাই আছে ঈশ্বৰৰ মাহাত্ম্য।

বৰুৱা ঃ এনে উদ্দেশ্য সাৰোগত কৰিয়েই ৰাসলীলাৰ সৃষ্টি কৰিছে। ৰাসলীলাৰ উৎস এয়ে যে শৃংগাৰ ৰসানুভূতিৰে ভক্তি তথা ঈশ্বৰৰ প্ৰতি আসক্তি সহজে অনুমেয় কৰিব পাৰি; এনে পৰিপ্ৰেক্ষিততে কৃষ্ণ আৰু গোপীসকলৰ প্ৰেম নিবেদন প্ৰক্ষেপ কৰিছে। একেদৰে ঘৰুৱা প্ৰেমেও স্বৰ্গীয় প্ৰেম পৰিগ্ৰহ কৰিব পাৰে। এই সুখ ত্যাগৰ এটা নিদৰ্শন যেনে—

'আমি, চাৰি ভাই ভনী হওঁ

আলু বেঙেনা জুইত পুৰি, পকা জলকীয়া চিঙি আনি—

মিলাই-নিমিলাই পইতা ভাত খাওঁ।
আৰু ত্যাগে বোলে ৰহ ৰহ মোৰ কেনে সুখ কওঁ
আমি সাত ককাই-ভাই হওঁ
এটা তিলৰ লাৰু আনি মিলাই-নিমিলাই মন ভৰি খাওঁ

এয়া স্ব-আত্মাত জীৱাত্মাৰ অনুভূতি জগা এক মানৱ প্ৰীতি।

চৌধুৰী ঃ সমভাবতে জন্ম হয় ত্যাগৰ। চাওক, সুখ আৰু দুখ দুই সহোদৰ ভাই। সুখে ভাত খাই দুখত; কিয়নো সি এটা কামত হাত দি শেষ কৰিব পৰা নাই। ভালদৰে কামটো কৰিব নোৱাৰিলে তাৰ বহুত ক্ষতি হ'ব। আগৰ ফালে চাওঁতে পিচৰ ফালে হেৰোৱাৰো ভয়। দুখে ভাত খায় সুখত। তাৰ বহুত নহ'লেও থকাখিনি হেৰোৱাৰ ভয় তাৰ মনত নাই। দুয়ো ভাই লগ লাগে সুখে-দুখে কথা পাতে। সুখে দুখে সমানে দিয়া-লোৱা কৰে, ফলত দুয়ো এক হৈ পৰে। এনে একাত্মবোধৰ দৰে জীৱাত্মা আৰু পৰমাত্মা মিলনৰ (দেহৰ ছাঁৰ দৰে) বাস্তৱ প্ৰক্ৰিয়া প্ৰকাশিত হৈছে।

বৰুৱা ঃ সমভাৱ যাৰ থাকে, সৎভাবে ক্ৰিয়া কৰে; সৎভাৱে যাৰ মনত ক্ৰিয়া কৰে, তেনে মানুহে যিকোনো সমস্যাৰ সমাধান কৰে। কাৰণ সমতাই একতাৰ সূত্ৰ, মানৱতাৰ গোত্ৰ; সেয়ে ইষ্ট-কুটুম্বৰ সম্পৰ্কৰ মিত্ৰ তত্ত্ব। সৃষ্টিৰ সমস্যা সমাধানত এনে তিনিটা তত্ত্বই ক্ৰিয়া কৰে। তৰ্জুৰ সমতা, দিন-ৰাতিৰ তথা গ্ৰীষ্ম-শীতৰ পৰিপূৰকতা আৰু বায়ু-পানীৰ সমলেভেল প্ৰৱণতা। ইয়ে পৰিচালনা কৰে বিশ্বব্ৰহ্মাণ্ডৰ সৃষ্টি তত্ত্ব। ইয়াৰ উৎস হ'ল এক মুক্ত, বাধাহীন পৰম উজ্জ্বল জ্যোতি। এই অবিৰাম জ্যোতিৰ সংযোগ মাধ্যমতে জীৱাত্মা-পৰমাত্মাৰ যোগসূত্ৰ নিৰৱচ্ছিন্নভাৱে চলি থাকে সপোনে, দিঠকে। বৈষম্যভাব যাৰ, অসৎভাবে দকৈ মনত শিপাই দেহাত্মক বিপথে পৰিচালিত কৰে তাৰ। সি য'তেই যায় সমস্যাৰ সৃষ্টিকাৰী হয়, লগতে দুষ্টলোকে হাত উজান দিয়ে তাত, সৎলোক থাকে মনৰ পৰিধিৰ বাহিৰত।

সেয়ে হিংস্ৰ, তেজপিয়া, দুৰ্নীতিপৰায়ণ যিয়েই নহওক কিয় টকাৰ লোভত এই সংখ্যা বাঢ়ি সমস্যা জটিল কৰিছে। আৰু ক'লাকামত ধনী হোৱা এটা সময়ৰ ধৰ্ম হৈ পৰিছে। বাতৰিখন হাতত

ল'লে এনেহেন লাগে যেন ক'লা ধান্দাৰে মাটি-সম্পত্তি, ঘৰ-দুৱাৰ, অট্টালিকা, বিলাসী গাড়ী আদি কৰি বিলাসী জীৱন যাপন কৰা খিনিহে মানুহ। ভোগৰ জীৱন বেচ কৰিছে সফল যাপন। দুখ-কষ্ট কৰি ল'ৰা-ছোৱালী গঢ়ি সৎ পথত মানুহ হোৱাটো যেন অবান্তৰ কথাহে আজিৰ যুগত। ভাল-বেয়াৰ কৰিব নোৱাৰা হৈছে বাছ-বিচাৰ, সকলো একাকাৰ। অদক্ষজনক সভাত টকাৰ মায়াত সম্বৰ্দ্ধনা জনায়, সন্মানিতজনক কেৰাহিকৈও নাচায়। বিপদত প্ৰাণৰ ভয়তহে, হিংসা, জেদ, ঘৃণা, বিদ্বেষভাব পৰিহৰি এক হয়, আনকি বিচ্ছেদ হ'বলৈ যোৱা পতি-পত্নীও। এনে দিশতে বাঘে-ছাগে একে ঘাটতে পানী খায়। তদ্ৰূপ হৈছে আজিৰ মানুহ ধন, ক্ষমতাৰ হা-হুতাশত। সেয়েহে ইটো কেলেংকাৰীৰ পিচত সিটো কেলেংকাৰী। মূল্যবোধৰ অৱপালি; দেহ-মন স্খলনৰহে বাট মুকলি।

চৌধুৰী ঃ প্ৰকৃততে ক'বলৈ গ'লে অসৎ পথত ট্ৰেইনিং লৈ দেখা টকাৰ উদুলি মুদুলি নহয়, দেশ অৱক্ষয়ৰহে বাট মুকলি। প্ৰকৃততে দুৰ্নীতি বঢ়া নাই, ঘৰবিলাকত সংক্ৰামক ৰোগহে বাঢ়িছে। সংক্ৰামক ৰোগৰ আক্ৰমণত পৰিয়াল বাহিৰ হ'ল, ঘৰবিলাক হোটেললৈ পৰিবৰ্তন হ'ল, চুইচ টিপিলে বিচৰা বস্তুপদ আহি যায় সন্মুখত। নিজে কৰি ধৰি বনাই একো খাব নালাগে। কোনেও কাকো আমনি কৰা বা ইটো-সিটো হাট-পাত ধৰি কৰি দিয়াৰ বাবে কষ্ট দিব নালাগে। যান্ত্ৰিক সুখে হিয়া দখল কৰাত, কৰ্মৰ গাতে লাগি থকা সুখবোৰে উপায় নোপোৱা হ'ল; দৌৰি দৌৰি থৰকাচুতি হেৰাই ওলাই গ'ল। ঘৰৰ ভিতৰত দুখেই মনৰ আহাৰ হ'ল। কলিজাবোৰ এঙাৰ পৰি ৰ'ল। এন্ধাৰত ঘৰৰ ভিতৰত কোনেও কাকো বিচাৰি নাপায়; পিতা-পুত্ৰৰ চিনাচিনি নাই, এয়া আধুনিক সভ্যতা ৰঙচঙীয়া; টকাৰ গোলামি কৰি হৈছে অসুখীয়া। কোনেও কাৰো মন নুবুজে, এন্ধাৰত খুন্দাখাই থোকাবোকা লাগে। কাৰ লগত কোন-পৰ ৰাতি কোনে সহবাস কৰে কোনোৱে ভাবি মূৰ ঘমাব নালাগে। সকলো ব্যৱস্থা টকাৰ হাততে।

বৰুৱা ঃ আহ কি ক'ব? সংক্ৰামক ৰোগৰ আক্ৰমণত জীয়াই থকা টান হৈ

পৰিছে। ইটো জাতি-বৰ্ণ-ধৰ্ম-ভাষা চাই আক্ৰমণ নকৰে। আচলতে দুৰ্নীতিও এটা অসূয়া কামৰ ভূত, এবাৰ লম্ভিলে ধ্বংস নকৰালৈকে এৰি নিদিয়ে। এক প্ৰকাৰ ক্ষয় ৰোগৰ ভূত। লোভে যিমানেই মন দুৰ্বল কৰে, দেহ-মন ৰক্ষক শুভ শক্তি সিমানে হেৰাই আৰু সংক্ৰামক ৰোগে সিমানে সোনকালে আক্ৰমণ কৰাত সকাহ পায়। মানুহৰ পৰা সোনকালে অমানুহত পৰ্যাবসন কৰে। ইয়াত আৰু এটা অসূয়া প্ৰবৃত্তি দুৰ্নীতি ভূতৰ স্বভাৱৰ লগত মিলি থাকে।

চৌধুৰী ঃ কি প্ৰবৃত্তি?

বৰুৱা ঃ ধৰ্ষণ, মানে নাৰী, যুৱতী, নাবালিকা, বৃদ্ধনাৰী ধৰ্ষণৰ উন্মাদনা বৃত্তি। য'তেই বিপৰীত লিংগ দেখে ত'তেই এই ভূতৰ কু-চৰিত্ৰই খেদি ফুৰে। দুৰ্গন্ধক খেদি ফুৰে যেন মাখি। য'তে যৌন প্ৰেমৰ গোন্ধ পায় ত'তেই খাপপিটি থাকি চল চাই বুকুত জঁপিয়াই আৰু নৰখাদক বাঘৰ দৰে তেজ পি গুচি যায়। ধৰ্ষণৰ লগত আন দংশনো আছে।

চৌধুৰী ঃ আন কি দংশন? সাপেহে মানুহক দংশন কৰে। অৱশ্যে মন দংশনেও সাপৰ বিষতকৈ কম মনবিষ ঢালি নিদিয়ে।

বৰুৱা ঃ এই দুটা হ'ল মস্তিষ্ক দংশন আৰু বিবেক দংশন। ইয়ে নাৰী সমাজৰ জীৱন-মৃত্যু সমস্যা হিচাপে মূৰ দাঙি উঠিছে। এনে নাৰী নিৰ্যাতন, বোৱাৰী হত্যাৰ কাহিনী দিনক দিনে পোহৰলৈ আহিয়েই আছে। তুঁহ জুইৰ দৰে ঘৰ-সংসাৰ পুৰি ছাঁই কৰিবলৈ লৈছে। সাপে যেনেকৈ বিষ ঢালি মৃত্যু ঘটায়, ইয়াতো বিষাক্ত ভাষাৰে মনবিষ কাণত সিঁচি আত্মহননৰ বাবে অতিষ্ঠ কৰি তোলে।

চাওক, আপোনাৰ অৱগত— নল-দময়ন্তী, সত্যবান-সাবিত্ৰী, ৰজা হৰিশ্চন্দ্ৰ-ৰাণী সব্যা, লখিন্দাৰ-বেউলা, ৰাম-সীতা, কৃষ্ণ-ৰুক্মিণীৰ কাহিনী। ধৰ্মীয়, দৰ্শন, সামাজিক, শিক্ষামূলক যিয়েই উদ্দেশ্য নহওক কাহিনীভাগ আগবঢ়াই নিয়াত আজিৰ দৰে বাস্তৱত দেখা দিয়া ধৰ্ষণ, নাৰী নিৰ্যাতন বা মস্তিষ্ক-বিবেক দংশনৰ কোনো ইংগিত পোৱা নাযায়। আনকি নাৰী হৰণতো (ৰাৱণৰ সীতা হৰণ) ধৰ্ষণ বা বলাৎকাৰৰ কোনো ইংগিতে ভুমুকি দিবলৈ কোনো দুৰ্বলতাৰ সুযোগ লোৱা দেখা নাযায়। আনহাতে স্বামী ভক্তিৰ মাজেৰে পুৰুষ প্ৰকৃতিৰ অপূৰ্ব

মিলন প্রতিভাত হৈছে। লগতে আদ্য শক্তিয়ে মহাশক্তি ৰূপে ধাৰাবাহিক অন্তর্নিহিত শক্তি প্রকট কৰি তুলিছে। শুক্র-কীট গর্ভকোষত নিসৃত কৰাৰ পৰিপ্রেক্ষিতত প্রকৃতি সাপেক্ষে জীৱ সৃষ্টিৰ উদ্দেশ্যৰ দ্বৈত শক্তি একাত্ম হোৱাৰ প্রকাশ বিদ্যমান।

কিন্তু শংকৰদেৱৰ বৈষ্ণৱ ধর্ম দর্শনত পুৰুষ প্রধান কৃষ্ণই সর্বশক্তিৰ আধাৰ হিচাপে স্থাপিত হৈছে। প্রকৃতিক কিন্তু অৱজ্ঞা কৰা নাই। কিয়নো নাৰীৰ ধর্ম পুৰুষ সাপেক্ষেহে অর্থপূর্ণ। সেয়েহে কৈছে—

প্রকৃতি পুৰুষ দুয়ো হৈবা এক মতি।
তেহে সিজিব গুৰুত ভকতি।।

চৌধুৰী : কিন্তু এটা কথা, ৰামায়ণত সীতাৰ ক্ষেত্রত ৰামে কৰা ব্যৱহাৰ আজিকালিৰ দৰে মস্তিষ্ক দংশন আৰু বিবেক দংশনত পৰে।

বৰুৱা : সেই কাৰণেই সীতাই মনৰ যাতনা সহিব নোৱাৰি মাতৃ বসুমতীৰ স্নেহৰ আচলত লুকাই নিজক মানসিকভাৱে স্থিৰ কৰিব বিচাৰিছিল। সেই সময়ত ৰজাই প্রজাৰ কথাত গুৰুত্ব দিছিল। প্রজাৰ অভাব-অভিযোগ গুৰুত্ব সহকাৰে লৈছিল। আনকি ধোবা-ধুবুনীৰ সমালোচনায়ো সমানে ৰজাৰ ওচৰত গুৰুত্ব পাইছিল। প্রজাৰ কল্যাণৰ নিমিত্তে নিজৰ সুখ-শান্তিকো বিসর্জন দিবলৈ কুণ্ঠাবোধ কৰা নাছিল।

আচলতে ধোবা-ধুবুনীৰ তর্ক যুদ্ধ এক পৰচর্চাহে আছিল। তৎসত্বেও সীতাৰ কলংক মোচনার্থে চৰিত্র পৰীক্ষাৰ আশ্রয় লৈছিল। এনেদৰে সময়ৰ প্রৱাহ বাৰুকৈয়ে উপস্থাপিত হৈছিল ৰামায়ণত। অর্ধাংগিনী হিচাপে নাৰীত্বত আঘাত সহনশীলতাৰ পৰিপন্থী। শুনা যায় মনুসংহিতাই নাৰীক চাৰিবেৰত আবদ্ধ কৰি ৰাখিব বিচাৰিলেও তাৰ ফাঁকেৰে ওলাই অহা শিক্ষিতা নাৰী আছিল।

বৰুৱা : হেৰি, ঔৰস স্থিতিতে সকলো জীৱৰে তত্ত্ব নিহিত। সেয়ে হয়গৈ গণতন্ত্র। পিতা-মাতা, ভাই-বন্ধু, জনগণ সকলো জীৱৰেই জীয়াই থকাৰ একেই মন্ত্র। আগতে আছিল 'গোধন' আজিকালি 'যান্ত্রিক যুগৰ ধন'। আগতে গণতন্ত্রৰ বান্ধোনৰ এনাজৰী আছিল সহায়-সাৰথিমর্মে হোৱা মৰম, আদৰ কৰি বুকুত সাবটি লোৱা। আজিকালি হ'ল বৰশীৰ টোপ দি ভোট ধৰাৰ কৰে চল, মানৱতা হয় পদপিষ্ট।

চৌধুৰী ঃ এয়া, আজিকালি ৰাজনীতিৰ মাছ্ধৰা জাল (Political Fishing Net)ৰ প্ৰয়োগ দেখিব ক্ষুধাৰ্তসকলৰ ওপৰতে অধিক।

বৰুৱা ঃ কিন্তু মই যে কৈ আহিছোঁ ঐশ্বৰিক প্ৰেমৰ জালৰ (Divine Love Net) কথাহে। ইয়াত বিপদে-আপদে-সম্পদে নেতা থাকে কাষতে। বিচাৰিলেও আহে, মনত পেলালেও সহায় কৰে। ই হ'ল পৰমাত্মাৰ জ্যোতিৰে সংযোগ সাধন কৰা আত্মাৰ পাহিৰে গঁঠা জীৱাত্মাৰ আচাৰ জাল। যিটো গাঁঠিতে জীৱাত্মাই টানে তাতেই থিয় হয় লগতে। মনতে ভবা আৰু বিপদ আঁতৰোৱাৰ মাজত কোনো ফাঁক নাই। এইখনেই প্ৰাণ জাল (Life Net)। প্ৰকৃততে এয়া প্ৰকৃতি পৰিচালিত জীৱ সংহতি। কৃষ্ণগীতাত কৈছে—

পৰমাত্মা আত্মভাৱে থাকয় সংহতি।

চৌধুৰী ঃ মই ভাবোঁ, জীৱ সংহতিৰ উৎস পতি-পত্নীৰ সংহতি সূত্ৰ।

বৰুৱা ঃ ইয়াৰেই চৰম স্তৰ উপস্থাপিত হৈছে শিৱ-পাৰ্বতীৰ ক্ষেত্ৰত। পিতৃ দক্ষৰ যজ্ঞত স্বামী শিৱক নিমন্ত্ৰণ নকৰাৰ ক্ষোভত প্ৰতিবাদ কৰিবলৈ গৈ অপমানিত হোৱা পাৰ্বতীয়ে যজ্ঞস্থলীতে দেহত্যাগ কৰে আৰু শিৱই সেই মৃতদেহ কান্ধত লৈ ভ্ৰমণ কৰে। এনে একাত্মবোধ পোহৰলৈ আহে সত্যবান-সাবিত্ৰী, বেউলা-লখিন্দাৰৰ ক্ষেত্ৰতো। স্বামী-স্ত্ৰীৰ এনে একাত্মবোধ ঐশ্বৰিক মিলনৰ জ্বলন্ত নিদৰ্শন হিচাপে কাহিনীয়ে ধৰ্ম সাপেক্ষে বাস্তৱ দিশত প্ৰক্ষেপ কৰিছে। এনে সুখ স্বাচ্ছন্দ অনুভূতিও স্বৰ্গীয়, লগতে নাৰীৰ উগ্ৰ ক্ষোভ প্ৰতিভাত হৈছে পাৰ্বতীৰ ক্ষেত্ৰত। প্ৰকৃততে এয়া বৈষম্য ভাবৰ প্ৰতিবাদ তথা মানৱতাৰ ওপৰত আঘাতৰ ক্ষোভ। পদ্মাৱতী (মনসা)ৰ ক্ষেত্ৰত এনেভাব পোহৰলৈ আহিছে।

শংকৰদেৱৰ বৈষ্ণৱ ধৰ্মত নাৰী বিদ্বেষভাব প্ৰকাশ পোৱা বুলি ভাবিলেও প্ৰকৃততে মনুসংহিতাৰ আঁত ধৰি নাৰীৰ মোহময়ী আকৰ্ষণে ভক্তি ধৰ্মৰ বিঘিনি ঘটাব পাৰে বুলি ভাবিয়ে আশংকা কৰি নাৰী বাৰণ কৰাৰ ধাৰণা বহুতে পোষণ কৰে। এনে পৰিপ্ৰেক্ষিততে সকলোৰে বিদিত 'পথে নাৰী বিবৰ্জিতা' কথাষাৰ প্ৰণিধানযোগ্য।

চৌধুৰী ঃ আজিকালি ইয়াৰ ওলোটা ফালহে দেখিব। কাষত নাথাকে নাৰী, পথত

নচলে ভৰি। বাটে-ঘাটে নৰ-নাৰী, হৈ পৰে পলকতে স্বামী-স্ত্ৰী। কাৰো দুখত কোনো নমৰে, কাৰো আত্মাক কোনেও নিচিনে। এটা গ'লে দুটা মিলে। আগতে আছিল স্বৰ্গীয় প্ৰেম, এতিয়া হ'ল লটিঘটি যৌন প্ৰেম; সুবিধা বুজি খেলে, যৌৱন বেলি লহিয়ালে দিনতে এন্ধাৰ দেখে। এই সুখৰো আছে দিয়া লোৱাৰ সমতাৰ সংহতি সূত্ৰ। যদি হয় বলাৎকাৰ দিনে দিনে সুলকি যায় গাঁঠি মাৰলি দেহ-মনৰ ততকাল।

মানুহৰ নিজৰ আছেনো কি? দুই হাতৰ কৰণীয় সৎ কৰ্মখিনিয়ে যি। তাতো আছে শুদ্ধ চিত্তৰ অধিকাৰ; মনাত্মা-পৰমাত্মা সংহতিৰ নিৰ্দেশত চলে হাত।

বৰুৱা : পুৰণি সমাজত নাৰীৰ অধিকাৰ সম্পৰ্কে হৰিশ্চন্দ্ৰ উপাখ্যানত পোৱা যায় যে তিনিও কালত নাৰী নহয় স্বতন্ত্ৰৰী। অৰ্থাৎ ছোৱালী অৱস্থাত পিতৃৰ অধীন, বিয়াৰ পিচত স্বামীৰ অধীন আৰু শেষত পুত্ৰৰ অধীন। সেয়ে এনে দিশতে নাৰীৰ স্বকীয় ধৰ্ম নাই। পুৰুষৰ ধৰ্মই নাৰীৰ ধৰ্ম। সৃষ্টিতো দেখা যায় প্ৰকৃতি, পুৰুষ সূৰ্যৰেই অধীন। এই তাপ আৰু পোহৰ অবিহনে সৃষ্টি অসম্ভৱ। মহাভাৰতৰ গান্ধাৰী পিতৃৰ, স্বামীৰ আৰু পুত্ৰৰ অধীন। দুখ-বেদনা ভোগ কৰিছে, কাকো মনাব পৰা নাই। দ্ৰৌপদীৰ বস্ত্ৰহৰণত অপমানিত কিন্তু উপায়হীন।

চৌধুৰী : সেয়া আছিল নাৰী-পুৰুষৰ পৱিত্ৰ মিলনৰ দিন। শ্ৰদ্ধা-ভক্তি, মৰম-চেনেহৰ মুক্ত আৱাস। এক সোণালী অধ্যায়। আজিকালি স্বামী-স্ত্ৰী উভয়ে স্বাধীন, ল'ৰা-ছোৱালীও হ'ব নিৰ্বিচাৰে পিতৃ-মাতৃৰ অধীন। প্ৰত্যেকৰে চিন্তা-চৰ্চা, পচন্দ-অপচন্দ, ভাললগা-বেয়ালগা নিজৰ নিজৰ; জীৱন গঢ়াৰ নামত ল'ৰা-ছোৱালী পিছলি পৰে আত্মকেন্দ্ৰিক ভাবত। সেয়েহে পৰিয়ালত কোনেও কাৰো পৰা নাপায় সমাদৰ। এয়াও হৈ পৰিছে মানৱতাবোধৰ এক অন্তৰায়।

বৰুৱা : এয়া একাত্মবোধৰ অভাৱ; দম্পতীৰ সংসাৰধনতো সংহতিৰ জ্ঞানৰ অভাৱ। যাৰফলত বিবাহ-বিচ্ছেদ, যৌতুক-নিৰ্যাতন হয় আৰু সন্তানৰ ভৱিষ্যৎ অন্ধকাৰতে হেৰাই যায়। প্ৰকৃততে কোনো নহয় স্বাধীন, যদি হ'ব নোৱাৰে জীৱ সংহতিৰ বুজা-বুজিৰ অধীন। দৰাচলতে সমভাৱৰ ওপৰত এয়া নিৰ্ভৰশীল প্ৰক্ৰিয়া। এনে সমভাৱৰ অনীহাই

কৰিছে বুজাবুজিৰ অভাৱ। এই বুজাবুজিৰ অভাৱে বিবাহ-বিচ্ছেদৰ কাৰণে মনক উদ্বাউল কৰি তোলে।

চৌধুৰী ঃ সেয়ে পুৰণি নাৰী আছিল জীৱনৰ লগৰী; পোহৰে-এন্ধাৰে সংসাৰ ৰাখিছিল ধৰি; পতিৰ দেহ-মনৰো আছিল সমানে লগৰী। আজিকালি নৰ-নাৰী বাটৰ নাট, গৃহ নাটৰ নায়ক-নায়িকা হৈ কৰে অভিনয়। সামূহিক ভোগৰ সামগ্ৰী তথা আনন্দৰ অভাৱ ঘটিলে মন হয় ছন্ন, পলকতে চিঙি দিব খোজে যুগ্ম বান্ধোন। আৰু কি জানে, আজিকালি ঘৰ ৰখোতও নাই, দুৱাৰটো থয় তলা ওলোমাই। ল'ৰা-ছোৱালী ঘুৰি-ফুৰে অনাই-বনাই। মৰম-আদৰ কি বুজি নাপায়, আনক দেখি কৰে হায় হায়।

বৰুৱা ঃ হেৰি, ঘৰৰো তলা, নিজৰ মনৰো তলা, কোনেও কাৰো মন নোৱাৰে খুলিব। স্ব-উপাৰ্জনত আস্থা নাই, বিয়াৰ যৌতুককে সাৰথি কৰি জীৱন বিচাৰি চাই, নাপালে নিৰ্যাতন কৰি মস্তিষ্ক-বিবেক দংশনেৰে তিলতিলকৈ দহি দেহৰ কৰে ক্ষয়। যদি ভুল বুজাবুজি হয় কোনেও কাকো আগে মাতি সৰু হ'ব নাচায়। ধুমুহাত হালি পৰা নদীৰ পাৰত বালিত গজা কঁহুৱা বন ক্ৰমে ক্ৰমে গৃহ ফুল ফুলি ঠন ধৰি উঠে পুনৰাই আৰু যদি মন জুইয়ে পোৰে— দেহ-মনৰ বেৰতো উঁয়ে ধৰে; কেতিয়া সুলকি পৰে নিজেই বুজিব নোৱাৰে। এনেকৈয়ে সুখৰ দিনবোৰ সময়ৰ গতিত নিজৰ দোষতে এন্ধাৰত হেৰায়।

চৌধুৰী ঃ যথাৰ্থতে সাবিত্ৰী, বেউলাৰ যি স্বামী ভক্তি, ত্যাগ; শিৱৰো একে স্ত্ৰী প্ৰীতি-ত্যাগ। এয়া পতি-পত্নীৰ ঐশ্বৰিক একাত্মবোধৰ চানেকি। তদ্ৰূপ শ্ৰীকৃষ্ণ-ৰুক্মিণীৰ প্ৰেম-প্ৰীতি। ৰুক্মিণীৰ গৌৰৱবোধৰ জন্ম হোৱাত শ্ৰীকৃষ্ণ অন্তৰ্ধান হয় আৰু ৰুক্মিণী মূৰ্চ্ছা যোৱাৰ পিচত দেখা দি বুজাই যে গৌৰৱ তেওঁহে কৰিব পাৰে; পতি-পত্নীৰ আউল লাগে আৰু ভাগে তেনে বাস্তৱ কথাকে অৱগত কৰিছে।

বৰুৱা ঃ হেৰি, একাত্মবোধ মনত উদয় হ'লে বা জীৱ সংহতিৰ সম্যক জ্ঞান ওপজিলে পতি-পত্নী, ঘৰ-পৰিয়াল, তথা সমাজৰ শৃংখলবোধৰ লগতে মনৰ প্ৰশান্তি আৰু সকলো পৰ্যায়তে মানৱ প্ৰীতি ভাব ওপজে। আচল ৰহস্য হ'ল যিজনে নিজৰ দোষ বুজে, তেওঁ আনৰ দোষ খুচৰি

নিজক লুকুৱাব নিবিচাৰে। তেওঁৰ আত্ম উপলব্ধি সহজে ওপজে।

সেয়ে আত্মসমালোচনা আগত, পৰচৰ্চা পিচত; দুৰ্বলীৰ ওপৰত মহাবলী, বলিয়াৰ ওপৰত মইমতালি, নাবালিকা, নাৰীৰ ওপৰত বৰ পুৰুষ যি, সঁচাকৈয়ে নিজক নিচিনা কাপুৰুষ এটা সি। নিজৰ দোষ খুচৰিব যিয়ে জানে শান্তিৰ বাটত তাৰে প্ৰথম খোজ পৰে। নিজৰ দোষ খুচৰা মানেইটো নিজৰ জন্মৰ উৎস বিচৰা। এনে উৎস বিচৰা মানেই বুজিব পাৰিব কাৰ ওচৰত ঋণী। আৰু বুজিব জন্মৰ সনাতন সত্যৰ চিৰ শাশ্বত প্ৰবাহ। লগতে বুজিব সৃষ্টি তত্ত্ব সংহতিৰ সনাতন সত্য প্ৰবাহ। সৃষ্টিৰ জন্ম তত্ত্ব আৰু চাৰিমূঠিৰ জীৱৰ জন্ম তত্ত্বই তেওঁৰ আত্ম গৌৰৱ উটুৱাই নিব, তেতিয়াহে তেওঁ প্ৰকৃতিস্থ মানুহ হ'ব।

চৌধুৰী : তাৰমানে কি কৈছে?

বৰুৱা : এই যে মোৰ 'মা', 'মা'ৰ 'মা', আইতা 'মা'ৰ 'মা' এনেদৰে গৈ থাকক আৰু প্ৰত্যেকৰে জন্মৰ উৎস, খাদ্যৰ উৎস আৰু প্ৰগতিৰ উৎস আৰু প্ৰবাহলৈ। তেনেদৰে আজিৰ প্ৰকৃতি, প্ৰকৃতিৰ মাতৃ স্বৰূপ প্ৰকৃতি— এনেদৰে গৈ থাকক আৰু প্ৰত্যেকৰে জন্মৰ উৎস, শক্তিৰ ৰূপান্তৰৰ উৎস আৰু স্বতঃস্ফূৰ্ত প্ৰগতিৰ অৰ্থত পৰিৱৰ্তনৰ প্ৰবাহলৈ।

দেখিব সৃষ্টিৰ যি তত্ত্ব, প্ৰাণীৰ জন্মৰো একেই তত্ত্ব। অৰ্থাৎ এয়া ওতপ্ৰোত সম্পৰ্ক। কোনেও কাকো এৰি চলিব নোৱাৰে। উভয়ৰে জন্ম তত্ত্বত একেই বা-বতাহ, একেই শীত-তাপ পোহৰৰ প্ৰবাহ; প্ৰাণীসবৰ একেই তেজ, একেই মঙহ, একেই ভোক পিয়াহ, একেই মৃত্যুৰ ভয়, যৌনক্ৰিয়াৰ তাড়না, হা-হুতাহ। একেই সনাতন সত্যৰ জীৱন প্ৰবাহ। মাধ্যাকৰ্ষণ শক্তি আৰু বায়ুৰ উৰ্ধমুখী শক্তিৰ প্ৰভাৱত পৰমাত্মাৰ স্থিতি ৰূপ শক্তি এই দুয়োটাৰে এক মিলন প্ৰীতিৰ সৃষ্টিৰ স্থিতি বিৰাজমান।

চৌধুৰী : আমি মহিলাক 'আই মাতৃ' হিচাপে সন্মান জনাওঁ। আনকি ৰাজ্য দেশৰ ক্ষেত্ৰতেই ধৰক— 'অসমী জননী', 'ভাৰত মাতা' বুলি জয়জয়তে শতসহস্ৰবাৰ প্ৰণাম জনাওঁ। আমি গাওঁ, 'জননী জন্মভূমি স্বৰ্গাদপি গৰীয়সী।' মাতৃৰ গৰ্ভত জনম আমাৰ, এই ঋণ পৰিশোধ

কৰাৰ শক্তি আছে জানো কাৰোবাৰ। মাতৃৰ স্তন দুগ্ধতে জন্ম আমাৰ, জীৱনৰ প্ৰথম মৌ মিঠা আহাৰ। আই বসুমতী মাতৃৰ ৰসাল বুকুয়ে থিয় হ'বলৈ আহাৰ দি শক্তি যোগায়। জন্মদাতৃ মাতৃ আৰু পালিত আই বসুমতী উভয়ৰে আছে এনে নিবিড় সংহতি। সেয়ে বাসুদেৱ-দৈৱকী, নন্দ-যশোদা।

বৰুৱা : চাওক, আদ্ৰভূমি হীন প্ৰকৃতি, নাৰী হীন জীৱন-সংসাৰ ভেকুৱামৰ দৰে চিৰ অসাৰ, পোহৰৰো অস্তিত্ব নাথাকে ত'ত। এনেকৈয়ে জানিব পতি-পত্নীৰ যুটীয়া আত্মাৰ একাত্মবোধে বুজায় একেশ্বৰবাদৰ ৰূপ। আত্মাই আত্মাৰ আপোন, সৰ্বকালৰ সৃষ্টিৰ বান্ধোন, কোনেও কাৰো তলত নহয় সৰু, একেই পিপৰাৰ লাডু। এনে পৰিপ্ৰেক্ষিততে দেখিব পতিয়ে পত্নীক ভাল পায় আদৰি ৰাখে, মৰম কৰে, ভুল কৰিলে বুজায়; পত্নীয়ে পতিক সমীহ কৰি চলে, খং উঠিলেও নিজক দমন কৰে। প্ৰেমক চন্দাল ৰূপ ল'বলৈ কোনোজনেই নিদিয়ে। সৃষ্টিৰ পৰম প্ৰবাহ প্ৰীতিতেই মান্যতা দিয়ে। এনেকৈয়ে উভয়ে উভয়ৰ বুকুৰ আপোন হৈ পৰে; সুন্দৰৰ পৰা সুন্দৰতমলৈ গতি কৰে উভয়ে, ঘৰখন মিলন মন্দিৰত পৰিণত কৰে। ফলত, ঘৰখন হৈ পৰে সৌন্দৰ্য প্ৰেমৰ সাধনাৰ আৱাসস্থল। এনে প্ৰসন্ন চিত্তৰ মানুহ সম্পৰ্কে শ্ৰীকৃষ্ণগীতাত কৈছে—

প্ৰসন্ন চিত্তৰ শীঘ্ৰে প্ৰজ্ঞা হোৱে স্থিৰ।।

চৌধুৰী : সৌৰশক্তি সাপেক্ষে সূৰ্যৰ পৰিপ্ৰেক্ষিতত দেখা যায় পুৰুষো এক শক্তি তথা ভ্ৰূণৰ স্থিতি মৰ্মে এক জ্যোতি। এয়া দেখা যায় মানৱীয় দুৰ্বলতাই এনে শক্তিশালী পুৰুষক নীচ— চৰিত্ৰহীন কৰি তোলে নিজেই আৰু শাৰীৰিকভাৱে দুৰ্বল হেতু নাৰীক পাশৱিক অত্যাচাৰ কৰে; নিৰ্যাতন, ধৰ্ষণ, ব্যভিচাৰ আদি কৰি যৌন ক্ষুধা পূৰণৰ অৰ্থে কামাগ্নিৰে চন্দাল ৰূপ ধৰি কেৰাচিন পৰ্যন্ত ঢালি জুই লগাই হত্যা কৰে। কামোদ্দীপক পত্নীয়েও প্ৰেমিকৰ সহায়ত পৰকীয়া প্ৰেমত উন্মত্ত হৈ পতি হত্যা কৰে— তাৰো উদাহৰণ বিৰল নহয়। এনে প্ৰসংগতে পিপৰা আৰু হাতীৰ শক্তিৰ কথা মনলৈ আহে। পিপৰা হাতীতকৈ অতি নগণ্য শক্তিৰ হ'লেও এই পিপৰাৰ ঐক্যতাই কাণে-

মুৰে-নেজে-গাই পৰি হাতীকো হত্যা কৰিব পাৰে। সেয়েহে এনে ধাৰণা মনত শিপালে বুজিব সংহতি তথা ঐক্যতা অবিহনে বীৰ পুৰুষজন কিমান অপদস্থ। সেয়েহে জঘন্য হত্যাৰ ফল কিমান হৃদয় বিদাৰক হৈ পৰে সময়ত ভুক্তভোগীয়ে প্ৰকাশ কৰিব নোৱাৰা হৈ পৰে। নিজে কৰা জঘন্য ধৰ্ষণ, হত্যাৰ প্ৰতিটো ক্ষণতকৈ নিজৰ ক্ষেত্ৰত বহুত ভয়াৱহ হৈ পৰে সময়ত। সেইটো যেতিয়া বুজে তাৰ উপায় হাতত নাথাকে। এয়া আৰ্তনাদ কিমান বিভীষিকা? এনে কাম কৰি কোনোৱে যাবও নোৱাৰে সাৰি। নিজেই উন্মুক্ত বুলি ভাবে কিন্তু কৰ্মস্থলীতে যে বান্ধ খাই যায় বুজিব নোৱাৰে। সেয়ে হিয়া ধৰফৰাই কান্দি কান্দি থাকিলেও হিয়াৰ এন্ধাৰৰ দুখ নুগুচে; এন্ধাৰ কামৰ এয়া চিৰকলীয়া দুখ। বিষাদে হিয়াখন কলা এণ্ডাৰ কৰে, পোহৰে ভুমুকি দিবলৈ তাত বিন্ধা নাথাকে। এয়া চেগুন গছৰ কাষত মাটিত পৰি থকা মদাৰৰ শোক।

বৰুৱা ঃ হেৰি, 'মা'-ভনী-পত্নী-কন্যা-আইতা যিয়েই নহ'ক নিমাখিত প্ৰাণী। ছাঁত গজা, কোমল শ্বেতবৰ্ণ উদ্ভিদ। এছাৰিতে চিঙি থান-বান কৰিবলৈ দেহৰ গাঁঠি মাৰলিৰ ঠেনু হাতত বজি নাথাকে। কোমল হৃদয়, এক কথাতে পতিয়ন যায় এনে সহজ-সৰল জীৱন-যাপন তাইৰ। এনে নাৰীৰ— নাবালিকাৰ দলবদ্ধ ধৰ্ষণ, তাতে আকৌ জোৱানৰো কি জঘন্য অপৰাধ, খবৰটো পাবলৈ হিয়াই নুকুলায়। জনম জনম এই অপৰাধীৰ আত্মা শোধন নহয়। জুয়ে পোৰা কলিজাৰ এঙাৰ; গাঙৰ ঢালিলেও যুগ যুগ বৰণ সলনি নহয় তাৰ। ইয়াৰ বাবেই খোলা থাকে নৰকৰ দ্বাৰ।

এনে সন্দৰ্ভতে মনলৈ আহে যে মানৱতাবোধ হীন মানসিক প্ৰগতিয়ে হিৰোচিমা-নাগাচাকিৰ দৰে সমস্যাহে সৃষ্টি কৰিব পাৰে; সমস্যাৰ সমাধান তাৰ হাতত নাই। সেয়েহে আত্মজ যন্ত্ৰটো শুদ্ধ শক্তিশালী আৰু সুচল কৰি লৈ প্ৰতিযোগিতাত নামিলেহে নিজৰ, পৰিয়ালৰ, জাতিৰ, দেশৰ তথা পৃথিৱীৰ মানুহৰ জীৱন আলোকিত হোৱাৰ সহায়ক হয়। অন্যথাই মানৱ প্ৰীতিৰ অভাৱত পক্ষ প্ৰতিপক্ষৰ সন্ত্ৰাস, আতংক, হিংসা, বিদ্বেষে পৃথিৱীৰ দুখ ওপচাই থাকিব। হয়তো

এটা সময়ত একপ্ৰকাৰে আন সময়ত বিপৰীত প্ৰথাৰে ক্ষোভ উজাৰিয়েই থাকিব।

চৌধুৰী ঃ আপোনাৰ কথাৰ প্ৰসংগতে মোৰ মনতো কথা এটাই থিতাপি লৈছে। এই যে আনক বেয়া পালে, আনৰ উন্নতি দেখি চকুৰ পিৰপিৰণি উঠি হিংসাত লাগিলে নিজৰ উন্নতি নাহে। বৰং ক্ষতি হোৱাৰ সম্ভাৱনাই প্ৰকট হৈ পৰে। এনে পৰিপ্ৰেক্ষিততে দেখা যায় সততা আৰু সমতাই আত্মশুদ্ধিৰ বাবে তুলসীৰ পানী ছটিয়ায়। সেয়েহে 'সত্যৰ সদায় জয়' বা 'যথা ধৰ্ম তথা জয়' বোলা কথাষাৰ সনাতন ধৰ্মত প্ৰবাহিত হৈ আহিছে। এই কথা ধৰ্মশাস্ত্ৰ প্ৰমুখ্যে প্ৰাচীন সাধুকথা, কাহিনী, সংলাপ, গল্পসমূহৰ লগতে বাস্তৱ দৃষ্টিভংগীৰে বুটলা— সমাজৰ, ঘৰ-পৰিয়ালৰ কাহিনীয়েও দাঙি ধৰিছে। এই সনাতন সত্যৰ সুঁতিত আত্মজ শক্তি পৰিৱেশ সাপেক্ষে জাগ্ৰত হ'লে যিমান বীৰ পুৰুষেই নহওক, তেওঁৰ ওচৰত পৰাজয় হয়। এনে সনাতন সত্যকে জাগ্ৰত কৰিছিল অৰ্জুনে বিৰাত ৰজাৰ পুত্ৰ উত্তৰাৰ আত্মশক্তিত। ভয়তে যুদ্ধ নকৰোঁ বুলি ৰথৰ পৰা নামি আহিও আকৌ যুদ্ধত অৱতীৰ্ণ হৈ জয়ী হৈছিল কৌৰৱৰ লগত।

বৰুৱা ঃ আপুনি যদি ভালকৈ বিচাৰ কৰি চাই দেখিব, এই ধৰ্মগ্ৰন্থসমূহে কাহিনী আকাৰে দূৰ অতীতৰ সনাতন সত্যকে দাঙি ধৰিছে ভৱিষ্যতৰ সাক্ষী হিচাপে। নাৰীৰ পৰিপ্ৰেক্ষিততহে চাওক নাৰী চৰিত্ৰ গান্ধাৰীৰ মাজত। অন্ধ ধৃতৰাষ্ট্ৰৰ লগত বিবাহৰ প্ৰস্তাৱত পিতৃয়ে সমৰ্থন দিলে কিন্তু গান্ধাৰীৰ মতামত অৱজ্ঞা কৰিলে। যি প্ৰথা আজি কিছুবছৰ আগলৈকে আমাৰ সমাজত চলি আহিছিল আৰু ঠাই বিশেষে পৰিয়াল ভেদে আজিও আছে। এনেদৰে বহু দুখ-বেদনা এন্ধাৰত ৰাখি নাৰীয়ে জীৱন নিৰ্বাহ কৰিব লাগিছিল আৰু আজিও বহুতৰ একে দশা হৈ থকা নাই বুলি কোনেও দাবী কৰিব নোৱাৰে।

গান্ধাৰী আৰু কুন্তীৰ যি সম্পৰ্ক সেয়া প্ৰায় এতিয়ালৈকে চলা দেখা যায় যৌথ পৰিয়ালত। বাহুবলী আৰু আৰ্থিকভাৱে স্বচ্ছলজনৰ পত্নীয়ে অগ্ৰাধিকাৰ ভোগ কৰে। কুন্তীৰ সন্তান আগে জন্ম হোৱাত গান্ধাৰীৰ অন্তৰ জ্বলিছিল। পুত্ৰ ৰজা হোৱাটো গান্ধাৰীয়ে

আশা কৰিছিল যদিও আজিৰ মানৱতাবাদী নাৰীৰ দৰে ন্যায়-নীতি সমতা সাপেক্ষে ধৰ্মৰ জয়হে যেন বিচাৰিছিল। শেষত কৈছিল যে তেওঁৰ পুত্ৰ দুৰ্যোধনৰ যুদ্ধৰ উদ্দেশ্যাত মঙ্গল নহয়; সুখ-শান্তিও নাহিব আৰু ধৰ্মকাৰ্যও সিদ্ধি নহ'ব। এফালে দুৰ্যোধনে কৰা অত্যাচাৰত পাণ্ডৱৰ দুখত দুখী আৰু আনফালে পুত্ৰৰ দুৰাকাংক্ষাক বাধা দিব পৰা শক্তিৰ অভাৱ। কুন্তীৰ লগত যি সম্পৰ্ক ৰাখিছিল তাত গান্ধাৰীৰ উদাৰতাৰ বাট মুকলি নাছিল। বাস্তৱৰ যৌথ পৰিয়ালৰ এটা পুতৌ লগা নাৰী চৰিত্ৰহে যেন ব্যাসদেৱে অংকন কৰিছে।

চৌধুৰী ঃ এয়া গান্ধাৰীৰ পুত্ৰৰ অসূয়া কৰ্ম বা আততায়ীৰ কৰ্মৰ দুখ পৰোক্ষ। আৰু প্ৰত্যেক্ষ দুখেও মাতৃৰ বুকু চিৰাচিৰ কৰে। এনে প্ৰত্যক্ষ দুখৰ এটা উদাহৰণ শুনক মই কৈ আছোঁ—

এজন উদণ্ড ডেকা ল'ৰাই কৰ্ম নকৰি মদ-পানীত ধৰি অভাৱ-অনাটনত জৰ্জৰিত হৈ সাধাৰণ দোষতে ৰুদ্ৰমূৰ্তি লৈ 'মা'কক কান্ধত ঘপিয়াই দিলে। মাকৰ মুখৰ পৰা গালি অভিশাপৰ সলনি স্বতঃস্ফুৰ্তভাৱে সৰি পৰিল, 'বাচা, তই ইমান নিদাৰুণ; জন্মদাতৃ 'মা'কে ঘপিয়াব পাৰিলি।' এটা দীঘল হুমুনিয়াহ কাঢ়ি কটা ঘাখিনিও হাতেৰে হেঁচি ধৰি নিজৰে সান্ত্বনা সাপেক্ষে কৈ উঠিল, 'তোৰ অজ্ঞানতাৰ কাৰণে আমিয়ে দোষী, এই দোষে তোকো চুলে। গৰ্ভধাৰণৰ ন মাহে হাই-কাজিয়া, মাৰ-পিট, খাই কটালোঁ; তাৰ ফল আজি হাতে হাতে পালোঁ। হে ভগৱান মূৰ্খ পুত্ৰক জ্ঞান দিয়া।'

বৰুৱা ঃ হয়হে, আত্মজ শোধন নহ'লে এনে অসূয়া কামৰ বাবে আসক্তি জন্মে। আচলতে পৰিৱেশে তাক জ্ঞান আহৰণত সহায় কৰিব দূৰৰ কথা, প্ৰবঞ্চনাহে কৰিলে। ইহলোক পৰলোকত কুফল ভুগিব সি। আত্মাৰ শুদ্ধতা থাকিলে খণ্ডটো নিজে নিজেই বাৰণ হ'লহেঁতেন। আৰু সূক্ষ্ম অনুভূতি থাকিলে আধ্যাত্মিক দিশৰ জ্ঞান নিজৰ বাস্তৱ অনুভূতিৰে মনত প্ৰকট হৈ পৰিলেহেঁতেন।

ঘৰ একোখনত যে অশান্তি বিৰাজ কৰে, পৰিয়ালৰ সদস্যৰ বুজাবুজি তথা শুদ্ধ আত্মাৰ বান্ধোন সুদৃঢ় হোৱাৰ পথত বহুত অন্তৰায়। ইয়াৰ কাৰণ এটা অভাৱ, আনটো আত্মগৌৰৱ। বাস্তৱ পক্ষে, ঘৰ

এখনত নীৰৱ-নিজম, উৎসাহ-উদ্দীপনাৰ পৰিৱেশে গা কৰি উঠিব লাগিলে বা সুখ-শান্তিৰ বাতাৱৰণ বিৰাজ কৰিবলৈ হ'লে নিজৰ ইচ্ছা, অভিৰুচি, ভালপোৱাতে আবদ্ধ নাথাকি আন সদস্যৰ লগত মিলাৰ বাবে নিজৰ কিছু এৰি দিব লাগে যাতে, নিজে বিচৰা আৰু আনজনে পাবলগাৰ মাজত এটা আপোচ সূত্ৰ থাকে।

দিনৰ দিনটো বহি থাকি, কাম কৰি ভাগৰি পৰি ভোকে-পিয়াহে আতুৰ হোৱাজনক এন্ধাৰত ৰাখি, নিজে ৰৌমাছৰ ডাঙৰ বাটিটো ভাতৰ কাঁহীৰ কাষত লৈ নানা ওজৰ-আপত্তি কৰি খাই, আন এজনক এলেহুৱা বা খোৱাৰ বাবেহে ভাবি থাকে বুলি কোৱাৰ ব্যৱহাৰে ঘৰখনৰ পৰিয়ালৰ মনৰ বান্ধোন সুদৃঢ় নকৰে। ঠগ-প্ৰৱঞ্চনাত পিছলি যায় মায়া-মমতা, আত্মসাতৰ ধলত উটি যায় ভাই-ভনী, পিতা-মাতাৰ বংশৰ এনাজৰী।

চৌধুৰী ঃ সংসাৰ এখনত মুক্ত হাঁহি বিৰিঙাব লাগিলে প্ৰথমে পতি-পত্নীৰ মৰম-শ্ৰদ্ধাৰ এনাজৰীডালৰ বান্ধোন সুদৃঢ় হ'ব লাগে। কি যুগ্ম জীৱন, কি আৰ্থিক, কি জটিল সমস্যা সমাধান সকলোতে সমানে মিলিজুলি সমাধানৰ বাবে উপায় উদ্ভাৱনত সঁহাৰি দিব পৰাকৈ বাট মোকলাই ৰাখিব লাগে উভয়ে। লগতে এই বান্ধোনত মিলিব পৰাকৈ সন্তানৰ মন বুজি ইচ্ছা-অভিৰুচি ভালপোৱাৰ ওপৰত গুৰুত্ব দি বোলাই আনিব পাৰিব লাগিব, যাতে মনে-প্ৰাণে এক হৈ মিলি যাব পাৰে। আন সদস্য-সদস্যা, ভাই-ভনী থাকিলে হাত উজান দিব পৰাকৈ বিশ্বাসত ল'ব লাগে। তেতিয়া মূৰৰ ওপৰত থকা শিলৰ বোজাৰ সমস্যাও শিমলু তুলা হৈ উৰে।

মহাভাৰতৰ কাহিনীত দেখা যায় যুধিষ্ঠিৰে কনিষ্ঠ ভাতৃ সহদেৱকে প্ৰথমে এনে কোনো সমস্যাত মতামত দিবলৈ আগ সুবিধা দি অন্তৰ জয় কৰিছিল। আনহাতে ৰামায়ণত ৰাৱণে বিভীষণৰ অন্তৰ জয় কৰিব নোৱাৰি সকলো পয়মাল মূৰপাতি লৈ ধ্বংসৰ মুখাপেক্ষী হ'বলৈ আগবাঢ়িছিল নিজে নিজেই।

বৰুৱা ঃ হেৰি, আনক এন্ধাৰত ৰাখি নিজে পোহৰ সিঁচাৰ জয়গান নিজে গাব বিচাৰিলে 'How much land does a man need'ৰ দৰে জীৱনৰ

অন্ত পৰে। দেখিব পতি-পত্নীৰ মিলা-প্ৰীতি এক স্বৰ্গীয় জ্যোতি, সুখৰ লগতে দুখতো বেছিকৈ ধৰে সাবটি, ধাননিৰ ঘাঁহ-বনৰ দৰে আউল লাগিলে প্ৰেম-ভালপোৱাৰ খন্তিৰে নিকা কৰে আৰু বৰষুণ পৰি ধাননি উজলি উঠাৰ দৰে মিলনৰ হাঁহি মিঠা মিঠা হৈ পৰে। এনেদৰে যিখন ঘৰত তিৰোতা আদৰ্শ গৃহিণী হয় (সচৰাচৰ লক্ষ্মী গৃহিণী বুলি কয়) সেইখন ঘৰৰ সুখ বিচাৰি বাহিৰত যাওতা কোনো নোলায়; চুকে-কোণে সুখৰ কৃতিত্ব, গৌৰৱ-অহংকাৰৰ নাই ৰাজত্ব। সেয়ে কয়, 'যাৰে তাৰে নহয় পাণ-তামোলৰ বাৰী, সু গৃহিণীও যায় এৰি।'

চৌধুৰী ঃ ৰ'ব পতি-পত্নী যদি উভয়ে হয় আত্মগৌৰৱী তথা আত্মভিমানী বা কোনো এজন তেনে হয়?

বৰুৱা ঃ জানিব বিচ্ছেদতে যুগ্ম জীৱনৰ মোখনি পৰিব। আগৰ দিনত আছিল শিক্ষাৰ ব্যৱধান, জ্ঞানৰ ব্যৱধান, চিন্তাৰ ব্যৱধান আৰু এই ব্যৱধানক ওচৰ চপাই আনিছিল সমাজৰ বান্ধোন, ঘৰৰ বান্ধোন আৰু ধৰ্মনীতিৰ বান্ধোনে। ফলত পত্নীয়ে পতিক সমীহ কৰি আত্ম জয় কৰিছিল। পতিক প্ৰেম-ভালপোৱাৰ এনাজৰীৰে বান্ধিছিল। কিন্তু উভয়ে যেতিয়া নিজে নিজে বিশ্ব জয় কৰি আহি নিজক জয় কৰিব নোৱাৰা হয়, অৰ্থাৎ নিজৰ ইচ্ছা, অভিৰুচি ভালপোৱা আপোচ কৰিব নোৱাৰা হৈ যায় তেতিয়া ঘৰতে পৰাজয় হৈ পৰে। নিজকে চিনি নাপালে আনক চিনি পাব নোৱাৰে। আৰু চিনি নাপালে নিজক মিলাই আপোচ সূত্ৰ নিৰ্ণয় কৰিব নোৱাৰে। আত্মভিমানে ধ্বংসহে কৰিব পাৰে গঢ়িব নোৱাৰে। অৰ্থাৎ আত্ম দগ্ধ হ'ব পাৰে কিন্তু পানী ঢালি জুই নুমাই শান্ত কৰিব নোৱাৰে। এইটো তত্ত্ব ভগৱান ভক্তৰ অধীন হোৱাৰ পাৰমাৰ্থিক তত্বৰ আধাৰত আত্মা সৃষ্ট তত্ত্ব। ইয়াৰ উৎসতে বিৰাজ কৰে আত্মাৰ মহত্ত্ব। এই আত্মাৰ মহত্ত্ব পৰিচালিত হয় পৰমাত্মাৰ মাহাত্ম্যৰে। ইয়াৰে উদাহৰণ হৰিশ্চন্দ্ৰ উপাখ্যান।

ৰজা হৰিশ্চন্দ্ৰই দুখ কৰি ৰাণীৰ কথা এইদৰে কৈছিল, 'তুমি কেতিয়াবা স্ত্ৰী, কেতিয়াবা ভনী আৰু কেতিয়াবা মাতৃ'। এয়াই এক দাম্পত্য কলা, এই কলাত যাৰ হাত নাই তাৰ জয় প্ৰকৃততে পৰাজয়;

দিগ-বিদিগ সকলো জানে মনকহে মনাব নোৱাৰে; সেয়েহে উকা উকা হৈ চলে জীৱন ৰথ। পায় হেৰুৱাৰ অভিজ্ঞতা পূৰ্ণ হৈ কোনো দিনে নুঠে। হেৰোৱাৰ পিচত পোৱাৰ হাবিয়াস নাথাকে।

চৌধুৰী ঃ ৰ'বহে, আপুনি যি গূঢ়তত্ত্ব দাঙি ধৰিলে, 'মই মূঢ়মতি নাজানোঁ ভকতি' হ'ল দেখোন মোৰ বেলিকা। গ্ৰীক কবি হোমাৰে বিশ্ব বিখ্যাত মহাকাব্য 'ইলিয়াড আৰু ওডিচি'ৰে সিঁচিলে হিয়া পৰশা কাব্যিক মাধুৰ্য; আপুনি হিয়াৰ উপলব্ধি অনুভৱেৰে নিগৰালে কৃষ্ণ পাৰমাৰ্থিক মহত্ত্বৰ মাহাত্ম্য। এটাত আছে কাব্যিক অনুভূতি আনটোত ধৰ্মীয় উপলব্ধি। দুয়োটাতে আছে হিয়াৰ পৰশ প্ৰকৃতিৰ আৱেশ। দুয়োটাৰ মাজত আছে দৃষ্টি-ভংগীৰ বৈসাদৃশ্য, এটাত কাব্যিক অনুভূতি আনটোত মানৱীয় উপলব্ধি। দুয়োটাতে থাকে হিয়াৰ এক সমন্বয় বাতৰি। এয়া কাব্যিক আৰু ধাৰ্মিক মনৰ সমন্বয় স্থিতি মানৱ হৃদয়। মানৱৰ পূৰ্ণ সংস্কৃতিয়ে দুয়োটাকে সমানে সাৰ-পানী যোগায়।

কিয়নো, দুয়োটাতে থাকে তেজ-মঙহৰ অনুভূতি আৰু উপলব্ধি। কিন্তু আত্মাৰ উপলব্ধি নাথাকিলে জীৱাত্মাৰ বিচাৰে মনত নিশিপায়। তেতিয়া আত্মকেন্দ্ৰিকতাই হিয়া দখল কৰে। আত্মকেন্দ্ৰিক হ'লে সমাজৰ, ৰাজ্যৰ আৰু দেশৰ অৰিহণা যোগোৱাৰ কথা বাদেই পতি-পত্নীৰ মিলনতো হেঙাৰ স্বৰূপ হৈ পৰে। স্বামী-স্ত্ৰীয়ে হাবাথুৰি খাই অধিকাৰ বিচাৰি ঘৰখনত। দেশখনত ক্ষমতাৰ খোৱা-কামোৰা কৰে ক্ষমতাৰ লোভত। পতি-পত্নীৰ টনা-আঁজোৰা চলে, কোনোৱে কাৰো মনৰ ভিতৰত সোমাব নোৱাৰে। কথাই প্ৰতি যেন স্বাধীনতাৰ বাটত থাকে খেদ। উভয়ৰে হিয়াৰ ভাঙি যায় হাত-ভৰি কিমাননো থাকিব মনৰ ভিতৰত ঘৰৰ বাটতে ঘূৰি। বিয়াত মন দিছিল বুকু উদং কৰি, উভতি যোৱাৰ বাটত হেৰাই গ'ল স্মৃতিৰ পৰা পিছলি। এই প্ৰেম বিবাহৰ গতি, হিয়া যায় ফাটি, প্ৰেমে কান্দে নিজৰ গলত নিজে ধৰি। ৰ'ব, ময়ো হৈ যাওঁ স্বভাৱ কবি।

বৰুৱা ঃ হিয়াখন নোৱাৰে সলাব, আত্মাক নোৱাৰে এঙাৰ ধোৱাদি ধুই গাখীৰ বগা কৰিব— হওঁ বুলি যে কবি হ'ব। সৃষ্টিৰ যি নীতি, যি পৰিকল্পনাত হিয়া গঠিত তাতেই সঞ্চিত হৈ আছে কবিতাৰ কঠীয়া, মনৰ পাপৰি;

পাৰমাৰ্থিক তত্ত্বক ভেদ কৰো বুলি কোৰ-চিপ্ৰাং মাৰি গাত খান্দি ধৰাৰ বুকু বিদাৰি মাধ্যাকৰ্ষণ শক্তি আৰু পৰম শক্তিৰ সমন্বয়ৰ আঁহ ফালিব নোৱাৰে। মানৱতাৰ উপলব্ধিত আত্মাই তেজ-মঙহৰ সতে ধৰা দিয়ে। এয়ে প্ৰকৃতি নীতিৰ মহত্ত্ব; মহত্ত্বৰ বাটত জীৱাত্মা থাকে হাতমেলি চুব নোৱাৰে যদি নিজৰ আত্মাক নিজে বিচাৰি চাব নোৱাৰে। প্ৰকৃতিৰ এই নীতি সলাব নোৱাৰে, চিৰদিন চিৰকাল একেই গতিৰে চলি থাকে। গোলাপৰ ৰঙা পাহি স্বৰ্গীয় প্ৰেমতহে প্ৰকৃতিয়ে মাৰে এই পাহিতে হাঁহি। এই হাঁহি গ্ৰন্থৰ কেইখিলামান নিৰস বগা কাগজেই উৎসাহ-উদ্দীপনাৰ সতে যোগায়। এই কাম কৰে শব্দৰ একনিষ্ঠ সাধকসকলে। এই শব্দৰ বুকুতে লুকাই ৰাখে প্ৰজ্ঞাৰ পোহৰ বিলোৱাৰ গভীৰ উপলব্ধি। উন্মোচিত কৰে এক নীতিৰ সত্য। সৃষ্টিৰ মৌলিকত্বৰে অভিনৱত্বক তুলি ধৰিলে গোটেই বিশ্বকে খলক লগাই দিব পাৰে, কিয়নো এই শব্দই সৃষ্টিৰ যাদুকৰ। যাদুকৰী কৌশল প্ৰয়োগ কৰোঁতাসকল হ'ল স্ৰষ্টা।

এই স্ৰষ্টা হ'বলৈ বহুতে চেষ্টা কৰে। কোনোজনৰ কলম হাতত ল'লেই থৰক-বৰক কঁপে, শব্দই শিল্পৰ গতি ল'ব নোৱাৰে। সত্যৰ সাধনাইহে ইয়াক টলাব পাৰে। নিয়তি নীতিৰ সূক্ষ্ম পৰশত এই সত্যৰ সাধনাত সেউজীয়া ধাননিৰ বুকু ফালি নাচি-বাগি সৌন্দৰ্যৰ মোহময়ী নাৰী হৈ কণ্ঠ কলমৰ ঠোঁটত বাগৰি থাকে। সোৱৰণীৰ বুকুত গাতে গা থৈ ভাগৰি পৰে মনৰ ঢেউকা। ভালপোৱা শব্দবোৰ বিচাৰি থাকোঁতে কোনেনো দি যায়হি কাণৰ কাষত। এয়া প্ৰকৃতি সত্যৰ মৌলিকতাৰে প্ৰকৃতিৰ দূবৰি বনৰ দলিচা পাৰি অভিনৱত্বক আদৰি অনাৰ সাধনা।

চৌধুৰী ঃ আপুনি হাঁহে, ৰঙা গোলাপৰ পাহিত; প্ৰকৃতি আত্মাৰ সতে প্ৰেম কৰে আৰু মই?

বৰুৱা ঃ প্ৰকৃততে সংসাৰত সকলোৱে প্ৰেমেই কৰে আৰু এই প্ৰেমৰ কাৰণেই পৃথিৱীখন সনাতন সত্য প্ৰবাহত চলি আছে। কিন্তু কথা হ'ল কোনে ক'ত কাৰ লগত কি প্ৰেম কৰে সেইটোহে আচল কথা। আপুনিও গাভৰুজনীৰ প্ৰেমৰ স্মৃতিকেই বুটলি লৈছিল। সেই স্মৃতিকে হিয়াত

সাবটি আছে মনতেই ৰোমন্থন কৰি।

চৌধুৰী ঃ ৰ'ব, এই যে 'বাঘে খাই দেখি', 'সাপে খাই লেখি' এনে কথা সৃষ্টিৰ আদিৰ পৰাই চলি আছে একেদৰে। বাঘে খাই লেখি আৰু সাপে খাই দেখি কোনোদিনেই হয়তো বাস্তৱত মানুহৰ হাতত ধৰা পৰা নাই। প্ৰেমো এনে সনাতন সত্য হৈ বৰ্তি আছে মোৰ মনত।

বৰুৱা ঃ সেয়েহে কোনোদিনেই এই প্ৰেম এৰি কোনোৱে জীৱন নিৰ্বাহ কৰিব পৰা নাই। আপুনি গাভৰুজনীৰ লগত প্ৰেম কৰিছিল; এতিয়াও প্ৰেমক মনৰ মাজত জীয়াই ৰাখিছে, সময় সাপেক্ষে চুপতি মাৰে আনন্দও পায়, দুখো অনুভৱ কৰে। কিন্তু এই প্ৰেম আনৰ অগোচৰে চলি আছে আপোনাৰ মনৰ মাজত। এয়া মনৰ ব্যৱসায়। মনত এই সংসাৰখনৰ লগত দৈহিক সংসাৰখনো আপুনি চলাই আহিছে। আপোনাৰ দুখন সংসাৰ, এখন স্থূল আনখন সূক্ষ্ম। প্ৰকৃততে আপোনাৰ চৰিত্ৰ দুটা। এজনত আপুনি দুজন মানুহ।

চৌধুৰী ঃ অ' ৰ'ব, তাৰমানে আপুনি স্থূল দেহৰ লগত থকা ভগৱানৰ সূক্ষ্ম দেহৰ কথা ক'ব বিচাৰিছে। এই যে প্ৰকৃতিক আশ্ৰয় কৰি দেহ ধৰে।

বৰুৱা ঃ বুজিছেই দেখোন, এয়া ধৰক 'কৃষ্ণ গোপী প্ৰেম'; দেহে-মনে খেলি আছে, যি মুহূৰ্ততে কৃষ্ণক সহজতে পাই বুলি গৌৰৱ কৰে, সেই মুহূৰ্ততে কৃষ্ণই নিৰাকাৰ ৰূপ ধৰি অহংকাৰ মষিমূৰ কৰে। পুৰুষ প্ৰকৃতিৰ সেই লীলা-খেলাই নিজৰ নিজৰ শক্তি মহিমাৰ বেহা প্ৰকাশ কৰে। ধৰক আপুনি সত্যবাদী মানুহ মিচা কথা ক'লে খং উঠে, গৃহিণীৰ মিছা কথাত আপুনি কাজিয়া কৰিলে। যেতিয়া আকৌ প্ৰকৃত সঁচা মানুহজনী হৈ বুকুত সোমালে আপুনি সাবটি ধৰিলে।

চৌধুৰী ঃ তাৰমানেই মনৰ সূক্ষ্ম দেহ আত্মা? মনাত্মা স্ব-শাসিত, সনাতন সত্যত পৰিচালিত। ইয়াত বাধা পালেই খণ্ডত অগ্নিশৰ্মা হৈ পৰে?

বৰুৱা ঃ হয়, আৰু ই দেহটোকো পৰিচালিত কৰে। অৰ্থাৎ স্থূল আৰু সূক্ষ্ম দুই দেহক মনে সংযোগ সাধন কৰি দুয়োটা ব্যৱসায়েই চলাই থাকে। এই দুই দেহৰ সম্পৰ্কৰ দৰে পতি-পত্নীৰ দুই দেহৰ সম্পৰ্ক অটুট থাকে, যদিহে আত্ম গৌৰৱ-অভিমান শূন্য হৈ প্ৰকৃত আত্মপ্ৰেম জীয়াই ৰাখিব পাৰে।

চৌধুৰী ঃ এয়াই এক আশ্বাস আৰু বিশ্বাসৰ ভেটিৰ ওপৰতে নিৰ্ভৰশীল মনৰ প্ৰক্ৰিয়া?

বৰুৱা ঃ হয়, জীৱন নদীৰ আৱেগ-অনুভূতিৰ সোঁতত আস্থাৰ নাও বিশ্বাসৰ মজবুত বঠাৰে চলালে পতি-পত্নীৰ প্ৰেম-ভালপোৱাই সাৰ-পানী পাই জীয়াই থাকে। যদি প্ৰকৃত প্ৰেম হয় গৌৰৱ, অভিমান থাকিব নোৱাৰে। যদি থাকে দুজন মানুহ হৈ প্ৰেম কৰে। দেহ দিছে, ভালপোৱা লুকাই ৰাখিছে।

চৌধুৰী ঃ ৰ'বহে, আপুনি দেখোন সকলো কথা বগৰাই প্ৰেমতে পেলায়।

বৰুৱা ঃ আচলতে প্ৰেম এডাল প্ৰকাণ্ড স্বৰ্গীয় গছ, ইয়াৰ সহায়ত শীত-তাপ নিয়ন্ত্ৰিত হয়। অৰ্থাৎ শীত-তাপ পতি-পত্নীয়ে এই প্ৰকাণ্ড গছৰ আশ্ৰয়তে নিয়ন্ত্ৰণ কৰি জীৱনৰ আৰাম ভোগ কৰিব পাৰে।

চৌধুৰী ঃ প্ৰকৃততে দাম্পত্য কলাতেই সংস্কাৰ সাধন হয়?

বৰুৱা ঃ হয়, নহ'লে কাজিয়া, কটাকটি হৈ সুখৰ সংসাৰ নিমিষতে হয় চাৰখাৰ।

চৌধুৰী ঃ সংস্কাৰ মানে কি ক'ব বিচাৰিছে? এই যে শিক্ষিত অশিক্ষিতৰ মাজৰ এখন সাঁকো?

বৰুৱা ঃ শিক্ষাৰ কথা উল্লেখ কৰিলে যেতিয়া খোৰতে উন্নকিয়াই থওঁ; 'ঋগ বেদ'ৰ মতে, 'শিক্ষাই মানুহক আত্ম প্ৰত্যয়ী আৰু আত্ম স্বাৰ্থহীন কৰে। i.e. Self reliant and selfless.

শংকৰাচাৰ্যৰ মতে, 'আত্ম উপলব্ধিয়ে শিক্ষা'; স্বামী বিবেকানন্দৰ মতে, 'মানুহত থকা সহজাত সামৰ্থসমূহৰ স্বকীয় পৈণতাৰ প্ৰকাশেই শিক্ষা'; জন ডিউৰ মতে, 'অভিজ্ঞতাৰ পুনৰ্নিৰ্মাণৰ নেৰানেপেৰা চেষ্টাই শিক্ষা।'

চৌধুৰী ঃ থুলমুলকৈ বুজিব পাৰি যে জন্ম বিষয়ক বা সহজাত শক্তি তথা সামৰ্থ্যসমূহৰ ক্ৰমবৰ্দ্ধমান বৃদ্ধিয়ে শিক্ষা, এক কথাত মানসিক সংস্কাৰ।

বৰুৱা ঃ মানুহে অভিজ্ঞতাৰ পৰা শিকে আৰু ইয়াৰ পৰা জ্ঞান লাভ কৰে। আচলতে সকলো অভিজ্ঞতাই শিক্ষণীয়; অৰ্থাৎ জীৱনবোধেই শিক্ষা।

চৌধুৰী ঃ তাৰমানে মুঠতে ক'বলৈ গ'লে জীৱনটোৱে শিক্ষা বা শিক্ষাই জীৱন।

বৰুৱা ঃ এই জীৱন অভিজ্ঞতাৰে মানুহে জীৱনৰ সমস্যা সমাধান কৰে। অভিজ্ঞতাই ভুলৰো সংশোধন ঘটাই আৰু জ্ঞানৰো বিকাশ কৰে;

লগতে চৰিত্ৰ আৰু ব্যক্তিত্ব সমাজৰ আৱশ্যকতা অনুযায়ী গঠন কৰে। এনে ব্যক্তিক অশিক্ষিত বুলিব নোৱাৰি। কাৰণ, তেওঁ লেখা-পঢ়া জনা মানুহজনতকৈ জীৱনৰ বেছি অভিজ্ঞতা লাভ কৰিছে।

আনহাতে এজন লেখা-পঢ়া জনা মানুহৰ ব্যৱহাৰ, আচৰণ, চৰিত্ৰ আৰু ব্যক্তিত্ব আশা কৰামতে নাথাকিব পাৰে। স্বাভাৱিক জ্ঞানৰো শোধন নহ'ব পাৰে। সংস্কাৰ সাপেক্ষে প্ৰজ্ঞাৰ পোহৰ বিলোৱাৰ কথা দূৰতে থাকে। মুঠতে ভাবে, ধন ঘটি আৰু জীৱনৰ ৰং সানি জীৱন যাপন কৰিলেই যেন জীৱন মিচন পুৰা হৈ যায়। কিন্তু প্ৰকৃততে এনে নহয়। এনে পৰিপ্ৰেক্ষিতত মনলৈ আহে স্বাভাৱিক জ্ঞান আৰু অভিজ্ঞতা সাপেক্ষে বেদৰ সৃষ্টিৰ তথা স্ৰষ্টাসকলৰ কথা; উদাহৰণ স্বৰূপে ৰোগ নিৰাময়ৰ ক্ষেত্ৰত আয়ুৰ্বেদ শাস্ত্ৰৰ কথা উল্লেখ কৰিব পাৰি।

চৌধুৰী ঃ অতীতৰ ঋষি-মুনি সাধকসকলৰ সাধনা, অভিজ্ঞতা আৰু উপলব্ধিৰ সন্দৰ্ভত আজি কিছু বছৰ আগৰ ডাক্তৰ নথকা গাঁৱৰ মানুহৰ ৰোগ-ব্যাধি নিৰাময়ৰ কথা মনলৈ আহে। ইয়াত লক্ষ্য কৰিবলগীয়া সংস্কাৰৰ দিশটোও পাকে-প্ৰকাৰে বজাই ৰখা দেখা যায়। যেন আজিৰ বনৌষধি দৰবৰ গুৰি ধৰিছিল বেদৰো সৃষ্টিৰ আগতেই।

বৰুৱা ঃ স্কুল-কলেজৰ শিক্ষা নোহোৱাকৈ শিক্ষাৰ গুৰি ধৰাটোৱেই হ'ল অভিজ্ঞতাৰেই অৰ্জিত শিক্ষা। শংকৰাচাৰ্য, বিবেকানন্দ আৰু ডিউৰ মতৰ আঁত ধৰিয়েই বুজিব পাৰি যে জীৱনটোক সংস্কাৰমুখী কৰি জীয়াই ৰখাৰ পুনৰ্নিৰ্মাণৰ প্ৰচেষ্টাই শিক্ষা। সেয়েহে ঘৰুৱা বনৌষধি চিকিৎসা আছিল অভিজ্ঞতাৰ দ্বাৰা অভিজ্ঞ মানুহৰ ৰোগ চিকিৎসা পদ্ধতি।

চৌধুৰী ঃ এয়া প্ৰকৃতি প্ৰদত্ত সম্ভাৰ।

বৰুৱা ঃ প্ৰকৃতিয়ে চাৰিমুঠি জীৱক ভোগৰ সামগ্ৰীও দিছে আৰু ৰোগ-ব্যাধি চিকিৎসাৰ ব্যৱস্থাও কৰি থৈছে বিধে বিধে। এই বনৌষধি সম্ভাৰেৰে ৰোগীৰ জীৱনৰ আয়ুস বৃদ্ধি কৰিছিল কাৰণেই এই পদ্ধতিৰ নাম হ'ল আয়ুৰ্বেদ। এই চিকিৎসাৰ তত্ত্ব হ'ল শাৰীৰিক, মানসিক আৰু আধ্যাত্মিক উৎকৰ্ষতা সাধন সাপেক্ষে প্ৰকৃতি প্ৰদত্ত সম্ভাৰৰ ব্যৱহাৰ।

এনেদৰে বাস্তৱ অভিজ্ঞতাৰে অভিজ্ঞ ব্যক্তি বা মহান ঋষি-মুনিসকলে প্ৰথমে মৌখিকভাৱে আৰু পিচত লিখনিৰে এই ব্যৱস্থাৰ প্ৰবাহমান গতি দিছিল। এনেদৰে ইচ্ছা, আৱেগ নিয়ন্ত্ৰণ কৰি ছয় অনৰ্থৰ পৰা আঁতৰি থকাৰ উপায় ধৰ্ম শাস্ত্ৰসমূহৰ জৰিয়তে পোহৰাই তুলিছে।

সেয়েহে এইসকল মৌলিকত্বৰে মহীয়ান আৰু অভিনৱত্বৰে গৰীয়সী। এইসকল গ্ৰন্থৰ স্ৰষ্টাই বেদ, বেদান্ত, বেদাংগৰে আবদ্ধ প্ৰজ্ঞাৰ পোহৰেৰে প্ৰকৃত সত্যক উন্মোচিত কৰিছিল। ইয়াত জড়িত দেহ আৰু দেহ বুলিলে মন আৰু মন বুলিলে আত্মা। এয়া দেহৰ লগত মনাত্মা এক সূক্ষ্ম সত্বা। স্থূল আৰু সূক্ষ্ম সমন্বয় সত্বাৰ উন্নতি কল্পে এনে সৃষ্টি সম্ভৱ হৈছিল। মহাত্মা গান্ধীয়ে শিক্ষাৰ বিকাশৰ বাবে, 'All round development of body, mind and soul'ৰ কথা কৈছিল। বাস্তৱ অভিজ্ঞতাৰ পৰা এইসকল স্ৰষ্টাৰ শিক্ষা সাপেক্ষে জ্ঞানৰ উদয় হৈছিল।

চৌধুৰী ঃ ডাৰউইনৰ মতবাদ মতে, (বিৱৰ্তনবাদ) দেহৰ ক্ৰমাগত পৰিৱৰ্তন এক শাৰীৰিক সংস্কাৰ। অৰ্থাৎ দৈহিক সংস্কাৰ। এনে দেহ সাপেক্ষে ক্ৰমাগত মন, বুদ্ধি আৰু কাৰ্যকৰণ কৌশলৰ ক্ৰমবৰ্দ্ধমান পৰিৱৰ্তন হ'ল সাংস্কৃতিক সংস্কাৰ। দেহৰ সংস্কাৰ দেহৰ অৱয়ব সম্পৰ্কীয়, মনৰ সংস্কাৰ আত্মা সাপেক্ষে বুদ্ধি, কৌশল, নিপুণতা সম্পৰ্কীয়। কথাটো এনেকুৱা, লিখা-পঢ়া কৰি শিক্ষিত হৈছে কিন্তু জ্ঞান হোৱা নাই; অৰ্থাৎ অনুভৱ, উপলব্ধি জীৱনবোধ সম্পৰ্কে অভিজ্ঞতাৰ অভাৱ। চকুৰে ঘটনাটো দেখিছে কিন্তু পৰ্যবেক্ষণত মনোনিৱেশ কৰিব পৰা নাই; অভিজ্ঞতাটো গণ্য কৰা হোৱা নাই। ধৰক ইংৰাজ প্ৰকৃতি কবি উইলিয়াম ৱৰ্ডছৱৰ্থে Daffodils ফুলবিলাক ইফালে-সিফালে দুলি থকা দেখি ঘৰত আহি ৰাতি অনুভৱ উপলব্ধি কৰিছিল। ফলত উৎকৃষ্ট কবিতা Daffodils লিখি উলিয়াব পাৰিছিল।

সেয়েহে মই ভাবোঁ সংস্কৃতি মানে সহজ অৰ্থত শুদ্ধ ভাবত শুদ্ধ মনে ঘটনাৰ অনুভৱ উপলব্ধি সাপেক্ষে সৃষ্টিৰ দিশত পৰ্যবেক্ষণ কৰা এক পুনঃ পুনঃ প্ৰচেষ্টা। এনেদৰে দেখা যায় পৰিপূৰক দৃষ্টিভংগীৰে দৰে প্ৰাণীৰ ক্ৰমবিকাশ প্ৰক্ৰিয়াটোত সংস্কাৰ আৰু সংস্কৃতিৰ সমন্বয়

এক মন কৰিবলগীয়া বিষয়।

বৰুৱা ঃ চাওক, শিৱ-পাৰ্বতী, ৰাম-সীতা আৰু কৃষ্ণ-ৰাধাৰ জন্মৰ (বাস্তৱ সাপেক্ষে কাল্পনিকৰ দৰে বাস্তৱ) সময়, কৰ্মৰ সময় আৰু অভিজ্ঞতা সাপেক্ষে (পুনৰজন্মৰ মিচন লৈ অহা মানুহৰ অৱতাৰত ঈশ্বৰৰ আত্ম প্ৰকাশ) পৰিৱেশৰ ক্ষেত্ৰত যদি শিৱ, ৰাম, কৃষ্ণৰ কথা ভবা যায় এহাতে আৰু পাৰ্বতী, সীতা আৰু ৰাধাৰ কথা আনহাতে, তেনেহ'লে সংস্কাৰবাদ আৰু সংস্কৃতিবাদ তত্ত্বৰ পৰিপ্ৰেক্ষিতত পুৰুষ-নাৰীৰ শাদৃস্য আৰু বৈশাদৃস্য প্ৰকট হয়। এনে ক্ৰমবৰ্দ্ধমান সংস্কাৰ আৰু সংস্কৃতিৰ আঁত ধৰিয়েই দেহৰ সংস্কাৰ আৰু কৰ্ম সংস্কৃতি সাপেক্ষে সংস্কৃতিৰ সংস্কাৰ হৈ আহি আহি কৃষ্ণ, ভগৱানৰ পূৰ্ণ অৱতাৰী পুৰুষ হিচাপে দৈৱকীৰ গৰ্ভত জন্মগ্ৰহণ কৰে। এনে দিশতে কৃষ্ণ পূৰ্ণ অৱতাৰ মানে পূৰ্ণ সংস্কাৰী আৰু পূৰ্ণ সংস্কৃতিৱান। ৰাধাক কিন্তু অৱতাৰিণী হিচাপে দেখুওৱা হোৱা নাই যদিও সংস্কাৰ আৰু সংস্কৃতি সাপেক্ষে এখোপ নামনিত অৰ্ধাংগিনী হিচাপে কৃষ্ণৰ সমকক্ষ। পুৰুষ ভগৱান গতিকে নাৰীও। সেয়েহে নাৰী হেতু পাৰ্বতী, সীতা, আৰু ৰুক্মিণীৰ দুৰ্বলতা অনুমেয়। পতিৰ দৰে পূৰ্ণ সংস্কৃতিৱান নহয়; সেয়েহে পাৰ্বতীৰ ৰূপত দুৰ্গা, মনসা, কালীৰ খং দেখা যায়। আনহাতে, শিৱ, ৰাম আৰু কৃষ্ণ অতি উদাৰ, মহান, ধৈৰ্যশীল আৰু মানৱতাৰ সুউচ্চ শিখৰত উপৱিষ্ট।

এটা পুৰুষালিক সংস্কাৰ আৰু আনটো নাৰী জাতীয় সংস্কাৰ। এনেদৰে দেৱীৰ স্বাৰ্থন্বেষী ভাব আৰু খঙৰ আঁত ধৰিয়ে বয়সীয়াল সকলে নাৰীক Short temper বুলি কয়। কালীৰ শিৱক ফাঁকি, চলনা, সীতাই লক্ষ্মণক কৰা তিৰস্কাৰ, ৰুক্মিণীয়ে কৃষ্ণক সহজতে পাই বুলি ভবা গৌৰৱ সকলোৰে অৱগত। এনে ধৰ্মীয় কাহিনী সংলাপত লিখকৰ মন আৰু হাতৰ যুগ্ম পৰশে বিভিন্নজনক ভিন্ন ভিন্ন বাস্তৱ দৃষ্টিভংগীৰে অৱশ্যে ক্ৰিয়া কৰিব পাৰে।

চৌধুৰী ঃ আপুনি ক'ব বিচাৰিছে যে পূৰ্ণ সংস্কাৰ আৰু পূণ সংস্কৃতিৰ অধিকাৰী হ'লেহে সগুণৰ পৰা নিৰ্গুণলৈ অৱতাৰ হিচাপে আহি পৃথিৱীত ন্যায়-নীত, সততা-সমতা আৰু মানৱতা অটুট ৰাখিব পাৰে আৰু মানুহক এই আদৰ্শ লোৱাৰ কাৰণে শিকাই দিয়াই এটা মিচন। আগতে

কোৱাও হৈছে যে যেতিয়া পৃথিৱীত অনাচাৰ-ব্যভিচাৰ হয় স্বয়ং ভগৱানে মানুহ অৱতাৰ ধৰি সকলো অন্যায়-ব্যভিচাৰ মষিমূৰ কৰে। এনে মহৎ মিচন লৈয়ে ভগৱান নামি আহে মৰ্তালৈ বা ভগৱান সদৃশ পূৰ্ণতা লৈ পূৰ্ণ ব্ৰহ্ম হৈ মানুহৰূপে মৰ্তালৈ নামি আহে।

বৰুৱা : সেয়েতো কথা। কৃষ্ণ মানুহৰূপে দৃশ্যমান হৈ অলৌকিক শক্তি দেখুৱাই সাংসাৰিক কৰ্ম কৰি ষোল কলাৰে চাপ দি থৈ গৈছে। মানুহে প্ৰকৃত মানুহ হৈ সমাজত অৱদান আগবঢ়াবলৈ হ'লে বা সমাজত সুখ-শান্তি স্থাপন কৰিবলৈ হ'লে পূৰ্ণ সংস্কাৰী আৰু পূৰ্ণ সংস্কৃতিৱান নহ'লেও বা ৰামৰ দৰে আঠ কলা নাথাকিলেও সংস্কাৰী আৰু সংস্কৃতিৱান হ'ব লাগে। মহানতা, উদাৰতাৰ লেখীয়া মনৰ মহানুভৱতা গুণ তেতিয়া নিজে নিজেই আহি যায়। লগতে তেওঁৰ হৃদয়ত পিতা-মাতা, ভাই ভনী, সতি-সন্ততি আৰু পৰিয়ালৰ আন সদস্যৰ লগতে জীৱ মাত্ৰৰে একোটা বিন্দুৰ স্থিতিৰ দখল থাকে। যিভাৱেই নহওক তেওঁৰ সন্মুখত যেতিয়া প্ৰক্ষেপিত হ'ব তাৰ প্ৰতি স্বতঃস্ফূৰ্তভাৱে সহানুভূতিশীল হ'ব। কৃষ্ণ গীতাত কৈছে—

সাত্বিকী-ৰাজষী-তামসিকী এহি তিনি।
পূৰ্ব জন্ম সংস্কাৰে হোৱাই আপুনি।।

সত্ত্ব, ৰজঃ, তমঃ এই তিনিগুণৰ সমাহাৰৰ সন্দৰ্ভত সংস্কাৰ আৰু সংস্কৃতি সাপেক্ষে এটা কথা মনলৈ আহে যে শ্ৰীমন্ত শংকৰদেৱ এনে এজন মহাপুৰুষ যিজন পূৰ্ণ মানৱ সংস্কাৰী আৰু পূৰ্ণ মানৱ সংস্কৃতিৱান হৈ ঈশ্বৰৰ অৱতাৰ ৰূপত অধিষ্ঠিত হৈছে। এই ধাৰণা গুৰু ভটিমা (মাধৱদেৱ), জীৱনী প্ৰণেতা ভূষণ দ্বিজ আৰু চৰিত পুথি প্ৰমুখ্যে সকলোতে পোষণ কৰা দেখা যায়। এনে প্ৰসংগতে সাঙোৰ খাই পৰে আন এটা ধাৰণাও। এইটো হ'ল— যোগ-ব্যায়াম আৰু প্ৰাণায়াম অভ্যাস মানুহৰ পূৰ্ণ সংস্কৃতিত সাঙোৰ খাই থাকে। ইয়ে আত্ম শুদ্ধিৰ লগতে বৌদ্ধিক বিকাশতো সহায় কৰে। এনে দৈহিক সংস্কাৰে শংকৰদেৱৰ অলৌকিক শক্তি স্বৰূপ আভাস দাঙি ধৰিছে— ঘোৰ বাৰিষা ভৰা ব্ৰহ্মপুত্ৰ সাঁতুৰি পাৰ হোৱা আৰু ষাঁড় গৰুৰ লগত যুঁজ কৰা ঘটনাই।

আনহাতে, কৰ্ম-কৌশল আৰু আধ্যাত্মিক বিকাশৰ পৰিপ্ৰেক্ষিতত, 'হাতে কৰা কাম, মুখে বোলা ৰাম' আৰু 'কৰ্মত বিশ্বাস যাৰ, হিয়াত থাকন্ত হৰি', এই দুই বৈষ্ণৱ ধৰ্মীয় কথাফাকিয়ে মহাপুৰুষ জনাৰ অন্তৰাত্মাৰ পূৰ্ণ বিকাশ দাঙি ধৰিছে। এয়া পূৰ্ণ ব্ৰহ্ম স্বৰূপ দেহ সংস্কাৰ আৰু সংস্কৃতি সাপেক্ষে মনৰ সংস্কাৰ। লগতে এনে যোগ সাধনা সাপেক্ষে চাৰু কলা আৰু কাৰু কলাৰ উভয়তে হাত দি অসাধাৰণ প্ৰতিভাৰ পৰিচয় দাঙি ধৰিছে। এয়া ষোল কলাৰ সগুণৰ যেন জয়যাত্ৰাহে। ৬৪ বিদ্যাৰ অৰ্হতা অৰ্জনেৰে ৰাগ-ৰাগিনী, বাদ্যধ্বনি নৃত্য আদি সাহিত্য, কলা-কৃষ্টি, ধৰ্ম দৰ্শন, সংস্কৃতি সমন্বিতে এক অভিনৱত্ব ৰূপ পৰিগ্ৰহ কৰিছে। জ্যোতিপ্ৰসাদেও এনে ধাৰণাই ব্যক্ত কৰিছে।

মানুহে নিজৰ কৰ্ম নিজে নিখুঁতভাৱে কৰি গৈ থাকিলে কৰ্ম, কৌশল, বৌদ্ধিক বিকাশ আৰু আত্মিক সাধনা যোগে নিপুণৰ পৰা সুনিপুণলৈ ধাৱমান হ'ব পাৰে। এয়ে যোগ সাধনাৰ ফচল। এনেদৰে চাৰু কলা আৰু কাৰু কলা উভয়তে হাত দি সফলতা অৰ্জন কৰিছিল শংকৰদেৱে। এক কথাত এয়া এক আধ্যাত্মিক বিপ্লৱহে। প্ৰকৃততে শংকৰদেৱ আধ্যাত্মিক জাগৰণৰ স্ৰষ্টা। অদৃশ্য পৰমেশ্বৰ ভগৱানে এনেকৈয়ে যেন দৃশ্য ৰূপত আত্ম প্ৰকাশ কৰে। বস্তুৰ স্থিতিয়ে পোহৰৰ স্থিতি দৃশ্যমান কৰাৰ দৰে এনে হৈ উঠে। তাৰোপৰি সুন্দৰ বস্তুত পোহৰ পৰিলে যেনেকৈ সৌন্দৰ্য বাঢ়ে তেনেকৈ পৰমাত্মাৰ দৃশ্য ৰূপত আত্মপ্ৰকাশ কৰিলে সৰ্বাংগসুন্দৰ দেহ হৈ মুখৰ কান্তি বঢ়ায়। সেয়েহে সুন্দৰৰ অনুভৱে পূৰ্ণ ব্ৰহ্মাকো প্ৰকট কৰে।

গতিকে দেখা যায় সংস্কাৰ বাদটো এটা জন্ম-জন্মান্তৰৰ ধাৰাবাহিক দেহাত্মৰ ক্ৰমবিকাশ সাংস্কৃতিক প্ৰকল্প। এনে ক্ৰমবৰ্দ্ধমান-ক্ৰমবিকাশ পদ্ধতিত উদ্ভিদ জগত আৰু প্ৰাণীজগতৰ পৰিপূৰক তত্ত্বই ক্ৰিয়া কৰি থাকে। উদ্ভিদৰ গুণগত দিশৰ লগত প্ৰাণীৰ গুণগত দিশৰ মিল থাকে।

চৌধুৰী ঃ সেয়েহে মই ভাবোঁ, ভগৱান ক'ত আছে বিচাৰি হাবাথুৰি খোৱাতকৈ প্ৰকৃত মানুহ হোৱাৰ উপায় ক'ত পোৱা যায়, বিচৰাটোহে অশান্তিৰ

পৰিত্ৰাণৰ উপায়। যেনে ধৰক মানুহ আৰু অমানুহৰ মাজত হোৱা চুক্তিখনত সৎ নীতিক কূটনীতিৰে কৌশলগতভাৱে এন্ধাৰত আবদ্ধকৈ ৰাখিলে, আত্মা মনৰ সৎ সমতাৰ মানৱীয় বিপ্লৱী শক্তিয়েহে এদিন সূৰ্যৰ পৰা পোহৰ নমাই এন্ধাৰৰ পৰা সৎ নীতিক উদ্ধাৰ কৰিব পাৰিব। সততা সমতাৰ মানৱীয় শক্তি মহাজাগতিক প্ৰক্ৰিয়াৰে সৃষ্ট এক মহৎ শক্তি। এই শক্তি পঞ্চ পাণ্ডৱে লাভ কৰিছিল আৰু শ্ৰীকৃষ্ণক অলৌকিক মহাশক্তিৰ বিশ্বাসত নিজকে এৰি দি বীৰত্ব অৰ্জন কৰিছিল। অৰ্থাৎ মহাজাগতিক প্ৰক্ৰিয়াত সৃষ্ট শক্তিৰ পৰিপ্ৰেক্ষিতত বৰ্তমানৰ লগতে পূৰ্ব জন্মৰ সংস্কাৰো মনাত্মাৰ লগত জড়িত থকাৰ বাবেই হয়তো এই শক্তি।

বৰুৱা : আপুনি কিন্তু চিন্তা নায়ক হোৱাৰ বাটত উপলব্ধিৰ খোজ পেলাইছে। চাওক, চাৰিমুঠি জীৱকে ধৰি জৈৱ-অজৈৱ পদাৰ্থ আৰু ইয়াৰ শক্তি সৃষ্টিৰ এক মহাজাগতিক প্ৰক্ৰিয়াৰ ফচল। যেনে শিলক শিলে ঘঁহিলে জুই উঠে; ই এক ঘৰ্ষণ শক্তি। জুয়ে পোৰে লগতে পোহৰো বিলায়; সূৰ্যৰ তাপ আৰু পোহৰৰ দৰে। সূৰ্যৰ তাপ এনেকৈ সঞ্চিত কৰিলে হয়তো জুই উঠিব। জুয়ে পোৰা ঘাত মলম দিলে ভাল হয়, শুকায়। এনেদৰে ভাত-পানী খালে ভোক-পিয়াহ পলায়। মম, কেৰাচিন পুৰি পুৰি শেষ হয় আৰু শলিতা এডাল দিলে জুই জ্বলি পোহৰো বিলায়।

এই প্ৰক্ৰিয়াবোৰত আছে এক মহাজাগতিক বিক্ৰিয়া আৰু এক পৰিপূৰক শক্তি স্বৰূপ গুণ ধৰ্মৰ সমন্বয় সূত্ৰৰ প্ৰয়োগ। মহাজগতৰ এনে সকলোবোৰ মহাজাগতিক ক্ৰিয়া-বিক্ৰিয়াৰ অন্তৰ্গত বুলি ভাবিব পাৰি, লগতে এই মহাজাগতিক ক্ৰিয়া-বিক্ৰিয়াৰ ফল স্বৰূপ পৰম শক্তিয়ে পৰমাত্মা পৰমেশ্বৰৰ ব্ৰহ্ম শক্তি হিচাপে ধাৰণ কৰাৰ সমল যোগায়। কিয়নো এনে সূক্ষ্ম সত্তাত থকা শক্তিৰ স্থূল সত্তাৰ ৰূপ বাস্তৱ দিশত দৃশ্যমান হোৱা নাই।

চৌধুৰী : ৰ'ব, আপুনি মোক চিন্তাৰ সমল যোগালে। যেনে ধৰক পঁচা-সৰা, আবৰ্জনা আদি নানা পেলনীয়া বস্তু মাটিত গাঁত খান্দি পুতি পচন সাৰ তৈয়াৰ কৰা হয় আৰু ইয়াৰ পৰা তাপ-গেছ শক্তিও নিৰ্গত হয়। আনহাতে, পচন সাৰ শস্যত দিলে ফল ভাল হয়। এই শাক-পাচলি, ফল-মূল খাই

আমি প্ৰাণীজগতে দেহত শক্তি পাওঁ। এই সম্পকটো?

বৰুৱা : এয়া ৰাসায়নিক বিক্ৰিয়াত সৃষ্ট শক্তি আৰু নতুন পদাৰ্থৰ দৰে য'ত ৰাসায়নিক বিক্ৰিয়াত ভাগ লোৱা পদাৰ্থৰ নিজা গুণ-ধৰ্ম হেৰায়, নতুন নতুন গুণ-ধৰ্ম বিশিষ্ট পদাৰ্থৰ সৃষ্টি হয়। এনেকৈ কোৱা আৰু শুনা শব্দ ধ্বনিৰ বিনিময় কোনে কৰিলে বুলি সুধিলে উত্তৰটো বায়ুৰ মাধ্যমত শব্দ তৰংগৰ সৃষ্টিত সংঘটিত এক প্ৰক্ৰিয়া বুলি ক'বই নালাগে। আটাইবিলাকেই সনাতন সত্যৰ অন্তৰ্গত। অৰ্থাৎ এই চিৰ সত্য প্ৰক্ৰিয়া-বিক্ৰিয়াই বৈজ্ঞানিকভাৱে সত্য। গতিকে বিজ্ঞানে সত্য আৰু এই সনাতন সত্যতে ভগৱানৰ এক অদৃশ্য শক্তি নিহিত বুলি নিশ্চিত হোৱাত বাহিৰে অন্য পথ মুকলি হোৱা দেখা নাযায়। কিয়নো বায়ুৰ সৃষ্টিৰ উৎস বোলোতে জলচক্ৰৰ কথা উল্লেখ কৰাত বাহিৰে পোনাই পোনাই একো কথা ধৰিব নোৱাৰি। যেনে ধৰক আপুনি এজনত দুজন মানুহ হৈ চলি আছে। শেষ মুহূৰ্তত তথা জীৱনৰ বিদায় বেলাত যিজনীৰ লগত (বিবাহিতা বা অবিবাহিতা যিজনীয়েই নহ'ওক) মিলিব সেইটোৱে হ'ব আত্মিক সত্য মিলন।

চৌধুৰী : এয়া Truth is God আৰু এনে সত্যক যেতিয়া অসত্য বুলি কৈ বা ধৰি লৈ মিছা কথা ক'ব, তেতিয়া বিক্ৰিয়াটো— বায়ৱীয় শব্দ তৰংগৰ বা ৰাসায়নিক বিক্ৰিয়াৰ বৈজ্ঞানিক সত্য নহৈ অসত্য হৈ গোটেই মহাজাগতিক প্ৰক্ৰিয়া বা বিক্ৰিয়া অসিদ্ধ হৈ পৰিব। এনে ৰাসায়নিক বিক্ৰিয়া বাওঁহাতৰ লগত সোঁহাত সমান নোহোৱাৰ দৰে সনাতন সিদ্ধ নহয় (তথা তৰ্জু সিদ্ধ)। এনেদৰে মহাজাগতিক প্ৰক্ৰিয়াৰ দ্বাৰাই প্ৰাণীৰ চেতন শক্তি আহে। অৰ্থাৎ জৈৱ-অজৈৱকে ধৰি মহাজাগতিক পদাৰ্থ আৰু শক্তিৰ বোধ, এই বোধেই আত্মাবোধ অভিব্যক্ত কৰে। এনে সন্দৰ্ভত মই ভাবোঁ মোৰ প্ৰকৃত জীৱন সত্য সূক্ষ্ম দেহততহে স্থায়ী হ'ব। অৰ্থাৎ মই ভালপোৱা অথচ বিয়া কৰাব নোৱাৰা সেই গাভৰুজনীৰ লগত হয়তো মিলি যাম এদিন?

বৰুৱা : আপোনাৰ কথাষাৰ নহয় বুলি ক'ব নোৱাৰি। এই চেতন শক্তি আয়ত্ত কৰিয়েই মানুহ জীৱ শ্ৰেষ্ঠ হৈছে। পঞ্চেন্দ্ৰিয়ই ইয়াৰ যোগান ধৰিছে, আকৌ প্ৰকৃতিৰ উৎপাদিত খাদ্য শস্য, মনোৰঞ্জন আহিলা আদিয়ে

পঞ্চেন্দ্ৰিয়ক এই বোধত সহায় কৰিছে। আচলতে আত্মা দেহৰ মিলনহে প্ৰকৃত মিলন। এটা শাশ্বত আৰু আনটো অশাশ্বত।

এনেদৰে পূৰ্ব জন্ম তথা সৃষ্টিৰ আদিৰে পৰা বাগৰি আহি আছে সনাতন সত্যৰ বাটেৰে এই জীৱন, মিলন, সুখ-দুখৰ প্ৰক্ৰিয়াসমূহ। ইয়াৰ বাটত আছে এক গঠন আৰু পতনৰ পৰিপূৰক তত্ত্ব আৰু সমন্বয়ৰ সূত্ৰ। সেয়ে বংশানুযায়ী ক্ৰমবৰ্ধমান-ক্ৰমবিকাশৰ দিশৰ পৰিপ্ৰেক্ষিতত সম্ভাৱনাপূৰ্ণ গুণ-দোষবোৰ প্ৰকট হৈ উঠে। প্ৰকৃতিৰ মহাসত্ত্বাৰ মহাজাগতিক ক্ৰিয়াৰ সনাতন সত্য বিক্ৰিয়াৰ দৰে (ক্ৰিয়া-প্ৰতিক্ৰিয়া— যেনে— হাত দুখনেৰে ঠেলিলে কোনো বস্তু ভৰি দুখনে সেই শক্তিৰে বিপৰীত দিশত ঠেলিব) আৰু 'Rule on the Road' ৰ দৰে স্ব-শাসিত স্বাধীনতা এটাও আছে চাৰিমুঠি জীৱৰ। অৰ্থাৎ আনৰ ওপৰত হেঁচা প্ৰয়োগ নকৰাকৈ নিজ ইচ্ছামতে একো বল প্ৰয়োগ কৰিব নোৱাৰে আৰু সামাজিক নিয়ম বহিৰ্ভূত স্ব-শাসিত স্বাধীনতা ভোগ কৰিবও নোৱাৰে। সেইটোৱেই প্ৰকৃতি সত্য।

সেয়েহে, কোনেও নিজ ইচ্ছামতে একো কৰিব নোৱাৰে— খাব নোৱাৰে, যাব নোৱাৰে, হওঁ বুলি হ'ব নোৱাৰে। সনাতন সত্যৰ দৰে ইতিমধ্যে সকলো ঠিক-ঠাক হৈ আছে। এটা অঠিক হ'লে সকলো অঠিক হৈ যাব; ৰে'লৰ এটা ডবা লাইনচ্যুত হ'লে গোটেই ৰে'লখনে বিচ্যুত হ'ব। কোনো জনক কোনো কামতে বা কাৰো জীৱন প্ৰবাহত হেঙাৰ স্বৰূপ অন্তৰায় হৈ নিজৰ জীৱন মিচন মৰ্মে নিজৰ কৰ্ম নিজে কৰি যোৱা, আনৰ বহুত দেখি নিজকে নিঃকিন বুলি ভবা বা ঈৰ্ষাবশতঃ উন্নতিত বাধা দিবলৈ গৈ নিজৰ থকাখিনিও পৰ্যায়ক্ৰমে হেৰুৱাৰ মানসিকতা অৰ্জন কৰা সংস্কাৰী পুৰুষৰ লক্ষণ নহয়। কিয়নো ই মহাজাগতিক প্ৰকৃতি বিৰুদ্ধ তথা ব্ৰহ্ম তত্ত্ব বহিৰ্ভূত কাম। ফলত পতনৰ বাটত নিজে খোজ দিবলৈ বাধ্য হয়।

চৌধুৰী ঃ অ', সহজ অৰ্থত এনেহেন হয় যে পতি-পত্নীৰ এজনে নিজৰ বুকুত আনজনৰ বাবে ঠাই খোলা ৰাখিলে আনজনীয়েও ৰাখিব। এয়া আত্মাৰ স্বতঃস্ফূৰ্ত ক্ৰিয়া-বিক্ৰিয়া তথা প্ৰতিক্ৰিয়া আৰু ই মহাজাগতিক ক্ৰিয়া-বিক্ৰিয়া সাপেক্ষ। আৰু ভাবিছোঁ পুৰুষৰ ঔৰস নাৰীৰ গৰ্ভত

স্থিত, ইয়াতে আছে পৰিপূৰক বিক্ৰিয়া তত্ত্ব আৰু সমন্বয় সূত্ৰ; শাৰীৰিক আৰু মানসিক; আশা-প্ৰত্যাশা পূৰণৰ তত্ত্ব; ইয়াত যদি হয় বিজুতি সকলো ক্ৰিয়া-প্ৰতিক্ৰিয়াতে হ'ব ঘাটি। মনৰ বাঞ্ছা পূৰণত থাকি যাব বহুত খুঁটি-নাটি। ইয়ে নিৰ্ণয় কৰিব চৰিত্ৰ তথা চাৰিত্ৰিক বৈশিষ্ট্য; লগতে ইয়াতে নিহিত হ'ব মহাজাগতিক ক্ৰিয়া-বিক্ৰিয়াৰ এখন অদৃশ্য প্ৰতিলিপি। অৰ্থাৎ 'হৰমন'ৰ সম্পৰ্কত সৃষ্টি হোৱা জটিল জৈৱিক ৰসৰ দৰে ভাগ্যৰ নিৰ্ণায়ক ভূমিকা লয় মাতৃ গৰ্ভত সৃষ্টি হোৱা জটিল জৈৱৰ সময়তে। এই ছেগতে আপোনাক আৰু এটা সহজ কথা ক'বলৈ মন মেলিছোঁ। গোলকীকৰণে পৃথিৱীখন চকুৰ পচাৰতে দৃশ্যমান কৰাই দিছে, য'ত ডাঙৰ মানুহবিলাকক বুজিব পৰা হৈছে, কেনে ডাঙৰ মানুহ। প্ৰকৃততে সেইজনেই ডাঙৰ মানুহ যিজনে তেওঁৰ ওচৰত কোনো আপত্তি (Complain) নুঠাকৈ সকলো কাম মানৱীয় দিশত সৎ সমতা ন্যায়েৰে চলাব পাৰে। ধৰক গৃহস্থজনৰ কথাই— পত্নী, ল'ৰা-ছোৱালী, ভাই-ভনী, পিতা-মাতা কোনোৱে নৈতিক দিশত আপত্তি কৰিবলৈ কোনো সমল বিচাৰি নাপায়। তদ্ৰূপ সমাজ অনুষ্ঠান-প্ৰতিষ্ঠান-ৰাজ্য-দেশ।

এনে প্ৰসংগতে মোৰ আৰু এটা কথা মনত খেলাইছে যে নাৰীক পুৰুষৰ শাৰীৰিক আৰু মানসিক সংঘাতৰ পৰা বচাবলৈ হ'লে মহাজাগতিক প্ৰক্ৰিয়াৰে গঠিত বা সৃষ্ট চাৰিত্ৰিক বৈশিষ্ট্য (স্বতঃস্ফূৰ্ত জন্ম প্ৰবৃত্তি) সমূহক জীয়াই থকাৰ সামাজিক সুবিধাৰ অন্তৰায় হৈ দেখা দিব নালাগিব, প্ৰাকৃতিক পৰিৱেশ নিজ স্বাৰ্থত বিনষ্ট কৰাৰ দৰে। বাস্তৱতে এই সুবিধাৰ পৰা নাৰীক বঞ্চিতহে কৰা হৈছে। অৰ্থাৎ প্ৰাকৃতিক পৰিৱেশ আৰু মানসিক পৰিৱেশ উভয়ে ভাৰসাম্য হেৰুৱাই পেলাইছে। আনকি যৌন আৰু যৌতুক নিৰ্যাতনৰ আতিশয্যত নাৰী সমাজ সন্ত্ৰস্ত হৈ পৰিছে সৰ্ব দিশে, যেনেকৈ প্ৰাকৃতিক পৰিৱেশ মানুহৰ জীৱনৰ প্ৰতি ভাবুকি স্বৰূপ হৈ দেখা দিছে।

সেয়ে চাওক, চাৰিখন বেৰ থাকিলেই, আজি কালিৰ দিনত অসম আৰ্হিৰ ঘৰ, অট্টালিকা আদি ঘৰ নহয়, যদিহে পৰিয়ালৰ চাৰিত্ৰিক দিশ উন্নত নহয়। উচ্ছৃংখল স্বভাৱ, অশালীন ব্যৱহাৰ,

অসৎ আচৰণ, কপটতা, কুটিল স্বভাৱ আদিয়ে অতি ধুনীয়া ল'ৰা-ছোৱালীকো কুৰূপ কৰি সমাজত প্ৰক্ষেপ কৰে। তেনেকৈ ধুনীয়া স্কুলঘৰ, ছাত্ৰ-ছাত্ৰী তথা শিক্ষক-শিক্ষয়িত্ৰী থাকিলেই স্কুল নহয়, যদি তাৰ শিক্ষাৰ মানদণ্ড উন্নত নহয়। শিক্ষানুষ্ঠানত শিক্ষাৰ মানদণ্ডৰ দৰে সৰ্বসাধাৰণ মানুহ জড়িত সমাজ এখনৰো মানদণ্ড আছে। এই মানদণ্ড শিক্ষানুষ্ঠানত শিক্ষক-শিক্ষয়িত্ৰী তথা পৰিচালনা সমিতিৰ দৰে, গণাতান্ত্ৰিক নেতা জড়িত সংসদ, সাংসদ, ৰাজ্যসভা, বিধানসভা, বিধায়ক, উভয় মন্ত্ৰীসভাৰ মন্ত্ৰীৰ ওপৰত নিৰ্ভৰ কৰে। লগতে শিক্ষক-শিক্ষয়িত্ৰীৰ অৰ্হতাৰ দৰে এই নেতাসকলৰো ৰাজনৈতিক অৰ্হতা লাগে আৰু ই মহাজাগতিক ক্ৰিয়া-বিক্ৰিয়া সাপেক্ষে শুদ্ধ আত্মা পৰিচালিত হ'ব লাগে যাতে মানৱীয় দিশত উন্নত হৈ নৈতিক শক্তিৰ বলেৰে প্ৰজাৰ অধিকাৰ সুৰক্ষা কৰিব পাৰে। লগতে প্ৰগতিৰ পৰিপ্ৰেক্ষিতত প্ৰযুক্তি বিদ্যাত মনোনিৱেশ কৰিবলৈ জ্ঞানলিপ্সা থাকিব লাগে। সৎ, সমতা, ন্যায়-নীতি, মানৱতা নাথাকিলে একোজন মানুহৰ সকলো থাকিও অথলে যায়।

বৰুৱা ঃ আচলতে সঁচা কথা ক'ব পৰা, সত্যৰ হকে মাত মাতিব পৰা, নৈতিকতাক অগ্ৰাধিকাৰ দিব পৰা আৰু সমতা ভাব মনত পোষণ কৰিব পৰা সাহসী হ'ব লাগিলে আত্মবোধত ত্ৰিগুণাত্মক অভিব্যক্ত হ'ব লাগিব। এই সাহসৰ জন্ম হয় জীৱাত্মাৰ গভীৰ উপলব্ধিত অৰ্থাৎ পেটৰ ভোকত কাকো বঞ্চিত নকৰি আস্থাৰে হাত মিলাই দিয়াই হ'ল মানৱীয় দৃষ্টি-ভংগীৰ প্ৰতি সচেতন হোৱা; মানৱীয় দৃষ্টিভংগীয়ে সদায় বাস্তৱ সত্যকে বুটলিব পাৰে আৰু হিয়াত থাপনা সাজি মানৱতাক পূজা কৰে। তেতিয়া মহাজাগতিক শক্তি তেওঁৰ দ্বাৰাই বিকাশ ঘটে। ফলত সত্য-সুন্দৰৰ পূজাৰী আৰু সাহসী হয়। লগতে প্ৰাকৃতিক পৰিৱেশ আৰু বিশ্ব মানৱ সমাজ পৰিৱেশত জীৱনৰ প্ৰতি ভাবুকি সম্পৰ্কে কোনো উদ্বেগৰ কাৰণ নাথাকে এনে ক্ষেত্ৰত।

চৌধুৰী ঃ বাস্তৱ দৃষ্টিভংগীৰ পৰিপ্ৰেক্ষিতত মোৰ আন এটা কথাই মনত ডোল দিছে। এই যে গাঁৱত শুনিছিলোঁ, 'চাৰি ঘৰ ফুৰিলে কাইথেলি পঢ়িব নালাগে', কিনো বাৰু কথাটো? এই সকলো কথা শিকাৰো পৰিৱেশ

নাপালোঁ আৰু কোৱাৰ অভ্যাস এটা গঢ়িবও নোৱাৰিলোঁ। আপোনাৰ সান্নিধ্যলৈ আহি মই যেন বহুদূৰ খোজ পেলালোঁ অভিজ্ঞতাৰে লাভ কৰা জ্ঞান চৰ্চাৰ বাটত। আপুনি কেনেকৈ ইমানবোৰ কথা জানিলে। আপোনাৰ সহায়ত মই চিন্তাৰ বাটৰ বন-জাবৰ চিকুণাই ল'বলৈ সুবিধা পালোঁ।

বৰুৱা ঃ আপুনি কোৱাৰ অৰ্থ এইয়ে যে মই কথা চোবাই ঘূৰি-ফুৰি ভাল পাওঁ, বহুবক্তী; সেয়েহে এই কথা চোবাই সময় কটাওঁ। আপুনিও কথা চোবাবলৈ আৰম্ভ নকৰাকৈ থকা নাই? নিজে কিন্তু গম নাপায় কিমান কথা কৈ গ'ল। এনে পৰিপ্ৰেক্ষিতত উদাহৰণ এটা দাঙি ধৰিম— আপুনি অন্যভাৱে নল'ব। যেনেকৈ আনক বেয়াকৈ কৈ নিজে অনুভৱ নকৰে, মানুহজনে কিমান দুখ পালে— এনে দুখ দিয়াও এটা অকৰ্ম স্বৰূপ পাপ। কিন্তু নিজক যেতিয়া বেয়াকৈ ক'লে তেতিয়াহে সেইজনৰ বেয়াখিনি স্মৃতিত ভাহি উঠিল। মনতে নিজেই সমতা স্থাপন কৰিবলৈ তৰ্জুখন মনত তুলি ধৰিলে, এয়া সতীৰ্থৰ সমতা।

তেনেকৈ স্বভাৱজাত কথাটো হ'ল মই ভবা কথাটো কৈ ভালপাওঁ; বহুতে মনৰ কথা মনতে পুহি ৰাখে, নিজৰ জ্ঞান নিজতে সীমিত কৰি ৰাখে— বিকাশো নহয়, প্ৰকাশো নহয়। আধুনিক যুগত জ্ঞান বিস্ফোৰণ হৈছে আৰু লগে লগে বিকাশ, প্ৰকাশ আৰু প্ৰচাৰৰো ব্যৱস্থাৰ বাট উলিয়াই লৈছে।

চৌধুৰী ঃ কথাটো আপুনিও মোক কোৱাৰ দৰে অন্যভাৱে নল'ব, মই দুখ পাম। আপুনি যে সৰবৰহী ব্যক্তি সেই অৰ্থতহে উল্লেখ কৰিছোঁ।

বৰুৱা ঃ অ' ৰ'ব, 'কাইথেলি'ৰ অৰ্থ হ'ল কাগজ, ছপাশাল আদি আবিষ্কাৰ হোৱাৰ আগতে এক জাতীয় গছৰ বাকলিত (নাম-সাঁচিপাত) এক জাতীয় প্ৰাচীন অসমীয়া লিপিৰে জৰা-ফুকা ৰোগ নিৰাময়ৰ নানা ধৰণৰ বাস্তৱ অভিজ্ঞতাপুষ্ট মন্ত্ৰ-তন্ত্ৰ-ধৰ্ম আৰু পূজা-উপাসনা-প্ৰাৰ্থনা, মন্ত্ৰৰ লগতে জ্ঞান সদৃশ কাহিনী লিপিবদ্ধ কৰি প্ৰচাৰ কৰিছিল; মৌখিকভাৱে বংশানুক্ৰমে ইয়াৰ বিকাশ আৰু প্ৰকাশো ঘটিছিল। এনে সাঁচিপাত পুথি আজিও অ'ত-ত'ত পৰি থকা শুনা যায়। ই

প্ৰকৃততে কায়স্থ সকলে ব্যৱহাৰ কৰা লিপি।

আজিকালিৰ সভা-সমিতিৰ সলনি আগৰ দিনত গাঁৱলীয়া মেল আৰু জিৰণিৰ সময়ত ইঘৰ-সিঘৰ বা মুকলি ঠাইত দুই-চাৰিজন বহি (এয়া আমাৰ দৰে) সাধু কথাৰে, গল্পৰ কাহিনীৰ দৰে জীৱনৰ বাবে আৱশ্যকীয় জ্ঞানৰ প্ৰচাৰ কৰিছিল। যিজন ঘৰগোনা তেওঁৰ এই জ্ঞানৰ ঘৰ শূন্য আছিল। এনে প্ৰসংগতে 'কাইথেলি' কথাষাৰ ব্যৱহাৰ হৈছিল। এয়া আছিল আগৰ দিনৰ অনানুষ্ঠানিক শিক্ষা। জ্ঞানৰ কাৰণে জ্ঞান জীয়াই নাথাকে, জীৱনৰ কাৰণেহে। দেহৰ আহাৰ সংগ্ৰহ, ৰন্ধনপ্ৰণালী, মনৰ খোৰাক আদি যোগাব পৰা ব্যৱস্থাৰ বাবে আৱশ্যকীয় জ্ঞানৰহে গুৰুত্ব আছিল। এনে দিশৰ কাৰণে ব্যৱহাৰ, আচৰণ, স্বভাৱ, চৰিত্ৰ, মৰম, শ্ৰদ্ধা, ভক্তিৰ প্ৰয়োজন সাপেক্ষে ধৰ্মশাস্ত্ৰৰ আৱশ্যকো হৈ পৰিছিল।

চৌধুৰী ঃ এনেদৰেই জীৱনলৈ পৰিৱৰ্তন আহিল, সময়ৰ লগে লগে আধুনিক যুগৰ পোহৰে এই সদ্গুণৰ প্ৰতি মানুহৰ যেন অনীহা বঢ়ালে; সমাজত বিশৃংখলতাই গা কৰি উঠিবলৈ সমল পালে, দেখাক দেখি বিয়পি পৰা ছয় অনৰ্থৰ আকৰ্ষণৰ বাবে। ফলত এনেহেন হ'ল যেন পাইছোঁ যে যুগ যুগৰ অভিজ্ঞতাৰে বুটলা জ্ঞানকো পিঠি দিলে আৰু শিক্ষাগত জ্ঞানকো স্ব-ৰুচি সাপেক্ষ লোভত বন্দী হৈ স্ব-নীতিৰ ব্যৱহাৰ কৰিলে। সনাতন সত্যও হাতৰ পৰা পিছলি গ'ল আৰু শিক্ষাৰ নীতিও (Ethics) মনৰ পৰা আঁতৰি ৰ'ল। সেয়ে হাতত আছে এটা ভুৱা নীতি, ইয়ে হৈছে জীৱন সাৰথি।

বৰুৱা ঃ সেয়েতো কথা, নিজক চিনি পোৱা মনৰ আহিলা হাতত একো নাই। সকলোৱে ভুৱা নীতিকে জীৱন সাৰথি কৰি ধনৰ বাটত দৌৰিছে হে দৌৰিছে, কোনোফালে চোৱাৰ সময় নাই। এনে পৰিপ্ৰেক্ষিতত ক'বলৈ বিচাৰোঁ যে প্ৰকৃততে প্ৰকৃতি সৃষ্টিৰ মাধ্যমত চাৰিমূৰ্তি জীৱৰ জীৱন প্ৰণালীৰ ধ্যান-ধাৰণাৰে লাভ কৰা অভিজ্ঞতা আৰু পৰ্যবেক্ষণৰ ওপৰত নিৰ্ভৰ কৰে জ্ঞান। এই জ্ঞান স্ব-উপাৰ্জিত (Self earned), স্ব-শিক্ষণ (Self learned), স্ব উপলব্ধিত (Self realised) আৰু স্ব-শাসিত ক্ৰিয়া (Self ruled activity)। এই ক্ৰিয়াসমূহ আত্ম অধিষ্ঠিত

(Self made man) মানুহৰ দৰে। ইয়াত ভুৱা নীতি নাই, আত্মপ্ৰবঞ্চনা নাই, ইয়াক অনৰ্থই হাতমেলি চুব নোৱাৰে। আজি একো নাই, সময়ত বহুত হয়, কেনেকৈ হয়, সেইটো ভাবিবলগীয়া বিষয়। এই বিষয়টো হাতদুখন লগলগাই মেলি লৈ জীৱন গ্ৰন্থৰ বুকুত মৌন হৈ চালে ওলাই পৰে।

চৌধুৰী ঃ অ', আপুনি ক'ব বিচাৰিছে যে It is better first to think what to read (to do) before to start reading (doing) and how to read (to do) .

বৰুৱা ঃ সেয়ে কোনো এটা কাম আৰম্ভ কৰাৰ আগতে ভবা আৰু ভাবটো আত্মাত বিচাৰি নিৰ্ণয় কৰা অতি দৰ্কাৰী কথা। আত্মাত পৱিত্ৰ ভাববোৰ গানৰ মূৰ্চ্ছনাৰ দৰে তথা মুক্ত হাঁহি দুই ওঁঠতে লুকাই থকাৰ দৰে থাকে; সনাতন সত্যৰ বাটত গতিশীল বাস্তৱ অভিজ্ঞতাৰে খোজ দি পৰিৱৰ্তিত জীৱন প্ৰক্ৰিয়াৰে বুটলিব পাৰিলে প্ৰকৃত জীৱন ভোগ কৰিব পাৰে। ভাবিব পাৰে এটা পানীৰ কণিকাত সাগৰ সৃষ্টি হোৱাৰ বাটত সময়ৰ কথা; ভাবিব পাৰে টকাটোৰ পিঠিত স্থিতি লুকাই থকা কোটি টকাৰ কথা। এয়া ন্যায়, সৎ নীতিৰ পিচে পিচে দৌৰি থকা জীৱন সদ্‌গতিৰ এক লক্ষণ। কৰ্ম প্ৰেৰণাই কামৰ কথাহে জানে সময়ৰ কথা নাভাবে।

চৌধুৰী ঃ আচলতে জন্ম প্ৰতিভা বিকাশ আৰু আত্মপ্ৰকাশৰ শুদ্ধ প্ৰস্তুতিৰ অভাৱতেই হয় শাসনৰ নামত শোষণ-দুৰ্নীতি; আচাৰ-ব্যৱহাৰৰ নামত অনাচাৰ-ব্যভিচাৰ; আৰ্থিক উন্নতিৰ নামত সহজলভ্য অৰ্জন-যৌতুক নিৰ্যাতন; প্ৰেম-ভালপোৱাৰ নামত যৌন নিৰ্যাতন।

বৰুৱা ঃ *এনেকুৱা অসৎ উদ্দেশ্য লুকাই ৰাখিয়েই শাসনৰ বাঘজৰীত আবদ্ধ* ৰাখে মুক্তি, জীৱিকাৰ উপায়ৰ নামত শোষিতৰ অৰ্জনৰ কাণ ভাগ কটা বৃত্তি। তদ্ৰূপ পুৰুষৰ হাতত নাৰী, বলীৰ হাতত নিৰ্বলী আৰু ধনতন্ত্ৰৰ হাতত গণতন্ত্ৰ। কবিৰ অনুভূতিৰে কথাষাৰ এনেকৈ ভবাৰ থল নাইনে বাৰু?

চৌধুৰী ঃ কেনে অনুভূতিৰ পাতনি মেলিব বিচাৰিছে?

বৰুৱা ঃ ইংৰাজ কবি P. B. Shelley ৰ বৈপ্লৱিক অনুভূতিৰে, যেনে—

Women fall upon the thorns of conjugal life
They suffer, and
people fall upon the thorns of democratic life
they deceive.

চৌধুৰী ঃ আপুনিতো কম নহয়?

বক্তা ঃ হেৰি, পৃথিৱীত কোন বেছি, কোন কম; কোন কাৰ সমান? সকলো অসমান। অসমক যে বাহিৰা মানুহে অসম মানে অসমান বুলি কয়— পৰ্বতে-পাহাৰে, নদ-নদীয়ে, জান-জুৰিয়ে, সমতলে-সমভূমিয়ে, খালে-বিলে বনে-বনউদ্যানে, কাঁহে-পিতলে-বাচনে-বৰ্তনে, পাটে-মুগাই, চাহে-কপাহে, শালে-চেগুনে, খনিজ পদাৰ্থই; জাতি-জনজাতি-জনগোষ্ঠী, ভাষা-কৃষ্টি, বাৰেবৰণীয়া সংস্কৃতি আদি সকলোতে অসমান আৰু সমস্যাতো নহয় সমান।

সেয়ে জন্মগতভাৱে (Genetically) সকলো মানুহেই অসমান। পৰিৱেশে আকৌ কৰে দেহ-মন, চলন-ফুৰণ, পিন্ধন-উৰণ, অভাব-অনাটন আদিত ভিন ভিন। সম মাথোঁ পৰম শক্তি পৰমাত্মা ভগৱান। সেয়েহে, প্ৰকৃতিয়ে সকলোকে কৰা সমান আদৰতে জীয়াই থাকে সকলোৰে প্ৰাণ।

নেদেখা ভগৱান আছেনো ক'ত? কি কৰিব পাৰে আহি সন্মুখত, এনে ধাৰণা কৰি তৰ্জুৰ সলনি বৈষম্যৰ ৰইনাৰে চপাই দৰিদ্ৰ, নিষ্পেষিত, ক্ষুধাৰ্তজনৰ শ্ৰমৰ ধন। ইয়াতেই ধনবলী, বাহুবলী, ক্ষমতাৰ বলীয়ে যি কৰি গৈছে, দৰিদ্ৰ, নিষ্পেষিত জনতাই নতশিৰে তাকেই মানি লৈছে দিশহাৰা হৈ; হায় গণতন্ত্ৰ তোৰ আজি এনুৱা বিলাই।

গতিকে মই ভাবোঁ, এক বিপ্লৱৰ প্ৰয়োজন। নাৰী বিপ্লৱ, নিষ্পেষিত, নিৰ্যাতিত, বুভুক্ষু জনতাৰ ন্যায্যপ্ৰাপ্তিৰ বিপ্লৱ। স্ব-অধিকাৰ সুৰক্ষিত কৰাৰ বিপ্লৱ। কাৰণ এই বিপ্লৱেহে ছদ্মবেশীৰ খুলিব পাৰে মুখা।

চৌধুৰী ঃ প্ৰকৃততে দুটা বিপ্লৱ এক হৈ যুঁজিলেহে প্ৰত্যাহ্বানৰ স্বৰূপ প্ৰকাশ পাব। অন্যথাই বিপ্লৱৰ নামত বিপ্লৱ হ'ব, মুক্তিৰ মুখ কোনেও নেদেখিব। ক্ষয়-ক্ষতি, প্ৰাণহানিৰ সংখ্যা বৃদ্ধি হ'ব। পৃথিৱীজুৰি আজি

পদদলিতসকল মুক্তিৰ সন্ধানত ব্যগ্ৰ হৈ পৰিছে। কিন্তু মুক্তিৰ পথ নিজে নিজে জিলিকি নুঠে। ই প্ৰকৃততে ত্যাগৰহে ফচল। মানৱতাৰ স্খলনৰ দিনত কোন ডাঙৰ কোন সৰু নাই তাৰ বিচাৰ; নিজকে নিজে বিলাসী জীৱন যাপনৰ মায়াত দিছে তললৈ নমায়। ফলত নিজেই কৰিব নোৱাৰা হৈছে নিজৰেই সুবিচাৰ। সেয়েহে প্ৰথমে লাগিব সমতা শক্তিৰ মুক্তি; এই মুক্তি আধ্যাত্মিক। বাহ্যিক প্ৰতিভা বিকাশৰ দ্বাৰা মানসিক শক্তি বিকাশেৰে অৰ্জিত এই শক্তি। ইয়াত মহাত্মা গান্ধী এক ঈশ্বৰ প্ৰেৰিতৰ জ্বলন্ত উদাহৰণ।

দ্বিতীয় যৌন লালায়িত আৰু অন্যায় ধনৰ লুভীয়া দুৰ্নীতিকাৰী সকলক এন্ধাৰ গুহাৰ পৰা উলিয়াই আনিব পৰাকৈ সু-সংগঠিত, সুসংহত সংগঠন গঢ়ি তুলি সংগ্ৰামৰ বাটেৰে পোহৰ কঢ়িয়াই লৈ হিয়া আলোকিত কৰিব পৰাকৈ পদদলিতসকলৰ শক্তিৰ মুক্তি। এক শক্তিশালী বিপ্লৱেহে ইয়াক সম্ভৱ কৰি তুলিব পাৰে। এই কাম সন্ত্ৰাস, হিংসা, আতংক, ভয়, ত্ৰাস, সৃষ্টিৰে সমাধান নহয়। কাৰণ ইয়াত আছে বহুত অভিসন্ধি, ষড়যন্ত্ৰ; শক্তিৰ ওপৰত শক্তি, বুদ্ধিৰ ওপৰত কূটকৌশল, ৰাজনৈতিক চল-চাতুৰিৰ বিচক্ষণতা। শক্তিক পৰাভূত কৰিব পৰা কৌশলগত শক্তিৰ ৰণকৌশল। সেয়েহে ইয়াৰ বাবে প্ৰয়োজন জনজাগৰণ। এই জনজাগৰণ নিৰ্ভৰ কৰে জন্ম অধিকাৰ সাপেক্ষে সাহসৰ ওপৰত; এই সাহসৰ উৎস হ'ল আত্মিক শক্তিৰ উপলব্ধি কৰিব বিচৰা এক সদিচ্ছা। ইয়াত নিহিত থাকে মহাজাগতিক শক্তিৰ আকৰ্ষণ। ই সম্ভৱ হয় অনুভৱ ক্ৰিয়া সাপেক্ষে। এই শক্তি যেনেকৈ অনুভৱ কৰিছিল মহাত্মা গান্ধী, লাল বাহাদুৰ শাস্ত্ৰী, জয়প্ৰকাশ নাৰায়ণে; ইয়াৰ ইন্ধন আছিল কাৰ্লমাৰ্ক্স, মাৰ্টিন লুথাৰ কিঙৰ নামটোও লগতে সাঙোৰ খাই পৰে। এনে সন্দৰ্ভত গণশিল্পী, গণবিপ্লৱী, বিষ্ণু ৰাভা চকুৰ আগত জলজল-পটপটকৈ জিলিকি আছে।

প্ৰকৃততে আত্মবিশ্বাসহীন মানে আত্ম ফাঁকি। এইটো জীৱন মিচন নহয়। আত্ম ফাঁকি জীৱন ফাঁকি। এনে ফাঁকিতে নিঃশেষ হয় একোটা জাতি। চাওক, চৰকাৰৰ অনুজ্ঞা পত্ৰ থকা দোকানৰ পৰা ৰচিদ নোহোৱাকৈ মদৰ বটলটো কিনি লুকাই চোৰৰ দৰে জেপত

ভৰাই লৈ লাজ লাজকৈ খোজ পেলাই যোৱাৰ অৰ্থ আত্মফাঁকি নহয়নে বাৰু? স্বভাৱতে এয়া আত্মশক্তিক বিশ্বাসঘাতকতা কৰা। দ্বিতীয়, ল'ৰা-ছোৱালী-তিৰোতাক আন্ধাৰত ৰাখি নিজ দেহ জুৰোৱা মনোবৃত্তি এক গূঢ় প্ৰৱঞ্চনা।

এনে মানসিক পৰিৱেশ সাপেক্ষে মদাপীৰ চৰিত্ৰৰে যেতিয়া মৃত্যু হ'ব, তাৰ মন আত্ম ফাঁকি, প্ৰৱঞ্চনাৰে বিদেহী হ'ব। তুফান-ধুমুহা বতাহত ঘৰ ভাগি অথন্তৰ হৈ ওলাই যোৱাৰ পিচত এই ভয় অভিজ্ঞতা মনাত্মাত থাকি যায়। নতুন ঘৰত সোমোৱাৰ পিচতো আকাশত ঘন ক'লা মেঘ দেখিলেই বুকু কঁপি উঠিব. বৰ্তমানৰ ঘৰটো অট্টালিকা হ'লেও অন্তৰৰ কঁপনিটো সেই ভগা ঘৰৰ পৰা সৃষ্ট।

চৌধুৰী : বহুতে জীৱনৰ দুখ-বিষ-বেদনাৰ পৰা নিৰাময় হ'বলৈ মদত ধৰে। আৰু আন বহুতে বিৰহ বেদনাৰ পৰা অব্যাহতি পাবলৈ মদত ধৰি জীৱন নিঃশেষ কৰে। এনেদৰে মদে যেনেকৈ সংস্কৃতিবানকো সংস্কৃতি হীন কৰে তেনেকৈ এটা সময়ত এই মদ আৰু আফিং আছিল এনাস্থেছিয়া স্বৰূপ শল্য চিকিৎসকৰ ৰোগীক দুখ-কষ্টৰ পৰা অপাৰেশন কৰি উদ্ধাৰ কৰাৰ ব্যৱস্থা। ইয়াৰ লগতে ৰোগীক হাতে-ভৰিয়ে বান্ধি মূৰত প্ৰহাৰ কৰি অচেতন কৰাই অস্ত্ৰোপ্ৰচাৰ কৰা হৈছিল। 'How science has changed our lives' ইংৰাজী প্ৰবন্ধত সবিশেষ লিখকে অৱগত কৰিছে। বিজ্ঞানৰ আৱিষ্কাৰে মানুহক এনেদৰে নানা ৰোগ ব্যাধিৰ দুখ-কষ্টৰ পৰা তথা জীৱনৰ ধৈৰ্য হেৰোৱা বিষ-বেদনাৰ পৰা অব্যাহতি দিছে। প্ৰতিভা বিকাশতো হয়তো ব্যক্তি বিশেষে ইয়াৰ সহায় ল'বলৈ সমৰ্থ হৈছে। ভাবিলে ওলাই পৰিব অন্ধবিশ্বাস আৰু কুসংস্কাৰৰ পৰা মুক্ত হোৱাৰ বাবে বিজ্ঞানে তেনেকৈ অৰিহণা যোগাই আহিছে।

কিন্তু আত্মস্খলনৰ দুখ-বিষ-বেদনা কোনেও মৰিষণ কৰিব নোৱাৰে। ইয়াত কোনো এনে ব্যৱস্থা নাই বা ইয়াত ব্যৱহাৰ কৰিব পৰা কোনো অস্ত্ৰও নাই। ইয়াৰ মনাস্ত্ৰ সূক্ষ্ম আৰু থাকে নিজৰ হাততেই। এই স্থূল দেহৰ বিষ সম্পৰ্কে মিল্টনৰ অনুভৱ ব্যক্ত কৰিছে এনেদৰে—

'পেৰাডাইজ লষ্টত', 'But pain is perfect misery, worst of evil and excessive, over turns all patience.' নিজক শুদ্ধ কৰাৰ মনাস্ত্ৰ ব্যৱহাৰ নকৰিলে উদ্ভাৱিত মনৰ ৰোগ-ব্যাধিৰ বিষ-বেদনাৰ পৰা অব্যাহতি আনে দিব নোৱাৰে। ই ভয়ানকতকৈও ভয়ানক।

বৰুৱা ঃ এনে ফাঁকি প্ৰবঞ্চনাৰে আত্মা যেতিয়া আকৌ গৰ্ভস্থ সন্তানৰ দেহত প্ৰৱেশ কৰে তাৰ এই প্ৰবৃত্তি থাকি যায়। গতিকে দেখিব জীৱন সুখৰ ঘাটি হ'ল ত্যাগ। ত্যাগ এবাৰ অৰ্জন কৰি স্বভাৱজাত কৰিব পাৰিলে মানুহ জীৱন মুক্ত হ'ব পাৰে। এনে মুক্ত জীৱনে সৃষ্টিতহে সহায় কৰে; শান্তিৰ দূত হয়, পৃথিৱীৰ মুকলি মানৱ মঞ্চত মুক্ত অভিনয় কৰিব পাৰে।

সেয়ে, শ্ৰীমন্ত শংকৰদেৱ পৃথিৱীৰ মুকলি মানৱ মঞ্চৰ আৰু মুকলি বৈষ্ণৱ ধৰ্মীয় মঞ্চৰ জন্মদাতা। ত্যাগে জীৱনক মুক্তি দিয়ে, আনহাতে লোভ-লালসাই ক্ৰোধ চপাই; ক্ৰোধ স্বভাৱজাত হ'লে ধ্বংসইহে পৰিসমাপ্তি ঘটায়। ইয়াৰ পিচত হেৰুৱাবলৈ একো নথকাত ভয়, ক্ৰোধৰ বিদায় হ'লে মুক্ত হয় মন।

এতিয়া এইটো স্বীকাৰ্য যে মন মুক্ত কৰাৰ দুপাট অস্ত্ৰ— ত্যাগ আৰু ক্ৰোধ। এপাট স্বৰ্গীয় (সূক্ষ্ম), আনপাত পাৰ্থিৱ (স্থূল)। দুয়োটাই সত্যতে মোখনি মাৰে। এয়া ধৰ্ম আৰু বিজ্ঞানৰ সত্যৰ মিলন বিন্দু। দুয়োপাট অস্ত্ৰেৰে কাম মনে ইন্দ্ৰিয়ৰ সহায়ত কৰে। এই মন পৰিচালিত হয় আত্মা সাপেক্ষে বিবেকৰ দ্বাৰা। আত্মাৰ প্ৰবৃত্তি হ'ল পূৰ্বজন্মৰ অভাৱ পূৰণৰ হেঁপাহ। এই হেঁপাহ নিয়ন্ত্ৰিত হয় এই জন্মৰ ন্যায়-নীতি, সৎ-সমতাৰ প্ৰভাৱত অৰ্জিত সম্ভাৰত।

সাম্য আৰু বৈষম্যৰ আকাশ-পাতাল প্ৰভেদে সাম্যতা ৰক্ষাৰ্থে সময়ে সময়ে বিপ্লৱৰ সৃষ্টি কৰে। এই বিপ্লৱ দুই জাতীয়— এটা আধ্যাত্মিক (সূক্ষ্ম) ত্যাগৰ জৰিয়তে হয়; যিটো মহাপুৰুষ, মহামানৱ সকলে কৰে আৰু আনটো পাৰ্থিৱ (স্থূল) ক্ৰোধ-ধ্বংসৰ জৰিয়তে হয়, যিটো চণ্ডাল ৰূপত সাধাৰণ মানুহে কৰে। সাধাৰণ আৰু অসাধাৰণ মানুহৰ এই পাৰ্থক্য।

বৈষ্ণৱ ধৰ্মৰ পৰিপ্ৰেক্ষিতত ভগৱান শ্ৰীকৃষ্ণই মানুহ অৱতাৰ

ধৰাত ধৰ্ম নীতি স্থাপন কৰাটো আধ্যাত্মিক ধাৰা সাপেক্ষে সূক্ষ্ম আৰু শ্ৰীমন্ত শংকৰদেৱে প্ৰৱৰ্তিত কৰা এক মানৱ, এক দেৱ, এক সেৱ সাপেক্ষে মানৱ ঐক্যতা-সমতা, জন্ম অধিকাৰ— গণতন্ত্ৰ, গণ মুকলি মঞ্চ, মুকলি অভিনয় তথা দেহে-মনে, জাতি, ভাষা, উচ্চ-নীচ সমন্বিতে স্থূল আৰু সূক্ষ্মৰ বাস্তৱ জীৱন মুক্তিৰ আধ্যাত্মিক মানৱীয় বিপ্লৱ। সেয়েহে শংকৰদেৱ পৃথিৱীতে অন্যতম মহাপুৰুষ। এনে হিন্দু ধৰ্মৰ প্ৰেক্ষাপটতে ৰামানুজনৰ কথা মনলৈ আহে।

প্ৰাচ্য আৰু পাশ্চাত্যৰ মাজত প্ৰভেদ এয়ে যে আমি হিন্দু ধৰ্মৰ নামত সোণালী অতীতক যেন বিশ্বাঘাতকতা কৰি আত্মফাঁকি দিছোঁ আৰু পাশ্চাত্যই আত্মশক্তিত বলীয়ান হৈ সৎকৰ্মৰ পৰ্যবেক্ষণৰ বাটেৰে গৈ প্ৰগতিৰ মুখ দেখিছে, উদ্যোগৰ ডেউকা লগাই আকাশাত উৰিছে। এই যে শংকৰদেৱ প্ৰচাৰিত বৈষ্ণৱ ধৰ্ম মৰ্মে, মাধৱদেৱ বিৰচিত নামঘোষাত পাইছোঁ, 'কৰ্মত বিশ্বাস যাৰ, হিয়াত থাকন্ত হৰি', এই কথাটো প্ৰকৃত পক্ষে ক'বলৈ গ'লে এক বাস্তৱ সত্য উদাহৰণ। অৰ্থাৎ কৰ্মত যাৰ বিশ্বাস সি মহাজাগতিক শক্তিৰ অংশৰ পৰা লাভ কৰে কৰ্ম আকৰ্ষণৰ উলাহ। পাশ্চাত্যই ইয়াকে মানি আছে আৰু প্ৰগতিৰ বাটেৰে খোজ কাঢ়ি বিজ্ঞানাগাৰত আৱিষ্কাৰৰ উদ্ভাৱনত নামি পৰিছে।

চৌধুৰী : আচলতে সংঘৰ্ষৰে বা শক্তি কূট-কৌশল খটুৱাই পৃথিৱীত শক্তি প্ৰদৰ্শন কৰি জীয়াই থকাতকৈ সংস্কাৰ সাপেক্ষে সংস্কৃতিৰ বাহক হৈ জীয়াই থকাহে শ্ৰেয়। সেয়ে মানুহ যেন প্ৰকৃততে সভ্য হ'বলৈ, আত্মাৰ সত্য প্ৰবাহক গতি দিব পৰা হ'বলৈ এতিয়াও বাকী। সেই কাৰণেই সংকল্পৰ প্ৰয়োজন; আত্ম শক্তিৰে বলীয়ান হোৱাৰ সংকল্পৰ বাটত থাকে মনৰ 'পণ'। এয়া হ'ব লাগে 'ঐক্যবদ্ধ সংকল্পৰ পণ'। অন্যথাই সমাজত বিয়পিব সৰ্পৰ ফনামেলা ভাৰ্বণিৰ জীয়া জুই; ফিৰিঙতি বতাহত আহিব উৰি, শুই থাকোঁতে চালত পৰি নিমিষতে দিব পুৰি ছাঁই কৰি। লা-ধুনা, কুটা-মাটি যি থাকে আত্মাৰ ঘৰত, তাকো নাপাব বিচাৰি, সংগ্ৰাম জীয়াই ৰখাৰ বাটত।

বৰুৱা : মানৱতাক জীয়াই ৰখাৰ বাবে ত্যাগৰ প্ৰয়োজনৰ দৰে পৰিয়ালৰ ঐতিহ্য, পৰম্পৰা জীয়াই ৰাখিবলৈ হ'লেও সংস্কৃতিবান হ'ব লাগিব।

ধৰ্মনিৰপেক্ষ গণতান্ত্ৰিক দেশত জনগোষ্ঠীসমূহৰ আন্তঃগাঁথনি স্থিৰে ৰাখিবলৈ হ'লে যেনেকৈ প্ৰতিজন সাংসদ, মন্ত্ৰী-বিধায়ক সংস্কৃতিবান আৰু নৈতিকভাৱে মানৱীয় দিশত শক্তিশালী হ'ব লাগে, তেনেকৈ সংস্কৃতিবান নোহোৱাৰ ফলত, পিতৃৰ ঐতিহ্য-পৰম্পৰা আৰু ধন-সম্পত্তি সকলো নিশ্চিহ্ন হৈ যায় বংশানুক্ৰমে।

চৌধুৰী ঃ সেয়েতো চাওক, এই 'ৰত্নগিৰি' নগৰৰ গোটেই সম্পত্তি ৰতন নামেৰে এজন সম্ভ্ৰান্ত মানুহৰ আছিল বুলি শুনিছোঁ। পুতেক আছিল গিৰিশ। পিতৃৰ মৃত্যুৰ পিচত পুতেকে শিক্ষা-দীক্ষা জ্ঞানৰ তথা সৎ স্বভাৱৰ অভাৱত মদ-পানী খাই মাতাল হৈ গোটেই সা-সম্পত্তি বিক্ৰী কৰি শেষ কৰিলে। তথাপি তাক ধনে নুকুলায়। ঘৰখন অচলহে অচল। মাটি কিনি নতুনকৈ বসবাস কৰা মানুহৰ মুখে মুখে বাগৰি ৰতন-গিৰিশ নাম ৰত্নগিৰি হ'লগৈ। নামটোহে ৰ'ল, কিন্তু পৰিয়ালটো বংশ পৰিচয়হীন হ'ল।

বৰুৱা ঃ আমি সেই কথাই আলোচনা কৰি আহিছোঁ, ঘৰ-দুৱাৰ, অট্টালিকা গঢ়া কাম পিচত, মানুহ গঢ়া কাম আগত। সচেতন নাগৰিক প্ৰতিজনৰে অৱগত যে ভাৰতীয় সংস্কৃতি, কৰ্ম আৰু ধৰ্মৰ ওপৰত প্ৰতিষ্ঠিত। শংকৰদেৱে সেই কথাই কৰিছে অৱগত। ইয়াৰ পৰিপুষ্টিও সাধন কৰি আহিছে শাস্ত্ৰই। মনটো স্থিৰে ৰাখি মানুহক মানুহ ৰূপে গঢ়াত এই সংস্কৃতিয়ে সহায় কৰি আহিছে। এনে দিশত পিতৃ ৰতনো হেনো সচেতন নাছিল আৰু পুত্ৰয়ো পিতৃৰ ধৰ্ম তথা ঐতিহ্য জীয়াই ৰখা আৰু হাতৰ কৰ্মত মন দিয়া নাছিল। এয়া তাৰেই ফল। আজিলৈ এৰোঁ বলক।

চৌধুৰী ঃ ঠিক আছে, আজি ৰবিবাৰ, অহা শুকুৰবাৰে একে সময়তে আজিৰ দৰে লগ লাগিম। (দুয়ো এৰাএৰি হ'ল)

সাত

যেনে কথা তেনে কাম। যোৱা ৰবিবাৰে কৰা সিদ্ধান্ত মৰ্মে আজি শুক্ৰবাৰে গধূলিপৰত ফিল্ডৰ বননিত দুয়ো বহি ল'লে। ইয়াত বহি আলোচনা কৰা সুবিধা, মানুহৰ সমাগম কম, বিহুতলীৰ দৰে নহয়, নীৰৱতাই প্ৰায়েই ৰাজত্ব কৰে। চৌধুৰীয়ে মুখ খুলিলে।

চৌধুৰী ঃ সঁচাকৈ ক'বলৈ গ'লে আপোনাৰ পৰা লাভ কৰা বিমল সান্নিধ্যই মোক চিৰদিনলৈ মনৰ আনন্দ বিলাই থাকিব। ল'ৰালি কালৰ মুখস্থ বিদ্যা জীৱনজুৰি মনত থাকে; জীৱনজুৰি মনত থাকে ল'ৰালিৰ মুক্ত মনে ধূলি-বালিত, বোকা-মাটি-পানীয়ে খেলি খেলি আহি পঢ়ি থকা দিনৰ আনন্দৰ কথা। নাচি থাকোঁতেই যেন মুখস্থ হৈ যায় কবিতা। এনেদৰে পোৱা সংগসুখো কমদিনত হেৰাই নাযায়। তাতোকৈ অতি প্ৰিয় মনৰ কথা হ'ল প্ৰেমিকে প্ৰেমিকাক লগ নোপোৱালৈকে দিন নাযায়, ৰাতি উজাগৰে যায় লগ হোৱাৰ পিচতো এৰি দিবলৈ মন নাযায় তেনেকৈ অন্তৰংগ বন্ধুৱে বন্ধুক লগ ধৰি সুখৰ-দুখৰ দুষাৰ কথা হৈ মনৰ সমস্যা দূৰ নকৰালৈকে দেহ-মন জুৰ নপৰে। আগদিনা কাজিয়া কৰি, 'মোক নামাতিবি' বুলি কোৱা সৰু ল'ৰাজনে পিচদিনা সেই ল'ৰাজনৰ লগ লাগিবলৈ পিতৃ-মাতৃক লুকাই দুৱাৰ মুখত বৈ থকাৰ দৰে। এই দুয়োটা অভিজ্ঞতাই মই লাভ কৰিব পাৰিলোঁ। দুষাৰ মনখুলি কথা ক'বলৈ পাই বৰ সুখ পাইছোঁ। সুধী সমাজত নিজক সহজতে বিচাৰি পোৱাৰ দৰে আপোনাৰ লগত মই নিজক বিচাৰি পাইছোঁ।

সবাতোকৈ গুৰুত্বপূৰ্ণ কথা হ'ল অশান্ত মনত সান্ত্বনা দিয়া, কাকো বিশ্বাস আৰু আস্থাত ল'ব নোৱাৰা মনৰ অস্থিৰ অৱস্থাত একাত্মবোধ জগাই তোলা আৰু সকলো হেৰুৱাৰ পিচতো বহুত কিবাকিবি পাবলৈ সাহস দিয়া বন্ধুজন সতীৰ্থতকৈও সতীৰ্থ,

আপোনতকৈও আপোন, নিজতকৈও নিজৰ। আত্মসন্মান ৰক্ষাৰ কাৰণে কাকো কোনোদিনেই ক'ব নোৱাৰা মনৰ গোপন কথাষাৰ নিসংকোচে সন্মুখত ক'ব পৰা বন্ধুজন কিমান আপোন নিজৰ ভাষাৰে প্ৰকাশ কৰিব নোৱাৰি, দেহৰ ছাঁৰ দৰে; এৰিলেও বেঢ়ি ধৰে। সেয়ে সৎ সংগৰ সান্নিধ্য নোপোৱাজন জীৱন নৈৰ জাঁজি, পাহাৰৰ নিজৰাৰ পৰা বাগৰি অহা খহতা শিল, সোঁতত বাগৰি শিলত থেকা খাই মিহি হয়। গাঁৱৰ বোকা-পানীৰ জীৱন পদুমে এনেকৈয়ে তিতা-কেঁহা অভিজ্ঞতাৰে নিজক বিকাশ কৰে পূৰ্ণোদ্যমে। এইটোয়েই আত্ম দিশ— আপুনিটো দাঙি ধৰিছেই সেয়া; এতিয়া মই বুজিছোঁ যে নিজেই নিজৰ লগ, নিজেই নিজৰ সৎসংগ যদি হয় তেনেহ'লে হ'ব স্থিতপ্ৰজ্ঞ; যদি হয় স্থিতধী তেনেহ'লে হ'ব মহৌষধি। এইজন সমাজৰ লাইখুঁটা উপদেশ দাতা, নিজৰ জীৱনটোই হয় এক ধৰ্মগ্ৰন্থ, য'তে বহে ত'তে হয় আলোচনা সভা।

বৰুৱা : হেৰি, এতিয়া বুজিলে নহয়, 'চাৰিঘৰ ফুৰিলে কাইথেলি পঢ়িব নালাগে' বোলা সাধুৱা কথা ফাঁকিৰ কি তাৎপৰ্য। এয়া বাস্তৱ অভিজ্ঞতাৰ উদাহৰণ। ৰ'ব, এনে দিশত আপুনি দেখোন বহুদূৰ আগবাঢ়িলে; সেইবুলি নাভাবিব যে 'গাখীৰ নিখীৰাওতে কৰিয়াই মাতে' বুলি কৈছোঁ। কিয়নো এনেদৰেই আহে পৰিৱেশৰ প্ৰভাৱ। মহান, মহামানৱ, মহাপুৰুষ আৰু জ্ঞানী মানুহৰ দূৰদৰ্শী ভাষণে মানুহক মহীয়ান, জ্ঞানী, শুদ্ধ আৰু আনকি শুদ্ধ আত্মাৰ মানুহজনক স্থিতিপ্ৰজ্ঞ আৰু স্থিতধী শক্তিৰে বলীয়ান কৰিব পাৰে। এনে পৰিৱেশত মনটো দেহৰ শক্তি উৎপাদনৰ উৎস হৈ পৰে। কথাটো এনেকুৱা যে জ্ঞানীয়ে জ্ঞানৰ মোল বুজে— বান্দৰে মুকুতাৰ মোল নুবুজে, শিক্ষিতে শিক্ষাৰ মানদণ্ড অটুট ৰাখে, ধাৰ্মিকে যি ধৰ্মৰেই নহওক পৱিত্ৰতা ম্লান নকৰে, মানৱপ্ৰেমীয়ে মানৱতা অক্ষুণ্ণ ৰখাত কাৰ্পণ্য নকৰে।

চাওক, ইতিমধ্যে কৈ আহিছোঁ যে টকা ঘটি ঘৰ-দুৱাৰ, স্কুল-কলেজ, মঠ-মন্দিৰ, অট্টালিকা, ৰাস্তা-ঘাট, কাৰ্যালয় আদি সাজি আধুনিক আচবাব ৰাখি উন্নত হোৱা যিমান সহজ, প্ৰকৃত মানুহ গঢ়া আৰু মানুহত থকা মানৱ সম্পদ বিকাশ আৰু বৃদ্ধি কৰি প্ৰগতিৰ

শীৰ্ষত উঠা সিমানেই টান। ইয়াতেই নিৰ্ভৰ কৰে দেশৰ অৰ্থনৈতিক প্ৰগতি, নতুন উদ্ভাৱনাৰ দিশত বঢ়াই ধাউতি। লগতে সৃষ্টিৰ অভিনৱত্বৰে গৰীয়ান আৰু মৌলিকত্বৰে মহীয়ান হোৱাৰ বাবে দেশৰ গণতন্ত্ৰ পদ্ধতিয়ে যেন হাত বাউলি দি থাকে। উলাহে নধৰে হিয়া। যথাৰ্থতে দেশৰ প্ৰকৃত গণতন্ত্ৰই হ'ল মৌলিকত্ব আৰু অভিনৱত্বৰ সৃষ্টিৰ আধাৰ।

চৌধুৰী : কিন্তু, ইয়াত এটা কথা আছে, সূক্ষ্ম অনুভূতিসমূহ বিকাশ হ'ব লাগিলে ল'ৰালিৰ মুক্ত বিচৰণৰ দৰে মনৰ স্বাধীনতা লাগিব। মনৰ স্বাধীনতা নিৰ্ভৰ কৰে গণতান্ত্ৰিক অধিকাৰ সাপেক্ষে মুক্তমনে ঘূৰি ফুৰিব পৰা জন্ম প্ৰতিভা বিকাশৰ পৰিৱেশৰ ওপৰত। এনে মুক্ত পৰিৱেশৰ আনন্দই জন্মগত প্ৰতিভা— Inborn tendency বিকাশ হোৱাত নিজকে উদ্বুদ্ধ কৰি তুলিব পাৰে। মনত পেলাওকচোন অতীতৰ ল'ৰালি কালৰ সংগসুখৰ মুক্ত পৰিৱেশৰ কথা।

বৰুৱা : উদ্ভাৱন শক্তিৰ বিকাশৰ লগত সামাজিক আৰু গণতান্ত্ৰিক দুয়োটাৰে মুক্ত পৰিৱেশৰ প্ৰয়োজন। সামাজিক পৰিৱেশৰ পৰা আহে উচাহ আৰু গণতন্ত্ৰৰ পৰা উলাহ। এটা মনৰ অনুপ্ৰেৰণা আনটো আৰ্থিক প্ৰেৰণা, লতাডাল লহ্‌পহ্‌কৈ বগাবলৈ লগা আশ্ৰয়ৰ দৰে। এনেদৰে গণতান্ত্ৰিক পৰিৱেশ আৰু সামাজিক পৰিৱেশ একাকাৰ হ'লেহে মৌলিকত্ব আৰু অভিনৱত্বই পোখা মেলি উদ্ভাৱন সম্ভৱ কৰি তুলিব পাৰে।

চৌধুৰী : সময়ৰ সোঁত চাওক; কাৰোবাৰ কলা টকাই হাঁহে, কাৰোবাৰ কপটতাই হাঁহে, কাৰোবাৰ জেদভাবে হাঁহে আৰু আন কাৰোবাৰ কূটনীতিয়ে হাঁহে, কাৰো হাঁহি চিধা নহয়। মনৰ মুক্ত মহাজাগতিক শক্তি সৃষ্ট প্ৰকৃতিৰ প্ৰাণাত্মাৰ মুক্ত হাঁহিৰ স্বচ্ছতা নাথাকে কোনোজনৰেই। ই প্ৰতিভা বিকাশৰ সহায়ক নহয়। যিটো আজি হৈ আছে। মূৰত শিলটো মাৰি মৃত্যু ঘটাই টকাৰ বেগ বা কিডনী, চকু কাঢ়ি নিয়া মানুহজনৰ হাঁহিৰ আয়ুস কিমান তাৰো নিৰাকৰণ হৈ আছে লগতে। এদিন এই নষ্ট হাঁহিয়ে ক্লেদাক্ত হিয়াৰ পৰিৱেশ ওপচাই দিব আৰু তেতিয়া নিজৰ জীৱনটোই নিজক হাঁহিব বেঁকাকৈ। এনেকৈয়ে নষ্ট হাঁহিয়ে দুষ্ট হাঁহিৰ লগ লাগে বিকাৰ লগত লৈ।

বৰুৱা : সেয়ে নিজেই নিজৰ মনৰ শুদ্ধ বাটেৰে গৈ থাকোঁতে হিয়াৰ পৰিৱেশ

সাপেক্ষে মনৰ মিলন হৈ যায় অজানিতে। অজানিতে দুয়োটা মুক্ত হাঁহিও একাকাৰ হৈ যায়। মনত পেলাওকচোন আমাৰ দিনৰ ল'ৰালি কালৰ ৰ'দালিৰ মুখভৰা খিল্‌খিল্ হাঁহিৰ কথা। লগতে চাওক, আজিকালিৰ পিঞ্জৰা সদৃশ অট্টালিকাত বসবাস কৰা মুক্ত বিহংগম ল'ৰা-ছোৱালীৰ বন্ধ ব্যাথা; মনৰ স্বাধীনচিতীয়া কথাবোৰৰ প্ৰকাশৰ মুক্ত পৰিৱেশৰ কথা; লগতে চিন্তা কৰক অংগ-প্ৰত্যংগৰ স্বতঃস্ফূৰ্ত চলন আৰু ইয়াৰ লগত জড়িত মনৰ মুক্ত সংযোগ ক্ৰিয়াৰ কথা। ইয়াতে আছে মনৰ বিকাশ আৰু আত্ম প্ৰকাশত বুদ্ধি, কৌশল প্ৰয়োগৰ বাধা। সকলোতে লাগে মনৰ মুক্ত পৰিৱেশ আৰু এনে মুক্ত পৰিৱেশত গণতন্ত্ৰৰ মুক্ত হাত থাকিব লাগে।

চাওক, আমাৰ দিনৰ মুক্ত পৰিৱেশ আৰু লগ-সমনীয়াৰ লগত প্ৰকাশ কৰা মনৰ স্বাধীনচিতীয়া কথাৰ পৰিপ্ৰেক্ষিতত ক'ব বিচৰা কথা হ'ল— ল'ৰা-ছোৱালীৰ মুক্ত কথাবোৰ তথা পৱিত্ৰ মনবোৰ যিমান ভাল লাগে পুৰণি মনৰ বন্ধু এজন হঠাতে লগ পালে পুৰণি মুক্ত পৰিৱেশৰ স্মৃতি ৰোমন্থনে সিমানে আনন্দ দিয়ে। উভয়ে উদঙাই দিয়ে মুক্ত মনেৰে কৰা অংগ-প্ৰত্যংগসহ মাংসপেশীৰ মুক্ত চলন প্ৰক্ৰিয়াৰ কথা। হয়তো কাজিয়াৰ উল্লেখেও আগভেটা দিব। এয়া জন্মৰ কোমল অনুভুতিসমূহ জাগ্ৰত হোৱাৰ পৰিৱেশ।

চৌধুৰী ঃ ঠিকেই, ইয়াত আছে, লগ-সংগ আৰু পৰিৱেশৰ যুটীয়া বিমল সান্নিধ্য, এইটো সকলোৰে অনুভূত যে বহুদিনৰ মূৰত অহা বৰষুণ জাকৰ সান্নিধ্যই যিমান আনন্দ দিয়ে, শীতৰ গৰম উমে সিমান আমেজ জগায়। বসন্তৰ গছৰ কোমল কুঁহিপাতৰ স'তে মলয়া বতাহে যেতিয়া কাণে কাণে কথা পাতে, শুনি বৰ ভাল লাগে; তেনেকৈ মাতৃৰ বুকুৰ কেঁচুৱা সন্তানটিৰ ঠুনুক-ঠানাক মাতত হিয়া-মন প্ৰীতিৰে ভৰে। এই সুখবোৰ নিষ্ঠা-কৰ্মতহে জীয়াই থাকে। ক'লা টকা, জেদভাব, অহমিকা আৰু কূটনীতিৰ বেঁকা হাঁহিয়ে ইয়াক চুব নোৱাৰে।

বৰুৱা ঃ হেৰি, কি ক'ব, এটা গানৰ মিঠা কলিয়ে যেতিয়া প্ৰেমৰ বতৰা লৈ কাণৰ কাষত থিয় হয় তেতিয়া প্ৰেমিক-প্ৰেমিকাই দূৰত থাকিও কাষত বহি একেলগে মনৰ কথা পাতে। এনে সান্নিধ্যই পতি-পত্নীকো

আনন্দৰে জীয়াই ৰাখে; সুখে-দুখে সমভাগী কৰে। আনকি বিচ্ছেদ হ'লেও মনৰ ডালত লফিয়াই থাকে, দুখ থাকিলেও সুখে লুকা-ভাকু খেলে (Play hide and seek.)

চৌধুৰী ঃ আগত আছিল নিজে শান্তিলভা আৰু আনকো অশান্তি নিদিয়া সচৰাচৰ মানুহৰ মনৰ গতি। আজিকালি নিজে সকলো সুবিধা লোৱা আৰু আনক দুখ দিয়াৰ যেন ব্যৱস্থা কৰাৰ মানসিকতা। সেয়ে দৃঢ় স্থিতি অবিহনে এনে পৰিৱেশত নিষ্ঠা মন, নিষ্ঠা কৰ্ম জীয়াই ৰখা টান।

বৰুৱা ঃ ৰ'ব, আপোনাৰ কথাটো কৈ থওঁ— খেলত পিচপৰি ৰোৱাজন এটা সময়ত আগবঢ়াজনৰ লগত সমান হয় আৰু শেষত বিজয়ী হোৱাৰ পথো উজলি উঠে। এইটো ঠিক যে ছাত্ৰ যিমানেই ডাঙৰ মানুহ হয় শিক্ষা গুৰুৱে আনন্দত গৌৰৱ কৰাৰ সিমানে সমল পায়।

যথাৰ্থতে শুদ্ধ মনেই সাজে হৃদয়ৰ বৰঘৰ। কেঁচুৱাই টোপনিত হাঁহাৰ দৰে ৰাতিৰ সপোনটো আত্মাই খেলে জীৱাত্মাৰ লগত আৰু মনে উলাহ দি নচুৱাই থাকে জীৱন গঢ়াৰ কমাৰশালত। সেয়ে মানুহ গঢ়া পৰিৱেশ হৃদয়ৰ শুদ্ধতাৰে নৈসৰ্গিক আবেশ। আজিকালি যেন সকলো নিঃশেষ, কোনে গঢ়িব এনে সুপৰিৱেশ।

চৌধুৰী ঃ কি ক'ব, আজি এহাতে পুৱতি নিশাৰ টোপাল টোপে সৰি পৰা গছৰ পাতৰ নিয়ৰৰ নিচুকনিত টোপনিৰ আমেজ— আনফালে এনে নিশাৰ নীৰৱতা ভাঙি বন্দুকৰ গুলীৰ শব্দই কঁপাই তোলে বুকুৰ ভয়াৱহতা, মৰ্মান্তিক ক্ৰন্দন ৰোল, সিঁচি দিয়ে মৃত্যুৰ খবৰ। নিৰাশাই ধৰে বাট আগচি, তেজে তুমৰলি কলিজাৰ উচুপনি। স্মৃতিত উজলি উঠে বোমাই সিঁচৰতি কৰা ৰঙা তেজ-মঙহৰ হাত-ভৰি দাঁত নিকতাই থকা মুখবোৰ।

এয়া এহাতে সন্ধিয়া ঘৰে-ঘৰে-মন্দিৰে-নামঘৰে, সত্ৰই মুখৰিত হয় সন্ধিয়াৰ প্ৰাৰ্থনাৰ সুৰ, আনহাতে বজাৰে-সামৰে, ৰাস্তাই-ঘাটে অজানিতে ফুটে বোমাবোৰ। এন্ধাৰে খেদি ফুৰা মৃতুবোৰ এনেকৈ শুই থাকে অচিন বাটত। বুকু ডাঠি এন্ধাৰে এন্ধাৰে পকা আলিৰে দৌৰিও অৱশেষত ঘাতকবোৰ মৃত্যু গহ্বৰতে পৰে।

বৰুৱা ঃ এনে কাৰ্যকৰণ প্ৰক্ৰিয়াৰ পৰা বুজিব যে জীৱন বুলিলে সুখ-দুখ জড়িত। এইটেও জানিব যে কৰ্ম প্ৰবাহত সময়ে যি দুখ কঢ়িয়াই

হৃদয়ৰ সততাৰ উপলব্ধিৰ সুখে তাকেই পূৰ্ণ কৰায়, কিয়নো দুখৰ লগতো আত্মাতে শুই থাকে সুখে। জানিব যি সন্ত্ৰাসে ধ্বংস কৰি হাঁহে সেই সন্ত্ৰাসে ধ্বংসতে মৃত্যুৰ মুখত ছটফটাই কান্দে।

চাওক, কিচ্‌কিচিয়া ক'লা মেঘৰ সুৰত থাকে সাগৰৰ পানী; তুফানে-ধুমুহা-বিজুলী-ঢেৰেকনিৰে বুকু কঁপাই নমাই আনে বৰষা; ভাঙি-চিঙি চুৰ্ণমে কৰে ঘৰ-বাৰী-বননি সকলো, লগে লগে এক শান্ত শীতল, নীৰৱ পৰিৱেশ বিৰাজ কৰে ধ্বংসৰ অৱশেষত। অনুৰ্বৰ ঠাইত জীপাল সিঁচি উৰ্বৰতা বৃদ্ধি কৰে, সৃষ্টিকৰ্তা প্ৰকৃতিয়ে পৃথিৱী সেউজীয়া কৰি তাতেই ভোগৰ থাপনা সাজে। এই থাপনাত কাৰো ভোগৰ সামগ্ৰী ভৰি পৰে আৰু কাৰো থাপনাৰ বুকু উদং হৈ থাকে।

এয়া ভাবিলে ওলাই পৰিব যে এশ বছৰীয়া কেলেণ্ডাৰখনে একে বাৰ, তাৰিখ সময়ে সময়ে কঢ়িয়াই ফুৰে। একোটা নিৰ্দিষ্ট সময়ত বাৰ, তাৰিখ মিলাৰ দৰে সুখ-দুখ, জীৱন-যাতনা, শোক-তাপ বা জন্ম-মৃত্যু প্ৰকৃতিৰ সহায়ত মহাজাগতিক প্ৰক্ৰিয়াই স্বতঃস্ফূৰ্তভাৱে এক নিৰ্দিষ্ট সময়ত ওপচাই দিয়ে। দিনৰ পিচত ৰাতি, গ্ৰীষ্মৰ পিচত শীত ছয় ঋতু কল্পে বছৰে বছৰে একেই প্ৰবাহ চলি থাকে। একেই নৈমিত্তিক ক্ৰিয়া সংঘটিত কৰি প্ৰকৃতিয়ে বাগৰ সলাই থাকে যেন পানীৰ চক্ৰহে। প্ৰকৃতিৰ এনে প্ৰক্ৰিয়াত নিৰ্ভৰ কৰে থাপনাৰ সম্ভাৰ; এই সম্ভাৰতে নিৰ্ভৰ কৰে সুখ-দুখ. জীৱনৰ ধাৰণা, ভাবনা আৰু মনৰ কল্পনা।

উদাহৰণ স্বৰূপে কৃষ্ণৰ সহায় বিচাৰি যোৱা দুৰ্যোধন আৰু অৰ্জুনৰ মনৰ কল্পনা উল্লেখ কৰিব পাৰি। এনে মনৰ ক্ৰিয়া মহাজাগতিক শক্তি পৰিচালিত প্ৰাকৃতিক প্ৰক্ৰিয়া। এনেদৰে বিশ্ব সন্ত্ৰাস, সংঘৰ্ষ, জন্ম-মৃত্যু, দুৰ্যোগ, প্ৰলয়, মহাপ্ৰলয় এক মহাজাগতিক ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ ফচল। এটা স্থূল আনটো সূক্ষ্ম। যেনে— সৃষ্টিৰ আদিৰে পৰা এই মহাজাগতিক শক্তিৰ প্ৰক্ৰিয়াত যিমানবোৰ ক্ৰিয়া অন্তৰ্গত এই সকলোবোৰ ৰূপান্তৰ পদ্ধতিত দৈহিক পৰিবৰ্তন (বিবৰ্তন) আৰু অগ্ৰগতিৰ জখলাৰে চলি আহিছে আজিলৈ। উঠা আৰু নমা শক্তিৰ ৰূপান্তৰত ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ ফলস্বৰূপে প্ৰাকৃতিক দুৰ্যোগ

প্ৰলয়-মহাপ্ৰয়লৰ সন্মুখীনো হৈছে। এটাক বাৰণ কৰিলে আনটোৱে দেখা দিয়ে। কেলেণ্ডাৰৰ দৰে বাৰ, চন, তাৰিখ নিমিলিব পাৰে, কিন্তু এটা সময়ত এনে ধাৰণাই পোষণ কৰিব পৰা হ'ব। কাৰণ সময়মতে হোৱা স্থূল আৰু সূক্ষ্ম ক্ৰিয়াৰ প্ৰতিক্ৰিয়া থাকিবই। পুত্ৰ-কন্যাৰ জন্মৰ লিংগৰ ভিন্নতা এক এনে প্ৰকৃতিগত বিক্ৰিয়া আৰু মহাজাগতিক শক্তিৰ আধাৰত প্ৰাকৃতিক পৰিঘটনাৰ সমন্বয়ৰ ফলত সৃষ্ট স্থূল-সূক্ষ্ম সমন্বয় সত্ত্বা, মাতৃৰ বুকুৰ শিশুৰ আহাৰ আৰু পুৰুষৰ ঔৰস সৃষ্টি। প্ৰাণীৰ সকলো আৱশ্যকীয় আহাৰৰ (শস্য, ফল-মূল, শাক-পাচলি আদি) উৎপাদনো এনে প্ৰক্ৰিয়াৰ অন্তৰ্গত। প্ৰাণী আৰু প্ৰকৃতিৰ এইয়ে নিবিড় জীৱন-প্ৰক্ৰিয়াৰ সম্পৰ্ক। কোনেও কাকো এৰাই নোৱাৰে চলিব। মাথোঁ ক্ৰিয়া-প্ৰতিক্ৰিয়া, বিক্ৰিয়া-প্ৰক্ৰিয়া আৰু ৰূপান্তৰ। প্ৰকৃতি সৃষ্টিৰ আদিতে যি যি আছিল, এতিয়াও আছে আৰু ভৱিষ্যতেও থাকিব। তদ্ৰূপ ভাববোৰ, চিন্তাৰ আহিলাবোৰ আৱিষ্কাৰৰ ইন্ধনবোৰ তথা বৈজ্ঞানিক সমলবোৰ। নতুনকৈ সৃষ্টিও নহয়, ধ্বংসও নহয়; লগত থাকিব মাথোঁ উত্থান আৰু পতনৰ ছবি।

এইটো স্বীকাৰ্য যে মহাজাগতিক শক্তিয়ে পৰম শক্তি; ভগৱান এই মহাজাগতিক শক্তিৰ উপস্থাপক স্বৰূপ। এই পদাৰ্থক লৈয়ে জীয়াই থাকে বিজ্ঞানী। সেয়ে বৈজ্ঞানিক শক্তিৰ উৎসই ভগৱানৰ অলৌকিক শক্তিৰ উৎস। এই শক্তিৰ সৃষ্টিৰ স্ব অধিকাৰেই হ'ল সমতাৰ আকৰ্ষণৰ অধিকাৰ— Right to equality, তৰ্জুৰ বাওঁহাতে শক্তিৰ সৃষ্টিত ভাগলোৱা পদাৰ্থ আৰু সোঁহাতে সৃষ্ট পদাৰ্থ। দেহৰ দুয়োফালে যেন দুখন হাত। এখনত বিজ্ঞান আনখনত পৰমেশ্বৰ। এয়া সমতাই বিজ্ঞান আৰু সমতাই ভগৱান। সমতাহীনেই স্থিতি হীন। তেনেকৈ সৌৰজগত আৰু মানৱ জগত একেই পদাৰ্থৰ সমতাৰ আকৰ্ষণ তথা টনাটনিৰ জগত। এই টনাটনি বিশ্ব ব্ৰহ্মাণ্ডৰ অখণ্ডতাৰ মুক্ত আকৰ্ষণ। বানপানীত উদ্ধাৰৰ বাবে পিপৰাৰ লাডু।

চৌধুৰী : তেতিয়া হ'লে ক'ব পাৰোঁ যে বৈজ্ঞানিক আৱিষ্কাৰৰ সন্ধান আপোনাৰ চিন্তাৰ পৰিধিত, নহয়নে বাৰু?

বৰুৱা : তাতোকৈ নকয় কিয় যে সচেতনতা তথা প্ৰজ্ঞা (Consciousness)

আপোনাৰ নিজৰ চিন্তা আৰু কৰ্মৰ পৰিধিত অৱগত আৰু বৰ্ণনাটো মোৰ মুখৰ পৰা নিসৃত।

চৌধুৰী ঃ লাজ নিদিব, মইহে জানো আপুনি কিমান গভীৰ, বাৰু ৰ'ব! আমি বহুত কথাই হলোঁ, সংগ সুখো লাভ কৰিলোঁ, জ্ঞানৰ বাটতো বিচাৰি লৈ খোজ দিবলৈও আৰম্ভ কৰিলোঁ। আগবাঢ়িবলৈ আশাও বুকুত বান্ধি ৰাখিলোঁ। লগতে আমি যে নাজানোঁ সেই কথাটোও বুজিবলৈ সক্ষম হলোঁ। কিন্তু আমাৰ নিজৰ কথা ক'বলৈ দেখোন আহৰিয়ে নাপালোঁ।

বৰুৱা ঃ হয়হে, আচলতে কি জানে! দুয়োৰো মনৰ মিল, চিন্তাৰ পৰিধি হিয়াৰ বুজাবুজি এনে ৰূপত একাকাৰ হৈ গ'ল য'ত আমি নিজৰ কথা উলিয়াবলৈ নিৰপেক্ষতাই সুৰুঙা নিদিলে। এয়া প্ৰকৃততে আত্মাৰ অনুভূতি আৰু জীৱাত্মাৰ প্ৰতি সহানুভূতি তথা উদাৰতাৰ লক্ষণ। আত্মাত জীৱাত্মাৰ স্থিতিৰ উপলব্ধিয়ে পৰমাত্মাৰ সংযোগ আমাৰ মনত অনুভূত হৈছে। এনে পৰিপ্ৰেক্ষিততে কৌৰৱৰ বিকাৰ আৰু পাণ্ডৱৰ বিকাৰহীন অৱস্থালৈ মনত পৰে। মনত পৰে সৰুকালিৰ উলংগ হৈ শৌচ-প্ৰস্ৰাৱ কৰা, পানীত জঁপিয়াই গা-ধোৱা অৱস্থালৈ। অৰ্থাৎ মনৰ মুক্ত বিচৰণৰ কথা। এক কথাত মনৰ পৱিত্ৰতাৰ অবাধ বিচৰণৰ কথা। এই পৱিত্ৰতাই মনত পেলাই ব্ৰহ্মচৰ্য ব্ৰতৰ ধাৰণা, লগতে Brahman আৰু Atman এক বুলি কোৱা কথা।

এনে প্ৰসংগতে সংস্কাৰী জীৱনৰ কথা আৰু ম্লেচৰ কথা ভাবিবলৈ বাধ্য হৈ পৰোঁ। ব্ৰহ্মচৰ্যৰ পবিত্ৰ আৰু সংস্কাৰী পুৰুষৰ সংসাৰ আৰু সংস্কাৰহীন পুৰুষৰ (হিন্দু ধৰ্মৰ সনাতন সত্যৰ বাহিৰত) সংসাৰৰ মাজত পাৰ্থক্য ওলাই পৰে। এই সন্দৰ্ভতে আকৌ মনত পৰে মানুহৰ মুখে মুখে শুনা কথা ফাঁকি, 'কলিৰ শেষত হ'ব কল্কি অৱতাৰ, কাটি মাৰি ম্লেচক কৰিব বুণ্ডামাৰ।' গতিকে ৰক্ষাৰ এটাই উপায় সেইটোৱে হ'ল ত্যাগ আৰু ক্ৰোধত লাগিলে ধ্বংসতহে শান্তিৰ নীৰৱ নিজম পৰিৱেশ বিৰাজ কৰে। কল্কি অৱতাৰত বিষ্ণুয়ে এনেদৰে সমাজত সত্য যুগৰ পুনৰাবৃত্তি কৰিব।

বাস্তৱতে ই এক স্বতঃস্ফূৰ্ত প্ৰকৃতিগত ধাৰাবাহিক প্ৰক্ৰিয়া;

যেনেকৈ বাস্তৱ জীৱনৰ অভিজ্ঞতা সাপেক্ষে ঐশ্বৰিক ধাৰণাবিলাক নিজে নিজেই এটা সময়ত মনত থিতাপি লয় আৰু প্ৰতিভা বিকাশ মৰ্মে প্ৰকাশ হয়। এনে ক্ৰিয়া আৰম্ভণিৰ পৰা মনত স্থিতি ৰূপ লোৱাৰ এটা সংযোগ থাকে, এই সংযোগ আত্মা-পৰমাত্মাৰ সংযোগ। এনে বোধৰ প্ৰতি সজাগ হৈ সাত্বিক জীৱনটোৰ যিয়ে যত্ন ল'ব জানে তেওঁ পৰমাৰ্থ তত্ত্ব বুজিবলৈ চেষ্টা কৰিব নালাগে। তত্ত্বই নিজে নিজেই মনত দোল দি যায়হি। এয়াই বিকাৰহীন জীৱন, এয়াই ভগৱত প্ৰেম, এয়াই ত্যাগ। সেয়ে মই ভাবোঁ, Extreme surrender to Brahmacharyya activities is good, extreme devotion to God is better and equal feeling to the four kinds of beings is best. এনে দিশতে জানিব যে ঈশ্বৰৰ আশিস বিচৰা পদ্ধতি প্ৰকৃততে অন্তৰ শুদ্ধিৰ পদ্ধতি। স্নেচৰ সন্দৰ্ভত বুজিব যে সকাম, পূজা, সেৱা, ধৰ্ম-কৰ্ম, সবাহসমূহ (Rites and Rituals- sacred rites) ৰ আনুষ্ঠানিক ব্যৱস্থা শিষ্টাচাৰ পালন কৰাৰ শাৰীৰিক আৰু মানসিক যোগাভ্যাস (একান্ত আৰু নিষ্কাম সাধনা) ব্যৱস্থা। এনে প্ৰেক্ষাপটতে যোগী, যোগ-সাধক, মহান, মহামানৱ, মহৎ, মহাপুৰুষ সকললৈ মনত পৰে, যিসকলক কোনো ভাষা, ধৰ্ম, বৰ্ণ, জাতি-জনজাতি, উচ্চ-নীচ আদি সীমাৰেখাই আবদ্ধ কৰি ৰাখিব নোৱাৰে। গাঁৱৰ শিশুৱে মুক্তমনে উলংগ হৈ ঘূৰি ফুৰাৰ দৰে ব্ৰহ্মাণ্ড পৰিধিত মানৱ মুক্তিৰ বাবে জীৱন ত্যাগ কৰে এইসকলে। যেনে— মুখত ৰাম, হৃদয়ত ৰূপ; এয়া সগুণৰ পৰা নিৰ্গুণলৈ, বিকাৰৰ পৰা বিকাৰহীনলৈ যোৱাৰ মনাত্মাৰ উত্তৰণ স্বৰূপ।

সেয়ে চাওক, এনে মানুহ আছে যিয়ে আমাৰ দৰে লগ লাগিলে যি আলোচনাৰ পাতনি মেলিব তাত ঘৰৰ চাৰিবেৰৰ ভিতৰতে মোখনিও পৰিব। আৰু লগতে নিজৰ পৰা আনৰ দূৰত্ব ঢুকিব নোৱাৰাকৈ বাঢ়ি যাব। আমি বাৰু এতিয়া নিজৰ কথালৈ আহোঁ। অৰ্থাৎ বাহিৰৰ পৰা ঘৰ সোমাওঁ।

চৌধুৰী ঃ ইমান দিনে আমিতো, 'হেৰি শুনক, হেৰি আহক, হেৰি কাইলৈ লগ লাগিম দিয়ক' বুলি কৈয়েই আৰম্ভ কৰো আলোচনাৰ আৰু অন্ত পেলাওঁ।

আমাৰ আৰম্ভণি আৰু সামৰণি পৰিচয়হীন হৈয়েই শেষ হয়।

বাৰু! মোৰ নাম গিৰীন্দ্ৰ চৌধুৰী, মানুহে মোক গিৰিন চৌধুৰী বুলি কয় আৰু চিঠিটো সেই নামেই লিখে; মই আপত্তি নকৰোঁ। শুধৰাই কৈ দিওঁ। মোৰ দুজন ল'ৰা আৰু দুজনী ছোৱালী। পত্নী আজি কেইবছৰমান আগতে ঢুকাইছে। দুই এডাল গছ যে বতাহত হালি মাটিত বাগৰি পৰি এফালৰ শিপা শুকাই ভিতৰখন ফোঁপোলা হৈ জীয়াই থাকে, মোৰ অৱস্থাও তদ্ৰূপ, কোনোৰকম সজীৱ হৈ আছোঁ ল'ৰা-ছোৱালীখিনিক মানুহ কৰি গঢ়াৰ মানসেৰে।

ল'ৰা দুজনে চাকৰি কৰে, ইঞ্জিনীয়াৰ— এজন জুনিয়ৰ আনজন ছিনিয়ৰ। ছোৱালী এজনী বি. এ., আনজনী এম. এ., বিয়া দিলোঁ। চাওক, মানুহে সততা, সমতা, নৈতিকতা আৰু মানৱতাক এক দুৰ্বলতা বুলি ভাবে; আনহাতে অমানুহেও এনে মানুহৰ ভাও ধৰে আৰু কিছুমানে কাৰোবাৰ ভয়ক ক্ষমতাৰ হাতিয়াৰ কৰি কাম আদায় কৰে। মোৰ সীমাভাগী জন শিক্ষিত ভদ্ৰলোক; অট্টালিকা, বিলাসী গাড়ীসহ এজন আধুনিক ভদ্ৰলোক। মোৰ ঘৰৰ পিচফালে সীমাৰ ভিতৰত তেওঁলোকৰ জাৱৰ-জোঁথৰ পেলোৱাই নহয়, শাক-পাচলিৰ অৱশিষ্ট আৰু মাছৰ বাকলি আদি সকলো ঘৰৰ আৱৰ্জনা নেদেখাকৈ পেলায়। তেওঁৰ গছৰ ডাল-পাতেৰে মোৰ ঘৰৰ পৰিৱেশ এন্ধাৰ হৈয়ে থাকে।

ল'ৰা-ছোৱালীহঁতে সদায় এই কথালৈ মোক আমনি কৰিছিল। কৈছিল, 'দেউতা, হুলক হুলেৰেহে উলিয়াব পাৰি'। মই, 'ভগৱানে দেখিব নহয়' বুলি কৈ, 'God sees the truth but waits' নামৰ ইংৰাজী গল্পটো কৈছিলোঁ। শেষত এদিন দেখিলোঁ অধৈৰ্য হৈ মোৰ অনুপস্থিতিত সেইদিনা পেলোৱা গোটেইখিনি আৱৰ্জনা উঠাই তেওঁৰ বাৰাণ্ডাৰ চিৰিত থৈ দিছিল। তৰ্কা-তৰ্কিত বহুত মানুহ গোট খাইছিল, যেতিয়া কাজিয়াৰ কাৰণ বুজিলে, দুই-এজনে চাই-চিতি দেখিলেও ইচ ইচ কৰি আঁতৰি সকলো গ'ল ঘৰাঘৰি। সেইদিনাৰ পৰাহে ওচৰ চুবুৰীয়াৰ লগত মোৰ যোগসূত্ৰ গাঢ় হৈ উঠিল আৰু ভদ্ৰলোকজনৰো জ্ঞানৰ চকু মেল খাইছিল। অ', ক'ব বৈ গ'ল, মোৰ অৱসৰ পোৱাৰ বেছি মাহ হোৱা নাই, এতিয়া পূৰা আলহী খাব পৰা আৰু মেল

মাৰিব পৰা হলোঁ।

বৰুৱা : হেৰি, আপোনাৰ ল'ৰাই অধৈৰ্য হৈ যিটো কাম কৰিলে তেনেকৈ এদিন শোষণ, নিৰ্যাতন, ধৰ্ষণৰো অন্ত পৰিব। কেনেকৈ সম্ভৱ হ'ব শুনক— মই সৰু থাকোঁতে শুনিছিলোঁ এখন গাঁৱত এজন দুৰ্দান্ত চোৰ আছিল। কোনোদিনেই ধৰাও নপৰে, সকলোকে কিন্তু জলা-কলা কৰে। এদিন মাজৰাতি এঘৰত সিন্ধি খান্দি সোমাল। বিধৱাজনী আৰু এজন কম বয়সৰ ল'ৰা, গিৰিয়েক ঢুকাইছে। বিধৱাজনী বৰ সাহসী আৰু চতুৰণী, লগতে বুদ্ধিমতীও। চোৰে ঘৰৰ বস্তুখিনি বাহিৰ কৰি তাইৰ চেইনডালত ধৰাৰ লগে লগে চেলু চাই তাই মূৰশিতানত থকা জলকীয়াৰ টেমাৰ পৰা এমুঠা আনি চকুৰ অনুমান কৰি ছটিয়াই দিলে। সি তমোময় দেখিলে। সি টলকিবই নোৱাৰিলে কি হৈ গ'ল। তাই চিঞৰ-বাখৰ কৰাত গাঁৱৰ মানুহ আহি ভৰি পৰিল। প্ৰথমে বলাৎকাৰ বুলি ভাবিছিল যদিও সিন্ধি দেখি সকলো কথা বুজিলে। ৰাইজে তাক উত্তম-মধ্যম সোঁধাই পুলিচত গোটাই দিব ওলোৱাত সি প্ৰতিজ্ঞা কৰিলে যে সি কোনো দিনে এনে কাম নকৰে। তেতিয়া এজন বয়সীয়া মানুহে তাক ক'লে যে মাটিত থু পেলাই জিভাৰে চেলেকিলেহে তাৰ কথাত বিশ্বাস কৰিব। সি তেনেকুৱাই কৰিলে। সেই দিন ধৰি সি ভাল মানুহৰ শাৰীত ভৰি দিলে।

এনেকৈয়ে এদিন অগ্নিৰ লেলিহান শিখা প্ৰজ্বলিত হৈ উঠিবলৈ ইন্ধনৰ অভাৱ নহ'ব। এহাতে সহনশীলতাৰ সীমা চেৰাই বিপ্লৱৰ অগনি জ্বলাই তুলিব আনহাতে মহাজাগতিক প্ৰকৃতিৰ সৃষ্টি শক্তিয়ে মহাকাল ৰূপ ধৰি এই চতুৰ বিধৱাজনীৰ দৰে সকলো দুষ্কাৰ্যৰ অন্ত পেলাব। এই ৰূপ সূক্ষ্ম সত্ত্বা আৰু স্থূল সত্ত্বা একাকাৰ হৈ মিলি যোৱা কালীৰ ৰূপ হ'ব। সমাজত বৰ লোকৰ ভেম লোৱা দুষ্ট লোকৰ নাথাকিব টিঘিলঘিলনি।

বাৰু, মোৰ নিজৰ কথালৈ আহোঁ। মোৰ নাম প্ৰণৱ বৰুৱা, কিন্তু বেছিভাগ মানুহে ভুলকৈ পবিন বৰুৱা বুলি চিঠিত লিখে। কাৰণ, সেই নামৰ মানুহ এজন সেই ঠাইত মানে আমাৰ গলিটোত জনজাত। নামটো শুদ্ধ কৰি কৈ দিও; খং নকৰোঁ— জানি-বুজিটো

ভুলকৈ নিলিখে। আপোনাৰ দৰে জাবৰ-জোঁথৰৰ সমস্যা নাই। কিন্তু পানীৰ আছে। বাংলাদেশৰ পৰা অহাদি সীমা চেৰাই আহে, ছেগ বুজি নেদেখাকৈ কুঁৱাৰ পানী তুলি লৈ যায়। মোৰ নিজৰেই পানীৰ অভাৱ, তৎসত্বেও একো ক'ব নোৱাৰোঁ, বেয়া লাগে। নোৱাৰোঁ মানে তাতে এটা কথা লুকাই আছে। টিঙৰ শব্দ শুনাৰ লগে লগে কম বুলি বৰ মানুহ হৈ যাওঁ আগবাঢ়ি; কাষত গৈ দেখাৰ লগে লগে কি হয় নাজানোঁ, দুষাৰ ভাল কথা সুধিহে বেজাৰটো মনত মুঠামাৰি লৈ আহোঁ। গৃহিণীয়ে সুধিলে কথাৰে আপোচ কৰি থওঁ।

ফাগুন-চ'ত মাহত মোৰ কুঁৱাৰ পানী তললৈ যায় সীমাৰ বেৰখনো ইফাল-সিফাল নেদেখাকৈ থিয় হয়। মোৰো নিজৰ বুজনিত কেনা লাগি যায়। গৃহিণীয়ে সুধিলে আপোচৰ সূত্ৰ হেৰায়। অ' ক'ব ৰৈ গৈছে, মোৰ ল'ৰা দুজন, ছোৱালী তিনিজনী। কি ক'ব আজিৰ যিটো সীমিত পৰিয়ালৰ ধাৰণা আগতে ইমান গা কৰি উঠা নাছিল। আমাৰ পিতৃপ্ৰধান পৰিয়াল হোৱা হেতু ল'ৰা নাথাকিলে পৰিয়ালৰ আন সদস্যকে ধৰি পিতৃ-মাতৃয়ে পতি-পত্নীৰ মন দুৰ্বল কৰিছিল। তাতে আকৌ আজিৰ দৰে অভাৱৰ তাড়নাই ইমান অতিষ্ঠকৈ তোলা নাছিল। হেৰ্ সেইদিনালৈকে যেন পৰিয়াল চলোৱাটো একো ডাঙৰ কথা নহয় বুলি ভবা হৈছিল। আজি হঠাতে অসম্ভৱ হিচাপে গণ্য কৰিবলৈ বাধ্য হৈ পৰিবলগা হ'ল। পিচে আমি ভুগিবলৈ ধৰিলোঁ, যি সকলে দুই এটাতে পৰিয়াল সীমিত কৰিলে বাচি গ'ল। আজিকালি বস্তুৰহে অভাৱ; মানুহৰ অভাৱ নাই। য'তে যায় ত'তে মানুহেই মানুহ। বহু ঘাত-প্ৰতিঘাত, অভাৱৰ তাড়নাৰ মাজতো কলঢোপ কলঢোপকৈ জীয়াই ৰাখে জীৱনটো।

কিন্তু তাতেই এটা জাতি, ভাষা সংস্কৃতি ৰক্ষাৰ আন্তঃগাঁথনিৰ কথা লুকাই থাকিল। কথাটো হ'ল যে এনে পৰিপ্ৰেক্ষিতত সকলো জাতি-জনগোষ্ঠীয়ে ভাষা-ধৰ্ম ভেদে পৰিয়াল সীমিতৰ এনে আঁচনি গ্ৰহণ নকৰিলে বা ঈশ্বৰৰ আশিস-আল্লাৰ দোহাই দি নিজৰ অভিপ্ৰায় লুকাই ৰাখিলে আৰু চৰকাৰো নীৰৱ দৰ্শক হ'লে গণতন্ত্ৰৰ সুযোগ লৈ সংখ্যালঘিষ্ঠই সংখ্যাগৰিষ্ঠ হৈ একহতীয়া ক্ষমতা হস্তান্তৰ কৰাৰ

সুবিধা প্ৰকট হৈ উঠিব। এনে সন্দৰ্ভতে অসমৰ থলুৱা জনগোষ্ঠীসমূহৰ জনসংখ্যা হ্ৰাস এটা লক্ষণীয় দিশ হৈ ধৰা পৰিছে, লগতে কৰ্ম তৎপৰতাহীনতাই ভৱিষ্যৎ ভয়াৱহতাৰ ইংগিত বহন কৰিছে। তাতে আকৌ আবাদি মাটি, চৰ, জলাশয়, বিলত প্ৰব্ৰজনে ভৰি পৰাও নিজৰ দুৰ্বলতাই যেন দুৰ্বলতাকহে আদৰি ল'বলৈ উঠি-পৰি লাগিছে। এনে দুৰ্বলতাৰ ভয়ে কাৰোবাৰ ক্ষমতা লভাৰ অস্ত্ৰ হৈ উঠিব। থলুৱাৰ ঐক্যতাৰ বলেৰেহে এই দুৰ্বলতাক যে জয় কৰিব পাৰিব এই কথা অনুভৱ কৰাৰ উৎকৃষ্ট সময় সমাগত।

হেৰি, আপোনাক এৰাই যোৱাৰ দৰে হ'ব; মোৰ ল'ৰা-ছোৱালীৰ চাকৰি নাই, ডাঙৰ ল'ৰাজনে ব্যৱসায় কৰে, সৰুজনে এম বি পঢ়ি আছে। ছোৱালীদুজনী বিয়া দিছোঁ, ইমানেই। মোৰ অৱসৰ পোৱাৰ এবছৰ হ'ল। আলহী খোৱাই নহয়, ধৰ্মালোচনী সভাৰ আড্ডা মাৰিব পৰাও হলোঁ।

চৌধুৰী ঃ আমি এতিয়া মূল কথালৈ আহোঁ?

বৰুৱা ঃ ঠিক আছে আহক, বৈ যোৱা কথাৰ পৰা আৰম্ভ কৰক।

চৌধুৰী ঃ কি কথাৰ পৰা এৰিছিলোঁ জানো?

বৰুৱা ঃ এই যে বস্তুৰহে অভাৱ, মানুহৰ অভাৱ নাই; এনে জনপূৰ্ণ আধুনিক সমাজখনত প্ৰকৃত মানুহ বিচৰাৰ কথা— যিসকলৰ সাধুতা, সততা আৰু আন্তৰিকতাক এক দুৰ্বলতা ভাবি শোষণ কৰে ধনী ব্যৱসায়ীয়ে; এনে হলা গছতে সকলোৱে বাগি কুঠাৰ মাৰে। অথচ এইখিনি মানুহেই প্ৰকৃতাৰ্থত দেশখন ধৰি ৰাখিছে। যেনে ধৰক প্ৰকৃত ৰাজনীতিবিদে প্ৰজাৰ ভালেই কৰিব বিচাৰে, কূটনীতি বিদ্বেষে সকলোতে আউল লগায়, বিভেদৰ বীজ সিঁচি উদ্দেশ্য সিদ্ধি কৰে।

চৌধুৰী ঃ এইখিনি সহৃদয়তা অনুভৱ কৰিব পৰা মানুহ!

বৰুৱা ঃ ৰ'ব মোৰ মনত পৰিছে ল'ৰালি কালৰ কথা। জানেই নহয়, তাহানিৰ গাঁৱৰ মানুহৰ সৰলতা, সত্যবাদিতা, সুখে-দুখে সমভাগী হোৱাৰ প্ৰৱণতা আৰু কাৰোবাৰ বেমাৰ-আজাৰ হ'লে খা-খবৰ লোৱা মানুহ মৌৰ বাঁহৰ মৌ যেন দুৱাৰমুখত থূপ লাগে। ডাক্তৰ, কবিৰাজ আহিলে জোৰ কৰি আঁতৰ কৰিবলগা হয়। চিকিৎসক অহা জীপ গাড়ী এখন

গ'লে পিচে পিচে দৌৰে ল'ৰা-ছোৱালীৰ জাক। তাতে আকৌ গাড়ী নহ'লে বা বাইচাইকেলো নাথাকিলে ৰাস্তাত খাল খান্দি যখিনী চপা লোকৰ কাৰণে কান্ধত তুলি চিকিৎসকক আনিব লগা হয়।

এনে দিশত মোৰ দেউতাৰেই কথা এটা কওঁ— আমি সৰু থাকোঁতে দেউতাক 'পিতি' আৰু পিচত 'পিতা' সম্বোধন কৰিছিলোঁ। আজিৰ দৰে 'দাদ', 'পাপা', 'বাবা' আদি নহয়। অৱশ্যে অসমীয়া আঢ্যৱন্ত তথা প্ৰকৃত অসমীয়া মনোভাবাপন্ন বা আনকি ব্ৰিটিছৰ তলত কাম কৰা সকলৰো একে ধৰণেৰে সম্বোধন আছিল। এই ভদ্ৰলোক শ্ৰেণীটোৱে পিতা, দেউতা আৰু সৰুলোকে বৰলোকক দেউতা সম্বোধনেৰে সন্মান জনাইছিল। দেশভক্ত তৰুণৰাম ফুকনক এই ব্যৱহাৰ প্ৰায় ভাগ মানুহেই কৰিছিল বুলি শুনিছিলোঁ। আজিও বহুতে এই সম্বোধনেৰে নিজৰ অতীত ঐতিহ্যক জীয়াই ৰাখিব বিচাৰিছে। অন্যথাই নিজক নিজে চিনি নোপোৱাৰ দৰে 'মই কোন' বুলি যাতে প্ৰশ্নৰ অৱতাৰণা কৰিব লগা নহয় বা মোৰ ধৰ্ম কি, ভাষা কি, জাতি কি বুলি হাহাকাৰ কৰিবলগা নহয়গৈ এটা সময়ত। এৰি অহা চনপৰা বৰি-মাটিত যাতে অতীত বিচাৰি হাবাথুৰি খাবলগা নহয়। নিজৰ কথাত সোমালোঁ, বেয়া নাভাবিব।

চৌধুৰী : কি কয়হে, নিজৰ মাজত দহক বিচাৰি পোৱাটো এক উদাৰতাৰেই কথা, ইয়ো এক মানৱতাৰেই স্বৰূপ। আপুনিয়েই দেখোন কথাৰ মহলাত ঘূৰাই থাকে মানৱতা-জীৱন উঘা-চেৰেকিৰ সূঁতা পকাই।

বৰুৱা : বাৰু শুনক তেনেহ'লে— পিতাৰ এজন বন্ধু আছিল, একে গাঁৱৰে, চুবুৰী বেলেগ, গোসাঁই মানুহ। দুয়োৰে বন্ধুত্বৰ এনাজৰীডাল ইমানেই শক্তিশালী আছিল যে দুয়োকো গাঁৱৰ মানুহে 'কৃষ্ণাৰ্জুন' বুলি ধেমালি কৰিছিল। কিয়নো কৃষ্ণ য'ত অৰ্জুন ত'ত। শাৰীৰিক অৱয়ৱ আৰু দেখনিয়াৰৰ ফালৰ পৰাও যেন স্বয়ং কৃষ্ণ-অৰ্জুনহে। সেয়েহে ভাবোঁ কৃষ্ণ স্বয়ং ভগৱান, কিন্তু অৰ্জুনৰ Friend, philosopher and Guide. অৰ্থাৎ আন্তৰিকতা, অন্তৰংগ বন্ধুত্ব আৰু আত্মিক বান্ধোন ইমান শক্তিশালী যেন স্থূল আৰু সূক্ষ্ম দুয়োটাতে এক হৈ নিবিড় আত্মিক সম্পৰ্ক ৰক্ষা কৰি চলিছিল উভয়ে। এটা অবিহনে আনটো অৰ্থহীন।

স্থূলক আশ্ৰয় কৰি সূক্ষ্ম থাকে।

চাওক, নৈসৰ্গিক উপলব্ধিত প্ৰকৃতিৰ স্বৰূপ যেনেকৈ ধৰা পৰে, এনে আত্মিক বান্ধোনত ঈশ্বৰৰ স্ব-ৰূপৰ মাহাত্ম্য প্ৰতিভাত হয়। এই মাহাত্ম্যক মহাজাগতিক শক্তি মৰ্মে বিশ্বৰূপত দৰ্শন হয় বা আত্মদৰ্শনত বিশ্বৰূপ প্ৰতিভাত হয়। কৃষ্ণই অৰ্জুনক বিশ্বৰূপ দৰ্শন কৰাৰ এয়ে তাৎপৰ্য। চিডি বা পেন ড্ৰাইভত এৰোখন চিনেমা বা এৰোখন ডাঙৰ গ্ৰন্থ কম্পিউটাৰৰ পৰা তুলি ৰখাৰ দৰে। এনে আধ্যাত্মিক দৰ্শন সাৰোগত কৰিয়েই শিক্ষক-ছাত্ৰ-ছাত্ৰীৰ মাজত সমন্বয়ৰ পবিত্ৰ এনাজৰীডাল শক্তিশালী কৰাৰ হেতুকে Friend. Philosopher and Guide সম্বোধনটো ব্যৱহাৰ কৰা হৈছে। পিতাক মানুহে, 'মেনেজাৰ বাবু' বুলি সম্বোধন কৰিছিল। অৱশ্যে সেইদিনত হাইস্কুলৰ প্ৰধান শিক্ষকক হেডমাষ্টৰ বাবু আৰু এল পি স্কুলৰ প্ৰধান শিক্ষকক হেড পণ্ডিত বাবু বুলিছিল। ইংৰাজ চাহাবক কৰা সম্বোধন তথা চাহ বাগিচাৰ বিষয়াক বিশেষভাৱে বুজাবৰ বাবে ব্যৱহাৰ কৰা 'বাবু' সম্বোধনটো পৰ্যায়ক্ৰমে নামি আহি প্ৰয়োজন অনুসৰি ব্যৱহাৰ কৰা দেখা গৈছে। কিন্তু পিতাক কিয় মেনেজাৰ বাবু বুলিছিল পিচতহে বুজিবলৈ সক্ষম হৈছিলোঁ।

পিতাই হেনো যাত্ৰা পাৰ্টি মেনেজ কৰিছিল, নাম আছিল খুলিয়া পাৰ্টি বা খুলিয়া দল। আজিকালিৰ দৰে যাত্ৰাভিনয় বা থিয়েটাৰ নাছিল। নাটকৰ কাহিনীও আছিল হয়তো বুৰঞ্জীমূলক নহ'লে ধৰ্মীয় ৰামায়ণ-মহাভাৰতৰ কাহিনী। সামাজিক কাহিনী প্ৰায় নাছিলেই। মানুহে বা দৰ্শক-শ্ৰোতাই আমোদো নাপাইছিল। ল'ৰা-পুৰুষেহে, ৰাজকুঁৱৰী, ৰাণীৰ চৰিত্ৰ বা ছোৱালী-তিৰোতাৰ চৰিত্ৰ অভিনয় কৰিছিল। পোছাক পৰিধান, সময়মতে মঞ্চত উপৰিষ্ট হোৱা, মঞ্চত চকি-মেজ যোগান ধৰা, কনচাৰ্ট পাৰ্টিৰ বাদ্যযন্ত্ৰকে ধৰি নানা ধৰণৰ আহিলাৰ যোগান তথা প্ৰস্তুতিৰ পৰিপ্ৰেক্ষিতত সঘনাই কিছুমান দুৰ্বলতাই দেখা দিছিল। ইয়ে হাঁহিৰ খোৰাক যোগাইছিল দৰ্শকক। এনেদৰে গান-বাজনাৰ বাদ্যযন্ত্ৰ যোগাৰ কৰাৰ পৰা আৰম্ভ কৰি নাটক আৰম্ভ কৰালৈকে এইখিনি সময়ত ধানখেৰ, ধানৰ নাৰী আদিৰ লাড়ু কৰি মঞ্চত

দলিয়াইছিল। মঞ্চ এই লাডুৰে ভৰি পৰিছিল। নাটক আৰম্ভ নহয়হে নহয়, জাক জাক হাই-উৰুমি চিএঞৰ-বাখৰ।

পিতাৰ ৰঙা চকু আৰু খং দেখি যিমান ভয় খাইছিলোঁ, পিচলৈ সিমানেই শ্ৰদ্ধা ওপজিছিল। পিতাৰ আদৰ্শই যেন মোক আজিও অনুপ্ৰাণিত কৰি আছে। মহাত্মা গান্ধীয়ে কোৱা Development of body, mind and soul ৰ ক্ষেত্ৰত পূৰ্ণ প্ৰয়োগ যেন পিতাইয়ো প্ৰতিফলিত কৰিছিল। লগতে Project method ত কোৱা Dewey ৰ, 'Education is a process of living through continuous re-construction of experience' প্ৰয়োগ হৈছিল। পিতাৰ ক্ষেত্ৰত ভাব হয় পিতাই নকৰিছিল কি? আজিৰ দৰে শিক্ষা-দীক্ষা থকাৰ দিনত হোৱা হ'লে?

চাওক, পিতা একেৰাহে উন্নত কৃষক, কবিৰাজ, জৰাফুকা ওজা, চিকিৎসক— যেনে শৌচ কৰি কৰি চেঁচা পৰি যোৱা ৰোগী, শৌচ নহৈ পেটফুলি যোৱা ৰোগী, গৰ্ভৱতী নাৰীৰ চিকিৎসা, বিহ-বেদনাত ভোগা ৰোগীৰ কবিৰাজি ঔষধ প্ৰয়োগ কৰি তথা পৰিৱেশ বুজি মন্ত্ৰ-তন্ত্ৰ হ'লেও পাঠ কৰি ৰোগীক আৰোগ্য কৰিছিল। এনে গাঁৱলীয়া চিকিৎসাৰ চিকিৎসক, খুলিয়াৰ মেনেজাৰ (ডেকা বয়সত), এল পি, হাইস্কুল স্থাপনৰ সভাপতি, স্বাধীনতা আন্দেলনৰ নীৰৱ কৰ্মী তথা পিচলৈ ৰাজনীতিৰ পৰিপ্ৰেক্ষিতত গাঁও পঞ্চায়তৰ সভাপতি, শ্ৰমিক বাহিনীৰ ঠিকাদাৰ আৰু নাগাৰা নামৰ তালবাদক।

এনে দিশতে স্মৰ্তব্য যে পিতা সাহসী, অতি কষ্ট সহিষ্ণু, মানসিক উদ্যমী, সত্যবাদী, নীতি পৰায়ণ আৰু মানৱতাবাদী পুৰুষ আছিল। সবাতোকৈ লক্ষণীয় দিশ আছিল মনোবল। সৎ নীতিত স্থাপিত যি কাম কৰিম বুলি কৈছিল তাক পূৰ্ণ নকৰালৈ ক্ষান্ত নাছিল। নিজৰ ক্ষয়-ক্ষতিৰ কথা ভবাৰ অৱকাশ নাছিল। মন কৰিবলগীয়া কথা এইয়ে যে এই মানুহজনেই ছাত্ৰ অৱস্থাত (আনৰ পৰা শুনামতে) উপযুক্ত পৰিৱেশৰ অভাৱত স্কুলত গৈ গছত উঠি থাকি, কেতিয়াবা লগৰ ল'ৰাৰ লগত দিনভৰ খেলা খেলি সময় কটোৱাৰ বাবে পঞ্চম শ্ৰেণীত পঢ়া বন্ধ কৰি অতি সম্ভাৱনাপূৰ্ণ শিক্ষা জীৱনৰ অন্ত পেলাইছিল।

ভাৰতৰ স্বাধীনতা আন্দোলনৰ পৰিপ্ৰেক্ষিতত যিসকল ৰাজনীতিবিদৰ সান্নিধ্য লাভ কৰিছিল সেইসবৰ মনত পৰিলে আজিও মূৰ দো খাই যায়। দুখ লাগে, নিজৰ প্ৰতি হেয় ভাব আহে শিক্ষিত হৈ, আধুনিক বা-বতাহ লৈ, সভ্যতাৰ পোহৰ দেখি, আমিনো সমাজৰ বাবে কৰিলোঁ কি? অবিহণা যোগোৱাটো দূৰৰ কথা আমি সঁচা হ'বলৈয়ে পাহৰি গ'লো, সৎ-অসৎ ভাবৰ আঁত বিচাৰোঁতেই যেন লোভে সকলো খেলিমেলি কৰি দিলে; সু-দিহা-কু-দিহাৰ বাট দেখুৱাই দিয়া দুজনৰ কোনজন আপোন বুজিবলৈ যেন টান পাওঁ।

চৌধুৰী : বাৰু! জীৱন কৰ্ম আৰু সুখ-দুখ সম্পৰ্কে কেনে ধাৰণা পোষণ কৰিছিল।

বৰুৱা : এই যে আমি সময়ৰ প্ৰত্যাহ্বানত জীৱন, কৰ্ম আৰু সুখ-দুখ সম্পৰ্কে আলোচনা কৰি আহিছোঁ, এনে দিশত পিতাৰ ক্ষেত্ৰত দুখ বুলি কোনো অনুভূতিয়ে মনত চাপ বহুওৱা নেদেখিলোঁ। মোৰ ডাঙৰ ভাইজনৰ মৃত্যুত মাত্ৰ এষাৰ কথাই শুনিছিলোঁ, মানুহে খবৰ লওঁতে কৈছিল, 'কি কৰিব ভগৱানৰ ইচ্ছা, মন আৰু দুহাতেৰে বান্ধি ৰাখিব পৰা খিনিহে আমাৰ নিজৰ।' কিন্তু মাৰ হিয়াভগা কান্দোনত আকাশ, বতাহ কঁপি উঠিছিল। আজিও ৰিণি ৰিণি যেন বাজে কাণত সেই কান্ধোনৰ হিয়াভগা ধ্বনি।

অ', পিতাই উপদেশমৰ্মে কোৱা কথা এটা উল্লেখ নকৰিলে মোৰ মনৰ খু-দুৱনি নমৰিব। এইটোৱে মোৰ মনত অনুৰণন তুলি আছে। 'বাপা, পৰীক্ষাত ফেল কৰাটো লাজৰ কথা নহয়, লাজৰ কথা হ'ল পাছ কৰাৰ কাৰণে আশাৰ তাড়না পুহি ৰাখি মন আৰু ইচ্ছাক জাগ্ৰত কৰি কৰ্ম আগবঢ়াই নিব নোৱাৰাটো— চোৱা বাপা, কৰ্মৰ ফাঁকে ফাঁকে জীৱনটো জাৰি-জোকাৰি পোৱা নোপোৱাৰ হিচাপ কৰি শূন্য হোৱাৰ পিচতো ঠেকি ঠেকি শিকি জীৱন যুঁজ কৰিব পৰাটোতহে থাকে গৌৰৱ। কাৰণ পোৱাৰ পিচত জীৱন বিচাৰি যোৱা বাটটো নেদেখা হয়। প্ৰাপ্তিৰ বাবে কৰা চেষ্টাই জীৱনৰ গতি। হিংসা, ঠাট্টা, বিদ্ৰূপৰ পাত্ৰ হ'ব পৰাটোত লুকাই থাকে অনুপ্ৰেৰণা; তেনেকৈ খুজি কিবা পোৱাতকৈ কটু কথা শুনি উভতি অহাৰ বাটত

মনৰ আঁত ধৰে উৎসাহ-উদ্যমে। এই সাফল্যৰ আশাৰ লগত থাকে চেষ্টা। চেষ্টাই হাতদুখন নিপুণৰ পৰা সুনিপুণলৈ লৈ যায় জীৱন শিল্প কলাত।'

পিতাৰ কথা আৰু কামৰ মাজত মিল আছিল। কৰ্ম ব্যস্ততাৰ মাজত নিজক আৱিষ্কাৰ কৰিব পাৰিছিল। স্কুল-কলেজৰ ৰুটিনত লেজাৰৰ বাহিৰে ক্লাচৰ মাজত সময়ৰ ফাঁক নাই; বিশেষকৈ স্কুলৰ, তেনেকৈ পিতাৰ কৰ্ম বিভিন্নতাৰ মাজতো সময়ৰ ফাঁক বা ব্যৱধান নাছিল। সুখ-দুখ তুলাচনীত ওজন কৰাটো নেদেখিলোঁৱেই। তাৰোপৰি কৰ্মত কি লোকচান হ'ল বা কি লাভ নহ'ল সেই কথাত মূৰ ঘমোৱা নাইবা কাৰোবাক কোৱা অৱগত নহ'ল। পদ্ধতিমূলক সত্য, নিষ্ঠা, কৰ্মতহে গুৰুত্ব আৰোপ কৰিছিল আৰু তাত কোনোবাই বাধা দিলেও কেৰেপ নকৰিছিল। অনুভৱ হয় পিতাই ব্যস্ততাৰ মাজত অনুপ্ৰেৰণাৰ মুকলিমুৰীয়া সংগ লাভ কৰিছিল। আমি যেন এনে মন আৰু কৰ্ম ব্যস্ততাৰ মাজত মিলন পাবলৈ বহুত বাকী। গৌৰৱ, অভিমানৰ শিকলিয়ে আমাক বান্ধি ৰাখে, আমি মুকলি হ'ব নোৱাৰোঁ। ডাঙৰ হোৱাৰ কাৰণে আমি যেন সৰু হ'ব নাজানোঁ। সৰু কথাত যে ডাঙৰ কথা লুকাই থাকে বুজি নাপাওঁ, কিন্তু সৰু-ডাঙৰৰ সমন্বয়তে সমাজৰ বান্ধোন গঢ়ি তোলা হৈছে। পিতাই যেন এই সমন্বয়ৰ সূত্ৰ মনতে গাঁঠি লৈছিল। তাৰোপৰি লক্ষ্য কৰিছিলোঁ পঢ়া ল'ৰা-ছোৱালীৰ বাদেও এলেহুৱাৰ, কৰ্মৰ প্ৰতি ধাউতি বঢ়োৱাৰ, দুৰ্বলীৰ হকে সৎ কথাত মাত মতাৰ, সততাক শ্ৰদ্ধা কৰিবলৈ উপদেশ দিয়া আৰু নীতিৰ হকে জঁপিয়াই পৰা এটা যেন গভীৰ দায়িত্ববোধ আছিল।

এনে সন্দৰ্ভতে ক'ব বিচৰা কথাটোলৈ আহোঁ। মোৰ ল'ৰালিৰ দিনত দেখিছিলোঁ নদীবোৰৰ মথাউৰি নাছিল। বাৰিষা পানীৰ ধল নামিলে নদীৰ দুয়োপাৰ বাগৰি বোকা-পলস এৰি দি পানী অলিয়ে গলিয়ে সাপৰ ফণা মেলি আগবাঢ়ি গৈছিল। খেতি পথাৰত এই বোকা-পলস তৰপে তৰপে লাগি ধৰি উৰ্বৰা কৰি তুলিছিল *শস্য ভূমি। খেতি-বাতি, মাছ-পুঠী সকলো আছিল উভৈনদী; হাঁহিৰে ফুল ফুলাই সুখ আছিল আমোলমোলাই।*

মথাউৰি হোৱাৰ লগে লগে পানীৰ ধল বাগৰি পৰা বন্ধ হ'ল। নদীৰ ধলৰ সোঁতত মথাউৰিৰ কোনো দুৰ্বল অংশ ভাগি গাওঁ-ভূঁই উটুৱাই নিছিল। চিনমোকাম নোহোৱা কৰিছিল কাৰো ঘৰ, বাৰী, বস্তি। এনেকৈ এবাৰ ডাঙৰ বানপানী হৈ গোসাঁই এঘৰৰ যৌথ দহ-বাৰজন পৰিয়ালৰ ঘৰখন পানীত ডুব যোৱাত পিতাই নিজৰ ঘৰত ৰাখি সম্পূৰ্ণ ভোজন সামগ্ৰী দিছিল; পানী নুশুকায়, পিতাৰো আনন্দ নুগুচয়। পিতাই মাছ-পুথী মাৰি আনি ভাই-ভাগিক দিছিল ভাগ ভাগ কৰি। কোনো এদিন কোনো এঘৰক দিব পাহৰিলে, মাক গালি-শপনি দিয়াই নহয়, নিজেও মাছৰ ব্যঞ্জন মুখত নিদিছিল, কৈছিল, 'ভায়ে নাপালে মইনো কেনেকৈ খাওঁ অকলে'।

ৰোগীক চিকিৎসা কৰাত এনেহেন অনুভৱ হৈছিল ঘৰখন যেন এখন চিকিৎসালয়হে— কৈছিলোঁ, 'মানুহৰ এই সেৱাৰ মাজেদি মই ঈশ্বৰৰ আশিস লাভ কৰিব বিচাৰোঁ। মই জানো ঈশ্বৰ স্বৰ্গত নাই, পাতালতো নাই, ঈশ্বৰ আছে মানুহৰ মাজত, প্ৰত্যেক জনৰে অন্তৰত'। চাওক, যি ঈশ্বৰ বিচাৰি আমি হাবাথুৰি খাইছোঁ, সেই ভগৱানক যেন পিতাই হিয়াৰ মাজত সাবটি ধৰি ৰাখিব পাৰিছিল।

চৌধুৰী ঃ এনে মানুহকেই বোলে কৰ্মবীৰ, মনবীৰ, মানব দৰদী, সহানুভূতিশীল, পবিত্ৰ হৃদয়ৰ প্ৰকৃত মানুহ। আগৰ দিনত এটা সময় প্ৰবাহো আছিল জীৱনটোক ধৰ্মৰ দৃষ্টিৰে চালিজাৰি চোৱাৰ; হেঁপাহ আছিল ধৰ্মৰ নামতে নিজক বিলাই দিয়াৰ, বা-বতাহ আছিল হাডে হিমজুৰে ধৰ্মীয় আৰু মানবীয়। কিন্তু আজিৰ সময় প্ৰবাহ হ'ল বাস্তৱ দৃষ্টিভংগীৰে জীৱনক চোৱাৰ প্ৰয়াস; এই প্ৰয়াস জীৱনটোত ভোগ কৰাৰ বাস্তৱ হেঁপাহ। এই জীৱন গ'লে দুনাই ঘূৰি নাহে।

বৰুৱা ঃ হ'ব, ধৰ্মীয় দিশতো বাস্তৱ আছে আৰু বাস্তৱ দিশতো ধৰ্ম আছে। এই ধৰ্ম মানে ঈশ্বৰৰ নামত অকল আত্মসমৰ্পণ বা আত্ম নিবেদন নহয় বা ব্ৰাহ্মণ্য ধৰ্মৰ নামত দ্বিধা, ভয়, সংকোচত লেউ-সেউ হৈ যোৱা নহয়। প্ৰকৃততে মানব সত্য প্ৰবাহৰ ধাৰাটো জীয়াই ৰখাই ধৰ্ম। এয়া সমাজ ৰক্ষাৰ সত্য, সমতা, ন্যায়-নীতিৰ ৰক্ষা কবচ। এনে মানৱতাৰ ৰক্ষা কবচটো হিয়াৰ পৰা আঁজুৰি পেলাই বাস্তৱ জীৱন

ভোগক সাৰথি কৰি গৌৰৱ অভিমানৰ ধ্বজা উৰুৱালে সমাজ নাথাকে; ছয় অনৰ্থই জীৱনটোক ধ্বংসৰ বাটলৈ টানি নিবলৈ সময় বেছি নালাগে।

আনহাতে আত্মসমৰ্পণৰ নামত ঈশ্বৰৰ ওচৰত সম্পূৰ্ণ সেও মানিলে বাস্তৱ জীৱনৰ সৃজনীমূলক প্ৰতিভা বিকাশত বাধাৰ লগতে তেজ-মঙহৰ ক্ৰিয়া সাপেক্ষে মনেন্দ্ৰিয়ৰ বাস্তৱ তৃপ্তি সম্ভৱ নহয়। নতুবা জীৱনটোক বিচাৰি যোৱাৰ নামত বাস্তৱ দৃষ্টিভংগীকে সাৰোগত কৰি অসূয়া কৰ্মৰ দ্বাৰা জীৱন ভোগ কৰিব বিচাৰিলে সমাজত ব্যভিচাৰহে বিস্তাৰিত কৰা হ'ব। যিটো আজি হ'বলৈ লৈছে।

ধৰ্মত ঈশ্বৰৰ নামত প্ৰকৃতিৰ আধ্যাত্মিক সত্ত্বা সোমাই আছে। আৰু বাস্তৱত জীৱন প্ৰৱাহৰ নামত মানৱ সত্যৰ চিৰন্তন প্ৰবাহ জড়িত হৈ আছে। এতিয়া চাওক, শব্দ আৰু সুৰ সমলয়ৰ জগখনক। শব্দটোত সুৰ দিলেহে হিয়াক চুই যায়; শব্দ বা ভাষাটো নাজানিলেও অবুজতে বুজনিৰ আনন্দ এটা হিয়াত জাগে। এয়া সুৰৰ মোহিনী নিৰাকাৰ ৰূপ। শব্দটো কিন্তু কিছুমান আঁচৰ সমষ্টিৰ বাস্তৱ ৰূপ। এই ৰূপেই জীৱনটোক ধৰি ৰাখে।

সুৰ-সমলয় মানে সুৰৰ ঢৌ লানি নিছিগাকৈ বাগৰি আহি শব্দটোৰ দৰে এক সমষ্টি হৈ থাকে তাল, মান, লয়, স্বৰ ধ্বনি, ঊৰ্ধ নিম্ন গতিৰ লগত আৰু এয়া শব্দই বুজোৱা জীৱন প্ৰবাহৰ বাস্তৱ ভাব, অনুভূতি, উপলব্ধি সাপেক্ষ। শব্দ হ'ল দেহ, সুৰ হ'ল মনৰ প্ৰবাহত স্বৰৰ প্ৰবাহৰ প্ৰভাৱ আৰু তাল-মান-লয় মনৰ সহচৰ ইন্দ্ৰিয়। ইয়ে বাস্তৱৰ লগত জড়িত মনেন্দ্ৰিয়ক জয় কৰে। এয়া শব্দ, সুৰৰ সমন্বয়ৰ মন মোহিনী সূত্ৰ। এৰাএৰি হ'লে কোনেও কাকো বিচাৰি পাব নোৱাৰে। এনেদৰেই হয় স্থূল প্ৰকৃতিৰ আশ্ৰয়ত সূক্ষ্ম ভগৱানৰ স্থিতি। স্থূল আৰু সূক্ষ্ম স্থিতিৰ নাই এৰাএৰি। শব্দ আৰু সুৰৰ যেন এয়া সমন্বয় সূত্ৰ।

চৌধুৰী ঃ অ', বুজিলোঁ এতিয়া, দেহত আত্মা হ'ল প্ৰাণ, থাকে বায়ুৰালয়ত। যেনেকৈ শব্দ হ'ল দেহ, সুৰ স্বৰৰ প্ৰাণ, থাকে হিয়াৰ তাল-মান-লয়ৰ আশ্ৰয়ত মনেন্দ্ৰিয়ৰ আলয়ত। এই গীতেই হ'ল জীৱন।

বৰুৱা ঃ এই জীৱনেই হ'ল সংস্কাৰমুখী সংস্কৃতিৱান জীৱন। পিতাই কোৱা শুনিছিলোঁ, 'বাপা, সংস্কাৰীজনেহে সংস্কৃতিৰ বাটত স্থিৰ হৈ খোজ পেলাব পাৰে। কাৰণ, এই বাটত খোজ পেলাবলৈ হ'লে সাধনা লাগিব। এই সাধনা নিৰ্ভৰ কৰে, সততা, সমতা, ন্যায়-নীতি, মৌলিকতা গুণসম্পন্ন ধৈৰ্যশীল আৰু কষ্টসহিষ্ণু ব্যক্তিৰ ওপৰত। এই গুণৰ অধিকাৰী হ'বলৈ সংস্কাৰ লাগে। কাৰণ, ভগৱানে এনে গুণসমূহকে উপস্থাপনা কৰে। সেয়ে, আত্মা নিৰপেক্ষ, উদাসীন; মানুহে ইন্দ্ৰিয়ৰ দ্বাৰাই দেহ সাপেক্ষে তেজ-মঙহৰ আৱশ্যকতাত জীৱন ভোগ কৰে এই নিৰপেক্ষতাৰে আত্ম মনক সংযোজিত কৰি।

চৌধুৰী ঃ এই যে কয়, মন কৰিলে চন হয়— While there is will, there is way. অৰ্থাৎ মন ইচ্ছাই দেহক সক্ৰিয় কৰে ইন্দ্ৰিয়ৰ সহায়ত, যেনে টেঙা দেখিলে জিভাৰ পানী ওলায়; টেঙা আছে গছত, আনিলে গছত উঠি চিঙি, এই টেঙা চিঙাটো হ'ল ক্ৰিয়া আৰু ইয়াক ইচ্ছাই ইন্দ্ৰিয় বশীভূত হৈ কৰিলে সক্ৰিয়। নহয়া জানো?

বৰুৱা ঃ হয়, সেই কাৰণেই কয়, কৰ্মহীনতা এক মানসিক ৰোগ, যেনেকৈ কোনো কাৰণ নোহোৱাকৈ মনটো বৈ থাকিব নোৱাৰে— বেয়া লাগি যায়— Idle brain is the devils workshop. কৰ্ম হাতত নাথাকিলে তেজ-মঙহ সাপেক্ষে দেহ আৰু মনেন্দ্ৰিয় নিষ্ক্ৰিয় হয়। এই নিষ্ক্ৰিয়তাই ৰোগক ইন্ধন যোগায়। এই ৰোগীৰ চিকিৎসা হ'ল কৰ্ম। কৰ্ম হাতত তুলি দিব পাৰিলে এই ৰোগীয়ে নিৰাময়ৰ বাটত খোজ দিবলৈ আৰম্ভ কৰে। গেষ্ট্ৰিক ৰোগত ভোগা আৰু আৰোগ্য হোৱাৰ বাটত উপযুক্ত খাদ্যৰ প্ৰয়োজনৰ দৰে।

চৌধুৰী ঃ এহ ৰ'ব! প্ৰকৃতিৰ সৎ, সমতা, সৃষ্টিকৰ্ম, ৰীতিৰ দৰে মানুহৰ কৰ্ম ৰীতিটো সৎ, সমতা আৰু ন্যায়-নীতি আছে। প্ৰকৃতিস্থ পৰমাত্মা পৰমশক্তিয়ে যি মাহাত্ম্য অৱগত কৰে সময়েহে প্ৰত্যক্ষ কৰিব পাৰে এনে কৰ্মৰ জৰিয়তে। এনে পৰম শক্তিৰ অধীন হৈয়ো মানুহে যেতিয়া ইয়াৰ বিপৰীতে কৰ্ম কৰে তাৰ ফল সময়েহে প্ৰক্ষেপ কৰে— আগতে নহয়। এই কৰ্মফলত আপোচৰ সূত্ৰ নাই, ভুগিবই লাগিব।

চাওক, ল'ৰা-ছোৱালীৰ সমানে ভাল হ'লে পিতৃ-মাতৃৰ

আনন্দ; তাৰে এজনৰ অবৰ্ণনীয় দুখৰ অৱস্থা হ'লে ভালৰ সুখতকৈ এই বেয়াৰ দুখে মনত গভীৰ চাপ পেলায়। সেয়েহে মানৱৰ মৌলিক নীতি প্ৰয়োগে পৰমাত্মাৰ মনে বিচৰা প্ৰীতি; এই প্ৰীতিয়েই সুখৰ বন্তি, হিয়াত থাকে অবিৰতভাৱে জ্বলি। এইটো মানুহক দেখুৱাই কৰা সুখৰ ভোগ নহয়, নাইবা মানুহ বা সমাজক দেখুৱাবলৈ হোৱা ডাঙৰ মানুহৰ সুখ নহয়, ই আত্মাৰ পবিত্ৰ সুখ। কোঠাৰ ভিতৰত জল্‌জল্‌-পট্‌পট্‌কৈ জ্বলি থকা এগছি উজ্বল বন্তি।

বৰুৱা ঃ ঠিকেই, প্ৰকৃততে দেহত যেনেকৈ মনৰ এক গুৰুত্বপূৰ্ণ সূক্ষ্ম স্থান আছে, পৰমাত্মাৰো জীৱৰ দেহত এই নিৰ্দিষ্ট সূক্ষ্ম স্থানত স্থিতি আছে। দুয়োটা স্থিতিৰ সমন্বয়ে হ'ল হৃদয়। মনক নিজৰ ত্ৰিগুণাত্মক (সত্ত্ব, ৰজঃ, তমঃ) অভিব্যক্তিৰ কাৰণে পঞ্চভূতযুক্ত দেহাত্মাৰ আৱশ্যক। দেহ, মন এক; সেয়ে মন শৰীৰ অবিহনে অনৰ্থক, শৰীৰ মন অবিহনে নিৰৰ্থক। ইন্দ্ৰিয়সমূহক অৰ্থপূৰ্ণ কৰিবলৈ হ'লে মনৰ প্ৰয়োজন। মন হ'লেহে জ্ঞানেন্দ্ৰিয়ই (Sense perception i.e. the ability of sense to perceive natural understanding) বহিৰ্জগতৰ পৰা পঞ্চেন্দ্ৰিয়ৰ প্ৰকৃতিগত শক্তিৰ দ্বাৰা জ্ঞান সংগ্ৰহ কৰিব পাৰে— Knowledge received from outside world through five senses i. e. sight, hearing, feeling, tasting and smelling. এনে ইন্দ্ৰিয়ৰ দ্বাৰা (যেনে— গমৰ-ঠাণ্ডাৰ অনুভূতি) জ্ঞান প্ৰাপ্ত হোৱাৰ পিচত ভাল-বেয়া, গ্ৰহণ কৰিব লগা নলগাৰ বিচাৰ বিবেকৰ আদেশত মনে কৰে। শেষত কৰ্মেন্দ্ৰিয়ৰ দ্বাৰা কামটো সম্পন্ন কৰা হয়। এনে বিচাৰকাৰ্যৰ বাবে মনক অভয়েন্দ্ৰিয় বোলা হয়।

চৌধুৰী ঃ ৰ'ব, মোৰ এটা কথা মনত পৰিছে। এদিন এজন মানুহে মোক দোষাৰোপ কৰিলে, মই হেনো তেওঁক দেখিও নেদেখাৰ ভাও জুৰি অৱজ্ঞা কৰিছোঁ। প্ৰকৃততে মানুহজন মোৰ কাষেৰে দেখাকৈ গৈছে যদিও মই গম নাপালোঁ— জ্ঞাত নহ'ল। এইটো কিয় হয় বাৰু।

বৰুৱা ঃ চাওক, যেতিয়া মানুহজন আপোনাৰ কাষেৰে পাৰ হৈ গৈছিল, সেইসময়ত আপোনাৰ মন কোনো কথা, ধাৰণা, চিন্তা বা কামত ব্যস্ত আছিল। মনে এটা সময়ত এটা কামহে গ্ৰহণ কৰিবলৈ সমৰ্থ হয়। সুখ-

দুখ যি ধাৰণা কৰে সেই ভূত ইন্দ্ৰিয়ই হ'ল মন। শুনিছোঁ আয়ুৰ্বেদত মনক দ্ৰব্যৰ দৰে গণ্য কৰে; অৰ্থাৎ দ্ৰব্যৰ যি লক্ষণ মনৰো একে। মন অচেতন যদিও আত্মাৰ চেতনাৰ দ্বাৰা চৈতন্যপ্ৰাপ্ত হয়।

চৌধুৰী ঃ ধৰক, মই এটা ইচ্ছা পূৰণ কৰিব বিচাৰোঁ, তেতিয়া?

বৰুৱা ঃ তেতিয়া ইচ্ছাটো মনত জাগ্ৰত হ'ব লাগিব। মন সম্পৰ্কে গীতাত কৈছে—

ইন্দ্ৰিয় গণৰ মই বেগৱন্ত মন।
প্ৰাণীৰ দেহত হওঁ চৈতন্য প্ৰধান।।

ইচ্ছাটো মনত জাগ্ৰত হ'ব লাগিলে দেহত ক্ৰিয়া ৰূপত প্ৰকট হ'ব লাগিব। দেহৰ লগত থকা মনৰ (চকু, কাণ, নাক, জিভা আৰু স্পৰ্শ) সম্বন্ধই জ্ঞানেন্দ্ৰিয়ক প্ৰভাৱিত কৰিব। তেতিয়া লগে লগে মনত ইয়াৰ বুজনিৰ জৰিয়তে (Understanding) জ্ঞাত হ'ব। ইচ্ছা-মন জাগ্ৰত হ'লে কামটো সিদ্ধি হ'ব, মনত অনাবিল শান্তি আহিব। এই যে শান্তি ব্যাহত হোৱা কথাটো ভাবিলে— ভাবিব লাগিব যে প্ৰকৃত সত্য কথাটো, লগতে ইয়াৰ আশ্ৰয়ত থকা পৰমাত্মা সত্য কথাটো। উভয় সত্যৰ সমন্বয়তে জীৱ সত্যৰ পৰিপ্ৰেক্ষিতত মানৱ সত্য ওলাই পৰে। এই মানৱ সত্য পথৰ পৰা বিচলিত হ'লে মানুহে শান্তি নাপায়। চাওক, টকাৰ কাৰণে আজিকালি মানুহে যিকোনো কামেই কৰিব বিচাৰে। কিন্তু শেষটো জীৱন সিদ্ধ নহয়। এনেকৈয়ে ধন-দৌলত, মাটি-বাৰী, মান-সন্মান ক'ত পায় বিচাৰি অৰঙে-দৰঙে ঘূৰে, দেশ-বিদেশ মাৰে, ক'তো হ'লে একো নিমিলে; যি আছিল সেয়ে হাতত থাকে। সংস্কৃত শ্লোকৰ সেই টেকেলিৰে পানী অনা কথাটোই হৈ পৰে— সাগৰৰ পৰা আৰু খালৰ পৰা একেই পৰিমাণৰ টেকেলিৰ পানী। মহাত্মা গান্ধীয়ে কৈছিল, 'সত্যক জানিবলৈ চেষ্টা কৰা, ই তোমাক মুক্তি দিব।' এয়া ভোকত ভাত, পিয়াহত পানী পিয়া প্ৰাণীৰ যি প্ৰকৃতি সেয়ে সত্য, এই সত্যৰ আলমত মানৱ সত্য কথাৰ পৰা বিচলিত হ'লে মনে কষ্ট পায়। পঞ্চেন্দ্ৰিয়ৰ প্ৰবৃতিত সেয়া ফাঁকি নচলে।

এনে মানৱ সত্য পথৰ পৰা বিচলিত হোৱা এচামৰ কৃত্ৰিম আৰু ভুৱা কথাৰ সন্দৰ্ভত মোৰ মনত আন এটা কথাই গল দিলেহি।

চাওক, কিছুমান শিশুৱে জন্মতে কিছুমান অস্বাভাৱিক স্বভাৱ বা প্ৰবৃত্তি লৈ জন্মগ্ৰহণ কৰে। ইয়ে বহুতৰ পাৰ্থিৱ ক্ষতিও কৰে। এই অসামাজিক আচৰণক মানুহে বেয়াকৈ সমালোচনা কৰে। কিন্তু ইয়াৰ অন্তৰালত থকা অসাধাৰণ প্ৰতিভা তথা মুক্ত প্ৰকৃতিগত আচৰণ বুজিব নোৱাৰে। ধৰ্মীয়ই হওক বা বৈজ্ঞানিকেই হওক বা আনকি শিল্প কলা সুলভ সাহিত্যিক-সাংস্কৃতিকেই হওক অদ্ভুত আচৰণ হিচাপে গণ্য কৰে।

এই শিশু বা ল'ৰা সদায় প্ৰকৃত মানৱ সত্যৰ বাটতে খোজ দি গৈ থাকে। সত্যত বাদে কৃত্ৰিম বা ভুৱা কথা আচৰণক সহ্য নকৰে। এক প্ৰকাৰ তোষামোদক ঘৃণা কৰে। কিন্তু পৰ্যায়ক্ৰমে বয়স অনুসাৰে এটা দুটাকৈ কৰ্মৰ মাজেৰে অসাধাৰণ ব্যুৎপত্তিৰ আভাস ওলাই পৰে। ব্যাসদেৱে কৃষ্ণৰ অলৌকিক শক্তি প্ৰকট কৰি দেখুৱাৰ দৰে। নিজ মনৰ গতিত মুক্ত পৰিৱেশৰ বাতাৱৰণৰ ধৰণত কাম কৰি গৈ থাকে। দেখাত এই শিশু বা ল'ৰাক সংস্কাৰহীন যেন লাগে, কিন্তু প্ৰকৃত সংস্কাৰী পুৰুষৰ মিচন লৈ পূৰ্ণ কৰাৰ উদ্দেশ্যৰে আগবাঢ়ে প্ৰকৃত মানৱীয় উদ্যমেৰে। মিছাৰ মাজত চলি থকা মানুহজনে প্ৰকৃত সত্য কথাটো যেনেকৈ আভুৱা অনুভৱ কৰে এই অসাধাৰণ শিশুৰ কথাও একে। এনে সৎ উদ্দেশ্যত হেঙাৰ হ'লে মনে কষ্ট পায়। এনে সত্য স্থাপিত কৰাৰ বাটত কোনো শক্তিৰ লগতে আপোচ নকৰে। আইনষ্টাইন, ডাৰউইন, মাৰ্কনী আদিৰ কথা এনে পৰিপ্ৰেক্ষিততে উল্লেখ কৰিব পাৰি।

চৌধুৰী ঃ মন আৰু ইন্দ্ৰিয়ৰ বাস্তৱ সত্য কথাৰ প্ৰসংগটো ৰৈ গ'ল নেকি?

বৰুৱা ঃ অ' ৰ'ব, এটা উদাহৰণ কওঁ—

বাছষ্টেণ্ডত এজন সৰু ল'ৰাই মাকক হাতত ধৰি গৈ আছে। তাৰ ওচৰত সমনীয়া ল'ৰা এজন চকুত পৰিল। সি কমলাটেঙা খাই আছে, দুই ওঁঠৰ চেপাৰে ৰস বন্ধ কৰি ৰাখিব পৰা নাই; দুই গালেৰে বাগৰি মাটিত পৰিছেহি। ল'ৰাজন থমকি ৰ'ল, মাকে বুজি পাই টানি লৈ গ'ল। তাৰ টেঙা খোৱাৰ ভাব জাগ্ৰত হৈ ৰৈ গ'ল। কিন্তু সি মাকক আবেদন কৰিও যে ফল নাপায় সেই কথা বুজি পাই মনতে

লিখা দৰ্খাস্তখন হিয়াৰ জেপতে সাঁচি থ'লে।

মাজৰাতি টোপনিত সাৰ পাই সেই কথাটোই মনত ভাঁহি উঠাত মাকক মনত পেলাই দিলে— 'মা ল'ৰাজনৰ মুখেৰে কমলা টেঙাৰ ৰস বাগৰি পৰিছে নহয়, তুমি দেখিছিলা?' মাকে মনত বৰ কষ্ট পালে আৰু ল'ৰাজনৰো টেঙা খোৱা হেঁপাহ পলুৱাব নোৱাৰা কষ্ট হৈ বৈ গ'ল মনত। এয়া অভাৱ হিচাপে বৈ গ'ল। অভয়েন্দ্ৰিয় সদায় সজাগ হৈ থাকিব অভাৱ পূৰণৰ বাবে।

চৌধুৰী ঃ অ', সেইকাৰণেই গৰ্ভৱতী নাৰীৰ কোনো ধৰণৰ ইচ্ছাকে অপূৰণ হৈ থাকিব নিদিয়ে। পেটৰ সন্তানক বিক্ৰিয়া কৰাৰ পৰা বিৰত ৰখাৰ চেষ্টা। আনহাতে মাকৰ পৰিৱেশৰ জৰিয়তেও গৰ্ভস্থ সন্তানে বৃদ্ধিৰ শক্তি গ্ৰহণ কৰে; পিতৃৰ ঔৰসত মাতৃৰ তেজ-মঙহৰ একস্থ যোগাযোগত বৃদ্ধি সাপেক্ষে পঞ্চেন্দ্ৰিয়ৰ জৰিয়তে জ্ঞানো আহৰণ কৰে। গঠন পূৰ্ণাংগ হোৱাৰ লগতে মন ইন্দ্ৰিয়ৰ স্বয়ং সম্পূৰ্ণতাৰ পৰিপ্ৰেক্ষিতত সকলো আত্ম (Self) হৈ জন্মগ্ৰহণ কৰে। মাতৃ গৰ্ভত সঞ্চিত জ্ঞান জন্মৰ পিচত সময়ে সময়ে উক্ দি উঠে। এনে Inborn tendency ৰ বেছিভাগেই সঞ্চিত হৈ ৰয় যদিও বাহ্যিক পৰিৱেশৰ লগত দমন-অৱদমন হৈ ক্ৰিয়া কৰি থাকে, নহয় জানো? মোৰ এইটো মনৰ ধাৰণা।

বৰুৱা ঃ মোৰ ধাৰণাৰ লগত মিলি যোৱা কথাটো নহয় বুলি ক'ব লাগিলে ময়ো মিছা কথা কোৱাই হ'ব। মহাভাৰতৰ অভিমন্যুৰ চৰিত্ৰত কেইছেই দেখোন, 'আগম জানিলোঁ, নিৰ্গম নাজানিলোঁ।' অৰ্থাৎ মাকে শুনি থকালৈকে অভিমন্যুই মাতৃ গৰ্ভতে জ্ঞান লৈ আছিল। মাতৃ টোপনি যোৱাত পিচৰখিনি আয়ত্ত নহ'ল। এইটো হ'ল দৈব, টোপনিত ইন্দ্ৰিয়ও নিষ্ক্ৰিয় হয়, আত্মাহে সক্ৰিয়। প্ৰকৃতিৰ স্বতঃস্ফূৰ্ত নীতিত মাতৃ গৰ্ভত মনাত্মাৰ পূৰ্ব জন্ম সংস্কাৰ সাপেক্ষে যি ফল দেহ বৃদ্ধিৰ জীৱন বৃক্ষত ধৰে সেইটোৱে দৈৱত পৰে। মহাভাৰতৰ কাহিনীয়ে এনে মনোবিজ্ঞানো চুই গৈছে।

চৌধুৰী ঃ বাৰু, এই যে মানুহে কয় ভাবাৰ্থটো, 'মানুহে সাজে, ঈশ্বৰে ভাগে' কি বুলি ভাবে?

বৰুৱা ঃ মানুহে সকলো কৰ্ম কৰি গৈ থাকে। দৈৱইহে ফল নিৰ্ণয় কৰে। ইয়াত

আত্ম প্ৰত্যই হ'ল মহৌষধ। মহাজাগতিক শক্তিৰ নীতিৰ গতিত এই আত্ম প্ৰত্যয় মনৰ সৈতে স্ব-স্থিৰ স্থিতি লয়। গীতাত কৈছে—

সমস্ত কৰ্মৰ সম্পাদনাৰ নিমিত্তে।
সাংখ্য সিদ্ধান্তত পঞ্চ কাৰণ নিৰ্দ্দিষ্ট।।
..............................।
কৰ্তা-কৰ্ম-কৰণ-চতুৰ্থ-অধিষ্ঠান।
পঞ্চমত জানিবাহা দৈৱই প্ৰধান।।

চাওক, কোন কৰ্ম কৰাৰ প্ৰবৃত্তি মনত জাগিব, কোন কৰ্ম কৰিলে ভাল বা বেয়া হ'ব, কোন কৰ্ম কৰিলে জয় বা পৰাজয় হ'ব সেইটো ইতিমধ্যে দৈৱই মাতৃ গৰ্ভতে নিৰ্ণয় কৰি থৈছে। জন্মৰ পিচত মনৰ-বিবেকৰ আদেশত কৰা হাতৰ কৰ্মইহে ফল প্ৰকট কৰে। কৰ্ম সম্পৰ্কে গীতাত কৈছে—

কায়-বাক্য-মনে নৰে যিবা কৰ্ম কৰে।
বিবেকী পুৰুষে নিজ বিশুদ্ধ মনেৰে।।
আপোনাক উদ্ধাৰিব সংসাৰ সাগৰে।

অৰ্থাৎ প্ৰকৃতিৰ স্বতঃস্ফূৰ্ত নীতিৰ গতিত পৰিচালিত বিবেকৰ বিচাৰ মৰ্মে লোৱা হাতৰ কৰ্ম। স্থূল শৰীৰ, ইন্দ্ৰিয়, মন, বুদ্ধি আৰু আত্মা সম্পৰ্কে গীতাত কৈছে—

স্থূল শৰীৰত কৰি ইন্দ্ৰিয় গৰিষ্ঠ।
ইন্দ্ৰিয় সবত কৰি মন হয় শ্ৰেষ্ঠ।।
মন হন্তে বুদ্ধি শ্ৰেয় বুদ্ধিৰ ওপৰে।
আত্মা বুলি যাক কয় শ্ৰেষ্ঠ সবাহাৰে।।

চৌধুৰী ঃ এই নীতিৰ পৰিপ্ৰেক্ষিতত মই ভাবোঁ আইমাতৃ বসুমতীয়ে সকলো গেলা-পচা আৱৰ্জনা দুৰ্গন্ধৰ ভাৰ বৈও সৃষ্টিৰ নীতিৰ গতিকে সাৱোগত কৰি নতুন নতুন সৃষ্টিৰে কোচ উজলায়। তেনেকৈ এই নীতিৰে আঁত ধৰি গৰ্ভৱতী নাৰীয়ে ভালে-বেয়াই বোজা বৈ সন্তান জন্ম দিয়ে। সুখে-দুখে প্ৰকৃতি মাতৃৰ দৰে সন্তানক ৰক্ষা কৰাৰ কাৰণে পৃথিৱীৰ সকলো দোষ নিজে জাপি লয়। সূৰ্যই ৰ'দৰ তাপত সকলো গেলা-পচা আৱৰ্জনা দুৰ্গন্ধ শুকাই নিকা কৰে; তেনেকৈ পিতৃয়ে

পৰিৱেশৰ সকলো পৰিষ্কাৰ পৰিচ্ছন্ন কৰে, সেয়ে সূৰ্য পুৰুষ।

সেই কাৰণেই কয়— পিতৃ-মাতৃৰ মিলাপ্ৰীতি সু-সন্তানে গৰ্ভত লয় স্থিতি। লগতে পিতৃ-মাতৃৰ প্ৰকৃতি নীতিৰ সু-শিক্ষা, আত্মিক সু-সম্পৰ্কই সন্তানৰ সুস্থিৰতাত অৰিহণা যোগায়।

বৰুৱা : এজন পিতৃয়ে সৎ, সমতা, ন্যায়-নীতিৰে প্ৰকৃতিৰ স্বতঃস্ফূৰ্ত সত্য প্ৰবাহৰ স'তে যি জ্ঞান নিজে অৰ্জন কৰে সেয়ে ভাগ্যফলত পৰে, ইয়ে দৈৱ। গতিকে চাওক, কায়বাক্য মনে অৰ্থাৎ শুদ্ধ বিবেচনাৰে, শুদ্ধ মনেৰে তথা পূৰ্ব জন্ম সংস্কাৰেৰে আগবাঢ়িলে অৰ্থহীন হ'ব নোৱাৰে কামটো বা তাৰ ফল। পদ্ধতিমূলক নিখুঁত কৰ্মৰ সু-ফলৰ দৰে জন্ম, জন্মান্তৰো এক আত্মাৰ ক্ৰমবিকাশ পদ্ধতিৰ সুফল। যদি হয় কুফল, দেখিব ক'ৰবাত, কোনোবা অংশত ভুল হৈ গৈছে। যিটো এতিয়া পূৰণ কৰিব নোৱাৰে। গীতাত কৈছে—

পূৰ্বজন্ম কৰ্মফলে দৈবী সম্পদক।
ভোগ কৰিবলৈ জন্মে যিটো জ্ঞানী লোক।।

ঘৰ-পৰিয়াল-সমাজ-দেশ য'তেই প্ৰকৃতিৰ সত্য প্ৰবাহত সৃষ্ট মুক্ত মানৱ সত্য নীতি নাই, দুৰ্বলীক গোৰ মাৰি বলীয়ে বহে বৰপীৰা পাৰি তাত প্ৰগতিৰ মুখ জিলিকি নুঠে। সমাজ জীৱনটো দুষ্কৃতিৰ দুৰ্গন্ধময় বা-বতাহে বাতাৱৰণ ক্লেদাক্ত কৰে।

চৌধুৰী : হয়হে, দেৱতা আৰু অসুৰ, দুয়ো একেই নৰ; পৰিৱেশ ভিন্ ভিন্ উভয়ৰ; পৰম্পৰা, সংস্কাৰো ভিন্ ভিন্, নাই সমিলমিল। দেৱতাই সাজে স্বৰ্গ আৰু নন্দন কানন, চৰ্চা কৰে জ্ঞান-গন্ধৰ্ব বিদ্যাৰ; আনটোই কৰে মইমতালি যুদ্ধৰ আখৰা, অসুৰী সম্পদ মাত্ৰ অজ্ঞানতা। গীতাত কৈছে—

দম্ভ-দৰ্প-অভিমান-ক্ৰোধ-নিষ্ঠুৰতা।
অসুৰী সম্পদ জানা সবে অজ্ঞানতা।।

বৰুৱা : সেয়ে জ্ঞানৰ সাৰ্থকতা নিৰ্ভৰ কৰে পূৰ্ব জন্ম সাপেক্ষে সংস্কাৰ, মাতৃ গৰ্ভস্থ জ্ঞান আৰু পৰিৱেশগত প্ৰকৃতি সত্য কৰ্ম আৰু বাহ্যিক জ্ঞানৰ ওপৰত। এনে নিৰ্ণীত কৰ্মতে নিৰ্ভৰশীল ভাগ্য, জীৱন সাৰ্থকতা, সুখ-দুখ। ভগবান সকলোতে উদাসীন, নিৰপেক্ষ। সৃষ্টিত সহায় কৰে;

কিন্তু ভাগ নলয়, এয়া প্ৰকৃতিৰ সৎ, সমতা, ন্যায়-নীতিৰ সনাতন সত্যৰ প্ৰবাহ।

চৌধুৰী : এয়া কি আগতে কৈ অহা সেই ৰাসায়নিক সমীকৰণৰ সমতাৰ সূত্ৰ?

বৰুৱা : ৰাসায়নিক বিক্ৰিয়াৰ সমীকৰণ মানেই সৃষ্টিৰ বিক্ৰিয়াৰ পৰিপূৰক প্ৰণালীবদ্ধ সমীকৰণৰ সমতা তথা প্ৰকৃতিৰ সমতা গুণলব্ধ বিক্ৰিয়া— ব্ৰহ্ম সনাতন সত্য ৰূপত প্ৰকাশ হয়। সৃষ্টিখন গঢ়ি দিয়ে কিন্তু সৃষ্টিত নাথাকে— ৰাসায়নিক বিক্ৰিয়াৰ অনুঘটকৰ দৰে। দেখিছেই নহয়, জগৎ বা প্ৰকৃতিৰ সীমা নাই আৰু যাৰ নিৰ্দেশত প্ৰকৃতি পৰিচালিত হয় তাত জীৱ স্বয়ম্ভু নহয়। প্ৰকৃতিৰ সৃষ্টি আৰু গতি যিহেতু এক বিৰামহীন প্ৰবাহ আৰু ইয়াৰ বশ হেতু সৃষ্টি কৰে বাৰে বাৰ। সৃষ্টিৰ বিনাশ নাই, ব্ৰহ্মৰ মায়া প্ৰকৃতিতে লীন, এয়ে ব্ৰহ্ম সত্য।

চৌধুৰী : হেৰি, সাধনা, অভিজ্ঞতাৰ মৰ্মে পোৱা জ্ঞান, উপলব্ধিৰে সামৰিব পৰা শক্তিৰ সহায়ত অৰ্জিত জ্ঞান। বাস্তৱত এই জ্ঞান লুকাই থকাৰ দৰে একে সপোন বাস্তৱত লুকাই থাকে জীৱনতো। সাত্বিক তথা নৈষ্ঠিকজনে ফঁহিয়াই উলিয়াব পাৰে। চাওক, সপোনত নদীৰ পানীত উলংগ হৈ গা-ধোৱা মানুহজনে যেতিয়া বাস্তৱত নদীৰ পানীত গা-ধুই থাকে আৰু হঠাতে দেহৰ নিম্নাংশৰ কাপোৰখন খুলি যায় তেতিয়া সেই সপোনটো মনত উজলি উঠে দিঠক হৈ। তেনেদৰে বাথৰুমত গা-ধুই থকাজনে এনে সপোন বাথৰুমতে উদ্ধাৰ কৰে। এয়া ধাৰাবাহিক সত্যৰে প্ৰতিলিপি-লুকাভাকু। এয়া সপোন মানেই গোপন জীৱন সত্যৰ অন্তৰ্নিহিত সমষ্টি। এনেদৰে ইন্দ্ৰিয়সমূহো যে দেহৰ লগত লগলাগি থাকে তাকেই প্ৰতীয়মান কৰে সপোনে-দিঠকে।

বৰুৱা : চাওক, ঈশ্বৰক যেনেকৈ দেখা নাই, মহাজাগতিক শক্তিত উপলব্ধি হয় বা ৰহস্যত আৱৰ্ত্তিত, ইন্দ্ৰিয়সমূহকো মনাত্মাৰ লগত কেনেকৈ দেহত জড়িত দেখা নাযায়, অনুভূত হয়। অলৌকিক শক্তিৰ সৃষ্টিৰ ৰহস্যত থকা ভগৱানক যেনেকৈ বিশ্বাসত পোৱা যায়, তেনেকৈ পঞ্চেন্দ্ৰিয়ৰ সহায়ত ভোগৰ তৃপ্তিৰ জৰিয়তে এই শক্তি অনুভূত হয়। যেনে মিঠা বস্তু এটা জিভাত দিলে সোৱাদ লাগে, এনেদৰে দেহত ইন্দ্ৰিয়সমূহক পাৰ্থিৱ সম্ভোগসমূহ ভোগ কৰাৰ বাবে মনে নিয়োগ

কৰে; মনটো জড়িত হৈ থাকে তেজ-মঙহৰ ক্রিয়াত; খাদ্যবস্তুৰ প্ৰভাৱত দেহৰ বৃদ্ধিৰ জন্মগত তাড়নাৰে। এই তাড়নাৰ উৎস হ'ল ইন্দ্রিয় লিপ্সা। অর্থাৎ মৰুভূমিৰ বালিৰ তৃষ্ণাৰ দৰে তেজ-মঙহৰ এই লিপ্সা। এয়া অবিৰত লিপ্সা প্রবাহ। জন্মত আৰম্ভ আৰু মৃত্যুত শেষ বায়ুকোষৰ ক্ষয়তে অন্ত।

আচলতে পৰমার্থিক তত্ত্ব তথা ঈশ্বৰ বিচৰা তত্ত্ব মানে মই যি বুজো নিজতে নিজকে বিচাৰি সাহস গোটোৱা তত্ত্ব। মানুহৰ জীৱন মূল্যবোধ, নীতি আৰু আদর্শসমূহ বুজাৰ লক্ষ্যৰে আৰু সামাজিক নীতি-নির্দেশনা দিয়াৰ কাৰণেই হয়তো 'শ্রুতি'সমূহ মৌখিকভাৱে প্ৰচলিত হৈছে। আৰু পিচত ঋষি-মুনিসকলে বিভিন্ন শাস্ত্ৰৰ জৰিয়তে নিজৰ অভিজ্ঞতা উপলব্ধি অভিনৱত্ব, মৌলিকত্ব সাপেক্ষে বুদ্ধি, কৌশল, নৈপূণ্যতাৰে এনে বাট মোকলাই দি পোহৰ বিস্তাৰ কৰিলে সমাজত।

সেয়ে আমি বুজিব লাগে, 'মই কোন? ক'ত আছোঁ, কি কৰিছোঁ, মোৰ জন্ম অধিকাৰ কি। জন্ম হ'লে মৃত্যু হ'বই। মই ক'ত যাম মৃত্যুৰ পিচত? প্রকৃততে এই সকলো হ'ল নিজক বিচৰাৰ এটা ক্রমাগত শুদ্ধ তাত্ত্বিক পদ্ধতি।' এয়াই জীৱন দর্শন। এই জীৱন দর্শন ধৰা পৰে জীৱন সন্ধান তথা আত্ম সন্ধানৰ বাটত। বস্তুৰ স্থিতিয়ে যেনেকৈ পোহৰ দৃশ্যমান কৰে, জ্ঞানেও ঈশ্বৰৰ স্থিতি পোহৰৰ দৰে দৃশ্যমান কৰে। Abu Ben Adhem এ পোহৰৰ মাজতে ঈশ্বৰপ্ৰেমীসকলৰ নামৰ তালিকাত নিজৰ নামটো ওপৰত দেখিছিল। গীতাত কৈছে—

যিয়ে সমাহিত চিত্তে ভজে প্রেমভাৱে।
তত্ত্ব জ্ঞান দিও তাক যাতে মোক পাৱে।।
সি সব ভক্তক অনুগ্ৰহ কৰি মই।
হৃদয়ত থাকি জ্ঞান বৰ্ত্তিক জ্বলায়।।

চৌধুৰী : আপোনাক কওঁ বুলি কথা এটা ভাবিছোঁ, বেয়া নাপাব। আপোনাক মই যি কথা সোধো, সেই কথাৰ উত্তৰ পোনাই আৰম্ভ নকৰে, কিন্তু ঘূৰাই-পকাই আকৌ সেইটোতে পেলায়।

বৰুৱা : আপোনাক কিয় বেয়া পাম? সংগ সুখত দুখে কাহানিও বৰপীৰা

পাৰি বহিব নোৱাৰে। প্ৰকৃত সংগ সুখ স্বৰ্গীয়, কিয়নো ইয়াৰ উৎস একাত্মবোধ; তাতে আকৌ আমি যি তাত্ত্বিক দিশত ডেউকা কোবাই আছোঁ তাত সময়ৰো হিচাপ নাই আৰু আত্মস্বাৰ্থ জড়িত কোনো বাতাৱৰণে দুখৰ উক দিবও নোৱাৰে। হাঁহিৰ পোহৰে য'ত সমল তাত অসূয়া কামৰ প্ৰবৃত্তিসমূহৰো নাই সুবিধা মনৰ ওচৰ চপাৰ।

প্ৰকৃততে এই ধৰ্ম আলোচনাৰ জৰিয়তে আমি উভয়ে উভয়ৰ পৰা শিকিহে আছোঁ। আমি আজিৰ এনে কিছুমান ছাত্ৰ নহয়, যে শিক্ষকৰ শিকনি বুজিবলৈ চেষ্টা নকৰি পঢ়ুওৱাত আমনি দিব বিচাৰিছোঁ। অ', আৰু এটা কথা, মই ঘূৰাই-পকাই থাকিলেও তত্ত্ব জিলাপী এখনেই, পাকবিলাক তাৰ ভিতৰতে থাকে; যিমানে পাক দিয়া যায় সিমানে মিঠা বেছি হয়, খাই সোৱাদ পায়।

চৌধুৰী ঃ পুনৰুক্তি যেন হয়, আপোনাক যি প্ৰশ্ন কৰোঁ তাৰ উত্তৰ Specific ভাৱে নাপাওঁ, তাতে আকৌ যিমানেই চুটিকৈ টানি আনিব বিচাৰোঁ বাঢ়িহে যায় আপোনাৰ কাণত পৰি। আপুনি মোৰ প্ৰিয় বস্তুটোতেই হাত দিলে।

বৰুৱা ঃ প্ৰকৃততে পৰমাৰ্থিক তত্ত্বটো পাটৰ চাদৰৰ দৰে, ছাঁতে শুকায়, মুঠিতে লুকায়, দেহটোকো আগুৰি পেলায় আৰু মেলি দিলে বহু দূৰলৈ যায়। কৃষ্ণ ভগৱানৰ কথা ভাবিলে যিমানলৈ লাগে মেল খায়, অন্ত নপৰয়। ৰাজসভাত দ্ৰৌপদীৰ লজ্জা নিবাৰণৰ দৰে সকলো বিপদতে সহায় কৰে। চাওক, বেছি তিতা খোৱাৰ পিচত কোনোবাই মিঠা জিলাপী এখন হাতত তুলি দিলে বা অনাহকত বহু ককৰ্থনা শুনাৰ অন্তত কোনোজনে মিঠা মাত এষাৰ দি গ'লে বা আনকি কোনো অস্বাভাৱিক বিপদত নাঙঠ হৈ দুই হাতেৰে লজ্জা নিবাৰণ কৰিবলৈ আপ্ৰাণ চেষ্টা চলাই থকাৰ সময়তে গাঁলে কোনোবাই এখন কাপোৰ দলিয়াই দিলে কেনে অনাবিল আনন্দ লাগে বুজাই নক'লেও মানুহে বুজে। আত্মা ৰূপী ভগৱানৰ অদৃশ্য মায়া অনুভূত হয়। সেই সময়ত তেওঁতকৈ নিজৰ বুলিবলৈ দ্বিতীয়জন মনে নধৰে।

দৰাচলতে আপুনি যি প্ৰিয় বস্তুৰ কথা কৈছে সেই প্ৰিয় বস্তুতেই নিজৰ নিজৰ জীৱনৰ অভিৰুচি পূৰণ কৰাৰ আচল সুখ

লুকাই থাকে। সেই সুখতেই বিৰাজ কৰে ঈশ্বৰৰ মাহাত্ম্য। ধ্যান আৰু যোগ সাধনাৰে বিচাৰি চোৱা সুখ-দুখৰ সেয়া ঐশ্বৰিক তত্ত্ব। আমি লৈ আছোঁ মনৰ জিলাপী, এইখন হ'ল জিভাৰ জিলাপী, একেই বিন্দুত উভয়ৰে থিতাপি। জিভাত মন আছে, মনত জিভাৰ খোৱা বস্তুৰ জুতি লাগি আছে আৰু ইয়ে গোটেই দেহকে সমৃদ্ধ কৰে। এয়া মন হ'ল দৰৱ, কি আয়ুৰ্বেদিক, কি হোমিও এই সম্বন্ধকে কয় চাইকোচমেটিক ৰিলেচন (Psychosomatic relation)। মনৰ এই দ্ৰৱ য'তেই ইচ্ছা ত'তেই থব পাৰি আৰু ভাল-বেয়া য'তেই লাগে ত'তেই ব্যৱহাৰ কৰিব পাৰি।

চৌধুৰী ঃ ৰ'ব, পাত লুটিয়াই থাকোঁতে Dictionary ত অৰ্থ দেখিছোঁ— Psychosomatic is of an illness caused by a hidden fear or anxiety in the mind as well as, or rather than, by a bodily disorder. It concerns the relationship between the mind and the body in illness.

বৰুৱা ঃ এয়া মনৰ নিৰোগ আৰু দেহৰো নিৰোধ। আধ্যাত্মিক দিশত মনৰ দ্বাৰা শৰীৰ পৰিচালনাত আছে এই নিৰাময়ৰ ব্যৱস্থা। এই ব্যৱস্থা এটা যোগ সাধনা। মন শোধনৰ দ্বাৰা আসুৰিক প্ৰবৃত্তিসমূহ নাশ হয়। লগতে এই সাধনাৰ দ্বাৰা বহু ৰোগ নিৰাময় হয়। এই সাধনা হ'ল জীৱাত্মাৰ লগত পৰমাত্মাৰ একাকাৰ হোৱাৰ দেহ-মনৰ একক ব্যৱস্থা। কৰ্ম আৰু শিক্ষা বিধিত Activity method. ইয়াৰ লক্ষ্যও ব্ৰহ্ম প্ৰাপ্তি; ইয়াৰ অৰ্থ আত্মা সাক্ষাৎকাৰ; অৰ্থাৎ নিজকে জনাৰ সাধনা। সেয়ে ইয়াৰ দ্বাৰা ইন্দ্ৰিয়সমূহ বশ হয় আৰু মনলৈ এই সাধনাই অনাখৰী, অনাদৃত জনৰো মনলৈও অনাবিল শান্তি কঢ়িয়ায়।

তেনেকৈ ভাগৱত চিন্তা কৰা তথা সততা, সমতা, ন্যায়-নীতি সুৰক্ষাৰ প্ৰতি সদায় আত্ম প্ৰচেষ্টা কৰা আৰু আত্মিক ভাবত দায়বদ্ধ হোৱাও একে। ইয়াৰ দ্বাৰা হোৱা শুদ্ধ মন, শুদ্ধ আত্মাৰ বাবে নিজেই নিজক দুৰ্যোগ সমন্বিতে যিকোনো পৰিৱেশতে চম্ভালিব পাৰে। লগে লগে কাম, ক্ৰোধ, লোভ, মোহ, অহংকাৰ আদি কু-প্ৰবৃত্তিসমূহৰ পৰা নিবৃত্তি লাভ কৰিব পাৰে। এয়াই সৎ, সমতা, ন্যায়-নীতিৰ পূজাৰী নৈতিকতাবাদী পুৰুষ। এনে মানুহে আত্মজ্ঞানৰ সহায়ত বহু

কথাই আগতীয়াকৈ সঙ্কেত পায়, হয় সপোনত, নহয় উপলব্ধিত। দৈববাণী বুলি কোৱা মাত-কথা এই জাতীয়, Self Soul আৰু Divine Soul-ৰ নিবিড় সম্পৰ্কৰ ফলশ্ৰুতি। প্ৰত্যেক মানুহৰে উপলব্ধি, জীৱনবোধ আৰু দৃষ্টিভংগী সুকীয়া হোৱা বাবে সুখ-দুখ, যাতনা-ভোগ আদিয়েও কৰ্মানুসাৰে হাত বাউলি দি মাতে।

চৌধুৰী ঃ অ', মাজতে আপোনাক আমনি কৰিলোঁ। এইযে 'মই' বুলি কওঁ কথাটো আগতে স্পষ্ট নহ'ল। মই কোন বুলিলে বা মোৰ পৰিচয় সুধিলে যি উত্তৰ দিওঁ তাৰ উৎস কি বাৰু?

বৰুৱা ঃ মই ইতিমধ্যে কৈ গৈছোঁ যে নিজক বিচাৰি উলিওৱাটোও এক ক্ৰমাগত ধাৰাবাহিক মানৱ নিষ্ঠা কৰ্ম পদ্ধতি। তথাপি কওঁ; অৱশ্যে এই প্ৰশ্নৰ উত্তৰ আপোনাৰ মনতো আছে। তথাপি অলপ সহায় কৰিব বিচাৰিছোঁ। চাওক, বাথৰুমৰ দৰে হেলনীয়া ঠাই ঘৰৰ চোতাল বা আন তেনেকুৱা ঠাইত পানী বৈ বৈ বৈ যোৱা অংশত লেতেৰা জমা হৈ কিছুদিন পিচত ছেলনি বান্ধে আৰু সেই ছেলনিকে আশ্ৰয় কৰি (প্ৰকৃতিৰ আশ্ৰয়ত পৰমাত্মা থকাৰ দৰে) এক জাতীয় শেলাই উদ্ভিদ গজে। এই শেলাইৰ জন্ম বুলিলে যি উপলব্ধি হয় মোৰ জন্ম বুলিলেও (পিতৃৰ ঔৰস-মাতৃৰ গৰ্ভ) অন্যাথা নহয়। উভয়ৰে যিহেতু বৃদ্ধি আছে গতিকে তাত জীৱন আছে। জীৱ বুলিলে জীৱাত্মা আছে, অৰ্থাৎ বায়ুস্থিত প্ৰাণ। জীৱাত্মা বুলিলে আকৌ প্ৰকৃতি আত্মাৰ অংশৰ স্থিতি আছে। প্ৰকৃতিৰ স্থিতি বুলিলে বায়ুকোষত থকা প্ৰাণবায়ু বুলি ক'ব লাগিব। এয়াই আত্মা-পৰমাত্মা অভিন্ন ৰূপ। এয়াই জন্মৰ উৎস; এনেদৰে প্ৰাণী আৰু উদ্ভিদৰ জীৱন নিৰ্বাহ প্ৰণালীৰ সম্পৰ্কও বিৰাজ কৰে। *সেয়ে গীতাত কৈছে—*

আত্মাজীৱ ৰূপ ধৰি থাকয় দেহত।।

চৌধুৰী ঃ মাতৃ গৰ্ভ স্থিতিত আত্মা মনৰ প্ৰৱেশ ঘটে। পিচত তেজ-মঙহৰ লিপ্সাবশতঃ ইন্দ্ৰিসমূহৰ অন্তৰ্ভুক্তি হৈ অংগসমূহ পূৰ্ণাংগ হোৱাৰ লগে লগে আটায়ে পূৰ্ণাংগ হৈ উঠে একক হিচাপে আৰু প্ৰকৃতিস্থ হয় (Naturalised) । অৰ্থাৎ পৰিৱেশ সাপেক্ষে প্ৰকৃতিৰ লগত মিলি যায়— তেতিয়াহে আত্ম (Self) হয় আৰু বন্ধ দুৱাৰ খুলি পৃথিৱীৰ

পোহৰলৈ গতি কৰি মই হয়। লগতে জন্ম প্ৰতিভা অনুসাৰে উপস্থাপিত নামকৰণ হ'লে উভয় প্ৰতিভাৰ পূৰ্ণ বিকাশ ঘটে। সেয়ে যিটো নামকৰণ কৰা হয় সিয়ে এই আত্ম তথা জন্মগত প্ৰতিভাক উপস্থাপন কৰিব পৰা হ'ব লাগে; নহ'লে জন্ম শক্তি আৰু নামকৰণ শক্তিৰ পৰিৱেশ অনুপাতে সংঘৰ্ষ হয়। মুঠতে নামটো জন্ম গুণৰাজিৰ সমষ্টিৰ এটা চিহ্ন (Symbol) হ'ব লাগে। যেনে— Fe-Iron, C-Carbon etc. বিসংগতি হ'লে Fe ত C ৰ গুণ ধৰ্ম বিচাৰৰ দৰে হ'ব। নহয় জানো?

বৰুৱা : আপুনি কথাবিলাক চুম্বকৰ দৰে আকৰ্ষণ কৰি টানি লৈ যায়। বাৰু শুনক, মই বুলি গৌৰৱ কৰিব পৰা অধিকাৰ মানুহৰ আছেনে? Nature is God বুলি যে কয়, সেয়া সকলো প্ৰকৃতিস্থ ভগৱানৰ। গীতাৰ কথাফাকি শুনক—

অব্যক্ত ৰূপত মই জগৎ বিয়পি ৰও
মোৰ মায়া প্ৰকৃতিত লীন।

....

ভূত বশ প্ৰকৃতিৰ।

আমি জনাত গীতাৰ এই বাণী অনুধাৱন কৰিলে দুই ধৰণে জীৱ প্ৰকৃতিৰ অধীন। প্ৰথম জন্মত আৰু দ্বিতীয়ত পাৰ্থিৱ ভোগ বাসনাত। গতিকে এনে ক্ষেত্ৰত দেখা যায় ঈশ্বৰেহে জীৱৰ সৃষ্টিৰ বাবে গৌৰৱ কৰিব পাৰে। যি পৰিৱেশত জন্ম হয়, যি পৰিৱেশত শৰীৰ গঠন পূৰ্ণ হয় আৰু যি ক্ষণত জন্ম হয় সকলোতে কৃতিত্ব ভগৱানৰ। ই এটা ধাৰাবাহিক প্ৰাকৃতিক পৰিঘটনা। নাৰীৰ গৰ্ভত ঔৰস স্থাপন বা টেষ্ট টিউবত স্থাপন মাত্ৰ নিমিত্ত কাৰণ।

চৌধুৰী : এই আত্মা-পৰমাত্মাৰ সংযোগ মৰ্মে সাংসাৰিক জীৱনত বাস্তৱ ক্ষেত্ৰত কেনে উপলব্ধি হয়?

বৰুৱা : চাওক, সততা, সমতা, ন্যায়-নীতিৰ প্ৰতি যি দায়বদ্ধ তাৰ শুদ্ধ আত্মা। এই শুদ্ধ আত্মাত প্ৰকৃতিৰ আকৰ্ষণ আছে, অৰ্থাৎ ঈশ্বৰৰ আশিস নিহিত থাকে; এই আশিস এটা স্বতঃস্ফূৰ্ত অদৃশ্য ধ্বনিহীন বায়বীয় স্পৰ্শৰ সোঁত। বেয়া অৰ্থত বেয়া ঠাইত গৈ বতাহ লাগি বেয়া হোৱা বুলি কয়।

সচৰাচৰ গৰ্ভৱতী নাৰীৰ ক্ষেত্ৰতেই প্ৰয়োগ কৰে কথাটো।

যিয়েই নহওক, এনে ঐশ্বৰিক আশিসৰ মাত্ৰা বেছি হ'লে অলৌকিক শক্তিসম্পন্ন হয়; যেনে— ৰামৰ জন্ম নৌহওঁতেই ৰামায়ণৰ সৃষ্টি পাতনি ঋষি বাল্মীকিৰ হৃদয়ত দোল দি থকাৰ দৰে। জন্মগত আত্মিক শক্তিৰ লগত বাহ্যিক প্ৰতিভাৰ পৰিৱেশৰ প্ৰভাৱ মৰ্মে বিকাশ ঘটিলে ক্ষণজন্ম পুৰুষ সাপেক্ষে মহামানৱ, মহৎ লোক, মহাপুৰুষ বা মানৱ কল্যাণ সাধিব পৰা ব্যক্তি হয়। আৰু জনপ্ৰিয় ব্যক্তিত্ব অৰ্জন কৰে। কোনো কোনোৱে সাধনা মৰ্মে সংস্কিতিৱান হৈ মানুহক শাৰীৰিক, মানসিক আৰু আধ্যাত্মিক দিশত উৎকৰ্ষ সাধনাৰ্থে নিজক নিয়োগ কৰে। এয়াই মানৱ জীৱনৰ সংগ্ৰাম। এই সংগ্ৰামে মনৰ স্বাধীনতাত বীৰত্বৰ প্ৰভাৱ পেলায়। মনৰ স্বাধীনতাইহে প্ৰকৃত মুক্তি। এই মুক্তি কষ্টোপাৰ্জিত ধন। ঠগ, প্ৰৱঞ্চনা, ফাঁকি-ফুকা, ভীতি প্ৰদৰ্শন, আতংক সন্ত্ৰাস সৃষ্টিৰ সহজলভ্য বিনিময় ধন নহয়। অন্যায় ধনৰ মোহে জীৱনটোকেই প্ৰতাৰণা কৰে।

চৌধুৰী : জীৱন অভিজ্ঞতাৰ পৰা যিটো বুজিলোঁ এনে অন্যায়, দুৰ্নীতি উপাৰ্জিত ক'লা ধনত ভয় আছে, অভাৱ পূৰণ কৰি মুক্ত হ'ব বিচৰা জীৱন মুক্তিত কঁপনি আছে, লগতে ধ্বংসই হাত উজান দি ধৰাৰ বাট মুকলি হৈ থাকে।

বৰুৱা : সেয়ে, জনসাধাৰণৰ মুক্তি সম্ভৱপূৰ্ণ কৰি তুলিবলৈ হ'লে নিকা সংগ্ৰাম লাগিব, লগতে এনে এখন শক্তিশালী মঞ্চ লাগিব য'ত মুক্ত হ'ব পৰা নিজৰ অধিকাৰ নিজতে প্ৰথমে উন্মুক্ত কৰিব পাৰে। পিচতহে নাৰীৰ অধিকাৰ, নিষ্পেষিত জনতাৰ অধিকাৰ, শ্ৰমিকে শ্ৰমৰ ন্যায্য মূল্য পোৱাৰ অধিকাৰ আৰু পিচপৰা জাতি-জনজাতিসমূহৰ উন্নতি সাপেক্ষে আত্মজ উন্নতিৰ বাবে সংস্কৃতিৰ বাটত খোজ দিয়াৰ বাতাৱৰণ সৃষ্টি কৰাৰ অধিকাৰৰ সংগ্ৰাম কৰিব পাৰিব।

চৌধুৰী : যিদিনা সমাজৰ স্থিতাৱস্থাৰ মানদণ্ড হেৰাই চূড়ান্ত পৰ্যায় পাব আৰু প্ৰকৃতিয়েও অসমতা, অন্যায়, ব্যভিচাৰৰ ভাৰ সহিব নোৱাৰা হ'ব, সিদিনাই কোনো এক ধৰণে হয় সংগ্ৰাম, সমাজ বিপ্লৱ নহয় প্ৰাকৃতিক মহাপ্ৰলয় হ'ব। মানুহে জীৱনৰ ৰং, জীৱনৰ ভাষা, জীৱনৰ প্ৰকৃত

বাট বিচাৰি পাব।

বৰুৱা ঃ চাওক আটাইতকৈ ডাঙৰ সময়ৰ প্ৰত্যাহ্বান স্বৰূপে থিয় দি উঠিছে গোষ্ঠীগত ভাবধাৰা, ক্ষমতাৰ লোভ আৰু দুৰ্নীতি কৰি টকা ঘটাৰ হাবিয়াস। আনহাতে সাম্প্ৰদায়িক, ভাষিক আৰু ধৰ্মীয় বিভাজনৰ সুযোগ লাভ কৰিবলৈ সুবিধাবাদীৰ সংখ্যা দৃষ্টিকটুভাৱে বৃদ্ধি পাবলৈ ধৰিছে। আন এটা আধুনিক ভাবধাৰাই ইয়াত সঁহাৰি যোগাইছে, সেয়ে হ'ল কাৰ কথা কোনে ভাবে, পিতা-মাতা, ভাই-ভনী, অঙহী-বঙহী যিয়েই নহওক লাগে, নিজকে দেখোন আঁটিজুৰি নাহে; দিওনো কোন সাহে। সেয়ে ভাল মানুহ হৈ সৎ জীৱন-যাপন কৰা, নৈতিক বলেৰে বলীয়ান হৈ মানসিক উৎকৰ্ষতা সাধনাত ব্ৰতী হোৱাৰ প্ৰৱণতা বৰ্তমান পৰিৱেশৰ পৰিপন্থী। এহাতে আমি মানৱ ঐক্যতাৰ পৰিপ্ৰেক্ষিতত মানৱ প্ৰীতি-সম্প্ৰীতিৰ কথা কওঁ, আনহাতে সাম্প্ৰদায়িকতাত ইন্ধন যোগাওঁ। এনেদৰে দেখা যায় প্ৰত্যেক ধৰ্মৰে নিয়ম-নীতি নমনা ম্লেচ্ছ জাতি আছে। এই জাতিয়ে সংঘৰ্ষ সাপেক্ষে ধ্বংসৰহে বাট মুকলি কৰি ৰাখে। এজন ভাল মানুহ বুলিয়েই যদি আন এনে এজনে সুবিধা ল'ব চায়, এটা সময়ত তাৰ বিপৰীত হয়। এনেকৈয়ে দিনৰ পোহৰত শান্তি-সম্প্ৰীতিৰ কথা কৈ ৰাতিৰ এন্ধাৰত ক্ষমতাৰ লোভত সাম্প্ৰদায়িক হৈ বুকুত সোমাই কলিজা জ্বলায়। এনে মানুহ প্ৰকৃততে মানুহ হ'ব নোৱাৰে। কাৰণ আত্মবোধ নাই, আত্মবোধ নহ'লে মানৱতাবোধ নাজাগে। এনে মানুহৰ মানৱপ্ৰেম মুখৰ ফুলজাৰি, হিয়াৰ পদুম কলি নহয়। এনেকৈয়ে শাসনৰ বাঘজৰীয়ে দেহটোক বান্ধিব পাৰে, হিয়াক চুব নোৱাৰে। এয়া আত্মজ, সংযোগ থাকে পৰমাত্মাৰ লগত। সেয়ে মানৱতাবোধ অবিহনে গণতান্ত্ৰিক চৰকাৰ লোভৰহে দৰবাৰ, য'ত জনসাধাৰণ থাকে দূৰ-দূৰন্তত। আশা-আকাংক্ষা পূৰণৰ চলি থাকে দৰ-দাম।

সেয়েহে ধৃতাত্মা নোহোৱাকৈ আনক উপদেশ দিয়াটো এক ধৃষ্টতা মাথোন। ধৃষ্টতামূলক আচৰণে বৰ্তমান সময় ক্লেদাক্ত কৰি তুলিছে। এনেকৈয়ে যিয়ে নিজক চম্ভালিব নাজানে পৃথিৱীখন চম্ভালিব খোজে। কোনো কোনো ক্ষেত্ৰত নকটা খেৰৰ ন-শ গোটোৱা অৱস্থা।

ডাইনী সন্দেহত হত্যাৰ কথাই ভাবকচোন। এয়া সম্পূৰ্ণ জ্ঞানৰ অভাৱ। বিজ্ঞান বা আধ্যাত্মিক জ্ঞানৰ কথা বাদেই, সাধাৰণ মানৱীয় গুণৰো অভাৱ, কিয়নো কিছুমানে শিক্ষিত হৈয়ো কিছুমান কু-সংস্কাৰী আওপুৰণি কথাৰ মোহ এৰিব পৰা নাই। দুশ বছৰ আগতে জ্ঞানৰ অভাৱত (Ignorance of knowledge) ক'লা মহামাৰীত শ-শ মানুহ মৰিছিল। সেয়াই আমি সভ্য হৈ আধুনিক বাটত বিলাসী গাড়ী ঘূৰাই পৌৰাণিকৰ ফালে পিচুৱাই গৈ আছোঁ।

সেয়েহে, ৰাতিৰ আন্ধাৰৰ পৰা ওলাই আহি দিনৰ পোহৰত মানুহে আত্মিক (অন্তৰ্নিহিত) অনুভৱৰ বহিঃপ্ৰকাশ মৰ্মে সৌজন্য হৈ মানৱীয় জীৱন-যাপন নকৰিলে শান্তি নাহে। ইয়াৰ প্ৰথম পদক্ষেপ হিচাপে মানুহৰ মনত সাম্য-মৈত্ৰীৰ ভাব পোষণৰ জৰিয়তে বন্ধুত্ব ভাবৰ উদয় ঘটাব লাগে। এনে বন্ধুত্বভাবে আত্মশক্তি অনুভূত হোৱাত সুযোগ দিব। অৱশেষত বন্ধুত্ব প্ৰেমৰ এখন মঞ্চ হৈ পৰিব, সংগ্ৰামত ইয়ে ত্যাগৰ উৎস হিচাপে সহায়ক হ'ব। এনে পৰিৱেশত কোনো ক্ষোভ, কোনো সংঘৰ্ষ বা কোনো জটিল সমস্যাই গা কৰি উঠিবলৈ ইন্ধন নাপাব। লগতে এজনক চেৰাই আনজনে সুবিধা লোৱাৰ মানসিকতাৰ শাম কাটিব।

চৌধুৰী ঃ হেৰি! আমি, মানে মোৰ কথাই কৈছোঁ; ঘৰুৱা পৰিৱেশত থকা সাধাৰণ মানুহ। নিৰলস সাধনা বা ঐকান্তিক প্ৰচেষ্টাৰ কথা ক'ব নোখোজোঁ; *কিন্তু চৰিত্ৰত কোনোধৰণৰ চেক লাগিব দিয়া নাই।* বিবেককো সঠিক বিবেচনাৰ পৰা আঁতৰি যাব নোৱাৰাৰ বাবে পৰাপক্ষত লোভনীয় পথ এৰাই চলিবলৈ যত্নপৰ হৈছোঁ। কঠোৰ শ্ৰমক সংগী হিচাপে আদৰি লৈ সততা আৰু নৈতিকতাৰে মনোবল দৃঢ় কৰি জীৱন জখলাত খোজ দি গৈ আছোঁ। পিচ হুঁহকি অহাৰ কোনো দুৰ্বলতাই মনত প্ৰশ্ৰয় পোৱা নাই। আজিলৈ কাকো অন্যায় কৰা নাই বা আনৰ অহিত চিন্তও কৰা নাই। কাক কেনেকৈ নীতি-নিয়মৰ মাজেৰে যাওঁতে উপকাৰ কৰিব পাৰিছোঁ নিজেই ক'ব। কাৰোবাক কিবা সহায়-সহযোগ কৰি বিপদৰ শাম কটাইছোঁ বা জটিল ঘৰুৱা সমস্যা সমাধানত মোৰ অৰিহণা আছে বুলি দাবী কৰাৰ ভাবে মনত আঁসে পাব বুলি ভয় কৰোঁ। এজনক

উপকাৰ কৰিব যাওঁতে দহজনৰ অপকাৰ কৰা বা এজনক সুবিধা দি আন দহজনৰ অধিকাৰ খৰ্ব কৰা কাম কৰিবলৈ মনটোৱে সামাজিক দায়বদ্ধতাক বিব্ৰত কৰি তোলা নাই।

বৰুৱা : তাৰমানে আপুনি ক'ব খোজে যে সততা, নৈতিকতা আৰু মানৱতাই হিয়াক উজলাই থাকিলে আত্মপ্ৰচেষ্টা সফল হোৱাৰ সম্ভাৱনাই অধিক। যেনেকৈ সত্যৰ সদায় জয়, একনিষ্ঠ কৰ্ম আৰু অহিংসাই পোহৰ বিলায়; সেয়ে সত্য আৰু অহিংসাৰ প্ৰতীক মহাত্মা গান্ধী।

চৌধুৰী : থুলমূলকৈ ভাবিব পাৰি যে কাম, ক্ৰোধ, লোভ এই তিনি অনৰ্থৰ বিলোপ সাধনৰ পিচত নিষ্ঠা-কৰ্ম হাতত লৈ সৎ চিন্তা-চৰ্চা কৰাই হ'ল গৰমৰ চৰ্বত জ্ঞান। এনে কৰ্মই জীৱনৰ এক মনন শিল্প কলা হিচাপে হাতে-মনে যেতিয়া এক হৈ উঠিব, সুখ-আনন্দৰ সোঁত অবিৰাম বৈ থাকিব।

বৰুৱা : হেৰি, এনে চিন্তা-চৰ্চাই হ'ল এক সহজলভ্য আনন্দ আৰু ই বুদ্ধি, কৌশল বৃদ্ধিকাৰক। ই প্ৰকৃততে সভ্য মানুহৰ সংস্কৃতি— নিপুণৰ পৰা সু-নিপুণলৈ অবিৰত ইয়াৰ গতি। এনে মানুহে কাকো নিজৰ কামত হস্তক্ষেপ নকৰে, কাৰো উন্নতিত হেঙাৰ স্বৰূপ থিয় নহয়— বৰং সুখ-দুখৰ সমভাগী হয়; কাৰো জন্মগত স্বাধীনতাক আঘাত নকৰে, প্ৰতিজনকে স্ব-ইচ্ছাই নিজ মনে নিজৰ বাটত উন্নতি কৰাৰ আনন্দ মনে যোৱাটো বিচাৰে। আগ্ৰাসনক ঘৃণা কৰে আৰু সমাজ কল্যাণাৰ্থে স্ব-অধিকাৰো আপোচ কৰাটো বিচাৰে। এয়া হ'ল স্থিৰ চিত্তৰ লক্ষণ। সেইকাৰণেই কৃষ্ণ গীতাত ভগৱান শ্ৰীকৃষ্ণই অৰ্জুনক কৈছে—

ব্ৰহ্মভাব প্ৰাপ্ত যিটো তাৰ স্থিৰ চিত্ত।

অৰ্থাৎ পৰমাত্মা পৰম মহাজাগতিক শক্তিয়ে জীৱক পৰিচালনা কৰে। এনে পৰিপ্ৰেক্ষিতত্তে শ্ৰীমন্ত শংকৰদেৱৰ, 'প্ৰকৃতি পুৰুষ দুইৰো নিয়ন্তা মাধৱ। সমস্তৰে আত্মা হৰি পৰম বান্ধৱ।।' কথা ফাঁকিয়ে বৈজ্ঞানিক আৰু ধৰ্মীয় দৃষ্টিভংগী দাঙি ধৰিছে। প্ৰকৃতি (বসুমতী) পুৰুষ (সূৰ্য) দুয়োৰো সংগমত প্ৰাকৃতিক মহাজাগতিক ক্ৰিয়াৰ ফলত সৃষ্টি শক্তিৰ উন্মেষ ঘটিছে; বায়ু, তাপ, পানীৰ সহায়ত জীৱৰ আৰু উদ্ভিদৰ অংকুৰণ আৰু বৃদ্ধি উদ্দীপ্ত হৈছে।

চৌধুৰী ঃ সেয়েহে মই ভাবোঁ, এনে সু-উচ্চ, সু-বৃহৎ, মহৎ গুণসম্পন্ন মানব ঐক্যতা, মানব মুক্তি, মানবীয় গণতন্ত্ৰৰ সাধক, মুক্ত সংস্কৃতিৰ বাহক, মুক্ত বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰক, একশৰণ নাম ধৰ্মৰ প্ৰৱৰ্তক মহাপুৰুষ পৃথিৱীতে বিৰল। এনে বিৰল ব্যক্তিত্বৰ অধিকাৰীজনকে আঁকোৱালি লোৱাৰ ক্ষেত্ৰত অসমীয়া জাতিৰ ঐক্যতাত ফাঁক থকাৰ সন্দিহান হ'ব পৰে।

বৰুৱা ঃ ই স্বাৰ্থপৰতাৰেই লক্ষণ। এক প্ৰকাৰ মুক্ত স্বাধীনতা ভোগ কৰাত এক হস্তক্ষেপ প্ৰদান। ৰ'ব, মই আন এটা এক ধৰণৰ মানসিক প্ৰবৃত্তিৰ কথা দাঙি ধৰিম। চাওক, পতি-পত্নীৰ প্ৰেম-ভালপোৱা হীন যৌন ক্ষুধা নিবৃত্তিও এক প্ৰকাৰ ধৰ্ষণ বা বলাৎকাৰৰ লেখীয়া হস্তক্ষেপ কাৰ্য। বিচ্ছেদৰ ভয়ত দেহ বিক্ৰী বা বেশ্যালয়ৰ পৰা উদ্ধাৰ পোৱাৰ বাবে প্ৰমাণ-পত্ৰ হিচাপে বিবাহৰ ব্যৱহাৰ। এই কাৰ্য নাৰীৰ মোহনীয় ৰূপেই কৰা আকৰ্ষণৰ ফচল। সৰ্বাংগ সুন্দৰ মোহনীয় ৰূপৱতী নাৰীৰ সৃষ্টিৰ ৰহস্য দাঙি ধৰি G. B. Shaw ই তেওঁৰ, 'Man and Superman' ত কৈছে, 'The vitality in a woman is a blind fury of creation.' নাৰী স্ৰষ্টাৰ এক অন্ধ সৃষ্টি। অৰ্থাৎ নাৰীৰ যিটো প্ৰেম, বা ভালপোৱাৰ মোহময়ী ৰূপ, লাৱণ্যতা তাত মহাজাগতিক শক্তিৰ স্বতঃস্ফূৰ্ত সৃষ্টিৰ প্ৰবাহত অপৰূপ পৰশৰ চাপ আছে। সেয়েহে যৌন দুৰ্বলতা যাৰ থাকে তাৰ নিজ পত্নী যিমানেই ৰূপৱতী নহওক, আন গাভৰু নাৰীৰ প্ৰতিয়েই বেছি আকৃষ্ট হয়। কাৰণ যৌন ক্ষুধা নিবৃত্তিৰে জীৱন ভোগ কৰি সংসাৰ জিনিবলৈ চাই; ভালপোৱা আগবাঢ়ি নাযায়। বুঢ়া হয়, চৰিত্ৰৰ গা নলৰয়। প্ৰেম পূৰণৰ আকৃষ্টতাই খুচখুচাই থাকে মন।

চৌধুৰী ঃ ছাত্ৰ-শিক্ষকৰ সম্পৰ্কৰ দৰে আপুনিও থল চাই কঠীয়া সিঁচেহে। আপোনাৰ ক্ৰমাগত চিন্তা আৰু উপস্থিত বুদ্ধিক মানি নলৈ উপায় নাই। বাৰু, Woman vitality মানে কি বুজাব বিচাৰিছে।

বৰুৱা ঃ শুনক, Woman vitality মানে এই যে পাইছোঁ ৰুক্মিণীৰ মোহিনী ৰূপ দেখি স্বয়ং ভগৱান কৃষ্ণই প্ৰেমত পৰিছিল আৰু ৰূপৰ বাবেই ৰুক্মিণীয়ে যেতিয়া অহংকাৰ কৰিছিল লগে লগে ভগৱান অন্তৰ্ধ্যান হৈছিল; বুজাইছিল যে গৌৰৱ কৰিব পৰা অধিকাৰ কাৰো নাই।

নাৰীৰ দেহ, লাৱণ্যময়তা, সৰ্বাংগ সুন্দৰতা সকলো পৰমেশ্বৰৰ মহাজাগতিক শক্তিৰ সৃষ্টি। আৰু ই ভয়ানকভাৱে গঢ়া অপূৰ্ব সৃষ্টি। পৰম শক্তি স্বৰূপ মহাজাগতিক শক্তিয়ে এই সকলো শাসন কৰে। ইয়াৰ হৰ্তা-কৰ্তা-বিধাতা তেওঁৰেই। এইটো সৃষ্টিৰ মাহাত্ম্য, য'ত প্ৰেমৰ ডালত লহপহকৈ বাঢ়ি অহা এটা জীৱনে কাৰো ওচৰত সেও নামানে; এনে দিশতে প্ৰকৃত ত্যাগীয়ে লোভৰ ওচৰত নত নহয়।

এই প্ৰেম-ভালপোৱাৰ কাৰণেই পৃথিৱীত নাৰীক লৈয়ে ভয়ানক বিভীষিকাময়, মৰ্মান্তুদ ধ্বংসকাৰ্যবিলাক সংঘটিত হৈছে। অপ্ৰকাশিত প্ৰেমৰ বেদনাইয়ো কাৰোবালৈ অজানিতে ধ্বংস মাতি আনিছে। কোনোৱে এনে প্ৰেমত জীৱনভৰ ককবকাই থাকিব লগা হৈছে। এই অন্ধ সৃষ্টিৰ লয়লাস পৰশত ফুলি উঠা নাৰী যেন ৰঙা গোলাপ-কাঁইটৰ মাজৰ। কাৰোবাক স্পৰ্শতে বিন্ধে, কাৰোবাক ৰঙা গোলাপৰ পাহিৰে চুমা খায়। মনোমোহা সুকোমল লাৱণ্যময়ী সুন্দৰ কমনীয়তাৰে ভৰা দেহৰ লয়লাস গতিত চৌপাশে বিয়পি পৰে ওঁঠৰ ৰঙা পাহিৰ সুগন্ধি স্নিগ্ধতা। দুই পাহি এক হৈ যায়, আন দুই পাহিৰ স'তে; একেলগ হৈ হাঁহে, নাচে, খেল খেলে; প্ৰেমৰ তেজাল ঘোঁৰাত উঠি দৌৰে। সময়ৰ হিচাপ নাথাকে।

চৌধুৰী ঃ ৰ'ব, পুৰুষত্ব আৰু নাৰীত্বৰ পৰিপ্ৰেক্ষিতত এনে প্ৰেম মৰ্মে মোৰ কথা এটা মনলৈ আহিছে। গুটিৰ জন্ম আগত নে গছৰ জন্ম আগত, এনে কথাত ভগৱানৰ মাহাত্ম্যত মূৰটোও দো খায়, শেষটো হ'লে ঢুকি নাপায়। আমি বাৰে বাৰে অলৌকিক শক্তিৰ মহিমাক লৈ বাগৰ সলাই আছোঁ। বিজ্ঞান আৰু ধৰ্মক এবাৰ লগ লগাওঁ আৰু এবাৰ এৰি দিওঁ। বাৰু চাওক, যদি ভক্তিয়ে শক্তি বা নিষ্কাম ভক্তিয়ে মোক্ষ বা মুক্তি হয় আৰু মানুহখিনি যদি ইয়াতে মজি থাকে জীৱনৰ কৰ্ম আৰু ইচ্ছা শক্তি জড়িত কৰ্মৰ ক্ষেত্ৰত কি হ'ব?

বৰুৱা ঃ হেৰি, আত্ম জ্ঞানহীন কৰ্মৰ ফল কি হ'ব বা কু-চক্ৰৰ প্ৰতাৰণাত অন্ধ ঈশ্বৰ বিশ্বাসী হ'লে বা বৈজ্ঞানিক হৈ হৃৎপিণ্ড খান্দি জীউ পৰীক্ষা কৰিবলৈ গ'লে কি হ'ব আগতে কোৱা টান। আপুনিও দেখোন মতামত দাঙি ধৰিছে যে তথ্যৰে প্ৰমাণ কৰিব নোৱাৰাখিনিয়ে বিশ্বাসৰ

সাৰথি হয়। আমি আগতে প্ৰকাৰান্তৰে আলোচনা হৈ আহিছোঁ যে সংসাৰ চলিব লাগিব আৰু তাৰ বাবে কৰ্মও কৰিব লাগিব। এই কৰ্ম নিৰ্দ্ধাৰণত আসুৰিক প্ৰবৃত্তিসমূহে যাতে জীৱনটোক দুখ জাপি দিয়াৰ বাবে ভুল পথে পৰিচালিত কৰিব নোৱাৰে তাৰ কাৰণেহে আধ্যাত্মিক চিন্তা-চৰ্চা সাপেক্ষে আত্ম জ্ঞানৰ প্ৰয়োজন। মহাজাগতিক শক্তিৰ প্ৰাকৃতিক স্বতঃস্ফূৰ্ত ক্ৰিয়া প্ৰবাহৰ প্ৰভাৱ ৰীতি-নীতি মৰ্মে পৰিবই আৰু ই কৰ্মানুসাৰে হ'বই। সেয়েহে কয়, 'ভকতিত নিসিজে ভাত, যদিহে নাথাকে চৰুৰ তলত জুইৰ তাপ। লগতে কয়,' আ গ তে চাউল কঠা, পিচতহে হৰিৰ কথা।'

অ', ৰ'ব চুম্বকৰ উত্তৰ মেৰু আৰু দক্ষিণ মেৰুৰ আকৰ্ষণ পুৰুষ নাৰীৰ আকৰ্ষণৰ দৰে। উভয়ে প্ৰাকৃতিক আৰু মহাজাগতিক। চুম্বকৰ ক্ষেত্ৰত এই ধৰ্ম বা গুণ প্ৰকৃতিগত আৰু পুৰুষ-নাৰীৰ ক্ষেত্ৰত একেই প্ৰকৃতিগত মহাজাগতিক অন্তৰ্নিহিত প্ৰক্ৰিয়া। পুৰুষ-নাৰী ভেদে সকলোৱে একে জাতীয় খাদ্যই খায়। মাত্ৰ পোৱা যায় কোনবিধ খাদ্য খালে পুৰুষত্ব বাঢ়ে আৰু কোনবিধ খাদ্য খালে নাৰীত্ব বাঢ়ে। লগতে তেনে কেনেকুৱা বস্তু খালে যৌন উত্তেজনা বৃদ্ধি হয়। এই সকলো খাদ্য প্ৰকৃতিতে সৃষ্টি হয়; গতিকে এই বিভেদ প্ৰকৃতি সৃষ্ট পদাৰ্থই নিৰ্ণয় কৰে।

চৌধুৰী ঃ আপুনি নকয় কি, নহয় কি, সহজত আৰম্ভ কৰি গৈ থাকে উৎসাহ দি, উদ্‌গনি যোগাই মন নচুৱাই থাকে আৰু পঢ়ুৱাই পঢ়ুৱাই শিকাই থাকে। নাট্যকাৰ হেনৰি ইবচেনৰ নাটকৰ কথাৰ দৰে মন আকৰ্ষিত কৰে, মোক কিবা ছাত্ৰ বুলি ভাবিছে নেকিহে? অ' ৰ'ব, মোৰ কথা এটাই লুকাভাকু খেলাই আছে। আপোনাকো শিকাই দিওঁ; জনাত জানো বহু কথাই, কিন্তু আপোনাৰ নিচিনা ক'ব নোৱাৰোঁ। চাওক, আজি কি হৈছে— ধনে-জনে, বিদ্যাই-বুদ্ধি, চলে-বলে, কলা-কৌশলে, দুৰ্নীতি-ঠগনীতি, ফাঁকি-ফুকাৰে প্ৰতিপত্তি লাভ কৰিব পাৰিছে, তেনেহ'লে সমাজত আপোনাৰ জয়জয়, ময়ময় অৱস্থা। বাটৰ বিৰিণাডালেও নমস্কাৰ দি গলত গামোচা পিন্ধাই সম্বৰ্ধনা জনাব। য'তেই যায় আপোনাৰ ঠগামিৰ ফান্দত পৰা জনেও কিবা আশাত

অৱজ্ঞা কৰি হ'লেও মুৰ জোকাৰি সন্মান জনাব। সমাজৰ উচ্চ আসনখনে দুই বাহু মেলি আপোনাকে আদৰি নিব।

দেখিব স্বাধীনতা আপুনিহে ভোগ কৰিব পাৰিছে। আগবেলা যদি সংস্কাৰী পন্থা লৈছে, আবেলি কুসংস্কাৰী বাট ল'লেও আপোনাক দোষে নুচুব। এপিনে বৈজ্ঞানিক হওক, সিপিনে ডাইনী সন্দেহত কোনো মতবিৰোধীক মাৰি পেলাওক, আপুনি নিৰাপদে থাকিব পাৰিব। সফল জীৱন আপুনিহে ভোগ কৰিব পাৰিছে সমাজত।

আপুনি যদি দুখীয়া আপোনাৰ মানৱীয় মূল্য, জন্ম অধিকাৰ, মুক্ত স্বাধীনতা ধোঁৱা চাওত। তাতে আকৌ দেখিব ঠগবাজী, প্ৰৱঞ্চনা আৰু ভীতি প্ৰদৰ্শন আপোনাৰ ওপৰতেই অধিক। বাটৰ কুকুৰেও বাট এৰি নিদিব আপোনাক। ভুক ভুকাই খেদি আহিব বলিয়াক বাটৰ ল'ৰা-ছোৱালীয়ে খেদি ফুৰাৰ দৰে; আপোনাৰ অসহায় অৱস্থাত কোনোৱে হাঁহিব, কোনোৱে কেঁৰাহিকৈ চাই দূৰে দূৰে আঁতৰি যাব; আন কোনোৱে আকৌ পুতৌ লগা অৱস্থাক পৰিহাস কৰিব। কণ কণ ল'ৰা-ছোৱালীয়ে দূৰৰ পৰা খিলখিলাই হাঁহিব।

ৰাজনৈতিক বা সামাজিক কূট-কৌশলৰ গৰাহত একোজন আত্ম প্ৰত্যয়ী মানুহৰ থকা-সৰকা হ'বলগা অৱস্থা হয়। এই কূট-কৌশল-প্ৰৱঞ্চনাৰ ফলতেই এটা বিফলতাৰ পিচত আন এটা বিফলতাই গ্ৰাস কৰি জীৱন অস্থিৰ কৰি তুলিব। একোজনৰ নিঃস্ব দুৰৱস্থা, আন একোজনৰ ভোগৰ বিলাস-বহুল প্ৰাচুৰ্য। এয়া গণতন্ত্ৰৰ থৰক-বৰক নীতি চলি থাকে খোৱা-কামোৰা যুদ্ধৰ প্ৰীতি, তোষামোদকাৰী হয় লোভৰ বাট মুকলি হোৱাত মুগ্ধ।

সেয়ে, নিঠৰুৱাৰ বুকত তলা, মুখত তলা, হাত-ভৰি মাথোঁ খোলা; মূৰত বোজা, পেটত ভোক, সন্তান আছে ৰোগত ভুগি, কান্দিবলৈ নাই শক্তি, চকুত চকু পানী। আজি এনে সন্ধিক্ষণ উপবিষ্ট য'ত ঠগ-প্ৰৱঞ্চনা, ভুৱা-নীতি-দুৰ্নীতিয়ে বিশাল সাম্ৰাজ্য গঢ়িবলৈ হেতাওপৰা লগাইছে।

বক্তা : এতিয়া বুজিলেনে; আপুনিও ছাত্ৰ আছিল, ময়ো আছিলোঁ। আপুনিও এতিয়া শিক্ষক, ময়ো শিক্ষক। আপুনি কোৱাৰ দৰে মই ভবা কথা

ক'ব পাৰোঁ; দেখা গৈছে আপুনিও এতিয়া ভবা কথা ক'ব নোৱাৰা হৈ থকা নাই। ৰ'ব, মাজতে আৰু এটা কথা কৈ থওঁ, অনুভৱ কৰিলে আপুনিও বুজিব যে যিমানে বস্তুবাদী পৃথিৱীৰ পৰা, কাকো কোনো ধৰণে, যিকোনো বস্তু, কাম, কথাৰ আপত্তি নকৰাকৈ ওলাই আহিব পাৰিছে, সিমানে জ্ঞানৰডেউকাৰে সুখৰ আকাশত বগা বগলী হৈ উৰিব পাৰিছে। নীলাকাশৰ সুন্দৰৰ সন্ধানত আপোনাৰ উৰণ দেখি বহুতে আনন্দ লাভ কৰিছে। সেয়ে নিজৰ সুখৰ লগতে আনৰো সুখৰ কাৰণ হ'ব পাৰিছে। লগে লগে আপুনি জানিব যে আপুনি আপোনাৰ হৈ থকা নাই আৰু বুজিব যে আপুনি আপোনাৰ কাৰণে পৃথিৱীলৈ অহা নাছিল। অনুভৱ কৰিলে এইটো বুজিব যে ৰাতিৰ এন্ধাৰ গলিত ঘূৰি ফুৰাজনেটো আপোনাক দেখা নাপাব। আনকি বস্তুৰ পিচে পিচে অভাব পূৰাব নোৱাৰা অভাৱৰ তাড়নাত ঘূৰি থকাজনেও আপোনাক চাব নোৱাৰিব।

চৌধুৰী ঃ কি কম আপোনাৰ কথা!

বৰুৱা ঃ গতিকে নোকোৱাই ভাল; জানেই দেখোন, আজিকালি বেয়া ইমান বাঢ়িছে নোকোৱাই ভাল হৈ পৰিছে। তুফান, ধুমুহা, বতাহ, শিল-বৰষুণৰ পিচত সকলো চুচুৰ্মৈ হৈ নিজম পৰাৰ দৰে সকলো বেয়াৰো অন্ত পৰিব। বাৰু সুখৰ কথাৰ পৰা শিক্ষাৰ জগতখনলৈ আহোঁচোন।

চাওক আমাৰ দিনত ঘৰখন— গৰমৰ দিনত চোতালখন, চ'ৰাঘৰ, নামঘৰ, সমূহীয়া জিৰণিচ'ৰা প্ৰত্যেকেই একোখন একোখন অনানুষ্ঠানিক শিক্ষা কেন্দ্ৰ আছিল। আতা, আইতা, ককাদেউতা, ককাআইতা, খুড়া-খুড়ী, জেঠা-জেঠী তথা আবালবৃদ্ধ-বনিতা সকলো আছিল শিক্ষক-শিক্ষয়িত্ৰী; আমিবোৰ আছিলোঁ ছাত্ৰ। কিমান ঘৰুৱা জ্ঞান, সাৰুৱা কথা, ধৰ্মীয় জ্ঞান-ব্যৱহাৰ, আচৰণ, নীতি-নিয়ম, সামাজিক ব্যৱস্থা আদিৰ আভাস, মৰম-স্নেহ, শ্ৰদ্ধা-ভক্তিৰ পৰিৱেশৰ শিক্ষা পাইছিলোঁ। সাধুকথা, গল্প, কাহিনী, সংলাপৰ মাজেৰে বহুত কথা শিকিছিলোঁ। সেইখিনিয়েই আছিল আমাৰ শিক্ষা জীৱনৰ সম্বল। এই সমলখিনিয়ে আমাক মানুহ হিচাপে থিয় হোৱাত তথা শিক্ষা জীৱন প্ৰবাহত যথেষ্ট সহায় কৰিছিল।

এনে প্ৰাথমিক জ্ঞানৰ অভাৱত আজিকালি অভাৱনীয়ভাৱে ছাত্ৰ-ছাত্ৰী শিক্ষা গ্ৰহণত বাধাগ্ৰস্ত হৈছে। ফলত বাস্তৱ শিক্ষাৰ পৰিৱেশৰ অভাৱত ভাটৌ বিদ্যাৰ প্ৰতি ধাউতি বাঢ়িছে ল'ৰা-ছোৱালী, ছাত্ৰ-ছাত্ৰীৰ। পঢ়ে মানে পঢ়ে, পঢুৱাই মানে পঢুৱাই, ভিতৰত হ'লে একো নোসোমাই, বাস্তৱ কাহিনীৰ লগত যেন একো মিল নাখায়। পিঠিৰ মোটমৰা কিতাপ-বহী, পেঞ্চিলৰ যেন বোজাটোহে সাৰ।

চৌধুৰী ঃ তদুপৰি কি জানে, প্ৰতিঘৰ মানুহৰে গাঁওখনৰ প্ৰতিঘৰ মানুহৰ প্ৰতি ভালপোৱাৰ মনোভাব আছিল। কাৰো উন্নতিত আন কাৰো ঈৰ্ষা নাছিল; নিজৰ ল'ৰাই নোৱাৰিলেও আনৰ ল'ৰাই হ'লেও আগবাঢ়িছে, ইও সমাজৰেই কথা। ভাল কথা বুলি কোৱাই নহয়, মনেৰেও ভাবিছিল আৰু আশীৰ্বাদো দিছিল। দুখীয়া মানুহৰ ল'ৰাই খৰচৰ অভাৱত পঢ়া বন্ধ কৰিবলগা হ'লে দুই-চাৰিজনে মিলিজুলি পঢ়াৰ খৰচ বহন কৰিছিল। ছোৱালী বিয়া দিব নোৱাৰিলে গাঁওখনৰ মানুহে ধান-চাউল, বস্ত্ৰ-বস্তু, টকা-পইচা যিয়ে যি ধৰণে পাৰে সহায়-সহযোগ কৰি বিয়াখন পাতি দিছিল। কাৰোবাৰ মাটিৰ সীমাৰ গণ্ডগোল বা কাজিয়া লাগিলে সুন্দৰভাৱে কোনো ঘৰৰ প্ৰতি স্বাৰ্থ নাৰাখি উভয়ৰে উপকাৰৰ প্ৰতি লক্ষ্য কৰি সুমীমাংসা কৰি দিছিল। আনকি কোনো ডেকা ল'ৰাই বয়সীয়াল লোক বা ছোৱালী-তিৰোতাক কোনো অবাইচ মাত মাতিলে তাৰ দ্বাৰা ক্ষমা খোজাই বেয়া ব্যৱহাৰ আচৰণৰো সংশোধন ঘটাইছিল। এনে সমাজৰ সু-ব্যৱস্থাৰ মীমাংসাৰ মাধ্যমেৰে এটা আনন্দৰ আৰু ভৱিষ্যৎ এনে অশোভনীয় কাম হ'ব নোৱাৰাৰ বাবে শান্তিৰ পৰিৱেশ গঢ় দিছিল, য'ত আছিল মাত্ৰ আত্মীয়তা, মৰম, স্নেহ, ভালপোৱা শ্ৰদ্ধা, ভক্তি।

বৰুৱা ঃ আজি ইয়াৰ প্ৰতিটো কথাৰে বিপৰীত। যেনে— আনক সহায় কৰি লাভ কি? সিটো শলাগ নলয়। বিপদত টকা-পইচা দি সহায় কৰি খা-খবৰ লৈ লাভ কি? মোৰ বিপদত সিটো খবৰ নলয়। তদুপৰি মোতকৈ যদি তাৰ অৱস্থা ভাল হৈ যায়, তাৰ অহংকাৰতে মোৰ স্থিতাৱস্থাই হেৰাই যাব। আনহাতে আকৌ আনৰ উন্নতি ৰোধ কৰাৰ কথা ভাবোঁতে অজানিতে বহুতে জীৱন গাঁতত পৰি উজুটি খায়,

কোনোবাৰ চশমা ভাগি চকুদুটাও হেৰায়; নতুন এজোৰ কিনাৰ সামৰ্থ্যও নাই।

চৌধুৰী ঃ আচলতে আনৰ ভাল সহ্য কৰিব নোৱাৰাটোৱেই আজিৰ মানুহৰ ডাঙৰ অসুখ। আনক ডাঙৰ বুলি নিজে সৰু হয়নো কেনেকৈ? সেই সৰু হোৱাৰ বাটত যে ডাঙৰ মানুহজন লুকাই আছে ভাবিব নোৱাৰে। কল্পনা কৰিব নোৱাৰে মহাত্মা গান্ধীয়ে এখনৰ পিচত আনখন গাল পাতি দিয়াৰ কথা।

বৰুৱা ঃ এইটো সময়ৰ চৰিত্ৰ। আনৰ বেয়া হ'লে নিজৰ গা জুৰ পৰে, ভাল হ'লে দেইপুৰি মৰে। গ'মেই নাপায় তাৰ পিচফালে যে তুঁহ জুইকুৰাই গাৰ কাপোৰ চুই গৈছে। দিনে-ৰাতি নিজৰ নানা হাহাকাৰ, নানা অভাৱ-অনাটন, তথাপি নোৱাৰে এৰিব সময় কটোৱাৰ কপট স্বভাৱ।

চৌধুৰী ঃ হ'ব দিয়ক, যি ভাবে শিকা আৰু শিকোৱাৰ কথা কৈছে সকলো বুজিলোঁ, আপুনি শিকাইছে মই শিকিছোঁ আৰু মই শিকাইছোঁ আপুনি শিকিছে। আমি সংগসুখৰ সান্নিধ্যতহে এনে জ্ঞান আহৰণৰ সুবিধা লাভ কৰিছোঁ। কিন্তু শিক্ষক হোৱাৰ অৰ্থত সন্দিহান।

বৰুৱা ঃ কিয়, অতি সহজ কথা, বাস্তৱ ঘৰুৱা প্ৰাথমিক শিক্ষাৰ পৰিপ্ৰেক্ষিততে আপোনাৰ শিক্ষকতাই লুকাভাকু খেলি আছে। বাৰু চাওক, আপোনাৰ ল'ৰা-ছোৱালীক স্কুলত পঠোৱাৰ আগতে আনকি পিচতো ঘৰুৱা শিক্ষা দিছিল। যেনে— খোৱা-লোৱা-পিন্ধা, ফুৰা-চকাত মাৰ্জিত ব্যৱহাৰ তথা সৌজন্যবোধ, পঢ়া-শুনা, মাত-কথাত ধীৰ-স্থিৰ, নম্ৰ-ভদ্ৰ হোৱা, ডাঙৰ তথা বয়সীয়াল লোক, গুৰু, শিক্ষক-শিক্ষয়িত্ৰীক শ্ৰদ্ধা-ভক্তি কৰা, ধৰ্মীয় সামাজিক-সাংস্কৃতিক দিশত মহাপুৰুষ, মহামানৱ তথা সাহিত্যিক, বৈজ্ঞানিক আদিৰ জ্ঞানৰ আভাস দাঙি ধৰা নানা কথা। তাৰোপৰি গৰমৰ দিনত, আপুনিও গাঁৱতে আছিল, আকাশৰ জোনটো মূৰৰ ওপৰত লৈ চোতালত ঢাৰিখন পাৰি বিচনীখনৰ বা দি ল'ৰা-ছোৱালীক ৰামায়ণ, মহাভাৰতৰ কাহিনী, আৰব্য উপন্যাস নাইটচৰ গল্প, টলষ্টয়ৰ সাধু, লক্ষ্মীনাথ বেজবৰুৱাৰ খুহুতীয়া গল্প আদি নানা কথা, ধৰ্মীয় ভাব, সজ আচৰণ, সৎ ব্যৱহাৰৰ জৰিয়তে বিভিন্ন দিশৰ জ্ঞান দিছিল। এনে প্ৰাৰম্ভিক শিক্ষাৰ লগত স্কুলৰ শিক্ষা লগলাগি পূৰ্ণাংগ শিক্ষা অৰ্জনত আগবাঢ়িছিল।

সেই কাৰণেই আপোনাৰ ল'ৰা-ছোৱালীয়ে নিজৰ নিজৰ জীৱন গঢ়ি ল'ব পাৰিছে।

ইয়াৰ লগতে পৰিৱেশৰ আনুষংগিক লাগতিয়াল কথা মাকে ল'ৰা-ছোৱালীৰ প্ৰতিপালনৰ ক্ষেত্ৰত বা এনে সম্পৰ্কৰ সজ্ঞ কথাত পুত্ৰ স্নেহৰ বাবে কিবা ভুল কৰিলে আপুনি শুধৰাই দিয়া আদি নানা কথাৰ গৃহ শিক্ষা দিছিল। কাৰণ কেঁচুৱাৰ বাবে মাকৰ কোলাখন এখন গৃহ বিদ্যালয়। মাক গৃহ শিক্ষয়িত্ৰী। গৰ্ভৰ সুপ্ত শিক্ষাৰ পিচতে জীৱনৰ প্ৰথম বাহ্যিক শিক্ষা ইয়াতে আৰম্ভ হয়। তাৰ পিচতে পিতৃ, পৰিয়াল, ঘৰ, গাওঁ, সমাজ আটাইখিনিৰ গুণগত দিশৰ ওপৰতে নিৰ্ভৰ কৰে ল'ৰা-ছোৱালীৰ জীৱন আৰু সামাজিক সংস্কাৰ সাপেক্ষ শিক্ষা। ল'ৰা-ছোৱালীৰ শিক্ষাৰ ক্ষেত্ৰত এই সকলোবোৰৰ প্ৰভাৱ অপৰিহাৰ্য। মাকৰ মৰম আৰু আপোনাৰ কঠোৰ শাসনো শিক্ষা অৰ্জনত পৰিপন্থী হ'ব বুলি আপুনি সদায় সজাগ আছিল। সযতনে (Carefully) ল'ৰা-ছোৱালীক বুলাই (Handle) বুলাই আনিব নোৱাৰিলে কঠোৰ শাসন ফলৱতী হোৱাৰ অন্তৰায় হয়।

এটা উদাহৰণ দিম এনে মনস্তাত্বিক সম্যক জ্ঞানৰ— মন কৰক। গৰমৰ দিনত এদিন দুপৰীয়া গছ এডালৰ ছাঁত বা লৈ চাৰিজনমান ল'ৰা আৰু দুজন মতা মানুহে আড্ডা মাৰি আছিল। কাষত এটা গড়খাৱৈ। হঠাৎ মতা মানুহ এজনৰ গালত মহ এটাই কামোৰা দেখি মহ মৰাত আৰাম পোৱা এজন ল'ৰাই নভবাকৈয়ে গালত মহটো উৰি যাব বুলি গাৰ বলেৰে চাপৰ মাৰি দিলে। মানুহজনে দুখ পোৱাই নহয়, গালত চৰিওৱা বুলি ভাবি অপমানবোধ কৰিলে। বাকীখিনিয়ে খিলখিলাই হাঁহি দিলে। মহ মাৰা ল'ৰাজনেও সেই হাঁহিত মিচিকিয়া হাঁহি মিলালে। মানুহজনে এনে এটা চৰ শোধালে ল'ৰাজনক যে সি গড়খাৱৈত বাগৰি পৰি গ'ল। সুষম পৰিৱেশ বিষম হৈ গ'ল

পলকতে। ইয়ে শেষত কাজিয়াত পৰিণত হ'ল। দোষ যেন কাৰোৱেই নাই, ঘটনাটো কিন্তু ঘটি গ'ল। উভয়ৰে কিন্তু প্ৰাৰম্ভিক জ্ঞানৰ অভাৱ পৰিলক্ষিত হ'ল। ল'ৰাজনক শিকোৱাৰ কাৰণে, পিতৃ-মাতৃয়ে সন্তানক

শিকোৱাৰ দৰে, এটা সুবিধা পাইছিল— বহুত জ্ঞান দিয়া সুবিধা; কিন্তু লাভ কৰিব নোৱাৰিলে মানুহজনে।

চৌধুৰী ঃ আপোনাৰ ঘৰুৱা বাস্তৱ শিক্ষাৰ শিকলিৰে মোক এনেকৈ আটি আটি বান্ধিলে হাতে-ভৰি-বুকুৰে যে মোৰ হয় বুলি কোৱাত বাহিৰে অন্য উপায়ৰ আশ্ৰয় ল'ব নোৱাৰোঁ। আচলতে মোৰ প্ৰয়াত গৃহিণীহে বেছি কাহিনী সদৃশ কথাৰে এনে সজ আৰু বাস্তৱ শিক্ষা দিছিল। যেনে— ভাত খুৱাওতে বিপ্ৰ দামোদৰৰ ঘৰত কৃষ্ণ গোসাঁই ভাত বিচাৰি আলহী হোৱাৰ কথা, কাপোৰ পিন্ধোৱাত দ্ৰৌপদীৰ বস্ত্ৰ হৰণৰ কথা; কোনো বস্তু দলিয়াই বেয়া কৰিলে কৌৰৱৰ অসূয়া কৰ্মৰ কথা; যেনে— গছৰ পৰা পেলাই দিয়া, ঘৰত জুই লগাই মাৰিব বিচৰা আদি বেয়া কথাৰ বাবে হোৱা ধ্বংসৰ কথা, পঢ়া-শুনাৰ লগতে খেলা-ধূলাৰ পৰিপ্ৰেক্ষিতত অৰ্জুনে ধনুৰ্বিদ্যাৰ উপৰিও বৃহন্নলাৰ ছদ্মবেশ ধৰি গন্ধৰ্ব বিদ্যা শিকোৱা আৰু মাছৰ চকুত ওপৰফালে চাই লক্ষ্যভেদী শৰ মৰা আদি নানা শিক্ষা প্ৰয়াত গৃহিণীয়ে দিছিল।

বিশেষকৈ আত্মবিশ্লেষণৰ উদ্দেশ্যৰে কৈছিল, 'বাবা, আনে বেয়া কথা, বেয়া কাম কৰিলেও তুমি নকৰিবা; দোষ-গুণ মানুহৰ থাকেই। দোষ এৰি গুণটোহে ভাল মানুহে বিকাশ হ'বলৈ দিয়ে। আনলৈ নাচাবা, নিজৰ কি ভুল হৈছে আগতে বিচাৰি চাবা। ভালে সদায় ভালটো, বেয়াই সদায় বেয়াটোহে ভাল পায়। চোৱা, দশৰথ ৰজাক ফোঁহোৰা (Boil) হুপি বিষ-বেদনাৰ পৰা উদ্ধাৰ কৰি কৈকেয়ীয়ে অভিসন্ধিমূলকভাৱে ৰামক বঞ্চিত কৰি পুত্ৰ ভৰতক ৰজা পতাৰ সুযোগ নল'লেহেঁতেন ভাল হোৱা হ'লে। ভৰতেও বেয়া হোৱা হ'লে ৰজা হোৱাৰ সুযোগ হাতৰ পৰা পিছলি যাব নিদিলেহেঁতেন। তেতিয়া মহানুভৱ ভৰত নহৈ দুষ্ট ৰজা ভৰত হ'লহেঁতেন।' তেওঁৰ স্বৰ্গত বাস হওক, আত্মাই তাত চিৰশান্তি লাভ কৰক, এয়ে ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা। হেৰি, চাওক, কৈকেয়ী হ'ল আজিৰ ৰাজনীতিবিদ আৰু ভৰত হ'ল সত্য যুগৰ ৰামৰ প্ৰকৃত ভাতৃ, দশৰথৰ সুপুত্ৰ।

এই সুযোগতে আপোনাক অৱগত কৰোঁ যে পূৰ্ণিমা ৰাতিৰ আকাশৰ তলত গৰমৰ দিনত চোতালত ঢাৰিৰ ওপৰত বহি সাধু

কথা কৈ যি আমেজ পাইছিলোঁ সেই স্মৃতিয়ে আজিও মোক সজীৱ করি ৰাখিছে। আজিৰ এই কৃত্রিমতাৰে ভৰা দিনত সেই পুৰণি স্মৃতিয়ে কিমান যে আনন্দ দিয়ে! এয়া আজি এক নষ্টালজিয়া।

বৰুৱা : সেই কাৰণে John Dewey য়ে কৈছে, 'All Education proceeds by the participation of the individual in his social consciousness of the race.' পৰিৱেশৰ লগত শিশুৰ আন্তৰিক ক্রিয়া এটা অনবৰতে সংঘটিত হৈ থাকে। এয়া মহাজাগতিক শক্তি ক্রিয়াৰ দৰে। যেনে— ধৰক অন্ধ ল'ৰা এজনে গৰম পানীত হাতখন দি গৰমৰ বুজ লয়, বৰফ এটুকুৰাত হাত দি শীতৰ সেমেকা অনুভূতি আয়ত্ব কৰে। এনেদৰে পঞ্চেন্দ্রিয়ৰ সহায়ত পৰিৱেশৰ অভিজ্ঞতাৰ দ্বাৰা মনে যি জ্ঞান আয়ত্ব কৰে তাৰ লগত আন্তৰিক ক্রিয়া-প্ৰবাহ অনবৰতে চলি থাকে। শিশুৰ এনে পৰিৱেশৰ অভিজ্ঞতাই শিক্ষাগ্ৰহণত যথেষ্ট সমল যোগায়। পূৰ্ণ শিক্ষা অৰ্জনত ইয়ে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। এনে জাতীয় শিশু ডাঙৰ হ'লে সৰ্বদিশত সিদ্ধহস্ত হয়। এই পৰিপ্ৰেক্ষিততে কয়, 'Life is education.' এনে বাস্তৱ পৰিৱেশৰ অভিজ্ঞতাৰ অভাৱৰ বাবে আজিৰ শিশু আৰু আগৰ শিশুৰ মাজত যথেষ্ট প্ৰভেদ পৰিলক্ষিত হয়। গীতাত কৈছে—

বিষয়সহিত ইন্দ্ৰিয়ৰ সংযোগত।
নানা বিষয়ক জ্ঞান ওপজে মনত।।

চৌধুৰী : আপুনি আগতে জন্মগত সম্পদৰ কথা ক'লে আৰু এতিয়া পৰিৱেশৰ প্ৰভাৱৰ ফলত সৃষ্ট সম্পদৰ কথা ক'লে। দুয়োটা সম্পদে ব্যক্তিত্ব গঠনত কিভাৱে প্ৰভাৱ পেলায়।

বৰুৱা : জন্মৰ সম্পদ হ'ল প্ৰকৃত সম্পদ; এই সম্পদ দুই ধৰণে আহি লগ লাগে মাতৃৰ গৰ্ভত। এটা পূৰ্বজন্ম কৰ্মফল স্বৰূপে সংস্কাৰী আত্মা (সূক্ষ্ম সত্তা) আৰু আনটো সংস্কাৰী দেহৰ ঔৰস (স্থূল সত্তা)। প্ৰথমটো হ'ল আগতে প্ৰকাশ কৰা মৰ্মে গীতাৰ ভাষ্য অনুসাৰে সিদ্ধ।

পূৰ্বজন্ম কৰ্মফলে দৈৱী সম্পদক।
ভোগ কৰিবলৈ জন্মে যিটো জ্ঞানী লোক।।

মাতৃগৰ্ভত বৃদ্ধিৰ সময়ত প্ৰকৃতিৰ আভ্যান্তৰিক স্বতঃস্ফূৰ্ত

মহাজাগতিক ক্রিয়া-বিক্রিয়াৰ ফল আৰু পৰিৱেশৰ ক্রিয়া-বিক্রিয়া লগলাগি এক হৈ সৃষ্ট ঠাঁচ (Mould) সম্পদেই হ'ল প্রকৃত সম্পদ তথা জন্মগত প্রতিভা। এই সম্পদখিনি লৈ জন্মগ্রহণ কৰে, তাৰপিচত পৰিৱেশৰ প্রভাৱতে— 'যি মূলা বাঢ়ে তাৰ দুপাততে চিন'ৰ দৰে হয়। জন্ম তথা বীজৰ অংকুৰণ হ'ল ঠিকেই, কিন্তু সু-পৰিৱেশ তথা সাৰ-পানী-বায়ু-তাপ নাপালে মৰহি যাব। প্রতিভা বিকাশতো তদ্রূপ।

চৌধুৰী ঃ জন্মগত প্রতিভা আৰু বাহ্যিক প্রতিভাৰ মিলন শক্তিৰ ওপৰত নির্ভৰ কৰে বৌদ্ধিক বিকাশ সাপেক্ষে ব্যক্তিত্ব। বাৰু, এতিয়া মোৰ নিজৰ কথালৈ আহো। মই ছোৱালীজনীক (সহকর্মচাৰী) ভাল পাইছিলোঁ, কিন্তু আগবাঢ়িব নোৱাৰিলোঁ। এই ভালপোৱাই জীৱনটো ফাঁকে ফাঁকে জোঁকাৰিও থাকিল, কিয় বাৰু? এনে দিশত ভাবকচোন।

বৰুৱা ঃ আপোনালোকৰ প্রেমৰ জন্ম হ'ল পৰিৱেশ সাপেক্ষে আৰু এই প্রেমে আত্মা-মন চুই গ'ল ইন্দ্রিয়ৰ সহায়ত। যোগাযোগৰ অভাৱত এই আত্মিক প্রেম বান্ধোনৰ লগত উভয়ৰে তেজ-মঙহৰ তাড়নাৰো সংযোগ ইন্দ্রিয়ই কৰিব নোৱাৰিলে। চকুৰ চাৱনি, মুখৰ লাৱনী, ভাষাৰ লালিত্য, স্পর্শৰ প্রভাৱত যি প্রেমৰ উদয় হ'ল, আত্মাৰ বান্ধোন হিচাপে বৈ গ'ল। ব্যক্ত হৈয়ো অব্যক্ত হৈ বৈ গ'ল আপোনালোকৰ প্রেম। প্রকৃততে এই প্রেমে মিঠা বাতাৱৰণ নাপালে। ফলত সুপ্ত প্রেমৰ সুঁতি হৈ মনৰ গভীৰ নদীত বৈ থাকিল। অর্থাৎ সাৰ-পানী নাপালেও প্রেমৰ বীজ অংকুৰিত হৈ শুকাই মৰহি নগ'ল। বায়ৱীয় শীতৰ সেমেকা পৰশত মৰি মৰি জীয়াই থাকিল। সেই কমলাটেঙা খাব খোজা ল'ৰাজনৰ অভাৱ পূৰণৰ বাবে বৈ থকা ইচ্ছাৰ দৰে।

এই যে, সাৰ-পানীৰ কথা ক'লোঁ, এয়া কি জানে প্রেমৰ কাঁইট। ই বুকুত বিন্ধিলে কলিজাৰ তেজ সৃষ্টিৰ কালজয়ী আৱেগৰ সোঁত হৈ বৈ থাকে। আপোনাৰ প্রেমেও ডাণ্টেৰ বিয়েট্রিছৰ প্রেমৰ দৰে গাঢ় ৰূপ ল'লেহেঁতেন, যদিহে প্রেমৰ কাঁইটে বুকুত বিন্ধি তেজ উলিয়াই দিলেহেঁতেন। তেতিয়া আমাৰ বিহগী কবি ৰঘুনাথ চৌধাৰীৰ দৰে লিখিলেহেঁতেন—

দুখীয়াৰ লাই-লোটা ভিক্ষাৰ সঁজুলি

সিয়ে হ'ব মোৰ চিৰলগৰী।
আপুনি লিখিলেহেঁতেন—
অভগাৰ পাট পিছা লিখাৰ বটালি
তাকে লৈ হ'ম হিয়াৰ ভিক্ষাৰী।

এনে কোনো প্ৰেমৰ গভীৰ উত্তাপেই অনুভৱ কৰিব নোৱাৰিলে বা প্ৰেমৰ বিফলতাৰ উত্তপ্ত অনুভূতিৰে অনুতপ্তও হ'ব নোৱাৰিলে, নাইবা আনকি 'চকুৰ আঁতৰ হ'লে মনৰ আঁতৰ'ও হ'ব নোৱাৰিলে। যেন প্ৰকৃত প্ৰেমৰ শেষৰ জয়লৈ ৰৈ থাকিল সংগোপনে।

চৌধুৰী : আপোনাৰ কথাৰ আঁত ধৰিব বিচাৰোতে আত্মাৰ বান্ধোন সম্পৰ্কে মোৰ আন এটা কথা মনলৈ আহিল।

বৰুৱা : কি কথা?

চৌধুৰী : কথা মানে, আমাৰ যে চোকা বা তীক্ষ্ণবুদ্ধিৰ ল'ৰা-ছোৱালী কিছুমানে সুন্দৰভাৱে পঢ়া-শুনা কৰি বিদেশত চাকৰি সূত্ৰে যায় আৰু ঘূৰি নাহে। মাক-দেউতাকে পৰীক্ষাৰ ফলাফলত যি হৃদয় উপচি পৰা আনন্দ, উৎসৱ উপভোগ কৰি মিঠাই-চাহেৰে অতিথিক আপ্যায়িত কৰিছিল তাৰ প্ৰতিটো সুখৰ পাহিতে অকলশৰীয়া বৃদ্ধ ক্ষয়িষ্ণু জীৱনৰ দুখৰ চকুলো দুগালে তিতিলে। মৃত্যু শয্যাত হাত খেপিয়াই কাকো নাপাই প্ৰাণটোৱে হাঁহাকাৰ কৰে। চাওক, পেটত লাগি আছে দেশৰ ভাত, অৰিহণা যোগায় বিদেশত। পিতৃ-মাতৃৰ অন্তিম কালত পুতেক ব্যস্ত হয় চাকৰিৰ মায়াত।

বৰুৱা : এনে পৰিপ্ৰেক্ষিতত আপোনাৰ প্ৰেমৰ কথাই উল্লেখ কৰিবলগা হ'ল। চাওক, আপোনাৰ লগৰ যিজনী গাভৰু ছোৱালীৰ প্ৰেমৰ অংকুৰণ হৈছিল, সেয়া সাৰ-পানী-বায়ু-তাপৰ অভাৱত উদ্ভিদ মৰহি যোৱাৰ দৰে নগ'ল। উভয়ৰে হিয়াত দ'কৈ শিপাই লোৱা আত্মিক বান্ধোন ৰৈ গ'ল কোনো পৰজনমৰ মিলনৰ অপেক্ষাত, পূৰণ হ'বলগীয়া এক অভাৱ হৈ। ঠিক তেনেদৰে এই ল'ৰা-ছোৱালীৰ আত্মিক বান্ধোন সজীৱ হৈ নাথাকিল। যি দেশৰ বায়ু-পানী খাই মাতৃৰ কোলাত ডাঙৰ-দীঘল হ'ল, সেই মাতৃকে পিচ দি গ'ল নিজৰ সুখ-স্বাচ্ছন্দ্যৰ কাৰণে। John Keats ৰ Nightingale চৰাইৰ দৰে দূৰ-দূৰণিৰ নিৰ্জন

বনত অকলেই সুখৰ জ্ঞান দি থাকে। কিন্তু Wordsworthৰ দৰে Skylark পখী হৈ নিজক গঢ়ি বহু ওপৰলৈ গৈ আকৌ অঙহী-বঙহী স্বৰূপ বাঁহৰ পোৱালিবোৰৰ খবৰ ল'বলৈ নাহে। এনে মানুহৰ মৃত্যুত দেশে দুখ নকৰে। এনে আত্মা মিত্ৰ হৈ আহে আৰু শত্ৰু হৈ গুচি যায়। কোনো পূৰ্বজনমৰ কোনো অভাৱ পূৰণৰ দৰে এয়াও কোনো নিৰ্দিষ্ট সময়ৰ বাবে আহে।

চৌধুৰী ঃ এতিয়া মোৰো ধাৰণা এনে হৈছে যে পতি-পত্নীৰ কাজিয়া, পতিৰ পত্নী নিৰ্যাতন, হত্যা, পত্নীৰ পতি হত্যা, বা প্ৰেমিক-প্ৰেমিকাৰ মিলনৰ আগেয়ে উভয়ৰে বা কোনোজনৰ মৃত্যু হ'লে হয় পূৰ্বজনমৰ অভাৱ পূৰণ লেখীয়া আত্মাৰ প্ৰতিহিংসা নহ'লে পৰজনমৰ মিলন অৱশ্যম্ভাৱী। ধৰ্ষণৰো ক্ৰিয়া-বিক্ৰিয়া এনেধৰণৰ। পূৰ্ব জন্মৰ প্ৰতিশোধ স্বৰূপ ক্ৰিয়া?

বৰুৱা ঃ এনে সম্পৰ্কত শ্ৰীকৃষ্ণই অৰ্জুনক কোৱা কৃষ্ণগীতাৰ কথাফাকি মন কৰক—

বহুজন্ম সাধনাত সিদ্ধি লভে গয়া।।

অৰ্থাৎ— বহু জন্ম পাৰ হৈয়ো অভাৱ পূৰণ সম্ভৱ হ'ব পাৰে। নাৰদে, মাতৃৰ সৰ্প দংশনত মৃত্যু হোৱাৰ পিচত ঋষিয়ে কোৱামতে আহত গছৰ তলত ধ্যান কৰি থাকোঁতে হৃদয়ত শ্ৰীকৃষ্ণ দৃশ্যমান হোৱা দেখিছিল। শেষত মানৱ দেহৰ পতন হয় আৰু ব্ৰহ্মাৰ মানস সন্তান ৰূপে আৱিৰ্ভাৱ হৈ স্বৰ্গ, মৰ্ত্য, পাতাল বিনা বজাই ভগৱানৰ গুণানু কীৰ্তন কৰিব পৰা হয় তেনেদৰে। এই সিদ্ধি লাভ হোৱাৰ আগতে অসূয়া কৰ্ম কৰাজনৰ জন্ম সম্পৰ্কে ৰামায়ণত কৈছে—

পূৰ্বত ব্ৰাহ্মণ আসি অধৰ্ম কৰিল।
সেহি পাপে চণ্ডালযোনি উপজিল।।

দেখা যায় ক্ষোভে ঈৰ্ষাক আদৰণি জনায়। ঈৰ্ষাই মৰম-ভালপোৱা, প্ৰেমকো ঘৃণালৈ পৰ্যবসিত কৰে। ঈৰ্ষাই ভগৱানকো কেৰেপ নকৰে। ৰামায়ণ, মহাভাৰত দুখন মহাকাব্য বুলি যিয়ে জানে, দশৰথে কৌশল্যাক কৰা অধিক মৰমে কৈকেয়ীৰ ঈৰ্ষাত জুই জ্বলাই দিছিল আৰু দুৰ্যোধনৰ ঈৰ্ষাই আছিল মহাভাৰতৰ যুদ্ধৰ যে কাৰণ

জানে। দুয়োটা ঈৰ্ষাই হাতবাউলি মাতিছিল ধ্বংসক। গীতাৰ এই কথাকেইফাকি আখৰে আখৰে যে প্ৰতিফলিত হৈছিল এই মহাকাব্যত এয়ে নহয়, আজিৰ সভ্য সমাজত ঈৰ্ষাৰ ব্যৱহাৰো হৈছে বেছি আৰু পতনৰ মুখো দেখা গৈছে অধিক।

শেক্সপীয়েৰৰ 'অথেলো' নাটকত ঈৰ্ষাৰ ঘৃণিত ৰূপ প্ৰকাশ হৈছিল এনেদৰে— 'I have killed my love. ডেছ ডেমোনাক হত্যা কৰাৰ স্বগতোক্তিও প্ৰকাশ পাইছিল এনেদৰে, 'O, beware my lord of jealousy! It is the green eyed monster, which do the mock, the meat it feeds.'

চৌধুৰী ঃ অ' সেই কাৰণেই জ্ঞানীলোকে কয়— সম্ৰম-শ্ৰদ্ধাকহে আদৰণি জনাবা; ঈৰ্ষা নামৰ এই দৈত্যটোক সদায় দূৰতে ৰাখিবা। ই এবাৰ মনমন্দিৰত সোমাব পাৰিলে মন্দিৰ ধ্বংস কৰিহে ক্ষান্ত হয়; লগতে কয়, নিজক ভালদৰে জীয়াই ৰাখিবলৈ হ'লে নিজৰ ভালখিনিৰহে ব্যৱহাৰ কৰিবা। ই 'কিনি অনা হাঁহৰ ঠোঁটলৈকে মঙহ'ৰ দৰে তৃপ্তিৰে চিৰসুখী কৰে। নিজৰটো বেয়া বা কম, আনৰটো ভাল বা বেছি, এইভাবে পতনক বাদে আন একো উপকাৰ সাধন নকৰে। আৰু কয়, 'আনৰ কঠীয়া দেখি ভুইতলী প্ৰস্তুত নকৰিবা সখি।'

বৰুৱা ঃ সেইটোৱেই কথা। আনক দেখি নিজৰ কামটো সেইভাবে হাতত ল'লে আশাই পাহি নেমেলে। ধনীক দেখি কৰা দুখীয়াৰ ফেশ্বনে দৰিদ্ৰহে কৰে। ইবিলাক আত্মাৰ বিচাৰ্য বিষয় আৰু পৰিবেশ সাপেক্ষ কথা। চাওক, দেখাক দেখি প্ৰেম কৰিলে, আগ-গোৰ নাভাবিলে; বিফল হৈ মদত ধৰিলে। অভাৱৰ তাড়না, মদে খালে কলিজা। কোনোজনে ভাল পাই বিয়া কৰালে, মন নিমিলে মদত ধৰিলে; মদে জীৱনৰ অৱসান ঘটালে। এয়া প্ৰকৃততে প্ৰেম নহয়। প্ৰকৃত প্ৰেমিকে নিষ্ঠা-কৰ্মৰহে হাতত ধৰে। বিফলতাৰ ওচৰত নতশিৰ নহয়। জীৱন প্ৰবাহৰ গতিত যি কাম হাতত পৰে নিষ্ঠাৰে সমাপন কৰে। সেয়েহে ধৰ্ম, ভালপোৱা ছোৱালীজনী বিয়া কৰাব নোৱাৰিলে মৰি নাযায়। বৰং হিংসাই যোগোৱা প্ৰেৰণাৰ দৰে বিফলতাৰ উচাহে মৌলিকত্বৰে অভিনৱ সৃষ্টিৰ উদয় ঘটায়। এয়া আত্মপ্ৰেমৰে কথা।

চৌধুৰী ঃ আত্মা সম্পৰ্কত মই মা-দেউতাৰ কথা অলপ দাঙি ধৰিম। আপুনি ক'ব কি আত্মা।

বৰুৱা ঃ ৰ'ব, তাৰ আগতে আপোনাৰ কথাৰ পৰিপ্ৰেক্ষিতত মন আৰু ইয়াৰ সহচৰ ইন্দ্ৰিয়ৰ সম্পৰ্কত গীতাৰ কথাফাকি কৈ থওঁ—

নিষ্পাপ সংশয়হীন ইন্দ্ৰিয় সংযত।
সমস্ত প্ৰাণীৰ কল্যাণত সিটো ৰত।।

এয়াই চাওক, প্ৰাণী মাত্ৰৰে তেজ-মঙহৰ যিটো লিপ্সা সকলোৰে একে— বিশ্বজনীন। ইন্দ্ৰিয় নিষ্পাপ, সংশয়হীন আৰু সংযত। এই যে কাম, ক্ৰোধ, লোভ আদি সকলো ইচ্ছা বশতঃ পৰিবেশ সাপেক্ষ আত্মা জড়িত ক্ৰিয়া-প্ৰক্ৰিয়া। সেই কাৰণেই গীতাত কৈছে—

কাম-ক্ৰোধ-মুক্ত চিত্ত সংযমিত।

বাৰু, কওকচোন কি ক'ব বিচাৰিছে।

চৌধুৰী ঃ মই তেতিয়া স্কুলীয়া ছাত্ৰ। সেইদিনা স্কুল বন্ধ; পথাৰৰ পৰা ভুঁই ৰুই আহি দুপৰীয়া ঘৰৰ দুৱাৰমুখ পাইছোঁহি। গা-হাত-ভৰিত বোকা মাটি ভৰা। স্কুলীয়া দুজন ছাত্ৰ বন্ধুৱে মোক বিচাৰি আহি দুৱাৰ মুখত লগালগি হ'ল। মোক দেখি অবাক, সিহঁতে ভবা নাছিল মই পথাৰত এনেকৈ কাম কৰোঁ বুলি। তেতিয়াৰ দিনত গাঁৱত আমাৰে আছিল ভাল অৱস্থা। তাতে আকৌ মই বৰ শান্ত বুলি কোৱা শুনিছিলোঁ। সেই কাৰণেই ছাৰসকলেও মোক ভাল চকুৰে চাইছিল।

যিয়েই নহওক, মোৰ কাম কৰাৰ এটা ৰুচিও আছিল। চ'ৰা ঘৰত দুয়োকো বহিব দি বোকা-মাটিৰে ভিতৰত গৈ মাক মনে মনে সুধিলো, 'বন্ধু দুজনে ভাত খালে আঁটিবনে?' মাই তপৰাই মাত দিলে, 'আঁটিব যা, গা ধুই আহগৈ।' তিনিও একেলগে পীৰা পাৰি বহি পেটপূৰাই ভাত খালোঁ। মনতে বৰ ভয়, 'মা'ৰ কিজানি কম হয়। পিচত দেখিলোঁ চব ঠিক। অজানিতে এটা ঐশ্বৰিক ভাব সোমাই গ'ল মনত। এই যে লক্ষ্মী গৃহিণী বুলি কয় বুঢ়া মানুহে, 'মা'ও নেকি?

স্কুলত বঁটা বিতৰণি সভা আৰু নবাগত আদৰণি সভাত নিৰ্দিষ্ট বক্তাৰ পৰা দুই-চাৰিষাৰ জানিছিলোঁ যদিও স্পষ্টভাবে একো বুজি পোৱা

নাছিলোঁ। মই আগভাগ লৈ গাঁৱত এটা পুথিভঁৰাল সাজি দুই-চাৰিখন কিতাপৰ লগতে 'মহাভাৰত'খন কিনিছিলোঁ। পিতাই সেইখন আনি ইজনে-সিজনে মিলি পঢ়ি অৰ্থবিলাক বুজাবুজি কৰিছিল। চাহ-পানীৰ যোগাৰ সম্পৰ্কত আহ-যাহত মাজে মাজে ইযাৰ-সিযাৰ কৈ কিছু কথা বুজাতহে ধৰ্ম শিক্ষাৰ অংকুৰণ হৈছিল। পূৰ্ব জন্মত ব্ৰাহ্মণৰ ঘৰত থকা দাসীৰ পুত্ৰ হিচাপে ব্ৰাহ্মণৰ ঘৰৰ চাৰিজন অতিথি ঋষিৰ আলপৈচান ধৰোঁতে শ্ৰীকৃষ্ণৰ অলৌকিক শক্তিৰ কথা শুনি ভগৱানৰ প্ৰতি নাৰদ ঋষি আকৰ্ষিত হৈছিল তেনেদৰে।

বৰুৱা : আপোনাক আগতেই কৈছোঁ যে শুদ্ধ বা পবিত্ৰ আত্মাৰ লগত পৰমাত্মাৰ একাত্মবোধ বান্ধোন নিৰৱচ্ছিন্নভাৱে চলি থাকে। মৰমে মৰমে বন্ধা দুখন হিয়াৰ নিৰৱচ্ছিন্ন বান্ধোনৰ দৰে। এয়া হয় বিশ্ব ব্ৰহ্মাণ্ড প্ৰকৃতিৰ আশ্ৰয়ত একাত্ম হৈ বিয়পি থকা মহাকৰ্ষণ শক্তিৰ সহায়ত। এই শক্তিয়ে মহাজাগতিক প্ৰকৃতি শক্তি। এই পৰম শক্তি শুদ্ধ বা পবিত্ৰ আত্মাৰ লগত একাকাৰ হৈ থাকে। দেহৰ ভিতৰৰ বায়ু বাহিৰৰ বায়ুৰ সম্পৰ্কৰ দৰে। দ্ৰৌপদীয়ে কৃষ্ণক স্মৰণ কৰাৰ লগে লগে লজ্জা নিবাৰণত সহায় কৰাৰ বাবে দ্ৰৌপদীৰ কাপোৰ দীঘল হৈ যায়। এয়া যেন চকুৰ চমক, ভগৱানৰ অলৌকিক শক্তি প্ৰকাশ হয় ইয়াত। প্ৰকৃতি আত্মা আৰু জীৱাত্মা এক হৈ সূক্ষ্ম আকৰ্ষণিক ক্ৰিয়া কৰে মনত। ব্যাসদেৱে এনে এক বিচাৰি চলাথ কৰি উলিয়াব নোৱাৰা কৃষ্ণ শক্তিকে সদৰী কৰি থৈ গৈছে। এয়া কৃষ্ণ ব্ৰহ্ম সনাতন সত্য শক্তি।

চৌধুৰী : আপুনি যদি অন্যভাৱে নলয় আনএটা নিজৰ কথা কওঁ। আজিকালি মানুহে নিজত বাহিৰে আনৰ ভালকথা ক'বলৈ সময় উলিয়াব নোৱাৰে। পৰচৰ্চালৈ অৱশ্যে ৰুচি আহে।

বৰুৱা : কওক, আমি এনেধৰণেই বাগৰি আহিছোঁ য'ত নিজৰ বা আনৰ একেই কথা। আমি ধৰ্মীয় তত্ত্বৰ বাস্তৱ দিশহে চালিজাৰি চাই আছোঁ— ধান আৰু পতন কুলা-চালনীৰে চালি। অৰ্থাৎ ভ্ৰূণ অংকুৰণ হৈ বৃদ্ধি হ'লে তেজ-মঙহে বিচৰা বিশ্বজনীন সত্যটোহে বিচাৰ্য বিষয় হৈ পৰে।

চৌধুৰী : দেউতা ঢুকাবৰ দিনা মোক কৈছিল, 'তই আজি ঘৰৰ পৰা বাহিৰত নাযাবি, মই যাম।' কথাষাৰে মোৰ মনত অলপো চাপ পেলোৱা নাছিল,

কাৰণ অসুখ তেনেকুৱা এটা নাই, বয়সো বাসত্তৰ মাথোঁ। শাৰীৰিকভাৱেও লৰি-চৰি ঘৰে-চোতালে-বাহিৰে সাধাৰণভাৱে ঘূৰি ফুৰিব পৰা বিধৰ। দুপৰীয়া ভাত নাখালে; কিন্তু মোৰ খোৱাৰ খবৰ ল'লে, মাক কি কৈছিল নাজানোঁ, আগতে বিছ্নাত বহি আছিল, দিনৰ দুই বজাত শুই ল'লে। লগে লগে মাত দুৰ্বল হৈ আহিল। তেতিয়া মোৰ মনটো গধুৰ হ'ল। পিতাই কথাষাৰ সঁচাকৈয়ে কৈছিল বুলি ভাবিবলৈ বাধ্য হলোঁ। মোৰ লগতে খুড়া এজনকো লগত ৰাখিলোঁ। চাৰিটামান বজাৰ পৰা দেখিলোঁ কাণ দুখন, নাকটো হালি গ'ল। ক্ৰমশঃ মুখৰ মাত অস্পষ্ট হ'বলৈ ধৰিলে। সাত বজাত হাতখনেৰে আগতে কৈ থৈ দিয়াৰ দৰে যা-যোগাৰ কৰাৰ ইংগিত দিলে। আঠ বজাত শেষ নিশ্বাস ত্যাগ কৰিলে। খুড়াই চকু দুটা মুদাই দিলে। মোৰ এই গোটেই কথাখিনি আজিও সপোন হৈয়ে আছে।

বক্তা ঃ এনে কিছুমান কথাই আজিকালি চিন্তাৰ বিষয় হৈ পৰিছে। বাস্তৱ কাৰণো একো দেখা নাযায় আৰু ঘটিও যায় যেন ঘটনাটো। বিজ্ঞানৰ দিনতো আমি যেন হতভম্ব। যেনে— মৃত্যু মুখৰ পৰা ডাঙৰ অপাৰেচন হৈ ৰোগী ঘৰলৈ উভতি আহে আৰু সাধাৰণ ৰোগ বা অপাৰেচন বুলি হাঁহি-মাতি অপাৰেচন থিয়েটাৰত সোমাই মৃত হৈ ওলাই আহি সকলোকে অবাক কৰে। এনে বিষাদৰ বেলাত ঈশ্বৰেই মৃত্যুৰ কাৰণ বুলি সান্ত্বনা লভাত বাদে কোনো উপায় হাতত নাথাকে। সেয়ে মৃত্যু সমৰত যেতিয়া অৰ্জুন ভাগি পৰিছিল কৃষ্ণই বুজনি দিছিল এইদৰে—

নিত্য অবিনাশী অব্যয় আত্মাক
অজ বুলি যিয়ে জানে।
সিজন পৰুষে বধাৰে কাহাক
বধ কৰে কাক কোনে।।

লগতে প্ৰবোধ দি সৈমান কৰাইছিল যে কাৰো মৃত্যুৰ কাৰণ আন কোনো নহয়, নিজেই নিজৰ মৃত্যুৰ কাৰণ। অৰ্জুন নিমিত্ত মাত্ৰ। সেয়েহে ভাবোঁ বাঘে-ছাগে যি সংশয়তে একে ঘাটতে পানী খায়, সেই একে জীৱন তাড়নাতে মৃতকে-ঘাতকে একে কবৰতে লগ লাগে। এই তত্ত্ব কোনেও ভেদ কৰিব নোৱাৰে, তত্ত্বই নিজেই সময়ত উপলব্ধিৰ

ক'লা পৰ্দাত পোহৰৰ ছাঁ হৈ থিয় হয়।

চৌধুৰী ঃ আত্মাৰ পৰিপ্ৰেক্ষিতত কৰ্ম সম্পৰ্কে আন এটা উদাহৰণ দাঙি ধৰিম আপোনাৰ বিচাৰৰ বাবে— চাওক, সীমামূৰীয়া দেশৰ নিচ্ছিদ্ৰ নিৰাপত্তা বেষ্টনীৰ দুয়োপাৰে দুখন দেশ। সৈনিক দুয়োপাৰে সুসজ্জিত (Loaded with arms)। এটা নিৰ্দিষ্ট স্থানত দুয়োপাৰে দুজন সৈনিকে ইজনে সিজনক গুলীওৱাৰ সুযোগ বিচাৰি অৱস্থান লৈ আছে। কিন্তু কোনোজন কোনোজনৰ শত্ৰু নহয়। উভয়ে কৰ্মত ব্যস্ত নিজৰ দেশক ৰক্ষা কৰাৰ কামত। একে তেজ-মঙহৰ শৰীৰ-প্ৰাণ, দুয়োৰো ঘৰত দুখন সংসাৰ। সিহঁতৰ উপাৰ্জনৰ ওপৰত নিৰ্ভৰশীল সংসাৰ দুখন। দেশ ৰক্ষাৰ বীৰত্বই দুয়োকো খেদি ফুৰিছে। নিজৰ নিজৰ বীৰত্বৰ পৰিধি, মৃত্যু হ'লে উভয়ে সেই পৰিধিতে শ্বহীদ হৈ জীয়াই থাকিব। সৈনিকত ভৰ্তি হ'বৰ দিনাই হিয়াখন স্বদেশ শাসনতন্ত্ৰৰ ওচৰত জমা থৈ আহিছে, হিয়াখন কঁপি উঠিব বুলি ভয় কৰাৰ এতিয়া আৰু কাৰণ নাই। এলাহ নামৰ ভূতটোৱে লম্ভিলে সদায় মৃত হৈ জীৱন নিৰ্বাহ কৰিবলগা হয় আৰু তেতিয়া হ'লে নিজে নিজৰ মৃত্যু মাতি অনা হ'ব। এলাহ মানেই নিষ্কমা, নিষ্কমাৰ নিৰৰ্থক জীৱন; তাৰ সুখ দগাপাল্লাত নুঠে।

বাৰু, সি যিয়েই নহওক, দুয়োজনে একে সময়তে গুলী এৰি দিলে, সেই একে দায়িত্বৰ তাড়নাত। এজনৰ লক্ষ্যভ্ৰষ্ট গুলীয়ে তাৰ নিজৰ মৃত্যু কঢ়িয়াই আনিলে। তাৰ বীৰত্বক উপস্থাপনা কৰা চিক্‌চিকীয়া ৰঙা চকু শেঁতা পৰি গ'ল। দুয়োখন দেশে মানৱতাৰ দিশত শান্তিৰে সীমা জীয়াই নাৰাখি এই মৃত্যুৰ বাবেই যেন সুৰক্ষা, তেনেকৈ দেখা যায় কাৰোবাৰ আত্মজ্ঞানৰ অভাৱক হাতিয়াৰ কৰি লৈ ক্ষোভ নামৰ সন্ত্ৰাসক স্থিতাৱস্থা দিয়াৰ প্ৰক্ৰিয়াটোক জীয়াই ৰাখিলে আনতকৈও নিজৰ ক্ষতিয়েই অধিক হৈ পৰে। কাৰণ হিংসাৰে ক্ষোভ উজাৰিলে বা অন্যায়েৰে প্ৰতিবাদ কৰিলে সুফল কেতিয়াও নাহে। ইয়াত শাশ্বত সত্যৰ অভাৱ হেতু কাৰ্যকৰণত ভুল বৈ যায়, নহয়নে বাৰু?

বৰুৱা ঃ কথাটো কি জানে? মিছা কথা কৈ থাকিলে যেনেকৈ মানুহজন মিছলীয়াই হৈ পৰে শেষত, তেনেকৈ সঁচা কথা কি বুজিব নোৱাৰাও হৈ পৰে অৱশেষত। সঁচা কথা কোৱাজনক হাঁহেও। মিছা কথা কৈ থাকিলে

মহাজাগতিক শক্তি প্ৰক্ৰিয়াত মনাত্মাই মিলি নগৈ পিছলি মিছা হৈয়ে ৰৈ যায়। অৰ্থাৎ তাত এটা ফাঁক হৈ পৰে। পৰম শক্তিক চুব নোৱাৰা বাবে দুৰ্বল হৈ থাকে মনটো। সেই কাৰণে কয় মিছা কথাৰ ঠেং চুটি। সেয়ে বহুত মিছাৰ মাজতো সঁচা সঁচা হৈয়ে চলি থাকে। চাওক, দুৰ্ঘটনাত দেহৰ হাত-ভৰিৰ কোনো অংশ ভাগিলে এনেয়ে জোৰা নালাগে। দেহৰ গোটেই সৃষ্টি আৰু বৃদ্ধি প্ৰক্ৰিয়াটো চলি থাকে। কিন্তু ভগা অংশ দুটাৰ দুই মূৰৰ সংযোগৰ পৰা বিচ্ছিন্ন হোৱা হেতু এই প্ৰক্ৰিয়াটোৱে স্পৰ্শ কৰিব নোৱাৰে। অপাৰেচন থিয়েটাৰত শল্য চিকিৎসকে দুই মূৰ জোৰা লগাই দি বান্ধি থলে কিছুদিনৰ মূৰত এই সৃষ্টি আৰু বৃদ্ধি প্ৰক্ৰিয়াটো পূৰ্ণ হয় চিমেণ্ট, শিল, বালিৰ মিশ্ৰণ সাপেক্ষে কংক্ৰিট ক্ৰিয়াৰ দৰে। দুই মূৰ জোৰা নলগাকৈ যদি বেণ্ডেজ কৰি থৈ দিয়ে এই প্ৰক্ৰিয়াটোৱে গতি নলয়। আৰু বেণ্ডেজটো ভুৱা বা মিছা হয়। এই মিছাটোত স্বতঃস্ফূৰ্ত প্ৰক্ৰিয়াৰ গতি নাই। হাড়ৰ দুই মুৰ আগবাঢ়ি নগৈ কোচ খায়, শক্তি সঞ্চাৰ নহয় দেহত; তেনেদৰে দেহ-মন-আত্মা এক হ'লেহে নিষ্ঠা কৰ্মত লক্ষ্যভেদী শৰ বা গুলী কৰিবলৈ সমৰ্থ হয়। অৰ্থাৎ পৰমাত্মাৰ সংযোগ শক্তিয়ে সবল কৰে।

সৈনিকজনৰ হাতৰ কৰ্মতে মৃত্যু হ'ল, এই কৰ্মটোতে তাৰ মৃত্যু জড়িত আছিল। প্ৰকৃততে কৰ্মৰ খুঁটহে তাৰ মৃত্যুৰ কাৰণ। আত্মাৰ দুৰ্বলতাত মন সাপেক্ষে খুঁতে লণ্ডে, পৰম শক্তিৰ আত্মিক সংযোগ স্থিতি নাথাকিলে মনাত্মা নিজে নিজেই দুৰ্বল হৈ পৰে। ইয়াৰ অৰ্থ এনেও নহয় যে ঈশ্বৰৰ নামত সকলো এৰি দি নিৰ্জীৱ হৈ কাম কৰা। ঈশ্বৰৰ পৰম শক্তিতে লুকাই আছে সৎ, সমতা, ন্যায় তথা প্ৰকৃতিৰ স্বতঃস্ফূৰ্ত গতিৰ নীতি, যিটো আমাৰ অৱগত নহয়। এই নীতিয়ে অদৃশ্যভাৱে কাম কৰি থাকে প্ৰত্যেকৰে ব্যক্তিত্বত। এই শক্তিয়ে আত্মাৰ শক্তি, আত্মাৰ শক্তিয়ে ব্যক্তিত্বৰ চিনাকি। এয়া প্ৰকৃতিৰ সঁচা নীতিত এক হৈ সৎ কামত নিজকে নিয়োগ কৰাৰ আত্মিক প্ৰীতি। মানুহৰ দেহত এই শক্তি এক অশ্ব শক্তি হৈ লুকাই থাকে। ই প্ৰকাশ হয় হাতৰ কৰ্মত। আনহাতে, হাতৰ কৰ্মৰ ভাল-বেয়াতে প্ৰকাশ আত্মাৰ স্বৰূপ। এনেদৰে দেখিব দৃশ্যমান প্ৰকৃতিত নিহিত থাকে অদৃশ্য শক্তি। ধুমুহা, ঘূৰ্ণি বতাহ, ভুঁইকঁপ আদি বিভিন্ন

ভয়াবহ প্ৰক্ৰিয়াৰ ফলত প্ৰকাশ হয় প্ৰকৃতি দেহত থকা পৰম শক্তিৰ স্বৰূপ। এই পৰম শক্তিত নিহিত থকা অদৃশ্য মহাশক্তি প্ৰকাৰান্তৰে আত্মাৰ লগত অন্তৰ্নিহিতভাৱে জড়িত। এই আত্মশক্তি ভুল পথে পৰিচালিত হ'লে বা অনাচাৰ ব্যভিচাৰ হ'লে এই পৰম শক্তি দুই ৰূপে দৃশ্যমান হয়; এটা মহাকাল স্বৰূপ দুৰ্যোগ প্ৰলয় আৰু আনটো মানুহৰূপী ভগৱানৰ প্ৰকাশ স্বৰূপ বিপ্লৱী। আত্মা-পৰমাত্মাৰ এয়া মহাকৰ্ষণ। এই মহাকৰ্ষণৰ লগত জড়িত যুটীয়া মহাশক্তি হ'ল মাধ্যাকৰ্ষণ। এই শক্তিৰ জন্ম, বৃদ্ধি, মৃত্যু নাই, ৰূপান্তৰহে হয়। তেনেদৰে ইয়াৰ স্থূল দেহ প্ৰকৃতিৰো বয়স নাই, ই চিৰ যৌৱনা— Ever youth, ever green, ever truth. i.e. Nature is ever truth, ever youth, ever green, therefore nature is God.

চৌধুৰী ঃ এইটো বুজাত সহজ হৈ পৰিলে যে জীৱন গঢ়াত নহয় সফল যদি থাকে চেষ্টাৰ ক্ৰুটি; সেয়ে আত্মাৰ খুঁত আৰু চেষ্টাৰ খুঁত দুয়োটাই হ'ব লাগে নিখুঁত। ইয়ে মানুহক আত্মজ শক্তি বিকাশত সহায় কৰে আৰু সময়ত প্ৰখ্যাত হ'বলৈও আগবাঢ়ে।

অ', এটা কথা ক'বলৈ বৈ গৈছিল। এনে পৰিপ্ৰেক্ষিততে এই কথাটো আপোনাৰ কৰ্ণগোচৰ নকৰিলে মই ক'ৰবাত জীৱনটোক লুকাই থোৱা হ'ব। চাওক, যিখিনি মাটিত মোৰ ল'ৰাই এতিয়া বহু মহলীয়া অট্টালিকা সজাৰ Plan and estimate কৰিছে সেইখিনি মাটিৰ এটা কাহিনী মোৰ মনত সজীৱ হৈ আছে। সেইটো হ'ল মোৰ পিতাই এই মাটিখিনিত এটা খেৰৰ ঘৰ সাজি এজন মানুহক ৰখীয়া কৰিছিল। সেই মানুহজনে মাটিখিনি হস্তগত কৰাৰ ষড়যন্ত্ৰৰ উমান পাই বিক্ৰী কৰিছিল। সেই মাটিখিনি আকৌ ককাই কিনিছিল ভৱিষ্যৎ সতি-সন্ততিৰ হওক ভাবি। এইটোৱেই আধ্যাত্মিক দিশৰ ৰহস্য যে সেই ককাৰ পৰিণাতিয়ে তেওঁৰ আশাৰ মাটি ডৰাত অট্টালিকা সাজিব। আশাৰ চাকিগছি আকৌ জ্বলি উঠিব।

বৰুৱা ঃ নেদেখা, নজনা সেই পৰমেশ্বৰ ভগৱানে আধ্যাত্মিক সোঁতটো এনেকৈয়ে পৰম্পৰা হৈ বগৰাই থাকে বংশগত তেজ-মঙহ সাবটি লৈ। বাৰু, আজিলৈ শেষ কৰক, অহা কাইলৈ ৰাতিপুৱা ওলাব। সোণফলী স্কুলৰ

ফালে ঘুৰিম বুলি ভাবিছোঁ, Morning walk হ'ব।

চৌধুৰী ঃ ঠিক আছে, হ'ব বাৰু। ৰ'ব, এৰো বোলোতে বেৰি ধৰাৰ দৰে কথা এটা মনত খেলালে। হেৰি, সুখ-দুখ, শুদ্ধ-অশুদ্ধ আত্মা সাপেক্ষে অৰ্জিত গুণ-দোষৰ লগত সংযোজিত হৈ থাকে।

বৰুৱা ঃ সেয়ে, দুখ হোৱা মানে বুজিব কিবা দোষ হৈছে। এই দোষ মৰিষণ কৰাব বিচাৰিলে পৰমব্ৰহ্ম পৰম শক্তি স্বৰূপ শ্ৰীকৃষ্ণৰ চৰণত শৰণ ল'ব লাগিব। তেতিয়া শুদ্ধ আত্মাৰ জৰিয়তে ঈশ্বৰৰ কৃপা লাভ কৰিব। এয়ে গুৰু সেৱা মানে শুদ্ধ আত্মাৰ (গুৰু) মাধ্যমত পৰম পিতাৰ আশিস ধন্য হোৱা।

এনেদৰে দেখা যায়, গুৰু-শিষ্য উভয়ে শুদ্ধ আত্মা হ'লে বিপদে-আপদে গুৰুৰ নাম ল'লৈই পৰমাত্মাই দয়া কৰে। সেয়ে শুদ্ধ আত্মাৰ মানুহ হ'লে নিজেই নিজক দেখে; সচিতে-সপোনে ভৱিষ্যতৰ ইংগিতো পাব পাৰে। অনুভৱ হয় এনে প্ৰেক্ষাপতে যে বিজুলী সঞ্চাৰ, পোহৰৰ গতিবেগতকৈও শক্তিশালী ঈশ্বৰৰ শুভাশিস প্ৰেৰণ গতি।

এনে সন্দৰ্ভতে ব্ৰহ্মচাৰী লোকনাথ বাবাৰ কথা মন কৰক; 'দয়া বলছিস কিৰে? কে কাকে দয়া কৰে? পৃথিৱীতে নিজেৰ প্ৰতি নিজেই দয়াবান, এমন কোন লোকে কোন লোককে দেখেছিস; এক বই দুই নেই। এই বিশ্ব সৃষ্টিতে এক বই আলদা, কোন সত্ত্বা নেই। আমি বিশ্বব্ৰহ্মাণ্ড ভ্ৰমণ কৰি দেখেছি শুধু নিজেকেই।' নিজৰ এনে স্থিতিৰ সন্দৰ্ভত স্মৰ্তব্য প্ৰকৃতি আৰু মানুহৰ অপৰিহাৰ্য সংহতিৰ কথা। লগতে পৃথিৱীৰ জীৱজগত আৰু জড় পদাৰ্থ জগতৰ সংস্পৃক্ততাৰ কথা। প্ৰকৃততে পৃথিৱীৰ প্ৰাকৃতিক পদাৰ্থৰ সংহতি আৰু প্ৰকৃতি— জীৱ সংহতি উভয়ে সংযোজিত হৈ চলি আছে। এটা প্ৰকৃতিৰ স্ব-পৰিচালিত সত্ত্বা (Self maintaining Entity) আৰু আনটো প্ৰকৃতি আৰু মানুহৰ নিৰ্ভৰশীল সম্পৰ্ক তত্ত্ব।

চৌধুৰি ঃ সেয়ে, প্ৰকৃতিক অৱজ্ঞা কৰা মানে নিজে নিজক হেৰাবলৈ কৰা প্ৰচেষ্টাৰ, ৰেচেল কাৰ্ছনৰ 'ছাইলেণ্ট স্পিং' নামৰ গ্ৰন্থত আভাস পোৱা যায়। (দুয়ো এৰা এৰি হ'ল)

আঠ

আগদিনাৰ আলোচনা মৰ্মে পুৱা দুয়ো লগালগি হ'ল সোণফলী স্কুলৰ সন্মুখত। কাষত এমুৰে এডাল কৃষ্ণচূড়া গছ। ইয়াৰ গাতে ছাঁটোৰ দৰে লাগি থকা এখন পাণদোকান। এটা সময়ত ঠাইখন বৰ আনন্দকৰ আছিল। এই ঠাইখন এবাৰ ভৰিৰে গছকি নগলে, ভাগৰে-জোগৰে আহি কৃষ্ণচূড়াডালৰ তলত এচাতি বা-বতাহ নল'লে বহুতৰ গাজুৰ নপৰিছিল। এতিয়া সেই আকৰ্ষণ নাই। ডাঙৰ ডাঙৰ অট্টালিকাবোৰে সকলো হৰণ কৰিছে। তথাপি পুৰণি মোহটো এতিয়াও লাগি আছে। বহুতে এৰি গ'লেও আন বহুতে সেই মোহ এৰিব পৰা নাই।

চৌধুৰী ঃ এই স্কুলখন বৰ পুৰণি নহয়?

বৰুৱা ঃ (চাইনবৰ্ডখনলৈ লক্ষ্য কৰি) হয়, সিমান পুৰণি নহ'ব লাগে; চাইনবৰ্ডখনত অৱশ্যে ৰঙটো উঠি গৈছে, বুজিব নোৱাৰি। শুনিছোঁ এজন অতি জনপ্ৰিয় ৰাইজৰ নেতাই স্কুলখন স্থাপন কৰাত বৰ উঠিপৰি লাগিছিল। নিজৰ ঘৰৰ টিঙৰ চালিৰ টিং উঠাই স্কুলঘৰ সাজি দিছিল। ইয়াৰ কাৰণে ঘৈণীয়েকৰ গালি-শপনিও মূৰ পাতি ল'ব লগা হৈছিল। ত্যাগৰ স্বীকৃতি আগবঢ়োৱাত ৰাইজে হেঁপাহৰ ক্ৰটি কৰা নাছিল। কিয়নো কোনোৰে কৈছিল এইহে আচল সমাজসেৱক, আন এচামে কৈছিল প্ৰকৃত শিক্ষাপ্ৰেমী, আন এচামে আকৌ মানৱ হিতৈষী বুলি উপাধি যেন প্ৰদান কৰি ভূয়সী প্ৰশংসা কৰাত কাৰ্পণ্য নকৰিছিল।

আচলতে যিয়ে মানুহ ভালপায়, সমাজৰ প্ৰতি কিবাকিছু কৰিব খোজে তেওঁ য'তেই নাথাকক সুবিধা পালে মানুহ আৰু সমাজৰ উপকাৰ কৰিব বিচাৰে। কাৰণ, প্ৰকৃত মানৱ হ'লে তেওঁ সমাজৰ কাম অপৰিহাৰ্য বুলি গণ্য কৰে। দেহেৰে, অৰ্থৰে, মাত-কথাৰে বা দিহা-পৰামৰ্শৰে সহায়ৰ হাত আগবঢ়ায়। তাকে দেখিলে কাৰো দেহা জুৰ পৰে, কাৰো হিয়া চ'ত মাহৰ পথাৰৰ মাটি ছিৰাল ফটা দি ফাটি চট্‌ফট্টাই থাকে।

চৌধুৰী ঃ ময়ো মানুহে কোৱা শুনিছোঁ, তেওঁ যিপিনে যায় গছে-পাতে, আকাশে-বতাহে, বনে-লতাই, আশীৰ্বাদৰ বা দি যায়; নৈ, জান-জুৰি, গধূলি আঘোণ, পুহ মাহৰ পথাৰৰ উঁইচিৰিঙা পৰুৱা, ফুলনিৰ পখিলা, ভোমোৰাই তেওঁৰেই গুণ বৰ্ণাই মুখৰিত কৰে চৌপাশ। ৰে'লৰ উকি, গাড়ী-মটৰৰ হৰ্ণ আদিয়ে কৈ যায় বাৰে বাবে, 'The place is proud of you.' আনকি পানীৰ ঢৌৱে শিলৰ তাল বজাই তেওঁৰেই নাম-কীৰ্তন কৰে, গুণ-গৰিমা গাই। তেওঁক জীৱনত আৰু লাগিছে কি? ঈশ্বৰক পাবলৈ খোজ কাঢ়ি যাবলগা বাটটোৰ আৰম্ভণি তেওঁৰ হিয়াৰ দুৱাৰদলিতে। মানৱ সেৱাৰ এয়া সেন্দূৰীয়া বাট। ঈশ্বৰ সেৱাই ইয়াতে দিয়ে উচাহৰ মাত।

বৰুৱা ঃ অহকালে-পহকালে শুনিছোঁ ৰাজনীতি কৰাৰ কাৰণে বিভিন্ন দল আগবাঢ়ি আহি তেওঁক হেনো আমনি কৰিছিল। তেওঁ পোন ছাতে প্ৰত্যাখ্যান কৰি কৈছিল, 'সৎ, সমতা, মানৱতা, ন্যায়-নীতিক কাৰো ওচৰত নত কৰিব নোৱাৰোঁ, কি ৰাজনীতি কৰিম। এনে দিশত কোনো ক্ষেত্ৰত আপোচ কৰি নিজৰ মতক সৈমান কৰিব নোৱাৰিম। ইয়াক বিসৰ্জন দি ৰাজনীতি কৰা মানে মৃত্যুবৰণ কৰা— It will be better to die than to sell self.' আৰু কৈছিল, 'লাটুম এটাত ৰছী মেৰাই মেৰাই টানি উঠি ঘূৰাই মাটিত মাৰিলে তাৰ কণমানি টোপটো মাটিত নিৰ্দিষ্ট হৈ একে ঠাইতে ঘূৰি থাকিব, বাহিৰ হৈ নাযায়; এয়াই আত্মবিন্দু, ইয়ে দেহ-মনক স্থিৰ কৰি ধৰি ৰাখে। এই আত্মশক্তি ভীষণ শক্তিশালী— আগতে কোৱা এয়া অশ্ব শক্তি। অন্তৰাত্মাৰ শান্তি ইয়াতে নিহিত থাকে।' আৰু আনহাতে চাওক, তেওঁ কৈছিল, 'সৰু শিলগুটি এটা ৰছীৰে বান্ধি ৰচিৰ ডেৰহাট মান আঁতৰত মূৰটো হাতেৰে আঙুলিত পকাই ঘূৰাই থাকিলে এই ঘূৰণিতে যি গতি শক্তি লাভ কৰিব ইয়ে শিলগুটিটোক বাহিৰ হৈ যোৱাৰ কাৰণে টানি থাকিব অহৰহ, আৰু যিমানে ঘূৰাই সিমানে এই শক্তি বাঢ়ি যায়। কিন্তু হাতৰ আঙুলিৰ কেন্দ্ৰস্থ বিন্দুৱে নিয়ন্ত্ৰণ কৰি নিজত্বত ৰাখিব লাগে। এই বাহিৰলৈ টানি থকা শক্তিয়ে আত্মাৰ ৰিপু-অনৰ্থ-শত্ৰু। ই অহৰহ লাগি থাকে কেনেকৈনো তাক হাতকৰি পোহৰৰ পৰা এন্ধাৰলৈ নিব পাৰি।'

চৌধুৰী ঃ অ', এই অনৰ্থইটো আত্ম উপলব্ধিত বিৰোধিতা কৰি থাকে নিৰন্তৰ। বৰশীৰ টোপ দি টানি থাকে দুৰ্নীতিৰে ধন-দৌলত, সা-সম্পত্তি, টকা-পইচা, মাটি-বাৰী, বিলাসী গাড়ী কৰি, অট্টালিকা সাজি, জীৱন নিৰ্বাহ কৰাৰ মন্ত্ৰণা দি। লগতে ভূতে লম্ভা মানুহক মৃত্যুলৈ হাত বাউলি দি মতাৰ দৰে ধ্বংসৰ কবলত নিজে নিজে ফাঁচি যায়। পিচত অনুতাপেও উদ্ধাৰ কৰিব নোৱাৰা হৈ পৰে কলুষিত জীৱন।

আন এচামে দৰ্প, অহংকাৰৰ মদমত্ত হৈ তেওঁতকৈ আন কাৰোবাক ওপৰত যোৱা দেখিলে ঈৰ্ষান্বিত হৈ পৰে। ঈৰ্ষাই ধ্বংসৰ মুখত থিয় কৰায়। আন এচামে আকৌ ঠগ, চলবাজী, প্ৰৱঞ্চনাৰে ধন ঘটি গৌৰৱ, অভিমানৰ শিলৰ গধুৰ বোজাটো মূৰত লৈ বহি থাকে চুক ভেকুলীৰ ৰাজ সিংহাসনত। কোনেও তেওঁক নেদেখে, কোনেও তেওঁক নুবুজে; নিজৰ ভেমত নিজেই ৰজা, সীমাহীন এন্ধাৰ ৰাজ্যত তেওঁৰেই প্ৰজা। বিপদত নুশুনে কাৰো এষাৰি মাত, কিনো তেওঁ খেৰকুটা, কোনে শুনে তেওঁৰ কথা। তেওঁৰ জীৱন সপোনো হয় পুৱাৰ সূৰ্যৰ কিৰণৰ কচুপাতৰ পানীৰ ৰঙীন সপোন স্বৰূপ।

বৰুৱা ঃ প্ৰত্যেকজন মানুহৰে একোটা সামাজিক দায়বদ্ধতা আৰু মৰ্যাদা আছে। কোনোৱে ৰাখিব পাৰে আৰু কোনোৱে নোৱাৰে। এই সন্মান হ'ল আত্মৰ সন্মান i. e. Respect of the self soul. নিজৰ আত্মাৰ সন্মান ৰখাৰ প্ৰয়াস এটা ঐশ্বৰিক আশ্বাস। আত্মসন্মান নৰখা মানে ঈশ্বৰৰ আদেশ অমান্য কৰা তথা প্ৰকৃতিৰ ন্যায়-নীতিৰ সনাতন সত্যৰ বিৰুদ্ধে যোৱা। এই সন্মান ৰাখিব পৰাৰ ওপৰেত নিৰ্ভৰ কৰে সাংসাৰিক স্থিতাৱস্থা। এয়া লাটুম আৰু শিলগুটি ঘূৰোৱাৰ কেন্দ্ৰ বিন্দুস্থ স্থিতিৰ দৰে। এই স্থিতি হ'ল স্থিতপ্ৰজ্ঞ বা স্থিতধী স্থিতি।

সেয়া সংসাৰত মানুহে গিমানে বিনাকষ্টে পায় সিমানে মানৱতাক হেৰুৱাই অমানুহ হয়। কাৰণ বিনাকষ্টে পাবলৈ হ'লে আন কাৰোবাক কষ্ট দিব লাগিব— সেই একে সমান কষ্ট। দুৰ্নীতিৰ টকা ঘটা মানে আনৰ ভাতৰ কাঁহী কাঢ়ি অনা। এই দুখে তাক সৰ্বসাধৰণৰ পৰা নিজকে নিজে বহু দূৰলৈ আঁতৰাই দিয়া হয়। দূৰত গৈ নিসংগতাৰ বোকাত পোত যায়, হাত-ভৰি নচলা হয়। এই অচলতা

কেনেকৈ হয় কাকো বুজাই ক'ব নালাগে।

চৌধুৰী ঃ তেওঁটো ভাবিবই নোৱাৰে, ত্যাগৰ কাননত বিভিন্ন বাৰেবৰণীয়া হাঁহিৰ ফুল ওঁঠৰ পাহিত কিমান অন্তৰভৰি ফুলে, সুগন্ধি বতাহে চৌপাশে বিলাই ফুৰে; হাঁহিৰ সৌৰভে জোনাক ৰাতিৰ নিৰ্মল আকাশৰ দৰে পৱিত্ৰ কৰে মন।

বৰুৱা ঃ সেই কাৰণেই কয়, ত্যাগ স্বৰ্গীয়, নাৰদৰ মুখৰ হাঁহি ফুল ভগৱান কৃষ্ণৰ স্বৰ্গৰ কাননত ফুলে আৰু অনন্ত বিশ্বব্ৰহ্মাণ্ডত সুগন্ধি বিলাই ফুৰে। মানুহ হৈ মানুহক মানুহ হিচাপে জ্ঞান কৰিব নজনা মহাভাৰতৰ ধৃতৰাষ্ট্ৰ পুত্ৰসবে পৱিত্ৰ হাঁহিৰ কি মোল বুজিব পাৰে? অসূয়া শক্তিৰ মৃত্যু ঘণ্টা আগতীয়াকৈ কুকৰ্মই মাতি আনে। দ্ৰৌপদীৰ বস্ত্ৰ হৰণৰ হাঁহি, দুখ আৰু পৰিতাপৰ আগজাননী।

চৌধুৰী ঃ প্ৰকৃততে ক'বলৈ গ'লে কথাটো তেনেকুৱাই, ৰামো গ'ল অযোধ্যাও হেৰাল; ধৃতৰাষ্ট্ৰ আহিল ভাতৃ-পুত্ৰৰ ওপৰত নিৰ্যাতন বাঢ়িল। অন্ধ ৰজাই নেদেখাৰ লগতে অবুজ আৰু বোবা হৈয়ে ৰৈ গ'ল। শক্তিশালী ভীষ্ম, কৃপাচাৰ্য, দ্ৰোণাচাৰ্য, কৰ্ণ আৰু অশ্বত্থামাসহ সকলো শ পুত্ৰৰ লগত নীৰৱ সমৰ্থক হৈ শেষ হ'ল। এই কথাই প্ৰতীয়মান কৰিলে যে অসূয়া শক্তিৰ শুভ বুদ্ধিৰ উদয় নহয় কোনোদিনে। কৰ্মই থাকে ৰখি মৰণৰ পহৰা দি ওৰে দিনে-ৰাতি।

বৰুৱা ঃ পিতামহ ভীষ্মই লাটুমৰ কেন্দ্ৰস্থ বিন্দুত আত্মস্থিত হৈ থাকিব নোৱাৰিলে। ৰছীৰে বন্ধা শিল গুটিৰ দৰে অংগীকাৰ আৰু ভাত মুঠিৰ অনৰ্থই টানি লৈ গ'ল যেন অবাটে। নৈতিক পথ ল'বলৈ সাহস গোটাব নোৱাৰিলে, আত্ম নীতি অনুভূত কৰাৰ সুযোগ ল'বও নোৱাৰিলে। জ্ঞানী বিদুৰ ৰৈ থাকিল নিমাখিত প্ৰাণী হৈ, জ্ঞান আৰু বংশৰ তেজ নুঠিল জিলিকি, ৰৈ গ'ল শেঁতা পৰি। ভীষ্মই যি মাত মাতিলে তাত দুৰ্যোধনে দুৰ্বলতাৰ গোন্ধ পালে। গতিকে দেখা যায় ভীষ্ম, দ্ৰোণাচাৰ্য, কৃপাচাৰ্য, বিদুৰ, কৰ্ণ আৰু অশ্বত্থামা— এই ধনুৰ্ধৰ, জ্ঞানধৰ শক্তিয়ে কৌৰৱ কুলক লাটুমৰ কেন্দ্ৰ বিন্দু শক্তিৰে ৰাখিব নোৱাৰি যেন শিল গুটিৰ দৰে শীঘ্ৰে বাহিৰ হৈ যোৱাত দুৰ্যোধনক সহায় কৰিলে। গতিশীল সময়, এনেদৰে গৈ থাকে কৰ্মৰ ফল প্ৰত্যক্ষ

কৰাৰ বাবে আগ্ৰহান্বিত হৈ। অসূয়া শক্তিৰ হাতত ধৰ্মৰ পৰাজয় সদায় অসম্ভৱ হৈয়ে ৰয়। কৃষ্ণগীতাত সেই কথাই স্বীকাৰ কৰিছে ধৃতৰাষ্ট্ৰই—

সঞ্জয়ৰ কথা শুনি অন্ধ ধৃতৰাষ্ট্ৰ।
বুজিলেক যথা ধৰ্ম তথা জয় সত্য।।

সেয়েহে দেখা যায় সৎ, সমতা, ন্যায়-নীতিক বচাবলৈ যি অদমনীয় শক্তিৰ প্ৰয়োজন তাক নিস্বাৰ্থ প্ৰেমৰ আত্ম শক্তিয়েহে জন্ম দিব পাৰে। গতিকে এই কুৰুক্ষেত্ৰ যুদ্ধত এহাতে ভোগী-বিলাসীৰ অন্যায় যুদ্ধ আৰু আনহাতে ন্যায়-নীতি, ধৰ্ম তথা সৎ, সমতা, প্ৰীতিৰ আত্মৰক্ষাৰ যুদ্ধ। ৰণক্ষেত্ৰৰ মৰিশালিত জিলিকি থাকে মানৱতাৰ পতাকা, নিয়তিৰ নীতিৰ প্ৰকাশ; চৌদিশ মুখৰিত হয় ধৰ্ম নীতিৰ উল্লাস; গান্ধাৰীৰ হিয়াভগা মৰ্ম বেদনাত নিগৰিত হয় এক স্বস্তিৰ নিশ্বাস; সিঁচি যায় সত্যৰ স্বীকৃতিৰ আশ্বাস।

অ'-ওঁ-ম' সাৰথি স্বৰূপ ভীষ্মৰ শৰশয্যাৰ ছয়মাহ মানসিক কষ্টৰ দুটা দিশ সাব্যস্ত কৰিছে— এটা হ'ল অংগীকাৰ মৰ্মে স্বাৰ্থ সাপেক্ষে কুলক্ষয়, আনটো স্থিত প্ৰজ্ঞৰ পৰিপ্ৰেক্ষিতত সৎ, সমতা, ন্যায়-নীতি, মানৱতা অটুট ৰখাৰ চেষ্টাত এক বিফলতা। নিজৰ দুৰ্বলতাৰ এক মৰ্মান্তিক আক্ষেপ। আত্মাৰ সাত্ত্বিক গুণ ৰক্ষাৰ্থে জ্ঞানী বিদুৰে ভিক্ষাত নামি ভাতমুঠিৰ যোগাৰ কৰাৰ দশা এক অশোভনীয় বৃত্তি ৰজাৰ কুলত। যথাৰ্থতে সুখে মাতে নে দুখে লোভৰ গলত ৰছীৰে ধৰি টানে— কৰ্মইহে নিৰ্ণয় কৰে। গতিকে লাটুমৰ বিন্দু স্থিতি নে ৰছীৰে ঘূৰোৱা শিল গুটিৰ স্থিতি, আত্ম জ্ঞানৰহে বিচাৰ্য হৈ পৰে।

চৌধুৰী ঃ এই সকলোৱেই দেখাই যে লোভনীয় ৰাজনীতিত জ্ঞান নিমাত; পোহৰৰ বাটত এন্ধাৰৰ সন্ত্ৰাস এক পৰিকল্পিত উল্লাস। নিহিত থাকে আত্ম ধ্বংসৰ আড্ডাত। তেনেদৰে দেখা যায় অন্যায়, হিংসা, বিদ্বেষ, হত্যা, নিৰ্যাতন, ধৰ্ষণ, ডাইনী হত্যা আদি অমানুষিক অত্যাচাৰত যিসকলে 'মৌনম সম্মতি লক্ষ্মণম্' হৈ বা নেদেখাকৈ সহায় কৰি সৎ কথা, সমভাব, মানৱতা অটুট ৰখাত বাধা-বিঘিনি ঘটাই, সেইসকল নেদেখালৈ ভাল মানুহ হিচাপে খ্যাত হৈ থাকে যদিও জীৱন বাটত

খলা-বমা গাতত হুল-জোঙৰ বিন্ধা খাই দুখ-কষ্ট শোকত ভুগিবলগা হয় । ইয়াৰো পৰিণতি ধ্বংসহে বুজায়।

এয়া হ'ল যুগ যুগৰ সঞ্চিত বাস্তৱ অভিজ্ঞতাই দাঙি ধৰা সনাতন সত্য কথা। এই সত্য কথাই মহাভাৰতত হৈছে অৱগত। সমাজ জীৱন শিক্ষাৰ সূত্ৰ তথা জীৱন দৰ্শন হ'ল— ক্ৰিয়া থাকিলে বিক্ৰিয়া থাকিবই। এজনৰ কৰ্মত আনজনে আঘাত পালে, তেৰোঁ আন এজনৰ কৰ্মত সমানে আঘাত পাব। প্ৰকৃতিৰ নীতিয়ে সমতা অটুট ৰাখিবই। এয়া ৰাসায়নিক সমীকৰণ, ভৰিৰে তলিত হেঁচা নিদিয়াকৈ হাতেৰে কাকো ঠেলিব নোৱাৰে—Work follows result.

বৰুৱা : হেৰি, শেষত নিজেই দেখে ধনবল, জনবল, শাসনৰ বাঘজৰীৰ বল মাথো দুদিনীয়া কৰ্মফল, ভোগৰ অস্থায়ী কাল, সকলো যায় ৰসাতল। ৰোগশয্যাত অকলেই যুঁজি যুঁজি পৰি ৰয়, কোনো কাৰো যে নিজৰ নহয় প্ৰমাণিত হয়। কৰ্মৰ ফল মাথোঁ লগত যায়। ভোগ, লম্ফ-জম্ফ, দম্ভ, গৌৰৱ, অহংকাৰ সকলো যে অসাৰ নিজৰ মনতে ধৰা পৰি যায়। আপোনজনেও দূৰে দূৰে কেৰাহিকৈ চাই যায়।

চৌধুৰী : জীৱনৰ সদানন্দৰ প্ৰবাহটিক, অসূয়া কৰ্মপ্ৰিয় ৰোগীজনৰ জীৱন যুঁজৰ সমভাগী হ'বলৈ আহিলে, নিৰানন্দই বাধা দিব; যেনেকৈ শীতৰ পুৱা মৰমৰ বিছনাখন এৰি কোনেও সহজতে ওলাই নাহে। সাত্ত্বিক বুঢ়াজনেহে নিজৰ লগত নিজেই পুৱাই পুৱাই বিছনাৰ পৰা উঠি আহি নষ্টালজিয়া পাগুলি যুঁজি থাকে সময়ৰ লগত, নিজ কৰ্মৰ সুফল সাপেক্ষে পুত্ৰ-বোৱাৰী, নাতি-নাতিনীৰে ভৰা ঘৰখনৰ স্থিতিয়েও শীতত ৰ'দালিৰ আমেজ দি যায়হি, নষ্টালজিয়াই হাঁহি হাঁহি থিয় হয় চকুৰ সন্মুখত। অপকৰ্মৰ ৰোগীজনে অকলেই যুঁজি থাকে শৰশয্যাত, কু-কৰ্মৰ স্মৃতিয়ে আঁটিবান্ধি মাৰে। সময়বোৰ এন্ধাৰৰ কালসৰ্প হৈ খেদি আহে।

বৰুৱা : হেৰি, তেওঁৰ অপকৰ্মৰ ফল কি জানেনে? খিৰিকীৰে আকাশখনলৈ চালে, কণামুনা সন্ধিয়া যেন দেখিলে; তললৈ চকু নমালে, এন্ধাৰে কবৰ খান্দিবলৈ কোৰখন হাতত লোৱা দেখিলে; মনটোৱে দেহটো

চিতাত উঠালে, নিজৰ জীৱন কৰ্মৰ ওপৰত নিজৰেই ঘৃণা ওপজিল। জীৱনটোক কি কৰি কেনেকৈ একো নাভাবি নিজে নিজে চুৰাপাতত তুলি দিলে; দায়নো ধৰিব কাক? শুধৰণিৰ সময়ো হাতৰ পৰা পিছলি গ'ল। মৃত্যুৰ ভয়ানক দৃশ্যটো তেওঁৰ ফালে আগবাঢ়ি অহা দেখিলে। ভুঁইকঁপৰ ফলত চূৰ্ণ-বিচূৰ্ণ হ'বলৈ ধৰা অট্টালিকাৰ ভিতৰত তেওঁৰ মৃত্যু ভয়ৰ কঁপনি নে হৃতপিণ্ডৰ ধপ্‌ধপনি, ক'ত গ'ল পৃথিৱী কঁপাই দিয়া দপ্‌দপনি।

চৌধুৰী ঃ সেই কাৰণেই কয়, ধৰ্মই খোজ কাঢ়ে সত্যৰ বাটত পোহৰ লগত লৈ মানুহৰ কল্যাণ বিচাৰি। অধৰ্মই অসৎ বাটেৰে গৈ এন্ধাৰত চিতা সাজে ধৰ্মকে কবৰ দিয়াৰ পৰিকল্পনা কৰি। কিন্তু কাম, ক্ৰোধ, লোভ এই তিনি অনৰ্থই সময়ত ব্যঙ্গ হাঁহি মাৰি ঘোৰ শত্ৰু হৈ নিজকে দিয়ে চিতাত তুলি, জয় ধৰ্মৰে হয় অৱশেষত।

বৰুৱা ঃ এয়া সাৰ্থক হয় সমতাৰ বাবে। অসমতাৰ অন্তিম পৰ্যায়ত বিপ্লৱ-প্ৰলয়ে এই অসমতা দূৰ কৰি সমতা স্থাপন কৰে। ভূইকঁপ, ঘূৰ্ণি বতাহ আদি সৃষ্টিৰ এয়ে উৎস। এই বিপ্লৱ দুই ধৰণে হয়— এটা সামাজিক বিপ্লৱ, আনটো মহাকাল ৰূপে প্ৰাকৃতিক বিপ্লৱ। জন্মৰ যি সংস্কাৰ, প্ৰকৃতিও তেনেই শক্তিৰ ৰূপান্তৰ। উভয়ে ৰূপ সলাই সলাই গৈ থাকে সময়ৰ লগত খাপ খুৱাই নিৰন্তৰে। সেয়ে মহাশক্তি বুলিলেই প্ৰকৃতি আৰু এই প্ৰকৃতিৰ উৎসতে একোটা নিৰ্দিষ্ট প্ৰক্ৰিয়াৰ মাজেৰে উৎপত্তি হয় শক্তিৰ। এই শক্তি হ'ল একোটা অৱস্থাৰ পৰিৱৰ্তিত ৰূপ। আকৌ শক্তি বুলিলেই বিজ্ঞান— ব্ৰহ্মাণ্ড সত্যৰ দৰে ৰাসায়নিক বিক্ৰিয়াও এক সত্য। গতিকে বিজ্ঞান প্ৰকৃতি সত্য। পদাৰ্থ বিজ্ঞান, ৰাসায়নিক বিজ্ঞান, জীৱ বিজ্ঞান আৰু উদ্ভিদ বিজ্ঞান— এই স্থূল বিজ্ঞানৰ লগতে জড়িত আন এক সত্য আধ্যাত্মিক বিজ্ঞান। লগতে চাওক, যি সমন্বয় শক্তিৰ কাৰণে ব্ৰহ্মাণ্ড একক হিচাপে অনাদি কালৰ পৰা স্থিতি লৈ আছে, তেনে এক সমন্বয় শক্তিয়ে প্ৰকৃতিৰ স্থূল আৰু জীৱৰ স্থূল দেহত অবিৰাম ক্ৰিয়া কৰি আছে। প্ৰকৃতি দেহৰ দৰে জীৱ দেহত আত্মাৰ উপলব্ধি সম্পৰ্কে গীতাত কৈছে—

কোনোজনে ধ্যানযোগে আপুনি সাক্ষাৎ।

আত্মাক দৰ্শন কৰে আপোন দেহত।।

চৌধুৰী ঃ সেয়েটো কথা, এনে আত্ম উপলব্ধিৰ অভাৱত মানৱ প্ৰীতিৰ যদি উদয় নহয়, তেতিয়া জীৱনটো নিজৰ ভোগ-বিলাস, প্ৰেমত বাদে আন একো নেদেখা হয়। আৰু পৰিণতিত অশুভ হয়। শুভ বিবাহ নহৈ অশুভ প্ৰবাস হৈ জীৱন কটায়। উভয়ে ওলমি ৰয় মাজবাটত। বিবাহ প্ৰকৃততে এক আত্মাস্থিত মনৰ অংগীকাৰ, ভংগ কৰিলে লয় প্ৰতিকাৰ।

বৰুৱা ঃ এই কথাকে জনা উচিত যে সংকল্প তথা অংগীকাৰ কৰাৰ মানসিকতা উদয় আত্মাতে হয় আৰু মস্তিষ্কতে বিবেকৰ দ্বাৰা নিৰ্ণয় হয়। আত্মাৰ এনে সংকল্প সদৃশ ক্ৰিয়াৰ ফল হ'ল বিশ্বাস। স্নায়ৱিক, মানসিক আৰু বৌদ্ধিক ক্ৰিয়াসহ ই এক চৈতন্য সদৃশ প্ৰক্ৰিয়া। অৰ্থাৎ আত্মা, মন, বুদ্ধি (বিবেক)ৰ প্ৰকৃত ক্ৰিয়াৰ ফলেই হ'ল আত্ম প্ৰত্যয়। গতিকে এই আত্ম প্ৰত্যয় (Self confidence) হ'ল মানুহৰ জীৱনৰ স্থিৰতাৰ মূল খুঁটি। এই স্থিতি পাৰমাত্মিক আৰু মাধ্যাকৰ্ষণিক শক্তিৰ যুটীয়া আংশিক শক্তিৰ স্থিতি সাপেক্ষ স্থিতি। এই শক্তিৰ আকৰ্ষণ শক্তিশালী হ'লে আত্মদৰ্শন হয়। সেয়ে কয় The essence of life lies in self confidence. জীৱন মাধুৰ্য নিৰ্ভৰ কৰে এই আত্মপ্ৰত্যয়ৰ ওপৰতে। ইয়াত দেখিব আত্মা, মনৰ মাজত বিবেক এখন আপোচক সাঁকো।

আত্মাৰ লগত থাকে পৰমাত্মিক সংযোগ আৰু মনৰ লগত থাকে জীৱনৰ ভোগ সম্পৰ্কীয় পাৰ্থিৱ বস্তুৰ তৃপ্তি সাপেক্ষে ইন্দ্ৰিয়সমূহ। এনে ইন্দ্ৰিয় জড়িত মনাত্মাই বিবেকৰ বিচাৰৰ বাবে বাস্তৱ সংলগ্ন বা অসংলগ্ন বহু ঘটনাই সপোনে-দিঠকে দাঙি ধৰে। চাওক, কোনোবাই চুৰি কৰে পূৰ্ব জন্মৰ স্বভাৱ আৰু অভাৱৰ পৰিপ্ৰেক্ষিতত। আনহাতে, আন কোনোবাই চুৰি কৰে বৰ্তমানৰ স্বভাৱ আৰু অভাৱ পূৰণ সাপেক্ষে পৰিৱেশৰ প্ৰভাৱত। এগৰাকী বিধৱাই পঁইতা ভাতৰ কাঁহীখন লোণ-মিঠাতেলসহ লৈ নিজে নিজে ক'লে, 'কেঁচা জলকীয়া হ'লে ভাতখিনি খাব পাৰিলোহেঁতেন।' পুতেকে কথাষাৰ শুনা পাই গোপনে ওচৰৰ এঘৰৰ পৰা পকা জলকীয়া চুৰি কৰি আনি মাকক দিয়াত ভাতকেইটা খালে। কিন্তু নুসুধিলে জলকীয়া ক'ত পালে। আন এদিন এনে উচাহকে মূলধন হিচাপে লৈ কাষৰ ঘৰৰ পৰা তিয়ঁহ

চুৰি কৰি আনি মাকক খুৱালে আৰু সিয়ো মন পূৰাই খালে। এয়া বিবেক বিচাৰহীন শ্ৰৱণ আৰু দৃষ্টিৰ ফচল। তেনেদৰে আন এক পত্নীয়ে দুপৰীয়া ভাত সাজি পতিক গা ধুই উঠি খাবলৈ মাতিলে। পতিয়ে ঘৰৰ সন্নিহিত আমৰ গছত থকা পকা আম চকুত ভাহি উঠাত ভাতৰ লগত খোৱাৰ মানসেৰে গছত উঠি পিছলি পৰিল। ভাত খাব ক'ত আমৰ লোভে মৃত্যুকে চপাই দিলে। পূৰ্ব জন্মৰ সংস্কাৰী আত্মা হোৱা হ'লে উভয়ে মনৰ স্থিৰতা সাপেক্ষে বিবেকেই বিচাৰৰ বাট পোনাই দিলেহেঁতেন। আৰু এই জন্মৰ পৰিবেশ শুদ্ধ হোৱাহেঁতেন প্ৰশ্নৰ অৱতাৰণাই নহ'লহেঁতেন। সেয়ে দেখা যায় মনৰ স্থিৰতাই বিবেকৰ বিচাৰ সাপেক্ষে প্ৰতিভা বিকাশৰ বাট পোনাই দি থাকে আৰু ঐকান্তিকতাই (Self concentration of mind) সফলতা জিলিকাই তোলে। ইয়াৰ লক্ষ্য আত্মা। চৰাইটো বাঁহৰ পৰা উৰি যলৈকে নাযাওক লক্ষ্য বাঁহটো, তেনেকৈ মানুহ একোজন দেশে-বিদেশে ঘূৰিলেও লক্ষ্য নিজৰ ঘৰটো। এয়া মনৰ ঘৰ আত্মাই লক্ষ্য, আত্মাৰ দেহেই আশ্ৰয় স্থল।

চৌধুৰী ঃ হেৰি, এই সকলো জীৱন সুখৰেইটো কাৰণ। সুখৰ লগত দুখৰ কঁপনি, ময়ো কওঁ শুনক এটা কাহিনী— এজন অৱসৰপ্ৰাপ্ত কৰ্মচাৰী, ঘৰ-সংসাৰ কৰিলে, ল'ৰা-ছোৱালীক অতি কষ্ট কৰি গঢ় দিলে, বিয়া-বাৰু হ'ল; ভাগৰক ভাগৰ বুলি নাভাবি, দুখক দুখ অনুভৱ নকৰি দিনে-ৰাতিয়ে ঘূৰিলে চকৰি ঘূৰাদি। শেষত সকলো দিশতে সফল হৈ উঠিল। সুখেই যেন সুখ। কিন্তু সুখৰ লগত দুখৰো উঠিল কঁপনি। দুখৰ মেলানিৰ লগতে সুখৰো নোহোৱা হ'ল আলৈ-আথানি।

সু-গৃহিণী ঢুকাল, অট্টালিকাৰ কোঠাৰ লেখীয়াকৈ বহুত কোঠালি সজা হ'ল, তেওঁৰ কিন্তু নিৰিবিলিকৈ মুকলি মনে থাকিব পৰা, দুই-এজন বন্ধু আহিলে সুখৰ-দুখৰ কথা পাতিব পৰা ঠাইৰ অভাৱে নিজৰ মনতে খোপনি পুতিলে। মনৰ বেদনা মনতে লুকুৱাই নিজৰ মনৰ দুখ বুকুতে ভুকুৱাই ফাগুৰ পৰা ল'লে টকা ধাৰে, মনোমত কোঠা সজাৰ আৰম্ভণিও কৰিলে। পিচদিনা থাকিল ঢুকাই। কোঠা সজাৰ অভাৱটো ৰৈ গ'ল সিপুৰীত পূৰণ কৰাৰ আশাৰে।

বৰুৱা ঃ এনে এজন বৃদ্ধই কোৱা শুনিছিলোঁ; 'মোৰ ৰাতিৰ সপোনৰ আকাশখনত বহুত শগুণ উৰি ফুৰে। ছন পৰা পথাৰৰ মুকলি ঠাইত মৰাশৰ জঁকাবোৰে ইটোৱে সিটোক খুন্দা খুন্দি কৰি বাগৰি থাকে। মই একেবাৰে নিঃসহায় হৈ যাওঁ। সহায় বিচাৰি হাত মেলি খেপিয়াই চাওঁ, কাষত কাকো হাতেৰে লগ নাপাওঁ। দূৰত বহুত মানুহ থকা অনুভৱ হয়, কিন্তু উঠি লগ ধৰাৰ মোৰ শক্তি নাই। মই যে নিজেই নিজৰ বিপদৰ লগ।' চাওক, ঈশ্বৰৰ সহায় পোৱা হ'লে?

চৌধুৰী ঃ এনেদৰেই চাওক আৰু এটা কথা; মানুহে নিজৰ যোগ্যতাতকৈ যেতিয়া বেছি পায়, গৌৰৱ, অহংকাৰত ওফন্দি উঠে; দাম্ভিক অভিমানী হয়, নিজক চিনে, টকাক চিনে, মানুহ হ'লে নিচিনে। তেতিয়াই তেওঁ হাৰি যায় জীৱন যুঁজত; লগে লগে বুজি নাপায় মানুহৰ পৰা কেনেকৈ অমানুহ হৈ যায়। যেনেকৈ অতি শক্তিশালী শিৱ ভক্ত বা বিষ্ণুভক্ত অসুৰ, দৈত্যজন কোনো এটা অন্যায়, অসৎ কামৰ দুৰ্বলতাত হাৰি যায়, এয়াও তেনেকৈয়ে হয়।

আৰু বুঢ়া হ'লে যেতিয়া ল'ৰা-ছোৱালী, তিৰোতা-বোৱাৰীয়ে আঁতৰে আঁতৰে যা-যোগাৰ ধৰে, খা-খবৰ লয়, তেওঁ আশা কৰা গুৰুত্বত মূৰ পোলোকা দিয়ে; তেতিয়াহে অনুভৱ হয় তেওঁ কিমান শক্তিশালী। আৰু মৃত্যুৰ পিচত তেওঁ সিহঁতৰ পৰিচয় হৈ থাকিব, কিন্তু সিহঁত তেওঁৰ লগত একোতে নাথাকিব। তেওঁৰ লগত থাকোঁতা জন?

মোৰ এজন বন্ধুৰ কথা শুনক— বন্ধুজন চিকিৎসক, এখন নগৰত থাকে। যি দেখিলোঁ, শুনিলোঁ, বুজিলোঁ তেওঁৰ বৰ অভাৱ। যেনে— এটা মুকলি কোঠাৰ, এটা লিখা-পঢ়া কৰা কোঠাৰ, নিৰিবিলি মনে বহি সুখৰ-দুখৰ নিজৰ কথা দুষাৰ নিজেই চিন্তা কৰাৰ সুবিধাৰ তথা লিখা-পঢ়া কৰা ইচ্ছাৰ পৰিৱেশৰ। কাগজ-কলম যিমানে সুবিধা কৰি নলয় হাতত একো নাথাকেগৈ। ঘৰখনৰ বিভিন্ন অভাৱ তেওঁ পূৰাই থাকে এটাৰ পিচত আনটোকৈ; কিন্তু তেওঁৰ অভাৱ পূৰণৰহে অভাৱ। তেওঁ ক'লে যে তেওঁৰ বহুত মাটি-বাৰী, সা-সম্পত্তি, ঘৰ-দুৱাৰ; মুঠতে তেওঁৰ মালিকানাত বহুত কিবাকিবি। কিন্তু তেওঁ মানুহজন বৰ অভাৱী। বহুত আছে, নিজৰ বুলিবলৈ একো নাই। বন্ধু এজন

আহিলে সুকীয়াকৈ বহুৱাই মনপুতি কথা হ'বৰ মন যায়। উপায় নাই, ষ্টেণ্ডাৰ্ড নামি যোৱাৰ ভয়ত বাধাই বাধা। ভাব হয়, গাঁৱৰ দূৰণিবটীয়া ঠাইত মুক্ত মনে থাকি বন্ধু-বান্ধৱৰ লগত কথা হ'বগৈ। কি হ'ব? সিয়ো যে পুৰণি এৰাবাৰী। সেয়ে মানুহে জানে তেওঁৰ বহুত কিবাকিবি, নাজানে তেওঁৰ যে একোৱে নাই— সকলো খালী, মনটোকে নহয় যেন দেহটোকো নিথৰ কৰি পেলাইছে।

মোৰ কথাই বা কি? চাওক, ঘৰ, মাটি, গাড়ী, বয়-বস্তু সকলো আছে ঘৰ ভৰি, মাত্ৰ সহধৰ্মিণীৰ ঠাইখিনি খালী; মনত, বুকুত, ঘৰখনত। হঠাৎ মনত পৰি খেপিয়াই চাওঁ, বুকুত সাবটি শুদা হাতখনহে পাওঁ। পুত্ৰ-বোৱাৰীক মই ক'ব নোৱাৰোঁ, 'জীয়াই থাকোঁতে নিদিয়া ফটাকানি, মৰিলে দিবা সোণৰ আঙঠি।' খোৱা-লোৱা, দিয়া-খোৱা সকলো অন্তৰ ভৰা; যি ইচ্ছা ব্যৱহাৰ কৰিব পাৰোঁ, য'তে ইচ্ছা থাকিব পাৰো; কিন্তু যি ইচ্ছা খাব নোৱাৰোঁ, যি মন যায় কৰিব নোৱাৰোঁ। মুঠতে মোৰ স্বাধীনতা পুত্ৰ-বোৱাৰীৰ হাতত। সেয়ে এতিয়া মই আগৰ মই হৈ থকা নাই।

বৰুৱা : নিজে নলয় কিয় মুকলি কৰি।

চৌধুৰী : সেইটোৱেই কথা, গোটেই পাৰোঁ, প্ৰকৃততে একো নোৱাৰোঁ।

বৰুৱা : তাৰমানে আপুনি ভালপোৱা বস্তুত তেওঁলোকে বেমাৰৰ বীজাণু দেখে, খাব দিয়া খিনিত আপোনাৰ ৰুচি নাহে। আহিব কেনেকৈ? আপোনাৰ জিভাত লাগি আছে গাঁৱৰ ঘৰুৱা বস্তুৰ সোৱাদ।

চৌধুৰী : ঠিক তেনেকুৱাও নহয়। মোৰ ৰুচিৰ প্ৰতি পুত্ৰ-বোৱাৰী সচেষ্ট। কিন্তু কিবা এটা ৰুচি নাহে খুলি ক'ব নোৱাৰোঁ। বেয়া লাগে। এইখিনিতে গৃহিণীলৈ বাৰে বাৰে মনত পৰে। আচলতে পতিৰ সংগ, লগ-বন্ধু মনৰ মানুহ পত্নী; দেহৰ, মনৰ, জিভাৰ তথা পোছাক-পৰিচ্ছদৰ মাৰ্জিত ৰুচিৰ। উঘা-চেৰেকিৰ শলা (Pivot) ৰ দৰে পৰিয়াল বৃত্তৰ কেন্দ্ৰ। সেয়ে পত্নীৰ মায়াত পতি, মাতৃ স্নেহত সতি-সন্ততি, সকলো ঘূৰি ফুৰে চক্ৰাকাৰ কৰি।

হেৰি, ক'বলৈ দুখ লাগে যে নাৰীক নৰকৰ দ্বাৰ বুলি অ'ত ত'ত কোৱা শুনিছিলোঁ। আচলতে নাৰী স্বৰ্গৰহে দ্বাৰ। এইজনীয়েই

মাতৃ যিয়েই নৰকৰ ভাৰ বৈ পোহৰৰ দ্বাৰ খুলি সন্তানক পৃথিৱীৰ বুকুত পোহৰলৈ লৈ যায় বুলাই। এই আই মাতৃ বসুমতীয়ে প্ৰকৃতিৰ বুকুৰ সকলো গেলা-পচা, আৱৰ্জনাৰ বোজা বৈ সৃষ্টি কৰে সকলো সম্পদ। বনজাত, কৃষিজাত, খনিজাত, শিল্পজাত আদি সামগ্ৰীসমূহ। সাংসাৰিক দিশত পতি-পত্নীৰ মিলন একাত্মবোধৰ এক জ্বলন্ত নিদৰ্শন। চাওক, শিৱ-পাৰ্বতী, ৰাম-সীতা, কৃষ্ণ-ৰুক্মিণীৰ ঐশ্বৰিক প্ৰেমাত্মাৰ মিলনে মানুহৰ ব্যৱহাৰিক প্ৰেমাত্মাৰ মিলন প্ৰকট কৰি তুলিছে। এনে আত্মিক সম্পদকে লৈ শংকৰদেৱে একশৰণ নামধৰ্ম প্ৰচাৰৰ পৰিপ্ৰেক্ষিতত পুৰুষ প্ৰকৃতিৰ একাত্মবোধত গুৰুত্ব আৰোপ কৰিছে।

বৰুৱা : এয়াই বৃদ্ধ অৱস্থাত ধৰ্ম হ'ল নিষ্কাম কৰ্ম, এই কৰ্মই হ'ল নাম ধৰ্ম— শ্ৰৱণ-কীৰ্তন-স্মৰণ, ঈশ্বৰ উপাসনা তথা সৎ সমতা মানৱ প্ৰীতিৰ ধৰ্মৰ একান্ত ভক্তিত মনাকৰ্ষণকৰণ; খৰচহীন, মুকলিমূৰীয়া স্বাধীন আৰু অন্তৰ পৰশা আত্মাৰ ধৰ্ম; এক সচ্চিদানন্দৰ আকৰ।

চৌধুৰী : মই নিজেও কেতিয়াবা ভাবোঁ মানুহে কৰ্মৰ তাত্ত্বিক দিশ হেৰুৱাই তথা আধ্যাত্মিক চেতনা কৰ্মঠ নকৰি দুৰ্নীতিৰ টকাকে যথা সৰ্বস্ব কৰি পংগু হৈ পৰিছে। কৰ্ম সংস্কৃতিৰ সততা দিশ অৱহেলা কৰি বহিৰাগতৰ থিতাপিক প্ৰশ্ৰয় দিয়াই নহয়, নিজৰ শাৰীৰিক আৰু মানসিক কৰ্ম সংযোগ হেৰুৱাই নিষ্ক্ৰিয় হৈ পৰিছে। এই দুৰ্বলতাসমূহে এনেকৈ মনত আসৈ পাইছে যে ই সংক্ৰামক ৰোগৰ দৰে ক্ৰমশঃ বিয়পি গৈ আছে আৰু এটা সময়ত মৃত্যুৱেহে শেষ পৰিণতি সূচাব। আজি এনে এটা অৱস্থা পাইছেহি য'ত ত্যাগী পুৰুষেও সমাজত পোহৰ বিলাবলৈ সুৰুঙা নোপোৱা হৈছে এন্ধাৰৰ দৌৰাত্ম্যত। অসূয়া প্ৰবৃত্তিয়ে চৌদিশ ছানি ধৰিছে। ত্যাগীৰ আহিলাখিনিকো হাত কৰাৰ কৌশলত নামি পৰিছে।

বৰুৱা : কি ক'ব, এতিয়া আৰু মানুহ গঢ়াৰ পৰিৱেশ নাই। বৰ্তমান মানুহক যেন অমানুহ কৰি গঢ়ি তোলাৰ পৰিৱেশ এটা কৃত্ৰিম কাৰখানা হৈ ধৰা দিছে। সেয়ে বগা পাৰ চৰাই, পঠা ছাগলীকো আনকি বেছি মূল্য পোৱাৰ আশাত কলা ৰং দি বিক্ৰী কৰে পূজাৰ বলি-বিধান প্ৰসংগত। এতিয়া সঁচা মানুহ হোৱাৰ পৰিৱেশ গঢ়িব লাগিলে মনোবৈজ্ঞানিক

বিপ্লৱৰ পৰিৱেশ গঢ়িব পৰা মানুহৰ আৱশ্যক। এনে বিপ্লৱো ত্যাগ আৰু মানৱ প্ৰেমৰ দ্বাৰাহে সম্ভৱ। কিয়নো সঁচা কথা কোৱা, সমতা আৰু মানৱতাৰ ভাব প্ৰকট হোৱা কৰ্ম কৰা আৰু লগতে সজ ব্যৱহাৰ, আচৰণ চৰ্চাৰ পৰিৱেশ সৃষ্টি কৰা এক দুৰূহ কাম। ই এক স্বতঃস্ফূৰ্ত মানসিক প্ৰক্ৰিয়া, মহাজাগতিক শক্তি প্ৰক্ৰিয়াৰ দৰে। দুই বা ততোধিক মৌল নিৰ্ধাৰিত অনুপাতত ৰাসায়নিকভাৱে লগ লাগি সৃষ্টি হোৱা নতুন পদাৰ্থৰ দৰে, পৰিয়ালৰো দুই বা ততোধিক সদস্য নিৰ্ধাৰিত শাশ্বত গৃহ সংসাৰ সত্যত মিলিত হ'লে ঘৰখনে নিজে নিজে এটা সৰ্বাংগ সুন্দৰ সুখৰ আকৃতি-প্ৰকৃতি লয়। চিমেণ্ট, শিল, বালিয়ে নিৰ্দিষ্ট অনুপাতত নিজে নিজে কংক্ৰিট হোৱাৰ দৰে এয়া এক অন্তৰ্নিহিত প্ৰক্ৰিয়া। এই কংক্ৰিট আকৃতিত বা পৰিধিত তথা আয়তনত বায়ু সোমাব নোৱাৰাৰ দৰে কোনো শত্ৰুৱে এনে ঘৰৰ গাঁথনিত আঘাত হানিব নোৱাৰে। স্থিৰ সমাজ, ৰাজ্য, দেশৰ ক্ষেত্ৰতো ই সমানেই প্ৰযোজ্য।

ইয়াত এটা ঋণাত্মক দিশো আছে, যেনে— কৃত্ৰিম মনৰ মানুহ এজনৰ আগত তেওঁক দেখুৱাই কোনো এটা জিভাৰ পানী নিঃসৃত হোৱা বস্তু খাই থাকক আৰু তেওঁক সোধক কেনে সোৱাদ লাগিছে। কাৰণ, সঁচা কথাৰ আনন্দ কি, দুয়োজনে একেলগে খালেহে বস্তুৰ সোৱাদ একেদৰে অনুভূত হোৱাৰ দৰে, তেওঁ নাজানে। মিছা কথা কৈ অসমতা, মানৱতাহীন, অন্যায়, দুৰ্নীতি, ভ্ৰষ্টাচাৰ কৰি তেওঁ তাতহে অভ্যস্ত হৈছে আৰু তাতহে তেওঁ শান্তি পায়।

চৌধুৰী ঃৰ'ব, মোৰো এনে দিশৰ কথা এটা কওঁ, এজন চিনাকি বন্ধু মোৰ ঘৰত আহিল, চাহ-পানী মিঠাই দি উঠি জলপান আদিও দিলো। আলহীজনে সকলো তৃপ্তিৰে খালে আৰু মুখভৰা মিঠা হাঁহি মাৰি তেওঁলোকৰ ঘৰত মোক নিমন্ত্ৰণ জনালে। মই সময় পালে যাম বুলি মনতে আশাটো পুহি ৰাখি কৈ থ'লো। গ'ল কথা গ'ল।

হঠাতে এদিন সেইপিনে যোৱাৰ সকাম এটা পাই ভালো লাগিল। বন্ধুজনৰ ঘৰত গৈ মাত এষাৰ দি আহিব পাৰিম। তেওঁৰ ঘৰৰ সন্মুখত থিয় হলোঁ। খিৰিকীৰে মোক দেখি ওলাই আহি দুৱাৰ

মুখত মাত দি সুধিলে, 'কেনি যাবলৈ আহিছে', মই ক'লোঁ, 'নাই এনেয়ে এইপিনে আহিছিলোঁ।' (কাৰণটো উল্লেখযোগ্য নহয় কাৰণে ব্ৰেকেটত ৰাখি থলোঁ) মই নভবা কথাৰে মাতষাৰ শুনিলোঁ, 'অ' দৰ্কাৰী কাম হ'বলা, যাওক ক'লৈ যাব আহিছে, কেতিয়াবা আহিব আকৌ।' আজিয়েই আপোনাৰ ঘৰত আহিছোঁ বুলি ক'বলৈ সাহস গোটাব নোৱাৰিলোঁ।

বৰুৱা : আগতেও যে টেবুলত ভৰি দাঙি ৰাখি আলহীৰ লগত কথা হোৱা মানুহজনৰ কথা আলোচনা কৰিছিলোঁ, সেই একে কথাই দেখোন। আত্মিক সৰলতা আচলতে ভদ্ৰতাৰ ওপৰতো নিৰ্ভৰ কৰে।

চৌধুৰী : হেৰি, ভৰিৰ ওপৰত ভৰি থৈ কিমান থাকিব থিয় হৈ বৈ। Morning walk গৈ Noon walk হ'ব দেখোন।

বৰুৱা : বলক তেনেহ'লে, ভৰিৰ মূৰত ভৰি পাৰি এখোজ-দুখোজ কৰি Morning walk য়ে বাহাল ৰাখি।

চৌধুৰী : সেয়া কি দেখিছেনে?

বৰুৱা : কি?

চৌধুৰী : পাণ দোকানীজনে কি কৰি আছে? চাওক, এয়া পৰিৱেশ তথা সমাজ গঢ়া মানুহ। এজনে দুৰ্নীতি কৰি চকুত ধূলি মাৰি ৰাস্তা বনাই গ'ল, এনে দুৰ্নীতিৰেই ভিক্ষাৰীৰ সংখ্যা বঢ়াইয়ো ল'লে। আন এজনে আকৌ দেহাৰে বা ধনেৰে সমাজ গঢ়িবলৈ উঠিপৰিও লাগে।

বৰুৱা : অ', দীঘল নালৰ কোৰ এখনেৰে গড়কাপ্তানি ৰাস্তাৰ গাঁতটো পূৰ কৰি আছে।

চৌধুৰী : এয়া আত্মজ্ঞানী মানুহ, নহয় জানো; এনে সম্যক জ্ঞান নথকা মানুহক কাণ্ডজ্ঞান হীন মানুহ বুলি কয়। অৰ্থাৎ Loss of common sence. এনে সাধাৰণ জ্ঞানৰ ওপৰত সমাজৰ বহু কথাই নিৰ্ভৰ কৰে। কোনোবাই গাঁত খান্দিছে আৰু আন কোনোবাই পূৰাইছে। তাৰ নিশ্চয় গাড়ী নাই যে সি অসুবিধাটো মিটাই লৈছে। শুনিবলৈ পাইছোঁ ফাইলতে কোনোবাই পুখুৰী খান্দি টকা লুটিছে, কোনোবাই সেই খন্দা পুখুৰীটো ফাইলতে পূৰা কৰি একে দৰে টকা ঘটিছে।

বৰুৱা : সমাজৰ এনে সজ কামৰ প্ৰতি নজৰ কৰিবলৈ আজি কাৰো আহৰি

নাই। এইটো যে লাস-বিলাস, বিলাসী জীৱন-যাপন কৰাৰ যুগ। মানুহক চোৱাৰ যেন ই যুগ নহয়। সেয়ে আহৰি পাই, মনত উচাহ জাগে অন্যায় ধন ঘটিবলৈ, বিলাসী গাড়ী ঘূৰাবলৈ। সৰু-বৰ নাই ওপৰঞ্চি টকা পকেটত নপৰে যাৰ হাতত কাম নিসিজে তাৰ। কি ব্যক্তি, কি জাতি আনক মাৰি নিজে খোৱাৰ প্ৰীতি। এয়ে মানুহৰ হিয়া, টকা ঘটাৰ কাৰখানা। ইয়াত অসূয়াৰ কেঁচামাল যথেষ্ট। সৎ, সমতা, ন্যায়, নীতিৰ প্ৰতি ধাউতি হৈ পৰিছে নিকৃষ্ট প্ৰীতি। প্ৰেমৰ পবিত্ৰ কেঁচামাল ক'ত পাব? নীতি চালে দল নাথাকে, দল ৰাখিলে নীতি বাগৰি পৰে; মানৱতাক এনেকৈয়ে ৰাজনীতিয়ে উপহাস কৰে; অৰ্থাৎ নিজেই নিজক ফাঁকি দিয়ে, নিজৰ সন্মুখতে মানৱতাৰ নগ্ন ৰূপ ওলাই পৰে। ভদ্ৰতাক নেওচি উলংগ ৰূপত ইহঁতৰ দৰে মিচিকিয়াই হাঁহে।

চৌধুৰী : মানৱতাহীন গণতন্ত্ৰ প্ৰকৃততে স্বাৰ্থন্বেষী তোষামোদ তন্ত্ৰ। কিন্তু এনেকৈয়ে গণতন্ত্ৰ হৈ পৰিছে সংশয় তন্ত্ৰ। নিৰ্বাচন আহিলে কোনোজনে জীৱনৰ টাৰ্ণিং পইণ্টৰ আশাত আত্মহাৰা হয়, কোনো জনে আতংকত পেঁপুৱা লাগি ৰয়, কোনোজন ধনী, মন্ত্ৰী, বিধায়ক, সাংসদ হ'ব, কোনো জনৰ জীৱন নাও বুৰিব। দোষ দিবই বা কাক, নিদিয়াকৈ থাকিব বা কাক। আত্মজ্ঞান কেঁচামালৰ যে অভাৱ ন্যায়-নীতি, মানৱতাৰ কাৰখানা চলিব কেনেকৈ?

বৰুৱা : সেয়ে, এইসকলে নিজকে সামাজিক প্ৰাণী বুলি কোৱাৰ আত্মিক অধিকাৰ নাই। ক্ষমতাৰে, বলেৰে, মুখেৰে বা কলমেৰে যিয়েই নহওক, মানুহ হৈ যিয়েই মানুহক মানুহ হিচাপে চাব নাজানে, সি নিজেও জানে যে সি অমানুহত পৰে। আৰু সি যতেই নাথাকক, যি পদমৰ্যাদায়েই নাপাওক সদায় দুখী; নিজৰ মনতেই নহয় সমাজৰ চকুতো, সৰ্বসাধাৰণৰ লেই-লেই, চেই-চেই আকাশে-বতাহে মুখৰিত কৰে। সেয়ে মানুহৰ চৰিত্ৰই যাৰ নাই, প্ৰকৃততে তাৰ একোৱেই নাই। সমাজৰ প্ৰতি থকা দায়িত্ববোধেই বুজাই আত্মাৰ স্বৰূপ। সমাজৰ প্ৰতি বীতশ্ৰদ্ধা যাৰ, আত্মা ফাঁকি ধৰাও পৰে তাৰ। আত্মাক যিয়ে ফাঁকি দিয়ে সি একো অধিকাৰেই দাবী কৰিব নোৱাৰে। তাৰ দেহ চৰ্চা আৰু মানসিক চৰ্চা একোতেই

আত্মাই ভাগ নলয়। মুঠতে ব্যক্তিত্বৰ বিকাশ নহয়, তাৰ ব্যক্তিত্ব জুইৰ তাপত তৈয়াৰ কৰা খিচিৰি নহয়, চিমেণ্ট, বালি, শিল মিহলাই পানী দি ঘুটি থকা কংক্ৰিটৰ আৱৰ্জনা।

চৌধুৰী ঃ আমি এনে দুটা চৰ্চাই কৰি আছোঁ; শৰীৰ চৰ্চা আৰু মানসিক চৰ্চা।

বৰুৱা ঃ এনে পৰিপ্ৰেক্ষিততে মহাত্মা গান্ধীয়ে কৈছেই নহয় যে শৰীৰ, মন আৰু আত্মাৰ বিকাশেই ব্যক্তিত্বৰ প্ৰকাশ; সেয়ে শুদ্ধ আত্মাৰ বিকাশ মন আৰু দেহৰ ওপৰত নিৰ্ভৰশীল। গতিকে ইন্দ্ৰিয় সাপেক্ষে মন আৰু স্বাস্থ্য সাপেক্ষে দেহ সুস্থ হ'লেহে আত্মাৰ পূৰ্ণ বিকাশ সম্ভৱ হয়। ইয়াত পৰিৱেশৰ প্ৰভাৱ বাৰুকৈয়ে মন কৰিবলগীয়া।

এনে সন্দৰ্ভতে আকৌ ব্যক্তিত্ব সাপেক্ষে আনুষংগিকভাৱে আহি পৰে প্ৰাণী আৰু উদ্ভিদ জগতত নাৰীত্ব আৰু পুৰুষত্বৰ জন্ম-বৃদ্ধি-ক্ষয় তত্ত্ব, লগতে নাৰীত্ব আৰু পুৰুষত্ব গঠন আৰু বয়সত সৃষ্টিৰ প্ৰভাৱ। এই প্ৰক্ৰিয়াতে লুকাই আছে বিজ্ঞান আৰু আধ্যাত্মিক বিজ্ঞানৰ পৰিপূৰক আৰু সমন্বয়ৰ সূত্ৰ। অৰ্থাৎ দেহ আৰু ইন্দ্ৰিয় সাপেক্ষে মনৰ লগত শুদ্ধ আত্মাৰ মিলন হ'লেহে ব্যক্তিত্বৰ পূৰ্ণ বিকাশ ঘটে পৰিৱেশৰ প্ৰভাৱত।

এই কথাই 'Therapy' ৰ কথা মনত পেলায়, i.e. the treatment of illness of the mind or body, especially without drugs or operation. এই ছেগতে ইয়াৰ লগত সাঙোৰ খাই থকা 'Occupational Therapy' আৰু 'Radio Therapy' ৰ কথা মনত দোল দি থাকে। Occupational Therapy হ'ল; the treatment of illness as of the body or mind through productive employment. আনহাতে Radio Therapy হ'ল the treatment of diseases by radiology. লগতে আহিল 'Aroma'ৰ কথা, i.e. a strong usually pleasant smell ৰ ব্যৱহাৰৰ কথা। ইয়াৰ প্ৰয়োগ এটা উল্লেখনীয় দিশ। সেয়ে দেখা যায় সুস্থ দেহ আৰু সুস্থ মনৰ বাবে Aroma Therapy ৰ উল্লেখযোগ্য ভূমিকা আছে।

চৌধুৰী ঃ সৃষ্টিৰ পৰিপ্ৰেক্ষিতত মন, আত্মা সম্পৰ্কীয় আধ্যাত্মিক দিশতে আহি পৰে প্ৰেম আকৰ্ষণৰ কথা, লগতে আহে নাৰীৰ মোহনীয় ৰূপৰ প্ৰভাৱ।

আপুনিটো Woman Vitality ৰ কথা কৈছেই। চকু, ওঁঠত জিলিকি থাকে হিয়াৰ প্ৰেম পত্ৰ; প্ৰকৃতি দেৱীয়ে প্ৰকৃতিৰ এই মোহনীয় ৰূপৰ সৌন্দৰ্য প্ৰতিভাত কৰে বসন্ত কালত। এয়া নাৰীত্ব আৰু পুৰুষত্ব প্ৰকাশ সাপেক্ষে যৌৱন অনুভূতিৰ এক অপূৰ্ব চিত্ৰ। এই চিত্ৰতে এক আভাস ফুটি উঠে প্ৰেমৰ, গোটেই পৰিৱেশে পৰিগ্ৰহ কৰে এক আৱেগিক আকৰ্ষণীয় ৰূপ। ধ্বনিত হয়, প্ৰেমৰ গান; প্ৰেমিক-প্ৰেমিকাৰ হিয়া জুৰ পৰা বাহীৰ সুৰ; গাভৰুৰ ওঁঠত ফুটি উঠে স্বৰ্গীয় হাঁহিৰ পোহৰ, প্ৰকট হয় এই পোহৰৰ নাচোন। এই প্ৰেমৰ বাবেই ফুল ফুলি ফল হৈছে; মৌ মাখি, চৰাই-চিৰিকটিয়ে গুণগুণাই ফুৰিছে; কোনোবাই কাৰোবাৰ ওচৰ চাপিছে, কোনোবাই কাৰোবাক সাবটি ধৰিছে, আন কোনোবাই কাৰোবাৰ কপালত, গালত চুমাৰ পৰশ বুলাইছে আৰু এই চুমাৰ পৰশে উভয়ৰে হিয়াত ছবি আঁকিছে।

আমি যে মৰমেৰে মাতো কাৰোবাক ইয়াৰ উদয় ইন্দ্ৰিয় সাপেক্ষে মনাত্মাতে হয়, এয়া মিলনৰ ইংগিত। এনে মহামিলনৰ ইংগিতৰ অন্তৰালত আছে এক নিবিড় প্ৰেম-ভালপোৱা। সেয়ে এই প্ৰেমে সৃষ্টিৰ মাজেৰে প্ৰকৃতিৰ আশ্ৰয়ত পৰমাত্মাক চুই যায়। এই প্ৰেমৰ আৰম্ভণিয়েই আকৰ্ষণৰ আৰম্ভণি আৰু এই আকৰ্ষণতে থাকে মায়া। পাৰ্থিৱ মায়াত এন্ধাৰৰ কঁপনি থাকে, কিন্তু প্ৰেমৰ মায়াত উলাহে পোহৰৰ স'তে মতলীয়া হৈ নাচে।

বৰুৱা ঃ সেয়ে, দেহ-মনৰ বাবে প্ৰেম এক স্বাস্থ্যকৰ প্ৰীতি, এই প্ৰেমক ক্ষতি কৰিব পৰা উপদানেই হ'ল দুষ্কৃতি। জীৱ-জন্তু, চৰাই-চিৰিকটি, সৰীসৃপ আদিৰ মাজতে এদিন আৰম্ভ হৈছিল প্ৰেমৰ আকৰ্ষণ। প্ৰত্যেকেই বাঁহ সাজি যুগ্ম প্ৰেমৰেই ইংগিত বহন কৰিছিল। প্ৰতীক হৈ পৰিছিল এয়া এক প্ৰেম বন্ধনৰ। এন্ধাৰে ভগা জীৱন বন্ধনৰ ঘৰটো প্ৰেমৰ পোহৰত পুনৰাই সাজিব পাৰি। এই প্ৰেমতে সনাপোটকা হৈ আছে ক্ষোভকো গলাব পৰা এক এনে আকৰ্ষণ উভয়ৰে উভয়ৰ প্ৰতি। নাৰীৰ মাতৃত্বৰ হেঁপাহ বা আকৰ্ষণ এনে এক সৃষ্টিৰ আকৰ্ষণ। ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ দৰে আকৰ্ষণ বোলোতে বিকৰ্ষণো আছে, ধনাত্মক, ঋণাত্মক; এক কথাত চুম্বকত্ব। সম ধৰ্মীৰ বিকৰ্ষণ আৰু বিপৰীত ধৰ্মীৰ আকৰ্ষণ। এয়া

বিপৰীত ধৰ্মীৰ বা লিংগৰ আকৰ্ষণেই প্ৰকৃতিস্থ ভগৱানৰ সৃষ্টিৰ ৰহস্য। মৈথুন ক্ৰিয়াৰ উদ্দেশ্যে চিঞৰে, মাতে, নিজে নিজে বুজি পোৱা কথাৰে, চিহ্নৰে, অংগি-ভংগি আদি বিভিন্ন চিহ্নৰে আগজাননী দিয়ে। কিছুমান চৰাইৰ ডেউকা ধপ্‌ধপায়।

চৌধুৰী ঃ এই আকৰ্ষণৰ উদ্দেশ্যটো বিশ্লেষাত্মকভাৱে কেনেকৈ ভাবিব পাৰি।

বৰুৱা ঃ সৃষ্টিৰ উদ্দেশ্যত এই প্ৰেম আকৰ্ষণ দেহ সাপেক্ষ। বিপৰীত লিংগৰ আকৰ্ষণৰ ৰহস্যই হ'ল যৌৱনৰ তাড়না, এই তাড়নাতেই সোমাই আছে সৃষ্টিৰ ৰহস্য, জন্ম বীজ আৰু ঔৰসৰ পিৰপিৰণি কাৰক। এই বীজ স্খলনৰ তাড়নাৰ উপশমৰ ৰহস্যত সোমাই আছে স্বতঃস্ফূৰ্ত মহাশক্তিৰ এক প্ৰকাশ। প্ৰেম আকৰ্ষণ যে সৃষ্টিৰে কাৰণ সেই সম্পৰ্কে কৃষ্ণ গীতাত কৈছে—

নাৰী-পুৰুষৰ সংযোগতে সৃষ্টি হয়।
ইয়াত বাহিৰে একো কাৰণো যে নাই।।

এনেদৰে ভাবিছেনে চুম্বকত্বৰ ধৰ্ম বা গুণ তথা বিপৰীত লিংগৰ আকৰ্ষণ শক্তি কৰ পৰা আহিল? পুৰুষৰ পুৰুষত্ব আৰু নাৰীৰ মাতৃত্বৰ উৎস কি বুলি যদি প্ৰশ্ন উত্থাপিত হয় তাৰ উত্তৰ কি হ'ব?

চাওক, ৰাসায়নিক মৌলৰ ধৰ্ম বা গুণ প্ৰকৃতিগত; চাৰি মুঠি জীৱৰ শক্তি বা গুণ-ধৰ্ম জন্ম, পৰিৱেশ আৰু খাদ্যৰ ওপৰত নিৰ্ভৰশীল। কিন্তু প্ৰেমাসক্তি স্বৰূপ ধনাত্মক বা ঋণাত্মক জাতীয় গুণ পুৰুষ আৰু নাৰীৰ ক'ৰ পৰা সুকীয়াকৈ আহিল। উভয়তো একে জাতীয় খাদ্যই খায়। মাত্ৰ গৰ্ভৱতী নাৰীক সন্তানৰ প্ৰতি লক্ষ্য ৰাখি পুষ্টিকৰ খাদ্য খুৱায়।

চৌধুৰী ঃ তেতিয়া হ'লে এই পাৰ্থক্যটো কেনেকৈ দেখা দিলে— ই 'জিন' জাতীয়?

বৰুৱা ঃ বৰ্তমানে নিৰন্তৰে নিৰন্তৰৰ হাতত হাত ধৰি গৈ আছে. মনত আছে গীতাৰ এই ভাষ্য—

সৰ্বভূত উৎপত্তিৰ মইহে কাৰণ।

অৰ্থাৎ এই 'মই' হ'ল মহাজাগতিক শক্তিৰ স্বতঃস্ফূৰ্ত প্ৰাকৃতিক ক্ৰিয়াৰ উপস্থাপক, চাৰিমুঠি জীৱৰ ভোগৰ সামগ্ৰী প্ৰস্তুতকাৰক

শ্রীকৃষ্ণ— পৰম ব্রহ্ম-পৰমেশ্বৰ। এনে সৃষ্টিৰ সতাই ব্রহ্ম সত্য। এনে ব্রহ্ম সত্যৰ সন্দৰ্ভতে আন এফাঁকি কথা সৰ্বজনবিদিত— *সৃষ্টি-স্থিতি-লয় তোমাৰ,*

তোমাৰ বাহিৰে সকলো অসাৰ।

অর্থাৎ এই ত্রিশক্তিৰ মিলন মহাশক্তিৰ সংযোগ জ্যোতি য'ত নাই, ত'ত আত্ম নাই; য'ত আত্ম নাই, তাত জীৱ নাই। য'ত জীৱ নাই সেই দেহ মাটিতে মিলি যায়। মাটিৰ উপদানতে উৎপন্ন হয় আকৌ সেই জীৱৰে আহাৰ; এই ভোগৰ সামগ্ৰীৰ গুণগত দিশৰ ওপৰতে ব্যক্তিত্বও কিছু পৰিমাণে নিৰ্ভৰ কৰে। এয়া জন্ম আৰু পৰিৱেশৰ প্ৰভাৱৰ দৰে। টেঙা খোৱা ৰুচিৰ দৰে এক মননশীল প্ৰক্ৰিয়া। প্ৰদূষণে প্ৰকৃতি বিনষ্ট কৰে, বিনষ্ট কৰে জীৱৰ গুণগত দিশ সাপেক্ষে স্বাস্থ্যৰ। তেনেকৈ দুষ্কৃতি, ভ্ৰষ্টাচাৰে ব্যক্তিত্বটো আঘাত হানে; যেনে— বস্তুৰ তিতা খাব পাৰি মাতৰ তিতা সহিব নোৱাৰি। কাপোৰত জুই লাগিলে নুমাব পাৰি, মনত জুই লাগিলে জীৱনটো চলাব নোৱাৰি। এনেদৰেই দেখা যায় Corrupted mentality hampers the development of personality. It concerns the loss of ethics. প্ৰত্যেক Profession ৰে একোটা (Ethics) নীতি আছে। এই নীতি অৱলম্বন নকৰা কাৰণে সকলো দিশতে বিপৰ্যয় আৰু সংঘাতৰ সৃষ্টি হৈছে।

সুস্থ পৰিচালনাত সুষম আহাৰৰ ভূমিকা মুখ্য। ইয়াৰ অভাৱত ৰোগৰ প্ৰাদুৰ্ভাৱ সাপেক্ষে দেহ-মনত বিভিন্ন প্ৰতিক্ৰিয়া ঘটে। এয়া প্ৰত্যেক কামৰে নীতি স্বৰূপ ক্ৰিয়াৰ দৰে। যদি পৰিমিত আহাৰ গ্ৰহণত লোভৰ ফাঁকি, কামত কষ্টৰ ফাঁকি, বুদ্ধিৰ বিকাশত ৰুচিৰ ফাঁকি তেনেহ'লে দেখা যায় প্ৰত্যেকতে ব্যক্তিত্বৰ ক্ষতি (Loss of Personality). এনে আত্ম ফাঁকি ভাবৰ বায়বীয় প্ৰকাৰ মৰ্মে ই পৰমাত্মাৰ স্বতঃস্ফূৰ্ত ক্ৰিয়াক চুই যায়। যেনে ধৰক দোকানৰ বস্তু বাকী খালে; দোকানীয়ে বহীত দুটকা বেছিকৈ লিখিলে, বাকীৰ গ্ৰাহকজনেও সুবিধা বুজি বাকী ঘূৰাই নিদিয়াৰ ফান্দ পাতিলে। দুয়োখন ফান্দত গম নোপোৱাকৈ অতৰ্কিতে বজি ৰ'ল। উভয়ৰে আত্ম বিশ্বাস নাই যে যদি মই অন্যায় কৰো, মোকো অন্যায় কৰিব পাৰে। মই যদি

ফাঁকি দিওঁ, মোকো ফাঁকি দিব পাৰে। প্ৰকৃততে দুয়োৰে একেই অশুদ্ধ আত্মা। সাগৰৰ পানীৰ ঢৌ উপকূলত খুন্দা খোৱাৰ দৰে জীৱাত্মাৰ ফাঁকি পৰমাত্মাত মিলি যায় ভাবৰ বায়ৱীয় ঢৌ হৈ। সাগৰৰ ঢৌৰ দৰে ব্ৰহ্মাণ্ডৰ ভাবৰ বায়ৱীয় ঢৌবোৰ আত্মা স্থিত মনৰ লগত খেলি থাকে জীৱন নচুৱাই নিৰন্তৰে।

চৌধুৰী ঃ আপুনি মোক ক'ত ঘূৰাই লৈ ফুৰে বুজিবই নোৱাৰোঁ। সাগৰৰ পানী কচুপাতত ঢালিলে, কচুপাতৰ পানীক সূৰ্যৰ কিৰণত জিলমিলাই লৈ সাগৰতে মিলাই দিলে; সৌৰশক্তিৰ পোহৰ পদাৰ্থ কণাৰ তথা কৃষ্ণ পদাৰ্থক (Dark Matter) আভ্যন্তৰীণ কৃষ্ণ পদাৰ্থৰ (Dark Matter-Big Bang) লগত একাকাৰ কৰিলে। লগতে বিশ্বব্ৰহ্মাণ্ডৰ মহা শক্তি স্বৰূপ প্ৰক্ৰিয়াটোক সংশ্লেষণ কৰি সংকুচিত ৰূপ দি এটা ক্ষীণকায় দেহত (স্থূল আৰু সূক্ষ্ম এক কৰি) সন্নিৱিষ্ট কৰি পেলালে। শ্ৰীকৃষ্ণই অৰ্জুনক মুখ গহ্বৰত দেখুৱাৰ দৰে সকলো অৱগত কৰিলে।

এনে পৰিপ্ৰেক্ষিততে মই নিজেও ভাবোঁ যে ভাবৰ লগত বাস্তৱ তথা ক্ৰিয়া-প্ৰতিক্ৰিয়া-বিক্ৰিয়া এক হৈ থাকে এই ব্ৰহ্মাণ্ডত। কেতিয়াবা ভাবৰ লগত বাস্তৱ ধৰা পৰে আৰু কেতিয়াবা বাস্তৱৰ লগত ভাবটো ওলাই আহে। বেয়া— বেয়া হৈ আৰু ভাল— ভাল হৈ ধৰা পৰে ধৰ্ম, বিজ্ঞান, সাহিত্য, সংস্কৃতি, সংস্কাৰ, লোককলা, শিল্প আদি সকলো জাতীয় বিদ্যাত। লগতে ই প্ৰতিভাত হয় সম্যক জ্ঞানটো।

সেয়েহে কোনেও কাকো অন্যায়, হিংসা, ঠগ, প্ৰৱঞ্চনা, ধৰ্ষণ, নিৰ্যাতন, হত্যা তথা সন্ত্ৰাস, আতংক জাপি দি সাৰি যাব নোৱাৰে। কিবা প্ৰকাৰে, কোনো সময়ত ফাঁকি ধৰা পৰে ভাবৰ বায়ৱীয় ঢৌৰ নাচোনৰ কবলত। কাৰণ মহাজগতত যিমান ভাব আছে বাস্তৱৰ লগত সাঙোৰ খাই থাকে, জীৱাত্মাকো চুই যায় প্ৰকাৰান্তৰে। সাধনা, চিন্তা, ভাবনাত ধৰা পৰি যায় এই ভাববোৰ স্বতঃস্ফূৰ্তভাৱে।

গতিকে মই ভাবোঁ সৎ-অসৎ, ন্যায়-অন্যায়, সৃষ্টি-ধ্বংস জাতীয় সকলো ভাবৰ প্ৰকাৰেই এনে ক্ৰিয়া-প্ৰতিক্ৰিয়া-বিক্ৰিয়াৰ বিমূৰ্ত প্ৰকাশ।

বৰুৱা ঃ আপুনি বৰ ক'লেহে; প্ৰেমক প্ৰেমে, ঘৃণাক ঘৃণাই খেদি ফুৰাৰ দৰে

সৃষ্টিৰ ৰহস্য আৱিষ্কাৰ আদি সকলো জীৱন সম্পৰ্কীয় বাস্তৱ কথাত এই ভাববোৰে খেদি ফুৰে। ই সম্ভৱ হৈ পৰে বাস্তৱ আৰু সত্যৰ বাটেৰে গ'লেহে, মিছাৰে নহয়। সেয়েহে মিথ্যাচাৰে একো প্ৰমাণ নকৰে, নাইবা ই সত্যক আচ্ছাদিত কৰিব নোৱাৰে। মুঠতে মিছাই ধ্বংসহে কৰিব পাৰে, আশাৰ ৰিণিকি পোহৰ লৈ জীৱন গঢ় দিব নোৱাৰে।

শুনক এটা কথা— এজন পতিয়ে ঘৈণীয়েকৰ লগত চুপতি মৰাৰ চলেৰে পৰীক্ষা লোৱাৰ মানসেৰে জনালে যে সি বিয়াৰ আগতে বহুত প্ৰেম কৰিছিল আৰু ক'লে 'প্ৰেমত বৰ মজা-মস্তি, একেলগে বহি, গাত ঘঁহনি অনুভৱ কৰি ওঁঠতে ওঁঠ বুলাই, চকুত চকু থৈ, বুকুত বুকুৰ উম লৈ কি যে ভাল লাগে, জানা সঁচাকে মস্তি ৰোমাঞ্চ।' গিৰিয়েকৰ বৰ কথা শুনি তাই নিজেও দিলে এটা গোকাট ফাঁকি। এই কথাই গিৰিয়েকৰ বুকুত বৰকাঁহ বজাই দিলে। নিজৰ কথা কৃত্ৰিম বুলি ভাবি থাকোঁতেই যেন পত্নীৰ সঁচা পৰকীয়া প্ৰেমৰ গোন্ধে তাক ফেঁটি সাপৰ খোট মাৰিলে। লগে লগে ভাতৰ কাঁহীৰ কাষৰ মেকুৰী বনৰ বাঘ হৈ হৰিণীৰ ওপৰত জঁপিয়াই পৰিল। গাখীৰ-পানী যায় পলকতে তেল-পানী হ'ল। তেনেকৈয়ে এই প্ৰেমৰ জ্বালাতেই ছেক্সপীয়েৰৰ 'ওথেলো' নাটকৰ নায়ক ওথেলোৱে নায়িকা ডেছডেম'নাক গলত টিপি ধৰি কৈছিল যে তেওঁ তেওঁৰ প্ৰেমকে হত্যা কৰিলে। এনেকৈয়ে ব্ৰহ্মাণ্ডৰ পৰা বাগৰি অহা বায়ৱীয়ভাবে যেনেকৈ কোনো কাহিনীৰ আলমত দুখ দিয়ে, তেনেকৈ একে জাতীয় আন কাহিনীয়ে সুখো দিয়ে।

মুঠতে সুখৰ জীৱন পাবলৈ দায়িত্ববোধ আৰু অধিকাৰবোধ, দুয়োটাতে থাকিব লাগে সমানে জীৱনবোধ। ইয়াৰ অবিহনে যুগ্মজীৱন স্বয়ং সম্পূৰ্ণ নহয়। যেনে— পতি আছে কামত মজি, পত্নী আছে পৰকীয়া প্ৰেমত ভজি। আনহাতে শহুৰ-শাহু, স্বামী, দেওৰ, ননদৰে ভৰা ঘৰ এখনো বোৱাৰী, পুত্ৰসহ প্ৰত্যেকৰে অধিকাৰবোধ আৰু দায়িত্ববোধৰ ওপৰত সমানে সচেতনাৰে কৰ্তব্যবোধ লৈ কৰ্ম কৰিলে স্বয়ং সম্পূৰ্ণ হৈ ৰয় সকলো দিশতে। কোনে খায়, কোনো নাখায়;

কোনে পায়, কোনে নাপায় তাৰ কোনো চিনচাব নাই। পোৱাই নোপোৱাই মনৰ সুখত এক হৈ ৰয়, ঘৰৰ চুকে-কোণে সুখৰ ৰাজত্বইহে সদৰী হয়। এনে সুখৰ ঘৰ এখনত এদিন থাকি চাবৰ বৰ মন যায়।

এনে পৰিপ্ৰেক্ষিততে বুজিব লগা কথা হ'ল ব্যক্তিত্ব সাপেক্ষে কাৰো আৱেগ, অনুভূতি আৰু জন্ম অধিকাৰক আঘাত দিয়াৰ অধিকাৰ নাই। আনক অনাহকত হস্তক্ষেপ কৰা কাৰ্য সম্যক জ্ঞানৰ অভাৱৰে পৰিচায়ক। আত্মাক নিচিনা এই সকলৰ জীৱন বিপৰ্যয় অজানিতে হয়। শেষত জীৱনে খেপিয়াই হাবাথুৰি খায়; নিজক বিচাৰি নাপাই পতি-পত্নী যিয়েই নহওক, নিজক ডাঙৰ বুলি ভাবি থাকোঁতেই চিনাকি হিয়াৰ মানুহজন বা মানুহজনী অচিনাকি হৈ লগতে জীৱন কটায়। গতিকে চাওক, সৃষ্টিৰ শাশ্বত সত্যত যি প্ৰতিভাত হয় তেনে ভাবনাহে তাত সঞ্চিত হৈ ৰয়। নিৰ্দিষ্ট পদ্ধতিৰে কৰা সংশ্লেষণ আৰু বিশ্লেষণ ৰূপত ধৰা পৰে। কিন্তু মিছা ভাব সৃষ্টি সনাতন প্ৰকৃতি সত্যৰ মহাজাগতিক ভাবৰ অন্তৰ্ভুক্ত নহয়।

চৌধুৰী ঃ হেৰি, নকওঁ কওঁ আপোনাৰ লগত পৰমাৰ্থিক তত্ত্বৰ বাস্তৱ চুপতি মাৰি ময়ো দেখোন কথা চহকী হওঁ।

বৰুৱা ঃ কিয় নহ'ব? কথাত কথা বাঢ়ে, ভগৱৎ প্ৰেমত বাঢ়ে বল, জীৱনৰ সকলো ভয়-সংশয়, সংঘাত পলকতে পৰে তল। সনাতন সত্যৰ ভাবনাই বল কৰে বৃদ্ধি, সাহসে জিলিকাই সকলোতে সিদ্ধি।

চৌধুৰী ঃ ময়ো ভাবোঁ, জীৱন তত্ত্বও এক কলা। ইয়াক নিৰলে সাধনা কৰিব পাৰিলে সংকটৰ হয় নিৰসন, আনন্দৰে কটাব পাৰি সফল জীৱন। এই কলা সাধনাত যিয়ে ফাঁকি দিব, জীৱনেও তাক এৰাই চলিব। ফাঁকি বা মিছা কথাই যি কোনো মুহূৰ্তত ঠগে, কিয়নো বাস্তৱ সত্যৰ ভাবৰ পৰা ইয়াক বুটলিব নোৱাৰি পুনৰাই ব্যৱহাৰৰ বাবে। ইয়াৰ এটা বাস্তৱ কথা মন কৰক— এটা অফিচৰ এজন চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীৰ কথা শুনিছিলোঁ। ফাঁকি দিয়া তাৰ এটা নৈমিত্তিক কৰ্ম। সি মিছাকে সঁচা কৰি অফিচত মাৰি থাকে চলাহী গিৰি। চাহকাপ, তামোলখন আনি দিওতেও মাৰে তাহানিৰ পাঁচ পইচাৰ ফাঁকি। এনেকৈ সজাই-পৰাই মিঠা মিঠা কথাৰে ৰহন লগাই ফাঁকিৰ ফুল গাঁঠি দিহাৰ মালা তৈয়াৰ

কৰিব য'ত নিজ চকুৰে অলপ সময় আগতে দেখি অহা সঁচা কথাটো বা ঘটনাটো মিছা হৈ পৰে তাৰ সন্মুখত।

চাওক, তাৰ বিয়া পতা বুলি চিঠি ছপাই নিমন্ত্ৰণ জনাই অফিচৰ পৰা মোটা ঋণ আদায় কৰে। পিচত কইনা ঘৰে নাকচ কৰা দেখুৱাই কথাটোৰ সিমানতে অন্ত পেলায়। এনেকৈয়ে মিছা কথা সঁচা কৰি বহুতৰ পৰা টকা লয় ধাৰ কৰি। কোনোদিনে পৰিশোধ নকৰে বুলি মনতে পাণ্ডি থয় কোনেও নুবুজা কৰি। সেয়ে ধাৰ পৰিশোধ কৰাৰ কথা ক'লে সি এনেদৰে প্ৰতীয়মান নিয়াব যেন তাকহে আকৌ টকা ধাৰলৈ দিব লাগে। শেষত ধাৰ পৰিশোধ নকৰাৰ বুদ্ধি উলিয়ালে। ফাঁকিৰ ফাঁচি লগাই বুদ্ধিৰে মানুহক দিলে জান। এশ গৰু মাৰিলে বাঘৰো মৰণৰ দৰে ফাঁকিত গ'ল সি সঁচাকে ফাঁচি। সেইদিনাৰ মিছাটো সঁচা হ'ল। মানুহৰ ধাৰণা যে সেইদিনও সি ফাঁকিহে দিছে। কোনো নগ'ল আগবাঢ়ি জীউ তাৰ গ'ল উৰি।

ফাঁকিৰ কথা মুখস্থ কৰিছিল ঠিকেই; কিন্তু সি ঠগাৰ দৰে মুখস্থয়ো সেইদিনা তাকেই ঠগিলে। কাৰণ এই মিছা সমীকৰণৰ সমাধান স্তৰ নাই। উত্তৰ উলিয়াব নোৱাৰি। কাৰণ বাস্তৱ সত্যৰ চিন্তাধাৰাই মিছাক বিচাৰি উলিয়াব নোৱাৰে।

বৰুৱা ঃ জানেই নহয়, সঁচাত থাকে ভগৱান পদে পদে কৰা ভুল হয় সংশোধন। মিছাত থাকে চয়তান, খোজে প্ৰতি নৰকলৈ টান। হিংসা, বিদ্বেষ, ঘৃণা, আতংক, হত্যাৰ ষড়যন্ত্ৰ চয়তানৰ ভঁৰালঘৰ। সঁচাক মিছা সাজি মনত বাঁহ সাজে ভিন পৰ কৰি। ই নহয় হিন্দু, মুছলমান, খ্ৰীষ্টিয়ানৰ সমভাব একে আল্লাৰ ফৰমান, একে মানৱীয় প্ৰাণ, চিৰ জ্যোতিষ্মান। আনটো আন্ধাৰ আলয়; ফাঁকি সজাৰ নিচ্ছিদ্ৰ পহৰাৰ ঘৰ। এয়াই ফাঁকি কোনোদিনেই পৰিশোধ নোহোৱা দোকানৰ বাকী; সেই দোকানতে জ্বলে লালবাতি। টিমিক-টামাক জ্বলি তাৰো পৰে অন্ত, বন্ধ হয় দুৱাৰ, বন্ধ খোটালি। এই ফাঁকিতে নিঃশেষ হয় একোখন ঘৰ, একোখন সমাজ, একোটা জাতি। ফাঁকিৰ হ'ব নোৱাৰে পোহৰৰ মাজত বসতি। ই সদায় বিচাৰি থাকে ক'ত পায় এটা এন্ধাৰ কোঠালি, য'ত থাকিব ফাঁকিৰ অবাধ গতি, জীৱনত কোনোদিনে নহয় তাৰ থিতাপি— ভাবিলে

ঘূৰাই পাবলৈ মহাজাগতিক চিন্তাত নাই তাৰ ভাবৰ অন্তৰ্ভুক্তি।

চৌধুৰী ঃ ভগৱৎ চিন্তা, ঈশ্বৰত বিশ্বাস ভগৱানৰ কাৰণে নহয়; ব্যক্তি, ঘৰ, সমাজ কল্যাণ সাপেক্ষেহে। এই যে ধৰক আইন আইনৰ বাবে নহয়, সমাজৰ সুস্থ পৰিচালনাৰ বাবে; i.e. Law is made not for laws sake; but for the peaceful existence of the society. It is a legal procedure based on justice, truth and equality, so, it means, to obey law is to obey God. প্ৰকৃতিৰ ভাৰসাম্যতাৰ লগত ঈশ্বৰৰ স্থিতি তথা পৰমাত্মাৰ সূক্ষ্ম অৱয়ব বিৰাজ কৰিছে। সেয়েহে আইন তৈয়াৰ কৰি নিজেই তাৰ নত হোৱাৰ দৰে, সৃষ্টিৰ আদি দেৱ ব্ৰহ্মাকো সৃষ্টিয়ে সাঙুৰি লৈছে— সেয়ে কৃষ্ণ পৰম শক্তিৰ অধিকাৰী হৈয়ো দোষণীয় কামত মাতৃৰ শাস্তি স্বীকাৰ কৰিছে, এয়া মাতৃ ভক্তিৰ ৰহস্যকে প্ৰকাশ কৰিছে। The Sun is the source of all energy ৰ জীৱ সৃষ্টিত বিজ্ঞানৰ দিশ আৰু মানৱ কল্যাণাৰ্থে ধৰ্মৰ দিশৰ লগত সমানে সন্নিৱিষ্ট। এনেদৰে দেখা যায় সূৰ্যই বিষ্ণু এটা সময়ৰ ধাৰণা সিদ্ধ উক্তি; বিষ্ণুয়ে কৃষ্ণ আৰু কৃষ্ণই ব্ৰহ্মা স্বৰূপ সনাতন সত্য; উপস্বৰূপ ব্ৰহ্মা-বিষ্ণু-মহেশ্বৰ; সৃষ্টি, স্থিতি, লয়ৰ প্ৰতীক।

মহাজাগতিক অনন্ত শক্তিয়ে সূক্ষ্ম পৰমাত্মিক সত্ত্বা, ব্ৰহ্মাণ্ড সৎ, সমতা, ন্যায়, নীতিৰ অধীন। এই শাশ্বত সত্যতে বৈ আছে জগৎ। এনে ধাৰণা উপলব্ধি কৰাই যে ঈশ্বৰ বিশ্বাস সন্দেহাতীত। এই ধাৰণাই মানসিক ভাৰসাম্যতা অটুট ৰাখে। কাৰণ এই মানসিক সাম্যতা প্ৰকৃতিৰ সাম্যতাৰ লগত ওতপ্ৰোত জড়িত।

বৰুৱা ঃ হেৰি, প্ৰাকৃতিক ভাৰসাম্যতাৰ বোধ নাথাকিলে জীৱন যে এক সত্য আৰু সমতাৰ প্ৰতীক তাৰ আস্থা নাথাকে; এই আস্থা নাথাকিলে ঈশ্বৰ বিশ্বাসতো থিতাপি নাথাকে। কোনো এটা প্ৰাকৃতিক কথা বা ঘটনাক যিয়ে লয় যোগবল, তপোবল, ধ্যান-ধাৰণাৰ বলেৰে হিয়াত থিতাপি কৰি শুদ্ধ চিত্তৰে, সি পায় ঈশ্বৰ তত্ত্ব ঢুকি। এই তত্ত্বৰ স্থিতি আদৰ্শ ঘৰ, সমাজ, দেশৰ অৰিহণা যোগোৱাৰ পৰিপ্ৰেক্ষিতত পিতৃ-মাতৃ ভাই-ভনী, পত্নী, ল'ৰা-ছোৱালী সমন্বিতে জীৱক বান্ধি ৰখা সাম্য-মৈত্ৰীৰ দোলতে নিহিত থাকে। ইয়াৰ সুস্থ মানৱীয় পৰিচালনও

পাৰ্থিৱ সৎ-অসৎ, সমতা-অসমতা, ন্যায়-অন্যায়ৰ মাজত প্ৰাণৰ এনাজৰীডাল বিচাৰি উলিয়াই চলোৱা দক্ষতাৰ ওপৰত নিৰ্ভৰ কৰে। প্ৰাণৰ এনাজৰীডালেই আধ্যাত্মা। ইয়াক যিয়েই নেদেখে চুব নোৱাৰে আৰু নিজৰ জীৱনটোকো নেদেখে; নিজেই নিজৰ জীৱনৰ কাষ চাপিব নোৱাৰে, ফলত জীৱনৰ পাৰাপাৰ নাপায়। কৰ্মত নধৰিলে নিজৰ বুৎপত্তি বুজিব নোৱাৰাৰ দৰে।

এই এনাজৰীডাল সূক্ষ্ম, দুই মেৰুৰ ভিতৰত পেণ্ডুলামৰ দৰে ডুলি থাকে। সাত্ত্বিকৰ হিয়াত নিজে নিজেই লাগি ধৰে, ডুলি থাকে। পৰিয়ালৰ উন্নতি, সুখ-স্বাচ্ছন্দ্য এই এনাজৰীডালৰ বান্ধোনৰ ওপৰত নিৰ্ভৰশীল। এনে দক্ষ কৰ্ম প্ৰক্ৰিয়াৰ ভিতৰতে লুকাই আছে জীৱনৰ ইতিবাচক দিশৰ সন্ধান। প্ৰাণ আৰু পাৰ্থিৱ মায়াক বান্ধি ৰাখে এই এনাজৰীডালে। মহাজাগতিক শক্তিৰ স্বতঃস্ফূৰ্ত প্ৰাকৃতিক ক্ৰিয়াৰ ফলতে নিৰ্ণয় হয় ইয়াৰ স্থিতি। ইয়াক উপলক্ষ্য কৰিয়ে নামি আহে প্ৰাণাত্মা, তেজ-মঙহৰ স্থিতিৰ আকৰ্ষণ স্বৰূপে।

সেয়েহে আধ্যাত্মিক মিচন অনুপাতে ব্যক্তিৰ জন্মৰ পৰা মৃত্যুলৈ প্ৰাণৰ ব্যৱসায়ত উত্থানৰ কেতিয়া টাৰ্ণিং পইণ্ট আহে নাজানে। জীৱন প্ৰক্ৰিয়া চলি থাকে পৰ্যায়ৰ পিচত পৰ্যায়ক্ৰমে ক্ৰমানুসাৰিক গতিত। এই প্ৰক্ৰিয়া আত্ম শক্তিৰ ওপৰত অধিষ্ঠিত পৰম শক্তিৰ আকৰ্ষণৰ মাত্ৰাৰ ওপৰত নিৰ্ভৰশীল এক স্বতঃস্ফূৰ্ত সূক্ষ্ম কৰ্ম প্ৰক্ৰিয়া। যি নিৰ্দিষ্ট সময়ত ব্যক্তিৰ ওপৰত এই দুয়োটা শক্তিশালী হৈ লগ লাগে সেই সময়তে Upliftment আহে। ইয়াত এটা কথা নুই কৰিব নোৱাৰি যে পুৰুষানুক্ৰমে পৰম্পৰাগতভাৱে বাগৰি অহা জ্ঞানৰ সঁফুৰাবোৰ যিয়ে সময় সোঁতত ধৰি ৰাখি আত্মস্থিত লক্ষ্যৰে আধুনিকীকৰণ কৰিব পাৰে তাৰ মনতহে জীৱনৰ প্ৰকৃত প্ৰায়োগিক তত্ত্ব ধৰা পৰে। যেনে— ধৰক প্লাষ্টিক পৃথিৱীত মনটো প্লাষ্টিক হৈয়ে চলে। কিন্তু অন্তৰালতে চিৰন্তন সত্য প্ৰবাহটো চকৰি ঘূৰাদি ঘূৰি থাকে নিৰন্তৰ জীৱন গাড়ীৰ ধুৰাডালত। বিয়াৰিং নকল হ'লে দুদিনতে অচল হৈ পৰে।

এনেদৰে ইচ্ছা, দেহ, মন, আৰোপিত বাহ্যিক পৰিৱেশৰ

প্ৰভাৱত আধ্যাত্মিক শক্তিয়ে ব্যক্তিত্বৰ বিকাশ ঘটায়। সেয়েহে জীৱনে আধ্যাত্মিক ডেউকাৰে উৰে সাগৰ-মহাসাগৰ পাৰ হৈ বহু দূৰ দূৰণি ঘূৰি ইচ্ছাৰ হাবিয়াস পূৰ কৰে। এই ব্ৰহ্ম শক্তিয়ে জগৎ আৰু জীৱন; খন্তেকীয়া স্থূল দেহত খন্তেকীয়া সূক্ষ্ম প্ৰাণ, যিয়ে নিজৰ দেহত প্ৰাণটো চিনি পায়, সিয়ে ব্ৰহ্মক উপলব্ধি কৰিব পৰা হয়।

চৌধুৰী : ৰ'বহে, সেইজন অনিল শৰ্মা যেন পাওঁ, আমাৰ ফালে আহি আছে।

বৰুৱা : মূৰ দাঙি চাই, অ', হয়হে।

চৌধুৰি : চিনি পায়?

বৰুৱা : পাওঁ, ভালদৰেই। ওচৰত অহাত সুধিলে, 'কিহে খবৰ? কি' মনটো দেখোন ম্লান পৰা যেন পাওঁ?

চৌধুৰী : ভালে আছেনে?

শৰ্মা : কি কম ভালেই দিয়ক। Morning walk নে Before noon walk কৰেহে? শুনি আছোঁ ৰ'ব, আপোনালোকৰ আধ্যাত্মিক আলোচনাৰ কথা। অৱসৰ জীৱনৰ মনৰ খোৰাক যোগাইছে, নহয়?

বৰুৱা : কিবা এটা কৰি আছোঁ। আপোনাৰ কেনে? আপুনি কি কৰি ঘূৰিছে? সেইটোহে সুধিব লগা হৈছে।

চৌধুৰী : আমি Walk কৰিছোঁ। এখেতে Business কৰিছে।

শৰ্মা : কি Business কৰিবহে? ময়ো অকলশৰীয়া হৈছোঁ। মোৰ শ্ৰীমতী মাকৰ ঘৰত গৈছে। আজি তিনিদিনেই হ'ল অহা নাই। ঘৰখন উভৈনদী, মোৰ বুকুখনহে যেন মৰুভূমি, যিফালে চাওঁ এন্ধাৰ দেখা পাওঁ। সকলো আছে, একো নাই।

চৌধুৰী : আপোনাৰ এইটো খন্তেকীয়া মনৰ দুখ, দুখৰ পেটত আছে মহাসুখ। এয়া লক্ষ্মী গৃহিণীৰ লুকাভাকু, মায়াৰ খেল। বৈষ্ণৱ ধৰ্মত যে কৈছে, 'যত গৃহ বাস ভাৰ্যাৰেহে দাস' অৰ্থাৎ গৃহ লক্ষ্মীৰ এনাজৰীৰে বন্ধা মায়াৰ সংসাৰ। মৰম, শ্ৰদ্ধাৰ আকৰ্ষণ উভয়ৰে মনৰ ফচল। নোপোৱাৰ সময়খিনিৰ কাৰণে পোৱাৰ সময়খিনি বেছি সুমধুৰ, নহয় জানো?

মোৰ কথাই ভাবকচোন, সহধৰ্মিণীৰ বিয়োগ মোৰ কাৰণে এক অপূৰণীয় ক্ষতি। সকলো আছে, আজি একো হাতত নাই। বাৰু এৰক সেইসব কথা। আপোনাক লগপাই আমাৰো ভালেই লাগিল।

ৰ'দালিৰ আড্ডা হ'ল।

বৰুৱা : হেৰি, জীৱন আড্ডাত কোনে, কাক, কেতিয়া আৰু কিমান সময়ৰ বাবে লগ পায় ক'ব নোৱাৰে। সকলো ক্ষন্তেকীয়া, আনকি নিজৰ দেহটোতে প্ৰাণটো কিমান সময় জিৰণি লয় ঠিক নাই। যুগ্ম জীৱন আড্ডাটো একেই কথা। তথাপি সদৃশ প্ৰাণাত্মাই সদৃশ প্ৰাণাত্মাৰ লগত জীৱন আড্ডা মাৰিলে উভয়ে শান্তি লাভ কৰে, কাৰণ মনৰ বুজাবুজি আৰু মিলামিলি সমানেই হয়। তেনেকৈ বিসদৃশ বিসদৃশেও অসূয়া সুখ মিলে, কিন্তু সদৃশ আৰু বিসদৃশ লগলাগিলে কাৰো মন-প্ৰাণ কোনেও নুবুজে আৰু ফলত সংঘৰ্ষ, বিচ্ছেদ হয়। পতি পূবে গ'লে পত্নী পশ্চিমে যায়। তেল আৰু পানী নহয় মিলামিলি। তেনেকৈ বিসদৃশ আত্মা সন্তান হৈ আহিলে অনৰ্থ হয়। কাজিয়া বিদ্ৰোহ কৰি গুচি যায়। মৰম, শ্ৰদ্ধা প্ৰাণৰ মিলৰ অভাৱত আকৰ্ষণহীন হৈ পৰে। পঢ়া-শুনা, চাকৰি, ব্যৱসায় যিয়েই নহওক আঁতৰে আঁতৰে কৰি আঁতৰি যায় দূৰলৈ গুচি; হাতমেলি কোনেও কাকো নাপায় ঢুকি।

শৰ্মা : চৌধুৰীৰ ফালে ঘূৰি চাই ক'লে, আপোনাৰটো একো অভাৱেই নাই, চাওক বৰুৱা, এখেতৰ সকলো ভাল, ল'ৰা-ছোৱালী সুন্দৰভাৱে গঢ় দিলে, পঢ়া-শুনা, চাকৰি, ঘৰ-দুৱাৰ সকলো হ'ল। বিয়া-বাৰুও হ'ল, লগতে আছে।

চৌধুৰী : আছে ঠিকেই, কিন্তু অভাৱ পূৰণৰ পিচত যিটো অভাৱ, সেইটোহে লাগি ধৰিছে।

শৰ্মা : অভাৱ পূৰণৰ পিচৰ অভাৱটো আৰু কি? আপুনি কি ক'ব বিচাৰিছে?

চৌধুৰী : জানেই নহয়, জীৱন মানেই কৰ্ম আৰু মৃত্যু মানেই কঠিন শিলত কটা এক নিৰ্লোভ ভাস্কৰ্য। সেয়েহে আগতে কৰ্ম ব্যস্ততাই মনৰ সকলো কথা পাহৰাই ৰাখিছিল। কৰ্ম সাধনাত ভগৱানৰ নামো পিছলি যায়। এতিয়া কৰ্মহীনতাই সেই সকলোবোৰ কথা উজলাই দিছে। সেয়ে আজিকালি বৰকৈ অনুভৱ হয় মই যেন একেবাৰেই অকলশৰীয়া। গছৰ পাত গণি গণি, নদীৰ ঢৌ লেখি লেখি সময়বোৰ পাৰ কৰি আছোঁ। আজিকালি ঘৰৰ ভিতৰতে থাকোঁ বেছিভাগ সময়,

বাহিৰত প্ৰায়ে নাহোঁ ওলায়; বিহুতলীত (বৰুৱায়লৈ চাই) এখেতক লগ পাই আকাশ ঢুকি পোৱা যেন লাগিল। মই অহংকাৰ কৰোঁ বুলি বহুতে ভাবে, মোৰ কিন্তু তেনে ভাব মনত নোপজে। অৱশ্যে প্ৰতিযোগিতাত Ego ৰ কাম আছে। সুখে-দুখে এইখিনি পালোহি, এতিয়া মই পাহৰিলেও নিঃসংগতাই মোক পাহৰিব নোৱাৰে। এয়াও এক অভাৱপূৰণৰ পিচত দেখা দিয়া অভাৱৰ দৰে; জীৱনৰ কৰ্ম সম্পূৰ্ণতাৰ পিচত কৰ্মৰ অভাৱ এক লক্ষণীয় মনৰ অভাৱ।

বৰুৱা : আচলতে কৰ্ম ব্যস্ততাৰ লগতে নাচি থাকে মানুহৰ জীৱনৰ আশাৰ ৰিণিকি পোহৰৰ সুখ। মোৰ পিতাৰ কৰ্ম ব্যস্ততাৰ মাজতেই যেন নিজৰ আৱিষ্কাৰ হৈছিল। দিন নাই, ৰাতি নাই, কাম-কাম-কাম, কামেই আছিল যেন জীৱন ধৰ্মৰ ধাম। যেন সৎ কৰ্ম প্ৰতিযোগিতাৰ গৌৰৱক জীয়াই তুলিছে। মৃত্যুৰ আগলৈকে এনে ধাৰণাতে বান্ধি থৈছিল মন। কৰ্মস্থানেও যেন সুযোগ যাচিছিল। প্ৰকৃততে, দেহ-মন-আত্মা কৰ্ম প্ৰাণৰ এনাজৰীৰে থাকে বন্ধা। এই যে কয়, 'ধনৰ দুখীয়া হ'লেও, মনৰ দুখীয়া নহয়', এয়া আত্মপ্ৰত্যয় Belief in own self. সেই কাৰণেই কয় মন বলেই আচল বল, মন মৰিলে দেহা অচল। i. e. Will is generated by mind, mind lies in work.

শৰ্মা : ইচ্ছাটো মনৰ লগত যেতিয়া লগ লাগে, দেহটোক সচল কৰি তোলে আৰু কামটো সাধিত হয়। মনটো আটাইতকৈ বেগৱান। কিন্তু অকলে ই নিষ্ক্ৰিয়।

বৰুৱা : মই আগতে কৈছোঁ এই বিষয়ে, গীতাৰ কথাফাকি চাওক—

ইন্দ্ৰিয়গণৰ মই বেগবন্ত মন।
প্ৰাণীৰ দেহত হও চৈতন্য প্ৰধান।।

প্ৰাণৰ যিটো চৈতন্য শক্তি (Liveliness with sense) জীৱন সজীৱতাৰ লগত অনবৰতে জড়িত হৈ থাকে সেইটোই ভগৱানৰ অংশ অৰ্থাৎ আধ্যাত্মা। সেয়ে কয়, প্ৰাণটোৱে আত্মা, আত্মাই জ্ঞানৰ পোহৰ, এই পোহৰেই সচেতনতা (Consciousness) উপস্থাপনা কৰে দেহত।

মুঠতে দেহক ইন্দ্ৰিয়ই সজীৱ কৰে— এই সজীৱতা তেজ-মঙহৰ; ইন্দ্ৰিয়ক মনে চলায়, মনক বুদ্ধিয়ে আগবঢ়ায় আৰু বুদ্ধিক

কৌশলে কৰ্মঠ কৰি আত্মাৰ আশা পূৰ্ণ কৰে বিবেকে।

চৌধুৰী ঃ প্ৰকৃতকে ক'বলৈ গ'লে ইয়াৰ ওপৰতে নিৰ্ভৰ কৰে দেশৰ প্ৰগতি। ইয়াত ৰাজনীতিৰ বলে মনৰ বল, ৰাজনীতি অসাৰ হ'লে দেশ যায় ৰসাতল। বিচক্ষণতাত লাগে সৎ মনৰ বল, য'ত ৰজাই নিজক কৰে প্ৰজাৰ তল। ভগৱান ভক্তৰ এনাজৰীৰে প্ৰেমত যেন বান্ধ খাই গ'ল। সেয়ে ভক্তৰ অধীন ভগৱান, ভক্তৰ মনোবাঞ্ছা পূৰণ কৰাৰ ইচ্ছাতে অনবৰতে থাকে মন।

শৰ্মা ঃ হেৰি, কি ক'ব, চয়তানে স্বৰ্গত ভগৱানৰ বিৰোধ কৰি সদাত্মা আদাম-ইভক প্ৰৰোচনামূলকভাৱে ভগৱানৰেই বিৰোধ কৰাই নিজৰ চৰিতাৰ্থ পূৰণ কৰে। ভগৱানে (God) স্বৰ্গৰ পৰা চয়তানক সদাত্মাৰ বিৰোধ কৰি থাকে কাৰণে বহিষ্কাৰ কৰিছে! সেয়া অসূয়া কৰ্ম-প্ৰেমে তাৰ প্ৰবৃত্তি। যেনেকৈ যিমানেই সংশোধন নকৰক বেয়াই বেয়াটো কৰিবলৈ কেতিয়াও নেপাহৰে। এনে লোভত ভোল যোৱা কাৰণেই স্বৰ্গ ভ্ৰষ্ট হ'ল আদি মানব আদাম-ইভৰ। সেয়ে নিজৰ অসূয়া প্ৰবৃত্তিৰে মানুহক প্ৰলোভিত কৰিবলৈও এৰিব নোৱাৰা হ'ল। যুগে যুগে অপশক্তিয়ে বিশৃংখল লগাই স্থিৰতা হানি কৰি অশান্তি বিয়পাই আহিছে; এনে কথাই আদি মানৱ আদাম-ইভৰ স্বৰ্গ ভ্ৰষ্টৰ দ্বাৰা প্ৰকাশ কৰিছে মিল্টনে পেৰাডাইজ লষ্টত।

বৰুৱা ঃ সেই কাৰণেই ভাল মানুহ সদায় সচেষ্ট হ'ব লাগে। মহাত্মা গান্ধীয়েও কৈছে, 'A man of truth must also be a man of care.' আনক দুখ ওপচাই নিজে হাঁহিব পৰাটো তাৰ ধৰ্ম। আৰ্থিক, মানসিক বা পাৰ্থিব কোনো বান্ধোনেৰেই কোনোপধ্যেই বেয়াই ভালৰ লগত মিলি থাকি সুখ লভিব নোৱাৰে। A. G. Gardinar ৰেও কৈছে যে ভালৰ লগত যি মিলিব নোৱাৰে সি সঁচাকৈয়ে বেয়া মানুহ।

আনহে নেলাগে পিতা-মাতা, ভাই-ভনী বা সম্পৰ্কীয় হ'লেও বিদ্ৰোহ, সংঘৰ্ষ আদি বিনা কাৰণতে কৰে আৰু চেলু উলিয়াই দোষ জাপি বান্ধোন ছিগি আঁতৰি যাব বিচাৰে সুবিধা বুজি।

শৰ্মা ঃ এনে পৰিপ্ৰেক্ষিতত সময়ৰ প্ৰভাৱ নুই কৰিব নোৱাৰি। চাওক, আগৰ দিনত সৰু ল'ৰা-ছোৱালীক ঘৰুৱা পৰিৱেশত ঘৰৰ বয়সীয়াল হওক

বা ভাই-ভাগী, আলহী-অতিথিয়েও হওক কিবা এটা কাম পাচিলে কৰি দিছিল। কোনোজনে অমান্য কৰিলে বুজনি দিছিল এইদৰে, 'বাপা বা মাজনী যোৱা কামটো কৰি দিয়া'; যেনে ধৰক কাষৰ ঘৰৰ মানুহজনক মাতি দিব লাগে, সেয়ে কৈছিল ডাঙৰক অমান্য কৰিব নাপায় নহয়। কথাষাৰ মানিছিল। আজিকালি অ'ত-ত'ত দেখাৰ দৰে, এনে কথা পাচিলে ক'ব, 'মইতো চাকৰ বা ওৱেটাৰ (Waiter) নহয়— যি লাগে দিয়াৰ কাৰণে বৈ আছোঁ। এনেকৈয়ে ব্যৱহাৰৰ সলনি হৈ গৈছে পৰিৱেশৰ প্ৰভাৱত— এটাক দেখি আনটো। তদুপৰি নিজক শীৰ্ষত অৱস্থান কৰাৰ বাবে যি উপায় অৱলম্বন কৰিব বিচাৰে তাত মানৱতাৰ পৰশ নাথাকে। সেয়েহে চয়তানে সহজতে লম্ভিব পাৰে।

চৌধুৰী ঃ নিজৰ আধিপত্য বিস্তাৰ কৰাৰ প্ৰয়াসে কাৰো স্বাধীনতাৰ বাট মুকলিকৈ নাৰাখে। আচলতে আগে মানুহ হ'বলৈ বিচৰাৰ পিচতহে স্বাধনীতা বিচাৰিব লাগে। মানুহ হ'লেহে স্বাধীনতা কি বুজিব পাৰে। আৰু উপভোগ কৰিবলৈও নিজৰ সামৰ্থ্যতা অৰ্জন কৰিব পৰা হয়।

বৰুৱা ঃ সেয়েহে ঈশ্বৰক বিচাৰি যোৱাৰ আগতে নিজক বিচাৰি উলিয়াব পাৰিব লাগে। তেতিয়া ঈশ্বৰে নিজে নিজেই ধৰা দি যায়হি। মানুহৰ হিত সাধন কৰা মানুহ দেখিলে জানিব যে তেওঁ মানুহ হোৱাৰ বাটত খোজ পেলাইছে।

শৰ্মা ঃ যিটো বুজিলোঁ দুয়োজনে দেখোন একে মানৱীয় সুৰতে সুৰ থৈ সংগীত সাধনা কৰি আছে। আপোনালোকে দীঘলীয়া অথচ গুঢ়াৰ্থ আলোচনাকে চলাই আছে। আপোনালোকৰ লগত খোজ দিয়া কাম মোৰ কাৰণে দুৰূহ হৈ পৰিছে। তথাপি কওঁ এটা পানীৰ টোপালত সাগৰৰ ধাৰণা ওপজে, তেনেকৈ এটা প্ৰাণাত্মাতে বিশ্বব্ৰহ্মাণ্ডৰ প্ৰাণাত্মাৰ সৃষ্টিৰ সুৰধ্বনিৰ ৰহস্যই মনত ধৰাদি যায়; এই পানীৰ আন এটা টোপাল সূৰ্যৰ কিৰণত শুকাই যোৱাৰ লগে লগে ভাবিলে আচৰিত হ'ব লাগে যে ইয়াৰ অস্তিত্ব ক'ত লুকাই থাকিল।

চৌধুৰী ঃ অ' শৰ্মা! আপুনি আৰু কি বস্তু ওলালহি আমাৰ লগত। আপুনি আমাৰ আলোচনাৰ ভাত মাৰিলে।

শৰ্মা : তেনেকৈ নক'ব, কোনে কাৰ আলোচনাৰ বাট বা কাঁহীৰ ভাত কাঢ়িব পাৰে। তাতেইটো কৰ্মৰ ৰহস্য সোমাই আছে, 'What is lotted that cannot be blotted'। এযা যে কৈছে, 'জল ৰূপে নাৰায়ণ।' সেয়া পানীয়ে জীৱৰ প্ৰাণ, জল ৰূপে দেহত লুকাই থাকি দিয়ে জান, সেয়ে নাৰায়ণ। আৰু চাওক, 'তজু নাভি কমলত ব্ৰহ্মা ভৈলা জাত' অৰ্থাৎ ব্ৰহ্মৰ (নাৰায়ণ-কৃষ্ণ) নাভিত ব্ৰহ্মাৰ জন্ম, নাৰায়ণ স্বৰূপ ব্ৰহ্মাৰ লিংগ নাই। পুৰুষো নহয় আৰু স্ত্ৰীয়ো নহয়। ইয়াৰ পৰা এইটোৱে বুজিব যে প্ৰাণটোৰ লিংগ নাই। যাৰ যি লিংগৰ স্থিতিতে প্ৰাণটো আত্মা হৈ প্ৰৱেশ কৰে সেই প্ৰকৃতি ধৰে আৰু মহাজাগতিক শক্তিৰ স্বতঃস্ফূৰ্ত প্ৰকৃতিৰ ক্ৰিয়াৰ প্ৰভাৱত প্ৰভাৱিত হৈ চলে। অৰ্থাৎ জন্ম-বৃদ্ধি-ক্ষয়ৰ ক্ৰিয়া চলে নিৰন্তৰ।

বৰুৱা : এয়াই কথা, কৰ্ম সাপেক্ষে পৰিৱেশৰ প্ৰভাৱত প্ৰকৃতিৰ প্ৰক্ৰিয়াৰ ফলত সাধু, শান্ত, চোৰ, ডকাইত, অসুৰ, দেৱতা বা চণ্ডাল হয়। এনে দিশতে জন্মৰ পৰিপ্ৰেক্ষিতত কালৰ প্ৰভাৱ লক্ষণীয় দিশ। আত্মিক শক্তি সবল হ'লে পৰিৱেশৰ প্ৰভাৱে প্ৰভাৱান্বিত কৰিবও নোৱাৰে। জীৱন প্ৰমূল্যবোধৰ অৱক্ষয় অন্ধ অনুকৰণ আৰু সৎ মুখ বন্ধ কৰাৰ অপচেষ্টাৰ মাজতো এইসকলে জীৱন, প্ৰেম আৰু ভালপোৱাৰে সনাতন সত্যৰ প্ৰবাহকে জীয়াই ৰাখিব।

চৌধুৰী : আপোনালোকে যি গুঢ়াৰ্থত ধৰিলে এতিয়া মইহে আঁতৰি যাব লাগিব যেন পাইছোঁ।

বৰুৱা : কিয় আঁতৰি যাব। জানেই দেখোন, পিচুৱাই পিচুৱাই আগুৱাই যায়; আগুৱাই আগুৱাই থাকি শেষত হাৰি যায়। আপুনিও পিচুৱাই পিচুৱাই শক্তি সঞ্চয় কৰি আগবাঢ়িহে আছে জয় হোৱাৰ বাটত খোজ দি। এই যে কয়— Slow and steady wins the race

শৰ্মা : আপোনালোকে জীৱন, মৃত্যু, সুখ-দুখ, যাতনা সম্পৰ্কে আলোচনা কৰি আহিছে নিশ্চয়। আৰু এইটোও ঠিক যে জীৱন জীয়াই থাকে প্ৰেম আৰু ভালপোৱাত, এই বিষয়েও আলোচনা নোহোৱাকৈ থকা নাই। জীৱন বোলোতে কথা এটা কওঁ— দুৰ্বলী, অনাহাৰী, ভিক্ষাৰীৰ জীৱন প্ৰবাহ সম্পৰ্কে— ভিক্ষাৰীৰ এহাতে লাঠি,

আনহাতে বাটি, দেহত ফটা-চিতা মলিয়ন কাপোৰ, মলিয়ন দেহ, আউল-বাউল চুলি, কান্ধত থাকে ফটা-চিতা ভিক্ষাৰ জোলোঙা ওলমি; বুকুত থাকে আশাৰ ৰেঙনি। দুৱাৰে দুৱাৰে ক্ষন্তেক অৱস্থান কৰি গৈ থাকে ভিক্ষাৰ বাবে দৃষ্টি নিৰীক্ষণ কৰি। এমুঠি আহাৰৰ বাবে এই জীৱন সংগ্ৰাম। এনে সংগ্ৰামীকেই ধনৰ লোভত ৰাস্তাত ৰাতি শুই থকা অৱস্থাত হত্যা কৰে। এইখন পৃথিৱীৰ মানুহে চন্দ্ৰ, মংগল গ্ৰহত জীৱন প্ৰবাহৰ সন্ধেদ লোৱাৰ কথাতে এক বুজন পৰিমাণৰ টকা খৰচ কৰে। এয়াই প্ৰগতিৰ খোলা উৰ্ধ্ব দুৱাৰ। আৰু নিম্ন দুৱাৰখন বন্ধ হৈ থাকে অনাথৰ হিয়াত।

বৰুৱা : ভিক্ষাৰীৰ এনে অৱস্থান কোনে কেনেদৰে প্ৰত্যক্ষ কৰে বাৰু! মানুহক মানুহ হিচাপে চোৱাৰ প্ৰতিযোগিতা কোনে কৰে? চাওক, শিল্পীয়ে শিল্প কলাৰে সাধনা মৰ্মে ৰঙ-তুলিকাৰে সজীৱ কৰি তোলে এনে জীৱন প্ৰৱাহ। গায়কে গানৰ কৰুণ সুৰৰ মূৰ্চ্ছনাৰে দাঙি ধৰে কৰ্ণ কুহৰত তাৰ জীৱনৰ দুখ-বেদনা; অনুৰণিত কৰে আশা-আকাংক্ষা। সাহিত্যিকে সাহিত্যৰ অলংকাৰ সম্ভাৰেৰে মানৱ হিয়াক চুই যাব পৰাকৈ তুলি ধৰে কলমেৰে। এয়া এক Pen Picture of life. ধাৰ্মিকে ধৰ্মৰ অমোঘ তত্ত্বৰে তাৰ আত্মাৰ প্ৰবাহ নিৰ্ণয় কৰে। সকলোৰে ইয়াত সাধনা আছে; নিজা দৃষ্টিৰে দেখে, অনুভৱ কৰে, হিয়াৰ পৰশ বুলায়।

কিন্তু ৰাজনৈতিক নেতাজনে দেখেনে তাৰ উদং হিয়াখন, অনুভৱ কৰেনে তাৰ পেটৰ ভোক? উপলব্ধি কৰেনে তাৰ জীৱনত যে বহুত হেঁপাহ, হাবিয়াস বৈ আছে পূৰণৰ আশাৰে, তাৰ নিজৰ জীৱনৰ দৰে! এনে জীৱন প্ৰবাহ মূৰ্ত কৰাৰ ক্ষেত্ৰত ৰাজনীতিত সাধনা কৰাৰ বাবে মানৱতাবোধে বাট দেখুৱাবনে?

শৰ্মা : হেৰি, দৰিদ্ৰতা নিৰ্মূল কৰা পৰিকল্পনা কাৰোবাৰ কামধেনু গাই হৈ থাকে। চৰকাৰে যিমানে ঢালি দিয়ে সিমানে তাৰ সুবিধা; দুখীয়াৰ নামত আনি হৰলুকি কৰি যিখিনি ভগাই দিয়ে সেইখিনিয়ে সিহঁতৰ পেট নুচুৰে। ভোকাতুৰৰ পেটৰ ভোকৰ গাঁঠি কোনো দিনে খোল নাখায়।

চৌধুৰী : সামাজিক জাত-পাতৰ দৰে ইয়াতো জাত-পাতৰ ৰাজনীতি চলে?

বৰুৱা : সেইটো প্ৰধানতঃ ভোট নীতিত নিৰ্ভৰ কৰে, ধনৰ বলেৰে সকলো হাত কৰে। ভোটাৰৰ মন কৰে বিফল। চকু মুদি আধাৰ খোৱা আৰু এটা আছে শ্ৰেণী, যাৰ কাৰণে জন সাধাৰণৰ স্ব-অধিকাৰে উঠিব নোৱাৰে মূৰ দাঙি।

শৰ্মা : চাওক, মই জাতিত ব্ৰাহ্মণ, কিন্তু মোৰ মনত জাতি নাই। সকলো একেই মানুহ তেজ-মঙহৰ।

বৰুৱা : ধন হাতত নপৰালৈকে সকলোটো একেই থাকে।

শৰ্মা : ৰ'ব, মোক ক'ব দিয়াক, মোৰ মনত এটা জীৱন প্ৰবাহ আছে— ইয়ে বানপানীৰ দৰে ফনামেলি থাকে সমতাৰ পিনে। সেয়ে আজিৰ এই সমাজ ব্যৱস্থাত পদে পদে খুন্দা খাওঁ, লাঞ্ছিত হওঁ, সমাজত খোপনি পুতি থকা জাতিভেদ আৰু উচ্চ-নীচভাৱে মোৰ মনক মুক্ত হ'ব নিদিয়ে। সমতাৰ নীতিয়ে উচতাই থাকে মোৰ মন। মোৰ পিতাও এনে কামতে যুঁজ দিছিল কাৰণে শত্ৰু বাঢ়িছিল যথেষ্ট, আনকি আন্দোলন সাপেক্ষে নাঙলৰ মুঠিত হাত দি বহুতৰ অপ্ৰিয়ভাজন হৈছিল। পিতা অতি দূৰদৰ্শীয়েই নহয়, মানৱতাবাদীও আছিল।

চৌধুৰী : বাস্তৱত যি দেখা যায়, ৰাজনীতি আৰু দৰিদ্ৰতা টকাটোৰ ইপিঠি সিপিঠি। দৰিদ্ৰতাৰ লগত সহবাস কৰে অনাহাৰে। আৰু ৰাজনীতিৰ লগত মিত্ৰতা কৰে কূটনীতিৰ আশ্ৰয় লোৱা দুৰ্নীতিবোৰে। কপটভাৱেও ইয়াত ভাগ নোলোৱাকৈ নাথাকে। ইয়াতেই প্ৰকট হয় কালৰ প্ৰভাৱ।

বৰুৱা : এনে কাৰণতে মাটিৰ গোন্ধও পাহৰে, আকাশৰ সুবাসো ল'ব নোৱাৰা হৈ পৰে; মাজতে খেতি ৰখা টঙীঘৰৰ মহল সাজি আধুনিক বস্তু সা-সৰঞ্জাম ৰাখি প্ৰেমাৰ দেখুৱাবলৈ যাওঁতেই অজানিতে পিছলি পৰে। অতৰ্কিতে চয়তানে বোকাৰে পুতি পেলায়। সেয়েহে পৰিয়াল সদস্যৰ প্ৰেম-প্ৰীতিৰে তথা ঈশ্বৰ প্ৰাৰ্থনা ধ্যান-ধাৰণাৰে ভগৱানৰ সহায় বিচাৰিলে চয়তানে লম্ভিব নোৱাৰে। কাৰণ, God ৰ ৰাজ্যত চয়তানৰ প্ৰৱেশ নিষেধ।

শৰ্মা ঃমই ভাবোঁ আজিৰ ৰাজনীতি ৰাতিৰ স্বৰ্গ আৰু দৰিদ্ৰতা দিনৰ পৃথিৱী। মৰম আকলুৱা জনসাধাৰণৰ দুৱাৰ মুখত গৈ খা-খবৰ ল'বলৈ সময় নষ্ট কৰাৰ সৌভাগ্য গণতন্ত্ৰৰ কপালত এৰি নিদিয়ে ৰাজনীতিৰ কূটনীতিয়ে। গণতন্ত্ৰৰ ক্ষিপ্ৰ নদীৰ সোঁতত যেতিয়া নাও বুৰে কোনো এন্ধাৰ কোঠালিত বহি মূৰে-কপালে হাত থৈ নিজৰ কুকীৰ্তিৰ ৰোমন্থন কৰে। এনেকৈয়ে মহাবীৰ-কাপুৰুষ হৈ পৰে মানৱতাৰ পদধূলিত।

বৰুৱা ঃযথাৰ্থতে প্ৰকৃত প্ৰেমৰ উদয় হ'লে নিজৰ বুলিবলৈ একো নথকা হৈ পৰে। প্ৰেমতে সকলো বিনীন হৈ যায়। টাইটানিকত ভ্ৰমণ কৰা প্ৰেমিক জেক আৰু প্ৰেমিকা ৰোজৰ কথাই ভাবক। ৰোজে বংশ-মৰ্যাদা, প্ৰতিপত্তি সকলো এপদ এপদকৈ এৰি আহিছিল অকল জেকৰ প্ৰেমৰ কাৰণে। ছেক্সপীয়েৰৰ দ্য মাৰ্চেণ্ট অব ভেনিছত পৰ্চিয়াই বেচেনিউৰ কাৰণে সকলো এৰি দি মুক্ত হৈ পৰিছিল প্ৰেমৰ বাবে। Much Ado About Nothingত Beatrice আৰু Benedickএ বিপৰীত কটুক্তিপূৰ্ণ ধেমালিৰে যুক্তি তৰ্ক কৰি প্ৰেম-ভালপোৱাহে দাঙি ধৰিছিল। ব্ৰহ্ম শক্তিৰে শক্তিশালী হৈয়ো শ্ৰীকৃষ্ণই সাধাৰণ ল'ৰাৰ দৰে নিত্য-নৈমিত্তিক দোষ কৰি (লৱণু চুৰি কৰা) মাতৃৰ শাস্তি খাই মাতৃ প্ৰেমহে দেখুৱাইছিল, গোপীসকলকো তদ্ৰূপ। কিন্তু ভুৱা প্ৰেম, ভুৱা দেশ সেৱাই আঁচুৰি অনা সকলো ধন-সম্পত্তি নিজৰ হৈ যায় য'ত ৰাজনীতিহে ত'ত। য'ত ক্ষমতাত মত্ত হৈ দৰ্প, দম্ভ, অহংকাৰৰ খেলা খেলিব পাৰি; নিঃসহায়, নিঠৰুৱাৰ হৃদয় পথাৰত, দুখীয়াৰ চকুৰ পানীৰ টোপালত, গা ধুই দেহ-মন শাঁত কৰিব পাৰি।

সেয়াই নিঃসহায় নাৰীক আশ্ৰয় দিয়াৰ নামত বলপূৰ্বক ধৰ্ষণ কৰি হত্যা কৰা বা আনকি নাঙঠ কৰি পেলাই থোৱা কাৰ্যই নিজৰ মা, বাই-ভনীৰ প্ৰতি কৰা এক চৰম মানসিক নিৰ্যাতন তথা মস্তিষ্ক ধৰ্ষণ হোৱা নাইনে? মহাজাগতিক শক্তিৰ স্বতঃস্ফূৰ্ত প্ৰাকৃতিক ক্ৰিয়াৰ পৰিধিত তাৰ আস্থান নাই। তাৰ জীৱনৰ আশ্বাস চয়তানৰ লগ হোৱাৰ এক প্ৰয়াস। ইয়াৰ ফলাফলো পূৰ্বজন্ম আৰু

পৰজন্মৰ কৰ্মৰ ওপৰত সমতা সাপেক্ষে নিৰ্ণীত হ'ব।

শৰ্মা : প্ৰেম সম্পৰ্কে যিটো কথা ক'লে যে নিজৰ বুলিবলৈ একো নাথাকে, ভগৱৎ প্ৰেমতো একে কথাই দোহাৰিছে। এই প্ৰেমত নিজৰ দেহ-মন, স্থাৱৰ-অস্থাৱৰ সকলো তেওঁতেই নিমজ্জিত হৈ যায়। নিজৰ বুলিবলৈ মুক্ত মনটোহে নিজৰ লগত ৰৈ যায়। সেয়াই নিষ্কাম ভক্তি। আনকি মুক্তিতো নিস্পৃহ সেইজন। এয়া প্ৰেমিক-প্ৰেমিকাই হওক, ভগৱান ভক্তই হওক দুয়ো একাকাৰ হৈ যায়। এয়াই স্থূল আৰু সূক্ষ্মৰ মিলন প্ৰক্ৰিয়া, এটাক বাদ দিলে আনটো নিষ্ক্ৰিয়। বিজ্ঞান আৰু আধ্যাত্মিক বিজ্ঞান এটা দেহ আনটো প্ৰাণ।

বৰুৱা : সেয়ে আচল কথা, ৰোগী অপাৰেচন কৰা ডাক্তৰৰ হাত দুখনৰ স্থূল শক্তি আৰু সূক্ষ্ম সমন্বয় শক্তিৰ ওপৰতে নিৰ্ভৰ কৰে ৰোগীৰ জীৱন। এই শক্তি পৰিচালিত হয় মহাজাগতিক প্ৰকৃতিৰ স্বতঃস্ফূৰ্ত ক্ৰিয়া সাপেক্ষে। সেই কাৰণেই কয় ঈশ্বৰৰ বিনা অনুগ্ৰহত জীৱে পানী এটুপিও পিব নোৱাৰে। অৰ্থাৎ এয়া মহাশক্তিৰ আশিস স্বৰূপ প্ৰাণাত্মাৰ ওপৰত নিৰ্ভৰশীল। ভগৱানে মানুহে নভবাকৈয়ে সূক্ষ্ম উপলব্ধিৰে, চিন্তাৰ বিকাশ ঘটায়— কৰ্মৰ সুফল যাচে, হাতৰ এনে কৰ্মৰ চুম্বনত সমাধান কৰিব পৰাকৈ আৰু নিৰ্ধাৰিত সময়ত উপায়ো হাতত তুলি দিয়ে বুদ্ধিৰ বিকাশৰ বাট পোহৰায়।

শৰ্মা : জীৱৰ এই সাধাৰণ সৃষ্টি তত্ত্বৰ কাৰণে জীৱই লগ-সংগহে বিচাৰে। এই আকৰ্ষণ সৃষ্টিৰ আকৰ্ষণ। মহাশক্তিৰ স্বতঃস্ফূৰ্ত এই আকৰ্ষণ তেজ-মঙহ স্বৰূপ ইন্দ্ৰিয়ৰ জৰিয়তে জীৱৰ ওপৰত পৰে পৰিৱেশ সাপেক্ষে।

বৰুৱা : প্ৰাণাত্মাৰ ওপৰত থকা মহাজাগতিক পৰম শক্তিৰ নিৰবচ্ছিন্ন আকৰ্ষণৰ কাৰণে জীৱ-জন্তু, চৰাই-চিৰিকটি, কীট-পতংগ সকলোৰে দলবদ্ধভাৱে মুকলি জীৱন-যাপন কৰিব বিচাৰে। শ্ৰেষ্ঠ জীৱ মানুহৰ ক্ষেত্ৰত এনে উচ্চ উপলব্ধিৰ বাবে মানুহে মানুহৰ প্ৰতি বেছি আপোন হৈ পৰে। এখন হৃদয় আনখন হৃদয়ৰ যেন এক দাপোণ। সেয়েহে হৃদয় অনুভূতি অবিহনে দেহ-মনৰ জড়তা ভাঙিব বিচৰাটেও এক সপোন হৈ থাকে। বননিত বুক ভাঙি কৈ

থাকিলেও কোনেও নুবুজাৰ দৰে জনাকীৰ্ণ জীৱন এক কাণ কলা বোবাৰ জীৱন। এনে মানৱ দৃষ্টিভংগীকে সাৰোগত কৰি বিশ্বকবি ৰবীন্দ্ৰনা ঠাকুৰে কৈছিল যে তেওঁ মানুহৰ মাজতহে জীয়াই থাকিব বিচাৰে। এয়া মানৱ জীৱনৰ এক অফুৰন্ত হেঁপাহ।

চৌধুৰী ঃ সুখে-দুখে, হাঁহিয়ে-কান্দোনে, মিলামিলি হাই-কাজিয়া কৰিও সকলোৱে শেষত লগেই বিচাৰে। স্বামী-স্ত্ৰীৰ কাজিয়াৰ দৰে লাগে আৰু ভাগে; দাঁতে-ওঁঠে কামোৰ খাই তেজ ওলাই পৰে, দুয়ো লগলাগি আকৌ মনৰ স্থিৰতা আনে। জন্ম সূত্ৰে থকা মৌলিক অধিকাৰ ভাত-কাপোৰৰ দৰে বিয়াত হোমাগ্নিক সাক্ষী কৰি কৰা অংগীকাৰ মৰ্মে পোৱাৰ অধিকাৰ সাব্যস্ত কৰে। এনেদৰেই জীৱনৰ অভাৱ আৰু সমস্যাসমূহ মানৱ প্ৰগতিৰ সম্বল হৈ পৰে। এয়াই প্ৰকৃত অভাৱ, যি হয় আৱিষ্কাৰৰ মূল, i.e. Necessity is the mother of invention.

বৰুৱা ঃ এইটো সহজে অনুমেয় যে প্ৰাকৃতিক দুৰ্যোগৰ সহঅৱস্থানৰ সমস্যাই হওক বা জীৱন ধাৰণৰ নানা অভাৱেই হওক বা আনকি উন্নত মানদণ্ডৰ বাবে কৰা প্ৰচেষ্টাই হওক, ইয়াৰ পূৰ্ণ সমাধানৰ চেষ্টাতেই লুকাই থাকে সভ্যতাৰ মাপকাঠি। য'ত সমস্যা নাই বা যি সমস্যাৰ প্ৰতি সচেষ্ট নহয় তাত বা তাৰ বুদ্ধি, কৌশল, কূটনীতি, ৰাজনীতি বা আৱিষ্কাৰৰ প্ৰয়োজনে মনত ক্ৰিয়া নকৰে। পৈণতা সাপেক্ষে অৰ্হতাৰ আৱশ্যকতাই য'ত নাই তাত মানৱ শক্তি নিষ্ক্ৰিয়। এই নিষ্ক্ৰিয়তা বংশানুক্ৰমিক হ'লে শাৰীৰিক শক্তিৰ লগতে মানসিক আৰু বৌদ্ধিক বিকাশ প্ৰক্ৰিয়াসমূহ লোপ পায় আৰু অকামিলা হয়। তেতিয়া য'তেই আছে, যেনেকৈ আছে, ত'তেই তেনেকৈ থাকিব বিচাৰে। মুঠতে এই স্বভাৱটো জীয়াই ৰাখিবলৈ নাপাহৰে। একোটা জাতি বা বংশ অভাৱৰ প্ৰতি অনুভৱ উপলব্ধিৰ অভাৱত গতিহীন হয়। জীৱন সমস্যা সমাধান কল্পে সচেষ্ট হোৱাৰ অন্তৰ্নিহিত মানসিক ক্ৰিয়া তত্ত্বই সংস্কৃতিবান তথা সম্পদশালী হোৱাৰ উৎস। ইয়ে প্ৰাকৃতিক পৰিঘটনাসমূহৰ ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ প্ৰতিও মন ধাৱমান কৰে। এনে ধাৰণাই এই নিষ্ক্ৰিয় সবৰ মনত ক্ৰিয়া নকৰে।

যেনেকৈ মিথ্যাচাৰে একো গঢ়াত সহায় কৰিব নোৱাৰে, তেনেকৈ এনে স্থবিৰ অৱস্থাই প্ৰগতিৰ মুখ নেদেখে।

চাওক, জেমছ ৱাটে কেটলিৰ পানী উতলি সৃষ্টি হোৱা ভাপে ঢাকনিখনত শক্তি প্ৰয়োগ কৰি আঁতৰাই দিয়া লক্ষ্য কৰিছিল। আৰু নিউটনেও গছৰ আপেল মাটিত সৰি পৰা দেখিছিল। ইয়াৰ মূল কাৰণ বিচৰাৰ পৰিপ্ৰেক্ষিতত পৰ্যবেক্ষণ সাপেক্ষে গবেষণামূলক চিন্তা-চৰ্চা আগঢ়াইছিল। এনে সন্দৰ্ভতে C. M. Joad এ 'A Talk'প্ৰবন্ধত কৈছে, 'This business of thinking new thoughts, whether they lead to invention or not, is a sign of being civilised'. আৰু কৈছে, 'If Shakespere's plays are a sign of civilization so are Raphael's picturs and Bethoven's misic.'

চৌধুৰী ঃ এনেদৰে আকৌ দৰিদ্ৰতা আৰু সমস্যাই গৰকা জীৱনৰ দুখৰ মাজত শুই থাকে এক সুখৰ সন্ধান— আশাৰ এক ৰিণিকি পোহৰ। অভাৱৰ তাড়নাত লুকাই থাকে আত্মিক শক্তিক সজীৱ আৰু সতেজ কৰিব পৰা ইচ্ছা শক্তি (Will force)। ইচ্ছা শক্তি হ'ল প্ৰতিভা বিকাশ কৰা অমোঘ অস্ত্ৰ। নিজে এই অস্ত্ৰ ধৰি স্ব-বিকশিত হ'বলৈ বিচাৰিলে দেখে যে প্ৰতিভা হৈ পৰে বোৱঁতী নৈৰ পানীত সূৰ্যৰ ৰশ্মি পৰি তিৰবিৰাই উঠা সোণালী ঢৌ। মনৰ প্ৰবল এই ইচ্ছা শক্তিকে মূলধন হিচাপে লৈ যিসকলে সময় বালিত খোজ দি গ'ল প্ৰায়ভাগৰে জীৱন নিদাৰুণ দাৰিদ্ৰৰ তাড়নাৰে ভৰা আৰু অন্তহীন ঘাত-প্ৰতিঘাত সংঘাত আদিৰে জৰ্জৰিত, মৰ্মন্তুদ; কিন্তু চিৰজাগ্ৰত প্ৰহৰী হৈ ৰৈ আছে। আৰু প্ৰতিভাৰ ৰশ্মি পৰি জীৱন স্মৃতিৰ সোঁতৰ পানীৰ সোণালী ঢৌ তিৰ্‌বিৰাই থাকে।

শৰ্মা ঃ আপোনালোকে সভ্যতা, অৱক্ষয় ৰোধ স্বৰূপ মানৱ সম্পদ উন্নয়ন, অভাৱৰ তাড়না আৰু সমস্যাৰ সমাধানত প্ৰতিভাৰ বিকাশ সম্পৰ্কে আঙুলিয়াইছে। মই ভাবোঁ দেখাত যদিও প্ৰতিটোই বিভিন্ন, কাৰ্যতঃ এটাই উৎস, সেয়া সৎ কৰ্ম; কাৰণ ইয়াৰ শক্তি অপৰাজেয়। ই নিৰ্দ্ধাৰিত সময়ত সমাপন কৰা 'হৰে কৃষ্ণ— হৰে ৰাম' ঈশ্বৰ প্ৰাৰ্থনাৰ ধ্বনিৰ দৰে অবিৰতভাৱে উৰ্দ্ধ-নিম্ন ধ্বনিৰ মাজতে উজ্জীৱিত হৈ

থাকে, কোনো ক্ষণতে বন্ধ বা ৰুদ্ধ হৈ নাযায়। ইয়াত আৱশ্যক সুস্থিৰ চিন্তা, ঐকান্তিকতা আৰু গভীৰ ধ্যান-ধাৰণা।

প্ৰকৃততে ক'বলৈ গ'লে, যিয়ে যি কৰ্ম কৰে বা যিটো কৰ্মত ধাউতি থাকে সেই কৰ্মতে প্ৰকাশ হয় তাৰ চৰিত্ৰতও। এটা কৰ্মৰ সফল পৰিসমাপ্তিয়ে আন এটা কৰ্মক আঁকোৱালি লয় আৰু ক্ৰমান্বয়ে এনেদৰে ইয়াৰ ফচল মূল চৰিত্ৰৰূপে গঢ় লয়।

বৰুৱা ঃ চাওক, মানৱ দেহ, মানুহৰ বুদ্ধি-বৃত্তি, উৎসাহ-উদ্দীপনা তথা প্ৰতিভা পেলনীয়া বস্তু বা আন কাৰোবাৰ হাতিয়াৰ নহয়, নিজেই নিজৰ হাতিয়াৰ। এই কথা অনুধাৱন কৰিব পাৰিলে নিজক বিচাৰি পোৱাত সহজ হয়। তাকে নকৰি এয়া যেন স্বাধীন মুকলিমূৰীয়া ব্যস্ততাহীন সহজ জীৱন যাপন কৰাৰ ধাৰণাতে আৰু আনক দেখি আধুনিক হোৱাৰ প্ৰতিযোগিতাত সকলো এৰি দি নিজে হেৰাই গৈছে আনৰ হাতিয়াৰ হৈ। সেয়ে বোধহয় সন্ত্ৰাস, সংঘাত, হাই-কাজিয়া তথা ঘাতকৰ সংখ্যাও হয়তো বাঢ়িছে। মন কৰিলেই ওলাই পৰিব যে আদিম সভ্যতা আৰু আধুনিক সভ্যতাৰ সাঁকোখন মানুহৰ জীয়া সমস্যা সমাধানৰ উপায় উদ্ভাৱনাৰ ব্যস্ততাৰে চিন্তাৰ আঁহ ফালি গঁথা হৈছে। এনে অবিৰত কৰ্ম আৰু ইয়াক অভিৰুচিকৰ কৰি আনন্দ লভাৰ পৰিপ্ৰেক্ষিতত এটা কথা উল্লেখ কৰিব বিচাৰো।

শৰ্মা ঃ ৰ'ব, মই ভবা কথাটো আগে কৈ থওঁ। কাম এটা কৰি কৰি বেজাৰ লাগে, কামটো কৰি অটাব নোৱাৰি। আনহাতে কৰিবৰ মন নোহোৱা হয়; অলসতাও আছে। এই অলস ভাবটো কেনেকৈ আঁতৰ কৰিব পাৰি বুলি ভাবে? ধৰক, জীৱনত বহুত সোণালী সপোন হেৰাই গ'ল, বিচৰাখিনি সময়ত নাপালে; এতিয়া আৰু পাবলৈ মন নকৰে; নিবিচৰাকৈ আকৌ কিবাকিবি পালেও।

চৌধুৰী ঃ লগতে মোকো অলপ ক'ব দিয়ক। কথাটো কি জানে, সময়ৰ বাঘজৰীত বন্ধাই থাকে সময়ৰ কাম, সময়মতে নিৰ্দ্ধাৰিত কাম নকৰিলে সময় বাঘে কাকো শুদাই নেৰে। মুখুৰে কামুৰি কাঁইটৰ ওপৰেৰে টানি নিব, দাঁতৰ প্ৰতিটো কামোৰত সোঁৱৰণ কৰিব লাগিব অৱহেলাৰ ফল কি ভয়ানক। সেয়ে সময় বাঘে যাতে

তেজ শুহি দেহটো পেলাই যাব নোৱাৰে তাৰ বাবে সন্মুখত পৰাৰ আগতে এনে পৰিণতিৰ কথা ভাবি সতৰ্ক হ'ব লাগে। চহৰৰ অতি ব্যস্ত ৰাস্তাটো পাৰ হওঁতে সোঁহাত-বাওঁহাত দিশ চাই মানসিক প্ৰস্তুতিৰে সময় সচেষ্ট হৈ পাৰ নহ'লে আকস্মিক দুৰ্ঘটনাৰ সন্মুখীন হোৱাৰ দৰে। জীৱনটোই শূন্য হৈ গ'ল বুলি ভাবিব পাৰে, ই অস্বাভাৱিক নহয়। কিন্তু হতাশাত ভাগি পৰাটো এক আত্মগ্লানি স্বৰূপ ক্ৰিয়া; এই দুৰ্বলতাক জয় কৰিব পৰাটোতে প্ৰকাশ হয় প্ৰকৃত আত্মাৰ স্বৰূপ। জীৱন ডিঙা বাই বাই কোন ঘাটত নাও চপাই ইচ্ছা, মন আৰু উদ্দেশ্যইহে হাতক বুজায়। ঘাট পোৱাৰ আগমুহূৰ্তত যে ধুমুহাই সকলো বিপৰ্যয়ৰ কাল হৈ পৰিব পাৰে তাকেহে নাজানে। এই ভয় আৰু শংকাই কৰে মানৱ জীৱনৰ কৰ্ম সুখৰ অপচয়; সেয়ে কোনো সুখী নহয় আৰু কোনো দুখী নহয়। লগতে কৰ্মফলো বিচৰা দৰে সময় মতে নহয়; ই হ'ল জন্ম জন্মান্তৰৰ কৰ্মৰ এক গঢ় হিচাপ-খতিয়ান। সেয়ে বিচৰাটো নাপাই, নিবিচৰাটো আহি পদূলিমুখত থিয় হয়।

শৰ্মা : ৰক্ষকে ভক্ষক হোৱা তথা উদক ভেটাৰখীয়া পতা বা দেশ-বিদেশ ঘুৰি আহি ঘৰৰ দুৱাৰ মুখত মৃত্যুক সাবটি লোৱা বা আনকি যিজনে যাৰ কাৰণে জীৱনভৰ ত্যাগ কৰে সেইজনকে হত্যা কৰা— এনে মানুহজনতকৈ, কাৰো কাৰণে হ'ব নোৱাৰা বা আত্ম হননৰ পথ লোৱাজনৰ অৱস্থা বৰ পুতৌ লগা। এনে ক্ষেত্ৰত দেখা যায় আত্ম-বিচাৰ হীনতাই মানুহক কি নকৰাকৈ থাকিব পাৰে। পৰিণামো কি ভয়ানক নহ'ব পাৰে। এয়েতো জীৱন, য'ত মানুহে বিচৰা পৰিৱেশ আৰু প্ৰকৃতিয়ে উপযাচি দিয়া বা প্ৰকৃতিয়ে উপস্থাপনা কৰা পৰিৱেশ বেলেগ বেলেগ। কোনোটো কৰ্মৰ সহায়ক আৰু কোনোটো কৰ্মৰ অন্তৰায় আৰু আনকি কোনোটো কৰ্মৰ বিভীষিকাময় ফচল। ধৰক, প্ৰাকৃতিক দুৰ্যোগৰ আগৰ জীৱন আৰু কৰ্ম আৰু পিচৰ জীৱন আৰু কৰ্মৰ পৰিৱেশ। এজন মানুহেই কি বিপৰীত ধৰণে থিয় হয় নিজৰ পদূলিতে।

বৰুৱা : সেয়েহে, আপুনি বিচাৰা Achievement আৰু প্ৰকৃতিয়ে সন্মুখত

উপযাচি ওপচাই দিয়া Achievement আৰু ইয়াৰ সময়, মান একে নহ'বও পাৰে। গতিকে, বিচৰাটোও নাপায় আৰু নিবিচৰাটোও বহুত হয়। এইসবৰো উৰ্ধ্বত আত্ম নিষ্ঠা কৰ্ম; ইয়াত অলস ভাব, বিৰক্তি আৰু নিৰুৎসাহ মানব জীৱনবোধ হীনকাৰক। কথাটো কি জানে? প্ৰেম ভাবত কৰ্ম কৰিলে সকলো দিশতে জয়ৰ সম্ভাৱনা থাকে। কৰ্মফল, সুখ-দুখ, যাতনা-পীড়াত কাৰো নিজৰ হাত নাই, মাত নাই, ই অৱধাৰিত। এয়েতো কৰ্ম নহয় যে আপোনাৰ কাষৰ দুৰ্বলী মানুহজনৰ মাটিৰ সীমা ঠেলি বেৰখন দি সুখ ল'ব নাইবা ৰোগৰ বা ব্যাধিৰ বিষৰ পৰা উপশম পাবলৈ মুখত বিষ ঢালি সুখক আদৰি আনিব। কথা হ'ল নিয়তিৰ নিষ্ঠুৰ পৰিহাসৰ ধাৰণাৰে মনক অতীন্দ্ৰিয়বাদলৈ ৰূপান্তৰ কৰি যন্ত্ৰণাৰ পৰিসমাপ্তি বিচৰাটো।

প্ৰকৃততে নিজক আধ্যাত্মিকভাৱে গঢ়িব পাৰিলে আন বেছি একো নালাগে। ই কোনো গভীৰ কথাও নহয়, ইয়ে হৃদয়খনো জয় কৰি দিয়ে। অৰ্থাৎ কুঁটা এডালেৰে সাগৰ পাৰ হোৱাতকৈ, বিজ্ঞানৰ ডেউকা লগাই চন্দ্ৰ ঢুকি পোৱাতকৈ হৃদয় বিশ্বব্ৰহ্মাণ্ড জয় কৰা বেছি উৰ্ধ্বত। যেতিয়া দুখেই মনৰ লগ হয়, দুখেই দুখৰ সাৰথি হয়, দুখেই দুখৰ চকুত চকু থৈ চকুলো টোকে, তেতিয়া দুখৰ এন্ধাৰতে হৃদয়ে জোনাকি পৰুৱা হৈ বাট দেখুৱাই লৈ যায় সুখৰ বাটলৈ।

আৰু চাওক, আত্মহননৰ সিদ্ধান্ত লোৱাৰ পিচতো জীৱনটো অৰ্থৱহ কৰিব পৰাকৈ আশা ক'ত শুই আছে বিচাৰি জগাব পৰাকৈ এই হৃদয়তে লুকাই আছে ঈশ্বৰৰ আশিস। ইয়ো এক শাশ্বত সত্য, দিন-ৰাতিৰ দৰে; সূৰ্য নাই দিন-ৰাতি নাই; আশা-নিৰাশাৰ পাত্ৰৰো তলি নাই। অৰ্থাৎ মাতৃ-বসুমতী নাই-সৃষ্টি নাই।

শৰ্মা ঃ সেয়ে প্ৰকৃত কৰ্মীৰ কৰ্মহীন হৈ সুখে-সন্তোষে থাকিব লাগিলেই হয় অসুখ। তেনেকৈ সক্ৰিয়তা নিয়মিত বঢ়াই গৈ বুদ্ধি, কৌশল, নৈপুণতা খটুৱাই কলাত পৰিণত কৰিলেই হয় অসুখ। অসুখ মানে এটা সাফল্যৰ পিচত আন এটা কৰ্মৰ সাফল্যৰ বাবে কৰা আকাংক্ষা তথা অবিৰত উদ্যোগৰ তাড়না। মাজতে আমনি আৰু অলসতা

বিৰাজ কৰাৰ ভয়-শংকা। বৈচিত্ৰ্যৰ পিচত বৈচিত্ৰ্যৰ পৰশৰ চুম্বনৰ এয়া হেঁপাহ। এই চিৰ জাগ্ৰত নতুনৰ চিন্তাৰ তাড়নাই নতুন আবিষ্কাৰৰ তথা নতুন উদ্ভাৱনাৰ মূল মন্ত্ৰ। ই প্ৰকৃততে অৱধাৰিত সুখ। প্ৰকৃত কৰ্মীয়ে গৃহ সুখটো ধৰি ৰাখিবলৈও নাপাহৰে; মুঠতে কৰ্ম-সংস্কৃতি মানে জীৱন সংস্কৃতি। এয়া সুখৰ বাটত দুখৰ আমনি, দুখৰ বাটত সুখৰ ৰেঙণি, দুয়োৰে হয় জীৱন বাটত সমানে জিৰণি।

চৌধুৰী ঃ আজিৰ কাৰণে শেষ কৰো ব'লক, বেলিও আগবাঢ়ি আহিল আমাৰো আজিৰ আলোচনাৰ মোখনি পৰিল। অ' ৰ'ব, আপোনাৰ ল'ৰা-ছোৱালীৰ কথা সোধাই নহ'ল।

শৰ্মা ঃ মোৰ ল'ৰা এজন, কি ক'ব, ডাক্তৰ হ'ল, চাকৰি হ'লে এতিয়ালৈ নহ'ল। নাৰ্চিংহোম এখনত কাম কৰি আছে। জানেই নহয়, প্ৰাইভেট স্কুল, প্ৰাইভেট নাৰ্ছিংহোম একেই কথা। ছোৱালী দুজনীৰ এজনীয়ে এম চি এ কৰি আছে। আন জনী কলেজত পঢ়ি আছে।

বৰুৱা ঃ অহা পৰহি তিনিওজনে গধূলি বিহু ফিল্ডখনতে লগ লাগিম, আহিব।

শৰ্মা ঃ হ'ব দিয়ক, অ' হ'ব মানে সময় মিলাব পাৰোনে নোৱাৰোঁ, কিবা এটা কৰিম (তিনিও ঘৰাঘৰি গ'ল)।

ন

যোৱা পৰহিৰ কথা মৰ্মে শৰ্মা বিহুতলীত উপস্থিত হ'ল। ঘূৰি চাই দেখে চৌধুৰী আৰু বৰুৱাও আহি আছে। অলপ ওচৰ পোৱাত শৰ্মাই মাত লগালে—

শৰ্মা : আহক, ময়ো এইমাত্ৰ আহি পাইছোঁহি।

চৌধুৰী : আমিও বেছি পলম কৰা নাই দেই।

বৰুৱা : কি ক'বহে! দুই বজাৰ সভা চাৰে তিনি বজাত আৰম্ভ কৰা অভ্যাস হেৰোৱাৰ সৌভাগ্য অৰ্জন কৰিম যেন পাইছোঁ, তথাপি আগতে অহাৰ কথা ভাবোঁতে আপুনিহে আহি আমালৈ বৈ আছে।

শৰ্মা : হেৰি, আমি খোজ কাঢ়ো লাহে লাহে, কথা কওঁ লাহে-ধীৰে, কাম কৰো এলাহতে, খাওঁ লাহে লাহে; কিন্তু আনৰ দোষ খুঁচৰি চাওঁ লেথাৰি নিছিগাকৈ, বোকা ছটিয়াই ফাকুৱা খেল খেলো আৰু পৰ চৰ্চা কৰো অতি আমোদজনকভাৱে; একো হাতত নাথাকিলে 'হলা গছত বাগি কুঠাৰ মৰা'ৰ দৰে, তাকে কৰিয়ে ভাল লাগে। মুম্বাইৰ দাদৰত থকা ফ্লাৱাৰ পুলৰ চৌপাশে ৰেল জংচনটোৰ ওচৰত খোজ কাঢ়িলে মানুহৰ ইমান হেঁচা-ঠেলা যে সেই কামটোত বাদে আন একো কথাই ভাবিব নোৱাৰে। ভাবিলে হয় খুন্দা খাব মানুহৰ গাত, নহয় মানুহৰ মাজৰ ক্ষীণকায় ফাঁকটো হেৰায় যাব।

চৌধুৰী : সহজলভ্য টকা অৰ্জন আৰু দুৰ্নীতিৰে ধন আত্মসাৎ কৰাত কিন্তু পিছ পৰি নাথাকোঁ।

বৰুৱা : ইয়াৰ মূল কাৰণ আত্মনিষ্ঠাৰ অভাৱ, পৰ চৰ্চা কৰোতে নাভাবে যে তেওঁ নিজে কোন হয় আৰু এইটোও নাজানে যে তেওঁ কাৰ বাবে? প্ৰত্যেক মানুহেই নিজে নিজৰ বুলি ভাবে; কিন্তু কোনো অকল নিজৰ বাবে নহয়। কোনোৱে নিজে নিজৰ বাবে আহোঁ বুলি পৃথিৱীলৈ অহা নাই, পৰিপূৰক আৰু সমন্বয় সূত্ৰৰ আধাৰত এয়া হ'ল জন্ম চক্ৰ

তত্ত্ব। পতি-পত্নীৰ কথাই ভাবক; পতিৰ দেহ-মন পত্নীৰ বাবে আৰু পত্নীৰ দেহ-মন পতিৰ বাবে। দুয়ো যদি এক নহয় সৃষ্টি কেনেকৈ পূৰ্ণ হয় এনে দিশতে শিৱই পাৰ্বতী, পাৰ্বতীয়ে শিৱ; তদ্রূপ ৰাধা-কৃষ্ণ। তেনেকৈ পতি-পত্নী সন্তানৰ বাবে আৰু সন্তান পিতৃ-মাতৃৰ বাবে। ইয়ো এক পৰিপূৰক আৰু পৰিয়াল সমন্বয় সূত্ৰ। এনেদৰে একে সূত্ৰই ধৰি ৰাখে সমাজ, ৰাজ্য তথা দেশ। এনে সম্পৰ্কহীন হ'লে ধ্বংসৰ আগজাননী অৱশ্যম্ভাৱী হৈ পৰে। কোনোৱে কোনোটোক নিৰ্যাতন বা অন্যায় কৰি মাৰিলে প্ৰাণটোৱে জন্ম-জন্মান্তৰ খেদি ফুৰে। কোনো ঘাতকে বন্দুকেৰে গুলীয়াই বা দেহত জুই লগাই কাৰোবাক মাৰিলেও আত্মা স্বৰূপ প্ৰাণটো মাৰিব নোৱাৰে। ইয়াতে লুকাই থাকে পুনৰ জন্মৰ উৎস। এয়া ধৰক প্ৰধানমন্ত্ৰীক সাংবিধানিক নীতি-নিয়মে সংৰক্ষিত এলেকাত আবদ্ধ হৈ থকাৰ বাবে দিয়া সুবিধাৰ তথা বান্ধোনৰ দৰে। নিজ ইচ্ছা মতে খাওঁ বুলি পৰীক্ষা নকৰা বস্তু খাব নোৱাৰে বা অকলে নিজে যাওঁ বুলি ক'তো যাব নোৱাৰে। কাৰণ তেওঁ নিজৰ বাবে হৈ থকা নাই, দেশৰ বাবে। তেওঁৰ সুৰক্ষা শাসনৰ এটা গধুৰ দায়িত্ব।

আকৌ তেনেকৈ মৰো বুলিও কোনোৱে মৰিব নোৱাৰে, কাৰণ এটা নিৰ্দিষ্ট দায়িত্বৰ বাবে তেওঁ এই পৃথিৱীত পদাৰ্পণ কৰিব পাৰিছে। ইয়াত পিতৃ-মাতৃৰ মাজেৰে মহা শক্তিৰ অংশ জড়িত। এই দায়িত্ব পালন নকৰিলে বা মিচনৰ বিপৰীতে গ'লে অজানিতে শাস্তি মিলে। এই শাস্তি পৰম শক্তিৰ পৰম প্ৰক্ৰিয়াৰ দ্বাৰা নিৰ্দিষ্ট সময়ত প্ৰয়োগ হয়। ৰাষ্ট্ৰপতিৰ বিলৰ ওপৰত চহীটোৰ কৰ্তব্য আৰু পোষ্ট অফিচৰ পিয়নজনৰ কৰ্তব্য, উভয়ৰে একে দায়িত্ব। ই সময় সাপেক্ষ দায়িত্ববোধ কৰ্ম। ইয়াত কি অৱহেলা বা কি নিজত্ব একোৱে ফলপ্ৰসূ হৈ নুঠে। ই এক সাংবিধানিক দায়িত্ববোধ। মানৱতাইহে কৰ্মটোত মনটো নচুৱাই থাকে। যেনেকৈ মানৱতাৰ আবুৰত সংস্কৃতিয়ে পাহি মেলে আৰু জন্ম মিচনৰ সাৰ-পানীৰ প্ৰতিভাত বিশ্ব মানৱ হাঁহিৰ ফুল ফুলি উঠে। মুঠতে সাহিত্য-সংস্কৃতিয়ে মানুহকহে আদৰি ল'ব জানে, জাত-পাত, বৰণ, ধৰ্মীয় গোড়ামিৰ ভাব ইয়াত নোপজে।

শৰ্মা : 'How to win friends and influence people' গ্ৰন্থত DALE CARNEGIE য়ে লিখিছে— 'Develop a deep, driving desire to master the principles of human relations.' লিখকে উল্লেখ কৰা 'Harvard'ৰ বিখ্যাত প্ৰফেচাৰ, William James ৰ কথা হ'ল, '...We are making use of only a small part of our physical and mental resources...'

বৰুৱা : এনে পৰিপ্ৰেক্ষিততে শিক্ষা সম্পৰ্কে উল্লেখ কৰা দৰ্কাৰী মন্তব্য হ'ল, 'Education', Said Dr. John B. Hibben, Former President of Princeton University, 'is the ability to meet lifes situations. For, 'The great aim of education', 'said Herbert Spenser, 'is not knowledge but action'

সেয়ে কামৰ মাজেৰে শিক্ষাৰ পৰিসমাপ্তিয়েই হ'ল জ্ঞান। এই কৰ্মৰ মাজেৰে প্ৰৱাহিত হোৱা ধৰ্মৰ ধাৰাটিকে গীতাত প্ৰকাশ কৰিছে কৃষ্ণই অৰ্জুনক। মুঠতে কৰ্মই হ'ল জীয়া মানুহৰ সংস্কৃতি। জীয়া মানুহ মানে নিজক চিনি পোৱা কৰ্মী মানুহ। আৰু চাওক, নিজক চিনি, বুজি উঠি নিজে নিজৰ লগ-বন্ধু হোৱাৰ পিচত আন এটা জয় আছে। যেতিয়া নিজৰ ভুল-দোষ-ত্ৰুটি-বিচ্ছুতি খুঁচৰি চাবলৈ হেঁপাহ জন্মিব, সেইদিনাই বুজিব আপুনি বিশ্ব জয়ৰ ফালে আগবাঢ়িছে; আৰু যিদিনা নিজক সমালোচনা কৰি উঠি আনৰ ওচৰত এই দোষ-ত্ৰুটি দাঙি ধৰিব পাৰিব সেই দিনাই বুজিব যে আপুনি বিশ্ব জয় কৰিলে। অৰ্থাৎ বিশ্ব মানৱৰ তেজ-মঙহক আপোনাৰ মনে চুই গৈছে ইন্দ্ৰিয়ৰ সহায়ত। তেতিয়া নিজৰ প্ৰশংসা নিজে কৰিব নালাগে। লানি নিছিগাকৈ প্ৰশংসাৰ জোঁৱাৰ উঠি আহিব (চৌধুৰী শৰ্মাই একান্তমনে শুনি গৈছিল)।

সেইদিনাই বুজিব মানুহে আপোনাক কিমান ভাল পায়? মৃত্যুৰ শেষ নিশ্বাস ত্যাগ কৰাৰ আগে আগে তথা শেষ দৃষ্টিৰ আগতে দেখিব যে মানুহখিনিয়ে কিমান দুখেৰে আৰু অতি আগ্ৰহেৰে আপোনাৰ বিদায় প্ৰত্যক্ষ কৰিবলৈ বৈ আছে পদূলি মুখত। সেই মুহূৰ্ততহে বুজিব আপোনাৰ জীৱন কিমান সফল। আৰু বুজিব যে আপুনি অকল আপোনাৰ কাৰণে

এই পৃথিৱীলৈ অহা নাছিল। আপোনাৰ নিজৰ নিঃকিন খিনি এই মহানতাত কেনেকৈ সোমাই পৰিল চলাথ কৰিও বিচাৰি নাপাব। আপুনি বুজিব যে মানুহক আপুনি কিমান ভাল পাইছিল আৰু এই ভালপোৱাৰ অন্তৰালত প্ৰকৃত সত্যহে লুকাই আছিল। সেই সত্যই এতিয়াহে পোহৰলৈ আহিল। এয়া আপোনাৰ জীৱন মিচনৰ অন্ত। হাঁহিৰে বিদায় ল'লে আৰু দুখেৰে বিদায় দিলে। ইতিহাসৰ পাতত এটা সোণালী জীৱন অধ্যায় সংযোজিত হ'ল।

এনে আত্ম জ্ঞানৰ পৰিপ্ৰেক্ষিতত আন এটা কথা চাওক--- এজন মানুহ, ধৰক আপোনাতকৈ বয়সত সৰু, শিক্ষা-দীক্ষাত সৰু অথচ এটা 'জ্ঞান ভাণ্ডাৰ'। আপুনি যিদিনা তাৰ এই জ্ঞান ভাণ্ডাৰৰ অংশীদাৰ হ'ব পাৰিব, সেইদিনাই আপুনি আপোনাৰ হিয়াকো জয় কৰিলে। অৰ্থাৎ আপুনি পুৰুষৰ পৰা মহাপুৰুষলৈ ঢাপলি মেলিবলৈ ল'লে। আপোনাৰ নিজৰ কামত নিজেই অনুভৱ কৰিব যে আপুনি ভগৱানৰ সমভাব (God is sama, irrespective of all creeds and dogmas) বজাই ৰাখিব পাৰিছে। ভগৱানৰ এনে সূক্ষ্ম সান্নিধ্যই আপোনাক সচ্চিদানন্দ কৰি তুলিব। সেইদিনা বুজিব আৰু আশ্চৰ্যজনকভাৱে আৱিষ্কাৰ কৰিব পাৰিব নিজৰ মনতে যে অসূয়া কৰ্ম কৰি ভালপোৱা মানুহজনে নিজকে কিমান ঠগ-প্ৰৱঞ্চনা কৰিছে। তেওঁৰ প্ৰতি পুতৌ লগাই নহয়, দুখ ভাবোঁ উপজিব আপোনাৰ, কিয়নো নিজক ঠগাৰ লগতে তেওঁ আন কাৰো কাৰণে হ'ব নোৱাৰিলে। সেয়ে কোনোৱে অৱদান দি যায়, কোনোৱে শূন্য হৈ যায়, আন কোনোৱে ধাৰ লগত লৈ সংসাৰ এৰি যায় নতুবা আনকোনোৱে জাতিৰ ক্ষতি কৰি যায়।

যেনেকৈ জাতিৰ পিতা মহাত্মা গান্ধী নিজৰ কাৰণে নাছিল, জাতিৰ কাৰণে, দেশৰ কাৰণে তথা পৃথিৱীৰ জনসাধাৰণৰ ন্যায়, মানৱীয় নীতিৰ নিদৰ্শন দাঙি ধৰাৰ কাৰণে। তেওঁ বুজিছিল যে তেওঁ ভাৰতবাসীৰ মুক্তিৰ কাৰণ স্বৰূপ, সেয়ে হিয়াৰ সৎ সমতা, ন্যায় নীতিৰ প্ৰবাহ কৰ্মৰ মাজেৰে নিঃসৃত হৈছিল।

আমেৰিকাৰ ষোড়দশ ৰাষ্ট্ৰপতি আব্ৰাহাম লিংকনে, যেতিয়া দেখিছিল ক্ৰিমিয়ান যুদ্ধৰ সময়ত ডাবোল গাৰ্ড ডিউটি উপযাচি বন্ধ

এজনৰ কাৰণে লৈ কষ্টৰ বাবে টোপনিৰ জালত পৰি সমাপন কৰিব নোৱাৰাৰ দোষত দণ্ডিত হৈছিল স্কট নামৰ এজন সৈনিক মৃত্যু দণ্ডেৰে, তেতিয়া তেওঁ তাৰ হাতত থকা মাকৰ চিঠিখন লৈয়ে তাৰ সাধুতাৰ দ্বাৰাই আত্মিক বান্ধোন উপলব্ধি কৰিবলৈ সক্ষম হৈছিল আৰু স্কটক মৃত্যুদণ্ডৰ পৰা ৰেহাই দিছিল। তাৰ আত্মাৰ সৎ, সম আৰু নিকা সত্ত্বা উদ্ভাসিত হৈছিল মুখমণ্ডলত। এয়া আছিল আব্ৰাহাম লিংকনৰ মানৱতাৰ প্ৰকৃত স্বৰূপ।

চাওক, নিজৰ অবুজ কেঁচুৱা সন্তানক এখন এখনকৈ নিজৰ গালত চৰিয়াব দি ৰং কৰা হয়। ইয়ে বুজাই যে দুয়ো একেই জীৱাত্মা, দুয়োৰে মাজত নাই দৌৰাত্ম্য। এয়া 'জিন'ৰ (Gene) মাধ্যমত পিতৃ-মাতৃৰ পৰা বৈ অহা আনুবংশিক গুণৰাজিৰ জৈৱিক সঞ্চাৰণ প্ৰক্ৰিয়া। ই নিজে নিজে স্বতঃস্ফূৰ্তভাৱে আত্মিক দিশত বিকশিত হয়।

চৌধুৰী ঃ ৰ'ব, আনুবংশিক এই গুণৰাজিৰ সঞ্চাৰণৰ দৰে মহাজাগতিক পৰম শক্তিৰ আংশিক সঞ্চাৰণো এই জৈৱিক সঞ্চাৰণ প্ৰক্ৰিয়াৰ লগতে একে লগে নিজে নিজে স্বতঃস্ফূৰ্তভাৱে বিকশিত হয়নে?

শৰ্মা ঃ অ', কথাটো ঠিকেই ভাবিছে। বংশৰ ক্ৰমানুসাৰিক গুণৰাজি আৰু পৰম শক্তি পৰমাত্মাৰ পৰা প্ৰৱেশ কৰা পৰমাংশিক শক্তিৰ সংযোগ হৈ ব্যক্তিৰ জৰিয়তে বিকাশ হয় বুলি ময়ো ভাবোঁ।

বৰুৱা ঃ বংশীয় আৰু পৰমাত্মীয় সংযোগ হৈ হয় একাত্মীয় আৰু বিকাশ হৈ হয় পৰিৱেশীয়। এয়া Universal spiritঅত Particular spirit নিহিত থকাৰ দৰে বা General অত Particular থকাৰ দৰে। প্ৰকৃততে কৃষ্ণ নাৰদৰ যি সংযোগ স্থিতি তথা আকৰ্ষণ আৰু উদ্দেশ্য, আত্মা আৰু পৰমাত্মাৰো সেই একেই।

হিন্দু ধৰ্মৰ সমালোচক কে এম সেনে 'Hinduism'অত কৈছে, 'The Upanishads point out that the Brahman and the Atman are the same.' অৰ্থাৎ জীৱাত্মাত পৰম ব্ৰহ্ম (মহাজাগতিক শক্তি স্বৰূপ) পৰমাত্মাৰ অংশ বিদ্যমান। এয়ে জীৱাত্মাৰ আৰু পৰমাত্মাৰ অবিৰত নিবিড় সম্পৰ্ক। এই সংযোগ নিৰবচ্ছিন্নভাৱে ফল্গু ধাৰা হৈ প্ৰবাহিত হয়। অৰ্থাৎ আত্মা পৰমাত্মাৰ মাজত কোনো ফাঁক নাই,

লগতে উভয়ৰে লিংগ নাই। চাৰি জাতি জীৱৰ লিংগ নিৰ্ণয় হয় প্ৰকৃতিৰ অন্তৰালত থকা মহাশক্তিৰ স্বতঃস্ফূৰ্ত ক্ৰিয়া সাপেক্ষে 'জিন'ৰ প্ৰকৃতি মৰ্মে আৰু খাদ্যৰ পৰিপুষ্টি সাধনৰ সন্দৰ্ভত।

এনেদৰে পৰমাত্মাৰ লগত আত্মাৰ সম্পৰ্ক ঘটে প্ৰকৃতিৰ স্থূল দেহ আৰু জীৱৰ স্থূল দেহৰ জৰিয়তে। এনে আত্মা পৰমাত্মাৰ সংযোগৰ লগত মনৰ সম্পৰ্ক, মনৰ লগত পৰিৱেশ সাপেক্ষে কৰ্মৰ সম্পৰ্ক, কৰ্মৰ গতি-বিধি নিৰ্ভৰ কৰে সংস্কাৰৰ ওপৰত। সংস্কাৰ বোলোতে আছে পূৰ্ব জন্ম আৰু কৰ্মৰ গতিবিধি, অৰ্থাৎ কৰ্ম সংস্কাৰ। সেয়েহে ভাল বা বেয়া কাম বা কথা কৰো বুলি বা কম বুলি ক'ব নোৱাৰে। ধৰক, পৰমাত্মাৰ আশিস স্বৰূপ বৰষা নামি পৰশুকুণ্ডত জমা হৈ বাগৰি সোঁত বৈ অহাৰ দৰে কণ্ঠ নিঃসৃত হয়। এই কুণ্ডস্থলী বেয়া হ'লে বেয়া পানী, ভাল হ'লে ভাল পানী নিগৰি অহাৰ দৰে কণ্ঠৰ মধুৰতা নিৰ্ভৰ কৰে। পৰিৱেশৰ প্ৰভাৱত সংশোধন সাপেক্ষে সংস্কাৰৰো বাটটো থাকে।

যদি পূৰ্ব জন্ম বা পুনৰ জন্ম বিশ্বাস নকৰে, (i.e. Re-incarnation) তেতিয়া হ'লেও এটা কথা ধৰা পৰে যে কোনো এটা কাম আৰম্ভ কৰি কামটো আগবঢ়াই নি কৰি গৈ থাকিলে প্ৰথমে হাতখন স্থিৰ হয় তাৰ পিচত নিপুণ হয় আৰু শেষত কৌশল, চেষ্টাৰ বলত সুনিপুণ হ'ব পাৰে। এই আৰম্ভণি আৰু শেষৰ মাজত কামৰ পাৰ্থক্য দেখা যায়। এই পাৰ্থক্যই হ'ল কৰ্ম সংস্কাৰ। লগতে আৰম্ভণিৰ মানুহজন আৰু শেষৰ মানুহজনৰ মাজত স্থূল দেহৰ পাৰ্থক্যই হ'ল জন্ম সংস্কাৰ। এই কৰ্মত জড়িত আত্মা মন, বুদ্ধি, বিবেকৰ প্ৰয়োগৰ যি প্ৰভেদ পৰিলক্ষিত হয়, সেইটোৱেই জীৱন সংস্কাৰ। যজ্ঞবল্ক স্মৃতিৰ কথা এফাকি এনে প্ৰসংগতে মন কৰকচোন—

জন্মেন জায়তে শূদ্ৰাঃ
সংস্কাৰেণ দ্বিজ।

আৰম্ভণিক পূৰ্ব জন্ম ধৰিলে আৰু শেষ পৰ্যায় বৰ্তমান জন্ম ধৰিলে অগ্ৰগতিৰ দিশত সফলতাৰে কৰ্ম সমাপন কৰা সংস্কাৰৰ ধাৰণাটো স্পষ্ট হৈ পৰে। ইয়াত আত্মা, মন, বুদ্ধি, বিবেক আৰম্ভণিত

স্থূল দেহত ভাবিলে আৰু মিল হৈ (Assimilate) একে ঠাঁচত (Mould) ল'লে এটা পূৰ্বজন্ম, শেষত বৰ্তমান জন্ম ধৰিব পাৰি। ইয়াত সংস্কাৰৰ দিশত আত্মোত্থান হৈ সকলোখিনি গুণৰাজি একে হয়। লগতে Brahman আৰু Atman ৰ একত্র স্বৰূপ ওলাই পৰে; লগতে আকৌ কৰ্মকৰণৰ ঐকান্তিকতাত মনৰ প্ৰভাৱ সম্পৰ্কে কৃষ্ণ ভক্তিৰ প্ৰয়োজনো ধৰা পৰি যায়। মনৰ এনে প্ৰয়োজনীয় প্ৰভাৱ ৰজা পৰীক্ষিতক অৱগত কৰাৰ পৰিপ্ৰেক্ষিতত শ্ৰীমদ্ভাগৱতত কৈছে—

পৰম নিৰ্মল হৈৱে কৃষ্ণত ভকতি।
কৈলো পৰমাৰ্থ তত্ত্ব তোমাত নৃপতি।।
যাহাৰ কৃষ্ণত ভৈল ভকতি অচল।
তাহাৰেহে গুচিল মনৰ মহামল।।
হৃদয় দেখিবে সিটো ঈশ্বৰ মূৰ্তিক।

চৌধুৰী ঃ হেৰি, আমি প্ৰকৃততে সমাজ শাস্ত্ৰহে বিচাৰ-বিবেচনা কৰি আছোঁ। ইয়াত বিজ্ঞানৰ অন্বেষণে গছ, বন, জাৱৰ চিকুনাই জীৱন ভ্ৰমণৰ একাবেকা বাট পোনাই দি আছে, লগতে বুজিব পাৰিছোঁ এতিয়া যে ধৰ্ম আৰু বিজ্ঞান বিপৰীত নহয়। They are one and the same. Both aim at end are based on the pursuit of truth for welfare of mankind. Science deals with truth and Dharma reveals truth about human life and its inner problems. In short Science stresses on the need of material world, while Dharma deals with spiritual world. Both joined at the truth to enlightenment.

বৰুৱা ঃ নকওঁ বুলি ভাবে, অৱশেষত সিদ্ধান্ত আপুনিয়েই দেখোন কৰে. চাওক, এই বাটেৰে যাওতে দুটা মনৰ ধাৰণাই ক্ৰিয়া কৰে মানুহক। এটা হ'ল আত্ম প্ৰেম আৰু আনটো সমবোধ। এয়াই হিংসা, বিদ্বেষ আদি সকলো অসূয়া কামৰ পৰা মানুহক আঁতৰাই ৰাখে। এনে আত্মবোধতে আছে সমবোধৰ সন্ধান। এই সন্ধানে পৰম শক্তিৰ প্ৰতি আস্থা যোগায়। এই আস্থাই মানুহৰ অস্তিত্ব ৰক্ষাত যৎপৰোনাস্তি সহায় কৰে। অন্যথাই বিজ্ঞানৰ আশীৰ্বাদে অভিশাপ হৈ সনাপোটোকাহে কৰে আৰু বিজ্ঞানৰ সৎ উদ্দেশ্যত বিঘিনি ঘটায়। এনে পৰমাৰ্থিক তত্ত্বৰ

আস্থাই প্ৰতিষ্ঠা কৰে শৃংখল সমাজ। এনে সমাজৰ পৰা জিলিকি উঠে আকাশৰ ভোটা তৰা স্বৰূপ বিখ্যাত ব্যক্তি।

শৰ্মা : মানৱ প্ৰেম আৰু সমবোধৰ অভাৱতে আজিৰ সমাজত মহাত্মা গান্ধীৰ দৰে এক বিৰল চৰিত্ৰৰ মহান ব্যক্তিত্বৰ উজ্বল ছবিও ধূসৰ হ'বলৈ লৈছে। এনে মানৱ শ্ৰদ্ধা, প্ৰীতিৰ স্মৃতি ধৰি ৰাখিবলৈ এলাহ ওপজিছে; যাৰ জীৱন পৰিক্ৰমাৰ ঘটনা প্ৰৱাহত ভাৰতবৰ্ষৰ মানুহেই নহয়, পৃথিৱীৰ মানুহেও স্তম্ভিত হৈ পৰিছে। দেখাত মানুহ যদিও মানৱীয় চিন্তা স্বৰূপ সৎ, সমতা আৰু আত্মবোধ সূক্ষ্ম দেহেৰে অধিষ্ঠিতকৈ ৰাখিছে আৰু পাৰ্থিৱ চিন্তা সুখৰ ঊৰ্দ্ধত স্থাপিত কৰিছে। ই সম্ভৱ হৈছে আত্মা-পৰমাত্মাৰ শক্তিশালী নিবিড় যোগসূত্ৰৰ কাৰণে। কৃষ্ণগীতাত কৈছে—

পৰমাত্মা আত্মভাৱে থাকয় সংহতি।।

বৰুৱা : জীৱ সংহতিৰ সন্দৰ্ভত উল্লেখ কৰি আহিছোঁ আগতে; পাৰ্থিৱ লোভে ক্ষমতা সাপেক্ষে অসূয়া, দুৰ্নীতি, হিংসা, বিদ্বেষ আদিয়ে কু-কৰ্মত প্ৰবৃত্ত কৰে, যাৰ বাবে স্ব-ভূমি অধিকাৰৰ পৰাও পাণ্ডৱক বঞ্চিত কৰাৰ কাৰণে ষড়যন্ত্ৰ কৰিছিল কৌৰৱসকলে। আনকি দুৰ্যোধন-শকুনি, মামা-ভাগিনৰ নিবিড় সম্পৰ্কৰ প্ৰৱাহো ধূসৰ হৈ পৰিছিল। এশ প্ৰাণী নিধন হৈছিল শকুনিৰ পিতৃ-ভাতৃকে ধৰি। মানৱীয় ন্যায়-নীতি, সমতা, প্ৰাণৰ মমতা আৰু আনকি তেজ-মঙহৰ বংশ সম্পৰ্কও লোভৰ পৰা বিৰত হৈ থাকিব নোৱাৰিলে, যিটো আজি হৈ আছে।

সেয়েহে, এনে অন্যায়, অসূয়া শক্তিকে নিৰ্মূল কৰি সমাজত ন্যায়-নীতি, সমতা-সমবোধ ভাব প্ৰতিষ্ঠা কৰাই আছিল মহাভাৰত ৰচনাৰ হয়তো মূল লক্ষ্য। তাত কৃষ্ণ আছিল পৰম পুৰুষ, পূৰ্ণ অৱতাৰী ব্যক্তি। এনে কৃষ্ণ পৰমাৰ্থিক তত্ত্বই চিকুণাই দিয়া মানৱতাৰ বাটত আকৌ জাৱৰ-জোঁথৰ পেলাবলৈ লৈছে লোভে। এচামে, এনে সৎ, সমতা, মানৱীয় ন্যায়-নীতি তত্ত্ব উপনিষদৰ যুগৰ পৰা চলি অহা সত্ত্বেও, আজি আধুনিক যুগত বিশ্বাস কৰিবলৈ টান পোৱা হৈছে। কিন্তু এই তত্ত্বই প্ৰকৃতিৰ বাস্তৱ তত্ত্বৰ দৰে ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ সত্য তত্ত্বৰ গা এৰা দিয়া নাই। এজনে এন্ধাৰত নেদেখাকৈ হিংসাৰ দাবানল

জ্বলালে, সেই আন একে এন্ধাৰতে হিংসাৰ দাবানলে প্ৰতিশোধ ল'লে। শকুনিৰ এশৰ মৃত্যুৱে কৌৰৱৰ এজনত বাদে এশৰ প্ৰতিশোধত সমীকৰণ তত্ত্ব বজাই ৰাখিলে মহাভাৰতত। ইংৰাজী সাহিত্যত শ্বেক্সপীয়েৰে 'জুলিয়াছ ছিজাৰ' নাটকৰ কাহিনীত দেখুৱাইছে যে— জুলিয়াছ ছিজাৰৰ হত্যাত ব্ৰুটাছকে ধৰি যিসকলে ভাগ ল'লে সেইসকলে শেষত এণ্টনিওৰ কূট-কৌশলৰ কবলত নিজে নিজে মৃত্যুৰ বাবে গা এৰা দিবলৈ বাধ্য হৈ পৰিলে।

কৃষ্ণ পৰমাৰ্থ তত্ত্বক পাতলাই দিয়াৰ দৰে মহাত্মা গান্ধীৰ কথাও এদিন আগন্তুক প্ৰজন্মই সময় সোঁতত পাহৰি যাব। ভাৰতৰ স্বাধীনতা আন্দোলনৰ ধাৰাবাহিক ঘটনা প্ৰৱাহত গান্ধীৰ মহান আৰু বিৰল ব্যক্তিত্বক অৱমাননা কৰিবলৈ কুণ্ঠাবোধ নকৰিব হয়তো। তেতিয়াও মহাত্মা মহান হৈয়ে ৰৈ যাব। কিন্তু এই সত্য নীতি তত্ত্বৰ অভাৱত মানুহে সমাজ শৃংখলৰ আঁত বিচাৰি নাপাব।

চৌধুৰী ঃ মই যেতিয়া নিজক বিচাৰি চাওঁ, দুখীয়াৰ মাজত বিচাৰি পাওঁ; হঠাতে বিচৰা চাৰ্টিফিকেটখন বা মুৰ ফণিয়াবলৈ বিচৰা ফণীখনৰ দৰে, ড্ৰেচিং টেবুল, ট্ৰাংক তথা বিশ্ব চলাথ কৰি নিৰাশ হৈ ৰৈ যোৱাৰ পিচত, খং কৰি যেতিয়া ওলাই গৈ আকৌ উভতি আহোঁ, দুখীয়াৰ ভগা পঁজাৰ ভিতৰত সৰু মানুহৰ বৰ বৰ চিন্তাৰ ভাল ভাল গাতলগা কথাবোৰৰ মাজত লুকাই থকা মনটোক হঠাতে বিচাৰি পাওঁ। এই চিৰ শাশ্বত সত্য হিয়াৰ প্ৰবাহটো থাকিলে অট্টালিকাই হওক বা ভগা পঁজাই হওক সকলোতে সুখ দেখিব।

শৰ্মা ঃ ঠিক ধৰিছে দে, ইয়াৰ অভাৱতে কাৰো ভগা পঁজাত পেটৰ ভাতৰ দুখ আৰু কাৰো অট্টালিকাত গৰম ভাতৰ ভেমৰ অসুখ।

বৰুৱা ঃ হেৰি, এই দুই দুখৰ নাই ক'তো সুখ; দেখা যায় এটাক মাৰি আন এটাই খালেও দুয়োৰে ৰৈ থাকে একেই অসুখ। একেই অভাৱে গৰকা জীৱন হৈ পৰে, দুখীয়াৰ ঘৰ ভগা অট্টালিকাৰ হাঁহি ভূঁইকঁপত মাৰ যায় একে হোৱাৰ দৰে। সমতাইহে সময়ে সময়ে বিজয়ৰ নিচান উৰায়। এনেকৈয়ে ডাঙৰো সৰু হয় আৰু সৰুৱেও মুৰ দাঙি সমতাকে প্ৰত্যক্ষ কৰে।

শৰ্মা : আচলতে কি জানে? এনে প্ৰসংগতে কওঁ, ধৃতৰাষ্ট্ৰ মানুহজন ডাঙৰ, জীউটো বৰ সৰু। দেহ-মনৰ গতিত মানৱতাই লগ দিব বিচাৰিলে আঁতৰি পলায়। আত্ম শক্তিও থৰক-বৰক, সাহসৰ শক্তিও নাই, ঈশ্বৰ (কৃষ্ণ) বিশ্বাসতো মন নবহে, এনে দুৰ্বলতা প্ৰকাশ পাইছে মহাভাৰতত—

নোবোলয় মোহোক কেহোৱে অধিকাৰী।

পাণ্ডুক লক্ষ্য কৰি কৈছে—

মিছাতেসে ৰাজা মই টানে অধিকাৰ।

চৌধুৰী : ধৃতৰাষ্ট্ৰৰ লোভ আৰু শাসনৰ বাঘজৰী হাতৰ পৰা পিছলি পৰাৰ ভয়ত পাহৰি গ'ল কৌৰৱ পুত্ৰ আৰু পাণ্ডু পুত্ৰৰ ভাই-ককাইৰ সমতাৰ সূত্ৰ। অপ্ৰকাশিত বংশৰ সংবিধানখনত যেন আধুনিক গণতন্ত্ৰৰ দৰে লোভ তন্ত্ৰইহে চুই গ'ল। এনে দুৰ্বলতাৰ সুযোগতে দুৰ্যোধনে পুত্ৰ স্নেহৰ বাটত, বীৰদৰ্পে খোজ দি বংশ মৰ্যাদাৰ বান্ধোনৰ সীমা চেৰাই অন্যায় আচৰণত নামি পৰাৰ ফলত মামা শকুনিৰ এশজনৰ প্ৰাণ হানি কৰিবলৈ কুণ্ঠাবোধ নকৰিলে।

বৰুৱা : সৎ সাহস আৰু ঈশ্বৰ ভক্তিৰ কথা বাদেই, মহাপাপকো তুচ্ছ জ্ঞান কৰি দৰ্প, দম্ভ, গৌৰৱৰ বৰকাঁহ বজাই শক্তিৰ স্বৰূপ প্ৰতিষ্ঠা কৰিবলৈ উদ্বাউল হৈ পৰে। চাওক, ধৃতৰাষ্ট্ৰই পিতৃ হিচাপে কৰণীয়খিনি প্ৰকৃতিৰ সৎ, সমতা, ন্যায়, মানৱীয় নীতিত কৰা হ'লে কৌৰৱ ধ্বংসৰ এন্ধাৰ বাটত পোহৰ পৰিলেহেঁতেন। পাৰ্থিৱ লোভ আৰু ক্ষমতাৰ আক্ৰোশত ধৃতৰাষ্ট্ৰৰ ক্ৰোধ, শকুনিৰ পিতৃ, ভাতৃ হত্যাৰ প্ৰতিশোধ— হৈ গ'ল দুৰ্যোধনৰ শক্তি, গৌৰৱৰ স্মৃতি সৌধ।

ভীষ্ম, বিদুৰ, পাণ্ডু আৰু ধৃতৰাষ্ট্ৰৰ আত্মাৰ সাদৃশ্যতা কমে বংশৰ এনাজৰীডালৰ একাত্মতাৰ বান্ধোন অতি দুৰ্বল। পাণ্ডুৰ ত্যাগ আৰু ধৃতৰাষ্ট্ৰৰ লোভ পৰিস্ফুট হৈ ৰ'ল বিসদৃশ আত্মাৰ স্থিতি হিচাপে। মহাভাৰতত কৈছে—

মোহৰ কাৰণে দাদা নাপাৱক বিষাদ।।

চৌধুৰী : পাণ্ডুৰ দৰে ভাতৃ পোৱাটো এক সৌভাগ্যৰ কাৰণ যদিও, এই সৌভাগ্য ধৰি ৰাখিব নোৱাৰাটো ধৃতৰাষ্ট্ৰৰ এক দুৰ্বলতা। সচৰাচৰ বাস্তৱ ক্ষেত্ৰত

দেখা যায় মাতৃ স্নেহত পুত্ৰ নষ্ট হয় কিন্তু ইয়াত পিতৃ স্নেহতহে ধ্বংসই পাতনি মেলিলে। সেয়েহে কৈছে—

ৰজাত গোচৰ দিলে নুশুনই কাণে।।

শৰ্মা ঃ আত্মা আৰু জীৱন সম্পৰ্কে আপোনালোকে বহুত কথাই আলোচনা কৰা বুলি বুজিলোঁ, এতিয়া অলপ বাস্তৱ পৃথিৱীখনলৈ আহকচোন।

চৌধুৰী ঃ আচলতে (বৰুৱালৈ লক্ষ্য কৰি) এখেতে যেনেকৈ অলৌকিক কথাবিলাক বাস্তৱ পৰ্যালোচনাৰে আগবঢ়াই লৈ যায় মই সঁচাকৈয়ে আপ্লুত হৈ পৰোঁ। লগতে হৃদয়ত জ্ঞান লিপ্সাৰ শলিতাগছি জ্বলি উঠে। আকৌ জীৱনটোক বিচাৰি গৈ থাকোঁতে হিয়াৰ বেদীত আত্মাৰ চাকিগছি জ্বলি উঠি পৰমাত্মাক পোহৰাই তোলা দেখা পাওঁ। এই আত্ম সন্ধানে মোক জীৱন সন্ধানৰ বাটটো মুকলি কৰি দিয়াত অনাবিল আনন্দ লাভ কৰোঁ।

বৰুৱা ঃ হেৰি, কি কয়হে, সংসাৰত জীৱন আৰু মৃত্যু সম্পৰ্কে যি কথা, যি কৰ্মবান্ধোন আছে সকলো আত্মাতে নিবন্ধ, আত্মা কিন্তু নহয় বন্ধ। জীৱনে পায়, জীৱনে খায়, জীৱনে হাঁহে-কান্দে, অভাৱত থলতে পায় পলকতে হেৰায়; ধনী বুলি গৌৰৱ কৰে, মৃত্যুৰ পিচত সতি-সন্ততি আকৌ অভাৱতে পৰে।

আত্মাৰ পাবলৈও নাই, হেৰাবলৈও নাই। কিন্তু ন্যায়-অন্যায়ৰ যুদ্ধত সৎ, সমতা, নীতিয়েহে সমাজ ধৰ্ম জিলিকায়। চাওক, সূৰ্যৰ তাপ আৰু পোহৰৰ সহায়ত গছৰ পাতত সৃষ্টি হোৱা সেউজীয়া কণাৰ দৰে, পত্ৰ ৰন্ধ্ৰৰ দ্বাৰা বায়ুৰ প্ৰৱেশ প্ৰক্ৰিয়াত শ্বেতসাৰ প্ৰস্তুত হয়। সূৰ্যৰ পোহৰৰ বাহিৰত থকা গছৰ পাত বা উদ্ভিদ ইয়াৰ অভাৱত বগা হয়, লেউসেউ হৈ বাঢ়ি আহে আৰু লাৰিলেই ভাগি পৰে, সেয়ে আত্মাই জীৱনৰ বস্তি। এই পোহৰ স্বৰূপ ভগবানৰ আশিস লাভ কৰিবলৈ হ'লে জীৱৰ প্ৰতি সমভাব লৈ উদাৰ হৃদয়েৰে সমাজৰ হিতৰ কামত মনোনিৱেশ কৰিব লাগিব। আত্মোত্থান হ'লেহে এনে ভাব মনত উপজে।

চৌধুৰী ঃ শুনক, এনে আনুষংগিক কথাৰ সন্দৰ্ভত মই এটা বাস্তৱ কথা কম।— মই আৰু মোৰ সহকৰ্মী এজনে বহু বছৰ একে বিভাগতে চাকৰি

কৰিছিলোঁ। অফিচৰ দুই-চাৰিজনে সমালোচনা কৰিছিল সহকৰ্মীজনৰ বিষয়ে। কোনোবাই কৃপণ, কোনোবাই গৰীৱ খেতিয়কৰ ল'ৰা আৰু আন কোনোবাই মনটো বৰ সৰু বুলি দেখাই-নেদেখাই, শুনাই-নুশুনাই তাচ্ছিল্যৰ ৰেখাডাল কলমৰ মুখলৈ টানি নিছিল। এইখিনি কৰিহে যেন পৰচৰ্চা প্ৰিয় মনক সকাহ দিছিল। এনে কথাৰ ভূ-ভা যেতিয়া ঘৈণীয়েকৰ কাণ চুইছিল বৰ দুখ পাইছিল।

কাৰণ, তেওঁৰ লগত বজাৰ-সমাৰ কৰিলে দেখে ইজনে যদি ৰৌ মাছ কিনিছে, তেওঁ পুঠি মাছ লৈছে। ইজনে যদি কবি, বীট, গাজৰ আদি জাতীয় বস্তু লৈছে, তেওঁ অমিতা, ভতুৱা শাক, খুতুৰা শাক, ঔ টেঙা আদি জাতীয় শাক-পাচলি কিনিছে।

মানুহজন তাৰ পৰা বদলি হ'ল। পিচত খবৰ পালোঁ অৱসৰো পাইছে। তেওঁৰ বিষয়ে জানিবলৈ বৰ কৌতূহল ওপজিল। হঠাতে সুবিধাও পাই গ'লোঁ। কোনো এক ঘৰুৱা কামৰ তাগিদাত তেওঁৰ ঘৰৰ সন্মুখেৰে যাওঁতে ভাবিলোঁ, মাত এষাৰ দি কথাখিনি জানি-বুজি লওঁ। পুৰণি বন্ধু তাতে আকৌ অফিচত লাগিভাগি কাম কৰিছিলোঁ। অনুমান কৰি তেওঁৰ ঘৰৰ ওচৰ পোৱাত এজন মানুহৰ টিনৰ ঘৰ এটিলৈ আঙুলিয়াই সুধিলোঁ। মানুহজনে আৰ চি চি টাইপৰ সুন্দৰ অট্টালিকা এটিলৈ আঙুলিয়াই দি জনালে, 'ল'ৰাজন ইঞ্জিনীয়াৰ আৰু ছোৱালীজনী যে ডাক্তৰ'! মনতে উচপ খাই উঠিলোঁ যদিও সিমান নাজানোঁ বুলি জনালো। তেওঁ আকৌ ক'লে, 'অ' এজন ল'ৰা হাকিমো, ছোৱালীজনী বিয়া দিছে, যেনে ল'ৰা-ছোৱালী তেনে গুণী-জ্ঞানী জোঁৱাইও পাইছে। মনতে ভাল পালোঁ যদিও সেই কৌতূহলটো সেমেকি গ'ল। লগতে ভাবিলোঁ উপযাচি এনে সম্পূৰ্ণ খবৰ অৱগত কৰা মানুহ আছে। আজিকালিৰ ঘোচখোৰৰ দিনত এই ল'ৰা-ছোৱালীৰ সদ্‌নামহে দেখোন শুনিলোঁ। 'ভালৰ সকলো ভাল', বুলি কৈ মানুহজন এখোজ-দুখোজ কৰি আঁতৰি গ'ল।

মই মনতে হতভম্ব হলোঁ, কি পৰিৱেশ প্ৰত্যক্ষ কৰাৰ ধাৰণা আছিল? কি দেখিলোঁ, কি শুনিলোঁ। লগৰ দুই-এজনে এনে ঘৰ-দুৱাৰ সাজিছে, গাড়ীও কৰিছে কিন্তু এনে সফল মানৱ হ'ব পৰা নাই।

গীতাত ভগৱান কৃষ্ণক পোৱাৰ দুটা মাৰ্গৰ কথা মনত পৰিল। সেই যে সাংখ্য যোগ আৰু কৰ্মযোগ। সাংখ্য যোগৰ সাধনৰ সন্দৰ্ভত কৈছে যে— মায়াৰ কাৰ্যৰূপ সমস্ত গুণবিলাক গুণতেই আৱৰ্তিত হৈ থাকে।

ভাবি ভাবি গৈ থাকোঁতে তেওঁ মোক খিৰিকীৰে দেখি ওলাই আহিল। আথে-বেথে মোক ভিতৰলৈ লৈ গ'ল, ড্ৰইংৰুমত বহিবলৈ দি ভিতৰ সোমাল। অলপ পিচতে পুত্ৰ-বোৱাৰীৰ স'তে ওলাই আহি ক'লে যে— মই তেওঁৰ পুৰণি বন্ধু। মোক দুয়ো নমস্কাৰ জনালে আৰু 'খুৰা বহক' বুলি কৈ দুয়ো ভিতৰ সোমাল। বন্ধুৱে মোৰ লগতে বহি খা-খবৰ সুধিলে। অলপ পিচতে আকৌ চাহ-মিঠাই আনি দুয়োকো সমানে দিলে আৰু লগতে ক'লে, 'চাওকচোন খুৰাদেউ আজিকালি পিতাই একো খাব নোৱাৰা হ'ল।' তেওঁ এটা বুকুভৰা হাঁহি মাৰি মোৰ ফালে চাই সিহঁতক ক'লে, 'তহঁতে যে মানুহ হ'ব পাৰিছ তাতেই মোৰ আনন্দ; অকল শিক্ষাৰ কথাই কোৱা নাই; প্ৰকৃত মানুহৰ বাটত যে খোজ দি যাব পাৰিছ সেইটোহে মোৰ জীৱনৰ সুখ-শান্তি, মোক আৰু লাগিছে কি?' মোক আঙুলিয়াই দি ক'লে, 'ইহঁতক দেখিলে মই নিজকে পাহৰি যাওঁ, মোৰ বাটটো যে সিহঁতে অনুসৰণ কৰিছে, সেইটোৱেই মোৰ সফলতা। মোৰ শ্ৰীমতীক বহুত ধন্যবাদ। তেওঁৰ অন্তৰভৰা সহযোগ নহ'লে মোৰ কাৰণে অকলে এয়া সম্ভৱ হৈ নুঠিলহেঁতেন।'

একে গতিৰে আকৌ ক'লে, 'দুই-চাৰিজনে কেতিয়াবা দহ-বিচ টকা চাহ-পানীৰ নামত দিব বিচাৰিছিল,মই কৈছিলোঁ, 'কিয় দিব লাগে, মই দৰ্মহা পাওঁ নহয়, মোকনো কিয় ধৰুৱা কৰে? কামখিনি কৰাটো মোৰ কৰ্তব্য, যি দা-দৰ্মহা পাওঁ, সৰু মাছ-পুঠি, শাক-শুকুতা হৈ যায় সকলো। আৰুনো কি? খোৱাৰ কাৰণেটো জনম ধৰা নাই। চাওক, ঈশ্বৰৰ ইচ্ছাত সেইসকলৰ আশীৰ্বাদত মোৰ পৰিকল্পনাই গতি লৈছিল সূক্ষ্মভাৱে মই লক্ষ্য কৰিছিলোঁ, গোটেই মুখ মণ্ডলত এটা মুক্ত হাঁহি বিৰিঙি উঠিছিল। মোৰ মুখেৰে নভবাকৈয়ে সৰি পৰিল, 'আপোনালোক সংস্কাৰী আৰু গুণী পুৰুষ।'

বৰুৱা : এয়া সৎ চিন্তা, সৎ কৰ্মৰ চিৰপ্ৰবাহমান গতিয়ে সনাতন ধৰ্মৰ নীতি।

ইয়াতেই বিৰাজ কৰে আত্মোত্থান আৰু মানৱ প্ৰীতি। সততাই হিয়াক আনে আদৰি, য'ত শত্ৰুজনেও যাব নোৱাৰে আঁতৰি. নিজৰ হিয়াৰ প্ৰতিবিম্বও যেন কৰ্মৰ দ্বাৰা দিয়ে সদৰী কৰি। লহপহকৈ বাঢ়ি আহে মানৱতাৰ শিপা মেলি। ফলে-ফুলে হিয়াৰ গছ হৈ উঠে জাতস্কাৰ, চৌপাশে মন কৰে সকলোৰে পৰিষ্কাৰ। এনেদৰে চেনি মিঠা, তিতা নহয়। এনে প্ৰকৃতি সত্যই হিয়াৰ মাটি সাৰুৱা কৰে আৰু নদন-বদন শস্যৰে জীৱন পথাৰ ভৰি পৰে। আঘোণ মাহত যেন পথাৰৰ লখিমীৰ গলত সোণৰ হাৰ জিলিকি পৰে।

শৰ্মা ঃ 'এয়াই সত্যম্ শিৱম্ সুন্দৰম্'। Truth is beauty. A thing of beauty is joy forever (John Keats). It is ever truth, ever green Hindu religion. It is ever happy. সত্যটো ধৰি ৰখা কাৰণেই ধৰ্মই গতি লৈ আছে। এই সত্য নীতি যিদিনাই যাব সম্পূৰ্ণ আঁতৰি সেইদিনাই মানুহে মানুহক দিব নিঃশেষ কৰি। শ্ৰীকৃষ্ণই অৰ্জুনক কৈছে নহয় (শ্ৰীমদ্ভাগৱত গীতা) 'মোতকৈ শ্ৰেষ্ঠ পৰমাৰ্থ তত্ত্ব আন একো নাই। সূতাত গঁঠা মণিবোৰৰ নিচিনা মোতেই (মহাজাগতিক একক শক্তি) সমস্ত জগৎ এক হৈ (বিশ্বব্ৰহ্মাণ্ড) গঁঠা আছে। লগতে এইটোও, কৈছে যে ক্ষিতি, অপ, তেজ, মৰুৎ আৰু বোম (আকাশ)— মন, বুদ্ধি আৰু অহংকাৰ এই আঠ ভাগত মোৰ প্ৰবৃত্তি বিভক্ত। এই আঠটাই মোৰ প্ৰকাৰ। এই আঠটা প্ৰকাৰে এক ঠাঁচত গঢ়া হৈছে আৰু ধ্বংসটো এটা এটাকৈ দৃশ্যমানসমূহ সুলকি পৰে, সূক্ষ্মটো আঁতৰি যোৱাৰ লগে লগে।

চাওক, প্ৰকৃতি আশ্ৰিত জীৱ সত্বাসমূহ কেনে সুন্দৰভাৱে প্ৰতিভাত হৈ উঠিছে শ্ৰীমদ্ভাগৱত গীতাত। মানুহ জীৱৰ ভিতৰত শ্ৰেষ্ঠ, চেতনা শক্তি সম্পন্ন মগজুৰ বাবে। কিন্তু সুস্থিৰ চিত্তইহে মানুহ গঢ়ে, মানুহক অৰিহণা যোগাব পৰাকৈ। এইসকলৰ অভিমান নাই আৰু মানুহক সমাদৰ কৰে। এনে পৰিপ্ৰেক্ষিততে শ্ৰীমদ্ভাগৱত গীতাত কৈছে, যিসকলৰ অভিমান আৰু মোহ নাই, যিসকলে সংসাৰৰ আসক্তি জয় কৰিছে আৰু আত্মা তত্ত্বত নিষ্ঠাবান হৈ আছে, যিসকলৰ কামনা নিবৃত্তি হৈছে, যিসকল সুখ-দুখৰ পৰা মুক্ত, তেনেকুৱা বিবেকী পুৰুষসকলে অব্যয় পদ লাভ কৰে।

তেওঁ (ভগবান কৃষ্ণ) আৰু কৈছে যে তেওঁৰ সনাতন অংশই (পৰমাত্মা অংশ) জীৱ হৈ প্ৰকৃতিত অৱস্থিত হয় আৰু মনৰ সৈতে পঞ্চ ইন্দ্ৰিয়ক সংসাৰলৈ অৰ্থাৎ কৰ্ম ভূমিলৈ আকৰ্ষণ কৰে। শ্ৰীমদ্ভাগৱত গীতাত কৈছে—

মমৈবাংশো জীৱলোকে জীৱভূতঃ সনাতনঃ।
মনঃ ষষ্ঠানীন্দ্ৰিয়ানি প্ৰকৃতিস্থানি কৰ্ষতি।।

আৰু কৈছে—

ব্ৰহ্ম ভূতঃ প্ৰসন্নাত্মা ন শোচতি ন কাংক্ষতি।
সমঃ সৰ্বেষু ভূতেষু মদ্ভক্তিং লভতে পৰাম্।।

অৰ্থাৎ— ব্ৰহ্মভাব প্ৰাপ্ত হ'লে প্ৰসন্ন চিত্ত হয় আৰু শোক নকৰে আৰু আকাংক্ষও নকৰে। সকলো প্ৰাণীতে সমদৰ্শী হৈ তেওঁ মোৰ (কৃষ্ণ) পৰা ভক্তি লাভ কৰে।

চৌধুৰী ঃ তাৰমানে এয়া ত্ৰিতত্ত্ব?

শৰ্মা ঃ ত্ৰিতত্ত্ব মানে?

বৰুৱা ঃ এয়া ব্ৰহ্মতত্ত্ব বা পৰমাৰ্থ তত্ত্ব, আত্মা বা জীৱাত্মা তত্ত্ব আৰু মনস্তত্ত্ব। অৰ্থাৎ আত্মা, মন, ইন্দ্ৰিয় সাপেক্ষে পৰমাত্মাৰ এক অবিচ্ছিন্ন দেহ বান্ধোন তত্ত্ব।

চৌধুৰী ঃ তাৰমানে ক'ব বিচাৰিছে যে ব্ৰহ্মাত্ম কেন্দ্ৰীয় বৃত্তৰ দেহ আত্মা, মন আৰু ইন্দ্ৰিয় পৰিধি আৰু সৌৰ কৃষ্ণপদাৰ্থ কণাৰ (Dark matter). বিচ্ছুৰিত পোহৰ স্বৰূপ এই পৰম জ্যোতিয়ে মানৱ হৃদয় উদ্দীপ্ত কৰে।

বৰুৱা ঃ সাধাৰণ বিজ্ঞানত পাইছে আৰু ভাবিলেই বুজিব পাৰিব যে জীৱৰ প্ৰথম কোষকেন্দ্ৰত থকা পৰমাণু কোষৰ নিউক্লিয়াচ হ'ল নিউট্ৰন আৰু প্ৰট'নেৰে গঠিত পৰমাণুগৰ্ভ, ইয়াৰে নিউট্ৰন আত্মাস্বৰূপ আৰু প্ৰট'ন মন স্বৰূপ আৰু ইলেক্ট্ৰন স্বৰূপ পঞ্চেন্দ্ৰিয় ঘূৰি ফুৰে। দেহেন্দ্ৰিয়ৰ লোভত সংযোগী মন ঘূৰে আৰু আত্মাক ক্ৰিয়া কৰে। বিবেকৰ বিচাৰ মৰ্মে আত্মাই স্থিতি লয়। মন স্থিৰ হ'লে ইন্দ্ৰিয় নিয়ন্ত্ৰিত হয় আৰু আত্মা স্থিৰ হ'লে মনেন্দ্ৰিয়ই বিচলিত কৰিব নোৱাৰা হয়। ঋণাত্মক আধান ইলেক্ট্ৰনে (পঞ্চেন্দ্ৰিয়) ধনাত্মক আধান প্ৰট'নৰ লগত মিলি শক্তি ক্ষয় কৰি থাকে।

চৌধুৰী ঃ অৰ্থাৎ কোষকেন্দ্ৰৰ পৰম ব্ৰহ্মাত্মাৰ সংযোগী আত্মাক কেন্দ্ৰ কৰি জীৱসমূহ মন ইন্দ্ৰিয়সহ পৰিধিত ঘূৰি ফুৰে। এনে সন্দৰ্ভত সংস্কাৰীজনে ভাবে যে তেওঁৰ মনটো লগত থাকিলে, তেওঁক আৰু আন একো নালাগে, জীৱন যুঁজত জয়ী হ'বই।

শৰ্মা ঃ চিন্তাৰ বিজুতি হ'ব পাৰে, বেয়া নাপাব, এটা কথা কওঁ। গীতাত যে কৈছে— মৃত্যুৰ লগে লগে আত্মা ওলাই যায় আৰু পাপ-পুণ্য, সুখ-দুখ একোতে ভাগ নলয়; তাৰমানে আত্মাৰ নিজাকৈ চেতন শক্তি (Sense Power) নাই? মনেন্দ্ৰিয় সাপেক্ষে তেজ-মঙহৰ ক্ৰিয়াতহে সজীৱ হয়। গতিকে যাওতে কেনেকৈ কি লগত লৈ যায় আৰু আহোঁতে কেনেকৈ কি লৈ মাতৃ গৰ্ভত প্ৰৱেশ কৰে বুলি ধাৰণা কৰিব পাৰে।

বৰুৱা ঃ আমি এই বিষয়ে আলোচনা হৈছোঁ, কিন্তু আপুনি এটা নতুন ধাৰণাৰ সম্ভেদ দিলে এই চেতন শক্তিৰ জৰিয়তে। চাওক, চেতন শক্তিৰ উৎস প্ৰাণ, এই প্ৰাণৰ জন্ম হয় তেজ-মঙহৰ সংস্পৰ্শত আৰু আত্মা, বায়ুৰ সৌজন্যত। আত্মাৰ লগত মন জড়িত আৰু মনৰ লগত সহচৰ হিচাপে ওতপ্ৰোতভাৱে বাস্তৱ পৃথিৱী সাপেক্ষে পঞ্চেন্দ্ৰিয় জড়িত। এই ইন্দ্ৰিয়ৰ সহায়ত তেজ-মঙহৰ জৰিয়তে প্ৰাণটোৱে বিভিন্ন অনুভূতি লাভ কৰে। ইন্ধনত অগ্নি সংযোগ মৰ্মে জুই জ্বলি উঠাৰ এই ক্ৰিয়া। এই ক্ৰিয়া বায়ুৰ সহায়তহে সংঘটিত হয়। যেনে— অক্সিজেন। ই জুইৰ দৰে দেহত প্ৰাণটো ধৰি ৰাখে। কথাটো কি জানে, তেজ-মঙহৰ সংস্পৰ্শত আত্মা বায়ুৰ সংযোগত যি প্ৰাণৰ জন্ম হয় সেই প্ৰাণে তেজ-মঙহৰ লিপ্সা আৰু আত্মাৰ লগত অহা মনেন্দ্ৰিয়ৰ লিপ্সাৰ স্মৃতিয়ে লগলাগি ক্ৰিয়া কৰে বুলি মই ভাবোঁ। মৰুভূমিৰ বালিৰ পানী লিপ্সাৰ দৰে এই লিপ্সা। এনে দৃষ্টিভংগী লৈয়ে জীৱনে বাটবুলে সংসাৰত, জীৱন ভোগ কৰে, লাস-বিলাসত আনন্দ অনুভৱ কৰে। এই সকলো কাৰ্যতে আত্মা ভ্ৰান্ত হৈ থাকি বিবেকৰ সহায়ত মনেন্দ্ৰিয়ৰ দ্বাৰা জীৱক পৰিচালিত কৰে।

চৌধুৰী ঃ অ' এনে সন্দৰ্ভতে মনত খেলায় লোভ কেনেকৈ প্ৰত্যক্ষ মৃত্যুৰ কাৰণ হ'ব পাৰে আৰু তাৰ এটা বাস্তৱ উদাহৰণ দাঙি ধৰিব বিচাৰোঁ— চাওক, দুটা সন্তানৰ মাতৃ এগৰাকীয়ে শাওণ মাহৰ ভৰ দুপৰীয়া অত্যুষ্ণত তেতেলী টেঙাৰ চৰৱত এটা ডাঙৰ ঝাৰিত তৈয়াৰ কৰি

মনৰ ৰুচি তথা হেঁপাহ পলুৱাই পি খালে। লোভেই পাপ (অক্রিয় কর্ম), পাপেই (অক্রিয় কর্মৰ বাবে) মৃত্যু ঘটায়। এইটোৱে প্রমাণ হয়। সংস্কাৰী শুদ্ধ আত্মা হোৱা হ'লে লোভে পীড়া কৰিব নোৱাৰিলেহেঁতেন। কর্মৰ শুদ্ধ-অশুদ্ধ বিচাৰ হ'লহেঁতেন।

শর্মা : এনে লোভৰ দাস হৈ মৃত্যুবৰণ কৰা কথা এটা মোৰ মনত পৰিছে। শুনক, এক বাৰিষাৰ ৰাতি, দবলপিটা বৰষুণ। এমাহৰ পৰা কম-বেছি বৰষুণ পৰি আছে। পাহাৰৰ মাটিৰ বান্ধ ঢিলা হৈ পৰিছে। চাৰিমান বজাত পাহাৰৰ নামনিৰ মানুহ এঘৰৰ ঘৰ ভাগি মানুহ মৰি ঠাইখনত হাঁহাকাৰ লাগিল। এজনক উদ্ধাৰ কৰিব চাওতে ওপৰৰ চাদখন ঢলি পৰো পৰো অৱস্থা; ভয় খাই মানুহখিনি ওলাই আহিল। এনেতে এজন ডেকা ল'ৰাই, চকুত টকাৰ বাকচ ধৰা পৰাত, লোভতে ছোঁ মাৰি লুকাই আনিব চাওতে চাদখন তাৰ ওপৰত পৰি গ'ল। লোভৰ বাকচটোৱে তাৰ কাল হ'ল।

বৰুৱা : চাওক, এনে কথাই কৈ আছোঁ। ফুল ফুলিলে গোন্ধ ওলায় আৰু তাত ভোমোৰা পৰে আৰু ৰস চুহি খায়; লগতে ফুলৰ পুং কেশৰ আৰু স্ত্রী কেশৰৰ সংযোগ ঘটায়। তেনেকৈ আকৌ দুর্গন্ধৰ বস্তুত বা ঠাইত মাখি পৰে। এই গোন্ধ বায়ুৱে কঢ়িয়াই ওপচাই দিলে; নিজা ৰুচি অনুসাৰে নিজৰ নিজৰ ঠাই বাচিও ল'লে উভয়ে। যাৰে প্রাণটো যি ধৰণে আহে সেই অনুসাৰে ৰুচিৰ সৃষ্টি হয়। বায়ুৱে গোন্ধ কঢ়িয়াই নিলে ফুলৰ ৰেণু নিয়াৰ দৰে। কিন্তু আত্মাৰ দৰে বায়ুৰ নিজাকৈ একো নাই, মাত্র দুর্গন্ধি বায়ু (দুষ্টাত্মা) আৰু সুগন্ধি বায়ু শুদ্ধ আত্মা। প্রকৃততে বায়ু তত্ত্বই আত্মা কণা তত্ত্ব। তেনেদৰে এজন মানুহে কথা ক'লে আনজন মানুহে বায়ুৰ মাধ্যমতে শুনে।

শর্মা : অ' হয়, বায়ুৰ ঢৌ শব্দ তৰংগৰ মর্মে কাণৰ পর্দাত খুন্দা মাৰে, ফলত শব্দ ধ্বনিৰ যি তৰংগ বায়ুত পৰে সেই মর্মে আনজনে শুনে। বায়ু আৰু আত্মাৰ দৰে বাহকহে। এয়া যেন ৰিণিকি ৰিণিকি ভাহি অহা পক্ষীৰ কাকলি— পৰমাত্মাৰ পৰা জীৱাত্মা আৰু জীৱাত্মাৰ পৰা পৰমাত্মা।

বৰুৱা : দুয়োজন মানুহৰ মাজত এজনৰ মুখৰ ধ্বনি অনুসাৰে বায়ুৰ তৰংগই ক্রমানুসাৰে গৈ আনজনৰ কাণৰ পর্দাত অন্ত হোৱাৰ দৰে পৰম ব্রহ্ম

পৰমাত্মাৰ পৰম বায়ু তৰংগ জীৱাত্মাৰ কৰ্ণগোচৰ হয়। ইয়াৰ ক্রিয়া ভোমোৰা আৰু মাখিৰ দৰে হয়। চাওক, বিশ্বব্রহ্মাণ্ডখন প্রকৃতি সাপেক্ষে সূৰ্য, চন্দ্ৰ আদি কৰি গ্ৰহ, তৰাসমূহ, বায়ু, পানী, মাটি, খনিজ পদাৰ্থ, ধাতব মৌলসমূহ, নানা আৱৰ্জনা, চাৰিমুঠি জীৱ, বীজ আদিৰ চৰণীয়া পথাৰ। ইয়াতে শেলাই উদ্ভিদৰ জন্মৰ দৰে কিছুমান জন্মে পুং কেশৰ আৰু স্ত্ৰী কেশৰৰ সংযোগ সাপেক্ষে; পুলিংগ আৰু স্ত্ৰীলিংগৰ সংযোগ সাপেক্ষে আন প্ৰাণীৰ জন্ম হয়। লগতে মৃত্যুও ইয়াতে হয়। প্ৰকৃতিৰ এয়া চিৰন্তন গতি আৰু ৰীতি। ধ্বনি-উচ্চাৰণ আৰু শ্ৰৱণৰ পৰিসীমাৰ বা অঞ্চলৰ দৰে আত্মাবোধৰ উদয় য'ত হয় ব্ৰহ্মাবোধৰ জন্মও তাতেই হয়।

চৌধুৰী ঃ সেই কাৰণেই কয়, আত্মীয়তা গঢ়িব পাৰিলে পৃথিৱীখনেই আপোন হৈ পৰে, নোৱাৰিলে স্বামী-স্ত্ৰীৰ সূক্ষ্ম বান্ধোন পৰ্যন্ত অলাগতিয়াল হয়। এয়ে নিস্বাৰ্থ প্ৰেম, য'ত এই বান্ধোন সুদৃঢ় হয়, কাৰো ওচৰত কোনো দায়বদ্ধ নহয় অথচ নিজে নিজে বান্ধ খাই যায়। এই নিস্বাৰ্থ প্ৰেমতে ত্যাগ থাকে, অৰ্থাৎ ইজনে সিজনৰ বাবে আত্মোৎস্বৰ্গ কৰে।

প্ৰকৃততে ত্যাগ হ'ল আনৰ হিতৰ বাবে কৰা কৰ্মৰ বলিবিধান বা আত্মত্যাগ (Self sacrifice) যেনে বিনা পাৰিশ্ৰমিকে মানুহজনক কামটো কৰি দিলো। দধিচী ঋষি আৰু পিচত গৈ গৌতম বুদ্ধ আছিল ইয়াৰ মূৰ্ত প্ৰতীক। মহাত্মা গান্ধীয়েও এই ত্যাগৰ প্ৰতীকৰ শাৰীতে লানি হৈ ৰৈ গ'ল এক আদৰ্শ হিচাপে এনে কৰ্মৰ মাজেদি। ত্যাগৰ এনে দুঃসাহসিক পাৰ্থিৱ ক্ৰিয়াই সোণৰ দৰে জীৱাত্মাত সুৱগা চৰায়। ইয়াৰ কাৰণ সংসাৰৰ সুখ-সম্ভোগ, লাস-বিলাস আত্মোৎস্বৰ্গ কৰা সৰ্বসাধাৰণ মানুহৰ বাবে অসম্ভৱ।

বৰুৱা ঃ হেৰি, মানুহে জীৱন ভোগো সম্পূৰ্ণ কৰিব খোজে আৰু স্বৰ্গ প্ৰাপ্তিৰ আশাও এৰিব নোখোজে। দুয়োটা এটাৰ পিচত এটাকৈ পোৱাৰ কামনা কৰে। কিন্তু দুয়োটা বিপৰীত পন্থা; ভোগতকৈ ত্যাগৰ সুখেহে মানুহক অমৰত্ব প্ৰদান কৰে। জীৱনৰ উচ্চতম ৰুচি হ'ল আনন্দ ভোগ কৰা আৰু আত্মিক স্বাধীনতা লাভ কৰা। ই হ'ল আকৌ মানৱীয় তেজ-

মণ্ডহৰে ইন্দ্রিয় লিপ্সা সূচক প্রবৃত্তি।

এই লিপ্সাতে সজীৱ হৈ থাকে মানুহৰ মহানুভৱতা। এয়াই হ'ল প্রতিজন মানুহকে পৰমাত্মাৰ অংশ স্বৰূপ নাৰায়ণ জ্ঞান কৰা মানুহৰ এক মানৱীয় কৰ্তব্য। ইয়াতেই বিৰাজ কৰে শৰীৰ, মন আৰু আত্মাৰ ধৰ্ম, অৰ্থাৎ প্রকৃত মানৱীয় কৰ্তব্য। এনে পৰিপ্রেক্ষিততে বুজিব যে হাতেৰে বা দেহাৰে, মনেৰে আৰু কথাৰে যিবিলাক কাৰ্য কৰে সকলো কৰ্মৰে অধীন। কৰ্ম নকৰাকৈ মানুহ থাকিব নোৱাৰে। প্রকৃতিৰ গুণত সকলোৱে কৰ্ম কৰিবলৈ বাধ্যও। শ্রীমদ্ভাগৱতত কৈছে—

নহি কশ্চিৎ ক্ষণমপি জাতু তিষ্ঠত্য কৰ্ম কৃৎ।
কাৰ্যতে হ্যৱশঃ কৰ্ম সৰ্বঃ প্রকৃতি জৈৰ্গুনৈঃ।।

কৰ্মৰ প্রবৃত্তি আৰু কৰ্মৰ পৰা নিবৃত্তি লাভ কৰা, কৰ্তব্য কি অকৰ্তব্য কি, ভয় ক'ত অভয় ক'ত, কিহত বন্ধ আৰু কিহত মোক্ষ যি বুদ্ধিৰ দ্বাৰা জনা যায় সেইটোৱে যে সাত্ত্বিকী বুদ্ধি এই সম্পৰ্কে কৃষ্ণই অৰ্জুনক কৈছে, শ্রীমদ্ভাগৱত গীতাত—

প্রবৃত্তিঞ্চ নিবৃত্তিঞ্চ কাৰ্য্যাকাৰ্য্যে ভয়াভয়ে।
বন্ধঃ মোক্ষঞ্চ যা বেত্তি বুদ্ধিঃ সা পাৰ্থ সাত্ত্বিকী।।

এনে কৰ্ম সাপেক্ষে এজন ল'ৰাই নিজৰ জীৱন নেওচি বন্ধু এজনৰ উদ্ধাৰ কাৰ্যত দুঃসাহসিকতাৰে কৰ্ম কৰিও বন্ধুক বচাব নোৱাৰিলে। মৃত্যু ইমানেই ভয়ানক। ই লাগ দিয়ে ব্রহ্ম শক্তি সংযোগ স্বৰূপ আত্ম শক্তি হ্রাস হ'লে তাঁৰ চিণ্ডি বিজুলী বন্ধ হৈ কোঠা অন্ধকাৰ হোৱাৰ দৰে। কাহিনীটো শুনক— কৃষিজীৱী গাওঁ এখনৰ নিকটৱৰ্তী সৰু এটা নদী। এই নদীৰ সিপাৰে খেতি পথাৰ। দিনে নদীটো পাৰ হৈ খেতি পথাৰত আহ-যাহ কৰে। বাৰিষাকালত এদিন দুজন বন্ধুৱে দুপৰীয়া খেতি পথাৰৰ পৰা কাম কৰি ঘৰমুৱা হৈ নদীটো সাঁতুৰি পাৰ হওতে অতি দুৰ্বল হৈ সাঁতুৰিব নোৱাৰা হোৱাত এজনে আনজনক তাৰ নিজৰ ভৰিত ধৰি আহিবলৈ দিলে। সিয়ো নিশকটীয়া আৰু উপায়ন্তৰ হৈ পৰিল। শেষ প্রশ্বাসত সি নদীৰ পাৰ পোৱাত বন্ধুজনক ভৰিৰ পৰা হাত এৰি দি পাৰৰ কঁহুৱা বনত ধৰিব দিলে। বিধিৰ বিপাক জন্ম-মৃত্যুৱে মাৰে সময়তহে পাক। সি পিছলি নদীৰ কুৰত সোমাই গ'ল। গাঁৱৰ

মানুহ আহি তাৰ দেহৰ কোনো শুং-সূত্ৰ জাল মাৰিও উলিয়াব নোৱাৰিলে।

শৰ্মা ঃ আপোনাৰ বাস্তৱতাৰ ওপৰত প্ৰতিষ্ঠিত অভিজ্ঞতা আৰু অনুভৱেৰে কৰা মনৰ ধাৰণা শুনাৰ পিচত আৰু কিবাকিবি কৈ যোৱা বুলি ধাৰণা হয় আৰু জানিবৰ মন যায়। আপোনাৰ উপলব্ধিত নতুনত্বই আৰু ধাৰাবাহিকতাই লগলাগি একেৰাহে ক্ৰমানুগতি পদ্ধতিত গৈ থাকে। মোৰ প্ৰশ্নৰ উত্তৰটো আপুনি বগৰাইহে আছে।

বৰুৱা ঃ ৰ'ব, ক'বলৈ দিয়ক; বগৰাই থকা মানে কৈ আছোঁ।

চৌধুৰী ঃ কৰ্ম সাপেক্ষে মোৰ ধাৰণাটো আগে শুনি লওক। এই যে বৰ বৰ মানুহৰ সৰু সৰু জনাসাধাৰণ মানুহৰ ধৰ্ম, ভাষা আগ্ৰাসনৰ পৰিপ্ৰেক্ষিতত যি কৰ্ম কৰে সেয়া প্ৰকৃততে কৰ্ম নে? যেনে থলুৱা ভাষা, সাহিত্য-সংস্কৃতিৰ উন্নতিত মাধমাৰ মাৰে। কিন্তু থলুৱাৰ ভাষা, সাহিত্য, সংস্কৃতিৰ উন্নতি অবিহনে কোনো ঠাইৰ বহিৰাগতৰ উন্নতিয়ে উন্নতি নহয়, এয়া প্ৰকৃততে প্ৰৱঞ্চনাৰ ফচল।

বৰুৱা ঃ স্বাধীনতা হস্তক্ষেপ কৰা কোনো কৰ্মই কৰ্ম নহয়। তেনেদৰে অহংকাৰ, অভিমান, ঘৃণা আৰু কূচুটিয়া কৰ্মও কৰ্মৰ ভিতৰত নপৰে। যি কৰ্ম প্ৰক্ৰিয়াৰ দ্বাৰা প্ৰকৃতিৰ শৃংখলা সাপেক্ষে সমাজ শৃংখলাও ব্যাহত নহয় আৰু স্বাধীনতাও হস্তক্ষেপ কৰা নহয়, সেই কৰ্মহে সময়ৰ জোখত পৰে। সময়ে জুখি থয় সময়ৰ কীৰ্ত্তি আৰু এই সময়ে চেক লগায় সময়ৰ গ্লানি কৰ্মানুসাৰে। কৰ্মই শিকায় সফলতা আৰু বিফলতাৰ পাঠ।

চাওক, এজনে কুঁহিয়াৰ চোবাই ৰস পূৰ্ণ মাত্ৰাই চুঁহি খাইছে, পিচত আন এজনে সেই কুঁহিয়াৰ জাবৰখিনি দেখি ৰস থকা বুলি ভাবি চোবাই চুহি একো নাপালে। তেতিয়া সি দুখত কৈ উঠিলে, 'এই মৰখকুৰাজনে এটুপি ৰসো চুহি নোখোৱাকৈ নেৰিলে।' হাঁহিৰ খোৰাক হ'লেও তাত এটা জ্ঞানৰ তথ্য সোমাই আছে। এয়া হ'ল সি যদি জানিলেহেঁতেন প্ৰকৃততে থকুৱা কোন সি সময়ৰ জোখত সফল হ'লহেঁতেন। চাওক, কাৰ পেটৰ ভোকত জীউ যায় কোনে জানে? এয়াই ইন্দ্ৰিয় সাপেক্ষ ৰুচি, ধূমপানকাৰীয়ে অভাৱত মাটিত পৰি থকা চিগাৰেটৰ টুকুৰাটো আলফুলে তুলি লৈ হুপিব বিচাৰে। এনে

পৰিপ্ৰেক্ষিতত আত্মাৰ লগত থকা মন সাপেক্ষে পঞ্চেন্দ্ৰিয়ৰ কথা মনলৈ আহে। এনে অনুভূতি শিশুৰ জন্মৰ এবছৰ মানৰ ভিতৰত অংগি-ভংগি আৰু খাদ্য ৰুচিৰ দ্বাৰাই প্ৰকট হয়। ইয়াৰ আঁত ধৰিয়েই শ্ৰীমদ্ভাগৱত গীতাত কৈছে—

শৰীৰং যদবাপ্নোতি যচ্চাপ্যুৎক্ৰামতীশ্বৰঃ।
গৃহীত্বৈতানি সংযাতি বায়ুৰ্গন্ধানিবাশয়াৎ।।

অৰ্থাৎ— বায়ুৱে ফুলৰ পৰা গন্ধ ৰেণু কণাবোৰ যেনেকৈ লৈ যায় জীৱে এটা দেহৰ পৰা আনটোলৈ যাওতে মনৰ সৈতে পাঁচটা ইন্দ্ৰিয় লৈ যায়।

শৰ্মা : ৰ'ব, হঠাৎ মনত পৰি গ'ল কথা এটা; আমি যে সপোন দেখো, মানুহৰ লগত কথা হওঁ, আনকি মৃত মানুহেও কথা হয়, এনে ক্ষেত্ৰত মনৰ যিটো সজাগতা কি বুলি ভাবে?

বৰুৱা : মই আগতে চৌধুৰীৰ আগত উল্লেখ কৰি আহিছোঁ যে সপোনত জীৱাত্মাই (স্থূল দেহৰ দৰে) পৰমাত্মাৰ সংযোগ সাপেক্ষে জীৱাত্মাৰ লগত অতীত, বৰ্তমান আৰু ভৱিষ্যৎ জীৱন কাৰ্য বলি, ফলাফল বা আনকি মনাত্মাৰ মনোৰঞ্জনৰ কাৰণে বিভিন্ন দিশত অভিনয় কৰে। আমি যেনেকৈ দিঠকত কোনো কামত কোনো এটা লক্ষ্যত কৰবালৈ যাওঁ; বাটত বিভিন্ন ভাল-বেয়া দৃশ্য দেখা পাওঁ, কোনোটো মন কৰোঁ কোনোটো মন নকৰোঁ। কিছুমান এনে অপ্ৰিয় কথা আছে যাক সত্য হ'লেও ক'ব নালাগে, ঠিক তেনেদৰে সপোনত এনে কিছুমান দৃশ্য দেখা পোৱা যায় যাক বৰ্ণনা কৰিব নোৱাৰাই নহয় বা সম্পূৰ্ণ মনত পেলাব নোৱাৰাই নহয়, একেবাৰে অপ্ৰিয় আৰু বাস্তৱত অসম্ভৱ। এয়া বাস্তৱৰ দুৰ্ভাৱনাৰ দৰে সপোনৰো দুৰ্ভাৱনা। দেহটো নিষ্ক্ৰিয় মনটো সক্ৰিয় হোৱা হেতু এনে হয়। বায়ুৰ মাধ্যমত প্ৰকৃতিৰ আশ্ৰয়ত থকা সূক্ষ্ম সত্বাৰ স্ব-ধ্বনি তথা পৰমাত্মাৰ ধ্বনিৰ প্ৰবাহ সকলো সময়তে জাগ্ৰত হৈ থাকে। এয়া অবিৰাম সজাগতাৰ প্ৰবাহ। ইয়ে চাৰিমুঠি জীৱৰ সকলো প্ৰকাৰৰ ধ্বনি ধৰি ৰাখে। ইয়াৰ ক্ৰিয়া প্ৰতিক্ৰিয়াও তেনেদৰে প্ৰবাহিত হৈ জীৱাত্মাৰ মনত ক্ৰিয়া কৰে। বাস্তৱ জীৱন আৰু সপোন উভয়তে। সকলো জীৱাত্মাত এনেকৈ আগজাননীও দিয়ে, সপোনৰ

জৰিয়তে বা সচিততে ভাবৰ উদ্রেক ঘটায় বা আনকি কোনো সূক্ষ্ম চিহ্ন সংকেতৰ অনুভূতি মনত জগায়। এয়া সকলো সম্ভৱ হৈ উঠে বায়ুৰ মাধ্যমত প্ৰবাহিত ঢৌৰ তৰংগত ধ্বনিৰ দৰে সূক্ষ্ম সত্বাৰ প্ৰবাহত।

শৰ্মা ঃ কেঁচুৱাইয়ো টোপনিত হাঁহা, নচা, কন্দা আদি কৰে। খেল খেলি থকা বা কথা কোৱাৰ দৰেও অংগি-ভংগি প্ৰদৰ্শন কৰে।

চৌধুৰী ঃ হয়হে, এনে কেঁচুৱাৰ লক্ষণ প্ৰত্যক্ষ কৰিলে সহজে অনুভৱ হয় যেন, সপোনত লগৰ কোনোবাৰ সৈতে কথা হৈ ইবিলাক কৰি আছে। মানুহে কয় ভগৱানে 'মা'ক মৰা বুলি ক'লে কান্দে আৰু পিচত হাঁহি মাৰি জনায় যে সি মাকৰ বুকুত আহাৰ খাই আছে, ইত্যাদি।

বৰুৱা ঃ সেয়া পৰমাত্মাৰ সৌজন্যত জীৱাত্মাই জীৱাত্মাৰ লগত স্থূল বা সূক্ষ্ম ভাবত ইবিলাক কৰি থাকে। মানুহে কয় স্বয়ং নিজে তেওঁ ইবিলাক কৰি নিচুকাই থাকে। আত্মা মনৰ শুদ্ধতা তথা নিৰ্মলতাৰ পৰিপ্ৰেক্ষিতত কেঁচুৱাৰ গাত ভগৱান থকা বুলি কয়। সেয়ে ঘৃণা, হিংসা, মৰম যিয়ে নকৰক প্ৰকাশ কৰিব নোৱাৰিলেও বুজি পায়।

এনে অবিৰাম প্ৰবাহিত চৈতন্য শক্তিৰ গৰাকী ভগৱান। এনেদৰেই কৃষ্ণ বিশ্বব্ৰহ্মাণ্ডৰ একমাত্ৰ চৈতন্য প্ৰাপ্ত পূৰ্ণ অৱতাৰ হিচাপে চিন্তাৰ জগতত জ্ঞাত হৈ আছে।

চৌধুৰী ঃ বহুত দেৰি হ'ল শেষ কৰো ব'লক এতিয়া।

শৰ্মা ঃ অ' ঠিকেই ভাবিছে, ৰ'ব এটা কথা। তেজ-মণ্ডঃ সাপেক্ষে আত্মাৰ প্ৰৱেশে জীৱাত্মাক জ্ঞানপ্ৰাপ্ত কৰে, বোধ শক্তি জন্মে আৰু প্ৰকৃতিৰ পৰাই এনেকৈয়ে সত্ত্ব, ৰজঃ, তমঃ গুণ আহে। শ্ৰীমদ্ভাগৱত গীতাত কৈছে—

সত্বং ৰজস্তম ইতি গুণাঃ প্ৰকৃতি সম্ভৱাঃ।
নিবধ্নন্তি মহাবাহো দেহে দেহিনমব্যয়ম্।।

সত্ত্ব, ৰজঃ, তমঃ এই তিনিটা গুণ প্ৰকৃতিৰ পৰা জন্মিছে আৰু এই তিনিটা গুণে দেহত অব্যয় আত্মাক বন্ধন কৰি ৰাখে।

অ' ঠিক আছে, অহা কাইলৈ সন্ধিয়া মোৰ ঘৰত যাব, একেলগে বহি আলোচনা কৰিম, বহাৰ সুবিধাও আছে (তিনিও ঘৰাঘৰি গ'ল)।

দহ

শৰ্মাই আগদিনাতে শ্ৰীমতীক জনাই থৈছিল যে তেওঁৰ লগৰ দুজন ভদ্ৰলোক বন্ধু তেওঁলোকৰ ঘৰলৈ আহিব। চাহ-মিঠাই যোগাৰ কৰাৰ কথাও উনুকিয়াই দিয়াৰ কথা পাহৰা নাছিল। শৰ্মাৰ ঘৰো ৰত্নগিৰি নগৰতে; পশ্চিমৰ পাহাৰখনিৰ পাদদেশত। পশ্চিমাকাশত সূৰ্য অস্ত যোৱাৰ বহু আগতেই তেওঁৰ ঘৰ আৰু চৌপাশৰ পৰা পোহৰে বিদাই লয়। এনে সময়তে সেইদিনা ঘৰৰ দুৱাঁৰ খুলি ওলাই আহি থিয় হ'ল বাৰাণ্ডাত; লগে লগে দেখিলে ভদ্ৰলোক বন্ধু দুজন আহি তেওঁৰ দুৱাৰমুখ পাইছেহি।

বৰুৱা : কি হে শৰ্মা, দাৰ্শনিকৰ দৰে আমাৰ ফালে চাইছে যে?

শৰ্মা : এই যে কয়, Every man is a born philosopher.! জানেই নহয়, আহক আহক বহকহি বুলি কৈ দুয়োজনকে আদৰি আনি ড্ৰইং ৰুমত বহুৱালে।

চৌধুৰী : তাৰমানে জন্মগতভাৱে প্ৰত্যেকজন মানুহেই দাৰ্শনিক, নহয় জানো? এজন যদি Professional আনজন Occasional. অৰ্থাৎ Natural– স্বভাৱগত। এই দৰ্শনত সকলো জীৱৰ প্ৰাণাত্মা সমানে মনত প্ৰতিভাত হয়। এই জ্ঞান প্ৰকৃতি সত্য বা বাস্তৱ সত্য ধৰ্ম বা সৎ নীতিৰ আধাৰত সমাজ শৃংখলাৰ্থে মানুহে ব্যৱহাৰ কৰি আহিছে। জ্ঞান লব্ধ অপ্ৰিয় হ'লেও সত্য কথা কোৱাৰ দৰে দূৰ অতীতৰ পৰা জীৱন সত্য কথাবোৰ ধাৰাবাহিকভাৱে সমাজতেই বাগৰি আহিছে।

বৰুৱা : প্ৰকৃতিৰ পৰিঘটনাৰ মাজৰ পৰাই বিচাৰি উলিয়াইছিল এনেদৰে দেৱ-দেৱীৰ শক্তি পূজা-অৰ্চনাও আৰু এনে প্ৰাকৃতিক সত্যতে ধৰ্ম তথা ঈশ্বৰৰ ধাৰণা উপজিছিল। প্ৰকৃতিৰ এনে সত্য ধৰ্মকে সালসলনি কৰি ধাৰাবাহিক ৰূপ দি সনাতন সত্য ধৰ্মৰ প্ৰবাহ দি লৈছে। আৰু সেই প্ৰবাহকে চিনি লৈ বাগৰি আছে। সেই কাৰণেই কয় ঈশ্বৰক

দেখা নাযায়, বিশ্বব্ৰহ্মাণ্ড প্ৰকৃতি সত্যৰ জৰিয়তে নিজে নিজেই দৃশ্যমান হৈ পৰে। প্ৰকৃতিৰ লগত নিবিড়ভাৱে জড়িত কাৰণে জীৱ-জন্তু, চৰাই-চিৰিকটিয়ে এনে চিৰসত্য ঘটনাৰ প্ৰবাহ মৰ্মে প্ৰলয়, মহাপ্ৰলয়ৰ আগজাননী জ্ঞাত হয়। আৰু বিভিন্ন অংগি-ভংগিৰে এই ভাব অৱগত কৰে, মানুহে কিছু বুজি পায় কিছু নাপায়। প্ৰাকৃতিক পৰিঘটনাৰ সন্দৰ্ভত জন্মান্তৰবাদ সাপেক্ষে জন্মগতভাৱে প্ৰত্যেকজন মানুহে একোজন মনস্তাত্ত্বিক আৰু সাহিত্যিকো হয়। কোনোজন Professional আৰু কোনোজন Occasional. সেয়া Habit is the second nature.

শৰ্মা : মুঠতে এই তিনিও দিশতে Professional আৰু Occasional দাৰ্শনিক মনস্তাত্ত্বিক আৰু সাহিত্যিক আছে। একোজন সাহিত্যিক আছে যাৰ বাস্তৱ পৃথিৱী সাপেক্ষে পঞ্চেন্দ্ৰিয়ৰ জৰিয়তে পাহাৰ, পৰ্বত, নদ-নদী, সাগৰ-মহাসাগৰ আদিকে ধৰি প্ৰাণীজগতৰ সম্পৰ্ক মৰ্মে নানা কাহিনী যেনে— জীৱ-জন্তুৰ কাহিনী, দৈনন্দিন জীৱনৰ কাহিনী, ভূত-প্ৰেত আদিৰ কাহিনী মনত জাগ্ৰত হৈ থাকে। সুৰ আৰু শব্দৰ সাধনাত কামৰ ফাঁকে ফাঁকে, লগ-বন্ধুৰ মাজত, নাঙলৰ মুঠিত, পথাৰৰ বুকুত, কাৰখানাত, সুখ-দুখ, জীৱন-যাতনাৰ বেলাত, দূৰ ভ্ৰমণত, ভয়-শংকাৰ মুহূৰ্তত এই কাহিনী সংলাপবোৰ সজীৱ হৈ উঠে। সংগীত হৈ ধৰা দিয়ে বহুতৰ প্ৰাণত। প্ৰেমৰ মাজতো ই গীত হৈ ধৰা দিয়ে।

বৰুৱা : তেনেদৰে জন্মগতভাৱে প্ৰত্যেকজনে একোজন মনোবৈজ্ঞানিক আৰু দাৰ্শনিক। ই যিয়েই নহওক প্ৰকৃতিগত সত্য ঘটনাৰ ৰূপেই যেতিয়া আত্মাস্থিত পাৰ্থিৱ ঘটনাৰ ৰূপ পায় তেতিয়াহে এই সবৰ সাধনা প্ৰকট হয়। আচলতে ব্ৰহ্ম জগতৰ ব্ৰহ্মাক্ষণৰ পৰা বুটলা ঈশ্বৰৰ সঁহাৰিয়ে মানৱীয় প্ৰমূল্যৰ উদয় ঘটায়। এয়া সম্ভৱ হয় নৈসৰ্গিক দৃষ্টিভংগীৰে মনত যোগাই তোলা আনন্দ-অনুভূতিৰ ক্ষণৰ পৰা।

উদ্ভিদে শিপাৰ সহায়ত মাটিৰ পৰা সাৰ-পানী শোষণ কৰি জীয়াই থাকে। তেনেকৈ মানুহে মন-আত্মাৰ সাধনাৰ জৰিয়তে প্ৰকৃতিস্থ পৰমাত্মাৰ পৰা জ্ঞানৰ কৃপা লাভ কৰে আৰু জীৱন সংসাৰ সাগৰত ইয়াকে লৈ সাঁতুৰি থাকে। ৰাতি চাৰে তিনি চাৰি বজাৰ পৰা সূৰ্যোদয়ৰ

আগে আগে নৈসৰ্গিক দৰ্শনত পৰমাত্মাৰ সংযোগ পোনপটীয়াকৈ লাভ হয়। শুভ আত্মাৰ মনোবাঞ্ছা পূৰণ কৰাৰ এয়া সময় বুলি মানুহ জ্ঞাত হৈ আছে। ভাবৰ উকমুকনিত মানুহে কঁকবকাই থাকে, এনে নীৰৱ সাধনাৰ বাতাবৰণত সেই উকমুকনিও ঈশ্বৰৰ আশিস কাণত বাজি আঁতৰ হয়, মনত মহানন্দ মিলে, পবিত্ৰ সাধনাত সচ্চিদানন্দ লাভ হয়। আনন্দত আপ্লুত হৈ পৰে মন, সেই সময়ত যি ধৰণে মানুহে সংকল্প কৰে, তেনেকৈয়ে ফল লাভ হয় বুলি কৰা মনৰ ধাৰণাও পূৰ্ণ হৈ আছে বহুতৰ।

এই ব্ৰহ্মক্ষণৰ বাবে মঠ-মন্দিৰ, সত্ৰ-নামঘৰ, পূজা-পাৰ্বণ আদিত বৰকাঁহ, বৰতাল বজায় ভগৱানৰ আশিস কামনাৰে প্ৰাৰ্থনা কৰে। খ্ৰীষ্টান, মুছলিম, বৌদ্ধ, জৈন সকলো ধৰ্মৰ উপাসকসকলে এনে ক্ষণতে গড, আল্লা, ভগৱান যি নামেৰে নহওক এই ব্ৰহ্মশক্তিক প্ৰাৰ্থনা কৰে। শুভ ক্ষণত জন্মগ্ৰহণ কৰা যিসকলে সমাজৰ কল্যাণ সাধন কৰে তেনেলোকক ক্ষণজন্মা বুলি ধৰে। এইসকলে বিভিন্ন ধৰণে মানৱ সেৱা আগবঢ়ায়। এইসকল হ'ল— মহাপুৰুষ, মহামানৱ, ঋষি, মুনি, মহৰ্ষি, অতিমানৱ আৰু এক কথাত ক'বলৈ গ'লে আজিৰ দিনৰ আচল মানুহ।

শৰ্মা : ৰ'ব, কি আচল মানুহৰ কথা ক'লেহে?

চৌধুৰী : মোৰ মনৰ কথাটো কওঁ ৰ'ব। সেই কাৰণেই সৰুৰ পৰা ডাঙৰলৈ পদবীত অধিষ্ঠিত দুৰ্নীতিকাৰীৰ কথা হাস্য-ব্যংগ ভাবত কোৱাৰ পৰিপ্ৰেক্ষিতত স্মৰ্তব্য যে এনে বিষয়া এজনক কৰা প্ৰশ্নৰ উত্তৰত কয়, 'বিষয়া হৈ দুৰ্নীতি কৰাৰ সুবিধা পোৱাৰ আগতে মই নিজেও এজন আচল মানুহেই আছিলোঁ।' আৰু বন্দুক, পিষ্টল হাতত লৈ মানুহ মাৰি ফুৰা সন্ত্ৰাসবাদী বা জধে-মধে গুলী কৰি মানুহ মৰা আৰক্ষীজনেও এনে আচল মানুহ আৰু প্ৰকৃত সাহসৰ পৰিপ্ৰেক্ষিতত সোধা প্ৰশ্নৰ উত্তৰত কয়, 'মই আগতে শিয়ালটো দেখিলেই ভয় খাইছিলোঁ আৰু চোফাৰ গাদী কাটি ফুৰা নিগনিটোকো মাৰিবলৈ শঙ্কা কৰিছিলোঁ; কি যে চকু পিত্‌পিতাই দাঁত কৰচি থাকে, বৰ জোঙাল দাঁত, বৰ ভয় লাগে।'

লগতে ভাৰাক্ৰান্ত মনেৰে জনায়, 'এই মৃত মানুহৰ মুখবোৰ সপোনত ভাহি উঠে, দুচকুত মায়াসনা প্ৰাণচঞ্চল মুখবোৰ, ৰঙা, শেঁতাপৰা চকুযোৰ, উদাস উদাস ভাব। মন যিমানেই ডাঠ নকৰোঁ হাতদুখন কঁপিব খোজে।' শিশুবোৰে জীৱন গ্ৰন্থৰ পৃষ্ঠাবোৰ লুটিয়াই চাবলৈ আঙুলি, জিভা ওঁঠত দি তিয়াই থাকিলেও নিতিতে। পৃষ্ঠাৰ পিচত পৃষ্ঠাত দেখিছে নিজৰ পিতৃ, মাতৃ, ভাতৃ আন কাৰোবাৰ তেনেই খুড়া, দাদা আদি চকুত ভাহি উঠে। ধৰ্ষণ কৰি হত্যা কৰা কাৰোবাৰ আইতা, কাৰোবাৰ মাতৃ, কাৰোবাৰ ভনী, কাৰোবাৰ খুড়ীৰ কোনোখিলা পাতত পৰি আছে শূন্য বিছনা। কাৰো চোতালত, ৰাস্তা-ঘাটত তেজৰ দোঙা। পাত লুটিয়াবলৈ জিভা, ওঁঠত আঙুলি তিওৱাৰ সন্ধান পাবলৈ ইচ্ছা নকৰে।

আচল মানুহবোৰ এনেকৈয়ে মিছা মানুহ হৈ কাৰোবাৰ জীউবোৰ কাঢ়ি লৈ যায়। কোনোবা আকৌ ক্ষমতা দখলৰ ৰাজনীতিৰ ষড়যন্ত্ৰত মছগুল হৈ ভুৱা জীৱন অতিবাহিত কৰে।

শৰ্মা : মহাপুৰুষ, মহামানৱসকলে মানুহৰ দুখ-দুৰ্গতি নাশ কৰাৰ বাবে নিজৰ জীৱন উচৰ্গা কৰে। অজ্ঞানীসকলক জ্ঞান দিয়াৰ বাবে অহোপুৰুষাৰ্থ কৰে। এইসকলে ধ্যানমগ্ন সাধনৰ কাৰণে ত্ৰিকাল দৰ্শী হ'ব পাৰে। Divine inspiration য়ে গাতে লাগি থকা ছাঁৰ দৰে কাম কৰে। এনে সিদ্ধ পুৰুষে ঈশ্বৰৰ অনুগ্ৰহ মানুহৰ দুখ-দুৰ্গতি নাশ কৰাৰ বাবে বিচাৰে। লগতে মংগল কামনা কৰে সমাজৰ, ব্যভিচাৰ আঁতৰ কৰি সৎ, সমতা, ন্যায় নীতি বাহাল ৰখাৰ বাবে শুদ্ধ মনৰ উদয় হওক বুলি। গৌতম বুদ্ধই ভোগ-বিলাস ত্যাগ কৰি গছৰ তলত ধ্যান মগ্ন হৈ মানুহৰ দুখ-দুৰ্গতি মোচনৰ বাবে ভগৱানক প্ৰাৰ্থনা কৰিছিল।

বৰুৱা : সেয়ে এনে মহান পুৰুষসকলে নিজৰ কথা নাভাবে. ৰাৱণ, কংস, হিৰণ্যকশিপুৰ দৰে নিজৰ শক্তি সঞ্চয়ৰ বাবে পূজা নকৰে। মানৱ কল্যাণৰ বাবেহে এইসকলে নিজৰ জীৱন ত্যাগ কৰে। এয়ে প্ৰকৃত ত্যাগ বা ভগৱানৰ নামত জনকল্যাণৰ কাৰণে নিজৰ ভোগ-বিলাস বলি-বিধান হিচাপে উচৰ্গা কৰাই প্ৰকৃত উচৰ্গা। শক্তি সঞ্চয় বা দুখ-যাতনা নিৰ্যাতন উপশম বা ভোগৰ বাবে দেৱতাক বা দেব-দেৱীক

কৰা উচৰ্গা প্ৰকৃততে এক বিনিময় উচৰ্গা প্ৰথাহে মাত্ৰ। যেনে— হে দেৱী দুৰ্গতি নাশিনী, শান্তি দায়িনী..... তোমাক তেজ দিলো বলি-বিধান কৰি, মোক ভোগ দিয়া, দুখ-দুৰ্গতি নাশ কৰা। মই তোমাৰ তৃষ্ণা দূৰ কৰিলোঁ আৰু তুমি মোৰ অভাৱ পূৰ কৰা।

চৌধুৰী : হেৰি, বিশ্বাস নকৰাজনেও আশ্বাসত চলি-বুজি পাব যে কাৰো সুখৰ বাবেই শুভ ক্ষণবোৰ উপযাচি আহে। আৰু কাৰো দুখ-দুৰ্গতিৰ বাবে কালসন্ধ্যা দোভাগ ৰাতিৰ কালক্ষণবোৰ ৰৈ থাকে পদূলি মুখত। কাৰো সু-জন্ম, আন কাৰো কু-জন্ম; কাৰো সু-কীৰ্তি, কাৰো কু-কীৰ্তি। আচলতে কাৰো দুখৰ ভাৰ আন কোনেও কাঢ়ি ল'ব নোৱাৰে। কৰ্মৰ ফল জন্মই সাৰ; কাৰো হাঁহি মুখভৰা, আন কাৰো দুখ-ব্যথা ভৰা। মন আত্মাত থাকে জন্মতে নিবন্ধ; আত্মা কিন্তু নহয় বন্ধ, আত্মা অঘৰী, যিখন ঘৰত সোমাই থাকে গভীৰভাৱে নিৰীক্ষণ কৰিলে আত্মাৰ স্বৰূপ ওলাই পৰে। দেহ হ'ল আত্মাৰ ক্ষেত্ৰ।

শৰ্মা : কোনোবাই কাৰো হিয়াত দুখৰ বীজ ৰোপণ কৰিলে আন কোনোবাই দুখৰ একে বীজৰ পুলি ৰুই দিব তেওঁৰো হিয়াত। কোনেও কাকো হিংসা কৰি নোৱাৰে যাব সাৰি। এই সাম্যভাবৰ প্ৰৱণতা বায়ু-পানীৰ সমলেভেল প্ৰৱণতাৰ দৰে। আৰু ইয়ে প্ৰতীয়মান কৰে পূৰ্ব জন্ম আৰু পৰৱৰ্তী জনমৰ কথা। প্ৰাণী মাত্ৰেই আৱশ্যকীয় একাত্মবোধৰ অভাৱ হ'লে তেওঁৰ বিবেকে কোনো সুস্থ বিচাৰ কৰিব নোৱাৰে, সেয়ে প্ৰাণী হিংসা মই পচন্দ নকৰোঁ। মানুহৰ মাজতো মই সাম্য, মৈত্ৰী ভাব বিচাৰোঁ। প্ৰকৃততে সৎ, সমতা, ন্যায়-নীতিত মই আত্মসমৰ্পণ কৰোঁ। ইয়াৰ মানেই ভগৱানৰ ওচৰত নিঃচৰ্ত আত্মনিবেদন।

বৰুৱা : দুখ-সুখবোৰ কৰ্মৰ গতিবিধৰ ভাৰ কান্ধত লৈ গৈ থাকে তথা জৰা-ব্যাধি, মৃত্যু যাতনাও তেনেকৈয়ে আহি পৰে।

সেয়ে, এই জীৱনত মই কি কাম কৰি কি পালোঁ? জীৱনটো কেনেকৈ কটালোঁ আৰু মৃত্যুৰ আগে আগে কি এৰি থৈ গ'লোঁ ঘৰ তথা সমাজৰ কাৰণে। এনেবোৰ কথা এটা সময়ত বিচাৰ্যৰ বিষয় হৈ পৰে। অৰ্থাৎ মোৰ জীৱন কৰ্মৰ ফলাফল কি, এয়াও এক যোগ-বিয়োগ। মৃত্যুৰ দুৱাৰডলিত কিহৰ অনুৰণন বাজিব কাণত? সতি-সন্ততিৰ

জীৱন বাটত হুল-জুং পুতি থৈ গ'লোঁ নেকি, নে বিদেশী প্ৰব্ৰজনৰ কাৰণে বাটটো মোৰ নিজৰ সুখ-স্বাচ্ছন্দ্য তথা ক্ষমতাৰ লোভত মুকলি কৰি থৈ গ'লো পৰৱৰ্তী বংশ-পৰিয়ালক নিজৰ ঘৰতে ভগনীয়া কৰি, নে গৃহ কন্দল লগাই ভাতৃঘাতী কাৰ্যত ইন্ধন যোগাই থৈ গ'লো, ইত্যাদি ইত্যাদি প্ৰশ্নই অতিষ্ঠ কৰি তুলিব।

আৰু ভাবিব 'মই' আৰু 'সকলো মোৰ' বুলি ভাবি থাকোঁতে মোৰ বুলিবৰ থাকিল কি? 'মই' হৈ কি ৰ'লোঁ, কিহত? নিজৰ বুলিবৰ প্ৰকৃততে থাকিল কি? এই যে কয়, 'মানুহ মৰে কৈ (ভালৰ লগত বেয়া মিহলি হৈ), পক্ষী মৰে বৈ;' এনে পৰিপ্ৰেক্ষিতত কথা এটা চাওক, দুজন ককাই-ভাই এজনে খণ্ডত দাৰে ঘপিয়াই আনজনক মাৰি নিজেও জেলখানা পালেগৈ। আত্মসমালোচনাত অনুতপ্ত হৈ সিয়ো ইহসংসাৰত নাথাকিল বৈ। বিবেকৰ স্থিৰ সিদ্ধান্তৰ অভাৱত কাৰ কি নোহোৱাকৈ থাকিলগৈ। য'ৰে বস্তু ত'তে পৰি থাকিল কাৰ বাবে বৈ? কাৰ ভোগে কাৰ আয়ুস টুটাই দিলে?

যিহেতু নিজৰ একোৱেই নাই, সকলো কৰ্ম বিধাতা সাপেক্ষে প্ৰকৃতিগত; এই দিছে এই নিছে। এয়া যেন ভঁৰাল ভৰা ধান, বানপানীয়ে উটুৱাই নি মন কৰে ছন। এই হুঁহুৱাইছে, এই কন্দুৱাইছে। গতিকে 'মই' মোৰ বোলাৰ অধিকাৰ আছিলনে? এই অধিকাৰ কিমান দিনৰ? এই কথাৰ প্ৰতি সচেষ্ট জনেই ভক্ত, আত্মবশী। যথাৰ্থতে আত্মত্যাগ আৰু মানৱ প্ৰেমে জীৱন বৃক্ষক জীয়াই ৰাখে। এই সকলো সম্পদ প্ৰকৃতিস্থ, নাই তাত ধৰ্ম-অধৰ্ম, আছে মাথোঁ প্ৰকৃতি সমতা সাপেক্ষে ন্যায়-নীতি, সৎ কৰ্ম। আত্মজ্ঞাত হিয়াৰ ন্যায়-নীতিৰ এই বিশ্বজনীন সত্য য'ত ৰ'জে মানুহৰ কৰণীয়াও ত'তেই থাকে। আত্ম বিচাৰে মনক কৰে ইন্দ্ৰিয়ৰ সহায়ত পৰিচালিত। অতীন্দ্ৰিয়বাদী কবি নলিনী বালা দেৱীয়ে সেই কথাৰ উপলব্ধি গভীৰভাৱে কৰিব পাৰিছিল। এনে আত্মোত্থান পবিত্ৰ আত্মাৰ লক্ষণ। এনে উপলব্ধিৰ অভাৱত মহাভাৰতৰ গান্ধাৰীয়ে পুত্ৰৰ মৃত্যুৰ কাৰণ কৃষ্ণ গোসাঁই বুলি ভাবি অভিশাপ দিছিল। এই মৃত্যুৱে সূচায় যে অন্যায় কামত হাত দি জীৱনটোক ন'ঠগিলে, জীৱনটোৱে বহুত দিয়ে, নঠগে।

সাত্ত্বিক হৈ সৎ কৰ্ম কৰি প্ৰগতিৰ নিচান উৰাই যিজনে দিব পাৰে সেইজনেহে বুজে জীৱনটোক ঠগিলে জীৱনটোৱে কেনেকৈ তিল তিলে মন দহি মাৰে।

চৌধুৰী ঃ ঠিকেই উপলব্ধি কৰিছে, টাইটানিক বচোৱা অস্ত্ৰ ভাণ্ডাৰ থকা কোঠাৰ বন্ধ তলাৰ চাবিপাত বিচাৰি পোৱা হ'লে, চান্দো সদাগৰে বন্ধা মেৰঘৰৰ বিন্ধাটো নোহোৱা হ'লে? এই প্ৰশ্নৰ উত্তৰ সোমাই আছে 'মই' আৰু 'মোৰ' বোলাৰ মিছা গৌৰৱৰ ছাঁত। কোনেও দেখা নাপায়, কোনেও বিচাৰি নাপায়, যেন সকলো আছে ভোগ কৰিব নোৱাৰে। ন্যায়-নীতিৰ পোহৰে যেতিয়ালৈকে আত্মা মনক আলোকিত নকৰে। প্ৰকৃততে এনে মানুহৰ সকলো এন্ধাৰতে লুকাই থাকে। খেপিয়াই খেপিয়াই হাবাথুৰি খাই, আশাই পাহি নেমেলে, দুখহে ওপচায়। আত্মোত্থান এনেকৈয়ে হয়, যেতিয়া সমতা, ন্যায়- নীতি, সততা ভাবেই জ্ঞাত কৰে সকলো অৱশেষত। মই আৰু কি উপলব্ধি কৰো জানে, কৰ্ম বিচাৰ হীন পাৰ্থিৱ লোভে যেতিয়া জীৱনটোক ছাঁৰে ঢাকি হাত বাউলি দি মাতি লৈ গৈ থাকে, তেতিয়ালৈকে খলা-বমা গাঁতৰ উজুটিৰ আঁত ধৰি বিশ্বজনীন প্ৰকৃতি সত্যৰে জীৱন অভিজ্ঞতাৰ বাট বুলি গৈ থাকে। এই অভিজ্ঞতাই শিক্ষা দিয়ে যে যি পিতৃ-মাতৃৰ জৰিয়তে পৃথিৱীৰ পোহৰ দেখিলে আৰু যি প্ৰকৃতিয়ে বুকু উজাৰি ভোগৰ সামগ্ৰী উপহাৰ দিলে, তাৰ সি চিৰ নত। এই চিৰনতভাৱে প্ৰকৃত মানুহ হৈ জীয়াই থকাত সহায় কৰে। মাতৃ ভক্তি আৰু প্ৰকৃতি প্ৰীতি কি তেওঁ বুজে।

শৰ্মা ঃ ঈশ্বৰ ভক্তি আৰু মাতৃ ভক্তি উভয়তে থাকে সমতাৰ প্ৰীতি। দুৰ্যোধনৰ মৃত্যু জানি মাতৃ গান্ধাৰীয়ে পানীত উলংগ হৈ শিৱক স্তুতি কৰিবলৈ উপদেশ দিছিল। মনা হ'লে ৰক্ষা পৰিলহেঁতেন। শ্ৰীকৃষ্ণৰ পৰামৰ্শত নাঙঠ হ'ব নিবিচৰা 'মইবৰ' ভাবেহে সকলো নস্যাৎ কৰি দিলে।

চৌধুৰী ঃ উলংগতা সাংসাৰিক বান্ধোন হীন এক মানৱীয় স্থূল ৰূপ। এই ৰূপত কৰা ঈশ্বৰ প্ৰাৰ্থনাও এক শক্তিৰেই প্ৰকাৰ, সূক্ষ্ম ৰূপ; এক বিকাৰহীন মানসিক অৱস্থা। যেনেকৈ সত্য আৰু সংস্কৃতি সাম্যতাৰ প্ৰতীক— ই সমাজত সমতা স্থাপন কৰে, তেনেকৈ মাতৃ আৰু ঈশ্বৰ ভক্তি

সমাজৰ স্থিৰতা সাপেক্ষে স্থিতপ্ৰজ্ঞৰ উৎস। ইয়াৰ বিপৰীতে মানুহে পাৰ্থিৱ লোভত মানুহৰ বিভেদহে সৃষ্টি কৰে।

বৰুৱা : আপোনালোকৰ উপলব্ধিও গভীৰ। যথাৰ্থতে প্ৰগতিৰ সন্দৰ্ভত ধৰ্ম সাপেক্ষে সত্য আৰু সংস্কৃতি যুগ যুগৰ মানৱ সভ্যতাৰ চানেকি। কিন্তু 'মই বৰ' হ'লে সিয়ো যায় হাতৰ পৰা পিছলি। এনে কথাহে বিভিন্ন ঘাত প্ৰতিঘাত, বাধা-বিঘিনিৰে সোঁৰৱাই থাকে; হয়তো বুজিং দিয়ে যে ক'ৰবাত কিবা এটাত ভুল হৈ গ'ল।

সেয়ে মহাশক্তি বিচাৰি অতিদৰ্পে কৰা দেৱ-দেৱীৰ পূজা এক ৰাজসিক ব্যৱস্থা, নাই তাত মানৱতাৰ আস্থা। মানুহ যে পৃথিৱীৰ সন্তান, প্ৰত্যেকৰে আছে জন্ম অধিকাৰ, নাই তাৰ এনে কোনো বিচাৰ এই সবৰ। সেয়ে হিৰণ্যকশিপু, ৰাৱণ, কংস, দুৰ্যোধন আদি উল্লেখনীয় দাম্ভিক শক্তি। জন্ম অধিকাৰ সাপেক্ষে পৃথিৱীৰ সন্তান হিচাপে প্ৰকৃত মানুহে যুদ্ধ কৰি হ'লেও পোহৰহে বিচাৰে। ই এক প্ৰকৃতি সত্য ৰীতি। গছ-গছনি, তৰু-লতা-তৃণ তথা উদ্ভিদ জগতেও এই পোহৰে বিচাৰে। এন্ধাৰৰ বাধা পালেই সূৰ্য মুখে গতি লয় যিকোনো প্ৰকাৰে। এয়া প্ৰকৃতিৰেই নীতি, নাই তাত আপোচ ৰীতি। ভগবান স্বৰূপ শক্তিশালী হৈয়ো ভক্ত প্ৰহ্লাদ, ৰাম আৰু কৃষ্ণই এই জন্ম অধিকাৰ, সাত্ত্বিক ৰূপত প্ৰকাশ কৰাৰ বাবে নিজে পৰাজয় হৈ দেখুৱাইছে। যেনেকৈ পিতৃ-মাতৃয়ে ল'ৰা ছোৱালীৰ লগত ৰঙৰ যুঁজ খেলোতে নিজে হাৰি উৎসাহ যোগায়।

চৌধুৰী : হেৰি, ঈশ্বৰৰ স্মৰণ কৰি যদি সৎ সাহস বুকুত বান্ধি সংসাৰ সাগৰ কুটা এডালকে সাৰথি কৰি পাৰ হ'ব পাৰি, আমিনো হেৰুৱাম কি? পৃথিৱীৰ ইতিহাসে দেখুৱাই আহিছে যে মানৱতা অবিহনে মহাপ্ৰতাপীৰ মূল্য ফুটুকাৰ ফেন যেন তুল্য। জীৱন্ত কিংবদন্তি পুৰুষ ড° ভূপেন হাজৰিকাই কোৱাৰ দৰে, 'দুৰ্বল মানুহে যদি জীৱনৰ কোবাল নদীত, পাৰ হয় তোমাৰে সাহত, তুমিনো হেৰুৱাবা কি?' কথাটো একে নহয় জানো? উচাহে যি উলাহ দি কাৰ্য সম্পন্ন কৰাত সহায় কৰে সেইটোৱেই জীৱন সাৰথি আৰু তাতেই থাকে সততাৰ শক্তি। জীৱাত্মাৰ যিয়ে উপকাৰ কৰে, ভগৱানে তাৰেই মঙ্গল সাধে।

শৰ্মা ঃ প্ৰকৃততে, প্ৰকৃতিৰ মহাশক্তিৰ প্ৰতীক ঈশ্বৰৰ ওচৰত সেও নমনা, অথচ তেওঁ নিজেই তাৰেই সৃষ্ট আৰু বশীভূত আৰু আনক সহায় কৰি উপকৃত কৰা বা দুৰ্বলীক সহায় কৰি বিপদৰ পৰা ৰক্ষা কৰিবলৈ বেয়া পোৱা মানুহজন অতিকৈ পৰশ্ৰীকাতৰ। ঈশ্বৰৰ ওচৰত সৰু হ'ব নিবিচৰা এনে মানুহজন আৰু আনৰ উন্নতি দেখি হিংসা ওপজা মানুহজন মানৱীয় দৃষ্টিভংগী হীন, জীৱাত্মাৰ একাত্মবোধ হীন আৰু অকৃতজ্ঞ। এনে মানুহৰ হিয়া চিৰ অতৃপ্ত; সেয়ে তেনে মানুহ কাৰো পৰিতৃপ্তিৰ কাৰণ হ'ব নিবিচাৰে। সি যাৰ অধীন তাকো ছলাহী কৰি ঠগিব নেপাহৰে, সুবিধা পালে। এনে আত্ম নীচতাই তাৰ জীৱনটোক প্ৰৱঞ্চনা কৰি থাকে। সেয়েহে এনে জীৱনৰ প্ৰতিও বৰকৈ পুতৌ ওপজে, জীৱনটো নিৰৰ্থক হৈ যোৱাৰ বাবে।

বৰুৱা ঃ আচলতে মানসিকভাৱে দুৰ্বলীৰ এইটো মস্ত দুৰ্বলতা যে তাক সুবিধা দিলে মূৰৰ ওপৰত উঠে; সুবিধা দিওতাজনকো হাতে-ভৰিয়ে বান্ধিব চায়। ই ধনী-দুখীয়া, বলি-নিৰ্বলীক, উচ্চ-নীচ জাতি সাজি, বিভেদ-বৈষম্যৰ বীজ সিঁচি মানৱীয় ঐক্যতা থানবান কৰে। এনে মানুহ এক মানৱ ধৰ্মৰ বাটৰ হুল-জোং। সি ভাবিব নোৱাৰে যে তাৰ দুৱাৰ মুখতে সি হেৰাই যোৱাৰ প্ৰস্তুতি চলি আছে। যি সাৰ-পানীয়ে তাৰ মৃত্যুৰ পিচত তাৰ জীৱন বৃক্ষডালক এই সংসাৰত জীয়াই ৰাখিব সেই কথা ভাবি নাপায়। এইটেও ভাবিব নোৱাৰে যে দুৱাৰমুখত থিয় হৈ চাই থাকোঁতেই পুৰণি ঘৰবোৰ ভাঙি নতুন হ'ল, পুৰণি গছ-গছনি কাটি সামাজিক বনানিকৰণ কৰা হ'ল, নতুন নতুন মানুহ আহি দুৱাৰমুখ ভৰি পৰিল, প্ৰগতিৰ হাতত হাত ধৰি নতুন ফেশ্বনে মেলিলে পাহি, সত্য আৰু সংস্কৃতিৰ পোহৰত মানুহৰ নতুন ধাৰণাৰ উদ্ভৱ হ'ল, নিজক ৰজিতা খুৱাব একোতেই নোৱাৰিলে। অৱশেষত নিজৰ দুৱাৰমুখতে নিজে হেৰাই গ'ল। কোনোৱে ভাতৃ কন্দল, জাতি, হিংসাত লাগি থাকোঁতেই নিজে নিজে যেনিবা অচিনাকি হৈ গ'ল।

বাস্তৱিকতে, সৎ, সমতা, ন্যায়-নীতিয়েহে ধৰি ৰাখে মানৱ সমাজ, একে প্ৰাণী, একে প্ৰাণৰ মমতাৰ বোধেৰে। এনে এক প্ৰাণৰ মমতা যাৰ তাৰ হিয়াতে হিয়া থৈ নাচে সকলো প্ৰাণে, নিজৰ নিজৰ

প্ৰাণৰ বতৰা লৈ। হিয়াত প্ৰাণীৰ প্ৰাণৰ মমতাৰ দৰে ঈশ্বৰ বিশ্বাস যাৰ হিয়াত থাকে, তাক অস্থিৰতাই মন চুব নোৱাৰে। নিজক বিচাৰিব নালাগে, নিজে নিজে নিজক ধৰা দিয়ে।

চৌধুৰী ঃ প্ৰকৃত পক্ষে দেখা যায় আৰ্থিক আৰু শাৰীৰিক উন্নতি সাপেক্ষে প্ৰগতিৰ পৰিপ্ৰেক্ষিতত যিসকলে সমাজক সহায় কৰে, সেই সকলৰ মানসিক উৎকৰ্ষতা সাধনত সহায় কৰে আধ্যাত্মিক চিন্তাবিদসকলে। কিয়নো পাৰ্থিৱ স্থিৰতা আৰু আধ্যাত্মিক স্থিৰতা নিৰ্ভৰ কৰে Moral code of conduct তৰ ওপৰত। ইয়াৰ উৎস ধৰ্ম, ধৰ্ম মানে সৎ-নিষ্ঠাকৰ্ম। কৌৰৱসকল অসূয়া কৰ্মৰত তথা অধাৰ্মিক আৰু পাণ্ডৱসকল নিষ্ঠা কৰ্মৰত, সেয়া ধাৰ্মিক। প্ৰকৃততে অসৎ কৰ্মত প্ৰগতিয়ে হাঁহি নামাৰে।

শৰ্মা ঃ জীৱনধাৰা লক্ষ্য কৰিলে দেখিব যে যিয়ে পাৰ্থিৱ আনন্দত প্ৰাধান্য দিয়ে আৰু নৈতিকতা সাপেক্ষে আধ্যাত্মিক দিশ আওকাণ কৰে, তেওঁক অনৰ্থই মনৰ স্থিৰতা হানি কৰি সুখত বিঘিনি ঘটাব পাৰে। যিয়ে নৈতিক তথা সৎ কৰ্মৰ সুখত গুৰুত্ব দিয়ে আৰু পাৰ্থিৱ সুখক জীয়াই থকাৰ আহিলা হিচাপে গণ্য কৰে, তেওঁ নিজৰ সুখ লাভ কৰিলেও ঘৰখনৰ সুখক ধৰি ৰাখিব নোৱাৰে। কিন্তু যিয়ে পাৰ্থিৱ আৰু আধ্যাত্মিক দুয়ো সুখতে সমানে গুৰুত্ব দিয়ে তেওঁহে নিজৰ আৰু ঘৰৰ তথা সমাজৰ সুখত অৰিহণা যোগাব পাৰে। অৰ্থাৎ পাৰ্থিৱ সুখ আধ্যাত্মিক সুখৰ ওপৰত যে নিৰ্ভৰশীল সেইটো কথা তেওঁ বুজে।

বৰুৱা ঃ এয়াই স্থূল আৰু সূক্ষ্মৰ সমন্বয়, এটা আনটোৰ পৰিপূৰক দিন-ৰাতিৰ দৰে। প্ৰকৃতপক্ষে ক'বলৈ গ'লে বায়ু, পানী, তাপ, জুই আৰু মাটিক বাদ দি জীৱসমূহ, পৃথিৱী আৰু প্ৰকৃতিৰ একো কথাই চিন্তা কৰিব নোৱাৰি। গতিকে এই পঞ্চ পদাৰ্থৰ সৃষ্টিৰ আঁৰতেই লুকাই থকা উদ্ভাৱিত শক্তিয়েই সৃষ্টিৰ মহাশক্তি। লগতে এইটোও ধাৰণা ওপজে যে এনে বিৰামহীন কৰ্মৰত চিৰ প্ৰবাহমান পৰম শক্তিয়ে বিশ্বব্ৰহ্মাণ্ড পৰিচালনা কৰিছে সূৰ্য প্ৰমুখ্যে সৌৰজগতৰ গ্ৰহ-তৰাৰ সহায়ত বিভিন্ন শক্তিৰ ৰূপান্তৰ ঘটি। এই শক্তি ৰূপান্তৰ পদ্ধতিতে সৃষ্টি হৈছে চাৰিমুঠি

জীৱ। বিশ্বব্ৰহ্মাণ্ডৰ এনে মহাশক্তিক অস্বীকাৰ কৰা অৱস্থাই নিজকে এখন স্থিতি হীন অলীক কল্পনাৰ পৃথিৱীত হেৰাই পেলাবলৈ সুবিধা নিজেই কৰি দিয়া হ'ব। কাৰণ য'ত এই পঞ্চ পদাৰ্থ নাই তাত একোৱেই নাই, ভেকুৱাম, ঘোৰ অন্ধকাৰ।

শৰ্মা : অলপ চাহ-পানী খাই লওকহে; কিনো দিম কষ্টহে, বস্তুৰ যি জুই-চাই দাম, ছোৱালীজনীয়ে তিনিওজনকে চাহ-মিঠাই দি গ'ল।

চৌধুৰী : নক'ব আৰু, সময়ে মাৰিলে নে মানুহে মানুহক মাৰি উঠি ৰজা বহি ৰজা হোৱাৰ ফান্দ পাতিলে বুজি নাপাওঁ। বস্তুৰ বজাৰত জুই লগাই অভীষ্ট সিদ্ধি কৰিবলৈ কুণ্ঠাবোধ নকৰে আজিৰ সুবিধাবাদীয়ে। পুৰণিৰ 'সমতা' ঈশ্বৰক ভাৰভেটি দি, পূজা, প্ৰাৰ্থনা কৰি আততায়ী হৈ মুক্তমনে সমাজত ঘূৰি-ফুৰি সাধুকহে অপদস্থ কৰাৰ ব্যৱস্থা কৰিলে, য'ত সৎ, সমতা, নিয়ম-নীতি কালৰ সোঁতত উটি গ'ল আৰু অন্যায় দুৰ্নীতিহে ৰীতিৰ দৰে বৰপীৰা পাৰি বহি গ'ল।

বৰুৱা : এৰক, আগে চাহখিনি পি লওক। শৰ্মালৈ চাই— কিনো অতিথি শুশ্ৰূষা কৰিব, সকলোৰে একেই অৱস্থা। আমাৰ বা ভালদৰে বহি আলোচনা কৰিবলৈ ঠাইয়েই নাই। আপোনাৰ অৱশ্যে ৰুমটো আহল-বহল।

শৰ্মা : কি কম, গা-টোই ভাল নহয়, হাত-ভৰি জিনজিনাই থাকে। মূৰটোও গহীন।

চৌধুৰী : কি ক'ব টেনচন, আজিকালি সকলোৰেই টেনচন। কিয় নহ'ব, আগতে যিটো কথা সহজভাৱে ভবা হৈছিল সেই কথাটো আজিকালি জটিলভাৱে ভবা হ'ল, নিজক আনৰ লগত ৰিজাওতে। তাতে আকৌ ভাল খাদ্য নাই, মুকলিমূৰীয়া পৰিৱেশ নাই, কওঁ বুলি মুক্তমনে কথা এষাৰ ক'ব নোৱাৰি। মুঠতে সকলোৰে কিবা নহয় কিবা এটা বেমাৰ। কাৰো মনৰ বেমাৰ, কাৰো দেহৰ বেমাৰ, কাৰো টকাৰ বেমাৰ আৰু আন কাৰো যৌন উন্মাদনাৰ বেমাৰ। মুঠতে কিবা নহয় কিবা এটা বেমাৰ।

শৰ্মা : বেমাৰৰ পৰা মন ভালে ৰখাৰ কাৰণে আনন্দ উপভোগনো কি কৰিব? আনন্দ উৎসৱৰ নামত ভেঁকো-ভাওনাহে, অপ-সংস্কৃতিৰ বাহানা।

চৌধুৰী : মানুহে যেতিয়া নিজৰ সুবিধাৰ বাবে সঁচা এৰি মিছা ক'বলৈ ল'লে,

চিধা পোন কথা ক'বলৈ এৰি, বেঁকা-তেৰা কথা কৈ নিজক লুকুৱাবলৈ ধৰিলে, তেতিয়াৰ পৰাই পুৰণি ঐতিহ্যৰ পৰম্পৰাক এৰি নতুন পৰম্পৰা গঢ়াত মন বহিল। যেনে ধৰক, সুন্দৰ ব্যৱহাৰ আচৰণ, ধৰ্মীয় সজ কথা, সদাচাৰৰ ঘৰ এখনত এজন ল'ৰাই যেনি-তেনি কথা কৈ আধুনিক হোৱা ধৰণে ব্যৱহাৰ দেখুৱাই, এক কথাত ক'বলৈ গ'লে অনিয়ম বিশৃংখলাহে ভালপোৱা হ'ল। সেইজনেই আনক মানিব দূৰৰ কথা সিহে আনক অনিয়ম, ভালপোৱা শিকাবলৈ ধৰিলে।

বৰুৱা ঃ সেই কথাৰ ওপৰত নিৰ্ভৰ কৰিলেয়ই ড° সৰ্বপল্লী ৰাধাকৃষ্ণণে ধৰ্মৰ প্ৰসংগত কৈছে যে, 'Religion is a moral code of conduct' চাওক, আগৰ দিনত মানুহে কৰ্মৰ মাজেৰে জন্মৰ অধিকাৰ সাপেক্ষে মুকলিমুৰীয়া সুখ ধৰি ৰাখিব পাৰিছিল। আজিকালি হয় কৰ্ম ব্যস্ততা, নহয় ধনৰ আক্ৰোশত কোনেও যেন সুখ লাভ কৰিব নোৱাৰা অৱস্থা। ইয়াৰ লগতে দেখা যায় ভাগ্যক স্বীকৃতি নিদিয়াটোও এক দুখৰেই কাৰণ। অৰ্থাৎ জন্ম শক্তিক নমনা বা ফাঁকি দিয়া। জন্ম নমনা মানে বা ফাঁকি দিয়া মানে ধৰক— জন্মমৰ্মে পোৱা প্ৰতিভা অনুসৰি উচ্চ অভিলাষ পূৰ্ণ কৰিব বিচাৰে কোনো এজনে। ইয়াৰ এটা নিৰ্দিষ্ট Process of gradual development আছে, যদি এই ক্ৰমানুসাৰিক গতি নামানি জঁপিয়াব খোজে বিসংগতি হ'বই। এনে হ্ৰস্ব ম্যাদী হাবিয়াস পূৰ্ণ কৰাৰ অজুহাততে আহি পৰে পূজা, প্ৰাৰ্থনা আদি নানা ভাগ্যবান হোৱা পৰ্বৰ।

শৰ্মা ঃ প্ৰকৃততে এনে ইচ্ছা পূৰণৰ লগতে জীৱন জোকাৰি যোৱা মৃত্যু যাতনা আৰু মৃত্যুৰ নানা ঘটনা প্ৰবাহৰ উৎস এই অদৃশ্য শক্তিৰ সাধনা সাপেক্ষে দৃশ্যমান শক্তিৰ প্ৰতীক উপস্থাপনা কৰি মূৰ্তি সাজি দেৱ-দেৱীক উপাসনা কৰাৰ ধাৰণা অন্তৰত সোমাইছিল। এনেদৰেই দূৰ অতীতৰ পৰা পূজা-প্ৰাৰ্থনাৰ সোঁত বৈ আহিছিল। In relation to Indus valley civilization K. M. Sen says ,'...these people seem to have worshipped deities, both male and female, that have some connection with later Hindu Mythology' ইয়ে ব্যৱহাৰ আচৰণতো সহায় কৰিছিল।

চৌধুৰী ঃ চাওক, দূৰ অতীতত মানুহ অঘৰী হৈছিল খাদ্যৰ তাড়নাত, তেনেকৈ প্ৰকৃতিৰ মহাশক্তিৰ পৰিঘটনাৰ পৰিপ্ৰেক্ষিতত নিজকে ৰক্ষা কৰাৰ উপায় বিচাৰিছিল। ফলত দেৱ-দেৱীৰ শক্তিৰ সাধনা সন্দৰ্ভত পূজাত বলি-বিধান কৰি শক্তিক সন্তুষ্ট কৰাৰ চেষ্টা চলিছিল। শক্তি দেৱীৰ নামত প্ৰাণী উচৰ্গা কৰি খোৱাৰো ব্যৱস্থা হৈছিল আৰু আনকি এই জাতীয় খাদ্য বৰ তৃপ্তিকৰ বুলি ধাৰণাও ওপজিছিল। শক্তি দেৱীৰ এই অনুগ্ৰহে মানুহৰ মনত বিভিন্ন বিপদত স্থিৰতা বজাই ৰখাত সহায় কৰা ধাৰণা আজিও দেখা যায় বহুতৰ মনত। এনে পৰিপ্ৰেক্ষিততে ব্যৱহাৰ হোৱা তিনিটা ধাৰণা হ'ল— আস্তিক, নাস্তিক, এগ্নোস্তিক— আপুনি আলোচনাত চুই গৈছে।

ধৰ্মীয় ধাৰণাৰ এনে ভাগ যিয়েই নহওক কিয়, ঈশ্বৰ বিশ্বাসৰ ফলস্বৰূপে মঠ-মন্দিৰ, দেৱালয়, সত্ৰ-নামঘৰ, দৌল, মছজিদ, গীৰ্জা আদি দূৰ অতীতৰে পৰা গাঁৱে-ভূঞে, নগৰে-চহৰে, পৰ্বতে-পাহাৰে, সাগৰৰ উপকূলে তিলাই বন গজা দি গঢ় লৈ উঠিছে। বিশ্বব্ৰহ্মাণ্ডৰ মহাশক্তিক উপস্থাপনা কৰাৰ পৰিপ্ৰেক্ষিতত আকৌ ঈশ্বৰ বিশ্বাসৰ দুটা ভাগে প্ৰত্যেকেই নিজৰ বিশ্বাসটো একক সৰ্বশক্তি হিচাপে পূজা-প্ৰাৰ্থনা কৰি আহিছে, ইতিহাসে ঢুকি নোপোৱা দূৰ অতীতৰ পৰা। এটা পিতৃ প্ৰধান, আনটো মাতৃ প্ৰধান। পিতৃ প্ৰধানৰ আকৌ দুটা ভাগ, এভাগৰ মতে শিৱ সৰ্ব শক্তিমান আৰু আন ভাগৰ মতে বিষ্ণু। মাতৃ ভাগৰ হ'ল দুৰ্গা বা ভাগৱতী, কালী আৰু মনসা— এটাৰে বিভিন্ন ৰূপ।

শিৱ আৰু বিষ্ণু ভক্তসবৰ মাজত অৰিয়া-অৰি নাই যদিও শিৱক বিশ্বব্ৰহ্মাণ্ডৰ মহাশক্তিৰ অধিকাৰী হিচাপে এক শ্ৰেণীৰ ভক্তৰ মাজত শিৱ তথা হৰ হৰ মহাদেৱ হৈয়ে থাকিল। আনহাতে বিষ্ণু সূৰ্যৰ প্ৰতীক আৰু কৃষ্ণ ব্ৰহ্মা ৰূপত তেওঁৰেই (বিষ্ণু) পূৰ্ণাংগ অৱতাৰ হিচাপে সৃষ্টি, স্থিতি, লয়ৰ একমাত্ৰ কাৰণ বুলি জাহিৰ কৰিছে। এনে সন্দৰ্ভতে বৈষ্ণৱ ধৰ্মৰ নামত দ্বৈত আৰু অদ্বৈত বাদৰ ঠাল-ঠেঙুলি বঢ়াইছে।

বৰুৱা ঃ আৰু কি জানে, শিৱক একমাত্ৰ বেলপাত দি পূজা কৰিলেই সন্তুষ্ট হয় বুলি মানুহৰ বিশ্বাস, তাৰোপৰি শিৱ, মহাদেৱ অতিকৈ উদাৰ,

ভোলানাথ, তথা বমভোলা (ভাঙৰী) বুলি ভক্তই বিশ্বাস কৰে। সেয়েহে মহাদেৱক মুক্তমনে পূজা কৰি নিজৰ মনক বহু দুখ-বেদনা আঁতৰাই মুকলি আকাশত মুক্তমনে মিলাই দিব পাৰি। এয়া শিৱ গণধৰ্মৰ প্ৰতীক, অতিকৈ প্ৰাচীন।

চাওক, কাঁঠি এডাল দিয়াশলাইত মাৰিলে, শিলক শিলে ঘৰ্ষণ কৰিলে জুই উঠে; আকাশত মেঘে মেঘে খুন্দা খালে জুই, বজ্ৰপাত ধ্বনিৰ সৃষ্টি হয়। এয়া মুকলি প্ৰকৃতি তত্ত্বতে নিহিত বিজ্ঞান। এনেদৰে আত্মবায়ু আৰু মাতৃ গৰ্ভৰ জৰায়ুত কোষ হিচাপে থকা ভ্ৰূণ মাংস পিণ্ডৰ সংযোগত প্ৰাণৰ বা জীৱৰ সৃষ্টি হয়। এই সৃষ্টি তত্ত্বতে আছে এক অবিৰত সৃষ্টি তত্ত্ব। এয়া প্ৰকৃততে মহাজাগতিক শক্তি পৰিচালিত স্বতঃস্ফূৰ্ত প্ৰাকৃতিক ক্ৰিয়া। এই সৃষ্টিতে লুকাই আছে আয়ুস ৰেখাডালো।

শৰ্মা : তেনেকৈ জৰা, ব্যাধি, মৃত্যু, প্ৰলয়, মহাপ্ৰলয়, মহাকাল শক্তিৰ উৎসৰ পৰিপ্ৰেক্ষিতত সাধনাৰ ফলস্বৰূপে দুৰ্গা বা ভাগৱতী তথা কালী—মনসাৰ ধাৰণা জাগিল এই শক্তিৰ অধিষ্ঠাত্ৰী দেৱী হিচাপে। গতিকে ইতিহাসে ঢুকি নোপোৱা দূৰ অতীতৰ পৰা চলি অহা এই শক্তি সাধনা একে চাতে নুই কৰিব নোৱাৰি। সময়ৰ সোঁতত পৰিৱৰ্তনত বাদে কোনো কথাই নোহোৱাকৈ থকা নাই আৰু অতীতৰ সম্পৰ্ক নথকা নতুনকৈ কোনো কথাও সৃষ্টি হোৱা নাই।

বৰুৱা : শক্তি সাধনাৰ আঁৰত থকা আন এটা কথাৰ সম্ভাৱনাও উলাই কৰিব নোৱাৰি, সেইটো হ'ল— আজিকালি আমি ভাবোঁ যে আমাৰ জীৱনটো আমিয়ে চলাই আছোঁ; কিন্তু প্ৰকৃত পক্ষে ক'বলৈ গ'লে জীৱনটোৱেহে আমাক চলাই আছেঁ, যেনে— নাপাওঁ বুলি ভাবোঁ, হঠাতে বহুত পাই যাওঁ আৰু পাম পাম বুলি ভাবি আশা পালি থাকোঁতেই আজিকালিৰ বোমা বিস্ফোৰণে নিমিষতে হাত-ভৰি, গা-মূৰ চিণ্ডি সিঁচৰতি কৰি জীউ কাঢ়ি নিয়াৰ দৰে, আগৰ বঢ়া ভাতখিনিও বন্ধুৱে শত্ৰু হৈ কাঢ়ি লৈ যায়। অৰ্থাৎ যিখিনি হাতৰ মুঠিত আছিল সেইখিনিও ধৰি ৰাখিব নোৱাৰিলে; তেনেকৈ কলেৰা, মহামাৰী, বসন্ত, আদি হৈ আৰু নানা ৰোগ, ব্যাধি আদিয়ে মৃত্যু ঘটাইছিল। এনে চিন্তাৰ আঁত ধৰিয়েই এসময়ত হয়তো ধাৰণা কৰিছিল যে

দেৱ-দেৱী প্ৰমুখ্যে (বহিঃশক্তি দেৱতা বা দেৱী) বহিঃ প্ৰকাশিত শক্তিক সন্তুষ্ট কৰিব পাৰিলে সুখ-শান্তিৰে সংসাৰখন চলাব পাৰিব। ইয়াতে আকৌ হয়তো কোনোৱে মন্ত্ৰ-তন্ত্ৰৰ প্ৰলেপ সানি বিভিন্ন ৰূপত উপস্থাপনা কৰিছে। পৌৰাণিক সমাজ শৃংখলাৰ ধাৰাটো ধৰি ৰাখিছিল এই ধাৰণাই, লগতে শিক্ষা-দীক্ষাত ব্যৱহৃত সংস্কৃত ভাষাৰ জ্ঞান গভীৰ কথাৰ বহুল প্ৰচাৰে।

সময় বিশেষে পৰিৱেশ সাপেক্ষে মনৰ ঐকান্তিকতাত এই শক্তি সাধনাই ফল দিছিল। আনহাতে জীৱাত্মা স্বৰূপ একাত্মবোধৰ ধাৰণা নাইবা অন্তৰ্দৃষ্টি নিবন্ধ কৰাত বা আনকি নিজক বিচাৰি চোৱাৰ ধাৰণা ওপজা নাছিল। এনে জীৱাত্মাৰ ধাৰণাই মনৰ বহু দূৰতে অৱস্থান কৰিছিল। য'ত জীৱ তত শিৱৰ আত্মিক ধাৰণাই পোখা মেলা নাছিল।

চৌধুৰী ঃ মুঠতে এই আত্মিক শক্তিৰ ওপৰত থকা বিশ্বাসৰ মানসিক তথ্য ভিত্তিক সমলৰ অভাৱে জীৱৰ সৃষ্টি, বিকাশ আৰু লগতে এই বিশ্বব্ৰহ্মাণ্ডৰ বহিৰ্প্ৰকাশিত মহাজাগতিক শক্তিৰ উৎসৰ সম্পৰ্কে চিন্তা কৰিবলৈ শক্তি পূজাই বাট এৰি দিয়া নাছিল।

বৰুৱা ঃ তদুপৰি কি জানে? এই শক্তি পূজাৰ খৰচ বহুল বিধি ব্যৱস্থাই আবদ্ধকৈ ৰখা মুকলি জীৱনটো বিচাৰি চাবলৈ সময়ে পলমকৈহে যেন আহ্বান দিছিল। এনে আহ্বানৰ পৰিপ্ৰেক্ষিততে ৰোপিত হৈছিল বৈষ্ণৱ ধৰ্মৰ বীজ। সময়ত ফুলে-ফলে জাতিষ্কাৰ হৈ উঠিছিল বৈষ্ণৱ ধৰ্মৰ কৃষ্ণ বৃক্ষ। ধৰ্মৰ এই কৃষ্ণ বৃক্ষই বিশ্বব্ৰহ্মাণ্ডৰ সৃষ্টি আৰু পৰিচালনাৰ সন্দৰ্ভত সকলো শক্তিৰ মূল হিচাপে সূৰ্যৰ দৰে শক্তিৰ বৈজ্ঞানিক ধাৰণা মনত জগাইছিল। এয়া—The Sun is the source of all energy, including creation etc. পৰ্যায়ক্ৰমে সূৰ্যই বিষ্ণু, বিষ্ণুই ব্ৰহ্মা, ব্ৰহ্মাই কৃষ্ণ বিচাপে উপস্থাপিত হ'ল ধৰ্মীয় কাহিনীত। এনেদৰে উপনিষদৰ যুগৰ পৰা এক নতুন মুক্ত ধৰ্মীয় বা-বতাহ চলিবলৈ ল'লে।

অৰ্থাৎ মানুহৰ ধাৰণা উপজিল যে মানুহৰ জীৱনত খোৱা-লোৱা, পিন্ধা আৰু সুখৰ জীৱন যাপন কৰি সংসাৰ পাৰ হৈ যোৱাই যথেষ্ট নহয়। আত্মপ্ৰকাশৰ পৰিপ্ৰেক্ষিতত জীৱন বিকাশৰ কথা আছে আৰু এই জ্বালা-যন্ত্ৰনা, সুখ-দুখ, জীৱন-মৃত্যুৰ কাৰণ সম্পৰ্কে ভবাৰো

থল আছে। এনেদৰেই নতুন চিন্তাই আগবাঢ়ি আহিল।

চৌধুৰী ঃ চাওক, আজিকালি দেখিব ঘৰবিলাক দেখাত বাহিৰৰ পৰা বৰ সুন্দৰ, জাকজমক, শুৱনি; কিন্তু ভিতৰি ভিতৰি বুজিব তাত বৈ থাকে বহুতো কোবাভাতুৰিৰ দুখৰ কাহিনী। তেনেদৰে দেখিব কোনোজনে পূজা-প্ৰাৰ্থনা কৰি বলি-বিধান দি জাকজমকতাৰে উৎসৱ পালন কৰি আনন্দ লাভ কৰিলে, তেওঁ দোপত দোপে দেৱীৰ আশিস লভি উন্নতিও কৰিলে। আকৌ দেখিব কোনোজনে এনে কাৰ্য সমাপন কৰি দেওলীয়া হৈ গ'ল। ইয়েও বিকল্প চিন্তাৰ সন্ধান দিলে। এনে ঈশ্বৰ চিন্তাৰ বীজ উপনিষদত Atman আৰু Brahman ৰ উল্লেখেৰে ৰোপণ কৰা হ'ল।

বৰুৱা ঃ কিন্তু আত্মাৰ সন্ধান আৰু আত্মা পৰমাত্মাৰ নিবিড় সম্পৰ্ক শ্ৰীমদ্ভাগৱত গীতাতহে জন্ম সংস্কাৰ সাপেক্ষে সকলো জ্ঞাত হ'ল। আধ্যাত্মিক জ্ঞানৰ পৰিপ্ৰেক্ষিতত এই পৰমাৰ্থ তত্ত্ব বীজৰ অংকুৰণ ডালে-পাতে, ফুলে-ফলে ইয়াত জাতিষ্কাৰ হৈ উঠা দেখিলে ভক্তসকলে। এই ভাগৱত পুৰাণকে পঞ্চম বেদ বুলি ধৰে। তাৰ পিচত আকৌ এই ফলৰ ৰস উলিয়াই শ্ৰীকৃষ্ণ গীতাত ভৰাই লোৱাত সৰ্বসাধাৰণ ভক্ত বা ৰাইজে সহজে সেৱন কৰিব পৰা হ'ল। শ্ৰীমদ্ভাগৱত গীতাত কৈছে—

বহুনাং জন্মনামন্তে জ্ঞানবান মাং প্ৰপদ্যতে।
বাসুদেৱঃ সৰ্বমিতি স্বঃ মহাত্মা সুদুৰ্লভঃ।।

শ্ৰীকৃষ্ণই অৰ্জুনক বুজাইছে যে বহুজন্ম সাধনাৰ পিচত জ্ঞানী ভক্তই তেওঁক লাভ কৰে। 'বাসুদেৱেই সকলো' এনেকুৱা জ্ঞানেৰে তেওঁক পায়, এনে মাহাত্ম্য দুৰ্লভ। পৰম শক্তি স্বৰূপ 'বাসুদেৱ' সম্পৰ্কে কৈছে— যিজনে বিশ্বব্ৰহ্মাণ্ডত ব্যাপী আছে, যি সকলো প্ৰাণীৰ অন্তৰত বাস কৰে তেওঁই বাসুদেৱ। কৃষ্ণ ভক্তিৰ কৰ্ম তত্ত্ব অৱগত হৈ জীৱন যাতনাৰ পৰা মুক্তি পাবলৈ বিচৰাই হ'ল সনাতন ধৰ্ম আধ্যাত্ম্য বিষয়। এই বাসুদেৱ স্বৰূপ বায়ুকণাই হ'ল সকলো প্ৰাণীৰ অন্তৰ আৰু বাহিৰত তথা বিশ্বব্ৰহ্মাণ্ড বিয়পি থকা পৰম শক্তি। এই নতুন ধৰ্মীয় ধাৰণাৰ দ্বাৰা প্ৰকৃততে প্ৰতিভা বিকাশত দৈহিক আৰু আত্মিক, সংস্কাৰৰ প্ৰভাৱ প্ৰতিভাত হৈছে।

শৰ্মা ঃ এনেদৰে পৰিৱৰ্তিত মানৱীয় চিন্তা ধাৰাই জনমানসত নতুনভাৱে

ক্রিয়া কৰাৰ ফলত নৰ বলি বা ৰাণীয়ে তেজেৰে গা ধোৱা প্রথাৰো অৱসান ঘটিল। আনকি মানুহৰ তেজ দিলে পথাৰত শস্য ভাল হয় বুলি কৰা ধাৰণাও সময়ত অসাৰ বুলি প্রতিপন্ন নোহোৱাকৈ নাথাকিল। মুঠতে মানৱীয় চিন্তাধাৰাই অন্তৰ চুই গ'লে অন্যায় বা দুর্নীতিপৰায়ণ হিংসাৰ কামো হাতৰ পৰা পিছলি পৰে। এয়া শুদ্ধ আত্মাৰ মানুহজন স্বচ্ছ পদাৰ্থৰ দৰে নিজেই প্রতিভাত। Jesus says, 'He that has seen me has seen the father. (St. John. ch. 14, 289- as shown by K. M. Sen.)

মহান, মহৎ, মহাপুৰুষ, সিদ্ধপুৰুষ, ঋষি-মুনি, সাধকসকলৰ জীৱন পৰিক্রমাৰ পৰা দেখা যায় যে আত্মা দর্শন সাপেক্ষে (কৃষ্ণই অর্জুনক ব্রহ্মাণ্ড দেখুৱাৰ দৰে) মানুহে যেতিয়া এক জীৱাত্মা স্বৰূপ স্থিতি হিয়াত লৈ সৎ, সমতা, আৰু ন্যায়-নীতিৰ পূজাৰী হৈ ঈশ্বৰ সাধনত ৰত হয়, মনৰ অস্থিৰতাও লগে লগে আঁতৰি যায় আৰু কোনো সমস্যাই সেই স্থিৰতাত সন্দেহৰ আৱৰ্তত পেলাব নোৱাৰে। বৰং সমস্যাটোহে তেওঁৰ স্থিৰতাত সমধান বিচাৰি পদূলি মুখত থিয় হয়।

ইয়াৰো কাৰণ কেনেকৈ নিহিত হৈ থাকে সেই কথাৰ অনুভৱ সম্পৰ্কে শ্রীমদ্ভাগৱত গীতাত কৈছে—

আপূর্য্যমানমচল প্রতিষ্ঠং সমুদ্রমাপঃ প্রবিশন্তি যদ্‌বৎ
তদ্‌বৎ কামা সং প্রবিশন্তি সর্বে
স শান্তিমাপ্নোতি ন কামকামী।।

অর্থাৎ অপাৰ স্থিৰ জলসমুদ্রত যেনেকৈ বিভিন্ন জলৰাশি আহি প্রৱেশ কৰে আৰু লীন হৈ যায়, তেনেকৈ যি মহাত্মাত বিষয়বোৰে স্থিতি লাভ কৰি স্থিৰ হৈ মিলি যায়, কোনো চিত্ত বিক্ষেপ উৎপন্ন নকৰে, তেওঁৱেই শান্তি লাভ কৰে।

এইদৰে দেখা যায়, ৰাম-কৃষ্ণক ধৰি ভক্তি আন্দোলন গঢ়ি উঠে যদিও অৱতাৰৰ ধাৰণা নোহোৱাকৈ শৈৱ, শাক্ত আৰু বিষ্ণু পূজাৰ জৰিয়তে বিভিন্ন খেলৰ মাজত ঈশ্বৰ ভক্তি প্রবাহ চলি থাকে। K. M. Sen Says, '...some form is attributed to the formless and He is worshipped in the form of say, Visnu or Shiva, or Kali.' According to him, 'Hinduism is a product of many cultures.'

চৌধুৰী ঃ হেৰি, সিপুৰীত মোক্ষৰ কথা ভাবি আজিৰ মানুহে হাবাথুৰি খাই মুৰ

গৰম কৰিবলৈ নিজৰ সামৰ্থক গুৰু-গোসাঁইৰ ওচৰত লেউ-সেউ হৈ পৰিবলৈ নিদিয়ে নাইবা মহাভাৰতত উল্লেখিত একলব্যৰ দৰে বুঢ়া আঙুলি কাটি হাত খোৰা হৈ নিজকে বৰ্তমানৰ মুখাপেক্ষী কৰ্মৰ পৰা বিৰত হ'বলৈ কূটনীতিৰ ওচৰত নিজৰ সৰল নীতিগত নিজস্বতাক বিক্ৰী নকৰে। তদুপৰি দেখিছেই নহয়, ভোগবাদে মোক্ষৰ সকলো জন্মান্তৰবাদৰ ধাৰণা নিতিবাচক কৰি দিছে। যেনে— ভৱিষ্যতে কি হ'ব নাজানোঁ, অতীতত কি আছিলোঁ তাকো ক'ব নোৱাৰোঁ, জীৱনটো যিহেতু পাইছোঁ বৰ্তমানতে সকলো ভোগ কৰিব বিচাৰোঁ। সেয়ে জীৱন থাকিলে ভোগ থাকিবই। কিন্তু কথা হ'ল জীৱনটো জীয়াই ৰাখিব পৰাৰ ব্যৱস্থাটোহে আচল। অৰ্থাৎ প্ৰকৃত জীৱন জীয়াই ৰখাৰ কাৰণে স্ব-জ্ঞানে, সুস্থ শৰীৰে কৰা কৰ্ম।

সেয়েহে এই কৰ্মানুসাৰে কালৰ হাতৰ ফলৰ পৰা কোনেও অব্যাহতি নাপায়। কৃষ্ণ চক্ৰই তেনে কালকে প্ৰদৰ্শন কৰিছে। এনে প্ৰদৰ্শনৰ আঁতধৰি 'শ্ৰীশ্ৰী গীতামাহাত্মম'ত ঋষিয়ে 'সুত'ক আত্মজ্ঞানৰ সন্দৰ্ভত সোধা প্ৰশ্নৰ উত্তৰৰ ক্ষেত্ৰত কৈছে যে—

'কৃষ্ণো' জানাতি বৈ সম্যক কিঞ্চিৎ কুন্তীসুতঃ ফলম্।
ব্যাসো বা ব্যাসোপুত্ৰো বা যাজ্ঞবল্ক্যোহথমৈথিলঃ।।
অন্যে শ্ৰৱণতঃ শ্ৰুত্বা লেশং সংকীৰ্ত্তয়ন্তি চ।
তস্মাৎ কিঞ্চিৎ বদাম্যত্ৰ ব্যাসস্যাস্যান্ময়া শ্ৰুতম্।।

সেয়া কৃষ্ণই গীতা মাহাত্ম্য ভালদৰে জানে, কুন্তী নন্দন অৰ্জুনে, ব্যাসদেৱে, তেওঁৰ পুতেক শুকদেৱে, যাজ্ঞবল্কই আৰু জনক ৰজাই অলপ অলপ জানে। আনসকলে আনৰ মুখৰ পৰা শুনি শুনি অলপহে কীৰ্তন কৰে; মই ব্যাসদেৱৰ মুখৰ পৰা যি শুনিছোঁ তাকেহে ইয়াত অলপ কম। এয়া পাৰ্থিৱ অনৰ্থৰ ৰোগৰ পৰা মানুহক বচাই ৰখাৰ জ্ঞানোষধি।

বক্তা ঃ আপুনি ঠিকেই ধৰিছে, এনে পৰিপ্ৰেক্ষিতত আৰু কৈছে, যি মানুহে ঘোৰ সংসাৰ সাগৰ পাৰ হ'বলৈ ইচ্ছা কৰে তেওঁ গীতা ৰূপ নাৱত উঠি সুখে যাব পাৰে। তাকেই গীতাৰ মাহাত্ম্যতো দোহাৰিছে। এনে কথাই বাস্তৱ পৃথিৱীৰ কৰ্ম সাপেক্ষে ধৰ্মৰ ধাৰণা মনত পেলায়। যেনে চৰুত নিসিজে ভাত, যদি তলত নাথাকে জুইৰ তাপ; পেটত যদি নপৰে

ভাত, মুখেৰে নোলায় মাত। এনে ধাৰণাতেই শেষত উল্লেখ কৰিছে—

শ্ৰুত্বা গীতামৰ্থযুক্তাং মাহাত্ম্যং যঃ শৃণোতি চ।
তস্য পুণ্য ফলং লোকে ভবেৎ সৰ্বসুখাবহম্।।

এইজনেই সেইজন, যিজনে অৰ্থৰ সৈতে গীতা আৰু মাহাত্ম্য শুনে। লগতে মোৰ এটা কথা মনত খেলাইছে এই যে আনক সন্তুষ্ট কৰি নিজে সন্তুষ্টি লভা। এয়াও এক সম-লেভেল মনৰ প্ৰৱণতা। ধৰক ৰান্ধনীয়ে সোৱাদযুক্ত আহাৰ তৈয়াৰ কৰি আপোনাক খুৱালে, আপুনিও বৰ তৃপ্তিৰে খালে আৰু খাই-বৈ উঠি তেওঁক বখানিলে। এই প্ৰশংসা শুনি তেৰোঁ পৰিতৃপ্তি লাভ কৰিলে। এই পৰিতৃপ্তিৰ কাৰণেই তেওঁ ৰন্ধা কামটো নিষ্ঠাৰে কৰিলে। এনে আনক তৃপ্ত কৰি নিজে পৰিতৃপ্ত হোৱা মানুহজন নিয়মৰ মানুহ। যেনে ধৰক প্ৰাকৃতিক দুৰ্যোগত আনকো সহায় কৰিলে আৰু নিজেও ৰক্ষা পৰিল। কিন্তু এনে হয় যে সুবিধাৰে আঁত ধৰি গোষ্ঠী সংঘৰ্ষ লগাই আনকো মাৰিলে নিজেও ধ্বংসত পতিত হ'ল। উভয়ৰে ধ্বংসইহে মোখনি মাৰিলে। ৰাজনীতিত এইটোৱে প্ৰতিফলিত হৈছে যে আত্মজ্ঞান স্বৰূপ যোগ্যতাৰ বিচাৰহীন সুবিধাবাদৰ লোভৰ প্ৰভাৱে গণতন্ত্ৰৰ ভেঁটি উছন কৰিছে।

শৰ্মা ঃ হেৰি, ভাষা, ধৰ্ম, বৰ্ণ, জাতি, জনজাতি, কলা-কৃষ্টি-সংস্কৃতি যিয়েই নহওক, তৰ্জুৰ মানৱীয় সমতাতহে ঐক্যতা নিৰ্ভৰ কৰে। এই ঐক্যতাত মনৰ মিল থাকে। সেয়েহে এইডালেই প্ৰকৃত মানৱীয় এনাজৰী। চাওক, কোনে কাক গলত গামোচা দিলে, কোনো কাক হিংসা কৰিলে, সেইটো ডাঙৰ কথা নহয়; ডাঙৰ কথা হ'ল কৰ্মৰ মাজেৰে সচ্চিদানন্দ হ'ব পৰাটো। প্ৰকৃত সমাজকৰ্মী তথা দেশপ্ৰেমিকে সন্মান বা প্ৰশংসাৰ কাৰণে কৰ্ম নকৰে। জীৱন কৰ্মৰ মাজেৰে জন্ম সূত্ৰে পোৱা প্ৰতিভাৰ প্ৰতিফলন ঘটায়। এই প্ৰতিফলনৰ মাজেৰে পূৰ্ণ হয় জীৱন কৰ্ম, আৱিষ্কাৰ হয় ইয়াৰ ধৰ্ম।

বৰুৱা ঃ এয়াই প্ৰকৃতিৰ সত্য, সনাতন প্ৰবাহ ৰীতি, বায়ু-পানীৰ সম-লেভেল প্ৰৱণতা স্বৰূপ (প্ৰাণীৰ জন্মৰ অধিকাৰ প্ৰৱণতাৰ দৰে) ৰীতি। শক্তি ৰূপান্তৰত ৰাসায়নিক সমীকৰণৰ ক্ৰিয়া-বিক্ৰিয়াত থকা পদাৰ্থ কণাৰ মিলন ক্ৰিয়াৰ অনুপাতত (যেনে— হাইড্ৰোজেন অক্সিজেনৰ ২ঃ১ অনুপাতত পানী

হোৱা ক্রিয়া) সৃষ্টি প্রক্রিয়াৰ সমতাই বিশ্বব্রহ্মাণ্ড এক কৰি ৰাখিছে।

শৰ্মা : হেৰি, এটা শ্রেণীৰ মানুহ আছে যিয়ে সম্পূর্ণ নিখুঁত কর্ম এটাটো খুঁত উলিয়াব বিচাৰে। এয়া হ'ল অতৃপ্তবাদী পুৰুষ। তেওঁৰ জীৱনটোৱেই ঋণাত্মক। আচলতে ক্ষুধা নিবৃত্তিৰ পিচত অন্তৰাত্মা পৰিতৃপ্ত হয়। এনে পৰিতৃপ্ততাতো, এনে মানুহ আছে, ঘাটি উলিয়াব বিচৰাটো এক স্বভাব। এয়া চিৰকলীয়া তাৰ মনৰ অভাব। গতিকে মানুহ এতিয়া এনে কৃত্রিমতালৈ ঢপলিয়াইছে য'ত নেকি তৃপ্তিকো বা খাই পৰিতৃপ্ত পোৱা বস্তুকো এক পণ্য সামগ্রীৰূপে লোৱাৰ প্রৱণতাই আত্মবঞ্চিত অবস্থা প্রকট কৰিবলৈ লৈছে নিজক শীর্ষত অৱস্থান কৰাৰ বাবে।

বৰুৱা : এই আত্মবঞ্চনাই শেষ বঞ্চনা বুলি যিদিনাই বোধগম্য হ'ব সেইদিনাৰ পিচত উভতি অহা বাটটো ঘোৰ এন্ধাৰত নিমজ্জিত হোৱা দেখিব। সগুণ জীৱ সত্ত্বা আৰু নির্গুণ পৰমসত্ত্বাৰ মাজৰ সাঁকোখন ঘোৰ অন্ধকাৰ অমাৱস্যাৰ ৰাতি অদৃশ্য হৈ পৰিব আৰু তেওঁ নিজৰ অস্তিত্বও খেপিয়াই বিচাৰি নাপাব। মুঠতে কি সুখ-দুখ, কি সু-ৰূপ-কুৰূপ, কি সুস্থ সামাজিক জীৱন কি অসুস্থ জেল গৰকা জীৱন, কি জয়-পৰাজয়, কি সুকীৰ্তি-কু-কীৰ্তি সকলোতে দেখিব বিজ্ঞানৰ প্রকৃত সত্য সমীকৰণ সাপেক্ষে সমতা আৰু সততাই প্রক্ষেপিত হৈ আহিছে। আনকি মহাভাৰতৰ যুদ্ধতো কৃষ্ণভক্ত ভীষ্ম আৰু কৃষ্ণৰ মাজত অংগীকাৰ ভংগৰ সাম্যতাই প্রতীয়মান হৈছে।

শৰ্মা : তাৰমানে?

বৰুৱা : এয়া সমতাৰেই প্রতিভাত স্বৰূপ; কৃষ্ণই ছলনা কৰি অর্জুনৰ হতুৱাই দুৰ্যোধনৰ পোছাক পিন্ধি পাঁচপাট অব্যর্থ পাশুপাত অস্ত্র হস্তগত কৰি ভীষ্মক নিঠৰুৱা স্বৰূপ অস্ত্র শূন্য কৰাত বৰ দুখেৰে সংকল্প লৈছিল যে তেওঁ কুৰুক্ষেত্র যুদ্ধত অস্ত্র ধৰিব নিবিচৰা গোসাঁই কৃষ্ণক বাক্য ভংগ কৰাব। যুদ্ধত সেয়াই হ'ল, ভীষ্মৰ শৰৰ আক্রমণত উপায় নাপাই কথা বিষম দেখি কৃষ্ণই ৰথৰ চকা খুলি যুদ্ধত অৱতীর্ণ হৈছিল। ইয়াতেই ভক্তৰ অধীন ভগবান আৰু সমতাৰ তত্ত্ব উপস্থাপিত হৈছে। ইয়ে সংসাৰৰ ইতিবাচক দিশ।

চৌধুৰী : গতিকে দেখা যায়, সত্য আৰু সমতাতেই ভগবান ছাঁ হৈ থাকে। এই

বৈজ্ঞানিক তথ্য ভিত্তিক সত্যতেই ভগৱান দৃশ্যমান হৈ পৰিব যিদিনা, সিদিনা মানুহে নিজৰ ভুল নিয়ন্ত্ৰণ কৰিব পাৰিব। মগজু আৰু হাত সত্য, সমতাৰ চাকৰ হ'বলৈও কুণ্ঠাবোধ নকৰিব।

চাওক, শুকুনি পক্ষৰ এশৰ মৃত্যুৰ এনে সমতাৰ সত্য প্ৰতিফলিত হৈছিল কৌৰৱ পক্ষৰ এশৰ মৃত্যুত (এজনত বাদে)। এয়া ৰাসায়নিক সমীকৰণ স্বৰূপ প্ৰকৃতি সত্য সাপেক্ষে পাৰ্থিব তৰ্জুৰ সমতা শুদ্ধ ৰূপ। সেয়া যিজন মানুহে টকাৰ লোভত মানুহ হত্যা কৰি ধনী হ'ল, সেইজনেই নিজৰ গাড়ীৰে, নিজৰ মাকক নিজৰ ঘৰৰ দুৱাৰ মুখতে পিতৃৰ আগত খুন্দিয়াই মাকক মাৰি নিজেও অনুতপ্ত হৈ শেষত মৰিবলগা হ'ল। এয়া তৰ্জুৰ সত্য, সমতাতেই ভগৱানৰ স্থিতি; নাই তাত স্বজন প্ৰীতি, তোষামোদ ৰীতি, ভাষা, ধৰ্ম, জাতি, অজাতি। অন্তঃস্থ আৰু বহিঃস্থ দুটা সুকীয়া পৰিৱেশত মাতৃ গৰ্ভত বৰ্দ্ধিত 'জিন'ত আত্মাৰ প্ৰৱেশ ঘটি জন্ম হোৱা আৰু বিভিন্ন পৰিৱেশত ডাঙৰ-দীঘল হোৱা দুজন মানুহৰ (পতি-পত্নীসহ) মাজত মিলা প্ৰীতি আহিব লাগিলে, উভয়ৰে মানসিক উৎকৰ্ষতা সাধনৰ স্তৰ নিজক আনজনৰ লগত মানৱীয় দৃষ্টিভংগীৰে এৰাধৰা কৰি মিলাব পৰা-নপৰাৰ ওপৰত নিৰ্ভৰ কৰে। এনে মিলাপ্ৰীতিৰ সাঁকোখন নিজৰ ভৰিৰ খোজৰ বাটতে বিদ্যমান।

বৰুৱা : মুঠতে জীৱন জীয়াই ৰখাৰ তত্ত্বটো য'ত নিহিত থাকে, তাতেই সুখ বিৰাজ কৰে। হেৰি, ৰাতি কিমান হ'লহে? ঘড়ীটো চাওকচোন।

শৰ্মা : ওৱাল ঘড়ীটোলৈ মুৰ তুলি চাই ক'লে, অ' দহটা বাজেই আৰু।

চৌধুৰী : আজিৰ কাৰণে তেনেহ'লে অন্তই পেলাওক।

বৰুৱা : হ'ব দিয়ক, কাইলৈ মোৰ কাম আছে, অহা পৰহি বিহুতলীত লগ হ'ম।

চৌধুৰী : মোৰ আকৌ পৰহিহে কাম আছে।

শৰ্মা : তেনেহ'লে, The day after yesterday লগ হ'ম।

বৰুৱা : ঠিক আছে, আহিব তেনেহ'লে গধূলি। (তিনিওজনকে শৰ্মাই দুৱাৰমুখলৈ আগবঢ়াই থৈ আহিল)।

এঘাৰ

তিনিওজনৰ বিশেষ অসুবিধাবশতঃ সময়মতে বিহুতলীত লগ হোৱা পৰিৱেশ সৃষ্টিৰ মোকামিলাত সফল নহ'ল। যিদিনা ঘৰুৱা পৰিৱেশে মিলাৰ সুযোগ দিলে সেইদিনা মাঘী পূৰ্ণিমা। গৈ-থৈ ভাল সময়ে মিলি গ'লগৈ। দুবৰি দলিচাত তিনিওজনে আৰাম কৰি বহি ল'লে। চাই থাকোঁতেই চৌদিশ জোনৰ পোহৰেৰে আলোকিত হৈ পৰিল।

শৰ্মা : ব্যস্ততাই বান্ধিৰখা বাবেই বহুদিন বাহিৰ ওলাবই পৰা নাছিলোঁ। বৰ ভাল লাগিছে আজি। পিঞ্জৰাৰ চৰাই মুকলি আকাশলৈ উৰি অহা যেন অনুভৱ হৈছে। চাওকচোন, পূৰ্ণিমাৰ জোনটো কি উজ্জ্বল, আঘোণ মাহৰ ৰাস পূৰ্ণিমাৰ নিৰ্মল জোন যেন লাগিছে।

চৌধুৰী : অ', আঘোণ মাহৰ পূৰ্ণিমাতে আমি সৰু থাকোঁতে গাঁৱত মহ-হো-হো খেলিছিলোঁ, হাতত একোডাল টোকান ধৰি। সন্ধিয়াৰ পৰা আৰম্ভ কৰি ৰাতি এক-ডেৰ বজালৈ— ঘৰে ঘৰে ঘূৰিছিলোঁ, ধনী-দুখীয়া এঘৰো বাদ পৰা নাছিল; এক অনা, দুই অনা, চাৰিঅনা বা আঠঅনা, টকাটো কোনোবাইহে দিছিল। যেন বহুত পইচা, হাতত লৈ ঘূৰাই ঘূৰাই চাই টেমাত ভৰাইছিলোঁ; টেমা জোকাৰি জোকাৰি বৰ আনন্দ লাভ কৰিছিলোঁ। সেই টকাৰে কেইদিনমান পিচত খানা খাইছিলোঁ। ভাবিলে আজিও মন পুলকিত হৈ উঠে।

আজিও সেই যেন একেই স্নিগ্ধ ৰূপালী জোনাক, চৌদিশ মনোমুগ্ধকৰ; এয়া যেন কবিতাৰ জ্যোৎস্না পুলকিত প্ৰাণোচ্ছল পূৰ্ণিমাৰ ৰাতি। মানুহ বাৰু জোনৰ এই পবিত্ৰ শান্ত, শীতল, নিৰ্মল, স্নিগ্ধ, মনোমুগ্ধকৰ আনন্দৰ পৰিৱেশক লৈ নিজৰ জীৱনৰ আন্ধাৰ দিশত কি ভাবিব পাৰে?

এই জোনৰ কথা আৰুনো কি কম, কি নকম, এই জোনেই মোৰ জীৱন পোহৰ, জীৱন প্ৰাণ, বুকুৰ কলিজা, মনৰ কেঁচা সোণ।

এয়া মোৰ জীৱনৰ আত্মিক উচাহ, ইয়ে মোৰ মন আপ্লুত কৰি তোলে; নিসংগতাৰ সংগী, আনন্দৰ বাহক, জীৱন জখলাৰ পথ প্ৰদৰ্শক। এনে পৰিপ্ৰেক্ষিততে আনকি আকাশৰ তৰাবোৰে আঁউসীৰ আন্ধাৰতো মোক প্ৰেৰণা যোগায়। জোন আৰু তৰাবোৰৰ মাজত প্ৰেম-ভালপোৱাৰ সু-সম্পৰ্ক মই বৰকৈ অনুভৱ কৰোঁ। পৰমেশ্বৰ আৰু মোক্ষপ্ৰাপ্ত আত্মাৰ যেন এখন মহামিলন ক্ষেত্ৰ এই সৌৰজগতখন। মুক্ত আত্মা-পৰমাত্মাৰ এনে নিবিড় সম্পৰ্ক, জোন আৰু তৰাবোৰৰ সম্পৰ্কই প্ৰকট কৰি তোলে। জোন আৰু তৰাবোৰৰ বিমল সান্নিধ্যই সৌৰজগতখন মনোমুগ্ধকৰ কৰি তুলিছে। ককাদেউতাৰ মৃত্যুৰ পিচত ক'ত আছে বুলি সোধা প্ৰশ্নৰ উত্তৰত আইতাই কৈছিল, 'সেই জোন, তৰাবোৰৰ মাজত, আমাৰ দৰে ৰং-ধেমালি কৰি আছে।' এনেদৰেই আমাৰ পৰম ব্ৰহ্মৰ লগত থকা নিবিড় আত্মিক সম্পৰ্কৰ সন্ধান দিয়ে এই অপূৰ্ব দৃশ্যই। নিৰাশাত আশাৰ ৰেঙনি ওপচাই দিয়ে। এনে পোহৰৰ বাটেৰেই আহে Good angel আৰু এনেদৰেই Evil angel য়েও টানি থাকে নিৰয়লৈ অনবৰতে। দেহাত্মত চলা এই Good angel-Evil angel ৰ যুদ্ধখন দেহৰক্ষক জীৱাণু আৰু দেহ ধ্বংসকাৰী বীজাণুৰ যুদ্ধৰ দৰে।

বৰুৱা ঃ হেৰি, আমি যে প্ৰকৃতিক ভালপাওঁ, গছ-লতা, তৰু-তৃণ, পাহাৰ-ভৈয়াম, ফুলনি, বননি, ধাননি, নৈ, জান, জুৰি, গ্ৰহ, তৰা, নক্ষত্ৰ, আকাশ আৰু জ্যোতিষ্ক আদিকে ধৰি সৌৰজগতৰ সোণালী, মেঘালী, জোনালী আদি বগা, নীলা, হালধীয়া নানা বৰণ, সূৰ্যোদয়, সূৰ্যাস্ত, নদীৰ বুকুৰ সোণালী ৰহণ, আদি আৰু সৌন্দৰ্যত মুগ্ধ হৈ পৰা মনৰ গতি— ইয়াৰ কাৰণ আমাৰ জন্মৰ তেজ-মঙহৰ কোঁহে কোঁহে আত্মা মনৰ আঁহে আঁহে সকলো গঁঠা আছে শিৰা-উপ শিৰাত। আমি প্ৰকৃতিৰেই সন্তান। এই সৃষ্টি তত্ত্বৰ আচলত ধৰিয়েই আছে ভগৱান। চাৰিমুঠি জীৱৰ সৃষ্টিতে প্ৰকৃতিৰ এই নিবিড় হাত। সেই কাৰণেই জীৱজগত আৰু প্ৰকৃতি জগতৰ সু-সমন্বয়বোধ উদয় হয় মনত। ইয়াৰ তত্ত্বটো সৰু কথা এটাতে লুকাই আছে; এই যে কয়, গছ থাকিলে মানুহ থাকিব, মানুহ থাকিলে গছ থাকিব এইটো। জীৱাত্মা আৰু প্ৰকৃতি আত্মাৰ উভয়ৰে আছে এক এনে সংযোগ সাপেক্ষে পৰিপূৰক

আৰু সমন্বয় সূত্ৰ।

সেয়ে জীৱ আৰু জড় উভয়ে এক মহাজাগতিক শক্তিৰে পৰিচালিত। এই শক্তিয়ে সৃষ্টি কৰে, বৃদ্ধি কৰে আৰু ধ্বংস কৰে। চাওক, জোনৰ পোহৰে আমাৰ মন নচুৱায়, এই পোহৰত জঁপিয়াই পৰি গা ধুই বৰ আনন্দ পাওঁ। নদীৰ পাৰত, সাগৰৰ পাৰত বালিমাহীৰ দৰে। মাৰ কোলাত কেঁচুৱা হৈ এনেকৈয়ে জঁপিয়াইছিলোঁ, নাচিছিলোঁ। কোনো ভাষাত সূৰ্য পুংলিংগ আৰু চন্দ্ৰ স্ত্ৰীলিংগ। সূৰ্যৰ তাপ, চন্দ্ৰৰ ছাঁ দুয়ো মিলি গ্ৰীষ্ম, শীত; দিন-ৰাতি; বসুমতীৰ গৰ্ভত বায়ু-পানীলৈ, লৈ সূৰ্যই কৰে এই সৃষ্টি।

শৰ্মা : প্ৰকৃতপক্ষে প্ৰকৃতিৰ সৎ, সমতা সৃষ্টি, স্থিতি, লয়ৰ ন্যায়-নীতিয়েই জীৱ শ্ৰেষ্ঠ মানুহৰ নীতি। মানুহে নিজে ভংগ কৰি দুখ-কষ্ট লয় মূৰত জাপি। এই নীতি যাৰ হিয়াত থাকে Good angel এই তাৰেই গুণ প্ৰতিভাত কৰে।

চৌধুৰী : ছাঁ-পোহৰৰ কথা ভাবিলে, চন্দ্ৰ, সূৰ্য উভয়ে সৃষ্টিৰ কাৰণ। ৰাতি নহ'লে দিন নহয়; ঠাণ্ডা নহ'লে গৰম ভয়াবহ, গৰম নহ'লে ঠাণ্ডা ভয়াবহ, সৃষ্টি, স্থিতি, লয়ত ই অপৰিহাৰ্য। জ্ঞানেই নহয় উম নহ'লে সৃষ্টি নহয়।

বৰুৱা : এইয়ে পৰিপূৰক আৰু সমন্বয় সূত্ৰ— সৃষ্টিৰ অন্তৰ্ভুক্ত। এই সৃষ্টি শক্তিতে লুকাই আছে পদাৰ্থৰ স্থিতি, গতি, সংঘৰ্ষ, ঘৰ্ষণ, প্ৰতিফলন, বিচ্ছুৰণ, বিকিৰণ, শোষণ, ধ্বনি-প্ৰতিধ্বনি, শব্দ আৰু পৰমাণু শক্তি তত্ত্ব। It is from, 'the Columbia Encyclopedia, Sixth Edition,2008– 'Quantum theory modern physical theory concerned with the emission and absorbtion of energy by matter and with the motion of material particles, the Quantam theory and the theory of relativity together form the theoretical basis of modern Phiysics' যিটো সৃষ্টি ব্যৱস্থাৰ পৰা নাৰী আৰু পুৰুষ বা ল'ৰা-ছোৱালীৰ জন্ম হয়, তাতেই লুকাই আছে লিংগ সৃষ্টিৰ পৰিচয় এনেদৰেই। ৰশ্মিৰ আগমন, নিৰ্গমন,

ক্ৰিয়া-বিক্ৰিয়া, লগতে পৰমাণু সদৃশ পদাৰ্থৰ ধাৰাবাহিক গতি, ঘৰ্ষণ-বিকৰ্ষণ আদি ক্ৰিয়া-বিক্ৰিয়াৰ সময়সাপেক্ষ ফলশ্ৰুতি। বাহ্যিক বিজ্ঞানত মানুহৰ মগজু আৰু হাতৰ ক্ৰিয়া ব্যৱহৃত; আভ্যন্তৰীণ সৃষ্টিৰ বিজ্ঞানত মহাশক্তিৰ স্বতঃস্ফূৰ্ত ৰূপান্তৰিত অবিৰত ক্ৰিয়া-বিক্ৰিয়াৰ হাত। অৰ্থাৎ এটা হ'ল— মানুহে হাতেৰে কৰা বৈজ্ঞানিক শক্তিৰ ৰূপান্তৰ আৰু আনটো প্ৰকৃতিৰ আঁৰত হোৱা স্বতঃস্ফূৰ্ত শক্তিৰ ৰূপান্তৰ। নাৰী-পুৰুষৰ যৌন মিলন ক্ৰিয়াৰ সৃষ্টি আৰু ল'ৰা-ছোৱালীৰ অন্তৰ্নিহিত লিংগ সৃষ্টিৰ ক্ৰিয়া এই তত্ত্বতেই নিহিত। কোনো পৰিৱেশত, কোনো কাৰ্যকৰণত ৰশ্মিৰ বা সূৰ্যৰ তাপ-পোহৰৰ চাপ পৰে আৰু কোনো শক্তিৰ উদ্ভৱ হয়। সেই শক্তিয়ে আকৌ কোনো শক্তি ধ্বংস কৰে বা কোনো নতুন শক্তিৰ সৃষ্টি কৰে। 'Quantum theory evolved as a new branch of theoretical physics during the first few decades of the 20th century is an endeavour to understand the fundamental properties of matter. It begins with the study of the interactions of matter and radiation. Certain radiation effects could neither be explained by classical mechanics, nor by the theory of electromagnetism. In particular, physicists were puzzled by the nature of light, peculiar lines in the spectrum of sunlight had been discovered by...'

চৌধুৰী ঃ মাধ্যাকৰ্ষণ শক্তিৰ পৰিপ্ৰেক্ষিতত অনুভৱ হয় আভ্যন্তৰীণ পদাৰ্থকণাৰ স্বতঃস্ফূৰ্ত ক্ৰিয়া-বিক্ৰিয়া চলি থাকি ৰূপান্তৰিত পদ্ধতিত এই সুষম শক্তিৰ (Balanced Force) সৃষ্টি কৰে। এনেদৰেই হয়তো আভ্যন্তৰীণ বিভিন্ন পদাৰ্থকণাৰ বিভিন্ন ক্ৰিয়া-বিক্ৰিয়াৰ ফলত নানা ধৰণৰ বাষ্প উদ্ভৱ হয় ভূগৰ্ভত। এয়া প্ৰকৃতিৰ বহিৰ্প্ৰকাশিত পৰিৱেশৰ ক্ৰিয়া-বিক্ৰিয়াত চাৰিমুঠি জীৱৰ উৎপত্তিৰ দৰে। এই বাষ্প অতি বৃদ্ধি আৰু হয়তো উষ্ম হ'লে ভূগৰ্ভৰ পৰা নিৰ্গত হয়। ভূইকঁপৰ দ্বাৰা এনে গেছ বাহিৰ হোৱাৰ দৰে আন এক ধোঁৱা, জুই-ছাই গলিত ধাতু আদি বিভিন্ন ধৰণৰ পদাৰ্থ আগ্নেয়গিৰিৰ দ্বাৰা বাহিৰ হয়। এনেদৰে সময়ৰ ব্যৱধানত বিভিন্ন ক্ৰিয়া-বিক্ৰিয়া ঘটি নতুন পদাৰ্থৰ (যেনে— কয়লা,

কেৰাচিন আদি খনিজ পদাৰ্থ) লগতে শক্তিৰ সৃষ্টি আৰু ৰূপান্তৰ হয়। কৃষ্ণ পদাৰ্থৰ (Dark Matter) প্ৰত্যেকৰে এনে দিশত নিজ নিজ কাৰ্য আছে। কিন্তু Sub-atomic পদাৰ্থকণাত বাহিৰে বহুত পদাৰ্থকণাৰ শক্তি নিৰ্ণয় হোৱা নাই। কম্পিউটাৰ, মোবাইল ফোন, টিভি আৰু দেহত বিজুলী প্ৰবাহৰ উৎসৰ প্ৰসঙ্গতে এনে বৈজ্ঞানিক কাৰণসমূহৰ পৰস্পৰ পৰিপূৰক আৰু সমন্বয় সূত্ৰ স্বাভাৱিকতে ধৰা পৰে।

বৰুৱা ঃ According to the older theories of classical physics, energy is treated solely as a continuous phenomenon, while matter is assumed to occupy a very specific region of space and to more in a continuous manner. According to the Quantum theory energy, is held to be emitted and absorbed in tiny, discrete amounts.

শৰ্মা ঃ ৰ'ব, ইয়াত এটা Quantum theory ৰ প্ৰশ্ন আছে। সেইটো হ'ল, 'Can we derive any new knowledge about the universe from Quantum Physics'.

বৰুৱা ঃ এইক্ষেত্ৰত বিজ্ঞানে এনে মতামত দাঙি ধৰিছে যে, 'the entire universe is composed of an unimaginable large number of matter and energy. It seems to be of great importance to understand quantum theory properly in view of the large scale structure of the cosmos. For example, an interesting question in this context is why the observable matter in the universe is packed together in galaxies and is not evenly distributed throught the space. Could it have to do with the quantum characteristics energy.

Are quantum effects responsible for matter forming discrete entities, in stead of spreading out evenly during the birth of the universe?

The answer of the question is still being debated.'

ৰ'ব, কথাখিনি বুজাৰ কাৰণে আৰু অলপ আগবঢ়াই মতামত দাঙি ধৰো, 'If cosmological conclusions seem laboured, we might be able to derive philosophical insights from quantum physics. At least Frit J of Capra thinks this is possible when he describes the parallels between modern physics and ancient Eastern philosophy in his book, 'The Tao of Physics, 'He holds that in a way, the essence of modern physics is comparable to the teachings of the ancient Eastern philosophies, such as the Chinese TaoTe Ching, the Indian Upanishads, or the Buddihist Sutras. Eastern philosophies agree in the point that ultimate reality is indescribable and unapproachable, not only in terms of common language, but also in the language of mathematics. That is, Science and Mathematics must fail at some stage in describing ultimate reality. We see this exemplified in the Uncertainty principle, which is elucidated in the following section.'

'Molecules and atoms cannot be split into independent units. All parts inter act at all levels.'

'The orientel Scriptures agree in the point that all observable and describable realities are manifestations of the same underlying "divine" principle...'

In connection with this, Albert Einstein's famous comment, 'God does not play dice' is remarkable.

চৌধুৰী ঃ এনে ঐশ্বৰিক ৰহস্যৰ আধাৰত বুজিব পাৰি যে আধ্যাত্মিক শক্তিয়ে যেতিয়া কাৰোবাৰ মনক চুই যায়, তেওঁৰ মনত ত্ৰিকালদৰ্শীৰ দৰে সকলো কথা অৱগত হৈ পৰে কোনো বৈজ্ঞানিক তথ্য অবিহনে; যেন চকুৰ আগত দেখিছে, নহ'লে যেন কোনোবাই কাণৰ কাষত ফুচফুচাই কৈ গৈ আছে, নাইবা কেতিয়াবা দেখিব যেন টোপনিত

অডিঅ'-ভিডিঅ'ৰ দৰে সন্মুখত বাগৰি আছে— কথাসহ ছবিবোৰ, মাজৰাতি গাৰুটো ঘূৰাই ঘূৰাই বুকুত সাবটি প্ৰেমিকে প্ৰেমিকাৰ লগত প্ৰেমালাপ কৰাৰ দৰে। এনেদৰেই আকৌ সপোনটো দিঠক হৈ পৰে আৰু দিঠকো সপোন হৈ দেখা দিয়ে। তেতিয়া তেওঁৰ মনত দিন-ৰাতি একাকাৰ হয়; পোহৰ-এন্ধাৰৰ দূৰত্ব কমি যায়। একাকাৰ হয় সুখ-দুখৰ অনুভূতি, পোৱা-নোপোৱাৰ সীমাৰেখাত; একাকাৰ হয় স্থূল সত্তা আৰু সূক্ষ্ম সত্তা সেইদিনাহে মনৰ পৰিধিত। বিবেকে কঢ়িয়াই লৈ যায় প্ৰকৃতিৰ সেই শুভ মুহূৰ্তলৈ।

চাওক, মৰোঁ বুলিলেই যেনেকৈ মৰিব নোৱাৰে, লিখোঁ বুলিলেও লিখিব নোৱাৰে। আনহাতে ঈশ্বৰৰ আশিস নাথাকিলে কালজয়ী ৰচনা কণ্ঠ নিঃসৃত নহয়। আনকি আধ্যাত্মিকভাবে সবল নহ'লে শিক্ষিত হৈয়ো অশিক্ষিতৰ দৰে ব্যৱহাৰ আচৰণ দেখুৱায়। অৰ্থাৎ এই আশিস পুষ্ট হ'লে কি কথা, কি ৰচনা সকলো জনসাধাৰণৰ মনঃপূত বা বাস্তৱ জীৱন সাপেক্ষে অন্তস্পৰ্শী হয়। বুজিব পাৰিব সহজেই যে প্ৰাণটো জীয়াই থাকিব লাগিলে দেহটোৰ প্ৰয়োজন; সূক্ষ্ম সত্তা বিয়পি থাকিব লাগিলেই এনেদৰে স্থূল সত্তাৰ প্ৰয়োজন হয় আৰু তেনেদৰেই কল্পনা কৰিবলৈ হ'লে বাস্তৱ আশ্ৰিত হ'ব লাগিব সাহিত্য সম্ভাৰ। দেহে-মনে-প্ৰাণে এক হ'ব লাগিলেই আহি পৰে প্ৰকৃতি সাপেক্ষে জন্মৰ বাতাৱৰণৰ কথা। জন্ম বুলিলেই আহি পৰে প্ৰতিভা, এক চেতন শক্তি; ই নিৰ্ভৰ কৰে আত্মজ্ঞানৰ ওপৰত। মানৱীয় চেতন শক্তিহীনেই ইতৰ প্ৰাণীকে বুজায়। তেতিয়া এই জ্ঞান লুপ্ত হয়, দেখাত মানুহ, কিন্তু প্ৰকৃতিগত স্বাভাৱিক মানুহৰ দৰে নহয়।

শৰ্মা : দেহাশ্ৰিত প্ৰাণটো য'ত ঘূৰি ফুৰে মনটোৱে তাৰেই স্মৃতি বুটলে বিভিন্ন সময়ত। এয়া সপোনৰ বৰষুণ জাক সচিত্ৰত দেখাৰ দৰে বা সপোনৰ কান্দোন দিঠকৰ হাঁহি হৈ প্ৰতিফলিত কৰে। টোপনিত দেহাশ্ৰিত প্ৰাণটো শান্তিৰে শুই থাকে, মনটো ঘূৰি থাকে, বাটত যি পায় বুটলি ফুৰে, নহয় জানো?

চৌধুৰী : ৰ'ব, ক'ব বিচৰা মোৰ ধাৰণা এটা কৈ থওঁ। এই যে আমি ভাল-

বেয়া, সৎ-অসৎ, সুকাৰ্য-দুষ্কাৰ্য, আৱিষ্কাৰ-অনাবিষ্কাৰ জাতীয় কথাবিলাক চিন্তা কৰোঁ; ক'ৰ পৰা এই চিন্তাবিলাক লানি নিছিগাকৈ আহি দোল দি যায়হি মনত; কিবা এটা ভাবি থাকি আন কিবা এটা কাম কৰি থাকোঁতে অপ্ৰাসংগিকভাৱে আন কথাই মনত পাক ঘূৰণি খাই থাকে। এই চিন্তাবিলাক ক'ৰ পৰা আহে? অনন্ত চিন্তাৰ মাজৰ পৰা এটা চিন্তাৰ কলি সৰি পৰি ঘূৰ্ণি বতাহৰ দৰে পাকঘূৰণি খাই আৰু মনাত্মাৰ লগত মিলি যায়। আজিৰ Calculator, Computer. Mobile Phone আদিৰ দৰে নহয় জানো? উলিয়াই আনিব বিচৰা বেংকৰ জমা টকাৰ পৰিমাণৰ ওপৰত নিৰ্ভৰশীল প্ৰক্ৰিয়া বা ই-মেইলৰ অনলাইন Applicationৰ আৰ্হি।

বৰুৱা : এটা চাৰিত্ৰিক বৈশিষ্ট্য পূৰ্ব জন্ম সাপেক্ষে বৰ্তমানৰ চৰিত্ৰত ধৰা পৰাৰ দৰে— মাত্ৰ মানুহজনৰ পৰিৱেশ আৰু কৰ্ম সংস্কাৰ মৰ্মে হোৱা শিথিলতাখিনিৰ বাহিৰে বাকী সকলো একে। যেনে- ধানটো চাই 'কণ'টো; মানুহটোই প্ৰতি 'জিন'টো। কোষৰ আৰম্ভণিৰ পৰ্যায়ৰ পৰা আত্ম সংগঠনৰ পৰ্যায় পূৰ্ণ হোৱালৈ জীৱনে এই বৈশিষ্ট্য বজাই ৰাখে। সেই বৈশিষ্ট্যৰ বাবেই জীৱনৰ প্ৰতি মানুহৰ কৰুণা থাকে আৰু অনুকম্পা হয়। এনে মানসিক উৎকৰ্ষতা প্ৰকৃতিৰ স্বতঃস্ফূৰ্ত অবিৰত প্ৰক্ৰিয়াৰ ফলত সাধন হয়। এনেকৈয়ে আহে সুখ আৰু ভোগ, কিন্তু নিজ ইচ্ছা মতে ল'ব নোৱাৰে। তেনেকৈ দুখ-যন্ত্ৰণাও আহে কিন্তু নিজ ইচ্ছা মতে অসহ্য হোৱা বাবে নিজে নিজে মৰি যাব নোৱাৰে বা আনে তেওঁক যন্ত্ৰণাৰ পৰা সকাহ দিব নোৱাৰে, তাত মানুহৰ হাত নাই— নিজে জনম লওঁ বুলি ল'ব নোৱাৰাৰ দৰে।

শৰ্মা : ঠিকেই, তেনেদৰে পূৰ্ববৰ্তী ভুলৰ বাবে সজাগ হ'ব পাৰে, কিন্তু অৱশ্যম্ভাৱী ভুল নহয় বুলি নিশ্চিত হ'ব নোৱাৰে; এয়া আকস্মিক দুৰ্ঘটনাৰ দৰে। সচেষ্ট হোৱাখিনিহে হাতৰ মুঠিত।

চৌধুৰী : হেৰি, যোগ থাকিলে বিয়োগ থকাৰ দৰে, সকলো পৰিপূৰক তত্ত্বৰ অধীন। সুখে সুখ থাকিব নোৱাৰে যদি নাথাকে তাত দুখ। দুখেহে সুখক আমনিৰ পৰা মুকলিকৈ ৰাখিব পাৰে।

বৰুৱা : সেয়ে, পৰম শক্তিৰ আধাৰ প্ৰকৃতি হ'ল চাৰিমুঠি জীৱৰ জীৱন ভোগৰ

গিৰি আৰু দুখ-যন্ত্ৰণাৰো বাহক, যেন এক পৃষ্ঠপোষক। কাৰ ভাগ্যত কেতিয়া লিপিত খাই পৰে আৰু কাৰ ভাগ্যৰ পৰা কেৰৰ শুকান মাটিৰ দৰে কাৰোবাৰ লাঠিত খহি পৰে কোনেও বুজিব নোৱাৰে। প্ৰকৃতিৰ এই উপকাৰ তথা কৰুণাৰ প্ৰতি কৃতজ্ঞ বা নত হ'লে বা জয়গুণ গাই প্ৰশংসা কৰিলেই আত্মা-পৰমাত্মাৰ বান্ধোন সুদৃঢ় হয়। লগতে ছয় ৰিপু নিয়ন্ত্ৰিত হয়, আত্মজ্ঞানে মনো স্থিৰ কৰে। কোনো লোভে মন বিচলিত কৰিব নোৱাৰে। এয়া প্ৰকৃত মন বান্ধোন ক্ৰিয়া। অৰ্থাৎ নিজে নিজক সহায় কৰা আৰু জীৱন গঢ়াৰ উপায়। নিজক এনে নিয়ম-নীতিৰে বন্ধাৰ পিচত যি আত্মপ্ৰেম জাগে তাৰ দ্বাৰা আত্মীয়ক বান্ধিব পাৰে। সেয়া মৰমে মৰমে দুখন হিয়াক বন্ধাৰ দৰে। সেইকাৰণেই মানুহে মৃত্যুৰ আগে আগে হ'লেও ইষ্ট-কুটুম্ব, সুহৃদ, ভাই-বন্ধুক দেখা-দেখি কৰি জীৱন তৃপ্তি বিচাৰে। এনে প্ৰেমেই মনক বিশ্বপ্ৰেমত উদ্বুদ্ধ কৰি তোলে, এয়াই বিশ্বায়নৰ মানৱ নীতি। এয়াই পঞ্চশীল নীতি যেনে— Peaceful co-existence, non-alignment, non-interference, honour to law of the land and religious neutrality. এয়া শান্তিৰ সমাজ সৃষ্টিৰ আধাৰ।

শৰ্মা : ঠিকেই, যিয়েই নিজক বুজিব পাৰে আৰু নিজৰ জীৱনক চলাব পাৰে তেওঁ প্ৰকৃত জীৱন-যাপন কৰিব পাৰে সহজে। উপলব্ধি হ'ব যে জীৱনটো প্ৰকৃততে এক স্বতঃস্ফূৰ্ত প্ৰাকৃতিক শক্তি পৰিচালিত জীৱন প্ৰক্ৰিয়া। ই নিজে ইচ্ছামতে জন্ম ল'ব নোৱাৰাৰ দৰে। এই অধিকাৰ নিজে খুচিমতে লোৱা মানে এই প্ৰকৃতি সত্তাক অস্বীকাৰ কৰা; এয়া প্ৰকৃতি বিৰোধ তথা তৰ্জু সমতাহীন কৰ্ম। এই সমতাই মানসিক স্থিৰতাৰ বাহক। ধৰক, কেলকুলেটৰটোৱে এটা ভুল ফল দেখুৱালে; এই ভুল হয় যান্ত্ৰিক বিজুতি, নহয় হাতৰ বিজুতি। দুয়োটা একেই ভুল; একেই কুল।

চৌধুৰী : কুল মানে?

বৰুৱা : কুল মানে জাতি, মানুহ; যন্ত্ৰ বনোৱা জনো মানুহ আৰু যন্ত্ৰ চলোৱা জনো মানুহ। প্ৰকৃততে এয়া দুয়োজন মানুহৰ মগজুৰ প্ৰয়োগৰ

আহিলা। পৰম সংযোগ শক্তিয়ে দেহ-মনাত্মাত অদৃশ্য হৈ থাকি পৰিচালনা কৰি থাকে। মনৰ স্থিৰতাই দুয়োটাতে শুদ্ধ ফল দিয়ে; অনর্থই লম্ভিলে দুয়োটাতে অশুদ্ধ ফল মিলে। সৎ, সমতা থাকিলে মন-হাতৰ (Body and mind) সংযোগে সুফল দিয়ে। এই দুটাৰ সংযোগহীন হ'লে অস্থিৰতাই কুফল দিয়ে। যেনে ধৰক— হাতীয়ে গচকি মানুহ এজনক মৰাৰ কাৰণে আহিছিল নে মানুহজনক মৃত্যুৰ বাবে কৰ্মই মন ভুলাই লৈ গৈছিল, সেইটো প্ৰকৃতিৰ ৰহস্যৰ আৱৰ্তত সমতা সাপেক্ষে লুকাই থাকে এটা নিৰ্দিষ্ট ক্ষণলৈ, যিটো ক্ষণ জন্মতে জীৱন আয়ুস ৰেখাডালত বান্ধি থৈছে। পঞ্চভূতৰ সহায়ত জীৱৰ দেহ, হাড়, মূৰ, খোলাৰ সৃষ্টিৰ দৰে মহাজাগতিক শক্তিৰ সহায়ত শিল, খনিজ পদাৰ্থৰ সৃষ্টি হৈছে। এনেকৈ চিমেণ্টা, বালি, পানী, বায়ু, তাপ মিলি ৰাসায়নিক বিক্ৰিয়া ঘটি কংক্ৰিট হৈছে। এয়া সকলো মহাজাগতিক সৃষ্টি তত্ত্বৰ নিৰ্ভৰশীল।

শৰ্মা ঃ আচলতে ভাল-বেয়া দুটা যুক্তিয়ে প্ৰতিজন মানুহক অনবৰতে ক্ৰিয়া কৰি থাকে। এটা ছায়া হৈ আধ্যাত্মিক আৰু আনটো কায় হৈ পাৰ্থিৱ আসক্তি বৰ্দ্ধক। শ্ৰীকৃষ্ণৰ গোপীপ্ৰেমৰ ক্ষেত্ৰতো এই ছায়া আৰু কায়াৰে লুকাভাকু। স্বৰ্গীয় প্ৰেমৰ প্ৰতীক কৃষ্ণ। 'ৰাসলীলা'ৰ জৰিয়তে প্ৰেমৰ মাধুৰ্যৰ প্ৰসংগত পুৰুষৰ সমানে মৰ্যাদা প্ৰদান কৰিছে শ্ৰীকৃষ্ণই। প্ৰেমত লৰা-ছোৱালী, যুৱক-যুৱতী, বুঢ়া-বুঢ়ী বুলি কোনো সুকীয়া উলাহৰ তাড়না নাই, যদিহে যৌন তৃপ্তি সম্পৰ্কীয় নিচা নাথাকে। শ্ৰীকৃষ্ণই ৰাধাক সৰু ল'ৰা-ছোৱালীৰ দৰে মূৰত লৈছে, কোলাত ৰাখিছে আৰু আনকি ভৰি কোলাত লৈও মৰম উজাৰিছে। এয়া সৰু ধুনীয়া, মৰমলগা কেঁচুৱাক গালত, কপালত চুমা খাই মৰম শেষ কৰিব নোৱাৰাৰ দৰে। সৃষ্টিকৰ্তাৰ ৰূপ পৰিগ্ৰহ কৰিছে এইখিনিতেই যে পুৰুষ-প্ৰকৃতিৰ দুয়োটা গুণেই দেহ-মনত স্ব-আৰোপিত হৈ থাকে। সেয়ে কাৰোবাৰ পুৰুষত্ব অধিক আৰু আন কাৰোবাৰ নাৰীত্ব অধিক হয়। সেয়ে শ্ৰীকৃষ্ণই প্ৰেম উজাৰি দিছে, কিন্তু কোনো যৌন লিপ্সাই ক্ৰিয়া কৰা নাই।

বৈষ্ণৱ ধৰ্ম গুৰু, মহাপুৰুষ হৰিদেৱেও নাৰীক তেনেভাৱেই

মৰ্যাদা প্ৰদান কৰিছে। সেয়ে দেখা যায় নিজক পুৰুষ-নাৰী ভেদে স্বাৰ্থৰ উৰ্ধ্বত ৰাখি মৰম-ভালপোৱা বিলাই দিব পাৰিলেহে প্ৰেমৰ প্ৰকৃত মাধৰ্য লাভ কৰিব পাৰে।

বৰুৱা : দেখিব, এনে আত্মাবোধৰ উদয় হ'লে জীৱত্মাবোধৰ জৰিয়তে দেহাত্মবোধৰ জন্ম হয়। তেতিয়াহে গণতন্ত্ৰৰ মূল্যাংকন কৰিব পৰা অনুভূতিয়ে তথা সচেতনতাই হিয়াত থিতাপি লয়। এইটো ঠিক যে যিয়ে নিজক পেলনীয়া বস্তু বুলি ভাবে আৰু যি কোনো দুখতেই পেনপেনাই কান্দে আৰু আনহাতে যিয়ে নিজত বাদে আন সকলোকে পেলনীয়া বস্তু বুলি অৱজ্ঞা কৰে আৰু দম্ভালি মাৰি নিজেই নিজৰ জয়গুণ গায় তেওঁ সমাজৰ হিতকাৰী হ'ব নোৱাৰে আৰু তেতিয়া কোনোটোৱেই সমাজত অৰিহণা যোগাব নোৱাৰে।

চৌধুৰী : ৰজগুণতে থাকক বা তম গুণতে থাকক, সাত্বিকজনেই (Doer of right action) দেশৰ, জাতিৰ মেৰুদণ্ড স্বৰূপ ব্যক্তি।

বৰুৱা : চাওক, তিনিওটা গুণেই প্ৰকৃতি সৃষ্ট। শ্ৰীমদ্ভাগৱত গীতাত কৈছে—

সত্বং ৰজস্তম ইতি গুণাঃ প্ৰকৃতি সম্ভৱা।

আৰু লগতে এইটোও কৈছে—

এবিধা ভবতি শ্ৰদ্ধা, দেহিনাং মা স্বভাৱজা।
সাত্বিকী ৰাজসী চৈব তামসি চেতি তাং শৃণু।।

অৰ্থাৎ দেহীসকলৰ সাত্বিকী, ৰাজসী আৰু তামসী এই তিনি প্ৰকাৰৰ শ্ৰদ্ধাই স্বভাৱজাত। অৰ্থাৎ পূৰ্ব জন্মৰ সংস্কাৰ প্ৰসূত।

শৰ্মা : মুঠতে এইটোই ব্যাসদেৱে দাঙি ধৰিছে যে যি স্বভাৱজাত দোষ-গুণ লৈ দেহীৰ পৰা বিদেহী হয় সেই দোষ গুণ লৈয়ে আকৌ বিদেহীৰ পৰা দেহী হয়।

বৰুৱা : ঠিকেই বুজিছে। নিউক্লীয় বিযোজন বা সংযোজনৰ ফলত নিৰ্গত হোৱা শক্তিৰ সৃষ্টিৰ দৰে মানুহৰ সত্ব, ৰজঃ, তমঃ এই তিনিটা গুণ প্ৰকৃতিগতভাৱে দেহত সৃষ্টি হয়। কোষকেন্দ্ৰ সাপেক্ষে এই তিনিটা গুণে আত্মাক দেহত বান্ধি ৰাখে। ঈশ্বৰত বিশ্বাস আৰু সৎ, সমতাৰ আশ্বাস থাকিলে বুজিব যে তেওঁৰ সাত্বিক গুণৰ লগত ৰজ আৰু তম গুণে জীৱাত্মবোধ উদয় হোৱাত সহায় কৰিছে। লগতে ৰজ আৰু তম গুণক বশীভূত কৰি প্ৰবল হৈ উঠে। তেতিয়া ঈশ্বৰক Friend,

Philosopher and Guide ৰ দৰে ধাৰণা হয় আৰু মুক্ত মনে নিজক কৰ্মত বিলাই দিব পাৰে। ইয়ে দুহাতৰ কৰ্ম সিদ্ধিত এনেদৰে সহায়ক হৈ ধৰা দিয়ে। ইন্দ্ৰিয় সাপেক্ষে কৰ্মত তেতিয়া অলৌকিক শক্তি প্ৰতিফলিত হয় বাক, পাণি, পায়ু, পাদ আৰু উপস্থি— এই পাঁচটো কৰ্মেন্দ্ৰিয়ৰ ওপৰত। এয়াও মৌলিক শক্তি হৈ মনৰ মাজেদি হাতৰ কৰ্মত প্ৰতিভাত হয়। জীৱনৰ সকলো শেষ হৈ যোৱাৰ পিচতো এই শক্তিয়ে অনুপ্ৰেৰণা যোগায়। তেতিয়া ঘৰ বা সমাজৰ যি লা, ধূনা, কুটা, মাটি থাকে সেইখিনিকে মূলধন হিচাপে লৈ আৰম্ভ কৰিব পৰা হয় এক নৱ জীৱন। অভিজ্ঞতাই ওচৰ চপাই আনে উত্তৰোত্তৰ উন্নতি।

শৰ্মা ঃ এয়া প্ৰকৃততে সৎ কৰ্মত মহীয়ান হোৱাৰ উদ্দীপ্ত কামনা। ইয়াত দক্ষতা অৰ্জন কৰাৰ হেঁপাহ্ এক মানৱীয় তাড়না।

বৰুৱা ঃ এয়া অমানুহ মানুহ হোৱাৰ নিষ্কণ্টক বাট। উচাহৰ তেজাল ঘোঁৰাত উঠি উলাহৰ নিচান উৰুৱাই দীঘল জাঁপ দিয়া চিৰ প্ৰবাহিত, চিৰ নিত্য সনাতন সত্যৰ ৰূপালী জোনাকী বাট। এই বাটেৰে প্ৰকৃতিৰ অন্তৰ্নিহিত স্বতঃস্ফূৰ্ত অবিৰত সৃষ্টি তত্ত্বৰ পোহৰ আহে। লগতে প্ৰাণীৰ পুংলিংগ-স্ত্ৰীলিংগ যৌনসংযোগ সাপেক্ষে সৃষ্টি তত্ত্ব বা উদ্ভিদৰ অংগজ প্ৰজনন তত্ত্ব স্বৰূপ সৃষ্টি হয়। যৌন সংযোগ হীন 'ক্লʼন' জাতীয় পদ্ধতিমূলক ব্যৱস্থাৰ দ্বাৰা সৃষ্টি কৰা মেকানিকেল জ্ঞানৰ উৎস অৱগত হয়। সৃষ্টিৰ এনে যিটো গতি তাতেই থাকে প্ৰকৃতিৰ শক্তি। এই শক্তি মানুহে ভেদ কৰিব নোৱাৰে। সেইটোৱেই ৰহস্য। জীৱ বিজ্ঞান তথা প্ৰকৃতি বিজ্ঞানে এই গতিৰ উৎস অনুধাৱন কৰিব পৰা হোৱা নাই, সেয়ে এই সৃষ্টিৰ উৎসতে আছে নেদেখাজনৰ মাহাত্ম্য।

শৰ্মা ঃ আজিলৈ শেষ কৰিব নেকি? ৰাতিও বহুত হ'ল।

চৌধুৰী ঃ হয়হে, বহুত পলম হ'ল।

বৰুৱা ঃ পলম মানেইনো কি ক'ব, আলোচনাও দেখোন শেষ যেনেই লাগিল। বাৰু অহাকাইলৈ ফিল্ডতে বহোঁ!

চৌধুৰী ঃ হ'ব বাৰু, শৰ্মাও যাব।

শৰ্মা ঃ ঠিক আছে। (শৰ্মাই দুয়োকো আগবঢ়াই থলে)

বাৰ

আগদিনাৰ কথা মৰ্মে তিনিওজনে ফিল্ডৰ বননিত বহি ল'লে :
একে সময়তে লগ হ'ব পাৰিলে। আলোচনাৰ বিশেষ অথন্তৰ দেখা নগ'ল। সমাজ কল্যাণাৰ্থে আলোচিত ধৰ্মীয় ভাৱধাৰাৰ শেষ আলোকপাতৰ আগজাননী।

চৌধুৰী : আজিৰ আলোচনাৰ আৰম্ভণি মই কৰিম বুলি ঘৰতে মনস্থ কৰি আহিছোঁ। এনে ইচ্ছাৰ লগত জড়িত আছে এক অভাব পূৰণৰ সন্তুষ্টি। ইংৰাজ কবি Robert Browning ৰ 'Last Ride Together' যেন মোৰ যোৱা ৰাতিৰ সপোনত বাস্তৱ সত্য হৈ ধৰা দি মোক এই সোণালী সপোনটো ভোগ কৰাৰ সুবিধা দিলে। মোৰ বেলিকা এইটো 'Last Sitting Together' হ'ল বুলি ভবা কথা নভবাকৈ সম্ভৱ হৈ গ'ল। বৈ বৈ আমনি লাগি উভতি অহাৰ মুহূৰ্তত পায় যোৱাৰ আনন্দই মন আপ্লুত কৰিলে। স্মৃতিৰ ভাৰখন সপোনে কাঢ়ি লৈ মনটো পাতল কৰিলে।

বৰুৱা, শৰ্মা : দুয়ো একে সুৰতে হাঁহি মাৰিলে।

চৌধুৰী : কিয় হাঁহিলে বুলি কৈ গহীন হৈ পৰিল।

বৰুৱা : 'Last Sitting Together'ৰ কথা শুনিলে জনা মানুহৰটো হাঁহি উঠিবই। তাতে আকৌ এই বয়সত? অৱশ্যে যৌৱন বোমাঞ্চে বৃদ্ধাৱস্থালৈ হাঁহিয়ে কঢ়িয়ায়। তাতে আকৌ স্পৰ্শৰ কথাটো আৰু বেলেগ। আবাল-বৃদ্ধা-বনিতা যিয়েই নহওক স্পৰ্শই বহু কথাই জগায়। বাৰু কওক, কি হিয়া-মন জুৰ কৰা কথা কৈ Last Sitting Together ৰ সুখৰ মুহূৰ্তবোৰ পাৰ কৰিলে।

শৰ্মা : সুখৰ মুহূৰ্তবোৰ চুই যাব পৰাটোও জীৱনৰ এক সফলতা।

চৌধুৰী : কি ক'ব, মুহূৰ্তবোৰে নিজেই গল দিলেহি মোৰ মনৰ পদূলিত। আচলতে কি জানে, মই যোৱা ৰাতি এটা আচৰিত সপোন দেখিলোঁ।

Last night actually, I dreampt a wonderful dream. As if, I were a stout youth. মই যেন এজন সফল ডেকা। প্ৰেম, যৌৱন যেন মোৰ এটা সোণালী সপোনৰ দৰে বাস্তৱ হৈ দেখা দিলে। কাষত থাকিও হাতমেলি চুব নোৱাৰাৰ যি বেদনা সঞ্চিত হৈ আছিল, পাই হেৰোৱাৰ মনোকষ্টই যেনেকৈ জীৱন জোকাঁৰি গৈছিল, আজি এই সকলো শুভ হৈ ধৰা দিলে।

বৰুৱা : আজি আপুনি কথাবিলাক কেনেকৈ ক'বলৈ লৈছে? আপোনাৰ কথাৰ ভূ-ভা হ'লে একো পোৱা নাই।

শৰ্মা : বুজাকৈ কওকচোন; প্ৰেম কাহিনীৰ কি অতীত মৰ্ম বেদনাই আপোনাক আমনি কৰিলে?

চৌধুৰী : চাওক, মোৰ চাকৰি কাল চাৰি কি পাঁচ বছৰ হৈছিলহে মাথোন, ভৰযৌৱন; মোৰ সহকৰ্মী এজনী ছোৱালীক ভাল পাইছিলোঁ কৰ্মসূত্ৰে সেই সময়তে। কিন্তু উপযুক্ত পৰিৱেশৰ অভাৱত বিয়া নহ'ল দুয়োৰে মাজত। বৰুৱাক ইতিমধ্যে কৈ আহিছোঁ। মনৰ মিলন মনতে ৰৈ গ'ল। ভালপোৱা ধৰি ৰখা হ'ল কিন্তু দৈহিক মিলন সম্ভৱ নহ'ল। বুকুৰ মাজত এই ভালপোৱা সাঁচি ৰাখোঁতে দিন, মাহ, বছৰ পাৰ হৈ গ'ল। সংসাৰ হ'ল, যৌৱন বাগৰি গ'ল, প্ৰথম প্ৰেমৰ স্মৃতি মনতে ৰ'ল। সপোনে পাহৰণিৰ গৰ্ভত লীন কৰিলে আজিৰ মোৰ সংসাৰখন। সপোনত গাভৰু এজনী মোৰ কাষত থিয় হ'ল। প্ৰথমতে চিনিব পৰা নাছিলোঁ কোন। ওচৰত আৰু মানুহ আছে, ধাৰণা হ'ল মোৰ কাৰ্যালয়ৰে কৰ্মচাৰী। জুমি জুমি চালোঁ, পুৰণি ভালপোৱাৰ উক্‌মুকনি যেন অনুভৱ কৰিলোঁ। শেষত উজ্জীৱিত হৈ উঠিল সেই ভালপোৱা গাভৰুজনী। ধুনীয়া গাভৰুজনী। মই যেনিবা তাইক ৰীতা বুলি মাতিছিলোঁ। মই তাইৰ নামটো পাহৰি যোৱা বুলি ভাবি মোক যেন সোঁৱৰাই দি কৈছিল যে তাইৰ নাম ৰীতা দেৱী নহয়, ৰীতা চৌধুৰীহে।

সেই সময়ত অফিচৰ বয়োজ্যেষ্ঠ কৰ্মচাৰীখিনিয়ে তাইক ৰীতা বুলি নাম কাঢ়ি মতাই নহয়, মৰমো কৰিছিল। তাই জনালে যে ৰীতা দেৱীৰ বিয়া হৈ গৈছে। তাই সেই বিবাহিতা ৰীতা দেৱী নহয়। তেওঁৰ প্ৰেয়সী ৰীতাহে। তাইৰ মনৰ ভালপোৱাৰ বিয়া হৈ যোৱা নাই নহয়।

তাই তেওঁলৈ বৈ আছে। দেহটো দি দিছে সমাজৰ ৰোষত নপৰিবৰ কাৰণে; মনটো ৰাখি থৈছে তেওঁৰ অভাৱ পূৰণৰ বাবে। জগতে জনালে যে সেই মানুহজন এতিয়া নাই। যাহওক, এতিয়া যে পাইছে এয়া তাইৰ জীৱনৰ শ্ৰেষ্ঠতম মুহূৰ্ত বুলি জনালে। এই সুযোগ আৰু তাই নেহেৰুৱায়। হাবিয়াস পূৰণৰ শেষ প্ৰয়াস পূৰ্ণ হ'ল। এয়া গ্ৰীষ্মৰ দিনত তাই তেওঁৰ মৰমৰ ছাঁত মনৰ বা লৈ জিৰণি ল'ব। সিহঁতে খেদি আহিলেও তাইক বিচাৰি নাপাব। তেওঁৰ হিয়াৰ ভিতৰত লুকাই থাকিব। শৰ্মা, এখেতে জানে সকলো কথা; মই আগতে কৈ থৈছোঁ, যি সময়ত এই গাভৰুজনীৰ লগত একে অফিচতে কাম কৰিছিলোঁ সেই সময়তে এক চকুৰ সংগমত দুয়োৰো প্ৰেমৰ মিলন ঘটিছিল। চকুৰে চকুৰে সন্মতিৰ বহুত কথাই সদৰী কৰা হৈছে। সেই সময়ত যি ৰোমাঞ্চ জাগি উঠিছিল সেই একে প্ৰেমৰ শিহৰণে যেন গা জোকাৰি দিলে। তাৰ পিচত দেখিলোঁ মই মোৰ বিছনাখনতে বহি লৈছোঁ। তাই মোৰ কাষত বহি লৈ বুকুত মূৰটো গুজি দিলে। কিমান সময় পাৰ হৈ গ'ল হিচাপ কৰা নহ'ল। সময়ৰ নাটনিহে নাটনি, হয় মানে লাগে যেন ধাৰণা হ'ল। এই প্ৰেম-ভালপোৱাত বাহিৰে জীৱনত যে আৰু কিবা পাবলগীয়া আছে মনলৈ নাহে। 'আহা মোৰ প্ৰিয়তমা', বুলি কৈ মনৰ হেঁপাহ পলুৱাব পৰাকৈ দুই হাতেৰে চপাই বুকুত সাবটি ল'লোঁ। তথাপি যেন বৈ গ'ল কিবা পূৰাব নোৱাৰা হেঁপাহ।

বৰুৱা : সেয়াই প্ৰেম, যি অনন্ত বোৱঁতী নৈ; সময়ৰ দ্বাৰে আদিও নাই অন্তও নাই, সময় থাকে বৈ; ভেলেণ্টাইন ডেৰ উৎপত্তি যিয়েই নহওক এই প্ৰেমৰ উৎসই সৃষ্টিৰ তত্ব।

চৌধুৰী : মোৰো মনত যেন খেপিয়াইছে আমি দুয়ো এই সৃষ্টিৰ ভাঙনাতে আগবাঢ়ি গৈছোঁ।

শৰ্মা : এই সৃষ্টিত দুষ্কৰ্মৰ আন্ধাৰেও বাট বন্ধ কৰে।

বৰুৱা : এখেতক সপোনৰ সুখত Sitting together টো শেষ হ'ব দিয়ক; জানেই নহয় বাতৰি কাকতখন হাতত লৈ পঢ়ি থকা সময়ত কোনোবা আহি আমনি কৰিলে পিচত পঢ়া নহয়গৈ; ফলত মনটো খুচখুচাই থাকে, কামটো আধৰুৱা হৈ বৈ গ'ল বাবে।

চৌধুৰী ঃ হয় হে, প্ৰেম সুখৰ অন্ত নাই, হিয়াৰ বোৱঁতী নৈ, তাতে আকৌ যৌৱন, প্ৰেম্ গছৰ মধুফল; খাই থাকিলেও খাবৰ মন, ভোগ পলায়, হেঁপাহ নপলায়। বহুত সময় নীৰৱতাই ৰাজত্ব কৰিলে। হঠাৎ নীৰৱতা ভাঙি মোৰ মুখৰ পৰা সৰি পৰিল, ৰীতা, তোমাক যে লগ পাম ভবাই নাছিলোঁ। তেওঁ ক'লে যে তেওঁৰ গাভৰু যৌৱন মৰোতাৰে কাঢ়ি লৈ গৈছে আৰু জনালে যে মোক দিবলৈ ভালপোৱাখিনিত বাদে হাতত একো নাই।

হঠাৎ ভাব হ'ল মোৰ সন্মুখত যেন এখন আইনা, তাত দুয়ো প্ৰতিবিম্ব হৈ থিয় হৈছোঁ। আৰু কি ক'লে জানে?

বৰুৱা ঃ কওঁকচোন, সপোনত জনাই দিয়া ঔষধৰ দৰে হ'ব নেকি?

শৰ্মা ঃ ৰ'ব, এনে প্ৰসংগত মোৰ এটা কাহিনী মনত খেলাইছে, এই যে ধৱল কুষ্ঠৰোগ আছে; ছালৰ বেমাৰ; আগতে মানুহে বৰকৈ এলাগী কৰিছিল। ছালৰ বেমাৰৰ কাৰণসমূহ বিচাৰি পোৱা নাছিল। এজনী অতি ধুনীয়া ছোৱালী আৰু ভায়েক এজনৰ এই ছালৰ বগা ৰোগ জন্মতে দেখা দিছিল। ছোৱালীজনী অতি ৰূপৱতীয়েই নহয়, গুণৱতীও আছিল। তাইক সপোনত এজন ডেকা ল'ৰাই এপালি ঔষধ দিছিল খাবলৈ, লগতে এইটোও সোঁৱৰাই দিছিল যে এই ঔষধপালি যাতে আনক নিদিয়ে। ঔষধখিনি খাই তাই বগাৰোগৰ পৰা মুক্তি পালে। তাইৰ মনটো আনন্দত আত্মহাৰা হ'ল, কিন্তু ভায়েকৰ দুখটো বৈ গ'ল।

চৌধুৰী ঃ সেয়েতো আচল কথা, সুখ ভৰি নাহে যদি দুখে ঠাই খালী নকৰে। পানীৰ পাইপত বায়ু শূন্য ঠাই সৃষ্টি কৰি পানী বৈ নিয়াৰ দৰে এনে খালীৰ গুৰুত্ব কম নহয়। ঠিক সপোনত দেখা ল'ৰা যেন এজনৰ লগত বিয়া হোৱা কাহিনী এটা মোৰো মনত পৰিছে।

শৰ্মা ঃ সেই ছোৱালীজনীৰ সপোনত দেখা ল'ৰা এজনৰ লগত বিয়া হ'ল। ল'ৰা-ছোৱালীও জন্ম দিলে, কিন্তু ভায়েকক ঔষধ পালি দিবলৈ কুণ্ঠাবোধ কৰিলে।

বৰুৱা ঃ সপোন বাস্তৱতো ধৰা দিয়ে এনেকৈয়ে।

চৌধুৰী ঃ মোৰ কথাটো শুনক, আৰু ক'লে যে আমি দুয়ো প্ৰেমৰ উচাহ বুকুত

বৈ একেলগে উলাহৰ নাচোন দি বৰদৈচিলাৰ লগত দূৰ-দূৰণিলৈ যাম, য'ত মানুহৰ জাতি নাই, হিংসা-বিদ্বেষ, খিয়ালা-খিয়লি নাই, কু-চৰ্চা নাই; য'ত বোকা ছটিওৱা খেল খেলি উগ্ৰ হৈ দুই ম'হৰ যুঁজত বিৰিণাৰ মৰণৰ দৰে জনসাধাৰণৰ সুখবোৰ দুৰ্নীতি, শোষণেৰে কাঢ়ি লৈ যাব নোৱাৰে। আৰু য'ত ওখ ওখ মানুহবোৰৰ মনবোৰ অতি চাপৰ নহয়। লগতে সৰু মানুহৰ সন্মান ধূলিসাৎ নকৰে। মুকলি মনে, স্বাধীনভাৱে জীৱন-যাপন কৰিব পৰা এনে এখন ঠাইতে দুয়ো ঘৰ সাজি একেলগে বাস কৰিম। য'ত ৰাখিম পদূলিমুখত এজোপা শেৱালি, ৰিব্ৰিব্ মলয়াই দিব শেৱালি সৌৰভকণা উপযাচি বিলাই— আত্ম বায়ুই কঢ়িয়াই অনা প্ৰাণ ৰেণুৰে মুখ ভৰি হাঁহিব। শীতৰ হাড় কঁপোৱা জাৰত প্ৰেমৰ উম লম লেপৰ তলত— সজীৱ হৈ পৰিব নিথৰ জীৱন। প্ৰেমৰ নদীত গ্ৰীষ্মকালি দুয়ো সাঁতুৰি-নাডুৰি জীৱনৰ হেঁপাহ পলুৱাম। আমাৰ আত্মিক সুখ কোনেও কাঢ়ি নিব নোৱাৰে, সংসাৰমুক্ত এযোৰ বিহংগম হৈ আধ্যাত্মিক আকাশত অনন্ত প্ৰেমৰ বতৰা দি উৰি ফুৰিম এই দুনীয়াখন।

মোৰ ভালপোৱাই যেন সাৰ-পানী পাই অতি সজীৱ হৈ উঠিল, যেতিয়া ক'লে, 'মই তোমাক ইমান ভাল পাইছিলোঁ যেনিবা উৰি আহি তোমাক দিম মোৰ হিয়াৰ উষ্ম বাতৰি। কিন্তু সমাজৰ বান্ধোনে মোক পংগু কৰি পেলাইছিল। দেউকা ভগা পখী বৈ গ'লো পৰি। সংসাৰ কৰিলোঁ, সুখ-সম্ভোগ লভিব নোৱাৰিলোঁ। দেহক ঠগিলো, মনক ঠগিব নোৱাৰিলোঁ। এতিয়া আমি যৌৱনৰ পৰা মুক্ত হৈ আহিছোঁ, গতিকে মনৰ এই মিলনত কোনেও বাধাৰ প্ৰাচীৰ হৈ থিয় দিব নোৱাৰে। সমাজে আৰু এই সুযোগ নাপাব।'

হাতখন দাঙি আঙুলিৰে নিৰ্দিষ্ট কৰি দেখুৱাই দি ক'লে, 'সৌৱা চোৱাচোন, মানুহবিলাকে লুকাই লুকাই আমাৰ ফালে কেনেকৈ ৰ' লাগি চাই আছে। আমাৰ সুখ দেখি যেনিবা সিহঁতৰ ঈৰ্ষা উপজিছে। আমাক বাৰু কিয় ইমান আমনি কৰি আছে? সিহঁতৰ কাম নাই।

মই মূৰ দাঙি ঘূৰি চাই দেখিলোঁ মানুহবিলাকে ৰৰকাহ, ৰৰভাল বজাই নতুন নতুন বগা কাপোৰ পিন্ধি থিয় দি আছে। লগে লগে

যেন দুয়ো টোপনিত নিতাল দি পৰিলোঁ। আকৌ এইটো অনুভৱ হ'ল লগে লগে যেন তেওঁ মোৰ কোলাত আৰু মই বেৰত আউজি দুহাতেৰে তেওঁক সাবটি ধৰি আছোঁ। এনেতে মনত পৰিল শিৱৰ কথা, কেনেকৈ পাৰ্বতিৰ মৃতদেহ কান্ধত লৈ উভতি আহিছিল দক্ষ ৰজাৰ যজ্ঞস্থলীৰ পৰা।

বৰুৱা, শৰ্মা দুয়ো চৌধুৰীৰ ফালে চালে, মুখখন শেঁতা পৰা যেন অনুভৱ কৰিলে।

বৰুৱা ঃ চৌধুৰী, গাটো বেয়া লাগিছে?

চৌধুৰী ঃ নাই এনেয়ে।

শৰ্মা ঃ আপোনাক দুৰ্বল আৰু ভাগৰি পৰা যেন দেখা গৈছে।

চৌধুৰী ঃ হয়, অলপ তেনে নলগা নহয়, ক'ব নোৱাৰোঁ কেনে লাগিছে। কিন্তু উশাহ লওঁতে অলপ কষ্ট যেন ভাব হৈছে।

শৰ্মা, বৰুৱা ঃ দুয়ো একেলগে কৈ উঠিল, তেনেহ'লে আপুনি ঘৰত যাওক। আমি দুয়ো অলপ সময় আছোঁ, যোৱাৰ সময়ত আপোনাৰ খবৰটো লৈ যাম।

চৌধুৰী ঃ আহোঁ দিয়ক, খবৰ পাব বুলি কৈ গৈ থাকিল।

'খবৰ পাব' বোলা কথাষাৰ দুয়ো সহজভাৱে ল'বলৈ টান পালে।

বৰুৱা ঃ যি বুজিলোঁ আমাৰ আলোচনাই অন্ত নেদেখিলে। অন্তইহে সামৰণিক আগতীয়াকৈ চুই গুচি গ'লগৈ। এয়াই কচুপাতৰ পানী; পুৱাৰ সূৰুযৰ কিৰণত জিলমিলাই আছে, তিৰবিৰাই নাচিছে ৰংচঙীয়া সাজেৰে, চকুৰ পচাৰতে নাইকিয়া হৈছে। প্ৰেমে প্ৰেমকহে বিচাৰি পায়, প্ৰকৃত প্ৰেমৰ মৃত্যু নাই, প্ৰেম সাগৰত সাঁতুৰি-নাডুৰি থাকে প্ৰেমিক-প্ৰেমিকাই। জীৱনৰ প্ৰথম ভালপোৱাই কাকো এৰি নিদিয়ে। জীৱনভৰেই খেলি থাকে। তদ্ৰূপ চৌধুৰীৰো।

শৰ্মা ঃ চৌধুৰী এজন সংস্কাৰী পুৰুষ, আত্মা, বিবেক সৎ নীতিৰে তথা নৈতিকতাৰে পৰিচালিত। তেওঁক যিয়ে ভালপায়, তাক মূল্য দিবলৈ কাৰ্পণ্য নকৰে। কাৰ্পণ্য নকৰে প্ৰাণীৰ প্ৰাণৰ মমতা উপলব্ধি কৰাত। তেওঁৰ ভালদৰে অৱগত যে আত্মাও এক বোৱঁতী নৈ জীৱনে জীৱনে বাগৰি গৈ থাকে অনন্তলৈ। এই আত্মাৰ নিৰ্দেশতে বিবেকী পুৰুষৰ সু-

চিন্তা আৰু নিষ্ঠা-কৰ্মইহে সাংস্কৃতিক বাটটো পোহৰাই গৈ থাকে।

বৰুৱা : চাওক, আনক নিজৰ লাভৰ বাবে খতুৱাই কষ্ট দি আত্ম জ্ঞানহীন লোকে আনন্দ কৰে; বুদ্ধি, কৌশল, শিক্ষাৰ এয়া সুফল বুলি ভাবে। আনহাতে আনক নিজৰ সুবিধাৰ বাবে খটুৱাই কষ্ট দিবলগা হ'লে এনে অস্বস্তিকৰ পৰিৱেশত জ্ঞানী বা প্ৰকৃত লোকে দুখ কৰে; এয়া নিষ্ঠাবান লোকৰ চৰিত্ৰ। চৌধৰী এনে নিষ্ঠাবান শ্ৰেণীৰ সৎ লোক. মানুহৰ জন্ম অধিকাৰ সমাজত সাব্যস্ত কৰাৰ কাৰণে সপক্ষে থিয় হোৱা লোক। বিশ্বব্ৰহ্মাণ্ডৰ চাৰিমুঠি জীৱৰ মানুহেই এনে একমাত্ৰ জীৱ, যিয়ে মগজুৰ চিন্তা শক্তিৰে পৈণত হৈ পৰিশীলিত ব্যৱহাৰেৰে মানুহৰ উপকাৰ সাধন কৰিব বিচাৰে, লগতে নতুন নতুন উদ্ভাৱন শক্তিৰে নানা আৱিষ্কাৰ কৰি প্ৰগতিৰ নিশান উৰায়। এইখিনি মানুহেহে সমাজৰ মুখ উজলায়।

আজি কি হৈছে, কাকো যেন ক'বই নালাগে! আদিম পৃথিৱীৰ প্ৰকৃতিৰ গাতে গা লগাই থকা মানুহবোৰৰ হিয়াবোৰ? আৰু আজিৰ নওঠা মানুহৰ হৃদয়ৰ সম্পদবোৰ খুলি খুলি উকা প্ৰেম যচা দি যাচিবলৈ ওলোৱা পৰিৱেশবোৰ? সেই সোণালী সুদিনবোৰ কাৰ হাতত দি থৈ আহিল এই বোমাবিস্ফোৰণে তুলি দিয়া কেঁচা, পোৰা, মঙহৰ টুকুৰাবোৰ ল'বলৈ? ভাবি নাপাওঁ, এই চৰিত্ৰবোৰৰ ঠাচ (Mould) কেনেকৈ সৃষ্টি হ'ল? পৰিৱেশ নে জন্মগত। বহু ক্ষেত্ৰত জন্মতকৈ পৰিৱেশহে দায়ী যেন অনুভৱ হৈছে। এজনে কৰা দেখিবহে লাগে, দ্বিতীয়জনে বিনা দ্বিধাই কামটো কৰে। লোভৰ বাবে নে ক্ষোভৰ কাৰণে হৃদয়ৰ কেঁচা খনিজ সম্পদবোৰ বেচি দিলে উকা কাগজত চহী কৰি। আপোচৰ সূত্ৰ উলিয়াই কোনে বাৰু বন্ধ কৰিব এই অপচয়! মানৱ প্ৰেমৰ হাতখনত তেজৰ চেঁকুৰা বাৰু কোনে সহিব? এই চৰিত্ৰবোৰটো নিশ্চয় সাময়িক। ঠেকি ঠেকি যেতিয়া আহিব উভতি, নাপাব একো বিচাৰি।

শৰ্মা : চৰিত্ৰ মানে আত্মিক অনুভূতি সম্পন্ন হৈ ৰিপু দমন কৰিব পৰা মানসিক স্থিৰ অবস্থা? প্ৰকৃততে আত্মাৰ এনে উপলব্ধি অবিহনে জীৱনক সৎ পথে পৰিচালিত কৰিব নোৱাৰে। এনে পৰিপ্ৰেক্ষিতত চাৰি আশ্ৰমৰ

জীৱন প্ৰৱাহৰ কথা মনলৈ আহে। ইয়াৰে ব্ৰহ্মচৰ্য আশ্ৰমতে প্ৰকৃত চৰিত্ৰ গঠন হৈছিল, গুৰু শিক্ষা-দীক্ষা তথা পিতৃ-মাতৃৰ সৎ উপদেশ আৰু সামাজিক বান্ধোন সাপেক্ষে বিভিন্ন সু-পৰিৱেশৰ জৰিয়তে। অৰ্থাৎ আত্মিকবোধৰ উদয় হৈছিল জীৱনৰ আৰম্ভণিৰ পৰাই। কিন্তু আধুনিক যুগ পৰাৰ লগে লগে কিছুমান পিশাচ ৰূপ চৰিত্ৰই লম্ভিবলৈ লোৱাত সকলো দিশত অনৰ্থইহে হাত বাউলি দিলে।

বৰুৱা : এই সন্দৰ্ভতে চাৰিজনা মহাপুৰুষ— শ্ৰীমন্ত শংকৰদেৱ, মাধৱদেৱ, হৰিদেৱ আৰু দামোদৰদেৱৰ কথা উল্লেখ কৰিব পাৰি। এনে প্ৰসংগতে আকৌ মহাত্মা গান্ধী, কস্তুৰবা গান্ধী, জয়প্ৰকাশ নাৰায়ণ আৰু প্ৰতিভা দেৱীৰ কথাও মনলৈ আহে। ইয়াত দেখা যায় শাৰীৰিক মিলন হ'ল যদিও আত্মিক মিলনেৰেহে সংসাৰ সাগৰ পাৰ হৈ গ'ল। আত্মিক মিলন প্ৰেমেই যে স্বৰ্গীয় প্ৰেমৰ বোৱঁতী নৈ দেখুৱাই দি গ'ল নিজৰ জীৱন আৰু কৰ্মৰাজিৰ মাজেৰে।

ঈশ্বৰৰ বিকাৰহীন নিৰ্গুণ অৱস্থা নহয় যদিও এয়া যেন সগুণৰ পৰা নিৰ্গুণলৈ এক জয় যাত্ৰা। সগুণৰ প্ৰকৃতিজাত সত্ত্ব, ৰজঃ, তমঃৰ পৰা নিৰ্গুণলৈ এখন উজ্বল সাঁকো।

শৰ্মা : এনে পৰিপ্ৰেক্ষিততে মই ভাবোঁ যিয়ে সাত্ত্বিক দিশত উন্নত হৈ নিজৰ ভৰিৰ ওপৰত থিয় দিব নোৱাৰে, এনে মানুহে নিজৰ দোষ খুচৰি চাবও নোৱাৰে আৰু লগতে আনে ভাল কাম কৰিলে স্বীকৃতি দিব নোৱাৰে বা প্ৰসংশাও কৰিব নিবিচাৰে। কিয়নো তাৰ মানৱীয় মূল্যবোধ ধোঁৱা চাঙত। তাৰ প্ৰয়াস ভেটি মাটি বিক্ৰী কৰি চন্দ্ৰত আড়ম্বৰ জীৱন যাপন কৰাৰ ব্যৰ্থ হুতাশ। জোৰ পুৰি হাতত লগাৰ লগে লগে হাত উদং কৰি আন্ধাৰত নিমজ্জিত হোৱাৰ সংকট মোচনৰ তাড়নাই জীৱনৰ অন্তিম তাড়না হৈ দেখা দিয়ে।

বৰুৱা : হয়, আনহাতে মানৱতাবোধেই জীৱনৰ যাৰ সাৰথি, তেওঁ নিজ ভেটি মাটিতেই স্বৰ্গ সাজি মুক্ত মনেৰে সুখৰ জীৱন যাপন কৰাৰ হেঁপাহে পৰিসমাপ্তিক চুই যায়। চৌধুৰীও এই দিশত আগবাঢ়ি আছে।

শৰ্মা : আত্মবোধৰ পৰিপ্ৰেক্ষিতত ব্ৰাহ্মণ মুনি সন্তান হৈ দহটা মস্তিষ্কৰে বৌদ্ধিক বিকাশ ঘটাই লংকাৰাজ ৰাৱণে নিজে ধ্বংসৰ কবলত নিহিত

হ'ল কিয়? এনে প্ৰশ্নৰ উত্তৰ বিচাৰিলে মনলৈ আহে অনৰ্থৰ কথা। অনৰ্থই লম্ভিবলৈ সুযোগ পোৱাৰ সন্দৰ্ভতে মনত উদয় হয় অসূয়া প্ৰবৃত্তিৰ সৌজন্যৰ কথা। ইয়াত কামভাৱেই প্ৰধান। আদিকাব্য ৰামায়ণত ৰাৱণে সীতাক কৈছে, —

ব্ৰহ্মাৰ বৰত কামদেৱ ৰূপ ধৰো।
তুমি আমি লংকাত বসিয়া ৰাজ্য কৰো।।

অৰ্থাৎ— দহটা মস্তিষ্কৰ পাঁচটা সুমতি আৰু পাঁচটা দুৰ্মতিৰে ৰাৱণে সীতাক লাভ কৰাৰ মানসেৰে চেষ্টা অব্যাহত ৰাখিছে। জন্মতে লাভ কৰা কামভাবৰ সদৰীকৰণৰ প্ৰসংগতে আৰু দম্ভ, দৰ্প আৰু অহংকাৰো দাঙি ধৰিছে—

সাগৰ মধ্যত মোৰ স্বৰ্ণপুৰী লংকা।।
চৌষষ্টি কলাক জানো চৈধ্য শাস্ত্ৰ নয়।

এনে প্ৰসংগতে ধাৰণা হয় যে আসুৰিক প্ৰবৃত্তিৰে জীৱন পৰিচালিত হ'লে আত্ম জ্ঞানৰ পৰা কোনো ফল নধৰে, সাত্বিক গুণেই আত্মজ্ঞানৰ স্থিৰ খুঁটি। জীৱন স্কুলৰ অভিজ্ঞতাৰে অভিজ্ঞ বাল্মীকি ঋষিয়ে এই সীতা হৰণ সাপেক্ষে ৰাম-ৰাৱণৰ যুদ্ধৰ অৱতাৰণা কৰি কৰ্মফলকেই দাঙি ধৰিছে। লগতে দেখুৱাইছে যে এনে মদগৰ্বী লোকে, যিমানেই আপোন নহওক, বা ঋষি-মুনি নহওক কাৰো সু-উপদেশ গ্ৰাহ্য নকৰে। কাম, ক্ৰোধ, লোভত বাহিৰে আন একো নেদেখে। সেয়েহে কৈছে—

ঈশ্বৰৰ ভকতিহে জীৱৰ কুশল।

যি ঈশ্বৰৰ প্ৰাৰ্থনাই, দম্ভালি খ্যাৰিবলৈ বীৰৰ শক্তি, ধন ঐশ্বৰ্য, বিভূতি নিদিয়ে, তেনে শক্তিৰ পৰাভৱ নামানে এই লোকে।

বক্তব্য ঃ ব্যাসদেৱ ঋষিয়েও কৌৰৱসকলৰ চৰিত্ৰৰ জৰিয়তে মহাভাৰত মহাকাব্যত সুমতিৰ উদয় নোহোৱা দেখুৱাইছে। আনকি দুৰ্যোধনৰ দৰে যোগী আৰু ধনুৰ্দ্ধৰ বীৰ এজনবো কোনো সুদিহা-পৰামৰ্শই চকু মেল খুৱাব নোৱাৰিলে। লোভ আৰু ক্ৰোধে হাতবাউলি দি ধ্বংসৰ কবলত নিমজ্জিত কৰিলে। মহৰ্ষি বাল্মীকিৰ দৰে দেবৰ্ষি ব্যাসদেৱেও দেখুৱাইছে যে 'দুৰ্জনে নামানে ঈশ্বৰৰ পৰাভৱ।'

সেয়ে, পিতৃ-মাতৃয়ে পুত্ৰৰ কৰ্মফলেই প্ৰত্যেক্ষ কৰিলে। কংস ৰজাৰ মৃত্যুৱেও সেই একে কথাই সোঁৱৰালে।

শৰ্মা : দুৰ্জনৰ দুৰ্মতিৰ কথা বাদ দিয়ক, সজ্জনৰ সুমতি হ'লেও এই যুগত মানুহৰ জীৱন ইমানেই ব্যস্ত যে লাভ নোহোৱা কামত মানুহে সময় খৰচ কৰিব নোৱাৰে। কিন্তু এই মানুহজনেই সময়ক নেওচা দি, বহুত সময় অপচয় কৰিও কোনো আত্মীয়জনৰ কাষত থিয় হৈ থাকে, যেতিয়া দেখে কোনো এজনে কোনো ৰোগত যন্ত্ৰণা কাতৰ হৈ মৃত্যুমুখত ছটফটাই থাকে। ঔষধ, চিকিৎসা, ডাক্তৰ একোৱে সুফল নিদিয়ে। তেতিয়া ঈশ্বৰক জীউটো সপি দিয়াত বাহিৰে কাৰো আন উপায় হাতত নাথাকে। ধৰক জিভাখন কাটিছে, হাত-ভৰি কোঙা কৰি টানি নিছে, অদ্ভুত চিএৰ-বাখৰ কৰিছে অসহ্য দুখ-বেদনাত, সুচল কৰাৰ কোনো চেষ্টাই কাম দিয়া নাই। এনে সময়ত অনৰ্থকেইটাই তিক্ততা সানে মনত। আনহাতে সু-কৰ্মৰ বাটেৰে আহিও ঈশ্বৰ প্ৰাৰ্থনাৰ মোহত ঘৃণা ওপজে। আত্মীয়-স্বজনৰ অন্তৰত অতি দুখবোধৰ উদয় হয়, লগতে অৱচেতন মনত জ্ঞাতে-অজ্ঞাতে সুপ্ত হৈ থকা মৃত্যুই উত্তম উপায় বুলি ভবা সঁচা অনুভূতিয়ে সকলোৰে হিয়া-মনক স্বস্তিৰ নিশ্বাস পেলোৱাত সহায় কৰে। যেনে— যাতনাৰ জীৱনতকৈ মৃত্যুই ভাল। কিন্তু ভাল বুলি ভাবিলেই ভাল কৰিব নোৱাৰি। ইয়াতেই সৎকৰ্মৰ চিন্তাৰ ওৰ পৰে।

বৰুৱা : হেৰি, আগতেই হওক, পিচতেই হওক মৃত্যুৱে জীৱনটো মচি পেলাব; সুখ-দুখো আঁতৰি যাব; সকাহ দি গুচি যাব দুখ-যন্ত্ৰণাও। কিন্তু সময় বালিত দি যোৱা ভৰিৰ খোজকেইটা কোনে চিনি পাব? কোনে বুজি পাব জীৱনটো যে জীৱনৰ কাৰণেই অকল নাছিল, আন বহুতৰ কাৰণে আছিল। পৃথিৱীৰ ভালৰ কাৰণে আছিল। মানৱ কল্যাণৰ কাৰণে কিবাকিবি কৰি থৈ যোৱা হ'লে? চাওক, মহৰ্ষি বাল্মীকি আৰু দেৱৰ্ষি বেদব্যাসদেৱে কি নকৰিলে আৰু কি কৰিলে মানৱ কল্যাণৰ কাৰণে। আধ্যাত্মিক জ্ঞানৰ পথ মোকলাই থৈ গ'ল। মানুহে নিজক চাব শিকিলে আৰু পৃথিৱীৰ এক মানৱ ঐক্যতাত পিপৰাৰ লাড়ুত খামুচি বাগৰি থকা পিপৰাৰ মনৰ গতিও বুজাই থৈ গ'ল।

আমি যে কওঁ, শংকৰদেৱ নোহোৱা হ'লে? সেয়ে আমি পৃথিৱীলৈ চাব লাগে কি এক পৰম আগ্ৰহেৰে আমালৈ চাই আছে। অবুজ চকুৰ ভাষাটো বুজিবলৈ চেষ্টা কৰা হ'লে? হৃদয়খন কোনোৱে কাঢ়ি নিবলৈ কাৰো সৎ নগ'লহেঁতেন?

হেৰি, চৌধুৰী আচলতে হৃদয়ে হৃদয়ক বুজি পোৱা বিধৰে মানুহ। যিজনে দুখৰ পৰাও সুখ বুটুলিব পাৰে। তেখেতে যি কওঁ কৈছিল আৰু যি কাম কৰিছিল, তাত সৎ আৰু নিষ্ঠাহে প্ৰকাশ হৈছিল। নিজে সৎ আৰু আত্ম প্ৰত্যয়ী হৈ আনকো তেনে হ'বলৈ শিকোৱাটো যেন তেওঁৰ জীৱনৰ লক্ষ্যহে। তাৰোপৰি তেখেতে মানুহৰ মুক্ত স্বাধীনতা আৰু জন্ম অধিকাৰ সাব্যস্ত কৰাত খুব গুৰুত্ব দিছিল। যিকোনো জটিল সমস্যাই তেখেতৰ সন্মুখত পাতনিৰ পৰিবৰ্তে মোখনিহে বিচাৰি পাইছিল।

শৰ্মা : তাৰমানে আপুনি ক'ব বিচাৰিছে যে চৌধুৰীৰ আত্মবিশ্বাস আৰু আত্মা আস্থাই জীৱন অভিজ্ঞতাক সমৃদ্ধিশালী কৰিছে?

বৰুৱা : হয়, সেইখিনিয়েই আপোনাৰ-মোৰ দৰে মানুহৰ মনত তথা সময় বুকুত খোজৰ চিন হৈ ৰ'ব। প্ৰকৃততে তেখেতে সৎ, সমতা আৰু মনৰ বিশালতা দেখুৱাই সফল মানৱৰ পথত অগ্ৰসৰ হৈ আছে। সততা, নিষ্ঠা আৰু কৰ্মতৎপৰ নহ'লে থলুৱা হ'লেও গণতন্ত্ৰৰ ৰোষত আৰু দুৰ্নীতি, শোষণৰ কবলত জাতি, জনজাতি গোষ্ঠীসমূহ নিশ্চিহ্ন হৈ পৰিব। সেয়ে এনে মানুহহে আদৰ্শ হৈ থাকিব।

শৰ্মা : হ'ব দিয়ক; উঠক, চৌধুৰীৰ খবৰটো লৈ আমিও ঘৰাঘৰি যাওঁ।

বৰুৱা : কিয় জানো হঠাৎ আজি তেখেতৰ গাটো বেয়া হ'ল? আনদিনা এনেকৈ কোৱাটো শুনা নাই। সেয়েহে আত্মাৰ টাননি কʼলে বুজা নাযায়। সপোনৰ ধাৰণা হিচাপে কিজানি আত্মিক মিলন ৰাতিয়ে হৈ গৈছে।

শৰ্মা : হ'ব পাৰে, এজন আদৰসীয়া কেন্চাৰ ৰোগীয়ে কোৱা শুনিছিলোঁ, 'অহাকাইলৈৰ পৰা আপোনালোক মোৰ ওচৰলৈ আহিব নালাগে। এতিয়া আৰু কাকো কষ্ট নিদিওঁ।' নভবা ধৰণে কথাটো ফলিয়ালে। পিছদিনা ঢুকাল।

বৰুৱা : এনেকুৱা ঘটনা আৰু আছে। ইষ্ট-কুটুম্বক মাত এষাৰ দি আহি সাধৰণ

অসুখতে ঢুকায়। মৃত্যুয়ে কাৰোবাক খবৰ দি আহে আৰু আন কাৰোবাক খবৰ নিদিয়াকৈ পদূলিমুখত থিয় হৈ থাকে এনেদৰে।

শৰ্মা : সেই কাৰণেই শেষ নিশ্বাস ত্যাগ কৰাৰ আগলৈ কোনো এপদ বস্তুকে কোনেও এৰি দিব নোখোজে জীৱনটোৰ প্ৰতি আস্থা থকা বাবে। দিনটো ৰাতিৰ বিছনাতে শুই থাকে প্ৰভাতী সূৰুযে জগাই নিদিয়ালৈ, সেয়ে মায়াটোৱে দেহটোত দপদপাই থাকোঁতে মৃত্যুৱে জীউটো কাঢ়ি লৈ যায়।

বৰুৱা : বলক বলক, তেখেতৰ খবৰটো লওঁ।

দুয়ো গৈ থাকিল চৌধুৰীৰ ঘৰলৈ। ঘৰৰ দুৱাৰমুখ পোৱাৰ অলপ আগতে বহুত মানুহৰ আহ-যাহ, চাল-চলন দেখি সন্দেহ ঘনীভূত হ'ল। ব্লাড প্ৰেচাৰৰ ক্ৰিয়াই দুয়োৰো মনত থিতাপি ল'লে। লগে লগে দুৱাৰমুখত বহুত মানুহৰ জুম দেখি ষ্ট্ৰোক হোৱাৰ কথাই থিৰাং কৰিলে। প্ৰত্যেকজন মানুহৰে মুখত দুখৰ ছাঁ। গেটখন পাৰহৈ মানুহৰ ভিৰৰ মাজেৰে ফাঁক এটা উলিয়াই দুয়ো সোমাই গ'ল। ড্ৰয়িংৰুমৰ খিৰিকীৰ মুখত বহুত মানুহে ইজনে-সিজনক অগা-পিচাৰে ঠেলা-ঠেলিকৈ ভিতৰলৈ চাই আছে। মুখে মুখে বাগৰি অহা কথাৰ পৰা বুজিবলৈ বাকী থকা কথাখিনি বুজি পোৱাত সহজ হ'ল। ইজনে-সিজনক কোৱা শুনিলে, 'সৌভাগ্যবান পুৰুষ, পুতেক-বোৱাৰীয়েকৰ কোলাতে জীউ গ'ল, বাৰ ভাল, উত্তৰায়ণ পাইছে; 'এজনে মাজতে ফাঁক এটা পাই ক'লে, 'তিথিও বেয়া নহয়, এওঁ বৰ পৰোপকাৰী মানুহ ভাল হ'বই।'

ভিতৰলৈ সোমাই গৈ দেখে— পুতেক-বোৱাৰীয়েকৰ কোলাত দেহটো এৰি দি নীৰৱে-নিৰলে শুই আছে তেওঁলোকৰ অতি প্ৰিয়, দৰদী বন্ধু, চৌধুৰী। আগতে বহুতৰ কাৰণে তেখেত আছিল। এতিয়া তেখেত কাৰো কাৰণে নহয়; কাৰো লগত কথা নাপাতে। কোনেও জগাব নোৱাৰে, বৰ শান্তিৰে শুই পৰিছে, মুখমণ্ডলত এক সন্তুষ্টি। এই শান্তিয়ে নৈষ্ঠিক জীৱনটো দাঙি ধৰিছে। কৰিবলগা কাম, ক'বলগা কথা, সকলো ইতি কৰিছে। বহুত কৰ্মব্যস্ততাৰ পিচত এয়া জিৰণি লৈছে। পৰিৱেশজনিত কাৰণত

আত্মবোধৰ লগত যুদ্ধ কৰি কৰি ভাগৰি পৰিছে। সংসাৰ যুদ্ধত বিজয়ী সৈনিক আজি শান্তিৰ কোলাত। মহাজাগতিক স্বতঃস্ফূৰ্ত প্ৰকৃতিৰ একক শক্তি এক সত্য আৰু এই সত্যৰ লগত ওতপ্ৰোত জড়িত চাৰিমুঠ জীৱৰ সংযোগ সত্য। এই উভয় সত্যৰ চিৰন্তন সনাতন সত্যকে এক অনন্ত প্ৰৱাহৰ জীৱন সাক্ষী হৈ খোজ দি ব্ৰহ্মাংশ স্বৰূপ আত্মা সত্য দেহ মিথ্যা প্ৰতিপন্ন কৰি অমানুহৰ পৰা মানুহ হোৱাৰ বাট জিলিকাই থৈ গ'ল। উচাহৰ তেজাল ঘোঁৰাত উঠি নিত্য সনাতন সত্যৰ জীৱন উলাহৰ দীঘল জাঁপ দি ইতিহাসত খোজ জিলিকাই থৈ গ'ল। সেয়া মুখখনিত এটা পৰিতৃপ্তিৰ আভাস বিয়পি পৰিছে। অলপ সময় পিচতে ওপৰলৈ দুয়ো মূৰ দাঙি খিৰিকীৰে দুৱাৰ মুখলৈ চাই দেখে বাঁহৰ চাঙীখন নতুন ৰছীৰে গাঁঠি দি, নতুন চাৰি পাৰি লৈ সাজিছে বিছনাখন। লগে লগে নশ্বৰ দেহটো দাঙি নি তাৰ ওপৰত উত্তৰ-দক্ষিণমুৱাকৈ শুৱাই দিলে। মূৰশিতানত তুলসীৰ পুলি এটা আৰু চাকি এগছি জ্বলাই, ধূপ-ধূনা দি, ফুলৰ মালা দেহৰ বগা কাপোৰৰ ওপৰত দিলে। পুত্ৰ-বোৱাৰী প্ৰমুখ্যে সকলো গুণমুগ্ধই শেষ শ্ৰদ্ধা তৰ্পণ কৰিলে। শেষ বিদায় দিবলৈ মৰমৰ ঘৈণীয়েকজনী আজি নাই। তেওঁৰ দৰেই চৌধুৰীও দেহেন্দ্ৰিয় ত্যাগ কৰি অতীন্দ্ৰিয়লৈ গুচি গ'ল। শৰ্মা আৰু চৌধুৰীয়ে চকুলোৰে শেষ শ্ৰদ্ধা নিবেদন কৰিলে।

লগে লগে বৰতাল, বৰকাঁহ বাজি উঠিল আৰু চৌধুৰীৰ নশ্বৰ শবদেহ কান্ধত তুলি লৈ গ'ল শ্মশানলৈ। এয়া জ্বলি জ্বলি ছাঁই হৈ যোৱা পোৱা মম-ধূপৰ ছাঁই। পোহৰ বিলাই বিলাই নিজে ছাঁই হৈ গ'ল। এয়া প্ৰকৃততে ত্যাগবাদ। মৰম, ভালপোৱাক যি নামেৰেই নামাতক মিঠা লগাৰ দৰে ত্যাগে য'তেই থাকে, বহুতৰ মুখৰ হাঁহি বিৰিঙায়। তেনেকৈ যিমান আন্ধাৰেই নহওক মমবাতিডালে পোহৰাই তুলিব। সেয়ে এন্ধাৰত বস্তু বিচাৰি পাবলৈ হাতত মমবাতিডাল ল'বই লাগিব। ভোগবাদ হ'ল উঁইপৰুৱা— য'তে ধৰে ত'তে খাই শেষ কৰি পেলায়, হাতেৰে ধৰিবলৈও নাথাকে একো, জৰজৰে সৰি পৰে সকলো যেন সমৃদ্ধিশালী জাতি তথা দেশৰ ভাষা, ঐতিহ্য, সংস্কৃতিৰ গাঁঠি মাৰলি— উঁই হাফলু।

শৰ্মাই বৰুৱাৰ মুখলৈ চালে, শেঁতা পৰি যোৱা যেন দেখিলে। লগে লগে শৰ্মাই বৰুৱাক মাতি লৈ আঁতৰি গ'ল। অলপ দূৰ যোৱাৰ পিচত বৰুৱাই সোঁহাতৰ আঙুলি কঁপাই ক'লে— যাওঁতাজন গ'ল, সতি-সন্ততি আৰু গুণ-গৰিমাহে ৰ'ল। এয়াই জীৱন, কোনে কাৰ ৰাখে মান, নিজৰ জীৱনটোই গঢ়ে নিজৰেই খতিয়ান।

প্ৰকৃত পক্ষে ক'বলৈ গ'লে চৌধুৰীয়ে অমৃত মন্থনত (কৰ্ম সাপেক্ষে) উদ্ধাৰ হোৱা হলাহল (বৰবিষ) স্বৰূপ জীৱন অনৰ্থ (কাম, ক্ৰোধ, লোভ আদি ৰিপু) পৰিহাৰ কৰি অমৃত স্বৰূপ জীৱন অৰ্থৰ আত্মোত্থানৰ বাটেৰে খোজ দি অমৰ সম্পদ লাভ কৰিছে। এয়াই আত্মজ্ঞান স্বৰূপ জ্ঞানামৃত। ইয়াকে কয় অমৰ প্ৰেম।

শৰ্মা ঃ স্বভাৱতে ভাল মানুহৰ পৰা ভাল কথা সদৃশ সৌজন্যবোধ উদয় হোৱাৰ দৰে, শুদ্ধ আত্মাৰ ভাল ভাৱানুবেগৰ পৰাই সুমধুৰ ভাষা, সুমিষ্ট ব্যৱহাৰ নিসৃত হয়।

সেয়া... মানৱ জীৱন সংসাৰ ব্যৱস্থাত আদিৰে পৰা চলি অহা সত্য কথা বিলাক জীৱন অভিজ্ঞতাৰে বুটলি হিয়াৰ কোচত ভৰাই জ্ঞানৰ মহিমাৰে আত্ম তৃপ্তি লভিছিল ঋষি, মুনি সকলে। সেই কোচ খুলি জ্ঞানৰ ভাণ্ডাৰ মুকলি কৰি দিছিল দেৱৰ্ষি ব্যাসদেৱক। ব্যাসদেৱে সেই চিৰপ্ৰবাহিত সত্যৰ বোকাচাত উঠি নিজৰ বাস্তৱ জীৱন অভিজ্ঞতাৰ ৰূপক কলমৰ মাজেৰে নিগৰাই দি ভগৱান যে সেই সত্যত নিহিত থাকে তাৰেই অৱতাৰণা কৰিছিল। দাঙি ধৰিছিল যে সেয়াই জীৱন সংসাৰ সংকল্প সত্য। সাত সাগৰ তেৰ নদীৰ ইপাৰে কাৰোবাক কোনোবাই ভাল বা বেয়া কথা ক'লে সিপাৰে মুখত গাঁঠি লাগে, সেই অনুসাৰে একে সময়তে। ভৰা মুখত গাঁঠি খালে ভাল কথা আৰু শুদা মুখত বেয়া বুজাইছিল। এই সত্য চিৰকালেই সত্য; আৰু ভগৱানেই এই সত্য। মূৰ্ত্তি সাজি ভগৱানক উপস্থাপনা কৰি এই সত্যকে মূৰ্ত্ত কৰে। সেই সত্যৰ দখলৰ ক্ষতিয়ানেই চৌধুৰীয়ে দি থৈ গ'ল বুলি কৈ বৰুৱাই শৰ্মাৰ চকুত চকু পিছলাই বিষাদ মনেৰে দুয়ো নিজৰ নিজৰ বাট ল'লে...।

***